নতুন পদক্ষেপ

সাবায়ন বেজবরুৱা

I saw her upon nearer view,
A spirit, yet a woman too !

—WILLIAM WORDSWORTH.

G1094

CHATRA BHANDAR
AMGURI.

দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী : নলবাৰী

Natun Diganta : *A social novel in Assamese by Narayan Bezbaruah B. Sc. B A and published and printed by Munindra Narayan Dutta Baruah M. A. of Dutta Baruah & Co. at Sree Guru Press, Maligaon, Gauhati, Assam.*

প্রকাশন :
দত্তবৰুৱা এণ্ড্ কোম্পানী
গুৱাহাটী : নলবাৰী

বেঁটুপাত অঙ্কণ :
হেমন্ত মিশ্র

ৰচনা কাল
ইং ১৯৫৬-৫৭

প্রথম প্রকাশ :
মে', ১৯৬২ চন

সর্ব্বস্বত্ব লিখকৰ দ্বাৰা সংৰক্ষিত

মূল্য : পাঁচ টকা

মুদ্রাকৰ :
শ্রীমুনীন্দ্রনাৰায়ণ দত্তবৰুৱা, এম্, এ ;
শ্রীগুৰু প্রেছ, মালিগাওঁ,
গুৱাহাটী : অসম

SARBANANDA MEMORIAL LIBRARY
No .....
Date .....
P.O. JHANJI, SIBSAGAR

মা

তোমাৰ ব্যক্তিত্ব-জ্যোতি প্রভাৱত মুগ্ধ হ'ই
দেখাপালোঁ 'নতুন দিগন্ত'।
নিবেদিলোঁ তোমাৰেই চৰণত সৃষ্টি মোৰ
সেয়ে মোৰ তৃপ্তি অনন্ত॥

প্রকাশকৰ নিবেদন

সাহিত্যৰ সম-সাময়িক মূল্যাঙ্কণ নির্ভৰ কৰে ব্যক্তিগত ৰুচি-অভিৰুচিৰ ওপৰত। তেঁনে ব্যক্তিগত মতামতলৈ সময়ে কিমানদূৰ কেৰেপ কৰিবগৈ, বৰ্ত্তমানতেই ঠিৰাংকৈ ঠাৱৰ কৰিব পৰা হ'লে, সমালোচকৰ ভূমিকাত অৱতীর্ণ হ'বলৈ হয়তো বহুতেই বাঞ্ছা নকৰিলেহেঁতেন। সি যিয়েই নহওক, সাহিত্য—বিশেষকৈ স্বষ্টিধর্ম্মী সাহিত্য প্রকাশ কৰিবলৈ হ'লে, প্রকাশকৰ দৃষ্টিওযে স্বষ্টিধর্ম্মী সুস্থ সমালোচকৰ দৰেই হোৱাতো বাঞ্ছনীয়, এই কথা দোহাৰিবৰ সকাম নাই। মুঠতে, নাৰায়ণ বেজবৰুৱাৰ সামাজিক উপন্যাস "নতুন দিগন্ত"ৰ প্রকাশৰ ভাৰ লৈ ভুল কৰিছোঁ যেন লগা নাই। ৰঞ্চ, ন দি ক'বলৈহে ইচ্ছা যায়, যে এনে ধৰণৰ বহল পৰিসৰ আৰু দৃষ্টিভঙ্গীৰ উপন্যাস ভাৰতীয় সাহিত্যতে ৰৰ সৰহ নোলাব। মৌলিকতা, প্রাঞ্জলতা, ওজস্বিতা, উজ্জ্বলতা, বিশ্বজনীনতা—বিশেষকৈ মানৱতাৰ মহীয়ান ৰূপৰ প্রকাশেই এই উপন্যাসখনিৰ বিশেষত্ব।

লব্ধ প্রতিষ্ঠ কৃতী শিল্পী হেমন্ত মিশ্রৰ বেঁটুপাতৰ অঙ্কণে উপন্যাসখনিৰ অঙ্গভূষণ হিচাপে যে খাপ খাই পৰিছে, সেই বিষয়ে আমি নিঃসন্দেহ।

সম্পূর্ণ স্বতন্ত্র দৃষ্টিভঙ্গীৰে প্রসাৰতা আৰু গভীৰতা উভয় পিনৰ পৰাই, মানৱ চৰিত্র বিশ্লেষণত সার্ব্বজনীন সত্যৰ কালজয়ী আভাস দিয়া এই পুথিখনিয়ে, অসমীয়া উপন্যাস সাহিত্যত যে এক ন-অধ্যায়ৰ সূচনা কৰিব তাত কোনো সন্দেহ নাই। সাহিত্যানুৰাগী অসমীয়া পঢ়ুৱৈ সমাজ আৰু সুস্থ-সুধী সমালোচক সকলো আমাৰে সৈতে একমত হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস।

যান্ত্রীক বিজুটিত উজুটি খাই 'মুদ্রাৰাক্ষসে' ঠায়ে ঠায়ে এৰি যোৱা দুই-এটি বর্ণাশুদ্ধি, পুথিখনিৰ পুনৰ প্রকাশৰ আৱশ্যক হ'লে আঁতৰাবলৈ যত্ন কৰা হ'ব। বিশেষকৈ, উকাৰ ু আৰু ঊকাৰ ূ থাকিব লগীয়া কেইবাটিও শব্দত এই দুটা চিন বহা নাই বুলি মনত ৰাখিলে, পঢ়ি যাওঁতেই সেই আসোঁৱাহ কণ পঢ়ুৱৈয়ে নিজেই শুধৰাই ল'ব পাৰিব। ইতি।

গুৱাহাটী
১ মে' ১৯৬২ চন

বিনীত—
শ্রীমুনীন্দ্রনাৰায়ণ দত্তবৰুৱা

ইং ১৯৪০ চনৰ পৰা ১৯৬২ চনৰ আৰম্ভনিলৈকে—
এই একুৰি দুবছৰৰ ভিতৰত ৰচিত, এইজন লিখকৰে
অন্যান্য পুথি সমূহৰ ভিতৰত—

সামাজিক উপন্যাস ;
সামাজিক, বুৰঞ্জীমূলক আৰু পৌৰাণিক নাটক ;
একদৃশ্যা ধেমেলীয়া নাটিকা ;
চুটি-গল্প ;
কবিতা ;
সঙ্গীতালেক্ষ্য ;
নৃত্যালেক্ষ্য ;
অনাতাঁৰ নাটিকা ;
আৰু
গীতৰ পুথি
অতি সোনকালে ছপাই প্ৰকাশ কৰিবলৈ যো-জা কৰা হৈছে।
ইয়াৰ বাহিৰেও ;
অসমীয়া আৰু ইংৰাজী উভয় ভাষাতে ৰচিত
মৌলিক প্ৰবন্ধ, কবিতা, নাটক, উপন্যাস, চুটিগল্প আৰু
বিশ্লেষণমূলক ৰচনাৱলীও প্ৰকাশৰ কাৰণে
যুগুত কৰা হৈছে ॥

আমাৰ এ আষাৰ

সমাজৰ বৈচিত্ৰ্যহীন পৰিৱেশৰ জীপনীত গতানুগতিক ভাবে গঢ়ি উঠা জীৱনত নাটকীয় চৰিত্ৰ হিচাবি হাবাথুৰি খাব পাৰি, কিন্তু উৎকৃষ্ট নাটকৰ সমল তাত পোৱা টান। আনহাতে সংসাৰৰ ঘাত-প্ৰতিঘাট-সংঘাতৰ মাজতো নিজৰ অস্তিত্ব নেহেৰুৱাই, প্ৰতিকূল পৰিৱেশতো ঠন ধৰি উঠিবলৈ কৰা প্ৰয়াসত একো একোখনি জীৱন-নাটক এনেয়েই ৰূপায়িত হৈ উঠে। এনে নাটকে দৰ্শকৰ চকুত চমক লগোৱাৰ উপৰিও, ভাৰ সমুদ্ৰত স্বাভাৰিক-তেই জোঁৱাৰৰ ঢৌ তোলা দেখা যায়। তাৰ আধ্যাত্মিক আৰু মনস্তাত্ত্বিক ফালটো বাদ দি, তেনে একোখন জীৱন নাটকৰ বাহ্যিক ৰূপটো লিখনিৰ জৰীয়তে হুবহুকৈ চিত্ৰিত কৰা সহজ হ'ব পাৰে ; কিন্তু তেনে হুবহু চিত্ৰনত চিত্ৰকৰৰ সৃষ্টিৰ চাতুৰ্য্যতকৈও যান্ত্ৰিক কেমেৰাৰ ফটোগ্ৰাফৰ ৰূপটোহে প্ৰধানকৈ ধৰা পৰে।....

ঘটনাৰ হুবহু বৰ্ণনা, সাংবাদিকৰ বৰ্ণনাতকৈ বৰ বেচি বেলেগ নহয়। সাংবাদিকতা-ধৰ্ম্মী সাহিত্যত লিখকৰ দৃষ্টিভঙ্গী, অঙ্কণ-চাতুৰ্য্য বা কলা-কুশলতাৰ স্থান নিতান্ত গৌণ। কিন্তু সৃষ্টিধৰ্ম্মী সাহিত্যৰ সৌষ্ঠৱেই হৈছে, কলাকাৰৰ স্বকীয় দৃষ্টিভঙ্গীত ৰূপায়িত হোৱা বিষয় বস্তুৰ বৈচিত্ৰ্যময় ৰূপ আৰু তাৰ গতিশীলতাৰ স্বতঃস্ফূৰ্ত্ত আৱেদন। এনে আৱেদনৰ তাৰতম্যৰ ওপৰতহে কলাকাৰৰ সৃষ্টি-প্ৰতিভা প্ৰধানকৈ নিৰ্ভৰ কৰে।

শৰীৰ, মন আৰু আত্মাৰ ত্ৰিৱেনী সঙ্গমত শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দৃষ্টিৰ সমন্বয় ঘটিলেহে বিষয় বস্তুৰ অত্যাৱশ্যকীয় এই তিনিউটি ফাল কলাকাৰৰ চকুত জল্‌জল্‌ পট্‌পটকৈ ভাহি উঠে। অৱশ্যে, এনে ধৰণৰ দৃষ্টিভঙ্গীতো বহুণ সানি দিয়েহি ব্যক্তিগত ৰুচি-অভিৰুচি-সংস্কৃতি-

শিক্ষা-জীৱন দৰ্শন আদিয়ে। সেয়েহে, প্ৰত্যেক কলাকাৰৰে সৃষ্টি প্ৰতিভাৰ ৰূপো বেলেগ বেলেগ।

'ধানটোৱে প্ৰতি কণটো, মানুহটোৱে প্ৰতি মনটো' হোৱাৰ কাৰণেই একেটা বিষয়বস্তুকেই হেজাৰজনে হেজাৰ ৰূপত দেখা পায়; হেজাৰ ধৰণে অনুভৱ কৰে। এনে অনুভূতিকেই শিল্প-সাহিত্যৰ যোগেদি প্ৰতিফলিত কৰি, কলাকাৰ সাহিত্যিকে আত্মোপলব্ধিৰ তৃপ্তি আহৰণ কৰি সৃষ্টিৰ সাৰ্থকতাত আপোন পাহৰা হৈ যায়। আপোন পাহৰা হৈ যায় নিজস্ব বৈশিষ্ট্যত, মৌলিকতাত।

বৈশিষ্ট্য বা মৌলিকতা নিৰ্ভৰ কৰে প্ৰকাশ-ভঙ্গীতহে, বিষয়বস্তুত নহয়। বিষয়বস্তু উমৈহতীয়া সম্পত্তি। এই উমৈহতীয়া সম্পত্তি লৈ কোনেও খোৱা-কামোৰা কৰিব নোৱাৰে, কৰা উচিত নহয়। প্ৰকৃত সৃষ্টি-ধৰ্ম্মী সাহিত্যৰ মোল নুবুজিলেহে তেনে কৰা সম্ভৱ।.... সমাজ আৰু মানৱ—অন্তহীন বিষয়বস্তুৰ বিশাল এই অক্ষয় ভাণ্ডাৰৰ পৰা নিজ নিজ অভিৰুচি আৰু দৃষ্টিভঙ্গীৰে প্ৰত্যেক কলাকাৰে আহৰণ কৰে সৃষ্টিৰ সামগ্ৰী—যি সামগ্ৰীক কল্পনাৰ গৱেষণাগাৰ বা ষ্টুডিওত সজাই পৰাই শিল্পীয়ে ৰূপ দিয়ে নিজৰ অনুভূতিক। নিজস্ব অনুভূতি-জড়িত এই সৃষ্টি কণতহে সোমাই থাকে শিল্পীৰ মৌলিকতা। বিশিষ্ট এই মৌলিকতা কণেই হৈছে শিল্পীৰ একচেতীয়া সম্পত্তি। এই সম্পত্তিত হাত দিয়াৰ অধিকাৰ আনৰ নাই। ইয়াৰ ভাৱান্তৰ, ভাষান্তৰ বা ৰূপান্তৰৰ মৰ্য্যদাকণো মূল শিল্পী বা ৰচয়িতাৰে প্ৰাপ্য। মৌলিকতাৰ মূল্য সেইদেখি ইমান বেচি।.... এক কথাত ক'বলৈ গ'লে, মৌলিকতাই সৃষ্টিধৰ্ম্মী সাহিত্যৰ প্ৰাণ। এই প্ৰাণ-শক্তিয়েই সৃষ্টিধৰ্ম্মী সাহিত্যক দান কৰে সাৰ্ব্বজনীনতা আৰু অমৰত্ব। অমৰ সাহিত্য সৃষ্টি কৰাতহে লিখকৰ সাৰ্থকতা।

লিখকৰ আন এখন উপন্যাস 'প্ৰেৰণাৰ প্ৰতীক্ষা'ৰ নায়কৰ ভাষাত ক'বলৈ গ'লে:

—অসমৰ মাটিত খোপনি পুতি গগন-চুম্বা শিল্প সৌধৰ পৰা যি জ্যোতি বিকীৰণ হ'ব, তাৰ সোৱাদ উপলব্ধি কৰিব পাৰিব লাগিব গোটেই বিশ্বই; সেয়েই বিশ্বশিল্প।.... চোৱাং সাহিত্যৰ গম্বুজ গঢ়ি, বিশ্ব সাহিত্যিক হোৱাতো দূৰৰে কথা, নিজৰ দেশতে খোপনিৰ অভাৱত সেই সাহিত্যৰ গম্বুজ সামান্য সাহিত্যিক ভূমিকম্পতে উভালি পৰি ভাঙি চিঙি চুৰমাৰ হৈ যাব।.... চোৱাং সাহিত্য চিৰ ভেটিহীন—চিৰ পমুৰা।.... সৃষ্টিৰ আনন্দই

পীৰ একমাত্ৰ কাম্য। জগতৰ উক্তি-কটুক্তিলৈ কাণ দিয়াৰ অৱসৰ ত শিল্পীৰ নাই; থাকিব নোৱাৰে।

নাটক আৰু উপন্যাস উভয়তে ঘটনাক্ৰমৰ জৰীয়তে কোনো এটি নিৰ্দ্দিষ্ট য়ৰ পৰিণতি দেখুৱাবলৈ প্ৰয়াস কৰা হয়। কিন্তু উভয়ৰে পৰিসৰ ূৰ্ণ বেলেগ। নাটকৰ সৰ্ব্বাঙ্গীণ ৰূপ উপলব্ধি কৰিবলৈ হ'লে তাক ভনয় কৰিব লাগিব। কিন্তু উপন্যাস স্বয়ং সম্পূৰ্ণ। পঢ়াৰ লগে লগে ৱেশ, পৰিস্থিতি, ঘটনাক্ৰম, চৰিত্ৰাৱলীৰ মনস্তত্ত্ব, বিদ্যা, বুদ্ধি, সংস্কৃতি— কথাত এই সকলোৰে সমন্বয়ত গঢ়ি উঠা ব্যক্তিত্বৰ ৰূপটো পঢ়ুৱৈৰ াস চকুত পুঙ্খানুপুঙ্খৰূপে ধৰা পৰি যায়। ঘটনাৰ মাজত পঢ়ুৱৈ বুজিৰ ৰাবাকৈয়ে জড়িত হৈ পৰি নিজকে পাহৰি যায়। এই পাহৰি যোৱাৰ া প্ৰভাৱকণৰ তাৰতম্যৰ ওপৰতেই উপন্যাস ৰচয়িতাৰ কলা-কুশলতাৰ ত্তিত্ব নিৰ্ভৰ কৰে। সেইপিনৰ পৰা চাবলৈ গ'লে সাৰ্থক উপন্যাস াকাব্য-ধৰ্ম্মী।

পৰিকল্পনাৰ প্ৰাচুৰ্য্য, গঠন প্ৰণালীৰ গাম্ভীৰ্য্য, প্ৰকাশভঙ্গীৰ সাৰ্ব্বনীনতা, ভাষাৰ প্ৰাঞ্জলতা, ভাৱৰ উদাৰতা, সমবেদনাভূতিৰে অঙ্কিত ৰিত্ৰাৱলীৰ মাজেৰে ৰূপায়িত হোৱা ঘটনাক্ৰম আৰু নাটকীয় পৰিস্থিতিৰ দকতাৰে সাৱলিল গতিৰে পৰিণতিৰ পিনে অতকিতে আগুৰাই নিৰ পৰা মতাৰ ওপৰত নিৰ্ভৰ কৰিহে উপন্যাস সাহিত্যৰ মহত্ত্বৰ মান নিৰ্ণয় কৰিব াৰি। এই এটাইৰে অবিচ্ছেদ্য সমন্বয়ত ৰূপায়িত হোৱা যি কোনো াহিত্যই মহাকাব্য নহলেও মহাকাব্য ধৰ্ম্মী। এনে ধৰ্ম্ম, উপন্যাসৰ মাজেৰে নেকৈ সৰ্ব্বাঙ্গীনভাৱে ৰূপায়িত হোৱা সম্ভৱ, নাটক, গল্প বা সাধুকথাৰ জেৰে হোৱা টান বা অসম্ভৱ। পৃথিবীৰ আধুনিক সাহিত্যৰ ভিতৰত ই দেখি উপন্যাস সাহিত্যৰ ইমান আদৰ। সাৰ্থক উপন্যাসক এক কথাত শ্বজনীনতাৰ আৱেদন-আৱেশ-বঞ্চিত জীৱনৰ প্ৰতিফলক বুলি ক'লেও ত্যুক্তি কৰা নহয়। সেই হিচাপে মহৎ সাহিত্যৰ পৰ্য্যায়লৈ উঠা উপন্যাসক দ্যগন্ধী আধুনিক মহাকাব্য আখ্যা দিব পাৰি। বিশ্ববিখ্যাত ৰুচ ঔপ-্যাসীক কাউণ্ট্ লিও টলষ্টয়ৰ 'ওৱাৰ এণ্ড্ পীচ্' উপন্যাস সেই পৰ্য্যায়ত ৰে। সেই একেজন ঔপন্যাসীকৰে 'আনা কেৰেনিনা' উপন্যাসত নাৰী ৰিত্ৰৰ এটা গভীৰতম ফাল দেখুৱাবলৈ প্ৰয়াস কৰি টলষ্টয় বহুতো পৰিমাণে কৃতকাৰ্য্য হৈছে বুলি ক'ব পাৰি। আধ্যাত্মিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি

চালে 'আনা' আৰু 'আনা'ৰ স্বামী 'আলেক্‌জেন্দ্রভিচ'ৰ চৰিত্রাঙ্কণত কিছু ত্রুটি থকা যেন লাগিলেও, সেই ত্রুটিকণেই এই দুটি চৰিত্রৰ বৈশিষ্ট্য, আৰু তাকেই সার্থকতাৰে চিত্রিত কৰি টলষ্টয়ে এই অমৰ গ্রন্থখনি জগতৰ সমুখত দাঙি ধৰিছে। নৈতিকতাৰ নিৰ্দ্দিষ্ট নির্দ্দেশ দিয়া, টলষ্টয়ৰ উদ্দেশ্য নহয়—টলষ্টয়ৰ উদ্দেশ্য আনাৰ চৰিত্রত যিটো সত্য তাকে প্রতিপন্ন কৰাহে। এই চূড়ান্ত নিৰপেক্ষতাৰ কাৰণেই কলামার্গৰ উচ্চতম স্তৰতো টলষ্টয়ৰ সৃজনি শক্তিৰ অলপো হ্রাস হোৱা দেখা নেযায়।

ডষ্টয়েভস্কিৰ ভাষাত 'মানুহৰ পূৰ্ব্বেই সৃষ্টি হোৱা পাপৰ পঙ্কতহে মানুহৰ জন্ম। সেইদেখি জীৱনৰ ঘূৰ্ণিবায়ুত পাৰৈ পাপৰ পঙ্কত লুতুৰি পুতুৰি হৈ মানুহৰ মৃত্যু ঘটাত আচৰিত হ'বলগীয়া একো নাই।' কিন্তু ভাৰতীয় চিন্তাধাৰাৰ ৰূপ তেনে নহয়। আধ্যাত্মিকতাৰ চৰম শিখৰত পাপ-পুণ্যৰ মাজত কোনো পার্থক্যই নেথাকে। এইখিনিতেই ভাৰতীয় দর্শনৰ বৈশিষ্ট্য। আৰু এই বৈশিষ্ট্যকণ ফুটাই তুলিব পৰা সামর্থ্য অর্জ্জন কৰিব পাৰিলেহে ভাৰতীয় আধ্যাত্মিক ঐতিহ্য-আত্মাৰ লগত শিল্পীৰ পৰিচয় ঘটিছে বুলি ক'ব পাৰি।

সি যিয়েই নহওক, বিশ্বৰ কৃতী সমালোচক সকলোৱেই অন্ততঃ এটা বিষয়ত একমত যে টলষ্টয়ৰ এই দুয়োখন উপন্যাসৰ সমকক্ষ উপন্যাস আন কোনো ভাষাতেই এতিয়ালৈকে লিখা হোৱা নাই। ফ্রেন্স্ ঔপন্যাসিক ভিক্টৰ হিউগোকো অৱশ্যে কোনো কোনোৱে টলষ্টয়ৰ লগতে একে শাৰীতে ঠাই দিব খোজে। বিশেষকৈ "লা মিজাৰেব্‌ল্" উপন্যাসখনেই হিউগোক চিৰদিনলৈ অমৰ কৰি ৰাখিব। ইয়াৰ বাহিৰে পৃথিবীৰ অন্যান্য ঔপন্যাসিক-সকলৰ মাজতো প্রতিভাবান লিখক বহুতো আছে; কিন্তু টলষ্টয় আৰু হিউগোৰ সমকক্ষ ঔপন্যাসিক আজিলৈকে কোনো ওলোৱা নাই বুলি প্রায় সকলো সমালোচকেই এক মত বুলি ক'ব পাৰি।

ইউৰোপীয় উপন্যাসৰ আহিত ভাৰতীয় বিভিন্ন ভাষাতো আজিলৈকে বহুতো উপন্যাস লিখা হৈছে। কিন্তু উনুকিয়াই অহা এই দুগৰাকী বিশ্ব-বিখ্যাত ঔপন্যাসিকৰ সমপর্য্যায়ৰ উপন্যাস ভাৰতীয় কোনো ভাষাতে আজিলৈকে কোনেও লিখা নাই। লিখিছে যদিও, তেনে স্বীকৃতি লাভ কৰিবলৈ এতিয়ালৈকে কোনো সক্ষম হোৱা নাই। সেইবুলি ভৱিষ্যতলৈকো যে কোনো নোলাব—এই বুলি ভবাত কোনো যুক্তি নাই। ভাৰতীয় উদীয়মান

সাহিত্যিকৰ সমুখত এই কথাটিয়েই আজি প্রত্যাহ্বান স্বৰূপে থিয় দিছে। ভাৰতীয় ভাষাতো টলষ্টয় বা হিউগোৰ সমপর্য্যায়ৰ বা তাতোকৈ উৎকৃষ্ট উপন্যাস সৃষ্টি হ'ব লাগিব।

গতানুগতিকতাৰ গণ্ডী ভেদ কৰি নতুন দিগন্তলৈ দৃষ্টি নিক্ষেপ কৰাৰ যোগ্যতা আজ্জিলেহে, কালজয়ী আলোক ৰশ্মিৰ প্রভাৰত প্রতিভাৰ সুপ্ত শক্তিয়ে সঁহাৰি দিয়ে। প্রতিভাবান কোনো লিখকেই সেইদেখি গতানু-গতিকতাৰ গণ্ডীত নিজকে চেপি ৰাখিব নোৱাৰে। এনে গণ্ডীত আৱদ্ধ থাকি "চর্ব্বিত-চর্ব্বণং" প্রথাৰে বটবৃক্ষৰ বীজ ৰোপন কৰিবলৈ গ'লে, সেইফালেই শুকাই সি কর্কৰিয়া মাৰি ধ্বংস হৈ যাব। এৰানিৰ বকৰানিত ৰবগছৰ পুলি নগঁজে, গঁজিব নোৱাৰে; গঁজিলেও অকালতে মৰহি যাব, ঠন ধৰি উঠাতো দূৰৰে কথা। এৰা আৰু ৰবগছৰ মাজত পার্থক্য নির্ণয় কৰি, ৰবগছৰ সান্নিধ্যত পাৰিলে নিজেও ৰবগছ হ'বলৈ সাধনা কৰাত একো ক্ষতি নাই! অৱশ্যে, তাৰ আগতে নিজকে জুখি চাব লাগিব। চন্দ্রলৈ হেপা মেলাৰ আগতে বিচাৰ কৰি চাব লাগিব নিজে বাওনা হয়নে নহয়। এই আত্মদর্শন বা আত্ম-অধ্যয়নকণ নথকাৰ কাৰণেই পৃথিবীত ধ্বনিৰ নামত প্রতিধ্বনি আৰু প্রতিভাৰ নামত প্রৰোচনা চলিব লাগিছে।

সেই বুলি বুজিব নেলাগিব যে অনুবাদ সাহিত্যৰ মূল্য নাই। অনুবাদ বা অনুকৰণৰো নির্দ্দিষ্ট ঠাই আছে। অনুবাদক অনুবাদ বা অনুকৰণক অনুকৰণ হিচাপে গ্রহণ কৰাত কাৰো আপত্তি থাকিব নোৱাৰে। কিন্তু, কোনোৱে যদি অন্ধৰ দৰে অনুকৰণ কৰি স্বাতন্ত্র্যৰ গৌৰৱধ্বজা উৰুৱাবলৈ যায়, সি জানো "ঘৰ্ চিৰিকাই ৰাজহংস গতি" ধৰিবলৈ যোৱাৰ দৰে হাঁহিয়াতৰ কথা নহব?

পৰিসৰ যিয়েই নহওক, নিজ নিজ বৈশিষ্ট্যৰ উৎকৃষ্টতম অৱদান কলাৰ ৰূপত দাঙি ধৰিবলৈ কৰা আন্তৰিক প্রয়াসত কিবা ত্রুটি-বিচ্যুতি ঘটিলেও, প্রকৃত কলামোদীৰ অনুমোদনৰ পৰা তেনে লিখক বা শিল্পী কেতিয়াও বঞ্চিত হ'ব নোৱাৰে। আনৰ বস্তু আত্মসাৎ কৰাৰ চেষ্টাত নেথাকি, নিজৰ প্রতিভাৰ চৰম বিকাশ সাধন কৰিব পৰাতহে শিল্পীৰ সার্থকতা। এই প্রসঙ্গত, এই উপন্যাসৰ নায়কৰ দৰে ক'ৰৰ মন যায়ঃ

—কৰিছোঁ সাধনা মই তৃপ্তিৰ কাৰণে,
পাম জানো তৃপ্তি মই কবি হাঁহাঁকাৰ

লওঁ যদি ভুলতেও মোৰ বুলি তুলি
এটি বস্তু, য'ত মোৰ নাই অধিকাৰ ?—

কলাৰ উৎকৃষ্টতম পর্য্যায়লৈ উন্নিত সাহিত্য মানে ইয়াকে নুবুজায় যে কলা এনে এটা বস্তু যাক লিখকৰ ইচ্ছা অনুযায়ী সাহিত্যৰ লগত সাঙুৰি দিব বা সাহিত্যৰ সাঙোৰৰ পৰা মোকলাই আনিব পাৰি! দেহৰ লগত স্বাস্থ্যৰ যি সম্বন্ধ, সাহিত্যৰ লগতো কলাৰ সম্বন্ধ ঠিক তেনে—ইটোৰ পৰা আনটোক পৃথক কৰিবলৈ গ'লে, কলাও নেথাকে সাহিত্যও নেথাকে। স্বাস্থ্যবান দেহ বলীষ্ঠ আৰু কমনীয় হোৱাৰ দৰে, স্বাস্থ্যবান সাহিত্যও বলীষ্ঠ আৰু মনোমোহা। স্বাস্থ্যবান সাহিত্যকহে সার্থক সাহিত্য আখ্যা দিব পাৰি। দেখাত 'পথালি-কোমোৱা' হোৱাটোৱেই যেনেকৈ স্বাস্থ্যৰ একমাত্র চানেকি নহয়; ঠিক তেনেকৈ দেখাত সৰহকৈ কিছুমান কিতাপ লিখিলেই সুস্থ, বলীষ্ঠ আৰু উৎকৃষ্ট সাহিত্যিক বুলি গৌৰৱ কৰা টান। প্রতিভাৰূপী বিভূতিৰ ৰৱ, পবিত্র সাধনাৰে, অন্তৰাত্মাৰ অখণ্ড জ্যোতিৰ পৰা আহৰণ কৰি আনিব নোৱাৰিলে, তথাকথিত শিল্পীৰ সকলো অৱদান ভৱিষ্যতে ফটাকাগজৰ পাচিত দলিয়াই দিবলৈকো হয়তো সঙ্কোচ নকৰিব পাৰে! আত্ম-প্রৱঞ্চকৰ দ্বাৰা কোনোকালেই কোনো যুগতে সার্থক সাহিত্য সৃষ্টি হোৱা নাই, বর্ত্তমানেও নহয়, ভৱিষ্যতলৈকো হ'ব নোৱাৰে। মানৱ সাহিত্যৰ বুৰঞ্জীয়েই তাৰ সাক্ষী।

সার্থক সাহিত্যৰ কথা ইমানতে থৈ, এতিয়া অহা যাওক আমাৰ আলোচ্য উপন্যাস "নতুন দিগন্ত"ৰ কথালৈ। সঁচা কথা ক'বলৈ গ'লে, নিজৰ ৰচনাৰ বিষয়ে নিজে যিমানে কম কোৱা যায়, সিমানে মঙ্গল। বিদ্বান, বুদ্ধিমান আৰু জ্ঞানী পঢ়ুৱৈ বা সমালোচকক ইয়াৰ বিশেষ গুণ বা বিভূতিৰ বিষয়ে নকলেও নিজেই বিচাৰি পাব। ('জৱহৰ'ৰ মূল্য 'জৱহৰি'য়ে নুবুজিব বুলি সন্দেহ কৰাত কোনো যুক্তি নাই।) 'মূৰ দুপিয়ালেই জ্ঞানীয়ে গম পায়।' 'হাঁ বোলোতেই হুমুনীয়াহৰ বাতৰি পাওঁতা লোকৰো অভাৰ নাই। বিশ্ব সাহিত্যৰ লগত সম্বন্ধ বা পৰিচয় থকা সকলো লোকেই পঢ়ি যাওঁতেই পুথিখনিৰ সাহিত্যিক মূল্যাঙ্কণ আপেক্ষিকতাৰ মানদণ্ডত নিজে নিজেই ঠাৱৰ কৰিব পাৰিব। হেঁদেখি নিজৰ জয়ঢোল নিজে কোৱা-বলৈ নগৈ, নিৰ্ব্বিকাৰভাৱে সেই দায়িত্বৰ ভাৰ পঢ়ুৱৈ সমাজকে এৰি দিয়া হ'ল।

পুথিখনিৰ জন্মবৃত্তান্তৰ বিষয়ে একাষাৰ ক'লে বোধকৰো অপ্রাসঙ্গিক নহ'ব। উপন্যাসখনিৰ ৰচনা কাল ইং ১৯৫৬-৫৭ চন।

হাড়ে-হিমজুৰে অসমীয়া জাতীয় জীৱনৰ আহিলা আৰু আহিৰে সজোৱা-পৰোৱা কল্পনাৰ পানচৈত আকাশলংঘা আন্তর্জ্জাতিক পাল তৰি দি, সম-সাময়িক মানৱ সমাজৰ অন্তর্নিহীত সুঁতিটোৱেদি সার্ব্বজনীন মৃদু পঁছোৱাই সেই পানচৈক উজুৱাই আওৱাই নিব পৰাকৈ গুৰি ৰ'ঠাত ভালকৈ খামোচ মাৰি ধৰি, সর্ব্ব-ভাৰতীয় কাল্পনিক-বাস্তৱৰ সামাজিক ৰূপ এটি উপলব্ধি কৰিবলৈ চেষ্টা কৰা হৈছে—এই 'উপন্যাখনিত। বাস্তৱত খোপনি পোতা হ'লেও, ইয়াৰ চৰিত্রাৱলী, ঘটনা আৰু পৰিবেশ সম্পূর্ণ কাল্পনিক।

মূলতে ইংৰাজীতে লিখা এই উপন্যাসখনিৰ ৰচনাৰ কাম সম্পূর্ণ হয়, ইং ১৯৫৭ চনৰ ২৫ আগষ্টৰ দিনা। কিন্তু হ'লে হ'ব কি? গাঁথি শকত নহয়; তাতে ইংৰাজীতে লিখা উপন্যাস! কোনে ছপাব?....পেলাই থ'লো পেৰাৰ এচুকত।

ইতিমধ্যে সাহিত্যানুৰাগী দুজন উদীয়মান ডেকা বন্ধু শ্রীমান কিৰণ শর্ম্মা আৰু গুৱাহাটী জিলা গ্রন্থাগাৰৰ ভূতপূর্ব্ব অধ্যক্ষ শ্রীজ্যোতিষ চন্দ্র দত্তই পুথিখনি এনেকৈ পেলাই থোৱাৰ ভু পাই, সেইখন সোনকালে ছপাই উলিয়াবলৈ প্রায়ে সোঁৱৰাই থাকিবলৈ ধৰিলে।

চাওঁতে চাওঁতে এনেকৈয়ে আৰু দুবছৰ কাটি গ'ল। আহিল ইং ১৯৫৯ চনৰ নবেম্বৰ মাহৰ এটা গধূলি। সেইদিনা জ্যোতিষ দত্তই প্রায় জোৰকৈয়ে লৈ গ'ল গুৱাহাটীৰ 'দত্তবৰুৱা এণ্ড্ কোম্পানী'ৰ মুখ্য প্রপ্রাইটৰ শ্রীমুনীন্দ্রনাৰায়ণ দত্তবৰুৱাদেৱৰ ওচৰলৈ। মোৰ পাণ্ডুলিপিটোৰ কলেৱৰ দেখি আৰু ইংৰাজীতে লিখা এনে এখন বৃহৎ উপন্যাস ছপাই উলিয়ালে অসমীয়া সাহিত্যৰ বিশেষ কি লাভ হ'ব বিবেচনা কৰিয়েই বোধকৰো, শ্রীদত্তবৰুৱাই মোৰ সকলো কথা বিশেষ ধৈর্য্য আৰু সহানুভূতিৰে শুনিও, সেইখন ছপাবলৈ সাহ নকৰিলে। অৱশ্যে, তেখেতৰ বাহ্যিক অনিচ্ছাৰ, মাজত মই দেখা পালোঁ, সুস্থ আৰু উদ্যোগী সাহিত্যিকৰ প্রতি থকা তেখেতৰ স্বাভাৱিক স্নেহ আৰু শ্রদ্ধাৰ লুকাৰ নোৱাৰা ৰেঙনিকণ। সেয়ে মোক সাহ দিলে। মই আকৌ এবাৰ কৈ চালোঁ। তেখেতে খপকৰে কৈ পেলালে: এইখনৰ অসমীয়া ভাঙনি এটি মোক নিদিয়ে কিয়? মই হাঁহি কলোঁ, "ভাঙনি নহয়—ৰূপান্তৰ....!" "বাৰু, ৰূপান্তৰ এটিকে দিয়ক।" তেখেতে কলে। আৱশ্যকতকৈও বেচি উৎসাহেৰে মই কৈ পেলালোঁ, "কেৱল

অসমীয়া ৰূপান্তৰকেইযে দিম এনে নহয়; ঠায়ে ঠায়ে নিজৰ কবিতা-কবিতাংশ, গীত-গীতাংশাদিও আৱশ্যক অনুপাতে 'সোণত-সুৱগা' হবলৈ সুমুৱাই দিম।" তেখেতে হাঁহিলে। হাঁহিৰ অর্থ বোধকৰো আছিল, "....তাৰমানে আনৰ কবিতা-গীত আদি নিদিয়ে?...." মৰো হঁহিলোঁ। মোৰ হাঁহিৰ অর্থ অৱশ্যে এইটোৱেই আছিল: নিজৰ ফুলনিত যথেষ্ট ফুল থাকিলে, আনৰ ফুলনিৰ ফুলেৰে ফুলদানি নসজালেও জানো নচলে?


ইয়াৰ পিছত তেখেতে যেতিয়াই লগ পায় তেতিয়াই সোঁৱৰাই থাকিবলৈ ধৰিলে—ৰূপান্তৰৰ কার্য্যত মই হাত দিছোঁ নে নাই? আজি কৰিম, কাইলৈ কৰিমকৈ থাকোঁতেই বৰ্ছেৰেক কাটি গ'ল! আছিল ইং ১৯৬০ চনৰ অক্টোবৰ মাহৰ এটা বিশেষ গধূলি। সেইদিনা তেখেতে মোক প্ৰায় 'আল্‌টিমেটাম্' দিয়াৰ দৰেই ক'লে: "আজি ৰাতিৰ পৰাই কিন্তু আৰম্ভ কৰিব লাগিব।" তেখেতৰ আগ্রহৰ হেঁচুকনিক নেওচা দিয়াৰ সাহ মোৰ নহ'ল। সেইদিনাই কাম আৰম্ভ কৰিলোঁ।.... ইং ১৯৬১ চনৰ মে' মাহত মোৰ লিখা শেষ হ'ল। ছপাশালৰ কাৰণে পাণ্ডুলিপিটো প্ৰস্তুত কৰোঁতেই গ'ল আৰু তিনি মাহ। চেপ্টেম্বৰ মাহত পাণ্ডুলিপিটো নি শ্রীদত্তৰুৰাৰ হাতত তুলি দি স্বস্তিৰ নিশ্বাস পেলালোঁ। চেপ্টেম্বৰ-অক্টোবৰৰ পৰা জানুৱাৰী-ফেব্রুৱাৰীলৈকে এই কালছোৱা তেখেত সকলৰ স্কুল-কলেজীয়া ন পাঠ্য-পুথিৰ যোগান ধৰা কামত বৰ ব্যস্ত থাকিবীলগয়া হয়। তথাপিও, আগ্রহেৰে মোৰ পুথিখনি ইমান সোনকালে ছপাই উলিয়াই দিয়াৰ কীর্ত্তিস্বৰূপৰ কাৰণে শ্রীমুনীন্দ্রনাৰায়ণ দত্তৰুৰাৰ শলাগ নলৈ মই নোৱাৰিলোঁ।

ৰেঁটুপাতৰ ছবিখনিৰ কাৰণে সর্ব্বভাৰতীয় সুখ্যাতি অর্জ্জন কৰা লব্ধ-প্রতিষ্ঠ ডেকা শিল্পী হেমন্ত মিশ্রকো থাউকতে ধন্যবাদ জনাই ধন্য হলোঁ। আৰু ধন্যবাদ জনালোঁ জ্যোতিষ দত্ত, কিৰণ শর্ম্মা আৰু হেমেন বৰুৱাক—পুথিখনি প্রকাশ কৰিবলৈ হেঁচুকনি দি থকাৰ বাবে।

সদৌ শেহত উনুকিয়ালেও প্রাথমিক প্রাধান্য লাভ কৰা, উপন্যাসখনিৰ অর্পণাত সন্মতি দিয়াৰ কাৰণে, অভাজন পুত্রৰ হিয়াভৰা কৃতজ্ঞতাৰে পৰম পূজনীয়া মা', শ্রীযুতা সাৰদাদেবী ৰেজবৰুৱাৰ শ্রীচৰণ কমলত শতকোটি দণ্ডৱৎ জনাই, 'আমাৰ এআষাৰ'ৰ ইমানতে মোখনী মাৰিলোঁ।

এতিয়া, "নতুন দিগন্ত"ক বাইজে আগ্রহেৰে হাতত ল'লেই তপস্যা অথলে নাই যোৱা বুলি ভাবিম। ইতি।

বিনয়াবনত—



গুৱাহাটী
১ মে',
ইং ১৯৬২ চন

নতুন দিগন্ত

SARANANDA MEMORIAL LIBRARY
No .....
Date .....
P.O. JHANJI, SIBSAGAR

সূচনা

ইং ১৯৫৭ চন। আগষ্ট মাহৰ ২৫ তাৰিখ। সময় দুপৰীয়া। মূৰৰ ওপৰত খাওঁ খাওঁ ৰ'দ। উজান বজাৰৰ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে পূৰৰ পৰা পশ্চিমলৈ বাগৰি যোৱা পিচ দিয়া কিচ্‌কিচিয়া ক'লা আলিটোৱেদি, ওখই-পাখই নেচাওঁ বুলিলেও চকুত পৰা, আটক-ধুনীয়া এজন ডেকা গভীৰ ভাবত মগ্ন হৈ লাহে লাহে খোজ কাঢ়ি যোৱা দেখা গৈছিল। ডেকাৰ চুলিবোৰ আউলি-জাউলি। পোছাকত লাগ-বান্ধ নেথাকিলেও সুৰুচিৰ পৰিচায়ক। স্থিৰ দৃষ্টিৰে সমুখলৈ চাই ডেকাজন আগুৱাই গৈ আছিল। বালিত আখৈ ফুটাৰ পৰা সেইহেন ৰ'দেও তেওঁক আমনি দিব পৰা নাছিল। কপাল আৰু নাকৰ আগত জিলমিলাই উঠা কণি কণি ঘামৰ টোপালবোৰে তেওঁৰ মুখৰ জেউতিত যেন বহণ হে চৰাইছিল। তেওঁৰ খোজৰ প্ৰতিটো দোপনিতে ফুটি উঠিছিল শাৰীৰিক শক্তিৰ এটি আকৰ্ষণীয় ৰূপান্তৰ। প্ৰায় নিজম এই দুপৰীয়াটিত বাটেদি অহা-যোৱা কৰিছিল সেৰেঙাকৈ দুই-এজন মানুহ—দুই-এখন বিক্সা। জনবহুল গুৱাহাটী নগৰীৰ সেই দুপৰীয়াটিত এই দীঘলীয়া আলিটো প্ৰায় জনশূন্যই আছিল বুলি কব পাৰি। নৈৰ পাৰত জুৰ বতাহ বলাৰ আভাস পোৱা গৈছিল আলিৰ দাঁতিৰ আঁহত কেইজোপাৰ পাতবোৰত। তাৰে এজোপা আঁহতৰ ছাঁত জুৰ বা লৈ কথা-বতৰা পাতি আছিল কাছাৰীৰ লগত নকৈ সম্বন্ধ স্থাপন কৰি উজ্জ্বল ভৰিষ্যতৰ সপোন দেখা এম-এ, এল-এল-বি পাছ কৰা আৰু দুজন ডেকা। তেওঁলোকৰ কথা-বতৰাৰ পৰা বুজা গৈছিল যে—দুয়োজনৰেই বিশেষ ৰাপ আছিল আধ্যাত্মিক বিষয়ত। সেইদিনা তেওঁলোকৰ আলোচ্য বিষয় আছিলঃ ভাৰতৰ আধ্যাত্মিক ঐতিহ্য সোঁতৰ সাৰ্ব্বজনীন প্ৰভাৱৰ অৱসান মহাত্মা গান্ধীৰ মৃত্যুৰ লগে লগেই হ'ল নেকি ?

"কেলেই হব?" এজনে কলে, "সৌৱা, সৌপিনে নোচোৱা কিয়?" আনজনে নৈৰ পিনে মুখ কৰি আছিল। পট্‌কৰে পিচলৈ ঘূৰি চাওঁতেই দেখিলে সেই ধুনীয়া ডেকাজনক। নিৰ্ব্বিকাৰভাৱে সমুখলৈ চাই স্থিৰ দৃষ্টিৰে গৈ আছে।

"অ'! দেখিছোঁ! পিছে কি হ'ল?" প্ৰথমজনলৈ চাই তেওঁ কলে, "ভাৰতৰ আধ্যাত্মিকতাৰ লগত এওঁৰ সম্বন্ধ?"

"লাহে লাহে কোৱা, তেওঁ শুনিব।" ইজনে কলে, "চোৱাচোন কিমান ধুনীয়া মুখ, কেনে সুন্দৰ দেহৰ গঠন, গাৰ ৰং....অথচ...."

"অথচ কি?" আনজনে সোধে।

"অথচ, কিমান নিৰ্ব্বিকাৰ নিৰ্লিপ্ত ভাৱ তেওঁৰ চকুৰে মুখে ফুটি উঠিছে।"

"কেনেকৈ জানিলা?"

"নোচোৱা কিয়?" প্ৰথমজনে কৈ যায়, "তেওঁ নিশ্চয় এজন সন্ন্যাসী বা যোগী।"

ইজনে হাঁহি দিয়ে। "তোমাৰ পেটত নিশ্চয় কেইবাদিনো ভাত পৰা নাই, নহলে এনে অবান্তৰ কথা তোমাৰ মুখেৰে নোলালহেঁতেন।"

"তাৰ মানে তুমি কব খোজা; আধ্যাত্মিক চিন্তা কৰল পেটত ভাত নপৰা লোকেহে কৰিব পাৰে।" তেওঁ এইবাৰ গহীনভাৱে সোধে, "বাৰু, আধ্যাত্মিক বিষয়ত বৰ্ত্তমান ভাৰতৰ আস্থা ক্ৰমাৎ কমি গৈছে কিয়?"

"কাৰণ, বৰ্ত্তমান ভাৰতত পেট আৰু মূৰৰ মাজত মহাসমৰ চলিছে।" ইজনে ততালিকে উত্তৰ দিয়ে, "কেৱল আধ্যাত্মিকতাই পেট পুহিব নোৱাৰে। তোমাৰ আৰু মোৰ কথালৈকে নোচোৱা কিয়? নামত ওকালতি, কামত 'ফিলচফী'—কেনেকৈ হ'ব?....থাকিব লাগে 'বাৰ লাইব্ৰেৰীত' আছোঁহি গছৰ তলত!"

"তাৰ মানে তুমি কব খোজা, আধ্যাত্মিক বিষয়ত আমি দুয়োৰে বাপ আছে দেখি আজি আমি পেট পুহিব নোৱাৰা উকীল, নহয় জানো?" কথাষাৰ কোৱাৰ লগে লগেই দুয়ো বাটেদি গৈ থকা ডেকাজনলৈ উভতি চায়। ডেকাজন ইতিমধ্যে উজান বজাৰৰ পকী ঘাটৰ ওচৰ পাইছিলগৈ। দুয়ো ততাতৈয়াকৈ ডেকাজনৰ পিছ ললে। দুয়োৰে জানিবলৈ কৌতূহল হ'ল, ডেকাজনে কবে কি? কিয় তেওঁ এইদৰে এই ভাদমহীয়া ভৰদুপৰীয়া ভৰা বেলি মূৰত লৈ নিৰ্ব্বিকাৰভাৱে কলৈকো নোচোৱাকৈ গৈ আছে? তেওঁ বলিয়া নহয়তো? "হয় যদিও হব, আমাকনো কৰিব কি?" এইবলি

দুয়ো বেগাই গৈ তেওঁৰ নিচেই কাষ পালেগৈ। তাৰ পিছত দুয়োৰে বেগৰ মাত্ৰা ডেকাজনৰ সমান কৰি পিছে পিছে গৈ থাকিবলৈ ধৰিলে। এইদৰে গৈ গৈ তিনিওটি ভৰলুমুখৰ দলঙৰ ওচৰ পালেগৈ। ডেকাজন ভৰলু দলঙৰ ওপৰত উঠিল। ই দুজন ডেকা তাতে থমকি ৰ'ল। ভাবিলে—অনৰ্থক পিছে পিছে গৈ কিবা লাভ আছে জানো? তেওঁ গৈ থাকক যলৈকে যায়। কিন্তু....নিৰ্ব্বিকাৰ পদযাত্ৰীজন ডেকা দুজনৰ মনত ভালকৈয়ে সোমাই পৰিল। দুয়ো ভৰলুৰ পাৰৰ গছৰ ছাঁত বহিলহি। আৰম্ভ হ'ল—ডেকাজনৰ বিষয়ে আলোচনা। দুয়োৰে মনত গবেষণাৰ ঢৌৱে থৌকি-বাথৌ লগাবলৈ ধৰিলে। গবেষণা—মনস্তাত্ত্বিক গবেষণা! কোন বাৰু এই ডেকাজন? এইদৰে বাৰু কলৈকে যাব? নীলাচলৰ কাষৰে-পাজৰে থকা কোনো আশ্ৰমলৈ নহয়তো?

"আমি বাৰু কিয় ইমানকৈ ভাবিছোঁ?" এজনে সোধে।

"ভৰাৰ ভাব খেলাইছে কাৰণেই বোধকৰো।" ইজনে লাহেকৈ হাঁহি কয়, "বাৰু, সাধাৰণ পোছাকত সন্ন্যাসী থাকে জানো?"

"নেথাকিব কিয় আকৌ?" ইজনে ইতিকিং কৰাৰ সুৰত কয়, "গেৰুৱা বসন পিন্ধি, মূৰ খুৰাই, হাতত কমণ্ডলু আৰু চেপেনা লৈ ফুৰিলেহে সন্ন্যাসী হব পাৰিনে? সন্ন্যাস ভাব মানুহৰ মনতহে থাকে, পোছাকত নহয়।"

"বুজিলো বাৰু" ইজনে কলে, "কিন্তু, মোৰতো বিশ্বাস নহয় এওঁ সন্ন্যাসী। সন্ন্যাসীনো কেলেই হ'ব এই ডেকা বয়সতে? মোৰ বিশ্বাস এওঁৰ মূৰৰ বিকৃতি ঘটিছে।"

"সাধাৰণ মগজুৰে সকলো কথা সাধাৰণভাৱেই ঢুকি পায়। মানুহ দেখিলেই মই চিনি পাওঁ—বুজিলা। দেখা নাছিলা তেওঁৰ খোজৰোৰত কেনে এটি গাম্ভীৰ্য্য অথচ লয়লাস ভঙ্গিমা ফুটি উঠিছিল। সঙ্গীতসিক্ত অন্তৰতহে তেনে হোৱাটো সম্ভৱ।" কথা কেইষাৰ কৈ তেওঁ বন্ধুৰ মুখলৈ চালে।

"কিন্তু কি কৰুণ সেই মুখখনি। খন্তেকৰ কাৰণে এবাৰ দেখোঁতেই বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ অন্তৰ দুখেৰে পৰিপূৰ্ণ। দুখত ডুব গৈ থকা অন্তৰত জানো সঙ্গীতৰ মধুৰ....?"

"তুমি কি কব খুজিছা?" কথা কেইষাৰ মুখৰ পৰা কাঢ়ি আনি ইজনে কৈ যায়, "তুমি কব খোজা নেকি কেৱল আনন্দতহে সঙ্গীতৰ লহৰ ফুটি উঠে, বিষাদত নহয়?" ঢোক গিলি তেওঁ আকৌ কৈ যায়, "শুনা, সঙ্গীতৰ পৰিসৰ অতি বহল। মানহৰ অন্তৰত খেলাৰ পৰা সকলো অনুভূতিয়েই

সঙ্গীতলৈ ৰূপান্তৰিত হৈ পাৰে। গোটেই বিশ্ব ব্ৰহ্মাণ্ডখনেই সঙ্গীতৰ এটি চিৰন্তন গুঞ্জন....”

“খোৱা, খোৱা, ইমান দকৈ ভাবিব পৰা শক্তি মোৰ নাই। আৰু থাকিলেও, সকলো সময়তে ইমান গধুৰ হোৱাতো মোৰ স্বভাৱ বিৰুদ্ধ। ক'ৰ কথা নিয়ে তুমি ক'ত সানাগৈ। তোমাৰ ৰৱ ৰৱ কথা খোৱা। কোৱা, এই মানুহজনৰ বিষয়ে আৰু কি জানা?” এইবুলি কৈ তেওঁ মনে মনে থাকিল। এনেকৈ দুয়ো প্ৰায় এক মিনিট মান নিতাল মাৰি থকাৰ পিছত কামাখ্যাৰ পিনৰ পৰা এখন গাড়ী আহি বন্ধু দুজন বহি থকাৰ পিছ পিনে আলিত হঠাৎ বলহি। হঠাৎ উচাপ খোৱা মানুহৰ দৰে দুয়ো বন্ধুৰে পিছলৈ চালে। দেখিলে গাড়ীৰ ভিতৰত দুগৰাকী ভদ্ৰ মহিলা। পিন্ধন-উৰণৰ পৰা এওঁলোকৰ বুজিবলৈ বাকী নাথাকিল যে বয়সীয়াল মহিলা গৰাকী অসমীয়া নহয়, পাঞ্জাবী। তেওঁৰ লগত অহা গাভৰু গৰাকী সদ্য-বিবাহিতা অসমীয়া ছোৱালী যেন দেখি। গাড়ী চলাই অহা দেখনীয়াৰ ডেকাজন আদহীয়া মহিলা গৰাকীৰ একমাত্ৰ লৰা, বেৰিষ্টাৰ। দুয়ো বন্ধুৰে তেওঁক দেখা মাত্ৰকে চিনি পালে। ডেকা দুজনক তাত কি কৰিছে বুলি দুই-একাষাৰ কথা সোধাৰ পিছত, তেওঁলোকক গাড়ীলৈ আহিবলৈ তেওঁ ইঙ্গিত দিলে। তিনিও গাড়ীৰ আগৰ ছিটত বহিল। ডেকাই নিজে গাড়ী চলাই উলুবাৰীত থকা তেওঁৰ বঙলা পালেগৈ।

“আমাক লৈ আহিলা কিয় কাপুৰ?” ডেকা দুজনৰ এজনে সুধিলে।

(গাড়ী চলাই অহা পাঞ্জাবী ডেকা বেৰিষ্টাৰজনৰ নাম প্ৰকাশ কাপুৰ।)

“মই ভাবিলোঁ, তোমালোকেনো তাত কি কৰিছা—এনেয়ে বহি আছা চাগৈ, সেই কাৰণে এটা লিফ্‌ট দিলোঁ। আৰু” কথাষাৰ কৈ প্ৰকাশে হোঁ হোঁকৈ হাঁহি দিলে।

“ভালেই কৰিলা, নহলে এই মহামাৰী ৰ'দত নাই খোজকাঢ়ি, নহলে চিটি-বাছৰ হেঁচা-ঠেলাতহে আহিব লাগিলহেঁতেন।” আনজন বন্ধুৰে কলে, “কিন্তু এটা কথা ভাই, আজি এজন ৰৱ ইণ্টাৰেষ্টিং মানুহ দেখিলোঁ; মোৰ বিশ্বাস মানুহজনৰ মূৰৰ বিকৃতি ঘটিছে। বেচ ডেকা মানুহ, ধুনীয়া, স্বাস্থ্যবান....প্ৰায় আধা ঘণ্টামান আগতে পাণ্ডু-গুৱাহাটী আলিয়েদি বোধকৰো কামাখ্যালৈকে....”

“অ' মই বুজিছোঁ, তোমালোকে কাৰ কথা কৈছা?” প্ৰকাশে কলে, “তেওঁক আমি ঠিক কামাখ্যাৰ নামনিৰ আলিৰ ওচৰত গাড়ীৰে আহোঁতে লগ পাই আহিছোঁ। জপৰা চুলিৰে ওখ বগা স্বাস্থ্যবান মানুহজন....”

“ও, ও, ও, হয়, হয় ঠিক ধৰিছা।” এজন বন্ধুৰে মাত দিয়ে, “কোন বাৰু সেইজন? তুমি চিনি পোৱানে কাপুৰ?”

“চিনি?” প্ৰকাশে এটি দীঘল হুমুনিয়াহ পেলালে। তাৰ পিছত কৈ গ'ল, “চিনি নিশ্চয় পাওঁ, কিন্তু কি হৰ? বুজিছা কমল, সংসাৰত দুৰ্ভগীয়া মানুহ দুবিধ। এবিধ অভাৱৰ কাৰণে আৰু আনবিধ হৈছে—সকলো থকাৰ কাৰণে।” দীঘলকৈ উশাহ লৈ কাপুৰে কয়, “থাকিও যি সকলো হেৰুৱায়, সি জানো আটাইতকৈ বেচি দুৰ্ভগীয়া নহয়?”

“হয়তো হয়।” কমলে কয়, “কিন্তু কাপুৰ, আমি সেই ডেকা মানুহ-জনৰ কথাহে তোমাক সুধিছোঁ। তুমি তেওঁৰ কথাই কৈছা নেকি যে তেওঁৰ সকলো আছিল আৰু এতিয়া সকলো হেৰুৱালে, সেই দেখি তেওঁ অতি দুৰ্ভগীয়া?”

“তেওঁৰ কথাই কৈছোঁ” কাপুৰে কয়, “শুনা, সেই মানুহজনৰ পৃথিৱীত একোৰে কাৰণেই যেন আজি স্পৃহা নাই। তথাপিও কিন্তু মানুহজন পৃথিৱীৰেই। পৃথিৱীতেই তেওঁ বিচাৰিছে তেওঁৰ বিৰাট প্ৰশ্নৰ উত্তৰ। সেই সঙ্কল্পৰ পৰা তেওঁক কোনেও বিৰত কৰিব নোৱাৰে। তেওঁ এজন প্ৰেমিক। কিন্তু সাধাৰণ প্ৰেমিকৰ দৰে তেওঁক ভাবিলে তেওঁৰ প্ৰতি অবিচাৰ কৰা হব। তেওঁ সেই প্ৰশ্নটোৰ সমিধান বিচাৰিছে, যে তেওঁ যদি সঁচাকৈয়ে প্ৰেমিক হয়, তেনেহলে প্ৰেমেই যে পৃথিৱীত সৰ্ব্বোত্তম ধৰ্ম্ম, এই সত্যটো তেওঁৰ বৰ্ত্তমানৰ আচৰণে প্ৰমাণ কৰিব পাৰিবনে নোৱাৰে? তোমালোকে নিশ্চয় মন কৰিছা যে তেওঁ কিমান স্বাস্থ্যবান। কিন্তু ক'ত পালে তেওঁ সেই স্বাস্থ্য? তেওঁৰ বিশ্বাস, দৈহিক স্বাস্থ্যৰ লগত স্বাস্থ্যবান প্ৰেমৰ সম্বন্ধ ওতঃপ্ৰোতভাৱে জড়িত। আৰু এই বিশ্বাসেই তেওঁক দিছে এনে এটি স্বাস্থ্য। এই স্বাস্থ্যৰ প্ৰতি উদাসীন হোৱা মানে অন্তৰৰ প্ৰেমৰ প্ৰতিও উদাসীন হোৱা। প্ৰেম....প্ৰেম....সেই প্ৰেমৰ প্ৰকৃত ৰূপ জগতৰ সমুখত তেওঁ দাঙি ধৰিবই। এই সঙ্কল্পত ব্ৰতী হৈয়েই তেওঁ আজি সংসাৰী হৈয়ো সন্ন্যাসী।”

“কি? তেওঁ সন্ন্যাসী!” কমল উচাপ খাই উঠে। তাৰ পিছত হাঁহি মাৰি তেওঁৰ ইজন বন্ধুৰ প্ৰতি চাই কয়, “কি? শুনিলা? মই কোৱা নাছিলোঁনে? সাধাৰণ পোছাকতো যে সন্ন্যাসী থাকিব পাৰে! দেখিলা....?”

“পাৰে পাৰে—নোৱাৰিব কিয়?” ইজনে উত্তৰ দিয়ে, “বাৰু, কোৱা-চোন, তেওঁ কেনে ধৰণৰ সন্ন্যাসী?”

“কৈছোঁৰেই নহয়, তেওঁ এজন স্বাস্থ্যৱান দেখনীয়াৰ ডেকাই নহয়,

তেওঁ, তেওঁ এজন সর্ব্বগুণ বিশাবদ সুপুৰুষ....।" কাপুৰে কথাষাৰ কৈ ইজন বন্ধুৰ মুখৰপিনে চাই আকৌ কৈ যায়, "তেওঁৰ চকুলৈ চোৱা, দেখিবা কেনে প্রশান্ত তেওঁৰ দৃষ্টি! তেওঁৰ খোজ-কাটলৈ চোৱা, দেখিবা কেনে লয়লাসপূর্ণ ভঙ্গী তেওঁৰ গতিত। তেওঁৰ সাজপাৰলৈ চোৱা, দেখিবা কেনে সাধাৰণ অথচ পৰিপাটি। এই সকলোটিয়েই তেওঁৰ আত্ম বিশ্বাসী মন আৰু উজ্জ্বল আত্মাৰেই যেন একো একোটি ৰূপান্তৰ বিশেষ! তেওঁৰ লগত তেওঁৰ আত্মাৰ যেন সংযোগ ঘটিছে। তেওঁ যেন বিচাৰি পাইছে আত্মাৰ অফুৰন্ত শক্তি ভাণ্ডাৰৰ সূক্ষ্ম ছাবিগছি; আৰু তাকেই তেওঁ ব্যৱহাৰ কৰি আহৰি আনিব খুজিছে নিজৰ কাৰণে—জগতৰ কাৰণে—প্রকৃত প্রেমৰ আনন্দ।".....তেওঁৰ নাম প্রজ্ঞান।

কমল আৰু ইজন বন্ধুৰে প্রকাশ কাপুৰৰ কথা শুনি তৰধ মানিলে। মনে মনে ভাবিলে এজন অসমীয়া ডেকাৰ বিষয়ে ইমান কথা জানে—এই পাঞ্জাবী ডেকাজনে; অথচ তেওঁলোকে আজিলৈকে এই বিষয়ে বিশেষ একো শুনা নাই! প্রজ্ঞানৰ অতীত জীৱনত ভুমুকি মাৰিবলৈ দুয়ো বন্ধু ব্যাকুল হৈ উঠিল!

ৰহস্যৰে আৱৰা প্রজ্ঞানৰ জীৱন সম্বন্ধে প্রকাশে যিমানদূৰ জানে কৈ গ'ল।

আত্মবিকাশৰ পথত

এক

সৃষ্টিধর্ম্মী কলাকাৰৰ দৰে, একে সময়তে সৌভাগ্য আৰু দুর্ভাগ্যৰ অধিকাৰী হৈ জন্ম গ্রহণ নকৰিলে, প্রজ্ঞানৰ হয়তো আজি এনে অৱস্থা নহলহেঁতেন।

পোন্ধৰ বছৰ বয়সতে, হঠাৎ এদিন ঘৰৰ পৰা নিৰুদ্দেশ হৈ, সুদীর্ঘ তেৰ বছৰ দেশ-বিদেশত ভ্রমণ কৰি, আঠাইশ বছৰ বয়সত ঘৰৰ ল'ৰা ঘৰলৈ বুলি উভতি আহিছিল যদিও, প্রজ্ঞানক আদৰি ল'বলৈ ঘৰত কোনো নাছিল। অনুশোচনাত প্রজ্ঞানৰ মন ভাঙি পৰিল; শোকে খুন্দা মাৰি ধৰিলে। মাক-বাপেক উভয়ৰে অকাল-মৃত্যুৰ কাৰণ নিজকেই বুলি ভাবি, প্রজ্ঞান অস্থিৰ হৈ পৰিল।

বর্ত্তমানে চফল ডেকা হলেও, নিচেই কম বয়সতে এৰি যোৱা প্রজ্ঞানৰ ভায়েক দুটাই প্রজ্ঞানক চিনি নেপালে। ওচৰ-চুবুৰীয়াৰো প্রায় এটায়েই বিশ্বাস কৰিবলৈ টান পালে, যে তেওঁ আচলতে প্রজ্ঞান। সকলোৱেই শেষ সিদ্ধান্ত কৰি পেলাইছিল যে প্রজ্ঞান নিশ্চয় মৰিছে! নহলে, এই সুদীর্ঘ তেৰ বছৰৰ ভিতৰত ঘৰলৈ নিশ্চয় চিঠি নিদিয়াকৈ নেথাকিলেহেঁতেন।

সি যিয়েই নহওক, অসমলৈ উভতি আহি প্রজ্ঞান ঘৰতে বিদেশী হোৱাৰ দৰে হ'ল। 'হনুমন্তৰ মুখৰ অগ্নি মুখে নুনুমালে, নুমাওঁতা কোনো নাই' বুলি জানি, নিজেই নিজৰ পথ ঠিক কৰি ল'বলৈ প্রজ্ঞান কৃতসঙ্কল্প হ'ল। কিন্তু, এইখিনি সময়তে, প্রজ্ঞানে ক'ত কেনেকৈ কিমান লঘু-লাঞ্ছনা হ'বলগীয়া হৈছিল—সেইবোৰৰ হিচাপ ল'লে ওলাই পৰে যে মানুহবোৰ কিমান সঙ্কীর্ণ—কিমান স্বার্থপৰ—কিমান নিষ্ঠুৰ!

নিষ্ঠুৰ-ৰূপী মানুহৰ মৰুভূমিতো দুই এঠাইত যে মৰুদ্যানৰ সন্ধান পোৱা নেযায়, এনে নহয়। সকলোৱে পিঠি দিলেও, বিপদৰ এই সময়ত, সৰুতে কোলাত লৈ ডাঙৰ কৰা আঘোণাকায়ে কিন্তু প্ৰজ্ঞানক এবিব নোৱাবিলে। তিনিকুবি পাঁচ বছৰীয়া বুঢ়া আঘোণাই গাৰে খাটি সৰু পজা এটি সাজি লোৱাত প্ৰজ্ঞানক সহায় কৰিলে।....গুৱাহাটীতে নিগাজিকৈ বাস কৰিবলৈ অহা পাঞ্জাবী ভদ্ৰ-পৰিয়াল এটিৰ পৰাও প্ৰজ্ঞানে যথেষ্ট সহায়-সহানুভূতি লাভ কৰিলে।

উজান বজাৰৰ নৈৰ পাৰৰ ঘৰ এটাত এই পৰিয়ালটো আজি প্ৰায় চাৰি-পাঁচ বছৰ একেবাহে আছেহি। প্ৰজ্ঞানে সাজি লোৱা পজাটোৰ পৰা 'চাওলা লজ'টো (তেওঁলোকে ঘৰটোৰ নাম দি লৈছে) প্ৰায় এশ গজমান আঁতৰত।

প্ৰজ্ঞানৰ ঘৰৰ সমুখেদি অহা-যোৱা কৰোঁতে, এই আটক-ধুনীয়া অসমীয়া ডেকাজনৰ বেহ-ৰূপ দেখি, মিষ্টাৰ চাওলা নামৰ এই পাঞ্জাবী ভদ্ৰলোকজনৰ তেওঁৰ বিষয়ে জানিবলৈ কৌতূহল জন্মিল। তেওঁলোকৰ ঘৰত বেৰা-কোৰা দিয়া আদি লাংখা-লিংখি ইখন-সিখন কাম কৰিবলৈ যোৱা আঘোণাৰ মুখে প্ৰজ্ঞানৰ বিষয়ে সকলো কথা জানিব পাৰি, মিষ্টাৰ চাওলা মৰ্ম্মাহত হ'ল। সহানুভূতি আৰু সমবেদনাত তেওঁৰ অন্তৰ উপৰি পৰিল। ভাবিলে, নিজ জন্মভূমিতো কেতিয়াবা মানুহৰ এনে কুলাই-পাচিয়ে নধৰা বিলৈ-বিপত্তি হোৱাটো একো অসম্ভৱ নহয়।....চাওলাৰ নিজৰ জীৱনতো বহুত দুৰ্য্যোগ ঘটিছিল; কিন্তু সেইবোৰৰ তুলনাত প্ৰজ্ঞানৰ এই দুৰ্য্যোগ স্বৰ্গ-মৰ্ত্ত্য প্ৰভেদ!

তেওঁৰ ভাবি দুখ লাগে যে, নিজৰ ঘৰতে যদি নিজৰ ভাই-ককাই-ওচৰচুবুৰীয়া কোনেও চিনি নোপোৱা অৱস্থা হয়; বা কাৰো পৰা সহায়-সহানুভূতি পোৱাতো দূৰৰে কথা, নিজৰ অট্টালিকা সদৃশ ঘৰ থাকোঁতেও বাটৰ কুকুৰৰ দৰে অ'ত-ত'ত বাগৰি থাকিবলগীয়া অৱস্থা হয়গৈ; আৰু নিজৰ প্ৰাপ্য পৈতৃক সম্পত্তিৰ অংশৰ পৰাও বঞ্চিত হ'ব লাগে; তেনেহলে, ইয়াতকৈ দুখৰ কথা আৰু কি হ'ব পাৰে?

দিন যিমানে পলম হবলৈ ধৰিলে, দৈত্যকায় এই সুপুৰুষ ডেকাজন ক্ষীণাই-শুকাই নিচেই জখলা মগনীয়া এটাৰ দৰে হৈ পৰিল।

একো নেখাই-নৰৈ, হাড়ে-ছালে লেকেট লাগি মৃত্যুৰ কাৰণে সময় গণি থকা প্ৰজ্ঞানৰ পঁজাত, এদিন সন্ধিয়া আকস্মিকভাৱে আহি, এই ভদ্ৰলোকজন উপস্থিত হ'লহি। সেইদিনাই তেওঁ যদি প্ৰজ্ঞানক নিজৰ ল'ৰাৰ দৰে উপদেশ-পৰামৰ্শ দি, ঘৰলৈ নি, খুৱাই-বুৱাই জীৱনলৈ মমতা

ঘূৰাই নানিলেহেঁতেন, তেনেহলে হয়তো এই ডেকাজনক কেন্দ্ৰ কৰি এখন দুখনকৈ কেইবাখনো সচৰাচৰে নঘটা ধৰণৰ জীৱন নাটক গঢ়ি নুঠিলেহেঁতেন!

কাৰ জীৱনৰ গতিৰ মোৰ কেনেকৈ ঘুৰে, কোনেও ক'ব নোৱাৰে। পৰা হ'লে, বজাৰ পৰা আৰম্ভ কৰি কণা-মগনীয়ালৈকে কোনেও নিজৰ ভৱিষ্যত সম্পৰ্কে জানিবলৈ ইমান হাবিয়াস কেতিয়াও নকৰিলেহেঁতেন। আশা....আশা....আশা! আশাৰূপী শক্তিৰ প্ৰেৰণাতে পৃথিৱীৰ মানৱ জাতিৰ প্ৰাণশক্তি প্ৰতিষ্ঠিত। আশাৰ অৱসান মানেই মৃত্যু!

"কৰ্ম্মণ্যে বাধিকাৰস্তে মা ফলেষু কদাচন।"

গীতাৰ এই অমৰণ বাণী মানুহে যিমানেই আঁওৰাক লাগিলে, কৰ্ম্মফল আশা কৰিয়েই কৰ্ম্মৰ চকৰি আৰু লগে লগে ভাগ্যৰ চকৰি ঘূৰিব লাগিছে। ভাগ্যৰূপী সুযোগ, কৰ্ম্মৰূপী প্ৰচেষ্টা, সামৰ্থ্যৰূপী প্ৰতিভা—এই তিনিওৰে সংযোগ ঘটিলেহে মানুহৰ জীৱন কেউফালে জয় জয় ময় ময় হয়। এটিৰ অভাৱ হলেই, কিবা নহয় কিবা এটা আসোঁৱাহ ঘটিবই।

এনেকৈয়ে সৌভাগ্য আৰু দুৰ্ভাগ্যৰ মাজত এইজন সৰ্ব্বকলা-বিশাৰদ সুদৰ্শন যুৱকৰ প্ৰত্যাৱৰ্ত্তিত জীৱনৰ সূত্ৰপাত হ'ল।

পৈতৃক সম্পত্তিৰ নিজা অংশ দাবী কৰি প্ৰজ্ঞানে ভায়েকহঁতৰ ওপৰত মোকৰ্দ্দমা কৰিলে। সম্পত্তিৰ আশাত প্ৰজ্ঞানে তেনে কৰা নাছিল, কৰিছিল অন্যায়ৰ প্ৰতিবাদ কৰিহে। কিন্তু প্ৰজ্ঞানৰ ভায়েক দুটাই অৱশেষত প্ৰজ্ঞানক নিজৰ ককায়েক বুলি বুজিব পাৰি, প্ৰজ্ঞানৰ প্ৰাপ্য অংশ প্ৰজ্ঞানক দিবলৈ যেতিয়া প্ৰতিশ্ৰুতি দিলে, আৰু নিজৰ ভুলৰ কাৰণে ককায়েকৰ ঘৰতেই আহি ক্ষমা খুজিলেহি, প্ৰজ্ঞানে তেতিয়া ভায়েকহঁতক আশীৰ্ব্বাদ দি মাথোন ইয়াকে ক'লে যে তেওঁ যি বিচাৰিছিল তাকেই যেতিয়া পালে, মোকৰ্দ্দমাও তেওঁ উঠাই ল'লে! সম্পত্তি তেওঁ বিচৰা নাছিল, বিচাৰিছিল ভায়েকহঁতকহে। ভায়েকহঁতকেই যেতিয়া পালে, সম্পত্তি পোৱা-নোপোৱা একে কথা।....এনেকুৱাই মহৎ প্ৰজ্ঞান নামৰ এই ডেকাজন।

আঘোনাৰ সহায়ত নিজে সাজি লোৱা পঁজাটোতে প্ৰজ্ঞান থাকিবলৈ ল'লে। অনুষ্টুপীয়াকৈ কোনো মতে চলি যাবলৈ, গুৱাহাটীৰ কাৰবাৰী ফাৰ্ম্ম এখনত এবেলীয়া কাম এটাও প্ৰজ্ঞানে যোগাৰ কৰি ল'লে। 'উন্নত চিন্তা আৰু সবল জীৱন যাপনেই' প্ৰজ্ঞানৰ নীতি। এই নীতি অৱলম্বন কৰিয়েই প্ৰজ্ঞানে নিজৰ শিল্পী জীৱনক এক নতুন সাঁচত গঢ়ি, 'উপদেশতকৈ উদাহৰণ শ্ৰেষ্ঠ'—এই সত্যটো প্ৰতিপন্ন কৰাত কৃতসঙ্কল্প।

বংশ মর্য্যদা বোধে মাজে মাজে প্রজ্ঞানক অতর্কিতে আহি আমনি দিলেও, গণতান্ত্রীক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি, প্রজ্ঞানে সেই ভাব মনৰ পৰা আঁতৰাবলৈ চেষ্টা কৰি যথেষ্ট কৃতকার্য্যতা লাভ কৰিছিল। তথাপিও কিন্তু বহুতে প্রজ্ঞানক অহঙ্কাৰী বুলি ভাবিবলৈ এৰা নাছিল। (হকতে নহকতে যাকে তাকে মাতি ফুৰাকে বহুতে নিৰহঙ্কাৰৰ এটা প্রধান লক্ষণ বুলি ভাবে!)

স্বাস্থ্য নীতি পালন কৰাটোও আছিল প্রজ্ঞানৰ এটি দৈনন্দিন কামৰ ভিতৰত। ব্রহ্ম-মুহূর্ত্তত উঠি স্তোত্র আদি আবৃত্তি কৰাৰ পিছত যোগ অভ্যাস আৰু তাৰ পিছত প্রাতঃভ্রমণৰ কাৰণে নৈৰ পাৰলৈ ওলাই যোৱাটোও আছিল প্রজ্ঞানৰ দৈনিক কর্ত্তব্যৰ ভিতৰত।

নিতৌ পুৱা বেলি ওলোৱাৰ এঘণ্টা, আৰু আবেলি বেলি ডুবাৰ এঘণ্টা আগতে প্রজ্ঞান নৈ পাৰত ফুৰিবলৈ যাবই। আবেলি সাধাৰণতে উজান বজাৰৰ পূবে নৈ-দাঁতিৰ ওখ টিলা এটাত সদায় একে ঠাইতে বহি, নৈৰ পিনে মুখ কৰি প্রজ্ঞানে কিবা কিবি 'স্কেট্‌চ' কৰি থাকে। এনেকৈ কৰা লেওচ্‌কেপৰ স্কেচেৰে প্রজ্ঞানৰ এটা ডাঙৰ 'এলবাম' হৈছে। ....শিল্পী প্রজ্ঞানক ব্রহ্মপুত্র-প্রেমী বুলিও ক'ব পাৰি। নৈৰ পাৰত এনেকৈ গোটোৱা সমলেৰে ঘৰত বহি বহি প্রজ্ঞানে নিজৰ তৃপ্তিৰ কাৰণে কেতিয়াবা কবিতাও লিখে।

মৌলিকতাত অটল বিশ্বাস আৰু শ্রদ্ধা থকা এইজন প্রতিভাবান শিল্পীৰ জীৱন দর্শন ৰূপায়িত হৈছে তেওঁৰেই লিখা কেইশাৰীমান কবিতাত——

: কবিছো সাধনা মই তৃপ্তিৰ কাৰণে,
পাম জানো তৃপ্তি মই কবি হাঁহাকাৰ
লওঁ যদি ভুলতেও মোৰ বুলি তুলি
এটি বস্তু, য'ত মোৰ নাই অধিকাৰ ? :

শিল্প সাধনাৰ পথত তেওঁ নিজকেই এজন যাত্রী বুলি ভাবে। সেয়েহে তেওঁ প্রায়ে কোৱা শুনা যায়——

: যাত্রী মই, তীর্থ মোৰ—মোৰ হৃদয়ৰ
বাজ্যখনি পাও য'ত সুধা আলোকৰ। :

এদিন ব্রহ্মপুত্র সম্পর্কে তেওঁ লিখা কবিতা এটা নৈ-পাৰত অকলে অকলে বহি আবৃত্তি কৰি আছিল। তেওঁৰ পিছফালে, আবেলি তাত ফুৰিবলৈ যোৱা কেইজনমান কলেজীয়া ল'ৰাই মনে মনে শুনি আছিল। তাতে

প্রজ্ঞানৰ লগত এই ল'ৰা কেইটিৰ চিনাকী হয়। প্রজ্ঞানৰ লগত হোৱা নানান কথা বতৰাৰ পৰা, প্রজ্ঞান যে দেশ-বিদেশত ফুৰা এজন প্রতিভাবান শিল্পী, এইটো বুজিব পাৰি কলেজীয়া ল'ৰা কেইটিৰ তেওঁৰ বিষয়ে বিশদ ভাবে জানিবলৈ কৌতুহল জন্মিল। প্রজ্ঞানৰ ওচৰলৈ মাজে মাজে আহিবলৈ ল'ৰা কেইটিয়ে ইচ্ছা প্রকাশ কৰিলে। সেইদিনা সন্ধিয়া ঘৰলৈ এটায়ে ওলটোতে প্রজ্ঞানে তেওঁ থকা পঁজাটো দেখুৱাই দি, ল'ৰা কেইটিক বুজাই ক'লে যে, সপ্তাহত এবাৰ বা বৰজোৰে দুবাৰকৈ আহিলে প্রজ্ঞানৰ একো অসুবিধা নহয়। অহা দেওবাৰলৈ আহিব বুলি ছাত্র কেইজনে বিদায় ললে।

প্রজ্ঞানে সিহঁতক ঘনাই নাহিবলৈ কোৱাৰ কাৰণ আছে। কলেজৰ পঢ়া ক্ষতি কৰি, কেৱল বাহিৰা কামত ব্যস্ত থকা ল'ৰা-ছোৱালীবিলাকক প্রজ্ঞানৰ বৰ ভাল নেলাগে। প্রজ্ঞানে ভাবে যে, মাক-বাপেক-অভিভাবকে নিজৰ ল'ৰা-ছোৱালীক সিহঁতৰ উন্নতি হওক বুলিয়েই স্কুল-কলেজলৈ পঠিয়ায়। আৰু যি স্থলত ল'ৰা-ছোৱালীয়েও নিজে আগ্রহ কৰি মাক-বাপেকৰ ওচৰত নানান প্রতিশ্রুতি দি পঢ়িবলৈ আহে, তেনেস্থলত পঢ়াৰ নামত কেৱল ধিতিঙালি কৰি কটোৱাৰ দৰে সত্যৰ ডাঙৰ অবমাননা আৰু একো হব নোৱাৰে। কত বাঁৰী-দুখনী মাকে কটনা কাটি বা নিজৰ সাঁচতীয়া হাতৰ কাণৰ যি আছে বেচি কিনি বা বন্ধকত থৈ হয়তো 'মোৰ লৰা ভাল হওক' বুলি কলেজত পঢ়িবলৈ পঠিয়াইছে, কোনে জানে ? সেই দেখি প্রজ্ঞানে ভাবে, ছাত্রৰ প্রধান কর্ত্তব্য নিজৰ পঢ়া ঠিক ৰখা। এনেকৈ পঢ়া ঠিক ৰাখিও, যি সকল ছাত্র-ছাত্রীয়ে দেশ-বিদেশৰ নানান বা-বাতৰিৰ ভূ ৰখাৰ উপৰিও, নিজ নিজ ৰুচি অনুপাতে নানা ধৰণৰ খেলা-ধূলা, আমোদ-উৎসৱৰ জৰীয়তে নিজৰ শাৰীৰিক আৰু মানসিক উৎকর্ষ সাধন কৰিবলৈ ইচ্ছুক, তেনে ছাত্র-ছাত্রীহে সকলোৰে ধন্যবাদৰ পাত্র। প্রজ্ঞানেও তেনে ছাত্র-ছাত্রীক চেনেহ কৰে, শ্রদ্ধা কৰে। এৰা ; শ্রদ্ধা। বয়সত সৰু হলেও, শ্রদ্ধাৰ পাত্র-পাত্রীক শ্রদ্ধা কৰিবই লাগিব ; প্রজ্ঞানে ভাবে। অৱশ্যে, ডাঙৰৰ প্রতি শ্রদ্ধা আৰু সৰুৰ প্রতি শ্রদ্ধাৰ এটা আপেক্ষিক তাৰতম্য আছে।

প্রজ্ঞানৰ মতে, যি নিজক শ্রদ্ধা কৰিব জানে, সিহে আনকো শ্রদ্ধা কৰিব পাৰে। শ্রদ্ধা ভাজনক শ্রদ্ধা কৰিবলৈ যি অনিচ্ছুক, বা তেনে শ্রদ্ধা ভাজনক তাচ্ছিল্য কৰি যি আত্মপ্রসাদ লাভ কৰে, তেনে মানুহৰ মন যে নীচাত্মিক মনোভাবেৰে কলুষিত, ইয়াত কোনো সন্দেহ নাই।

সি যিয়েই নহওক, নপতাকৈয়ে প্রথম দিনাই প্রজ্ঞান যেন হৈ পৰিল এই ছাত্র কেইটিৰ 'বন্ধু, দার্শনিক আৰু পথ প্রদর্শক !' এটি মাত্র আবেলি !

এই আবেলিটোৱেই প্ৰজ্ঞানৰ ভবিষ্যত জীৱনৰ বাটতো এক ন-অধ্যায়ৰ সূচনা কৰিলে। আত্ম-বিকাশৰ পথত আগুৱাই যাবলৈ অতিষ্ঠ হৈ পৰা প্ৰজ্ঞানৰ জীৱনত হয়তো আৰু কিমান আবেলি আহিব ? কিন্তু আজি প্ৰজ্ঞানে ইমানকে ভাবি সন্তুষ্ট হ'ল যে তেওঁৰ জীৱনলৈ জোঁৱাৰ আহিছে। জোঁৱাৰক ভেঁটা দিবলৈ চেষ্টা নকৰি, জীৱনৰ মথাউৰিত ঠিয় দি তাৰ বেহ-ৰূপ চায়েই ক্ষান্ত থাকিবলৈ মনে মনে তেওঁ সঙ্কল্প কৰিলে। মানুহ প্ৰজ্ঞানৰ সঙ্কল্পত দেবতাৰ সমৰ্থন আছিল নে নাই, সেই বিষয়ে ভাবিবৰ অৱসৰ প্ৰজ্ঞানৰ নাছিল। প্ৰেৰণাৰ বাগীত প্ৰজ্ঞান মতলীয়া। কিন্তু কিহৰ ?— প্ৰজ্ঞানে নিজেই নেজানে।

* * *

যিজন পাঞ্জাবী ভদ্ৰলোকে প্ৰজ্ঞানৰ দুখত দুখী হৈ প্ৰজ্ঞানক সকলো প্ৰকাৰে সহায় কৰিছিল, তেওঁলোকৰ ঘৰলৈ প্ৰজ্ঞানৰ প্ৰায়ে নিমন্ত্ৰণ থাকে। এনেয়েও প্ৰজ্ঞান প্ৰায়ে তেওঁলোকৰ তালৈ যায়। চাওলা দম্পতিৰ ল'ৰা-ছোৱালী বুলিবলৈ, এটি ল'ৰা আৰু এজনী ছোৱালী। লৰাটি ডাঙৰ। নাম প্ৰসেঞ্জিৎ। ভূ-তত্ব আৰু ভূ-পদাৰ্থ বিজ্ঞানত উচ্চ শিক্ষা লাভ কৰিবলৈ বিলাতলৈ গৈছে। ছোৱালী জনীৰ নাম—শকুন্তলা। তাই এতিয়া এম-এ পঞ্চম বাৰ্ষিক ছাত্ৰী।

তাইহঁতৰ ঘৰলৈ প্ৰজ্ঞান এদিন নগলেই শকুন্তলা অস্থিৰ হৈ পৰে। লগুৱা জগদ্বীশক পঠিয়াই দি খবৰ কৰায়—কি হ'ল ? দেওবাৰে দেওবাৰে দুপৰীয়া চাওলাহঁতৰ ঘৰত প্ৰজ্ঞানে সদায় খাব লাগে। ই এটা নিয়মীয়া কথা হৈ পৰিছে।

প্ৰকাশ নকৰিলেও, শকুন্তলাৰ মনত যে প্ৰজ্ঞানে এখন ওখ আসন ইতি-মধ্যেই লাভ কৰিছে, শকুন্তলাৰ আচৰণৰ পৰাই মিছেছ আৰু মিষ্টাৰ চাওলাই সেইটো বেচকৈ বুজিব পাৰিছিল। কিন্তু, প্ৰজ্ঞানক তেওঁলোকে ইমান ভাল পাইছিল যে জীয়েকৰ তেনে আচৰণত ক্ষুণ্ণ হোৱাতকৈও পেটে পেটে তেওঁ লোকে ভালহে পাইছিল। ভাবিছিল, একমাত্ৰ আদৰৰ জীয়েক হলেও, জীয়েকৰ মৰ্য্যদাৰ তুলনাত প্ৰজ্ঞান কোনো গুণে হীন নহয়।

প্ৰজ্ঞানেও শকুন্তলাক এজনী আদৰ্শ ছোৱালী বুলি অন্তৰেৰে শ্ৰদ্ধা কৰি-ছিল। ইমান অৱস্থাপন্ন ঘৰৰ জীয়ৰী হৈয়ো শকুন্তলা যিমান অমায়িক আৰু সৰল আছিল, সেয়েই স্পষ্টকৈ বুজাই দিয়ে যে কিমান বহল আছিল তাইৰ অন্তঃকৰণ। যদিও তাই প্ৰজ্ঞানৰ ওপৰত প্ৰায়ে অভিমান কৰিছিল, প্ৰজ্ঞানে ধৰি লৈছিল যে নাৰী চৰিত্ৰত তেনে অভিমানৰ ওলোটা পিঠিয়েই হৈছে—প্ৰেম !

তথাপিও সংযত হৈয়েই প্ৰজ্ঞান চলিছিল। শকুন্তলাৰ মাক-দেউতাকৰ প্ৰতি থকা তেওঁৰ অসীম শ্ৰদ্ধাই প্ৰজ্ঞানক তেনে হবলৈ প্ৰেৰণা যোগাইছিল।

এফালে শ্ৰদ্ধা আনফালে আন্তৰিক স্নেহ—এই দুয়োৰে সংমিশ্ৰণত গঢ়ি উঠা কিবা এটা বুজাব নোৱাৰা আকৰ্ষণ প্ৰজ্ঞানে অনুভব কৰিছিল শকুন্তলাৰ প্ৰতি ; আৰু সেই দুৰ্দ্দমনীয় আকৰ্ষণ উপেক্ষা কৰিব নোৱাৰাৰ কাৰণেই কেতিয়াবা নেযাও বুলিলেও, প্ৰজ্ঞানৰ ভৰি দুখনে অতৰ্কিতে প্ৰজ্ঞানক নি হাজিৰ কৰি দিছিলগৈ শকুন্তলাৰ সম্মুখত।

শকুন্তলাৰ কিন্তু সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ নাই। শকুন্তলাই ভাবে প্ৰজ্ঞান নাহিব কিয় ? কি অধিকাৰ আছে প্ৰজ্ঞানৰ তাইক উপেক্ষা কৰি-বলৈ ? তায়েই জানো এদিন মাক-বাপেকৰ লগতে প্ৰজ্ঞানক খুৱাই-বুৱাই, অকালতে নুমাই যাব খোজা প্ৰজ্ঞানৰ দৰে এটি প্ৰতিভাৰ স্ফুলিঙ্গক বাচি থাকিবলৈ প্ৰেৰণা যোগোৱা নাছিল ? ....প্ৰজ্ঞানৰ মৰম তাই দাবী কৰে। প্ৰজ্ঞানেও সেই কথা জানে ; কিন্তু আজিলৈকে নিজৰ ৰূপটো প্ৰকাশ কৰি তাইৰ ওচৰত সম্পূৰ্ণকৈ ধৰা দিয়া নাই। ধৰা নিদিয়াটোৱেই বোধকৰো প্ৰতিভাবান শিল্পীসকলৰ এটা স্বভাবসিদ্ধ গুণ।

এফালে চাওলা পৰিয়ালৰ মৰম আৰু আনফালে ছাত্ৰসকলৰ চেনেহ শ্ৰদ্ধা আৰু সহানুভূতি, ইয়াতকৈ প্ৰজ্ঞানক আৰু কি লাগে ? নিজৰ মতে প্ৰজ্ঞান সম্পূৰ্ণ সুখী। বুদ্ধি, হৃদয় আৰু আত্মাৰ দ্বাৰা পৰিচালিত মনৰ অধিকাৰী প্ৰজ্ঞানে ভাবে, যে তেওঁৰ জীৱনা-আদৰ্শই তেওঁৰ ধৰ্ম্ম। সেই ধৰ্ম্ম-তেই তেওঁৰ একমাত্ৰ বিশ্বাস। গীতাৰ এই আষাৰ কথা প্ৰজ্ঞানক প্ৰায়ে কোৱা শুনা যায় ঃ

।। স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভয়াবহঃ ।।

দুই

অসম। প্রকৃতিৰ সম্পদেৰে ভৰপূৰ অসম। জোন-বেলিৰ পূৰ্ণ পৰশত নীলোজ্জল আকাশৰ তৰালিৰে বুটা দিয়া চন্দ্রাতপৰ তলত আশ্রিতা, মৌচুমিৰ সুশীতল জলৰাশিত সদ্যস্নাতা সৌন্দর্য্যৰে প্রলোভিতা ; মেঘালিৰ মাঙ্গলিক উৰুলিৰে চমকৃতা ; চিক্‌মিক্ বিজুলী হাঁহিৰ চাৱনিৰে চউদিশ মুখৰিতা ; অফুৰন্ত প্রাণ-প্রৱাহত পুলকিতা, ঈষত-লজ্জিতা বিশ্ব বিজয়িনী অসম। প্রকৃতি....প্রকৃতি....প্রকৃতি। প্রকৃতিৰ পূৰ্ণ-বিকাশৰ কেন্দ্রভূমি অসম। জান-জুৰি-নৈ-বিল-পৰ্ব্বত-পাহাৰ-জলপ্রপাত-উপত্যকা-গছ-লতা-ফল-ফুল-হাবি-বন--জীৱজন্তু, প্রকৃতিৰ এই সকলো উপঢৌকনেৰে চিৰাশ্রিতা ; ছয় ঋতুত ছয়টি ৰূপেৰে, লহপহীয়া কিশোৰী ভঙ্গিমাৰে, নদন-বদন, চিৰ-নবীনা, চিৰ-সেউ-জীয়া, চিৰ-প্রসাধনা, লজ্জাভৰণা, লাস্যময়ী অসমাই সুৰুয-সোণীয়া দীপ্তিৰ চাৱনিৰে দিগন্ত বিয়পা পথাৰৰ সোণৰৱণীয়া ধাননিত প্রাণৰ স্পন্দন তুলি, চিৰন্তন মানৱ প্রৱাহৰ সুঁতিত জোঁৱাৰৰ ঢৌ তুলি, ব্রহ্মপুত্রৰ বুকুৰেদি দেশ-বিদেশলৈ যি আমন্ত্রণী বাণী চিৰকালে পঠিয়াই আহিছে, সেই আমন্ত্রণ উপেক্ষা কৰি কোনে বাৰু অসমৰ আতিথ্য গ্রহণ নকৰি থাকিব পাৰে ? স্পন্দন....স্পন্দন....চউদিশে কেৱল স্পন্দন—আশাৰ, জীৱনৰ, প্রাণৰ। এনে স্পন্দনেৰে স্পন্দিতা, অফুৰন্ত আনন্দেৰে বিনন্দিতা, চিৰ আকাংক্ষিতা অসমৰ প্রাণ-প্রতিষ্ঠা নৃত্যত, ভাৰতৰ জনগণ মুগ্ধ ; ক্ষুব্ধ কোনো নহয়। অসমা চিৰদিনেই ধন্যা। আজিও স্বনামধন্যা অসমাই প্রকৃতিৰ প্রাণৱন্ত পৰি-স্থিতিক আৰু প্রাণৱন্ত কৰি যুগধর্ম্মী জগত-মঞ্চত পৰিৱেশন কৰিছে—কাল-জয়ী বৈদ্যুতিক—'বেলে', যি 'বেলে'ত আকৃষ্ট হৈছে গোটেই পৃথিবীৰ জনমণ্ডলি। অসম....অমস....অসম। অসম সঁচাকৈয়ে অসমা। কন্যাকুমাৰী কাশ্মীৰ-অসম—এনে এটি ত্রিভুজৰ দোদ্যুল্যমান প্রাকৃতিক পয়োভৰৰ সংগীত সৌন্দর্য্যৰে মুখৰিত ভাৰতৰ বিশ্বজয়ী সাংস্কৃতিক সমদলে, শিল্পানুৰাগী জগতত খলকনি তুলিছে। পুষ্পবৃষ্টি কৰিছে জগতে ভাৰতৰ শিৰত, আৰু ভাৰতে কিশোৰী অসমাক আলফুলকৈ উপহাৰ দিছে বিশ্ব বিজয়িনীৰ গৌৰৱ মালাধাৰি। লোকগীতিৰ সহস্র ধাৰাত স্নান কৰি লোকপ্রাণেৰে প্রাণোদিতা অসমীৰ লোকামৃত নয়নৰ লজ্জালোলোপ চাৱনিত ভীতিৰ অৱকাশ নাই, আছে—ভুৱন বিজয়ী ভক্তিৰ ভঙ্গিমা ; আক্রোহ নাই, আছে—আমন্ত্রণৰ অভিব্যক্তি ; হিংসা নাই, আছে—হৃদয়জয়ী আহ্বানৰ আৱেদন।

এনেহেন অসমৰ স্বভাৱ-গীতি গুঞ্জনৰ বজন্‌জনোৱা পৰিৱেশত অসমৰ অৰূপ-ৰূপ-ধ্যানমগ্ন-ৰূপশিল্পী প্রজ্ঞানৰ, আনৰ মতামত বা খিয়ালা-খিয়লিলৈ চকু-কাণ কৰাৰ সময় আছিল জানো ? আপোন ভালেই জগত ভালৰ আধ্যাত্মিক, দার্শনিক বা সামাজিক ব্যাখ্যাত মূৰ ঘমোৱাৰ অৱকাশো নাছিল প্রজ্ঞানৰ। এনে আদর্শকে সমুখত থৈ পৰস্পৰ-বিৰোধী বিভিন্ন মতবাদৰ পাণ্ডা হৈ, যুদ্ধং-দেহি মনোভাব পোষণ কৰোতাসকলৰ লগতো প্রজ্ঞানৰ কোনো সম্বন্ধ নাছিল। বিশ্বজনীন ধাতুৰে গঢ়া প্রজ্ঞানৰ মন বিশ্বৰ সর্ব্বশ্রেষ্ঠ মনীষী সকলৰ চিন্তাৰে সদায়েই ভৰপূৰ হৈ নথকা হলে—এলেহুৱা-মগজত-দানৱৰ-কাৰখানা হোৱাৰ দৰে হয়তো বহুত আগতেই ধ্বংসৰ বাজ-আলিত প্রজ্ঞানে প্রলাপ বকি ফুৰিলেহেঁতেন। বিধাতাই কিন্তু সেই ফেৰা সুমতি প্রজ্ঞানক নিদিলে। প্রজ্ঞান প্রজ্ঞানেই থাকিল, আৰু প্রজ্ঞান হিচাপেই গোটেই জীৱন কটাই দিব পৰাকৈ যাতে প্রকৃতিয়ে তেওঁক সহায় কৰে, তাকেই মাথো তেওঁ কায়-মনো-বাক্যে কামনা কৰিলে। .....প্রজ্ঞানৰ প্রার্থনা যেন পূৰ্ণ হ'ল। প্রজ্ঞান আজি অকলশৰীয়া হৈয়ো অকলশৰীয়া নহয়। সহানুভূতি.....সহানুভূতি.....প্রজ্ঞানে আজি অযাচিতে লাভ কৰিছে গোটেই ছাত্রসমাজৰে সহানুভূতি! এনে ভাগ্যবান শিক্ষকেই বা বাৰু কেইজন ?

অন্যায়ৰ চেকা লগা প্রত্যেক কথাতে প্রতিবাদ কৰি, এসময়ত সিংহৰ দৰে গজ্জি উঠা প্রজ্ঞানৰ মুখৰ পৰা এতিয়া শিল্প-সিক্ত সংক্রামক মিচিকিয়া হাঁহিটি নুগুচা হল। সর্ব্ব-কলা-বিশাৰদ এই মানুহজন কেৱল এজন ব্যক্তি হৈয়েই নেথাকিল ; তেওঁ হৈ পৰিল কলাৰ এটি বিৰাট প্রতিষ্ঠান।

* * *

প্রজ্ঞানৰ লগত কলেজীয়া লৰা-ছোৱালীবিলাকৰ সৌহার্দ্দ যিমানে বাঢ়ি-বলৈ ধৰিলে, প্রজ্ঞানৰ ওচৰ-চুবুৰীয়াৰ চকুও সিমানে বেচিকৈ পুৰিবলৈ ধৰিলে। চকু চৰহা চুক-ভেকুলীৰ টোৰ্-টোৰণিৰ ধ্বনি বতৰে আবতৰে আহি প্রজ্ঞানৰ কাণত নপৰাকৈ নেথাকিল। কিন্তু গান্ধীজীয়ে সাৰোগত কৰি লোৱা তিনটি নিষেধৰ প্রতিক তিনটি বান্দৰৰ প্রতিমূর্ত্তি সমুখত নেৰাখিলেও, মুখত লেগাম, চকুত আঁৰ আৰু কাণত সোপা দিয়াটোকেই সর্ব্বোত্তম পন্থা বুলি মানি লৈ প্রজ্ঞানে তেওঁৰ বিৰুদ্ধে চুবুৰিত ইতিমধ্যেই আঁৰে আঁৰে পূৰ্ণোদ্যমে চলিবলৈ আৰম্ভ কৰা কুৎসা আদিৰ সকলো কথালৈকে নিৰ্ব্বিবাদে পিঠি দি নিজৰ কাম কৰি গ'ল। প্রজ্ঞানৰ নির্ব্বিকাৰ ভাবৰ এই অস্ত্রপাতে যে কাম কৰাগৈ নাছিল, এনে নহয়। তথাকথিত ওচৰ-চুবুৰীয়াৰ বহুতেই আহি লাহে লাহে প্রজ্ঞানক

তোষামোদ কৰাত লাগিলহি। জোকৰ মুখত চূণ আৰু চুঙাৰ মুখত সোপা দিয়াৰ ক্ষমতা প্ৰজ্ঞানৰ থাকিলেও, প্ৰজ্ঞানে এই ধৰণৰ খলুৱাবোৰক দিঙিলৈকে জপিয়াবলৈ সুবিধা নিদি ইয়াকে মাথোন বুজিবলৈ দিলে যে, পাপীয়ে এটাইকে পিঠা লুভীয়া বুলি ভাবিলেও, পিঠা বেয়া পোৱা মানুহো সংসাৰত থাকিব পাৰে। আনক সংযত কৰিবলৈ যোৱাৰ আগতে নিজে সংযত হৈ দেখুৱাব পৰাতহে নিজৰ লগতে দহবো উপকাৰ হোৱা সম্ভব। তাকে নকৰি আনৰ পানী খোৱা পখুৰীত বিহ দিবলৈ গ'লে, আনৰ লগতে নিজৰ মৰণো অনিবাৰ্য্য। প্ৰজ্ঞানে সিহঁতক স্পষ্টকৈ বুজাই দিলে যে 'ৰাখে হৰি, মাৰে কোনে? মাৰে হৰি ৰাখে কোনে?' হৰিত বিশ্বাস নথকা সকলেও বুজা উচিত যে, 'শগুণৰ শাৰত বুঢ়া হালোৱা নমৰে।'

পিছত চৰ্চ্চা কৰিলেও, প্ৰজ্ঞানৰ মুখৰ আগত মতাৰ সাহ যে কাৰো নাছিল, এই কথা প্ৰজ্ঞানে এই কেইদিনৰ ভিতৰতে বেচ বুজিব পাৰিছিল। সঁচা কথা কবলৈ গলে প্ৰজ্ঞানৰ চকুলৈ চাই কথা ক'ব পৰা মানুহ খুব কমেই আছিল। কি যে এটা বুজাব নোৱাৰা শক্তি আছিল এই মানুহজনৰ! এই কথা সকলোৱে অনুভব কৰিলেও, ঠিৰাংকৈ কব নোৱাৰিছিল, কি? সেই দেখি প্ৰজ্ঞানেও এই ধৰণৰ দোষীবোৰক পুতৌ কৰাটোকেই উচিত বুলি বিবেচনা কৰি, সিহঁতৰ লগত হাঁহি-মাতিয়েই কথা বতৰা হৈছিল। প্ৰজ্ঞানৰ এই উদাৰতাক অজ্ঞতা বুলি ভাবি, পৰচৰ্চ্চাকাৰী বহুতো খলুৱা মূৰ্খই সময়ে সময়ে তোষামোদ কৰাৰ চলেৰে ইজনে সিজনৰ চকুলৈ থাউকতে চাই ইতিকিং কৰিবলৈকো চেষ্টা কৰিছিল। কিন্তু তেনে চেষ্টা কৰোতাসকলক কথাৰ মেৰত পেলাই লৈ প্ৰজ্ঞানে কেতিয়াবা নগুৰ-শাস্তি দিয়াৰ লোভ অৱশ্যে সামৰিব পৰা নাছিল। এনে শাস্তি খোৱাৰ পিছত দুনাই তেনে কামলৈ আগবাঢ়িব পৰা কোনো নোলাল। 'কথা বুলিলেই বতাহ': ইকান সিকানকৈ খলুৱা খলুৱাহঁতৰ দুৰ্দ্দশাৰ কথা সহস্ৰকাণ হোৱাৰ লগে লগে প্ৰজ্ঞানলৈ প্ৰকাৰান্তৰে সকলোৱে ভয় কৰা হ'লগৈ। যথা লাভ। এনেবোৰ মানুহ প্ৰজ্ঞানৰ ওচৰলৈ নাহে মানেই ভাল। প্ৰজ্ঞানে ভালেই পালে। কথাতে কয় বোলে, 'পিছৰ পৰা ৰজাকো চৰ্চ্চে।' কৰি থাকক চৰ্চ্চা পিছৰ পৰা—প্ৰজ্ঞানে ভাবে।

কেইবাদিনো কিন্তু প্ৰজ্ঞানৰ বৰ খং উঠিছিল। ভাবিছিল, দিবই নেকি সোধাই, যি হয় হব। কিন্তু সেই তিনটা নিষেধ! প্ৰজ্ঞানৰ মনত পৰি যায় গান্ধীজীৰ কথা। কু-কথা নক'বা, কু-চৰ্চ্চা নুশুনিবা, কু-বস্তুলৈ নেচাবা॥

ইমানৰ ওপৰতো, কোন সতেৰে প্ৰজ্ঞানে নিজৰ প্ৰতিজ্ঞা ভঙ্গ কৰিব? আজিৰ জগতত প্ৰতিজ্ঞা ভঙ্গ কৰিব পৰা-নোৱাৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ কোনো মূল্য নাই বুলি যদিও দহৰ ভিতৰত ন জনেই হয়ভৰ দিব, তথাপি প্ৰজ্ঞানে দহৰ ভিতৰত বাদ পৰা সেই এজনেইনো তেওঁ নিজে কেলেই হব নোৱাৰিব, তাৰ কোনো মানে বিচাৰি নেপালে।

"আভিজাত্যৰ তেজ টোপা তেনেহলে তোমাৰ এতিয়াও আছে?" অলপ ঠাট্টাৰ সুৰত প্ৰজ্ঞানৰ এজন বাল্যকালৰ বন্ধুৱে সোধে।

"তুমিয়েই যি এই কথা সুধিলা!" প্ৰজ্ঞানে হাঁহি কলে, "আন হোৱা হলে এতিয়াই কুমুজেলেকুৰাৰ গাত লোন ছটিওৱা অৱস্থা কৰিলোহেঁতেন।" "সেয়ে হওক তেনে, মইনো কেলেই বাদ পৰো?" বন্ধু জনে কলে।

"বাদ অৱশ্যে তুমিও পৰা উচিত নহয়, কিন্তু এটা কথা," প্ৰজ্ঞানে গহীনাই কলে, "বাল্য বন্ধু সাক্ষাৎ ৰাখাল, অৰ্থাৎ তাহানি শ্ৰীকৃষ্ণই শ্ৰীদাম, সুদাম আদি একেলগে গৰু চৰোৱা গোপ বালক সকলক যেনে ব্যৱহাৰ কৰিছিল, সকলো বাল্য বন্ধুকে সকলো মানুহে তেনে জ্ঞান কৰা উচিত। তুমি মোৰ বাল্য বন্ধু, এতেকে ভাইৰ দৰে....."

"তোমাৰ নিজৰ ভাই কেইটিৰ সৈতে তেনেহলে....."

মুখৰ পৰা কথাষাৰ কাঢ়ি আনি প্ৰজ্ঞানে কলে, "শুনা, মোৰ ভাই, বাজিব আৰু ৰূপকৰ ওপৰত কৰা মকৰ্দ্দমা মই উঠাই ললোঁ।--"

"কেতিয়া?" বন্ধুজনে ঘপহকৈ কথাৰ মাজতে সোধে।

"বেয়া পালা নেকি?" প্ৰজ্ঞানে অৰ্থসূচক এটি মিচিকিয়া হাঁহিৰে বন্ধুলৈ চালে।

"বেয়া পাম কেলেই আকৌ?" বন্ধুজনে অপ্ৰস্তুত হোৱাৰ দৰে ক'লে।

"শুনা, কেলেই উঠাই ললোঁ," প্ৰজ্ঞানে গহীনাই কৈ গ'ল, "মাটিবাৰী সম্পত্তি এইবোৰৰ প্ৰতি মোৰ মোহ কোনো দিনেই নাছিল আৰু এতিয়াও নাই। তথাপি মই মকৰ্দ্দমা কৰিছিলো, সম্পত্তিৰ ভাগ পোৱাৰ আশাত নহয়, মোৰ প্ৰতি কৰা অবিচাৰৰ প্ৰতিবাদ স্বৰূপেহে। কিন্তু এতিয়া মোৰ দুয়োজন ভায়ে আহি যেতিয়া মোক ক'লেহি যে সিহঁতে মোৰ ভাগৰ সম্পত্তিখিনি লিখা-পঢ়া কৰি দিব খোজে, মই তৎক্ষণাত কৈ পেলালো যে মোক একো সম্পত্তি নেলাগে, আৰু মই যি মকৰ্দ্দমা কৰিছো সেইটো উঠাই লবলৈ সেই দিনাই দৰ্খাস্ত দিম। সিহঁত দুয়ো আচৰিত হৈ মোৰ মুখলৈ চালে। বোধকৰো মোৰ কথাত পতিয়ন যাবলৈ সিহঁতে টান পাইছিল। মই তৎক্ষণাৎ

এখন কাগজত মই কোৱা কথাখিনি লিখি তাত চহী কৰি, বাজিৰৰ হাতত দিলো। কাগজখন পঢ়ি চাই দুয়ো হুক্-হুক্ কৰে কান্দি পেলালে। সিহঁতে মোক ক্ষমা খুজিলে। ইমানৰ পিছতো তুমি সোধানে, মই মকৰ্দ্দমা কেলেই উঠাই ললোঁ ?''

বন্ধুজনে অলপ সময় তলকা মাৰি থাকি তপকৰে কৈ উঠিল, ''থোৱাহে, ভাই-ককাইৰ চকুপানী! চকুত তেল দি কান্দি দেখুৱালে আৰু, যে তোমাৰ দুখত সিহঁতো দুখী!''

তপকৰে কথাষাৰ মুখৰ পৰা কাঢ়ি আনি প্ৰজ্ঞানে কলে, ''তোমাৰ আৰু কিবা কথা আছে নেকি? নাই যদি যাৰ পাৰা।''

তাৰ পিছত প্ৰজ্ঞান ইমান গহীন হৈ গ'ল যে বন্ধুজনৰ অৱস্থা দেখিলে শিলৰ অন্তৰতো পুতৌ জন্মিলেহেঁতেন। প্ৰজ্ঞানে দুনাই আৰু বন্ধুজনলৈ ফিৰি নেচালে। একো উপায় নেপাই বন্ধুজন তলমূৰকৈ তাৰ পৰা লাহে লাহে গুচি আহিল।

এই ধৰণেই ভায়েকহঁতৰ বিপক্ষে লগাবলৈ অহা তথাকথিত শুভাকাংক্ষী, বয়োবৃদ্ধ আৰু সমনীয়া বন্ধু, সকলোকে অপদস্ত কৰি প্ৰজ্ঞানে বিদায় দিবলৈ ধৰিলে। ভাই-ককাইৰ মাজত কাজিয়া লগাই বং চাবলৈ যোঁ-জা কৰা সকলো হতাশ হ'ল। প্ৰজ্ঞানে বেচ বুজিছিল ''আই বুলিলে আই পায়, বোপাই বুলিলে বোপাই পায়, ভাই হেন বন্ধু পাবলৈ নাই!''

ভায়েকহঁতৰ প্ৰতি এতিয়া প্ৰজ্ঞানৰ কোনো বেয়া ভাব নাই যদিও, প্ৰজ্ঞান বেলেগেই থাকিল। থকা মাটিডোখৰ 'লিজ' লৈ ভৱিষ্যতে পাৰিলে ঘৰ এটা সাজিবলৈ প্ৰজ্ঞানে ইচ্ছা কৰিলে। সেই ইচ্ছাত ব্যাঘাত ঘটাব-লৈকো তলে তলে প্ৰজ্ঞানৰ তথাকথিত বন্ধু আৰু বহুতো ওচৰ-চুবুৰীয়াই এতিয়াও চেষ্টা চলাই থাকিল। কিন্তু কি হব?. ভিতৰৰ পৰা মানুহে যেতিয়া বল পায়, বাহিৰৰ হেজাৰ বিঘিনিয়েও সেই বলৰ লগত প্ৰতিযোগীতা চলাব নোৱাৰে। প্ৰজ্ঞান আজি অন্তৰ্মুখী। অন্তৰ্মুখী শক্তিৰ সোৱাদ যি এবাৰ পাইছে বাহিৰৰ উৰণীয়া শক্তিলৈ চাই মিচিকিয়া হাঁহিবেই সন্তুষ্ট থকাৰ বাহিৰতো আৰু তেওঁৰ একো উপায় নেথাকে! কিন্তু কি গতিশীল সেই হাঁহি! এনেকুৱা হাঁহিয়েই, বোধকৰোঁ, অন্তৰ্জ্যোতিৰ বাহিৰত ফুটি উঠা একপ্ৰকাৰ ৰূপান্তৰ। এনে হাঁহিত হিংসা নাই, আছে সহানুভূতি, দয়া আৰু স্থিত-প্ৰজ্ঞৰ আভাস। প্ৰজ্ঞান আজি স্থিতপ্ৰজ্ঞ।

তিনি

আগেপিছে অহাৰ দৰে সেইদিনাও কলেজীয়া এজাক লৰা-ছোৱালী আবেলি চাৰি বজাৰ লগে লগেই আহি প্ৰজ্ঞানৰ ঘৰ পালেহি। প্ৰজ্ঞান শকুন্তলাইঁতৰ ঘৰলৈ যাবলৈ ওলাইছিল, কিন্তু সিহঁতক দেখা পাই বৈ গ'ল। সেইদিনাৰ দলটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কেইজনমানো আছিল।

''আমাক হলে, চাৰ, আজি আপোনাৰ ভ্ৰমণ অভিজ্ঞতাৰ বিষয়ে ক'ব লাগিব।'' এজন ছাত্ৰই মাত দিলে।

''ক'ম বাৰু বহাচোন।'' প্ৰজ্ঞানে সকলোকে বহিবলৈ ইঙ্গিত দি নিজেও সদায় বহাৰ দৰে ঘাঁহৰ ওপৰত লেপেটা কাঢ়ি বহি পৰিল। ভ্ৰমণ অভিজ্ঞতাৰ লগতে সেইদিনা প্ৰজ্ঞানে বহুতো কথা কৈ পেলালে। তাহানি স্কুলত থাকোঁতে এখন পাঠ্যপুথিত প্ৰজ্ঞানে পঢ়া মনত পৰে যে 'বিজনিত অহঙ্কাৰৰ উৎপত্তি'। প্ৰজ্ঞানে সৰ্ব্বান্তঃকৰণে সেই কথা সমৰ্থন কৰে। কিন্তু ইয়াকো ভাবে—যে বিজনিত অহঙ্কাৰৰ পৰিবৰ্ত্তে নিৰহঙ্কাৰ আৰু নম্ৰ মনোভাবেও মানুহৰ মনত ঠাই লয়। সোণে যদি ৰূপৰ লগত নিজকে ৰিজাই নিজৰ শ্ৰেষ্ঠত্বৰ গৌৰৱত গৌৰৱান্বিত হৈ হীৰা-মুকুতাকো গণ্য নকৰা হয়গৈ, তেনে অৱস্থাক অহঙ্কাৰ আখ্যা দিব পাৰি; কিন্তু তাকে নকৰি যদি, পোনেই নিজক হীৰা-মুকুতাৰ লগত ৰিজাই, নিজৰ নগণ্যতাৰ প্ৰতি চকু দিয়ে, অহঙ্কাৰৰ পৰিবৰ্ত্তে নম্ৰ হোৱাটোহে স্বাভাৰিক। ''নোহোৱা ঠাইত এৰা গছেই বৰ গছ'', কিন্তু এৰাণিৰ মাজত থাকিও ৰি এৰাই বৰগছৰ সম্ভেদ ৰাখে, তেনে এৰাৰ অহঙ্কাৰ হোৱাটোতো দূৰৰে কথা, নিজৰ নিশকতিয়া অৱস্থাটোৰ প্ৰতি পুতৌহে জন্মিব। মনে মনে, কামনা কৰিব—বৰগছৰ সমান যদি হ'ব পাৰিলেহেঁতেন !.....ভ্ৰমণৰ অভিজ্ঞতা হিচাপে এই কথাটোৱেই প্ৰজ্ঞানৰ মনত দকৈ ঠাই লৈছিল।

পৃথিৱীৰ নানান দেশ-বিদেশৰ নানান মহৎ লোকৰ কথা জানিব পাৰি, সেই সেই দেশৰ জনসাধাৰণৰ শিক্ষা-দীক্ষা আদিৰ বিষয়ে পৰিচয় পাই, আৰু বিশেষকৈ ইউৰোপীয় স্বাধীন দেশসমূহৰ স্বদেশ প্ৰেমৰ নিদৰ্শন দেখি, এফালে যেনেকৈ প্ৰজ্ঞানে নিজৰ জ্ঞানৰ পৰিসৰ বহলোৱাৰ সুযোগ পাইছিল, আনহাতে ভাৰতৰ, বিশেষকৈ অসমৰ অৱস্থা সেই দেশসমূহৰ লগত ৰিজাই এই কথাটোকে বাৰে বাৰে চিন্তা কৰিছিল যে একে সভ্য মানুহৰ মাজতেই

একে সময়তে ইমান পার্থক্য বাৰু কেনেকৈ থাকিব পাৰে? ইয়াৰ মূলতে বাৰু কি? ভৌগোলিক পৰিস্থিতিয়েই জানো ইয়াৰ একমাত্ৰ কাৰণ হব পাৰে? নে সকলোৰে মূলতে শিক্ষা সংস্কৃতি আৰু জাতীয় চেতনা?

সংস্কৃতি আৰু সভ্যতাত ভাৰত অন্যান্য উন্নতিশীল দেশসমূহতকৈ দুখীয়া এই কথা প্ৰজ্ঞানে স্বীকাৰ কৰিব নোখোজে। কিন্তু এই কথা স্বীকাৰ নকৰিলে ভাৰতৰ এনে কি দুৰ্ব্বলতা আছিল বা আছে যাৰ কাৰণে শ শ বছৰ ধৰি ভাৰতে পৰাধীনতাৰ গ্লানি বহন কৰি আহিবলগীয়া হৈছিল? এই পৰাধীনতায়েই যে ভাৰতৰ সকলো প্ৰকাৰ উদগতিৰ মূলতে কুঠাৰাঘাত কৰিছিল, এই বিষয়ে বুৰঞ্জীয়ে সাক্ষী দিয়ে। কিন্তু কিয়? কিহৰ দোষত ভাৰত এসময়ত পৰাধীন হবলগীয়া হৈছিল? সকলো এৰা-ধৰা কৰি কেৱল একেটা মাথোন কাৰণ প্ৰজ্ঞানৰ মনলৈ বাৰে বাৰে আহিছিল, আৰু সেই কাৰণটো হৈছে ভাৰতবাসীৰ প্ৰকৃত দেশ প্ৰেমৰ অভাৱ!

সকলো কাৰণকে তল পেলাই একমাত্ৰ দেশপ্ৰেমেই মানুহৰ মাজত ঐক্যৰ বান্ধ নিকপকপীয়াকৈ বাখি দেশৰ স্বাৰ্থৰ কাৰণে সকলো স্বাৰ্থকে হাঁহিমুখে জলাঞ্জলি দিবলৈ মানুহক ঐশ্বৰীক প্ৰেৰণা যোগায়। প্ৰত্যেক ভাৰতীয়ৰে মাজত এই প্ৰেম যদি আৱশ্যক অনুপাতে থাকিলহেঁতেন প্ৰায় ৪০ কৌটি জনতাৰে ইমান এখন বিৰাট ৰাষ্ট্ৰক পৃথিৱীৰ কোনো শক্তিয়েই কোনোকালে কেতিয়াও জয় কৰিব নোৱাৰিলেহেঁতেন, শাসন কৰাতো দূৰৰে কথা।

অতীতৰ কথা ধোৱা-বচা নকৰি, এতিয়া স্বাধীন ভাৰতৰ প্ৰত্যেক নৰ-নাৰীয়ে প্ৰত্যেককে প্ৰত্যেকে প্ৰকৃত শ্ৰদ্ধাৰ চকুৰে যদি চায় আৰু সেইমতে প্ৰত্যেকৰে হক স্বাৰ্থৰ ওপৰত হেতাওপৰা নকৰাকৈ নিজৰ নিজৰ কৰ্ত্তব্য যদি কৰি যায়, তেনেহলে অচিৰতে যে ভাৰত এখন শক্তিশালী দেশেই নহয়—পৃথিৱীৰ ভিতৰতে সকলো বিষয়তে অগ্ৰনি দেশত পৰিণত হব, ইয়াত কোনো সন্দেহ নাই।

কেৱল ভৌগোলিক আয়তন, লোকসংখ্যা, প্ৰাকৃতিক সম্পদ বা শিল্পীকৰণৰ জোৰতেই নহয়, এই সকলোৰে লগত ভাৰতৰ খিলঞ্জীয়া ঐতিহ্য একত্ৰিত কৰি জগতৰ সমুখত জলজল পটপটকৈ দাঙি ধৰিব পৰা যোগ্যতা অৰ্জ্জন কৰিব পাৰিলেহে ভাৰতৰ ভৱিষ্যত উজ্জ্বল। কিন্তু সেই যোগ্যতা আহিব পাৰে কেনেকৈ? সেই যোগ্যতা আহিব পাৰে ইখন ৰাজ্যই সিখন ৰাজ্যৰ লগত শত্ৰুতা আচৰণ কৰি বা ঈৰ্ষাৰ চকুৰে চাই নহয়, প্ৰত্যেক ৰাজ্যৰ মাজতে প্ৰকৃত ভাতৃভাৱ স্থাপন কৰিহে। ভাৰতৰ সমুখত এইটোৱেই আজি প্ৰধান

প্ৰশ্ন। এই প্ৰশ্নৰ তাৎপৰ্য্য উপলব্ধি কৰি একনিষ্ঠভাৱে অহিংস নীতিৰে প্ৰত্যেক ৰাজ্যই নিজ নিজ উন্নতি ঘটোৱাৰ লগতে অন্যান্য ৰাজ্যৰ প্ৰতিও যদি ভ্ৰাতৃস্নেহৰ অন্তৰেৰে সহানুভূতিশীল হয়, পৃথিৱীত এনে কোনো শক্তি নোলাব যি ভাৰতৰ এনে পৱিত্ৰ পুনৰ সংগঠনত বাধা দিব পাৰে।

ভাৰতৰ ভেটিত, ভাৰতীয় চিন্তাধাৰাৰে সংশোধিত পৰিকল্পনাৰে, বিশ্বজনীন উন্নয়নৰ সৌধ নিৰ্ম্মাণ কৰিব পাৰিলেহে ভাৰতৰ শ্ৰেষ্ঠত্ব জগতে স্বীকাৰ কৰিব। ভ্ৰমণৰ অভিজ্ঞতাৰ ফল স্বৰূপে এনে এটি চিন্তাধাৰাৰ অধিকাৰী হৈয়েই প্ৰজ্ঞান অসমলৈ উভতি আহিছিল। এই চিন্তাধাৰাৰ বিষয়েই প্ৰজ্ঞানে আজি এই লৰা-ছোৱালীজাকৰ আগত ফঁহিয়াই কলে। ভাৰতৰ ঐতিহ্যৰ বিষয়ে কওঁতে প্ৰজ্ঞানৰ মুখখন উজ্জ্বল হৈ উঠিছিল।

যি দেশত মানৱৰ আদি গ্ৰন্থ ৱেদ, ৱেদৰ দাৰ্শনিক বিশ্লেষণ ৱেদান্ত, ৱেদান্তৰ আধ্যাত্মিক ব্যাখ্যা উপনিষদ, ৱেদ-ব্ৰাহ্মণ-উপনিষদ আদি সৰ্ব্ব-শাস্ত্ৰৰ অমৃত মন্থনত উদ্‌ভুত হোৱা গীতাৰ দৰে অদ্বিতীয় গ্ৰন্থ ৰচিত হৈছিল, যি দেশত পৌৰাণিক আখ্যানসমূহে জাতীয় চৈতন্য জগোৱাৰ লগতে জাতীয় চৰিত্ৰ গঠনত ৰৰঙনি যোগাইছিল, যি দেশত বাল্মীকি-ব্যাসৰ দৰে সৰ্ব্বজ্ঞান বিশাৰদ ঋষি-মুনিসকল আবিৰ্ভাৱ হৈ প্ৰত্যেকেই নিজ নিজ মেধাৰ উৎকৃষ্ট অৱদান স্বৰূপে ৰামায়ণ, মহাভাৰত আদি মহাকাব্য ৰচি, মানৱ চৰিত্ৰ বিশ্লেষণ কৰি জগতৰ সমুখত দাঙি ধৰিবলৈ সক্ষম হৈছিল, যি দেশত ভাৰত মুনিৰ দৰে নাট্যশাস্ত্ৰ বিশাৰদ, অশ্বঘোষ, ভাষ, সুদ্ৰক, কালিদাস, ভৱভূতি, মাঘ, ৰানভট্ট আদিৰ দৰে কাব্য আৰু নাটক ৰচয়িতা মহাকবি আৰু নাট্যকাৰ-সমূহে জন্ম গ্ৰহণ কৰিছিল, যি দেশত মানৱৰ আধ্যাত্মিক চিন্তা চৰম সীমাত উপনীত হৈ, ভোগ আৰু সন্ন্যাসৰ মাজত যোগসূত্ৰ স্থাপন কৰি মোক্ষৰ প্ৰকৃত পথ পৃথিৱীৰ মানৱ সমাজক চিৰদিনৰ কাৰণে দেখুৱাই দিবলৈ সক্ষম হৈছিল, যি দেশত ৰাষ্ট্ৰ, ৰাষ্ট্ৰপাল আৰু ৰাইজৰ উমৈহতীয়া স্বাৰ্থৰ ভেটিত ৰচিত বিভিন্ন বিষয়ৰ নীতি, ন্যায়, ভেষজ সম্পৰ্কীয় শাস্ত্ৰাদিয়ে চিৰকালৰ কাৰণে জগতবাসীক প্ৰেৰণা যোগাই আহিবলৈ সক্ষম হৈ আহিছে, যি দেশত বুদ্ধত্ব জ্ঞানৰ মহান বাণীৰ ৰজনজননিয়ে গোটেই পৃথিৱীৰ মনোৰাজ্যত বিশ্বশান্তিৰ প্ৰেৰণা জগাই পৰিব্ৰাজক-পৰ্য্যটকৰ জৰীয়তে সমগ্ৰ বিশ্বতে বোধিবৃক্ষৰ শীতল ছায়াৰ মাদকতা বিতৰণ কৰি, হিংসাৰ উন্মাত্ততাক হেলাৰে আওকাণ কৰি, অহিংসক একছত্ৰত্ব দান দিয়াৰ উপায় উদ্ভাৱন হৈছিল, সেইহেন এখন ভাৰতত জন্মগ্ৰহণ কৰি, পৃথিৱী প্ৰদক্ষিণৰ পিছতো

তাৰেই মাথো বিভিন্ন ৰূপান্তৰসমূহৰ ধ্বনি-প্ৰতিধ্বনিকে দেশ-বিদেশত দেখি, প্ৰজ্ঞান স্তম্ভিত হৈ গ'ল যে এনে ঐশ্বৰ্য্যৰ উত্তৰাধিকাৰী হৈও ভাৰত আজি পৃথিৱীৰ ভিতৰতে এখন শ্ৰেষ্ঠতম ৰাষ্ট্ৰ বুলি নিজকে চিনাকি দিব পৰা নাই কিয়?

প্ৰজ্ঞানে ইয়াকে ঠাৱৰ কৰিলে যে ঐশ্বৰ্য্যৰ উত্তৰাধিকাৰী হলেই নহব। সেই ঐশ্বৰ্য্যৰ মৰ্য্যদা বুজি যুগৰ ধৰ্ম্মৰ লগত তাক খাপ খুৱাই লব পাৰিলেহে মূল ধনে গজাঁলি মেলিব, নহলে সময়ত গুৰি গছক ৰক্ষা কৰাও হয়তো টান হৈ পৰিবগৈ।

মৌ পিয়াদি প্ৰজ্ঞানৰ কথা শুনি শুনি লৰা-ছোৱালীৰ জাকটো যেন এক সামুহিক তন্ময়তাত আচ্ছন্ন হৈ পৰিল। এইজন প্ৰতিভাশালী ২৮ বছৰীয়া ডেকাৰ বাগ্মিতাক অন্তৰৰে সৈতে সকলোৱে ওলগ জনালে। ভাবিলে, অতীত আৰু বৰ্ত্তমানৰ মাজত সৰ্ব্বাকৰ্ষনি সেঁতু নিৰ্ম্মাণ কৰি, এনে লোকেহে অস্তিত্বৰ মোহিনী শক্তিৰ মাদকতাৰে ন ভাৰতৰ ন অসমৰ ডেকাশক্তিক সৃষ্টিৰ প্ৰেৰণা যোগাই নব নিৰ্ম্মাণৰ পথত আগুৱাই নিব পাৰে। ছাত্ৰ-ছাত্ৰী সকলোৱে প্ৰজ্ঞানৰ প্ৰতি শ্ৰদ্ধাত মূৰ দোঁ খাই আহিল। প্ৰজ্ঞানৰ বক্তব্যৰ সামৰণি পৰিল কিন্তু কোনেও মুখেৰে একো নেমাতিলে। এক আধ্যাত্মিক বিজুলী প্ৰৱাহত যেন সকলোৱে বাক শক্তি ৰহিত হৈ গ'ল। এটি বুজাৰ নোৱাৰা নিস্তব্ধতা বিৰাজ কৰিলে।

এনে ধৰণেই এই কলেজীয়া আৰু বিশ্ববিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰী তেওঁৰ ঘৰত মাজে মাজে আবেলি গোট খাইছিল, সেইসকলৰ আগত নিজৰ হিয়া উবুৰিয়াই দি প্ৰজ্ঞানে এক বুজাৰ নোৱাৰা তৃপ্তি লাভ কৰিছিল। এই ছাত্ৰ-ছাত্ৰীসকলৰ অন্তঃকৰণত হয়তো প্ৰজ্ঞানে বিচাৰি পাইছিল নিজৰ অন্তঃকৰণৰ এটি প্ৰতিধ্বনি। সেয়েহে সময়ে সময়ে প্ৰজ্ঞানে নিজেই অনুভৱ কৰিছিল, তেওঁ যেন এই ছাত্ৰ-ছাত্ৰী-সকলৰ মাজৰে এজন।

এটাইতকৈ বয়সীয়া ছাত্ৰী বা ছাত্ৰজনতকৈ প্ৰজ্ঞানৰ বয়সৰ ব্যৱধান বৰ বেচি আছিল যদি হয়তো ৫।৬ বছৰ মানহে হব। এতেকে ছাত্ৰৰ লগৰে এজন ছাত্ৰ বুলি যদি কোনোবাই ভ্ৰম কৰিছিল তাত আচৰিত হবলগীয়া কথা একো নাই। কিন্তু আচৰিত হবলগীয়া কথা এয়েই আছিল যে ছাত্ৰসকলৰ মগজুৱে ঢকি পাব পৰা পৃথিৱীৰ এনে কোনো

কথা নাছিল যি বিষয়ে প্ৰজ্ঞানে বিজ্ঞৰ দৰে ব্যাখ্যা কৰি বুজাই দিব নোৱাৰি-ছিল। ভ্ৰমণ কাহিনীবোৰো বৰ্ণনা কৰাৰ প্ৰণালী তেওঁৰ ইমান প্ৰাঞ্জল আৰু হুবহু আছিল যে শুনোতাৰ মানস চকুত সেইবোৰ একো একোখন প্ৰামাণ্য চলচিত্ৰৰ দৰে সঁজীৱ হৈ ভাহি উঠিছিল।

প্ৰতিভাশালী চিত্ৰকৰৰ তুলিকাৰ বলীষ্ঠ আঘাতত চিত্ৰৰ আকৰ্ষণীয় অবয়ব আৰু প্ৰাণৱন্ত স্পন্দনৰ ৰেখাবোৰ ফুটি উঠাৰ দৰে, প্ৰজ্ঞানৰ কথাৰ মাজেদি ৰূপায়িত হৈ উঠিছিল বিষয়বস্তুৰ বলীষ্ঠ ৰূপ। এই প্ৰাঞ্জলতাই আছিল প্ৰজ্ঞানৰ এটাইতকৈ শক্তিশালী অস্ত্ৰ। অস্পষ্টতাৰ লগত যেন প্ৰজ্ঞানৰ বাহি নাহে। সেই দেখিয়েই বোধকৰো অস্পষ্টতাৰ আশ্ৰয়ত জীপ লোৱা সকলো কথাকে প্ৰজ্ঞানে ঘিণ কৰিছিল; আৰু প্ৰজ্ঞানো ঘৃণাৰ পাত্ৰ হৈছিল সেইসকলৰ মাজত যিসকলৰ বাহিৰৰ ৰূপৰ লগত ভিতৰৰ কোনো কথাৰ মিল নাছিল।

প্ৰজ্ঞানে সদায়েই কৈছিল, সাংসাৰীক জীৱনৰ দৈনন্দিন স্তৰত জীৱন আৰু অভিনয় দুটা সম্পূৰ্ণ সুকীয়া বস্তু। দুয়োটাকেই তেওঁ সমানে ভাল পায়, শ্ৰদ্ধা কৰে। কিন্তু জীৱনৰ লগত অভিনয়ৰ আৰু অভিনয়ৰ লগত জীৱনৰ তেওঁ কল্পনা কৰিব নোৱাৰে। যি পাৰে তেওঁ সমাজ আৰু মঞ্চ উভয়ৰে পৰা বাদ পৰা উচিত। ইয়াৰ মাজত কোনো কথা নাই। হয় আমি মানুহ হব লাগিব, নহলে অভিনেতা হব লাগিব। একেটা বস্তুকে একেটা সময়তে আমি ভাল আৰু বেয়া একেলগে পাব নোৱাৰোঁ, পোৱা উচিত নহয়। কিন্তু তথাকথিত জগত-মঞ্চত জীৱন আৰু অভিনয়ৰ খেলিমেলি সদায়েই হৈ অহা দেখা যায়। তাৰ কাৰণে দায়ী জগতো নহয়, মঞ্চও নহয়—দায়ী জগত আৰু মঞ্চত জীৱন আৰু অভিনয়ত অংশ গ্ৰহণ কৰিবলৈ যাওঁতাসকলহে!

মানৱত্বৰ চৰম সীমাত জীৱন আৰু অভিনয়ৰ মাজত অৱশ্যে কোনো পাৰ্থক্য নেথাকে। তেনে এটি আধ্যাত্মিক জগত-মঞ্চত জীৱনৰ সোৱাদেই অভিনয়ৰ সোৱাদ আৰু জীৱনেই অভিনয়। এনে অভিনেতা-অভিনেত্ৰী হব পৰাতহে মানৱ জীৱনৰ সাৰ্থকতা। তেনে এটি জগত মঞ্চৰ পৰিকল্পনা মানুহে জানো আজিও কৰিব পাৰিছে? জীৱনত যি সম্ভৱ নহয়, সি হয়তো সম্ভৱ সাহিত্যত। সম্ভাব্য জীৱনৰ সাহিত্য সাগৰত বাস্তৱ জীৱনৰ মুকুতা বিচাৰি ধনী হোৱা বণিকৰ সংখ্যাই বা কিমান?

প্ৰজ্ঞানো সাহিত্য সেৱি। প্ৰজ্ঞানে আজিও ঠাৱৰ কৰিব নোৱাৰিলে, তেওঁ কি সাহিত্য ৰচনা কৰিছে। বাস্তৱ? অতি বাস্তৱ? নে অবাস্তৱ? কিন্তু

এটা কথা প্রজ্ঞানে বেচকৈ জানিছিল যে, তেওঁৰ সাহিত্যত নাছিল পদাঙ্ক অনুসৰণৰ দাসত্ব, অপহৰণান্তৰ আত্মম্ভৰিতা বা পাণ্ডিত্যৰ প্রলাপ ; তাত আছিল অধ্যয়ন-ৰঞ্জন-ৰশ্মিত উদ্ভাসিত হোৱা মানৱ সমাজৰ পুংখানুপুংখ বিশ্লেষণ আৰু আত্মোপলোব্ধিৰ আস্বাদ, যি আস্বাদৰ আৱেদন উপেক্ষা কৰা অসম্ভৱ। এক কথাত প্রজ্ঞানৰ সাহিত্য আছিল নিজৰ অস্তিত্ব দাপোনত ৰূপায়িত হোৱা বিশ্বৰ ফলক, জীৱনৰ প্রতিবিম্ব।

প্রজ্ঞানৰ কৱিতা সঙ্কলন এটি অলপতে প্রকাশ হৈছে। দুই-এখন ছবিও প্রজ্ঞানে বেচিছে। কিন্তু সমালোচকৰ তীব্র কটুক্তিত কাব্যামোদী আৰু কলামোদীসকলৰ মাজত দুই শ্রেণী ইতিমধ্যেই দেখা দিছে। এক-শ্রেণীৰ মতে সেইবোৰ একো হোৱা নাই, আন শ্রেণীৰ মতে প্রজ্ঞানৰ কৱিতা আৰু চিত্রই ভৱিষ্যতৰ সঙ্কেত দিছে। অৱশ্যে আগৰ শ্রেণী সংখ্যা গৰীষ্ঠ। এনে অৱস্থাত কৱি-চিত্রকৰৰ মানসিক স্বাস্থ্য মামৰে ধৰিব নোৱাৰা ইস্পাতেৰে গঢ়া নহলে যে সহজেই ভাঙি পৰিব, ই স্বাভাৱিক। উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনা থকা কত শিল্পীৰ জীৱন যুগে যুগে এই পৃথিৱীতে যে এনেকৈ অকালতে মৰহি গৈছে তাৰ হিচাপ দি শেষ কৰিব নোৱাৰি। কিন্তু ইমানৰ মাজতো যি বাচি থাকিব পাৰে—বৰ্ত্তমানে নহলেও ভৱিষ্যতে যে সেইসকলক আদৰি লবই, ই ধ্রুৱপ। পৃথিৱীৰ শ্রেষ্ঠ কৱি-নাট্যকাৰ-সাহিত্যিক-দার্শনিক আদিৰ জীৱন অধ্যয়নে এই কথাটোকেই বাৰে বাৰে প্রমাণ কৰে।

বৰ্ত্তমানত সম্পূর্ণ বৰ্ত্তমান হৈ, ভৱিষ্যত-জগতত খোৱাক যোগাব পৰা কৱি সাহিত্যিকৰ সংখ্যা অতি বিৰল। যি দুই-এজন আছে তেওঁলোকৰ প্রতিভা সাধাৰণতে বৰ্ত্তমানত অৱহেলিত সকলতকৈ প্রায়ে কম দেখা যায়। অৱশ্যে কুৰি শতিকাৰ কথা অতীতত লীন যোৱা শতাব্দীবিলাকতকৈ বহুতো বেলেগ। আজিৰ জনসাধাৰণৰ মাজতো এনে বহুতো কলামোদী আছে যিসকলে নিজে কলাসৃষ্টি নকৰিলেও সৃষ্টি-ধর্ম্মী কলাৰ মৌলিকতাৰ মোল বুজি ভৱিষ্যত বাণী কৰিব পাৰে। এনে দুই-এজনৰ উৎসাহ উদগনিৰ পৰা অৱশ্যে প্রজ্ঞান বঞ্চিত হোৱা নাছিল। অনাদৰ মৰুভূমিত এইকণ ওৰেছিছেই জানো যথেষ্ট নহয়! প্রজ্ঞানে ভাবে, আৰু এই ভাবকেই কলেজীয়া লৰা-ছোৱালী-বিলাকৰ আগত ব্যক্ত কৰি আত্মপ্রমাদ লাভ কৰে।

প্রজ্ঞানো জানো মানুহ নহয়? প্রজ্ঞানকো জানো মানুহৰ আদৰ নেলাগে? কিন্তু মানুহৰ অৱণ্যত যে মানুহ পাবলৈ নাই, এই কথা জানিও কেতিয়াবা কেতিয়াবা প্রজ্ঞান আধাৰলিয়া হোৱাদি হয়। এই ৰূপত প্রজ্ঞানক যি দেখিছে তেওঁ হয়তো প্রজ্ঞানৰ ওচৰলৈ যাবলৈ ভয় কৰিব;

কিন্তু প্রজ্ঞানক যি বুজে তেওঁৰ অন্তঃকৰণ হয়তো সমবেদনাত উপচি পৰিব।

এই ছাত্র-ছাত্রীসকলৰ সকলোৱেই যেন প্রজ্ঞানক বুজিব পাৰিছিল, অন্ততঃ বুজিব পাৰিছে বুলি ভাবিবলৈকে যেন শিকিছিল। সেই দেখিয়েই বোধকৰো প্রজ্ঞানেও মাজে মাজে নিজৰ দুখৰ কথা কৈ মনটো পাতলাবলৈ যত্ন কৰিছিল এই ছাত্র-ছাত্রীসকলৰ মাজতেই!

আচৰিত কথা। দুর্জ্জয় সাহসী এই মানুহজন। ইটালীৰ ষোড়শ শতিকাৰ দুর্দ্দান্ত শিল্পী চেলিনীৰ দৰে হয়তো প্রজ্ঞানেও নিজৰ সকলো কুচক্রী প্রতিদ্বন্দ্বীৰ ওপৰত ইচ্ছা কৰিলেই আক্রোহমূলক প্রতিশোধ লব পাৰিলেহেঁতেন। কিন্তু কিহে! কিহে তেওঁক তাৰ পৰা বিৰত কৰিছিল? চেলিনীৰ দৰে শিল্প প্রতিভাও হয়তো প্রজ্ঞানৰ আছিল; কিন্তু চেলিনীৰ নৈতিকতাৰ একে ঘোদোলনি পানীততো আৰু প্রজ্ঞানে সাঁতুৰিব নোৱাৰি-ছিল! তথাপি কিন্তু চেলিনীৰ দৰেই এই প্রতিভাশালী শিল্পীজনেও একে সময়তে আদায় কৰিছিল—ভয়, সন্মান, ঘৃণা আৰু ভালপোৱা।

'কোন কি?' এনে ব্যক্তিত্ব তালিকাৰ কোনো সংস্কৰণতেই প্রজ্ঞানৰ নাম নেথাকিব পাৰে কিন্তু এইটো ঠিক যে প্রজ্ঞানৰ চিনাকি প্রত্যেকৰে 'মানসিক কোন কি?' তালিকাত প্রজ্ঞানৰ নাম জিলিকি থাকিবলৈ বাধ্য। ৰাজনীতি প্রজ্ঞানে নকৰিব পাৰে কিন্তু প্রজ্ঞানৰ ৰাজনীতি জ্ঞান আৰু ৰাগ্মিতাক সকলোৱে ঈর্ষাৰ চকুৰে চায়, আৰু ৰাজনীতি ব্যৱসায়ীচছুক ছাত্রসকলৰ কাৰণে প্রজ্ঞান এটি আদর্শ। কোনো স্থানীয় নাট্যমঞ্চলৈ প্রজ্ঞানক অভিনয় কৰিবলৈ আমন্ত্রণ কৰি শ্রেষ্ঠ অভিনয়ৰ নতুন মান স্থাপনৰ সুযোগ দিয়া নহলেও, ভৱিষ্যতলৈ প্রতিষ্ঠা লাভৰ সম্ভাৱনা থকা উঠি অহা ডেকা নাট্য-শিল্পীসকলক প্রজ্ঞানৰ পৰামর্শয়েই যেন সিহঁতৰ ভৱিষ্যত কৃতিত্বৰ কাৰণে প্রেৰণা যোগায়! প্রজ্ঞানৰ এজনীয়া চিত্রশিল্প প্রদর্শনী চাবলৈ গৈছিল মাথোন আঙুলি মুৰত লেখিব পৰা প্রজ্ঞানৰ দুই-এজন বন্ধু আৰু ছাত্র-ছাত্রীৰ দলটোহে, কিন্তু সমালোচনাৰ তীব্রাঘাতৰ বাতৰি কাকতত যি কেই আষাৰ কথা ছপা হৈ ওলাল সেয়েই অলপ ধতুৰা শিল্পীৰ শিল্প প্রেৰণাক হয়তো টেটু চেপা দি কেতিয়াবাই শেষ কৰি দিলেহেঁতেন। কিন্তু আচৰিত কথা, যিসকল তথাকথিত শিল্পীয়ে কোনো চিত্রাঙ্কন প্রতিভা প্রজ্ঞানৰ নাই বুলি বাটে-পথে চিঞৰি ফুৰে, সেইসকলৰ বেচিভাগেই প্রজ্ঞানৰ অঙ্কন ভঙ্গি অনুকৰণ কৰিহে মৌলিকতাৰ ম'ৰা-চালি ধৰি নিজৰ ঢোল নিজে পিটাত লাগি যোৱা দেখা গৈছিল!

এনেকৈ প্রজ্ঞানৰ প্রত্যেকটো কথাকে সকলোৱে অনুকৰণ কৰিবলৈ ধৰিলে, অথচ স্বীকৃতি দিয়াৰ বেলিকা সকলো 'নাৰাজ'। প্রজ্ঞান হৈ পৰিল সকলোৰে কাৰণে এটা বিৰাট 'ষ্টাম্বলিং ব্লক।' ক'বপৰাযে ওলালহি এই ধূমকেতুটো ? সকলোৱে ভাবে। বাস্তৱিকতে ধূমকেতুৰ আবির্ভাৱ বহুত বছৰৰ মূৰে মূৰেহে হয়। কিন্তু প্রজ্ঞানৰ কি দোষ ? প্রজ্ঞানেতো ভবা নাছিল যে নেজাল তৰায়ো ধূমকেতু বুলি কেতিয়াবা গৌৰৱ কৰিব পাৰে! তেনেবুলি জনা হলে হয়তো অসমলৈ ঘূৰি আহি নেজালতৰাকপী ধূমকেতুসকলক নিশ্চয় আমনি নিদিলেহিহেঁতেন!

অগ্রগতিৰ ভটীয়নি পানীত গা এৰি দি আওৰাই যোৱা বুলি গৌৰৱ কৰা অসমৰ শিল্পী সমাজৰ বিৰাট জাঁজিটো দৰাচলতে ভৰ বাৰিষাৰ ব্রহ্মপুত্রত উমানন্দৰ উত্তৰ কাষে ভীষণ মূৰ্ত্তি ধৰি ঘূৰিবলৈ ধৰা কুৰেৰৰ পাকত পৰাৰ দৰে একে ঠাইতেই যে ঘূৰিবলৈ ধৰিছিল, এই কথাৰ উমান বাৰু কেইজনে পাইছিল ? জাঁজিৰ লগত সাঙোৰ খাবলৈ অনিচ্ছুক কোনোবা আছিল যদিও কুৰেৰৰ পাকত নপৰাকৈ হয়তো সাৰিছে, কিন্তু তেওঁলোকৰ সংখ্যাইবা কিমান ?

"বাৰু কোৱাচোন লৰাহঁত, তেনে জাঁজিত সোমাবলৈ তোমালোকে ইচ্ছা কৰা নেকি ?" কথাৰ মাজতে প্রজ্ঞানে সোধে।

"আমিতো আৰু ডাঁৰ-ব'ঠা নোহোৱাকৈ সংস্কৃতিৰ সোঁতত উটি ফুৰা উদ্দেশ্যহীন নল-খাগৰী নহওঁ! সৰু হলেও, আমি প্রত্যেকেই একো একো-খন মগজু চালিত নাও।" এজন লৰাই ততালিকে উত্তৰ দিয়ে।

"তেনেহলে কুৰেৰৰ পাকত তোমালোক নপৰা ?"

"নিশ্চয় নপৰো।" সেই একে সুৰতে লৰাজনে উত্তৰ দিয়ে।

"বেচ। তেনেহলে মই যে ইমানবোৰ কথা বলকিলো, তাৰ অর্থ আছে বুলি তুমি বিশ্বাস কৰা ?" প্রজ্ঞানে সোধে।

"বিশ্বাস কৰো কাৰণেইতো আপোনাৰ শ্রোতা হিচাপে প্রায়েই আহি আপোনাক আমনি দিওঁহি।"

"কিন্তু এনে আমনিৰ মূল্য বহুত" প্রজ্ঞানে কৈ যায়, "এনে আমনি দিব পৰা আৰু ল'ব পৰা উভয়তে এনে এটি বুজাৰ নোৱাৰা মাদকতা আছে যে যি ইয়াৰ ভুক্তভোগী নহয় সি কেতিয়াও তাৰ মোল বুজিব নোৱাৰে।" ডিঙিটো পৰিষ্কাৰ কৰি প্রজ্ঞানে আকৌ কয়, "মোৰ কথা তেনেহলে তোমা-লোকৰ মনত থাকিব ?"

"কিছুমান কথা আছে জাপি দিয়া, আৰু কিছুমান কথা আছে আদায় কৰা। আপুনি আমাৰ ভিতৰত লুকাই থকা আচল মানুহটোৰ সন্ধান আমাক দিছে—তাক আপুনি আমাৰ পৰা আদায় কৰিবলৈ চেষ্টা কৰিছে—আপুনি আমাক শুই থকাৰ পৰা জগাই তুলিছে...."

"বুজিলোঁ।" প্রজ্ঞানে হাঁহি কলে, "তোমালোকে তেনেহলে তোমা-লোকৰ মাজত এনে এজন মানুহ পাইছা, যি তোমালোকক জগাই তুলিলে, কিন্তু, কিন্তু—" প্রজ্ঞান হঠাৎ ভাৰপ্রৱণ হৈ উঠে, "কিন্তু সি যদি মৰি যায়ঃ আৰু এদিন সি মৰিবই, তেতিয়া ? তেতিয়া তোমালোকৰ জানো তাৰৈ মনত পৰিব ?"

"নিশ্চয়!" স্পষ্ট এটি উত্তৰ লৰা-ছোৱালীজাকৰ মাজৰ পৰা শুনা যায়। এটি নিচেই কোমল মাত। এজনী সৰু ছোৱালীৰ। ১৪ বছৰ তাইৰ বয়স।

"মই তোমাৰৈ মনেই কৰা নাছিলোঁ। আজিয়েই তুমি প্রথম আহিছা নেকি ?" প্রজ্ঞানে আচৰিত হৈ সোধে।

"হয়" ছোৱালীজনীয়ে উত্তৰ দিয়ে, "আজি মই নিজ কাণে আপোনাৰ কথা শুনি বুজিব পাৰিছোঁ যে মোৰ বন্ধুজনে যি কৈছিল, সকলো সঁচা।" ছোৱালীজনীয়ে ওচৰৰে এজন লৰাৰৈ আঙুলিয়াই দেখুৱায়।

"তোমাৰ বন্ধু ?....লৰা ?"

"ইয়াত আচৰিত হবলগীয়া কিবা আছে নেকি ?" ছোৱালীজনীয়েসোধে।

"আচৰিত হোৱা নাই, সুধিছোঁহে।" প্রজ্ঞানে কথাৰ সুৰ সলনি কৰি হাঁহি মাৰি সোধে, "মোক তুমি নিশ্চয় মৰি যোৱা এলেন্ধুৱা যুগৰ মানুহ বুলি ভাবিছা, নহয় নে ?"

"পুৰণি নতুনৰ প্রশ্ন ইয়াত নুঠে।" ছোৱালীজনীয়ে কৈ যায়, "শুনক, মোৰ বন্ধু লৰাই হওক বা ছোৱালীয়েই হওক, তাৰ কাৰণে মই মূৰ নঘমুৱাও। যাৰেই এখন সৰল অন্তঃকৰণ আৰু এটা স্বাধীন সুস্থ মন আছে তেওঁকেই মই বন্ধু বুলি গ্রহণ কৰোঁ।"

এজনী অকণমানি ছোৱালীৰ মুখত বুঢ়ীৰ দৰে যুক্তি দেখি প্রজ্ঞানে আচৰিত হোৱাতকৈও আমোদ পালে বেচি। প্রজ্ঞানে কৰ নোৱাৰাকৈয়ে হোঁ হোঁ কৰে হাঁহি দিলে। সেই হাঁহিত উপস্থিত থকা বহুত বুজন লৰা-ছোৱালীয়েও যোগ দিলে। সৰু ছোৱালীজনী কিন্তু গহীন হৈয়েই থাকিল।

"বাৰু, বাৰু" ছোৱালীজনীলৈ চাই প্রজ্ঞানে সুধিলে, "কোৱাচোন,

নিজৰ দেশ বা নিজৰ ৰাজ্যক তুমি তোমাৰ লৰা বন্ধুসকলক ভাল পোৱাৰ দৰেই ভাল পোৱা নেকি ?"

"মোৰ দেশ ? মোৰ ৰাজ্য ?" ছোৱালীজনীয়ে আচৰিত হৈ প্ৰজ্ঞানলৈ চায়, "মই আচৰিত হৈছোঁ, ইমানবোৰ সাৰুৱা কথা ক'ব পৰা মানুহ এজনেও ছোৱালীয়েই হওক বা ল'ৰাই হওক—মোৰ বন্ধুসকলৰ লগত মোৰ দেশ বা ৰাজ্যৰ বিজনি দি যে এনে অৰান্তৰ প্ৰশ্ন সুধিব পাৰে।...মই ভাবোঁৱ দৰে কোৱা নাই, বুজিয়েই কৈছোঁ—কওকচোন বাৰু, দেশৰ মৰ্য্যাদাৰ তুলনাত কোনো ত্যাগেই কেতিয়াবা বেচি ডাঙৰ হব পাৰেনে ?"

প্ৰজ্ঞানে ছোৱালীজনীক জোকাই ৰং চোৱাৰ লোভ সামৰিব নোৱাৰি কলে, "তেনেহলে তুমি নিজতকৈও দেশক বেচি ভাল পোৱা ?"

"পাওঁতো, নেপাম কিয় ? ১৯৪২ চনৰ স্বাধীনতা বিপ্লৱত যোগ দি শ্বহীদ হব পৰাকৈ মোক যদি ঈশ্বৰে আগতেই জনম দিলেহেঁতেন !" ছোৱালীজনীৰ চকু দুটা উজ্জ্বল হৈ উঠে।

"তোমাৰ কথা শুনি বৰ ভাল পালোঁ। তোমাৰ নামটো....?"

"মোৰ নাম ?" মোৰ নাম সুধিছে ?" ছোৱালীজনীয়ে প্ৰশ্ন কৰাৰ দৰে প্ৰজ্ঞানলৈ চায়। "শুনক, মোৰ নাম যিয়েই নহওক তাৰ পৰা কাৰো একো হানি-বিষিনি নঘটে, যেতিয়ালৈকে ঘৰুৱা বিষয়ত পোনতে মই অসমীয়া—আৰু তাৰ পিছত ভাৰতীয়, আৰু সৰ্ব্বভাৰতীয় বিষয়ত পোনতে মই ভাৰতীয়, তাৰ পিছত অসমীয়া।"

"সকলো ক্ষেত্ৰতে পোনতে ভাৰতীয়, তাৰ পিছত অসমীয়া হোৱাতনো কি ক্ষতি ?" প্ৰজ্ঞানে ততালিকে সোধে।

"মই কৈছোঁৱেই নহয়, সেইটো নিৰ্ভৰ কৰে...."

"নিৰ্ভৰ কৰে কিহত ?" প্ৰজ্ঞানে কৌতূহলেৰে সোধে।

"নিৰ্ভৰ কৰে—আমি কেনে সমস্যাৰ সন্মুখীন হৈছোঁ, তাৰ ওপৰত।" ছোৱালীজনীয়ে পটকৰে খিয় দি এবাৰ লৰা-ছোৱালীৰ জাকটোলৈ চকু ফুৰাই কৈ যায়, "উদাহৰণ স্বৰূপে, ১৯৪২ চনৰ গণ বিপ্লৱৰ কথাকে ধৰা যাওক। সেই বিপ্লৱ আছিল গোটেই ভাৰতৰে। তেতিয়া প্ৰত্যেক ভাৰতীয়ৰে সমুখত প্ৰধান সমস্যাৰূপে খিয় দিছিল বিদেশী শাসকৰ কবলৰ পৰা ভাৰতক মুক্ত কৰা। তেনে এটি সৰ্ব্বভাৰতীয় সমস্যাৰ সন্মুখীন হৈ যদি কোনোৱে আগেয়ে ভাৰতৰ কথা নেভাবি সঙ্কীৰ্ণ মনোভাবেৰে কেৱল নিজৰ ৰাজ্যৰ কথাহে ভাবে, তেনেহলে তেনে ভাৰতীয়ক আখ্যা দিব লাগিব—দেশদ্ৰোহী...."

"হুঁ" প্ৰজ্ঞানে শলাগে। তাৰ পিছত হাঁহি মাৰি কয়, "১৯৪২ চনৰ স্বাধীনতা আন্দোলনৰ কথাবোৰে দেখিছোঁ তোমাক বাৰুকৈয়ে মুগ্ধ কৰিছে ?" এই বুলি প্ৰজ্ঞানে ছোৱালীজনীলৈ চাই মিচিকিয়াই হাঁহিলে।

"স্বাধীনতাৰ এটোপাল তেজো যাৰ গাত আছে তেওঁ কেতিয়াও এনে এটি স্বাধীনতা সংগ্ৰামৰ কাহিনী শুনি বোমাঞ্চিত নহৈ নোৱাৰে ?" তাইৰ কথাত আত্মসন্মানবোধৰ এটি গৰ্ব্বৰ আভাস স্পষ্টকৈ সকলোৰে কাণত ধৰা পৰে।

"তেনেহলে, নাম নকলেও মই বুজিব পাৰিছোঁ—তোমাৰ নাম কি ?" প্ৰজ্ঞানে হাঁহি কলে, "তুমিয়েই নিশ্চয় কনকলতা, নহয় নে ?"

"আপুনি ধেমালি কৰিছে।" ছোৱালীজনীয়ে অতি গহীনাই কয়, "কিন্তু ধেমালি হলেও জানি থওক, ময়েই 'কনকলতা'। ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত কিশোৰী 'কনকলতা' শ্বহীদ হৈছিল। মোৰ মাই কৈছে, কনকলতা শ্বহীদ হোৱাৰ দিনাই, সেই একে সময়তে ময়ো উপজিছিলোঁ।" ছোৱালীজনীৰ কথাত সকলোৱে তাইৰ পিনে আগ্ৰহেৰে চালে।

"তুমি কলেজত পঢ়া, নহয় নে ?....তোমাৰ বয়স কিমান ?....অ'....১৯৪২ ....এতিয়া....১৯৫৬....তেনেহলে....তেনেহলে....১৪—তোমাৰ চৈধ্য বছৰ হৈছে। বেচ, তুমি কোন ইয়াৰ...."

"চেকেণ্ড"

"অ', চেকেণ্ড ইয়াৰ ?....কিন্তু....ইমান কম বয়সতে ?"

"একো কম বয়স নহয় ?"....ছোৱালীজনীয়ে তপৰাই কৈ উঠে, "সৰোজিনী নাইডুৱে, সেই তাহানিতেই, ১২ বছৰ বয়সতে মেট্ৰিক পাছ কৰিছিল।" ছোৱালীজনীৰ প্ৰত্যুৎপন্নমতিত আৰু কথাৰ আৱেগময়ী সুৰত প্ৰজ্ঞান আকৃষ্ট হ'ল।

"বাৰু তেনেহলে। তুমি তোমাৰ নাম নোকোৱা ?" উত্তৰলৈ বাট নেচাই প্ৰজ্ঞানে আকৌ ক'লে, "নেলাগে বাৰু, মই তোমাক আজিৰ পৰা 'কনকলতা' বুলিয়েই মাতিম ; হবনে ?"

"মাতিব।"

প্ৰজ্ঞানৰ প্ৰশ্ন আৰু ছোৱালীজনীৰ স্পষ্ট জবাবত এনে এটি ৰগৰৰ কুটকুটনি আছিল যে এটাইজাক লৰা-ছোৱালীয়ে হোঁ হোঁ কৰে হাঁহি দিলে।

সেইদিনাখনৰ পৰা এই সৰু ছোৱালীজনী অন্যান্য লৰা-ছোৱালীবিলাকৰ লগত নিয়মমতে প্ৰজ্ঞানৰ তালৈ আহিবলৈ ধৰিলে। এটি বুজাৰ নোৱাৰা আকৰ্ষণ তাই অনুভৱ কৰিলে প্ৰজ্ঞানৰ প্ৰতি। আৰু প্ৰজ্ঞানৰ অন্তৰতো বুজিব নোৱাৰাকৈয়ে তাই যেন লাহে লাহে আহি ৰৱপীৰা পাৰি বহিলহি। প্ৰজ্ঞানে পিছত অৱশ্যে গম পাইছিল যে এই ছোৱালীজনীৰ নাম—প্ৰতিভা।

আকাংক্ষাৰ আখৰা

এক

সেইদিনা ৰাতি। বিছনাত ইকাটি-সিকাটি কৰি প্ৰজ্ঞানে হেজাৰ চেষ্টা কৰিও টোপনি অনাব নোৱাৰিলে। মূৰটো গৰম হৈ গ'ল। চকু দুটা পুৰিবলৈ ধৰিলে। ৰাতি চেঁচা বতাহ লগাবলৈ কেইবাবাৰো পিৰালিলৈ ওলাল। কেইবাচলুও চেঁচা পানী জোৰে জোৰে কেইবাবাৰো চকু দুটাত ছটিয়ালে। কিন্তু মিছা, একোতেই টোপনি নাহিল। এনেকৈ টোপনি দেৰীক জয়দেৱ-কাকুতিৰেও সন্তুষ্ট কৰিবলৈ অসমর্থ হৈ, অৱশেষত হতাশ মনেৰে বাঁহৰ আৰামী চকীখনকে চোতালত পাতি লৈ, প্ৰজ্ঞানে আকাশৰ তৰা লেখিবলৈ ধৰিলে। শীতকালৰ ৰাতি। শেহ ৰাতিৰ হিম কণাবোৰে আধাডুখৰীয়া জোনটো উঁৰলাই দিছে। গাত চেঁচা বতাহ লাগিছে কিন্তু জাৰ লগা নাই। চকুত নিয়ঁৰৰ সৰু সৰু কণিকাই চোঁৰৰ বুলাই গৈছে, কিন্তু চকুৰ মাজেদি ভমকা ভমকে ওলোৱা জুইৰ আঙনি নুমুৰাব পৰা নাই। "কি আপদ! আজি মোক কিহে পালে?" মাজে মাজে প্ৰজ্ঞানে চিঞৰি উঠে। কোনোবাই শুনি থকা হলে বলিয়াই বুলিলেহেঁতেন চাগে। প্ৰজ্ঞানৰ বাৰু আজি কি হ'ল? আগেপিছেতো কেতিয়াও এনে হোৱা যেন প্ৰজ্ঞানৰ মনত নপৰে!

চাওঁতেই ফেঁচাই ফেঁহুজালি দিলে। ৰাতি পুৱাবলৈ তেতিয়াও অলপ বাকী। কিবা মন গ'ল ফুৰি আহিলেগৈ নৈৰ পাৰে পাৰে। ফুৰি অহাও কিছু পৰ হ'ল। পূৱাকাশত এতিয়া ঢলফাট দিছে। চাওঁতেই আধা

ডুখৰীয়া অষ্টমীৰ জোনটোৰ কিৰণক পৰাজয় কৰি পুৱাৰ পোহৰে দূৰৈৰ গছ-গছনি আৰু নৈৰ সিপাৰে থকা পাহাৰ শ্ৰেণী উজলাই পেলালে। অলপ পিছতেই কুঁৱলিয়ে ব্ৰহ্মপুত্ৰৰ বুকুখন ছাটি পেলাব। সেই কঁপাহী-এন্ধাৰৰ মাজত নাও খেলোতে প্ৰজ্ঞানে এবাৰ দিকভ্ৰষ্ট হৈ একে ঠাইতে ঘূৰি ঘূৰি অৱশেষত উমানন্দত উঠিছিলগৈ। কথাটো মনত পৰি প্ৰজ্ঞানৰ হাঁহি উঠি যায়। মুগণীয়া ৰৱণ ধৰি প্ৰায় নাইকিয়া হৈ যাব খোজা ঘৰৰ পিছফালৰ ঘাঁহনিখনত সুদা ভবিৰে ইফালৰ পৰা সিফাললৈ বঙ্গমঞ্চত টহলাৰ দৰে টহলি প্ৰজ্ঞানে কিবা নোহোৱা নোপজা কথাবোৰ ভাবিবলৈ ধৰিলে। কি ভাবিছে নিজেও ঠিকমতে নেজানে। কিন্তু কিবা যে ভাবিছে, এইটো ঠিক। কি ভাবিছে বাৰু? অ' প্ৰতিভাৰ কথা। নহয় নহয়—শকুন্তলাৰ কথা। এবাৰ প্ৰতিভা—এবাৰ শকুন্তলা। শকুন্তলাই ভুমুকি মাৰে এনেতে প্ৰতিভাই তাত আঁৰকাপোৰ তৰি দি, সমুখত থিয় হয়হি। এনেকৈ বাৰে বাৰে প্ৰতিভা আৰু শকুন্তলাৰ মানস মূৰ্ত্তিয়ে প্ৰজ্ঞানৰ মনৰ মাজত হেন্দোলনিৰ সাঁকো নিৰ্ম্মাণ কৰাত লাগি গ'ল। "কিন্তু কেনেকৈ সম্ভৱ?" প্ৰজ্ঞানে ভাবে, "প্ৰতিভা হ'ল চৈধ্য বছৰীয়া আৰু শকুন্তলা? শকুন্তলাৰ বয়স কুৰি বছৰ॥ ছবছৰৰ ব্যৱধান। যদি দুয়োৰে বয়স সমান হ'লহেঁতেন! সমান হবই লাগিব, সকলো বিষয়তে, নহলে দুয়ো মোৰ মনত সমানে প্ৰভাৱ বিস্তাৰ কৰিব কিয়? প্ৰতিভাৰ বয়স নিশ্চয় চৈধ্য বছৰ নহয় আৰু শকুন্তলাৰো কুৰি হব নোৱাৰে। এই ছবছৰৰ মাজত যোগসূত্ৰ স্থাপন কৰিবই লাগিব। অ' হৈ গ'ল! ছবছৰক দুইৰে ভাগ কৰিলে উত্তৰ হয় তিনি। এই ব্যৱধান কণ দুয়োকে সমানে ভগাই দি প্ৰতিভাৰ বয়সৰ লগত তিনি যোগ আৰু শকুন্তলাৰ বয়সৰ পৰা তিনি বাদ দিলে—উত্তৰ দুয়োৰে সমান, সোতৰ। ঠিক হব। ঠিক, এই নিয়মেই বয়সৰ সমস্যাৰ সমাধান হৈ গ'ল। দুয়ো ১৭ বছৰীয়া গাভৰু! এৰা, দুয়ো নিশ্চয় সকলো বিষয়তে সমান হবই লাগিব। বয়স, লাৱণ্য, সৌন্দৰ্য্য, সৰলতা, বুদ্ধি, বদান্যতা, সাহ, সহানুভূতি, সমবেদনা আৰু নাৰীত্ব। এৰা, নাৰীত্ব। প্ৰতিভা আৰু শকুন্তলাৰ নাৰীত্বয়েই মোক এটাইতকৈ বেচি আকৃষ্ট কৰিছে। উভয়ৰে নাৰীত্বৰ মাজেৰে ফুটি উঠা ব্যক্তিত্বক মই শ্ৰদ্ধা কৰোঁ, ভাল পাওঁ; এৰা, ভাল পাওঁ। প্ৰকৃতিৰ পূৰ্ব্ব-পৰিকল্পিত আঁচনিৰ মাজত আমি তিনিওকে বিধাতাই নিশ্চয় একে ঠাইতে ঠাই দিছে। সেই বিধান নেমানি কিবা উপায় আছে জানো? অন্তৰৰ স্বত-স্ফূৰ্ত্ত আৱেদনেই সেই বিধান, অন্তৰেই সেই বিধাতা। অন্তৰৰ আৱেদনক উপেক্ষা কৰিব পৰা শক্তি কাৰোবাৰ

আছে জানো? এই অন্তৰত কেৱল হিয়াই নাই, আছে হিয়াৰ লগত মেধাৰ সংযোগ। এনে স্থলত, নাই—নাই এনেস্থলত মই কোনো মতেই মোৰ অন্তৰৰ আৱেদনক উলায় কৰিব নোৱাৰো। প্ৰতিভা, শকুন্তলা, প্ৰজ্ঞান—এই ত্ৰিবেণীধাৰাৰ অদূৰ ভৱিষ্যত সেই প্ৰয়াগ, যি প্ৰয়াগত স্নান কৰিবহি পৃথিৱীৰ সকলো নৰ-নাৰীয়ে। পৃথিৱীৰ এনে কোনো শক্তি নাই যি সেই ভৱিষ্য প্ৰয়াগ নিৰ্ম্মাণত বাধা দিব পাৰে।....শকুন্তলা, প্ৰজ্ঞান, প্ৰতিভা, প্ৰতিভা....প্ৰজ্ঞান....শকুন্তলা!"

প্ৰজ্ঞানে ক'ব নোৱাৰে যে প্ৰজ্ঞানৰ এই স্বগতঃ উক্তি তেওঁৰ বাহিৰেও যে আন এজনে একান্ত মনে শুনি আছিল। তন্ময় হৈ প্ৰজ্ঞানে চকুৰ আগত দেখা পাইছিল মাথোঁ সেই দুখন মুখ, আৰু সেই মুখ দুখনৰ প্ৰতিচ্ছবি যেন ভাহি ফুৰিছিল—অধোমুখী প্ৰজ্ঞানৰ খোজৰ লগে লগে তেওঁ টহলি ফুৰা ঘাঁহনিডৰাত। তেওঁ যদি তেওঁৰ ঘৰৰ পিৰালিটোলৈ এবাৰো মুখ তুলি চালেহেঁতেন, তেতিয়া হয়তো ইমানবোৰ কথা ইমান ডাঙৰ ডাঙৰকৈ ভাবিব নোৱাৰিলেহেঁতেন বা তেনেকৈ ভবাৰো কোনো অৱকাশ নেথাকিল-হেঁতেন। ভাবিছিল—ভাবিছিল, তেওঁ বাৰু মনে মনে নেভাবি আনে শুনাকৈ চিঞৰি চিঞৰি ভাবিছিল কিয়? ওপৰলৈ চাওঁতেই প্ৰজ্ঞান হঠাৎ থমকি বল। সমুখত সোঁশৰীৰে শকুন্তলা! "ইছ্, ইছ্ শকুন্তলাই নিশ্চয় সকলো কথা শুনিলে! কি ভাবিব বাৰু তেওঁ? এ....হ! যি ভাবে ভাবি থাকক। মইতো একো ষড়যন্ত্ৰ কৰা নাই! কৰিছো যদি স্বীকাৰ কৰিছো সত্যক, আৰু কৈছো সেই সত্য স্থাপনত আমি তিনিওৰে বৰঙনিৰ কথা, ভৱিষ্যতৰ এটি সপোনৰ কথা, আৰু সেই সপোনৰ বাস্তৰ পৰিণতিত মোৰ আস্থাৰ কথা। মিছা জানো?"

শকুন্তলাক দেখি একো যেন হোৱাই নাই, এনে ভাব দেখুৱাই প্ৰজ্ঞানে এটি মিচিকিয়া হাঁহিৰে এই গাভৰু গৰাকীক সম্ভাষণ জনাই কলে, "আজি এই ব্ৰহ্মপুৰাতে হঠাৎ কি মন কৰিনো দুখীয়া দাদাৰাৰ পজাত পদাৰ্পণ কৰিলাহি?"

"সেই প্ৰশ্নৰ উত্তৰ দিয়াৰ আগেতে" শকুন্তলাই কলে, "মই জানিব পাৰোনে, তুমি ইমান কি গধুৰ কথা ভাবি আছিলা যে তোমাৰ এই বাৰান্দা-খনত এক মিনিট নহয় দুই মিনিট নহয়—একেবাৰে পোন্ধৰ মিনিট সময় থিয় হৈ থকা এগৰাকী ভদ্ৰ মহিলাকো যে তুমি দেখা নাছিলা?"

"পোন্ধৰ মিনিট ?" প্ৰজ্ঞান আচৰিত হৈ সোধে, "তেন্তে তুমি মোক মাতা নাছিলা কিয় ?"

"কাৰণ" ভেঙুচালিৰ সুৰত শকুন্তলাই কলে : "মই ভাবিছিলো যে মঞ্চৰ ওপৰত স্বগতঃ উক্তিত মছ্গুল হৈ থকা এজন প্ৰতিভাবান নাট্যশিল্পীক অভিনয়ত ব্যাঘাত জন্মোৱাতো কোনো দৰ্শকৰেই সুৰুচিৰ পৰিচায়ক নহয় !"

"নাট্যশিল্পী ?....অভিনয় ?" প্ৰজ্ঞানে আগতকৈও আচৰিত হৈ সোধে, "তুমি কি অভিনয়ৰ কথা কৈছা ?"

"নেজানা ভাও নধৰিবা প্ৰজ্ঞান দা", শকুন্তলাই গহীনাই কয়, "মই মন কৰিছো, আজিকালি তুমি বহুতো পৰিবৰ্ত্তন...."

"পৰিবৰ্ত্তন ?....কোৱাচোন বাৰু কি পৰিবৰ্ত্তন ?"

"তোমাৰ চকুলৈ চোৱা ! কিয় ইমান ৰঙা হৈছে মই জানিব পাৰো নে ?"

"অ', চকুৰ কথা সুধিছা ?" প্ৰজ্ঞানে নিজৰ হাঁহি চেপি ৰাখি অতি ভাবুকৰ দৰে গহীন হৈ ক'লে, "শুনা, কালি ওৰে ৰাতিটো মই উচুপি আছিলোঁ...."

"উচুপি আছিলা ?" শকুন্তলাই আচৰিত হৈ কয়, "মই কেতিয়াও ভৰা নাছিলোঁ, তোমাৰ দৰে এজন কঠুৰা ডেকাৰ অন্তৰতো উচুপনিৰ দৰে এনে এটি কোমল বস্তু যে লুকাই থাকিব পাৰে।" কথাষাৰ হঠাৎ কৈ শকুন্তলা অপ্ৰস্তুত হোৱাদি হয়।

"কঠুৰা ?" প্ৰজ্ঞানে গহীনাই কয়, "এৰা, মই গোটেই মানুহটোৰেই বোধকৰো তীখাৰে নিৰ্ম্মিত আৰু...."

"গোটেইটো তীখা হোৱা হলে ভালেই আছিল।" শকুন্তলাই কথাষাৰ কৈ সমুখৰ পিনে একেথৰে চাই ৰয়। তাইৰ কথাত প্ৰজ্ঞানে অনুভৱ কৰিলে এটি বিতৃষ্ণাৰ ভাব। তাই যেন কাৰোবাৰ ওপৰত, অতি অসন্তুষ্ট হোৱাৰ বিশেষ কাৰণ বিচাৰি পাইছে। সেই অসন্তুষ্টিৰ কাৰণ প্ৰজ্ঞান নিজেই নহয় তো ? প্ৰজ্ঞানে ভাবে।

"তীখাৰে নিৰ্ম্মিত মোৰ এই 'মই'টোত কেৱল তীখাৰ বাহিৰে আন একো যদি নেথাকিলেহেঁতেন, মানুহে নিশ্চয় মোক পুতো নকৰাকৈ নেথাকিলেহেঁতেন।"

"কেনেকৈ জানিলা যে তুমি এতিয়াও পুতৌৰ পাত্ৰ নহয় ?" শকুন্তলাই তপৰাই কৈ অতি গহীন হৈ পৰে।

শকুন্তলাৰ এই গহীনত্বৰ মাজতো প্ৰজ্ঞানে হাঁহিৰ যথেষ্ট খোৰাক বিচাৰি

পাইছিল। প্ৰজ্ঞানে হোঁ হোঁ হোঁ কৰে হাঁহি দিলে। প্ৰজ্ঞানৰ সেই হাঁহি যেন আৰু ৰ'ব নোখোজে।

শকুন্তলাই খঙেৰে প্ৰজ্ঞানৰ ভৰিৰ পৰা মূৰলৈকে এবাৰ চকুফুৰাই চাই, উচাৎ মাৰি তাৰপৰা একে কোবেই আঁতৰ হ'ল। প্ৰজ্ঞান হতভম্ব হোৱাদি হ'ল। তাৰ পিছত বা-মাৰলিত বিৰিণাৰ পাত কঁপাৰ দৰে কঁপিবলৈ ধৰিলে। কি কৰিব—নকৰিব ভাবি, পিছ মুহূৰ্ত্ততে 'শকুন্তলা, শকুন্তলা' বুলি চিঞৰি পিছে পিছে লৰিবলৈ ধৰিলে। ইতিমধ্যেই শকুন্তলা ঘৰ পাওঁ পাওঁ হৈছিল গৈ। চাওলা পৰিয়ালৰ পদুলি মূৰৰ জেওৰামুখৰ জপোৱা দুৰাৰ খুলি, প্ৰজ্ঞানে তেওঁলোকৰ চৌহদত ভৰি দিয়ে মানে শকুন্তলা ঘৰৰ ভিতৰত সোমাই অন্তৰ্দ্ধান হ'ল। প্ৰজ্ঞান গৈ আগফালৰ বাৰান্দাত থকা ডাঙৰ চোফাখনত কাঠৰ পুতলাৰ দৰে ধুপুচ কৰে বহি পৰিল। ভিতৰলৈ সোমাই একেবাৰে দ্ৰইংৰুমত বহিবলৈকো ভিতৰৰ পৰা দুৰাৰ আছিল বন্ধ। এই পুৰাইনো কোনে দ্ৰইংৰুম খোলে ? শকুন্তলা সোমাইছিলগৈ পিছ দুৰাৰেদিহে! প্ৰজ্ঞানেইবা, বিশেষকৈ আজিৰ এনে এটি সময়ৰ এই পৰিস্থিতিত শকুন্তলাক অনুসৰণ কৰি কেনেকৈ পিছ দুৰাৰেদি ভিতৰ সোমাব ?

সি যিয়েই নহওক, নকলেও হব যে, অতি পুৰাতে গাত্ৰোত্থান কৰা সেই চুবুৰীৰ কোনো কোনোৱে, আৰু প্ৰাতঃভ্ৰমনাভ্যষ্ট বহুতেই, এইহাল ডেকা-ডেকেৰীয়ে প্ৰাতষতে সৃষ্টি কৰা 'এপোলই ডেফ্নিক' বা 'পূৰ্ণৰৰাই উৰ্ব্বশীক' অনুসৰণ কৰা দৰে—দৃশ্যটো দেখি কৌতুক উপভোগ কৰাৰ উপৰিও কুৎসা ৰটনা কৰাৰ এটি উপযুক্ত সুযোগ বিচাৰি পাইছিল। ওচৰ-চুবুৰীয়াৰ মাজত কথাটো অতি সোনকালেই ৰাষ্ট্ৰ হ'ল। সকলোৱে কেৱল ভাবিলে যে শ্ৰীচাওলাৰ দৰে এনে এজন অৱস্থাপন্ন ব্যৱসায়ীয়ে তেওঁৰ এনেহেন এগৰাকী ৰূপে-গুণে অতুলনীয়া একমাত্ৰ ছোৱালীক এই প্ৰজ্ঞান নামৰ জধলা মানুহটোৰ লগত হলিগলি কৰিবলৈ এৰি দি কেৱল অন্যায়েই কৰা নাই, তেওঁৰ ওচৰ-চুবুৰীয়া সকলকো অপমান কৰিছে। যিটো মানুহক নিজৰ সমাজে ঠাই দিবৰ কাৰণে উপযুক্ত বুলি আজিও বিবেচনা নকৰিলে, যাক নিজৰ ভায়েকহঁতেও আজিলৈকে আপোন কৰি লব পৰা নাই, (সিহঁতে নেজানে যে প্ৰজ্ঞান আৰু ভায়েকহঁতৰ মাজত ঢোল নোকোৱোৱাকৈয়ে যে ইতিমধ্যে মিলাপ্ৰীতি হৈ গৈছে) সেইহেন এটা ক'তো জীণ যাব নোৱাৰা মানুহক শ্ৰীচাওলা বা শ্ৰীমতী চাওলাৰ দৰে ইমান জনা-বুজা সম্ভ্ৰান্ত পৰিয়ালৰ লোকেও কেনেকৈ ইমান লাই দিব পাৰে ? সিহঁতেতো প্ৰজ্ঞানক

ওপৰে ওপৰেহে দেখিছিল। সিহঁতেতো এবাৰো জানিবলৈ চেষ্টা কৰা নাছিল, এই মানুহজনৰ ভিতৰত কি সামৰ্থ্য—কি শক্তি, কি প্ৰতিভা লুকাই আছে! সিহঁতৰ সঙ্কীৰ্ণ দৃষ্টিত প্ৰজ্ঞানৰ দৰে প্ৰতিভাবান লোকসকল জধলা আৰু জঘন্যৰূপেই ধৰা দিয়ে। ইংৰাজ ঔপন্যাসিক টমাছ হাডিৰ 'মেয়ৰ অব্ কেষ্টাৰ ব্ৰিজ' উপন্যাসত বৰ্ণোৱা 'মিক্সেন্ লেন'ৰ অধিবাসী সকলতকৈনো প্ৰজ্ঞানৰ ওচৰ-চুবুৰীয়াসকলৰ বেচিভাগেই কিমান ওখ খাপৰ আছিল? যিসকলৰ পৰ্য্যায় অলপ ওখ খাপৰ, তেওঁলোকৰ মাজতো এই কাহিনী শুনা বহুতৰে মনত চেক্সপীয়ৰৰ 'ইয়াগো-ভুত' লম্ভিবলৈ আৰম্ভ কৰিলেই! কি বিচিত্ৰ এই মহানগৰীৰ পথত আগবঢ়া ক্ৰমবৰ্দ্ধমান গুৱাহাটী নগৰীৰ মহিমা! নগৰৰ পৰিধি বঢ়াৰ লগে লগে নাগৰিকত্ববোধৰ পৰিধি যেন ক্ৰমে হ্ৰাস হৈহে যাবলৈ ধৰিছে! গোটেই পৃথিৱীতেই জানো এইটোৱেই ৰীতি? চাওলা পৰিয়ালৰ উদাৰ আৰু বহল মনৰ বিনিময়ত প্ৰত্যক্ষভাৱে উপকৃত হোৱাসকল চাওলা-দম্পতিৰ প্ৰশংসাত পঞ্চমুখ হৈও, কিয় যে প্ৰজ্ঞানৰ বেলিকা তেওঁলোকে এই পৰিয়ালৰ সেই একে উদাৰতাকে অনুমোদন কৰিব পৰা নাই, সিও এটি ৰহস্য। এই ৰহস্যৰ মূলতে গুৱাহাটীবাসীৰ জ্ঞাতিবৈৰী মনোভাব নহয় তো? নিজৰ আত্মীয়স্বজনক বেয়া পাই, আনক ভাল পাৰ পৰা দস্তুৰটো ঠেক মন নে বহল মনৰ পৰিচায়ক, আজিও কোনেও স্পষ্টকৈ বুজাই দিব পৰা নাই, যেনেকৈ পৰা নাই নিজৰ ৰাজ্যৰ ক্ষতি সাধন কৰি গোটেই ভাৰতৰ উপকাৰৰ অৰ্থে চিন্তা কৰা মনোভাবটো ভাৰতীয়ৰ কাৰণে ঠেক নে বহল মনৰ চানেকি? ধূম্ৰাচ্ছন্ন চিন্তাৰ আকাশত ধোঁৱা কমাবলৈ চেষ্টা নকৰি, পুনৰ জাগ দি বঢ়াবলৈ যত্ন কৰিলে, আপোনতকৈ পৰৰ মূল্য বেচি বুলি প্ৰমাণ কৰা একো টান কথা নহয়। সেইদেখি চাওলা পৰিয়ালৰ ত্ৰুটি প্ৰজ্ঞানৰ জ্ঞাতিবৰ্গৰ চকুত যিমান ধৰা পৰিছিল তাতকৈ হেজাৰ গুণে বেচিকৈ ধৰা পৰিছিল প্ৰজ্ঞানৰ ক্ষেত্ৰত। প্ৰজ্ঞান অতি সোনকালে এটা চৰিত্ৰহীন ডেকাৰূপে চুবুৰীৰ চকুত দেখা দিলে। মানুহৰ মূৰবোৰ সাধাৰণতে বোধকৰোঁ পৰচৰ্চাৰ কাৰণেই বিশেষভাৱে তৈয়াৰী!

প্ৰজ্ঞানৰ সমনীয়া চুবুৰীয়া ডেকাসকলৰ হিংসা লাগিল। এটা বাটৰ ভিকহুৰ প্ৰতি চাওলা পৰিয়াল ইমান উদাৰ হব কিয়? তাতোকৈ হিংসা লাগিল, শকুন্তলাৰ দৰে এনে এজনী শিক্ষিতা গাভৰু প্ৰজ্ঞানৰ দৰে এটা আধা পগলাৰ প্ৰতি আকৃষ্ট হব কিয়? সিহঁতৰ খং উঠি যায়। সিহঁতে লগতে ইয়াকো ভাবে যে এই খাবলৈ নোপোৱাটোৰ তালৈ প্ৰায় নিতৌ হোষ্টেলত থকা কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবিলাকেই [illegible] কিয়

আছে? সিহঁতৰ গৱেষণাত ইয়াকে ধৰা পৰে যে প্ৰজ্ঞানে 'হিপ্পোটিজোম্' জানে, আৰু তাকে অবৈধভাৱে এই ডেকা-গাভৰুবোৰৰ ওপৰত প্ৰয়োগ কৰি, সিহঁতক এটাইকে বিপথে নিবলৈ যত্ন কৰিছে! প্ৰায় আঢ়ৈ হেজাৰ বছৰ আগেয়ে এথেঞ্চৰ ডেকাসকলক বিপথে নিয়া বুলি ঠিক এনে ধৰণৰ এটি অভিযোগতেই জানো চক্ৰেটিছক দোষী সাব্যস্ত কৰি 'হেম্লক্' নামৰ বিহ খুৱাই প্ৰাণদণ্ড দিয়া হোৱা নাছিল? ভাগ্যে প্ৰজ্ঞান কুৰি শতিকাৰ মানুহ!

যেনে চিন্তা তেনে কাম। বহুতেই গৈ প্ৰজ্ঞানৰ বিৰুদ্ধে চাওলা দম্পতিৰ আগত নানান কথা লগালেগৈ। আৰু ইয়াকো সতৰ্ক কৰি দিলে যে তেখেতসকলৰ একমাত্ৰ আদৰৰ জীয়ৰী শকুন্তলাক অন্ততঃ তেওঁলোকে যেন বিশেষকৈ সাৱধান কৰি দিয়ে, যাতে এই অসত মানুহটোৰ কবলত পৰি নিজৰ জীৱনটো ধ্বংস কৰাৰ লগে লগে তাই চাওলা পৰিয়ালৰ নামতো কলঙ্ক নাসানে।

সুস্থ মিচিকি হাঁহিৰে সকলোৰে কথা মনোযোগেৰে শুনি, সকলোকে শলাগি সন্তুষ্ট কৰি পঠাব পৰা বিশেষ গুণৰ অধিকাৰী এই চাওলা দম্পতিয়ে নিজে যি বুজিলে সেইমতেই মনে মনে কাম কৰি গ'ল। তেওঁলোকৰ মানত প্ৰজ্ঞান প্ৰজ্ঞান হৈয়েই থাকিল। অৱশ্যে বাহ্যিক চলন-ফুৰণত গম্ভীৰ প্ৰকৃতিৰ শকুন্তলাৰ গাম্ভীৰ্য্যৰ ওপৰত আৰু এতৰপ আঁৱৰণৰ আঁৰ সকলোৱে অনুভৱ কৰিলে। টুটকীয়াহঁতে আত্মপ্ৰসাদৰ হাঁহি মাৰি কৃত-কাৰ্য্যতাৰ সোৱাদ ললে, আৰু মাজে মাজে চল চাই দূ�ৰৰ পৰা দুই-এটি বিদ্ৰূপসূচক কথা ফৰ্মুটিয়াই হলেও প্ৰজ্ঞানৰ কাণত পেলাবলৈ যত্ন কৰিলে। প্ৰজ্ঞানৰ ওচৰলৈ গৈ সেই কামটো কৰিব পৰা কোনো নথকাটোও সেই চুবুৰীৰ এটি বিশেষত্ব বুলিয়েই ধৰিব লাগিব। দল ভঙা দঁতালৰ ওচৰ বোলে কোনেও নেচাপে। সিহঁতেও প্ৰজ্ঞানক সেই বুলিয়েই ভাবিছিল নেকি?

চাওলাহঁতৰ ঘৰৰ পৰা প্ৰজ্ঞান যেতিয়া ওলাই আহে, তেতিয়া পুৱা প্ৰায় ৭ বাজিছিল। পুৱা ৬ বজাৰ পৰা এই এঘণ্টা সময় শকুন্তলাৰ আগফালৰ বাৰান্দাৰ চোফাখনত বহি বহি প্ৰজ্ঞানৰ কেনে লাগিছিল, সেই বিষয়ে শকুন্তলাই গম লবলৈ ভিতৰৰ পৰা এবাৰো ওলাই অহা নাছিল। জগদ্বীশে গৈ শকুন্তলাৰ মাকক প্ৰজ্ঞানৰ খবৰ দিওঁতে শ্ৰীমতী চাওলা বাহিৰলৈ ওলাই আহি প্ৰজ্ঞানক কতবাৰ ভিতৰত বহিবলৈ কলে, কিন্তু প্ৰজ্ঞান অলৰ-অচৰ। কাৰণ কি জানিবলৈ কৌতূহল হোৱাত এবাৰ ওচৰতে আহি আল-

ফুলকৈ বহি মবমেৰে সুধিলে : "প্ৰজ্ঞান, তোমাৰ আজি কি হ'ল ? গা ভাল নহয় নেকি ? কতা, তুমি দেখোন আজিকালি আমাৰ ঘৰলৈ নহাই হলা ? শকুন্তলাৰ ওপৰত খং কৰিছা নেকি ?"

জগদ্বীশে দূৰৰ পৰা চাই হাঁহি আছিল। সি চাওলাহঁতৰ ঘৰৰ অতি পুৰণি চাকৰ। ঘৰৰ ভিতৰত সিয়েই এটাইতকৈ আগেয়ে শুই উঠে। আজি বাতিপুৱাৰ দৃশ্যটো দেখিও সি নেদেখা ভাও জুৰি আছিল। এবাৰ ভাবিছিল তাৰ সৰু মাইজীৰ কথাটো কৈ দিব নেকি ? আনমনে ভাবিলে, নোকোৱাই ভাল, জানিবই নহয়! তথাপি কোৱাৰ লোভ সামৰিব নোৱাৰি, শ্ৰীমতী চাওলাই প্ৰজ্ঞানক কিবা সোধা যেন দেখি, এবাৰ কাষ চাপি আহি তাৰ দুয়োপাৰি বগা দাঁত উলিয়াই ওচৰতে থিয় হৈ থাকিল। তাৰ এনে ভাব : "মাইজী, তেওঁৰ হৈ আপোনাৰ কথাৰ উত্তৰটো ময়ে দিম নেকি ?"

শ্ৰীমতী চওলাই তাৰ মনৰ ভাব বুজিব পাৰি চকুৰ ঠাঁৰেৰে জগদ্বীশক তাৰ পৰা আঁতৰিবলৈ কলে। প্ৰভুভক্ত জগদ্বীশ ততালিকে আঁতৰ হ'ল। শ্ৰীমতী চাওলাই আকৌ সুধিলে, "কোৱাচোন প্ৰজ্ঞান, শকুন্তলাৰ ওপৰত তোমাৰ খং উঠিছে নেকি ? তাই বৰ আকৰি ছোৱালী। মই তাইক ইমানকৈ কৈছোঁ ওলাই আহি তোমাৰ লগত কথা পাতিবলৈ। তাই নাহে, মই বাৰু কি কৰিম কোৱা ?"

"আপুনিতো মোক একো কোৱা নাই, তেনেহলে অনৰ্থক—"

"মই একো নাই কোৱা বুলি ময়ো জানো। মই শকুন্তলাৰ কথাহে সুধিছোঁ ?" শ্ৰীমতী চাওলাই হাঁহি কলে।

"সেইবোৰ বাদ দিয়ক, মই এতিয়া যাওঁ"—এই বুলি প্ৰজ্ঞান ঘপহ কৰে বহাৰ পৰা উঠিল।

"বহা বহা, কলৈ যোৱা...." শ্ৰীমতী চাওলাই কথা শেষ কৰিবলৈ নৌ পাওঁতেই প্ৰজ্ঞান আহি তেওঁলোকৰ পদুলী পালেহি। পিছলৈ উভতি নোচোৱাকৈ ভোঁ ভোঁ কৰে বাটলৈ ওলাই, বেগাই ঘৰৰ পিনে খোজ দিলে।

* * *

সেইদিনা আছিল দেওবাৰ। দুপৰীয়া ভাত-পানী খাই উঠি প্ৰজ্ঞান জিৰাইছে। কিবা ভাবি ভাবি আৰামী চকীখনতে প্ৰজ্ঞানৰ চিলমিলকৈ টোপনি আহিল। বৰ বেচি ১৫ মিনিটমান শোৱাৰ পিছতেই আকৌ সাৰ পালে। অলপ ধোঁৱা খাবৰ মন গ'ল। খালি পৰা দেচলাইটোৰ মাজৰ

পৰা আগেয়ে অলপ খাই ভৰাই থোৱা আধা পোৱা বিড়ি এডোখৰ উলিয়াই মুখত দি, বাওঁহাতে দেচ্‌লাই বাঁহটো আৰু সোঁহাতে এডাল কাঠি লৈ জ্বলাবলৈ হাত ডাঙিছে মাথোন—হঠাৎ চৰগ পৰা মানুহৰ দৰে দঙা হাত দঙাতেই থাকিল। সমুখত শকুন্তলা !

"সেইবোৰ কি লেতেৰা বস্তু মুখত দিছা ? পেলাই দিয়া।" শকুন্তলাই কৈ গ'ল : "যদি ভাল চিগাৰেট কিনি খাবৰ সামৰ্থ্য নাই, ধোঁৱা খোৱা অভ্যাসটো নকৰাই ভাল। ভেঁকুৰা বিড়িবোৰ খাই হাওঁফাওত টি, বি ৰোগ চপাই নললেও চলিব।"

প্ৰজ্ঞান যে কেৱল আচৰিতেই হৈছিল এনে নহয়, হতভম্বও হৈছিল। এই জনীয়েই নে সেই শকুন্তলা—যাক শকুন্তলাহঁতৰ ঘৰতেই সেইদিনা পুৱা হেজাৰ বাৰ মতাইও প্ৰজ্ঞানে এখন্তেকলৈকো বাহিৰলৈ আনিব পৰা নাছিল ? তায়েই আজি বাতিপুৱা কি গোৱাৰামীখনকেই নেদেখুৱালে ! সেই একেজনী ছোৱালীয়েই এতিয়া কোনখন মুখেৰে প্ৰজ্ঞানৰ পঁজালৈ আহি, প্ৰজ্ঞানকেই শাসনৰ সুৰত কয়হি—"সেইবোৰ লেতেৰা বস্তু কিয় মুখত দিছা, পেলাই দিয়া।"

প্ৰজ্ঞানে কি কৰ নকৰ ভাবি মোৰ পোৱাৰ আগতেই শকুন্তলাই আকৌ কয়, "তুমি হয়তো ভাবিছা, মই কেলেই আহিছো ; কিন্তু তাৰ উত্তৰ দিয়াৰ আগতে মই জানিব পাৰোনে—তুমি নিজৰ শান্তি ভঙ্গ কৰাৰ লগতে আন এজনৰো শান্তি ভঙ্গ কৈলৈ কৰিবলৈ ওলাইছা ? তোমাৰ কি....কি অধিকাৰ.....?" শকুন্তলাৰ চকু দুটা চলচলীয়া হৈ পৰে।

"তুমি কি কৈছা, মই একো বুজিব পৰা নাই, শকুন্তলা।" প্ৰজ্ঞানৰ কথাত ঠোটা-মোজা লাগে। "তুমি.....তু....মি....নবহা জানো ?"

"বহিম ; বহিবলৈকে আহিছো" শকুন্তলাই পোলোঙাকৈ কয়, "কিন্তু তোমাৰ জানো ধৈর্য্য থাকিব ?"

"ধৈর্য্য ?"

"ও, ধৈর্য্য। মোৰ কথা শুনাৰ ধৈর্য্য....."

"তোমাৰ সন্দেহ হৈছে ?" প্ৰজ্ঞানে লাহেকৈ সোধে।

"সন্দেহ ? এৰা ; সন্দেহ নকৰি উপায় ?"

"কিয় ?" প্ৰজ্ঞানে হাঁহি সোধে।

"যি কেৱল ক'বহে জানে, তেনে লোকে বাধ্য হৈ আনৰ কথা শুনিবলগীয়া হলেও শুনা ভাওহে জোৰে। একো নুশুনে।" অভিযোগৰ সুৰত

কথাষাৰ কৈ শকুন্তলাই ওচৰৰে টুলখনত বহি পৰে। প্ৰজ্ঞান বহাৰ পৰা উঠি শকুন্তলাৰ সমুখত গভীৰ সমস্যাত পৰি চিন্তান্বিত হৈ পৰা ৰাজ পুৰুষৰ ভাও দিওতা অভিনেতাই মঞ্চত টহলাৰ দৰে, টহলিবলৈ ধৰিলে। তললৈ মূৰ কৰি নোচোৱা ভাও জুৰি ইফাল সিফাল কৰিলেও, ৰৱদৈচিলাৰ দৰে ৰোষৰ ধুমুহা লগত লৈ অহা এই জনী ছোৱালীৰ ৰেহ-ৰূপ চোৱাৰ লোভ সামৰা প্ৰজ্ঞানৰ পক্ষে টান হৈ পৰিছিল। কিছু সময় কাৰো মাতবোল নাই। নিস্তব্ধতা ভঙ্গ কৰি শকুন্তলাই কয়,

"মই এইবোৰ ভাল নেপাও।"

কোন বোৰ?"

"এনে ধৰণৰ অভিনয়!"

"কেনে ধৰণৰ অভিনয়?" প্ৰজ্ঞানে লাহেকৈ সোধে।

সেই ধৰণৰ, যি ধৰণত তুমি নিপুণ অভিনেতা....।"

কুন্তলাৰ মাতত ঠাট্টাৰ সুৰ এটি স্পষ্টকৈ ধৰা পৰে।

"মই বুজিব নোৱাৰিলো। অনুগ্ৰহকৈ অলপ বুজাই কলে....."

"মই ভাবিছিলো, তোমাৰ যথেষ্ট মগজ আছে".....শকুন্তলাৰ কথাৰ ভঙ্গি দেখি প্ৰজ্ঞানে হাঁহি ৰাখিব নোৱাৰিলে। শকুন্তলা খঙতে বহাৰ পৰা খপ কৰে উঠিল। প্ৰায় চিঞৰিয়েই কলে:

"তুমি ভাবিছা নেকি, এইদৰে তুমি মোক সদায় ঠগিব পাৰিবা?..... যেতিয়াই নিজৰ কথাৰ মোৰ বিচাৰি নোপোৱা তেতিয়াই বলিয়াৰ দৰে হোঁ-হোঁৱাই হাঁহি কথা ঘূৰাবলৈ চেষ্টা কৰা তোমাৰ এইটো কি দস্তৰ?....মই যদি"

"তুমি যদি কি?" প্ৰজ্ঞানে কৈ টুলখনলৈ আঙুলিয়াই শকুন্তলাক বহিবলৈ ইঙ্গিত দিয়ে। শকুন্তলাই প্ৰজ্ঞানৰ ইঙ্গিত অগ্ৰাহ্য কৰে।

"বহা,—বহা,—নবহা কিয়? ময়ো বাৰু ৰহিছো।" প্ৰজ্ঞান চকী খনত বহি পৰে। "কোৱা বাৰু, মোৰ বিৰুদ্ধেনো তোমাৰ কি অভিযোগ? শুনিম, মই নিশ্চয় শুনিম।"

শকুন্তলা বহে। "কালি মীনু আৰু মীৰা মোৰ তালৈ আহিছিল।"

"মোৰ তালৈ'—মানে তোমালোকৰ ঘৰলৈ?" প্ৰজ্ঞানে সোধে।

"ও, আমাৰ ঘৰলৈ।" শকুন্তলাই কয়, "দুয়োজনী এই চুবুৰীৰে ছোৱালী। মোৰ সমনীয়া। দুয়ো মোৰ লগত পঢ়া। মীৰা বোলে তোমাৰ সম্বন্ধীয়া ভনীও হয়?"

"ও, হয়; পিছে?" প্ৰজ্ঞানে শলাগে।

"কোৱা, তুমি ফাকি নিদিয়া?" শকুন্তলাই দৃঢ়ভাবে একেথৰে প্ৰজ্ঞানৰ চকুলৈ চায়।

"ফাঁকি? কিহৰ ফাকি?"

"কিহৰ ফাঁকি এতিয়া নজনাই হ'ল!" শকুন্তলাই ঠাট্টাৰ সুৰত কয়।

"শকুন্তলা!" প্ৰজ্ঞানে গহীন হৈ কয়, "তোমালৈ মোৰ পুতৌ হৈছে। ফাঁকি! মই ফাকি দিওঁ? তোমাক? হ্ হ! ইমান দিনে মোৰ মাজত তুমি এই ফাঁকি কণহে বিচাৰি পালাগৈ? মানৱ চৰিত্ৰ অধ্যয়নৰ এয়েই তোমাৰ প্ৰথম নমুনা".....ডিঙিটো পৰিষ্কাৰ কৰি আগতকৈ বেচি গহীন হৈ প্ৰজ্ঞানে কয়, "জানানে, মিছা মানেই যে মোৰ মৃত্যু?"

"তেনেহলে তুমি মিছা নামাতা?" শকুন্তলাই প্ৰায় আগৰ সুৰতেই কয়। "মই আকৌ ভাবিছিলো, মিছা কথা নোকোৱা মানুহ ভদ্ৰলোক কৰ পৰ্য্যায়লৈ উঠিব নোৱাৰে!" শেহৰখিনি কথাত এটি বিদ্ৰূপৰ স্পষ্ট আভাষ ফুটি উঠিছিল।

"মইতো ভদ্ৰলোক নহও।"

"তেনেহলে তুমি কি?" শকুন্তলাই সোধে।

"সঁচাকৈয়ে তুমি জানিব খোজানে?"

"খোজো।" শকুন্তলাই দৃঢ়তাৰে কয়। এই এটি শব্দ শকুন্তলাই ইমান দৃঢ়তাৰে কৈছিল যে তাইৰ টুনটুনিয়া সুগঢ়িত নাকৰ পাহি দুটি কঁপি উঠি সেই দুটি কিঞ্চিত বহলি যোৱাত ছোৱালীজনীক ইমান ধুনীয়া দেখা হৈছিল যে 'তাইৰ যুদ্ধং দেহি' এই অৱস্থাটোও প্ৰজ্ঞানে যেন মনে মনে কামনাহে কৰিছিল, এনে অনুভৱ কৰিলে।....চেনেহৰ চোকা শৰ-শয্যাত শয়ন কৰি মৃত্যুলৈ অপেক্ষা কৰিব পৰাটোও জানো কম সৌভাগ্যৰ কথা?

"তুমি জানিব খুজিছা—মই কি?" প্ৰজ্ঞানে কয়, "মই মানুহ, আৰু জীৱনৰ শেষ মুহূৰ্ত্তলৈকে মানুহ হৈয়েই থাকিবলৈ বিচাৰো।" কথাষাৰ কওতে প্ৰজ্ঞানৰ কণ্ঠত কিবা এটি গোটা বস্তুৱে যেন সোপা মাৰিহে ধৰিছিল, এনে অনুভৱ কৰিলে।

"তেনেহলে মানুহতকৈ তুমি বেচি আৰু একো নোহোৱা?" শকুন্তলাৰ কথাত এটি কৌতুকপূৰ্ণ বিদ্ৰূপৰ সুৰ সোমাই আছিল। প্ৰজ্ঞানৰ গহীনত্বৰ বান্ধ সুলকি পৰিল। প্ৰজ্ঞানে হোঁ হোঁ কৰে হাঁহি দিলে। শকুন্তলা কিন্তু আগতকৈও গহীন হৈ পৰিল।

"শুনা, শকুন্তলাই কলে, "মীৰা-মিনু দুয়ো মোক কৈছে: তুমি বোলে কেচুৰা ছোৱালী এজনী বিয়া কৰাৰ খুজিছা? কেচুৰা, মানে চৈধ্য বছৰীয়া।

এইবাৰো প্ৰজ্ঞানে হাঁহি ৰাখিব নোৱাৰিলে। তাৰ পাছত কলে—"জানিব পাৰোনে, কোন ৰাৰু সেই জনী ছোৱালী ?"

প্ৰজ্ঞানৰ হাঁহি আৰু কথাটো পাতলাই দিবলৈ কৰা চেষ্টাই, শকুন্তলাৰ ধৈৰ্য্যচ্যুতি ঘটালে। খঙতে তাই ফোপাবলৈ ধৰিলে। বহাৰ পৰা এবাৰ উঠিল, এবাৰ বহিল—এবাৰ যাওঁ নেযাওঁকৈ দুখোজমান গৈ আকৌ ভোঁ ভোঁ কৰে আহি খপ কৰে টুলখনত বহি পৰিল। নিজকে কোৱাৰ দৰে ভোৱ-ভোৱাই উঠিল : "কেৱল ভাও দিওঁতেই গ'ল, এতিয়া আকৌ কয়, তেওঁ বোলে মিছা কথা নকয়!"

"কো—নে—ক'—লে,—মই মিছা কথা কৈছো ?"

"মই জানো।" সমান জোৰেৰেই শকুন্তলাই উত্তৰ দিয়ে।

"কি জানা ?" প্ৰজ্ঞানে খপ কৰে সোধে।

"জানো, জানো,—সকলো জানো।" শকুন্তলাই খঙেৰে কয়। "কিন্তু বাচি বাচি অৱশেষত তপশিল ভুক্ত সম্প্ৰদায়ৰ এজনীহে বিচাৰি পালাগৈ ?"

"তেনেকৈ নকৰা শকুন্তলা।" প্ৰজ্ঞানে অনুনয়ৰ সুৰত কয়, "তোমাৰ দৰে জনা বুজা শিক্ষিতা সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী এজনীৰ মুখত এনে কথা শোভা নাপায়।"

"শোভা নাপায়! কথা কৱলৈ আহিছে!"

"নিশ্চয় শোভা নাপায়।" প্ৰজ্ঞানে দৃঢ়তাৰে কয়।

"শোভা পাওক বা নেপাওক, মই কমেই....."

"ক'ৰ পাৰা, কিন্তু তুমি যি ভাবিছা বা শুনিছা সেইটো সঁচা নহয়।"

"সঁচা নহয় ?" শকুন্তলাৰ কথাৰ সুৰত সন্দেহৰ ভাব এটি স্পষ্ট কৈ ফুটি উঠে।

"মই যি জনী ছোৱালীক ভাল পাও, তাই ক্ষত্ৰিয় সম্প্ৰদায়ৰ....."

"কিন্তু, তুমি যে ক্ষত্ৰিয় নোহোৱা—"

"ক্ষত্ৰিয় নহলোৱেই বা ক্ষতি কি ?" প্ৰজ্ঞানে দৃঢ়তাৰে কলে, "মই বামুন ; ....বামুন হৱেই বা নহৱেই, মই হিন্দু ; হিন্দু হও বা নহও, মই মানুহ....."

"তুমিযে এজন মানুহ, সেই কথা বাৰে বাৰে সোঁৱৰাই নেথাকিলেও হব।" শকুন্তলাই একেথৰে প্ৰজ্ঞানৰ চকুলৈ চাই কয়, "এনে ধৰণৰ ঘূৰোৱা-পকোৱা কথা কৈ তুমি নেভাবিবা যে তপশিলভুক্ত সম্প্ৰদায়ৰ ছোৱালী এজনীক যে তুমি বিয়া কৰাব খুজিছা, এই কথাটো তল পেলাব পাৰিবা...."

"শুনা, এনে ধৰণৰ যুক্তিৰ চাকনৈয়া তৈয়াৰ কৰি কাৰো একো লাভ নহয়।" প্ৰজ্ঞান হঠাৎ গম্ভীৰ হৈ গ'ল।

কিছুমান মানুহ আছে—যিসকলৰ লগত হাঁহি-মাতি থকা অৱস্থাতহে আন মানুহে মাতিবলৈ বা কথা কবলৈ সাহ কৰে। এনে মানুহ গম্ভীৰ হৈ গলে তেওঁলোকৰ ব্যক্তিত্বক কেন্দ্ৰ কৰি এনে এটি শক্তিশালী কাষ চাপিব নোৱাৰা অদৃশ্য আলোকমণ্ডলে আগুৰি ধৰে যে, সেই আলোকমণ্ডল অগ্ৰাহ্য কৰাৰ সাহসৰ নাটনি হৈ পৰে। প্ৰজ্ঞানৰ গাম্ভীৰ্য্যতো এনে এটি অদৃশ্য জ্যোতিৰ প্ৰভাৱ সকলোৱে উপলব্ধি কৰিব পাৰিছিল। প্ৰজ্ঞান গম্ভীৰ হৈ যোৱাত সেইদেখি শকুন্তলাই অস্বস্তি অনুভৱ কৰিলে। ছোৱালীজনীৰ অসুবিধাটো উপলব্ধি কৰিব পাৰি তাইৰ প্ৰতি প্ৰজ্ঞানৰ পুতৌ উপজিল! মিচিকিয়া হাঁহি এটিৰে পৰিস্থিতিটো পাতল কৰি প্ৰজ্ঞানে সুধিলে যে, শকুন্তলাই শুনা কথাটো যদি সঁচা হয়, তেনেহলে তাত আপত্তি কৰিবলগীয়া কিবা আছে নেকি ?

"আপত্তি ? নিশ্চয়!" শকুন্তলাই দৃঢ়তাৰে কয়।

"কাৰণ ?" প্ৰজ্ঞানে সোধে।

"কাৰণ, মই তোমাক ভাল পাওঁ।"

"মোক, ভাল পোৱা ?" প্ৰজ্ঞানে আচৰিত হোৱাৰ দৰে সোধে, "কিন্তু শকুন্তলা, তুমি এগৰাকী গাভৰু, ভদ্ৰ মহিলা, এটি সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ আদৰৰ জীয়ৰী....আৰু সেই পৰিয়ালটো ক্ষত্ৰিয়।"

"অলপ আগতে তুমিয়েই কোৱা নাছিলানে যে ব্ৰাহ্মণ হলেও তুমি ক্ষত্ৰিয় পৰিয়ালৰ ছোৱালী এজনীকহে ভাল পাইছা! কোৱা নাছিলা ?"

"কৈছিলোঁ, কিন্তু তৰ্কৰ খাতিৰতহে। তথাকথিত অস্পৃশ্য ছোৱালী বামুণে বিয়া কৰাব নোৱাৰে বুলি তুমি কোৱা দেখিছে!"

"কাৰো কৰিছোঁ প্ৰজ্ঞানদা, তেনে ধৰণৰ কথা আৰু উচ্চাৰণ নকৰিবা। কোৱা, কোৱা প্ৰজ্ঞানদা, নীহকুলীয়া নহলোঁ বুলিয়েই তোমাৰ কাৰণে মই জানো অযোগ্যা ?....কোৱা....কোৱা....কোৱা...."

"অযোগ্যা ?....মোৰ কাৰণে ? তুমি এইবোৰ কি কৈছা ?" প্ৰজ্ঞানৰ কথাৰ সুৰত এটি কৰুণ আভাস ফুটি উঠে। "এটা খাৰলৈ নোপোৱা দৰিদ্ৰৰ কাৰণে অযোগ্যা ? তুমি ? তুমি শকুন্তলা ? তোমাৰ কথা কৈছা ?"

সেইহেন দেখাত টান মানুহটোৰো চকু দুটা সেমেকি গ'ল! এনে

ভাব-প্রৱনতাত অভিভূত হোৱা অৱস্থাত শকুন্তলাই প্রজ্ঞানক সেইদিনাই প্রথম দেখিলে।

"তুমি....তুমি এটি ৰত্ন প্রজ্ঞানদা....ৰত্ন...."

"সেইটো মোক ভাল নোপোৱা আন কোনোবাই যদি ক'লেহেঁতেন...."

"তেনেকৈ কেলেই কোৱা, প্রজ্ঞানদা!" ভেমোৱাকলীয়া, অথচ ঘোৰ নীলা আভাৰ আভাস দিয়া শকুন্তলাৰ ডাঙৰ চকুযুৰিয়েদি দুধাৰ চকুলো বাগৰি গ'ল। ফিৰফিৰিয়া দোপাটাৰ লোচ এটিৰে চকুপানী মচি লৈ স্থিৰ দৃষ্টিৰে প্রজ্ঞানলৈ চালে। নাৰী সৌন্দর্য্যৰ নিখুঁত প্রতিমূৰ্ত্তি, লেকেচি বাঁহৰ দৰে লেহকা, অথচ সৰল, পোন আৰু লহপহ কৰে ওখ, কৈশোৰ আৰু যৌৱনৰ দোমোজাত লুকাভাকু খেলা, এই ছোৱালীজনীলৈ চাই, ক্ষন্তেকতে প্রজ্ঞান তন্ময় হৈ পৰিল।

শকুন্তলা পাঞ্জাবী ছোৱালী। চুঁচিকটা দীঘলীয়া তাইৰ গোটেই মুখমণ্ডল-খনকে অত্যাকর্ষণীয় কৰি তাইৰ টুনটুনিয়া নাকটিয়ে আৰু নাকৰ ঠাঁৰিৰ দুয়োকাষে হেলনীয়া হৈ বৈ পৰা, টনা টনা তাইৰ সুবিশাল চকুযুৰিয়ে, নেচাওঁ বুলিলেও চাবলৈ হেঁপাহ জন্মাই, চাওতাৰ অন্তৰত অতর্কিতে জগাই তোলে এটি কৌতূহল, এটি বিস্ময়, এটি পুলক! চকুৰ ওপৰত দুয়োকাষে চালি ধৰা চেলাউৰীযোৰ, ওপৰলৈ ধেনুভিৰীয়া হৈ ভাঁজ লোৱা চকুৰ ওপৰ-পিৰঠিৰ দীঘলীয়া নোমবোৰেৰে চুই যোৱাকৈ ডাঙৰকৈ চকুযুৰি মেলি প্রজ্ঞানৰ চকুলৈ শকুন্তলাই অপলকে চাই ৰল। কাণ, মুখ, চকু—সকলোতে তাই অনুভৱ কৰিলে এটি আকস্মিক উষ্ণতা। ঘন হেঙুলীয়া তাইৰ চুম্বনা-কর্ষণী সুস্পষ্ট ওঁঠ দুটি কঁপি উঠিল। শুভ্র গোলাপৰ সুকোমল পাহিৰ দৰে নিজম, কিন্তু তেজে ফুটি যাওঁ ফাটি যাওঁ গাল দুখনিৰ মাজেদি উষ্ণতাৰ পৰশত অধীৰ হৈ, আৰু স্পষ্টকৈ বিৰিঙি উঠাৰ ব্যাকুলতাত উষাৰঙী ৰঙটিও যেন ক্রমাৎ ঘনিভূত হৈ আহিল। কাণৰ কোমল লতি দুটাৰ মাজেদি যেন এতিয়া তেজ হে ওলাব! মুখমণ্ডলৰ দুয়ো কাষে আউলি-জাউলি হৈ ঢৌ খেলি যোৱা ঈষৎ কেঁকোৰা চুলিটাৰীয়ে এনেহেন এখনি মুখ আনে দেখাতো সহ্য কৰিব নোৱাৰিয়েই যেন বাৰে বাৰে ঢাকি ধৰিবলৈ যত্ন কৰিও বিফল হবলগীয়া হ'ল।

কাশ্মীৰৰ কৈশোৰ আৰু পঞ্জাবৰ যৌৱনৰ সংমিশ্রণৰ প্রতিফলক স্বৰূপে লুকাই আছিল তাইৰ এই আর্য্য-কন্যা-কান্তি-কমনীয় অপৰূপ মুখখনিত বুজাব নোৱাৰা এনে এটি মাদকতা, যি মাদকতাত আপোন পাহৰা প্রজ্ঞানৰ

অনুসন্ধিৎসু মনত খেলাই গৈছিল—সিন্ধু নদৰ তীৰত এসময়ত আবির্ভাৱ হৈ অতীজৰ গ্রীকসকলে তাত উপনিবেশ পতাৰ কথা—সেই একে ঠাইতে প্রাচ্য আৰু প্রতীচৰ আর্য্যসকলৰ মহামিলনৰ কথা—মঙহৰ আঁহে আঁহে, তেজৰ কণাই কণাই, সোমাই পৰা তাহানিৰ সংমিশ্রিত সৌন্দর্য্যৰ কথা। প্রাচীন ভাৰতৰ সিন্ধু উপত্যকাৰ হিন্দু আর্য্য-শোণিতৰ লগত গ্রীক শোণিতৰ অপূর্ব্ব সংযোগত সৃষ্টি হোৱা সৌন্দর্য্যৰ যি সুঁতিটি আজিলৈকে বৈ আহিছে, সেই বিশেষ সুঁতিৰেই সন্তান এই গৱাকী অপৰূপ-ৰূপৰ অধিকাৰিণী শকুন্তলা। মহাকবি কালিদাসৰ শকুন্তলা নাটকৰ নায়িকাৰ ৰূপ বর্ণনাৰ সময়তো এনে এগৱাকী অনুপম সৌন্দর্য্যৰ অধিকাৰিণী গ্রীক কিশোৰীক সমুখত প্রতীক হিচাবে লৈহে, কালিদাসে হেনো এনে নিখুঁত সৌন্দর্য্যৰ অধিকাৰিণী হিচাবে তেওঁৰ নাটকৰ নায়িকাক বর্ণনা কৰিবলৈ সক্ষম হৈছিল! প্রতীক....প্রতীক.... সৌন্দর্য্যৰ প্রতীক এই গাভৰু গৱাকী পাঞ্জাবী কাশ্মিৰী আৰু গ্রীক এই ত্রিবেনী সঙ্গমত উদ্ভূত হোৱা সৌন্দর্য্যৰ যেন জীৱন্ত প্রয়াগ! এই প্রয়াগত স্নান কৰি প্রজ্ঞান ধন্য। শকুন্তলাৰ হৃদয়ানুসন্ধানি চাৱনিয়ে প্রজ্ঞানৰ মন সমুদ্রত এক অনির্ব্বচনীয় কল্পনাৰ কল্লোল জগাই তুলিলে।

সুস্থ, সৰল, হচঙা, প্রায় ছয় ফুট ওখ, শৰীৰ চর্চ্চাৰ ফলত গঢ়ি উঠা বলীষ্ঠ, অথচ লনি দেহৰ অধিকাৰী প্রজ্ঞান। নাক, মুখ, চকু, ওঁঠ, কপাল, ঠুটৰি—সকলোতেই বিশেষত্বৰ চাপ লৈ জন্ম গ্রহণ কৰা শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক শক্তিৰ প্রতীক দেখনীয়াৰ ডেকা এই প্রজ্ঞান। ঢুলু ঢুলু কৰা বিশাল চকুত, উন্নত নাকত, ডাঠ জোৰা ভুৰুত, বহল কপালত, দীঘলীয়া মুখত আৰু চুম্বনাভাসী আৱশ্যকতকৈ কিঞ্চিৎ ডাঙৰ তলৰ ওঁঠ আৰু উজ্জ্বল সোণবৰণীয়া গাৰ বঙেৰে ৰূপহ এইজন ডেকাৰ চকুলৈ একেথৰে চাই থাকোঁতে, শকুন্তলাৰ বুকুখনৰ মাজেৰে এটি বিজুলী সোঁত বৈ যোৱা যেন তাই অনুভৱ কৰিছিল। জপৰা চুলিৰে জধলা, কিন্তু কি চৌম্বকীয় শক্তিৰ অধিকাৰী এই ডেকাজন! কলাৰ যেন প্রাণৱন্ত এটি প্রতিষ্ঠান হে। এনে এটি জীৱন্ত কলামন্দিৰৰ গোপন বেদীত, সৌন্দর্য-কলাৰ প্রতিকৃতি প্রতিফলিত হোৱা মুখৰ অধিকাৰিণী, এগৱাকী দিপ্‌লিপ গাভৰুৱে নিজকে প্রতিষ্ঠা কৰিবলৈ পালে যে ধন্য মানিব, ইয়াত আচৰিত হবলগীয়া একো নাই। কিন্তু আচৰিত এইটোৱেই যে পৰস্পৰে পৰস্পৰক দেৱতা আৰু দেৱী জ্ঞান কৰিও, এতিয়া উভয়ে উভয়ক যেন পৰিত্যাগ কৰিবলৈহে সাজু হৈছে। সামাজিক বর্ণ বৈষম্যক উপেক্ষা কৰিবলৈ এইহাল ডেকা-ডেকেৰী যেন

এতিয়াও সম্পূর্ণৰূপে প্ৰস্তুত হব পৰা নাই।

হঠাৎ এক অস্বাভাৱিক প্ৰশান্ত ৰূপ ধাৰণ কৰি প্ৰজ্ঞান চকীখনত বহি পৰিল। শকুন্তলাই বহিবনে, থিয় হৈ থাকিব, নে তাৰ পৰা আঁতৰি যাবগৈ একো ঠিক কৰিব নোৱাৰি এটা অস্বস্তিকৰ পৰিস্থিতিত পৰা যেন অনুভৱ কৰিলে। প্ৰজ্ঞানৰ প্ৰশান্ত ধীৰ মূৰ্ত্তিটিৰ সমুখত এদিন চৈধ্য বছৰীয়া তথাকথিত নীহকুলীয়া ছোৱালী এজনীয়েও প্ৰজ্ঞানক সন্ন্যাসী বুলি ভাবি দূৰৰ পৰাই সসম্ভ্ৰমে প্ৰণাম কৰি বিদায় লৈছিল। আজিৰ এই মুহূৰ্ত্তত শকুন্তলাকো প্ৰজ্ঞানে যেন হঠাৎ হাজাৰ মাইল দূৰলৈ ঠেলি পঠিয়ালে!

শকুন্তলাৰ খং উঠিল। আক্ৰোহৰ হেন্দোলনিত তাইৰ বুকুখন ঘনাই তল-ওপৰ হবলৈ ধৰিলে। ৰৈ ৰৈ হুমুনিয়াহৰ দৰে টনা একো একোটা দীঘল উশাহে তাইৰ বুকুখনত মাজে মাজে যেন খুন্দা মাৰি মাৰি ধৰিলেহি। "বহিবলৈ নকয় কিয় বাৰু এই মানুহটোৱে? এনে অৱস্থাত এনেকৈ থিয় হৈ থকাটোযে কি এটা শাস্তি, তেওঁ নেজানে নেকি?" তাই নিজে বহিম বুলি ভাবিও বহিব নোৱাৰিলে। কাঠৰ পুতলা এটাৰ দৰে একে ঠাইতে থিয় হৈ বল। মনে মনে ভাবিলে, "কি অধিকাৰ আছে এই অসাধাৰণ মানুহটোৰ, তাইক এনেকৈ শাস্তি দিবৰ?"

তাইৰ মনত কি খেলাইছিল প্ৰজ্ঞানে কিন্তু কব নোৱাৰে। পৰা হলে হয়তো সেই পৰিস্থিতিটো পাতলাই দিবলৈ নিশ্চয় চেষ্টা কৰিলেহেঁতেন। ভাব বাজ্যত বিচৰণ কৰি প্ৰজ্ঞানৰ মন বিভোৰ হৈ পৰিছিল। শকুন্তলাৰ আৰু প্ৰতিভাৰ মাজত যোগসূত্ৰ স্থাপন কৰি প্ৰজ্ঞানৰ মনৰ মাজেদি বৈ যোৱা বহল সুঁতিটিৰ ওপৰত কোনোমতে ওলোমা বাদুলি দি তিষ্ঠি থকা সেঁতুখনৰ ওপৰেদি ভাবৰ সৈন্যবাহিনী এটি খোজত খোজ মিলাই, দলদোপেৰে যেন পাৰ হৈ যাবলৈ চেষ্টা কৰিছিল। এনে চেষ্টাত, খোজৰ লয়ত হেন্দোলনি খাই উঠা ওলমা সেঁতুখন ক্ষন্তেক পিছতেই যে ভাঙি চুৰমাৰ হৈ যাব। আহ! কি সেই হেন্দোলনি!

কিন্তু কোনে? কোনে সেই অৱস্থাৰ অৱসান ঘটাব? কোনে প্ৰজ্ঞানৰ ভাব বাহিনীক ক্ষান্ত হবলৈ হুকুম দিব? কোনে সেই ভাব বাহিনীৰ খোজৰ লয় ভাঙি, আসন্ন এই দুৰ্ঘটনাৰ পৰা প্ৰজ্ঞানক ৰক্ষা কৰিব? প্ৰতিভা.... শকুন্তলা, শকুন্তলা....প্ৰতিভা....শকুন্তলা....শকুন্তলা....নহয়, নহয়, নাই শকুন্তলা, নহলে প্ৰতিভা। উভয়ৰে মাজত স্থাপন কৰিবলৈ যোৱা যোগাযোগৰ সেঁতু সৰহ সময় তিষ্ঠিব নোৱাৰে। এনে সেঁতু নিৰ্ম্মাণৰ আকাংক্ষা, আখৰাতেই

সমাপ্ত নকৰিলে, কোনে জানে, ভবিষ্যতৰ বুকুত কি লিখা আছে?

প্ৰতিভা আৰু শকুন্তলাৰ মাজত ঢাক খাই থকা অসামঞ্জস্যৰ ৰেখাৰোৰ স্পষ্টকৈ টানি এইবাৰ প্ৰজ্ঞান পৰীক্ষা কৰাত লাগি গ'ল বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে। প্ৰজ্ঞানৰ শক্তিশালী মানসিক লেন্সত এই দুজনী ছোৱালীৰ খুটি-নাটি সকলো কথা এটি এটিকৈ স্পষ্টকৈ ধৰা পৰি গ'ল। প্ৰজ্ঞানে এই সকলো তন্ন-তন্নকৈ ফঁহিয়াই চালে:

প্ৰতিভাৰ বয়স চৈধ্য বছৰ; শকুন্তলাৰ কুৰি।

হিন্দুৰ চাৰিবৰ্ণ বিবৰ্জ্জিতা নীহকুলীয়া ছোৱালী প্ৰতিভা; শকুন্তলা ক্ষত্ৰিয় কন্যা।

প্ৰতিভা ওখই ৫ ফুট ৪ ইঞ্চি; শকুন্তলা ৫ ফুট ৭ ইঞ্চি।

প্ৰতিভাৰ গাৰ বং তেজগোৰা কেঁচাহালধি গাঠিৰ বঙতকৈ সামান্য শেঁতা; শকুন্তলাৰ বং বগা গোলাপৰ নিমজ পাহিত ৰঙা পোহৰৰ ৰেঙনি পৰাৰ দৰে উজ্জ্বল।

প্ৰতিভাৰ চৰিত্ৰত স্পষ্টবাদিতা আৰু সৎসাহসৰ বিনিময়ত প্ৰতিফলিত হোৱা আকৰ্ষণৰ মাজতো, সামাজিক নিষ্পেষণৰ বেদনা এটি ফুটি উঠা; শকুন্তলাৰ চৰিত্ৰত স্পষ্টবাদিতা আৰু সৎসাহসৰ উপৰিও সামাজিক সুযোগ-সুবিধাৰ জীপ লৈ ধাৰণ কৰা দুৰ্দ্দমনীয় ৰূপৰ এটি তেজস্বিতা। প্ৰতিভা ২য় বাৰ্ষিকৰ ছাত্ৰী; শকুন্তলা পঞ্চম বাৰ্ষিক এম-এ। প্ৰতিভাৰ ঘৰৰ অৱস্থা মজলীয়া; শকুন্তলা অৱস্থাপন্নৰ জীয়ৰী। প্ৰতিভা অসমৰ আৰু শকুন্তলা পঞ্জাবৰ জীয়ৰী, যদিও উভয়েই ভাৰতৰ কন্যা। এনেকৈ উভয়কে মনেৰে জোখা-মেলা কৰি থাকোঁতে কিমান সময় গ'ল প্ৰজ্ঞানে কব নোৱাৰে। চৰগ পৰা মানুহৰ দৰে একে মাতবোল নকৰাকৈ থিয় হৈ থকা শকুন্তলাৰ কাৰণে এই সময়খিনি নেযায়-নুপুৰায় যেন লাগিছিল। শকুন্তলাই ভাবিছিল প্ৰজ্ঞানে হঠাৎ এই গম্ভীৰ মূৰ্ত্তি ধাৰণ কৰিলে কিয়? গম্ভীৰ হলেই বা; শকুন্তলাৰ কি হ'ল? তাইতো ইচ্ছা কৰিলে বহিব পাৰিলেহেঁতেন; নহলে ঘৰলৈকেও গুচি যাব পাৰিলেহেঁতেন! তাই জানো তেনে কৰিব বুলি ভৰা নাছিল? ভাবিও যে তাই গুচি যাব নোৱাৰিলে; কিয়? শকুন্তলাই নিজকে নিজে প্ৰশ্ন কৰে। তাইৰ মনটোৱে যেন কৈ উঠে: ইয়াৰ কাৰণে দায়ী ব্যক্তিত্ব....ব্যক্তিত্ব....প্ৰজ্ঞানৰ অসাধাৰণ ব্যক্তিত্ব।....এনে ব্যক্তিত্বৰ বুকুত আশ্ৰয় লৈ নিজকে বিলাই দিব পৰাতোও জানো কম সৌভাগ্যৰ কথা! কিন্তু কিয় জানো; প্ৰতিভাৰ কথা শকুন্তলাৰ আকৌ হঠাৎ মনত পৰি যায়।

তেতিয়ালৈকে কিন্তু শকুন্তলাই প্রতিভাক এবাৰো দেখা নাছিল। দুই-এজনী বান্ধৱীৰ মুখে প্রতিভাৰ বিষয়ে শুনিছিলহে মাথোন। অৱশ্যে, ইয়াকো বিশেষকৈ জানিব পাৰিছিল যে প্রজ্ঞানে প্রতিভাক আন ছোৱালীতকৈ অলপ বেচি মৰমৰ চকুৰে চায়।

সি যিয়েই নহওক, পৰ্ব্বতৰ পৰা বাৰিষাৰ ঢল গৈ বাগৰি অহা খঙাল নদীয়ে সাগৰত পৰাৰ লগে লগে যেনেকৈ নিজৰ অস্তিত্ব নিমিষতে হেৰুৱাই পেলায়, প্রতিভাৰ কথা কৈ প্রজ্ঞানক কথা শুনাম বুলি আহি শকুন্তলাৰো সেয়ে হ'ল। এতিয়া তাই হে যেন কিবা জগৰ লগালেহি। তাইৰ খং, বিস্ময়ত পৰিণত হ'ল।

এনেতে দূৰৈত ৫ বজাৰ ৰৰকাঁহ শুনা গ'ল। এজাক লৰা-ছোৱালী ক্রমে ওচৰ চাপি আহিবলৈ ধৰিলে। প্রজ্ঞান শকুন্তলা উভয়েই ভাব সমুদ্রৰ পৰা আহি বাস্তৱৰ বাট-চ'ৰাত থিয় দিলেহি। দলদোপেৰে লৰা-ছোৱালীৰ দলটো আহি প্রজ্ঞানৰ চোতালত ভৰি দিলেহি। শকুন্তলা অপ্রস্তুত হোৱা দি হৈ টুলখনত বহি পৰিল। দলটোৰ মাজৰ পৰা এজনী ধুনীয়া কিশোৰী আগবাঢ়ি আহি পোনেই "শকুন্তলা বাইদেউ, আজি আমাৰ আলোচনাত যোগ দিবলৈ আপুনিও আহিছে নেকি?" বুলি শকুন্তলাৰ সোঁহাতখন প্রতিভাই নিজৰ দুয়োখন হাতৰ মাজত লৈ একেথৰে চকুলৈ চাই, উত্তৰলৈ বাট চালে। শকুন্তলাই আচৰিত হোৱাৰ দৰে চোৱা দেখি আকৌ কলে, "অ', বুজিছোঁ, আপুনি মোক চিনি পোৱা নাই, নয়নে বাৰু শকুন্তলা বাইদেউ?....মোৰ নাম প্রতিভা...."

"প্রতিভা!" শকুন্তলাই সূক্ষ্ম দৃষ্টিৰে প্রতিভাৰ মুখখন নিমিষতে পৰীক্ষা কৰি কলে, "অ', বুজিছোঁ, তুমিয়েই সেই প্র-তি-ভা—"

"সেই প্রতিভা মানে?" প্রতিভাই আচৰিত হৈ সোধে।

"সেই প্রতিভা মানে, তোমাৰ কথা সকলোৱে কয়...." শকুন্তলা হঠাৎ বহাৰ পৰা উঠিল। "বাৰু, প্রতিভা, তোমালোক বহাহঁক। মই যাওঁ। মোৰ ঘৰত কাম আছে। যাওঁ দেই....বেয়া নেপাবা।" প্রতিভাৰ উত্তৰলৈ বাট নেচাই শকুন্তলাই বেগেৰে প্রস্থান কৰিলে।

শকুন্তলা গুচি যোৱাৰ সময়ত প্রজ্ঞানৰ ওঁঠৰ কোণত বিদ্রূপসূচক হাঁহিৰ ৰেঙনি এটি ক্ষন্তেকৰ কাৰণে হলেও স্পষ্টকৈ বিৰিঙি উঠিছিল।....কোনোবাই

মন কৰিছিল নে নাই কোৱা টান; কিন্তু প্রতিভাৰ অন্তৰত সেয়ে এটি দ সাঁচ বহুৱালে। হঠাৎ তাই ভাব-প্রৱণ হৈ উঠিল!

* * *

প্রজ্ঞানৰ লুইতপৰীয়া পজাৰ আগচোতালৰ ঘাঁহনিডৰাত এটাইজাক লৰা-ছোৱালী লেপেটা খাই বহি পৰিল। চ'তৰ শেহৰ বসন্তৰ হিল্লোলেৰে উদ্ভাসিত, ফৰকাল বতৰত পছিমাকাশৰ চেকুৰা-চেকুৰি ডাৱৰবোৰৰ ওপৰত সন্ধিয়াৰ ডুবু ডুবু বেলিয়ে হেঙুলীয়া ৰহণ ছটিয়াই বিদায়ৰ মিচিকিয়া হাঁহিৰে অশ্রুক্রান্ত আৰু নীলাচলৰ মাজৰ লুইতৰ বুকুত আনন্দ আৰু বিষাদৰ যি কঁপনি তুলিছিল, সেয়েই যেন ৰূপায়িত হৈছিল লুইতৰ বুকুৰ তিৰ্‌বিৰ্‌ তপত-সোণ-ৰৱণীয়া ৰহণৰ চিক্‌মিকনিবোৰত। প্রতিবিম্বিত সেই চিক্‌-মিকনিৰ হোন্দোলনিয়ে লৰা-ছোৱালী এটাই জাকৰ অন্তৰতে জগাই তুলিলেহি প্রকৃতি প্রেমৰ উন্মাদনা। অস্তগামী ৰবিৰ হেজাৰ-বোলীয়া-বোলৰ বিদায়ী ভঙ্গিমা চাই চাই আপোন পাহৰা হ'ল প্রতিভা। তাইৰ কণ্ঠত অতর্কিতে ৰূপায়িত হৈ উঠিল এটি গুণ গুণনিৰ ধ্বনি। আপোন মনে তাই গালে:

লুইতৰ বিশাল বুকুত
সূৰুযৰ সোঁণালী খেলা;
পছিমৰ দিগন্ত ব্যাপি
তিৰ্‌বিৰ্‌ তিৰ্‌বিৰ
প্রণয় মেলা।
সন্ধিয়াৰ তপত সোণৰ
জেউতিৰে অর্ঘ্য প্রেমৰ
তপ্ত তপনে উজ্জ্বলায়
উজ্জ্বলায় বুকু লুইতৰ;
অ-হা হা-হা! আহা-হা-হা-!
সূৰুযৰ সোণালী খেলা!
ডাঁৱৰৰ আঁৰ কাপোৰৰ লই আঁৰ
আঁকি দিয়ে শুভ্র গালত লাজুকী প্রিয়াৰ,
চেনেহৰে চুমা; মৰমতে পমা—
দিগন্তী প্রিয়াৰ

সূৰ্য্যৰ সন্ধিয়াৰ ।
ই কিনো প্ৰণয় খেলা,
তিৰ্‌বিৰ্‌ তিৰ্‌বিৰ্‌ প্ৰণয় মেলা ?

কামাখ্যা আৰু অশ্বক্ৰান্তৰ মাজৰ লুইতৰ বুকুত ডুবোঁ ডুবোঁ বেলিৰ সৌন্দৰ্য্য ইয়াৰ আগতেও প্ৰতিভাই অলেখবাৰ দেখিছে। এই একে ঠাইতে বসন্ত-শৰৎ উভয় ঋতুতে পছিমৰ দিগন্তাকাশত ওপঙি থকা ডাৱৰৰ চন্দ্ৰতাপত বিচিত্ৰ বহণ সানি লুইতৰ বুকুত বুৰ মাৰিবলৈ সাজু হোৱা তপত সোণ-বৰণীয়া সূৰ্য্যৰ সপ্তৰঙী জলক্ৰিড়া দেখি প্ৰকৃতিপ্ৰেমী কত কৰি-শিল্পী, ভূপৰ্য্যটক শিল্পীয়ে নিজকে পাহৰি গৈ কৰিতাৰ ছন্দত, তুলিকাৰ আঘাতত, সেই অনিৰ্ব্বচনীয় প্ৰাকৃতিক সৌন্দৰ্য্যক ধৰি ৰাখিবলৈ হাজাৰ চেষ্টা কৰিও সম্পূৰ্ণৰূপে কৃতকাৰ্য্য হব পৰা নাই। গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ বুকুত বুৰ যাওঁ-যাওঁ হোৱা শৰৎ আৰু বসন্তৰ বিদায়ী বেলিৰ বৰ্ণনাতীত সৌন্দৰ্য্যৰ কথা লৈয়েই লৰা-ছোৱালী জাকৰ মাজত আলোচনা হবলৈ ধৰিলে। প্ৰতিভা কিন্তু তেতিয়াও তন্ময়। প্ৰতিভাই নিজে নিজে কৈ উঠিল : "কঁপাহ-কুমলীয়া শুকুলা ডাৱৰবোৰ কিমান ৰঙা! ৰঙাৰ ওপৰত অস্ত-ৰবিৰ হেঙুলীয়া ৰং! এনে ৰঙৰ গোলাপৰ পাহিও চাগে' কিমান কোমল! ৰঙাও নহয়, সেন্দুৰীয়াও নহয়; ৰঙাৰ ওপৰত সেন্দুৰীয়া বহণ ছটিওৱা! আহ! কি অপূৰ্ব্ব আৰু আকস্মিক সম্বন্ধ আজিৰ এই দুটি বিদায়ত! দুটি—দুটি বিদায়!"

"বলিয়াৰ দৰে কি বলকিছা ?" এজন লৰাই সোধে।

"কেলেই ? মন কৰা নাছিলা ?" প্ৰতিভাই কলে, "আমি প্ৰজ্ঞানদাৰ চোতালত ভৰি দিয়াৰ লগে লগে যে গুচি গল...." প্ৰতিভাই যেন অনু-মোদনৰ কাৰণে লৰাজনলৈ চালে।

"অ', সেই ছোৱালীজনীৰ কথা কৈছা ?"

"ওঁ, সেই ধুনীয়া গাভৰু গৰাকীৰ কথাই কৈছোঁ। মন কৰা নাছিলানে তেওঁৰ গাল দুখন ?"

"বিশেষকৈ গাল দুখন কেলেই ?" লৰাজনে কৌতূকেৰে সোধে।

"দেখা নাছিলা, কেনেকুৱা ৰঙা ?"....

"ৰঙা ?" লৰাজনে আচৰিত হোৱাৰ দৰে সোধে।

"ওঁ, ৰঙা! বুৰ মৰাৰ ঠিক আগ মুহূৰ্ত্তৰ বেলিটোৰ দৰে নহয়; কিন্তু সেই একে সময়ৰ দিগন্তৰ কপাহী ডাৱৰবোৰ বোলাই দিয়া ৰঙচুৱা ৰঙৰ আভাসটোৰ দৰে গুলপীয়া...." হঠাৎ থমকি ৰৈ প্ৰতিভাই উত্ৰাবল হৈ

কৈ যায়, "চোৱা, চোৱা, সৌৱা বেলিটো পানীৰ মাজত আধা ডুব গৈ কিমান ৰঙা হৈ পৰিছে...."

"কিনো নোহোৱা নোপজা কথাটো হ'ল ?" লৰাজনে ঠাট্টাৰ সুৰত কয়।

"হৈছে। এটা কথা জানানে ?"

"কি ?" লৰাজনে সোধে।

"কামাখ্যা পাহাৰৰ দাঁতিত ব্ৰহ্মপুত্ৰৰ বুকুত শৰৎ আৰু বসন্তৰ সূৰ্য্যাস্তৰ দৃশ্য যে জগৎ বিখ্যাত ?"

"জগদ্বিখ্যাত সূৰ্য্যাস্ত, আৰু তোমাৰ শ্ৰদ্ধাৰ পাত্ৰী সেই ছোৱালীজনীৰ মাজত কি সম্বন্ধ ?" লৰাজনে হাঁহি সোধে।

"তেওঁক ছোৱালী নুবুলিবা।" প্ৰতিভাই অভিযোগৰ সুৰত কয়।

"কেলেই ?"

"তেওঁ এগৰাকী গাভৰু ভদ্ৰ মহিলা, মই তেওঁক শ্ৰদ্ধা কৰো। প্ৰজ্ঞান-দায়ো নিশ্চয়...."

"ঠিক কৈছা প্ৰতিভা" প্ৰজ্ঞানে মাজতে মাত দিয়ে, "তুমি যিমান ভাবিছা, তাতকৈও তেওঁ মোৰ কাৰণে আৰু বহুতো বেচি...." প্ৰজ্ঞান গহীন হৈ যায়।

প্ৰজ্ঞানৰ আকস্মিক উত্তৰ আৰু শকুন্তলাৰ প্ৰতি থকা বিশেষ আগ্ৰহ দেখি, লৰা-ছোৱালীজাকে কৌতূহল আৰু প্ৰশ্নসূচক দৃষ্টিৰে একেলগে প্ৰজ্ঞানলৈ চালে।

প্ৰজ্ঞানে সিহঁতৰ মনৰ ভাব বুজিব পাৰি কৌতুক উপভোগ কৰে আৰু লগে লগে হাঁহি মাৰি কয়, "মোৰ ডেকা ভাই-ভনী এটায়ে শুনাহঁক : তেওঁৰ নাম শকুন্তলা ; এম-এ পঢ়ে। তাৰ পাছত প্ৰতিভালৈ চাই কয়, "প্ৰতিভা, তুমি তেওঁক নিশ্চয় চিনি পোৱা ?"

"জানিও আপুনি সেই কথা সুধিছে কিয় ?" প্ৰতিভাই গহীনাই উত্তৰ দিয়ে, "আমি আহি পোৱাৰ লগে লগেই, মই যে শকুন্তলা বাইদেউৰ লগত কথা পাতিছিলোঁ, আপুনি দেখা নাছিল নেকি ?"

"মই মন কৰা নাছিলোঁ !"

"মন কৰা নাছিল ?" প্ৰতিভাই বিদ্ৰূপৰ সুৰত কয়, "মই ভৰা নাছিলোঁ যে আপোনাৰ দৰে এনে এজন মানী মানুহে জানিও নজনা ভাও জুৰিব পাৰে ?"

"ভাও জুৰিছোঁ?" প্ৰজ্ঞানে কয়, "বাৰু, এওঁলোক সকলোৱে কওঁক—মই সেই সময়ত আন কথাত ব্যস্ত হৈ আছিলোঁ নে নাই!"

"মিছা কথা; আপুনি মিছলীয়া...." প্ৰতিভাই অতি গহীন হৈ কয়, "মোৰ লগত কথা পতাৰ পিছত তেওঁ যেতিয়া গুচি যায়গৈ, সেইখিনি সময়ত তেওঁলৈ চাই আপুনি মিচিকিয়াই হঁহা নাছিল?"

"তুমি দেখিছিলা?"

"দেখিছিলোঁতো। অকল সেয়ে নহয়, সেইখিনি সময়ত শকুন্তলাৰ মুখখন অস্বাভাৱিকভাৱে বঙা হৈ পৰিছিল।"

প্ৰতিভাই যে ইমান কঠোৰ সুৰত প্ৰজ্ঞানৰ লগত কথা পাতিব পাৰে, এই কথা উপস্থিত আন সকলো ল'ৰা-ছোৱালীৰে বৰ আচৰিত যেন লাগিল। হঠাৎ এটি অস্বস্তিকৰ নিস্তব্ধতা বিৰাজ কৰিলে। কেনেবা যেন লগা পৰিস্থিতিটো পাতলাই দিবলৈ সকলোৰে ইচ্ছা হ'ল, কিন্তু কোনেও ভাবি নেপালে কি কথা উলিয়াইনো সেইটো কৰা যায়। এইবাৰো, সাহসীকতাৰ প্ৰথম পৰিচয় দিলে প্ৰতিভাই।

"শুনক প্ৰজ্ঞানদা, আমাৰ কলেজত এনে কোনো ছোৱালী নাই যাৰ মুখত আপুনি শকুন্তলা বাইদেউৰ কথা নুশুনিব। প্ৰথম বা দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰীবিলাকক তেওঁ হয়তো চিনি নেপায়, কিন্তু ৩য়, ৪র্থ বাৰ্ষিকৰ এটায়ে আমাৰ কলেজত পঢ়োতে তেওঁক লগ পাইছে। তেওঁলোক প্ৰত্যেকৰে মুখে মুখে এতিয়াও শকুন্তলা বাইদেউৰ কথা। আমাৰ কলেজৰ বহুতো ছোৱালী শকুন্তলাৰ নামত বলিয়া...."

"বলিয়া?" এজন ল'ৰাই আচৰিত হৈ সোধে, "এজনী ছোৱালীৰ কাৰণে, আনবোৰ ছোৱালী.....?"

"ইয়াত আচৰিত হৰ লগীয়া কি আছে?" প্ৰতিভাই গহীনাই সোধে, "এটা ধুনীয়া ল'ৰাৰ কাৰণে যদি আন বহুতো ল'ৰা বলিয়া হব পাৰে, শকুন্তলাৰ দৰে ইমান ধুনীয়া ছোৱালী এজনীৰ কাৰণেনো আন ছোৱালী....?"

"নহয়।" ল'ৰাজনে ধেমালিৰ সুৰত কয়,—"আমি আকৌ ভাবিছিলো, ল'ৰাৰ কাৰণে ছোৱালী আৰু ছোৱালীৰ কাৰণে ল'ৰা বলিয়া হোৱাটোহে স্বাভাৱিক.....কিন্তু....."

প্ৰজ্ঞানে এই ল'ৰা-ছোৱালী হালৰ বাক-বিতণ্ডা শুনি, মিচিক-মাচাককৈ হাঁহি আছিল। আন ল'ৰা-ছোৱালী বিলাকেও বেচ ৰগৰ উপভোগ কৰিছিল। প্ৰতিভা যেনে, এই ল'ৰাটোও ঠিক তেনেকৈয়ে তৰ্কত হাৰিবলৈ ইচ্ছা নকৰা বিধৰ। প্ৰজ্ঞানৰ সেই দিনাখন কথা কোৱাতকৈ কথা শুনাৰ কাৰণেহে যেন মনটো প্ৰস্তুত আছিল। সেই দেখি প্ৰতিভাৰ লগত লগা ল'ৰা জনৰ তৰ্ক বিতৰ্ক উপস্থিত অন্যান্য ল'ৰা-ছোৱালী বিলাকৰ লগৰে এজন হৈ মনে মনে শুনি আছিল। হঠাৎ বিশেষ টং কৰিব লগীয়া প্ৰতিভাৰ কথা এটা শুনি সকলোৰে চকু থিৰ হ'ল। প্ৰতিভাই কলে:

"মিছায়ে কি তৰ্ক কৰি থাকাহে? শুনা, এজন ল'ৰাই আন এজন ল'ৰাক প্ৰেমিক প্ৰেমিকাই ইজনে আন জনক ভাল পোৱাৰ দৰে যদি ভাল পোৱা সম্ভৱ; দুজনী ছোৱালীৰ মাজতনো তেনে ভাল পোৱা দেখিলে আচৰিত হৰ লগীয়া কি আছে?" প্ৰতিভাই আকৌ কয়,—"জানানে, মোৰ ক্লাচ এইটত পঢ়া ভাইটোৰ কথা?"

"কি?" ল'ৰাজনে সোধে।

"সি বোলে সিহঁতৰ স্কুলৰ আটাইবিলাক ল'ৰাতকৈ ধুনীয়া। তাক জানা?.....তাক স্কুলৰ প্ৰায়বোৰ সমনীয়া আৰু ডাঙৰ ল'ৰাই মৰম কৰিবলৈ বিচাৰে। তেনে মৰমৰ অত্যাচাৰত বেচেৰা কেতিয়াবা কান্দি কান্দি ঘৰলৈ আহিব লগীয়া হয়।" প্ৰতিভাই ডিঙিটো পৰিষ্কাৰ কৰি আকৌ কৈ যায়, "আচৰিত যেন লাগিলেও, সঁচা কথা এটা গাৰ বলেৰে অবিশ্বাস কৰিলেই জানো মিছা হৈ যাব?"

১৮শ শতিকাৰ ফ্ৰেন্চ বিপ্লবী কছুই তেওঁৰ বিখ্যাত গ্ৰন্থ কনফেচন্চ: The Confessions: ত নিজৰ লৰালি কালৰ বিষয়ে কোৱা এআষাৰ কথাৰ লগত খাপ খুৱাই, প্ৰজ্ঞানে প্ৰতিভাৰ কথাটো উপলব্ধি কৰিবলৈ যত্ন কৰিলে। এনে ধৰণৰ কাৰণতেই দেখনিয়াৰ ইংৰাজ কবি বাইৰণকো হেনো কলেজত পঢ়োতে সকলোৱে নাম দিছিল—"কলেজৰ ৰাণী": Queen of the College!:

জগতত কিছুমান কথা আছে, আচৰিত যেন লাগিলেও সঁচা; কিছুমান কাম আছে অসম্ভৱ যেন লাগিলেও সম্ভৱ, কিছুমান স্বভাৱ আছে, অস্বাভাৱিক বুলি ঘিণ কৰিও এক শ্ৰেণীৰ মানুহে তাৰ দাসত্ব স্বীকাৰ কৰি আহিছে। অৱশ্যে সুস্থ স্বাভাৱিক মানুহে তেনেবোৰ কাৰ্য্য কলাপক সদায়েই গৰিহণা দি আহিছে, আৰু গৰিহণা দি থাকিব; থকা উচিত হৰ। আঁৰহীন প্ৰকৃতিত এনে ধৰণৰ কাৰ্য্য কলাপেই বৈশম্যৰ সৃষ্টি কৰি প্ৰকৃতিৰ আৰহীনতাকেই দঢ়াই দঢ়াই সোৱঁৰাই দি, মানুহক অস্বাভাৱিকতাৰ দাসত্ব বন্ধনৰ পৰা চিৰ দিনেই মুক্ত হবলৈ প্ৰেৰণা যোগাই আহিছে।

'ক'ব কথা গৈ যে ক'ত পৰিলগৈ ?' প্ৰজ্ঞানে মনে মনে ভাবে। কিন্তু প্ৰজ্ঞানৰ মুখ মেলিবৰ ইচ্ছা নাই। 'লাগক যিমান লাগে লাগি থাকক। আজি বাৰু এনে ধৰণৰ তৰ্ক-বিতৰ্ক যিমান চলে চলকচোন।'

প্ৰতিভাৰ কথাত ল'ৰাটো থমকি ৰল। সি কি কৰ-নকৰ ভাবি থাকোতেই প্ৰতিভাই আকৌ কলে,—

"তোমাৰ অবিশ্বাস হৈছে হবলা ?"

"অবিশ্বাস হোৱা নাই,.....কিন্তু....."

"তাৰ মানে তুমি স্বীকাৰ কৰা ?" প্ৰতিভাই দৃঢ়তাৰে সোধে।

"যিটো হয়, হয়েই। হোৱাক নোহোৱা প্ৰমাণ কৰিবলৈ গলে, সেইটো আইন আদালতৰ ওকালতিত দোষীক নিৰ্দ্দোষী প্ৰমাণ কৰিবলৈ যোৱাৰ দৰেহে হব, নহয় জানো ?"

"তাৰ মানে তুমি কৰ খোজা নেকি যে আইনৰ আদালতত আইন ব্যৱসায়ীয়ে কৰা তৰ্ক-বিতৰ্কৰ উদ্দেশ্য একমাত্ৰ অপৰাধীক নিৰপৰাধী প্ৰমাণ কৰাটোহে ?" প্ৰতিভাই খপ কৰে সোধে।

ল'ৰা-ছোৱালী হালৰ বাক-বিতণ্ডা ইমান পৰে মনে মনে শুনি থকা প্ৰজ্ঞানে প্ৰতিভাৰ প্ৰশ্নত মুখ মেলিবলৈ যেন এটা সুযোগ পালে।

"শুনাহক, ময়ে বাৰু কওঁ।" প্ৰজ্ঞান পোন হৈ বহিল। সকলোৱে প্ৰজ্ঞানৰ কথাত মনযোগ দিলে। প্ৰজ্ঞানে কৈ গ'ল,—"আজিৰ প্ৰচলিত আইনে আমাক শিকাইছে নিৰপেক্ষ হবলৈ। এজন হত্যাকাৰীকো পোনতে সম্পূৰ্ণ নিৰপৰাধী বুলি ধৰি লৈহে বিচাৰ কৰা হয়। বিচাৰত সেই হত্যাকাৰী সঁচাকৈয়ে হত্যাকাৰী বুলি প্ৰমানিত হলেহে তেওঁক হত্যাকাৰী বুলি জজ বা হাকিমে ৰায় দিয়ে। এইটোৱেই আদালতৰ আইনৰ আটাইতকৈ মন কৰিব লগীয়া কথা। কিন্তু আইনৰ এই সুৰুঙা কণৰ সুযোগ লৈ পৃথিবীৰ টেঙৰ আৰু ধূর্ত্ত প্ৰকৃতিৰ লোকসকলে মিছা সাক্ষী বাদীৰ সহায়ত দোষীক নিৰ্দ্দোষী আৰু নিৰ্দ্দোষীক দোষী সাব্যস্ত কৰি নীচ স্বাৰ্থ পূৰণৰ উপায় উলিয়াই গোটেই মানৱ সমাজখনকে বিষাক্ত কৰি তুলিবলৈ সক্ষম হৈছে। ফলত আইন ব্যৱসায়ী সকলৰ কাৰ্য্যদক্ষতা আৰু কৃতকাৰ্য্যতাৰ মানদণ্ড নিৰ্দ্ধাৰণ হৈছেগৈ—কোন আইন ব্যৱসায়ীয়ে মিছাক সঁচা আৰু সঁচাক মিছা কৰাত কিমান পটু—এই কথাটোৰ ওপৰত ভিত্তি কৰিছে। এই কথাটো হৃদয়ঙ্গম কৰিয়েই চাগে এসময়ৰ অভিজ্ঞ আইন ব্যৱসায়ী মহামানৱ মহাত্মা গান্ধীয়ে মন্তব্য কৰিছিল যে Lawyer's profession is liar's

profession : অৰ্থাৎ উকীলৰ ব্যৱসায় মানে মিছলীয়াৰ ব্যৱসায়। আদালতৰ সকলো খৰছ বহন কৰি, শ্ৰেষ্ঠ আইন ব্যৱসায়ীক উকীল ধৰিব পৰা ক্ষমতা থকা ফৰিয়াদী বা আচামী যিয়েই নহওক—তেনে লোকেই মোকৰ্দ্দমাত প্ৰায়েই জয়ী হোৱা দেখা যায়। ইয়াৰ পৰা দেখা যায় যে ধনেই ধৰ্ম্মৰ মূল। প্ৰজ্ঞানৰ মনত পৰি যায় প্ৰতিভাবান ইংৰাজ কবি মিল্‌টনৰ এষাৰ কথালৈ :

নৰক সৰগ আৰু সৰগ নৰক,
মানুহৰ মনে পাৰে কৰিব সম্ভৰ।

(Mind in its own place can make a heaven of hell and hell of heaven)

তাৰেই প্যাৰডি কৰি প্ৰজ্ঞানে কয় :

নৰক সৰগ আৰু
সৰগ নৰক
জগতত ধনে পাৰে
কৰিব সম্ভৰ।

প্ৰতিভাৰ লগত তৰ্ক কৰা একমাত্ৰ ল'ৰাটিৰ বাহিৰে, এটাই জাক ল'ৰা ছোৱালীয়ে প্ৰজ্ঞানৰ কথা শুনি হোঁ হোঁৱাই হাঁহি দিলে।

লৰাজনে গহীনাই সুধিলে, "ধনেই যদি সকলো কৰিব পাৰে—তেনে-হলে ধনে যেনেকৈ সকলো মানৱকে দানৱৰ পৰ্য্যায়লৈ নিয়া দেখা যায়, ঠিক তেনেকৈ দানৱ প্ৰকৃতিৰ মানুহবোৰক প্ৰকৃত মানৱৰ পৰ্য্যায়লৈ সেই একে ধনেই নিব পৰা নাই কিয় ?"

"কাৰণ," প্ৰতিভাই উত্তৰ দিয়ে, "ধনে দিয়ে ক্ষমতা, ক্ষমতাই দিয়ে গৰ্ব্ব, গৰ্ব্বত গঙ্গাটোপ হৈ মানুহে হিতাহিত জ্ঞান হেৰুৱাই হৈ পৰে মানুহ ৰূপী পশু। এই মানুহ-ৰূপী পশুবোৰ পৃথিবীৰ সকলো ঠাইতে বিয়পি আছে।"

প্ৰতিভাৰ উত্তৰত ল'ৰাজনে পেংলাই কৰি কলে, "ধনেই যেতিয়া সকলো অনৰ্থৰ মূল, ধনহীন হলেই বোধকৰো সকলো মানুহ ঈশ্বৰত পৰিণত হব ?"

"মোৰ কথাটো সম্পূৰ্ণ হোৱা নাই" প্ৰতিভাই ক'লে, "মনটোৱেই মানুহটো। দুৰ্বল মনতহে ধনৰ জীপনিত দানব-ৰূপী বিষ-বৃক্ষই ঠন ধৰিব

পাবে, সুস্থ সবল মনত নহয়। ধন এটা কাবণেহে, কর্ত্তা নহয়। ধনতকৈ অধিক শক্তিশালী সুস্থ শিক্ষিত মনত যখ বা যখিনীয়ে বাঁহ লব নোৱাবে। সংস্কৃতত থকা এআষাব কথাব তাৎপর্য্য বোধকবো সেয়েই। কথাষাব হৈছে:

বিদ্যা দদাতি বিনয়ং বিনয়াদ্ য়াতি পাত্রতাম্।
পাত্রত্বাদ্ ধনমাপ্নোতি ধনাদ্ ধর্ম্মস্ততঃ সুখম্ ।।"

ল'বাজনে তপবাই মাত দিয়ে "কথাটোত নিশ্চয় যুক্তি আছে, নহলে অলপ আগতে আমি ইয়ালৈ অহাব লগে লগে উঠি যোৱা চাওলা চাহাবব জীয়েক শকুন্তলা ইমান নম্র স্বভাবব নহল হেঁতেন!" ল'বাজনব মন্তব্যটো উপস্থিত সকলোৱেই অনুমোদন কবিলে। সঁচা কথা কবলৈ গলে, সেইদিনা এটাইবে মনত শকুন্তলাব সুগঢ়িত মুখখনিয়ে বাবে বাবে লুকা-ভাকু খেলি-ছিলহি! তাত উপস্থিত থকা এনে কোনো এটা কলেজীয়া ল'বা নাছিল, যাব অন্তবত সাধাবণতে-চেঙেলীয়া-ল'বাব-ধুনীয়া-ছোৱালী-দেখি-হঠাতে-ওপজা-ভালপোৱাব দবে, কিবা এটা ভাল লগা ভাব যে অতর্কিতে জাগি উঠা নাছিল! আনহাতে প্রজ্ঞানব মনত পবি গৈছিল—নিজব কিশোব জীৱনব কথা। মনত পবিছিল—এসময়ত ১৪ বছবীয়া চেমনীয়া ল'বা হিচাবে তেওঁ কেনেকৈ এজনী সমান বয়সীয়া ছোৱালীব প্রেমত পবি আধা বলিয়া হোৱাদি হৈ, নানান ফণ্ডিবে গৈ সেই ছোৱালীজনীব লগত চিনাকী হৈছিল। কেনেকৈ অন্তবব কথা কব নোৱাবি বাবে বাবে হতাশ মনেবে উভতি আহিব লগীয়া হৈছিল। কেনেকৈ ছোৱালী জনীয়ে যেতিয়া যিহকে ফৰ্ম্মাচ দিছিল, তাকেই নিকিনা গোলামব দবে নিবিবাদে পালন কবিয়েই জীৱনটো ধন্য হোৱা যেন অনুভব কবিছিল। প্রজ্ঞানব সেইকণ দুর্বলতাব সুযোগ লৈ সেই টেঙব ছোৱালী জনীয়ে কেনেকৈ প্রজ্ঞানক চাকবব দবে খটুৱাই নিষ্ঠুব আনন্দব তৃপ্তি লভিছিল, আৰু লগ সমনীয়া আন ছোৱালী বিলাকব আগত বুকু ফিণাই নিজব খোচ্‌নাম নিজে জাহিব কবি প্রজ্ঞানক তাইহঁতব আগত হাঁহিয়াতাব পাত্র কবিবলৈ যত্ন কবিছিল। কেনেকৈ প্রজ্ঞানে নিজব দুর্দশাব কথা ভাবি চকুলো টুকি টুকি কত বাতি উজাগবে কটাই দিছিল। অৱশেষত প্রজ্ঞানে জীৱনত ছোৱালীব প্রেম-প্রত্যাখ্যানব প্রথম কটুক্তি কেনেকৈ নীববে সহ্য কবিব লগীয়া হৈছিল, সেইটোও মনত পবি গল। সেয়া প্রজ্ঞানে মেট্রিক পবীক্ষা দিয়াব সময়ব কথা। ছোৱালীজনীব নিজব বয়স চৈধ্য বছব হলেও, তাই বেচ বুজিছিল যে আন বিষয়ত নহলেও,

অন্ততঃ পীবিতিব পথাবত তাইব তুলনাত তাইব সমনীয়া ল'বা ১৪ বছবীয়া প্রজ্ঞান আছিল নিচেই কেচুৱা। সেই কথাটোকে আকাবে-ইঙ্গিতে তাই প্রজ্ঞানক বুজাবলৈ চেষ্টা কবিও বুজাব নোৱাবাত, এদিন খোলাখুলিকৈয়ে কৈ দিছিল যে, প্রজ্ঞানক তাই মবম কবিলেও ভাল পাব নোৱাবে। ১৪ বছবব পবা ২০ বছব বয়সলৈকে ছোৱালীব এই কাল ছোৱাত প্রত্যেক ছোৱালীয়ে নিজতকৈ অন্ততঃ ৭।৮ বছব ডাঙব বয়সব উপযুক্ত লবালৈহে বেচি চকু দিয়ে—সমান বয়সীয়ালৈ নহয়! (....একেলগে স্কুল-কলেজত পঢ়া ল'বাই এই কথাটো ভাল নেপালেও একেবাবে সঁচা কথা) প্রজ্ঞানে এটাইতকৈ লাজ পাই-ছিল তেতিয়া, যেতিয়া তাই প্রজ্ঞানক পবামর্শ দিলে যে প্রজ্ঞানে নিজব বয়সতকৈ অন্ততঃ ৮ বছবে সৰু—অর্থাৎ তেতিয়া ৫।৬ বছবীয়া ছোৱালীব মাজত ভবিষ্যতব প্রণয়িনী ঠিক কবি এতিয়াবে পবা আৰু আঠ বছবমান সময় খাপ দিয়া টোহে ভাল হব। প্রজ্ঞানব ভীষণ খং উঠিছিল। কিন্তু কি হব? ছোৱালীজনীয়ে সকলো হাঁহি পাতলাই দিছিল।

ছোৱালীজনীব তেনে পাক লগোৱা কথাব অর্থ আজিহে প্রজ্ঞানে ভাল-দবে বুজিব পাবিছে। অৱশ্যে, প্রজ্ঞানে এতিয়া এইটোও বুজে যে এই কথা ১৪ বছবব পবা ২০ বছবীয়া ছোৱালীতহে খাটে। কুবি বছবব ওপব হলে, ছোৱালীয়ে নিজব বয়সতকৈ ৮ বছবব পবা আৰম্ভ কবি যি কোনো বছবে ডাঙব উপযুক্ত পুৰুষক বিয়া কবাব পাৰে। (অৱশ্যে, স্ব-ইচ্ছাবেহে! সমাজব অহক হেঁচাত বা কোনো বাধ্য-বাধকতাত নহয়।)

চেমনীয়া প্রজ্ঞান যেতিয়া সেই ১৪ বছবীয়া সমনীয়া ছোৱালীজনীব কাবণে বলিয়া হৈ ডুবি ডুবি পানী খাইছিল, ছোৱালীজনীয়ে প্রজ্ঞানব চকুত ধূলি দি প্রণয় পাশত আবদ্ধ হৈছিল এজন ২২ বছবীয়া ডেকাব লগত। প্রজ্ঞানে যিদিনা সেই কথাটো গম পালে, সেই দিনাহে বুজিব পাবিলে যে ছোৱালী জনীয়ে সঁচাকৈয়ে ইমান দিনে প্রজ্ঞানক ঠগিহে আহিছিল। ২২ বছবীয়া সেই ডেকা জনলৈ প্রজ্ঞানব হিংসা লাগিলেও মনব আশা মনতে মাবি 'আঙুৰ গুটি টেঙা' বুলি দূৰতেই কোঁৱাবি চেলেকি থাকিব লগীয়া হৈছিল।

তাব পিছব পৰাই, সুদীর্ঘ চৈধ্য বছব কাল ছোৱালীব নামত সাত কিল মৰা বিধব হৈ প্রজ্ঞানে ভবি দিছিল—২৮ বছব বয়সত। প্রতিভা আৰু শকুন্তলাব সংস্পর্শলৈ আহিহে প্রজ্ঞানব সেই নাৰী-বিদ্বেষ স্বভাবটো অতর্কিতেই কপান্তবিত হৈ গ'ল—নাৰী-প্রীতিলৈ। সেয়েহে, প্রেমব মঞ্চত অভিনয় কবাব সকলো যোগ্যতা প্রজ্ঞানে আজি অর্জন কবিছে। তথাপি সেই

ছোৱালী জনীয়ে প্ৰজ্ঞানক এদিন কোৱা এআষাৰ কথা প্ৰজ্ঞানে আজিও পাহৰিব পৰা নাই আৰু ভবিষ্যতলৈও বোধকৰো নোৱাৰিব। ছোৱালী জনীয়ে কৈছিল, "প্ৰজ্ঞান! 'কাফ্-লাভ্' মানে কি জানা?" প্ৰজ্ঞানে হাঁকৈ মুখ মেলি ছোৱালী জনীলৈ চাই আছিল। ছোৱালী জনীয়ে ঘিক ঘিক কৰে হাঁহি কৈছিল,—"কাইলৈ ডিক্সনেৰী চাই মানেটো বুজি আহি মোক কৰাহি দেই।" সেই কথাটো মনত পৰিলে প্ৰজ্ঞানৰ আজি হাঁহিও উঠে; খঙো উঠে। পৃথিবীৰ ১৪ বছৰীয়া এটাই বিলাক চেমনীয়া ল'ৰালৈ প্ৰজ্ঞানৰ পুতো জন্মে। সঁচাকৈয়ে ১৪ বছৰীয়া ল'ৰাৰ প্ৰেমক 'কাফ লাভেই' বুলিব লাগিব, প্ৰজ্ঞানে ভাবে। এই ছোৱালী-প্ৰীতিৰ আলমতেই পৃথিবীৰ চেমনীয়া ৰাজ্যত যুগে যুগে কিমান যে প্ৰেম প্ৰহসন নিতো ঘটিব লাগিছে, কোনে জানে? ডাঙৰ হাঁহি উঠিলেও এই বয়সৰ মাজেদি কোন ডাঙৰনো ৰাৰু অহা নাছিল? প্ৰত্যেকে নিজৰ নিজৰ জীৱনত পাৰ হৈ যোৱা বিভিন্ন বয়সৰ স্বাভাৱিক অৱস্থাবোৰ সদায়েই মনত ৰাখি সহানুভূতিশীল হলে পৃথিবীৰ নীতি শাস্ত্ৰ প্ৰায় সকলোবোৰেই আজি মোট সলাই পেলালেহেঁতেন! হঠাৎ প্ৰজ্ঞানে হোঁ হোঁ কৰে হাঁহি দিয়ে। এটাই জাক ল'ৰা-ছোৱালীয়ে ভাবে, "প্ৰজ্ঞানদাৰ কি হল? আমাকেই হাঁহিছে নেকি?"

"নহয় হে, তোমালোকক হঁহা নাই।" প্ৰজ্ঞানে ডাঙৰকৈ কয়, "মোৰ হাঁহি উঠিছে, কাৰণ, ময়ো এদিন তোমালোকৰ বয়সৰে আছিলো, অৰ্থাৎ প্ৰতিভাৰ বয়সৰ। কিন্তু ল'ৰা দেই, মনত ৰাখিবা; ১৪ বছৰীয়া ছোৱালী নহয়!" প্ৰজ্ঞানে আকৌ ডাঙৰকৈ হাঁহে।

"১৪ বছৰীয়া ল'ৰা আৰু ছোৱালী একে নহয় নেকি?" প্ৰতিভাই আক্ষেপেৰে সোধে।

"কেলেই নহব, হয়, কিন্তু—বয়সতহে....."

"বয়সত মানে?"

"মানে কাৰ্য্যত নহয়।"

"কাৰ্য্য মানে?" প্ৰতিভাই কৌতুহলেৰে সোধে।

"মানে—প্ৰেমোপলব্ধিৰ নিপুণতাত....."

ল'ৰা-ছোৱালী জাকে ইজনৰ মুখলৈ সিজনে চোৱা-চুই কৰিবলৈ ধৰিলে। ঠাই ডোখৰত খন্তেকতে এটি নিস্তব্ধতা বিৰাজ কৰিলে। নিস্তব্ধতাৰ এইক্ষণ সময়তে প্ৰজ্ঞানৰ মনটো পোহৰতকৈও কোৱাল বেগেৰে গৈ ভাবৰ চন্দ্ৰলোকত

বিচৰণ কৰিবলৈ ধৰিলে। প্ৰজ্ঞানৰ মনত পৰি গ'ল, বৃদ্ধ পৰাশৰ মুনিৰ এটি প্ৰেম কাহিনীৰ কথা। মনত পৰিল: সেই জন মুনিয়ে কেনেকৈ তেওঁৰ প্ৰণয়িনী অপৰূপ সুন্দৰী মৎস্যগন্ধাৰ কথা মতে যোগৰ বলত সকলো বিষয়তে সমান যোগ্যতা অৰ্জন্ কৰি, মৎস্য-গন্ধাৰ পাণি গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল।

"সমান রূপয়োঃ কাম-সংযোগস্তু সুখাবহঃ।"

মৎস্যগন্ধাৰ এইষাৰ কথাই, মতিভ্ৰম হোৱা বৃদ্ধ মুনিক যেনেকৈ জ্ঞান দি নিজৰ যোগ্যতা আগেয়ে অৰ্জন কৰি, তাৰ পিছতহে প্ৰেম প্ৰাৰ্থী হবলৈ তেওঁক প্ৰেৰণা যোগাইছিল, সেই জ্ঞান পালেও যে আজিৰ যুগৰ বৃদ্ধ সকলৰ তেনে যোগবল নাই! বৰ্ত্তমান বিজ্ঞানৰ এইটোৱেই জানো বিৰাট 'ট্ৰেজেডী' নহয়? সময়ত হয়তো শৰীৰ শোধনৰ সেই পৰ্য্যায়লৈকো বিজ্ঞানে মানুহক আগুৱাই নিবলৈ সক্ষম হবগৈ।

প্ৰণয় প্ৰণয়িনীৰ বয়স সম্পৰ্কে শাস্ত্ৰকাৰ সকলে কয়:

"অষ্টাবৰ্ষা ভবেদ্গৌৰী নববৰ্ষা তু ৰোহিণী।
দশমে কন্যকো প্ৰোক্তা অত ঊৰ্দ্ধং ৰজস্বলা॥"

এই ৰজস্বলা কালৰ আঠ বছৰ অতিক্ৰম হলেহে ছোৱালীক বিবাহোপযুক্তা বুলি ধৰিব লাগে। আৰু এই বিবাহোপযুক্তা ছোৱালীৰ বয়সৰ লগত আঠ বছৰ যোগ দিলে যি বয়স হয়, সেই বয়সহে পুৰুষৰ সৰ্ব্বনিম্ন বিবাহোপযুক্ত বয়স।

সাধাৰণতে, নাৰী পুৰুষৰ শাৰীৰিক আৰু মানসিক যৌন ক্ষমতা সম্বন্ধে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সকলো প্ৰকাৰ পৰীক্ষা কৰি, শাস্ত্ৰকাৰকসকলে যি সম্যক জ্ঞান লাভ কৰিছিল, সেই জ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোক প্ৰায় সকলোৱেই স্বীকাৰ কৰিছে যে বৈবাহিক মিলন ক্ষেত্ৰত নাৰী পুৰুষৰ বয়সৰ ব্যৱধান অন্ততঃ আঠৰ পৰা দহ বছৰেই উৎকৃষ্ট। এইমতে ছোৱালীৰ বয়স ওঠৰ আৰু লৰাৰ পঁচিশ বছৰ পাৰ হব লাগে।

কুৰি বছৰীয়া শকুন্তলাৰ বয়সৰ লগত প্ৰজ্ঞানৰ বয়সৰ উপযুক্ত ব্যৱধান, আৰু উভয়ৰে অন্তৰত স্বতঃস্ফূৰ্ত্তভাৱে জাগি উঠা পাৰস্পৰিক প্ৰেমৰ মাজেদি

যৌন আৱেদনৰ যি ৰূপ তেওঁলোকৰ কথা-বতৰা, ভাব-ভঙ্গীৰ মাজেদি ৰূপায়িত হৈ উঠিছে, সেয়েই সামাজিক বাহি-যোবাৰ উৎকৃষ্টতম পথ-প্রদর্শক হোৱা উচিত বুলি প্রজ্ঞানে ভাবে। নাৰী পুৰুষৰ শাৰীৰিক আৰু মানসিক যৌন-ক্ষমতাৰ লগত আধ্যাত্মিক আকর্ষণৰ টিঙিৰি সংযোগ হলেহে তেনে মিলন স্থায়ী আৰু সুখকৰ হয়। এনে ধৰণৰ মিলনতহে "সমান ৰূপয়োঃ কাম সংযোগস্তু" কথাষাৰ খাটে। প্রতিভাৰ ১৪ বছৰটো বাঢ়াই যদি কুৰি বছৰত পেলাৰ পৰা গ'লহেঁতেন, প্রজ্ঞান যে কিমান সুখী হ'লহেঁতেন! কিন্তু কি হব? কেৱল মানসিক বা আধ্যাত্মিক-বয়সত আগবঢ়া হলেইতো নহব, যৌন মিলনৰ ক্ষেত্রত যে শৰীৰেও এক বিশিষ্ট অংশ গ্রহণ কৰে! প্রজ্ঞানৰ অন্তৰৰ পৰা এটি হুমুনিয়াহ অতর্কিতে সৰি পৰে। প্রজ্ঞানে উপলব্ধি কৰে, দুই নাৱঁত দুই ভৰি দি কেনে এটি সংকটপূর্ণ মুহূর্ত্তত তেওঁ আজি থিয় দিছেহি। "দেখা যাওক কৰ পানী কলৈ যায়।" প্রজ্ঞানে ডাঙৰকৈ কৈ পেলালে।

"কাৰ কথা কৈছে? প্রজ্ঞানদা!" প্রতিভাই ঘপহ কৰে প্রশ্ন কৰে।
"কাৰো নহয়, নিজৰ।"
"নিজৰ? মানে আপোনাৰ?"
"এৰা, মোৰেই।" প্রজ্ঞানে অন্য মনস্কভাৱে কয়।
"আপুনি কাৰ কথা ভাবিছে প্রজ্ঞানদা?"
"কাৰো নহয়!"
"মিছা কথা।" প্রতিভাই দৃঢ়তাৱে কয়।
"তুমিতো সদায় মোক মিছলীয়া পাতিছা! বোধকৰো সেই অধিকাৰ মইয়ে দিছোঁ?" প্রজ্ঞানৰ কথাৰ সুৰত যেন এটি বেজাৰৰ ভাব।
"আপুনি বেয়া পালে নেকি প্রজ্ঞানদা?" প্রতিভাঁই অনুনয়ৰ সুৰত কয়।
"বেয়া পাম কেলেই। তুমি ঠিক কথাই কৈছা।"
"কথাটো বাৰু মই উঠাই লওঁ।" অপ্রস্তুত হোৱাৰ দৰে প্রতিভাই প্রজ্ঞানৰ চকুলৈ চালে।
"উঠাই লব নেলাগে। ব্যক্তিগত মতামত নির্ভীকভাৱে ব্যক্ত কৰিব পৰা অধিকাৰ অর্জ্জন কৰাটোৱেই জানো প্রকৃত গণতন্ত্রৰ বিশেষ দান নহয়?" প্রজ্ঞানে সোধে।
"যদিহে সেই ব্যক্তিগত মতামতে বাষ্ট্রবিপ্লৱ নঘটায়?" প্রতিভাই হাঁহি কয়।

"ঘটাওক, তেতিয়াহে মোৰ বন্ধুত্বৰ প্রকৃত পৰিচয় তোমালোকে পাবা-হঁক!" প্রজ্ঞানেও হাঁহি উত্তৰ দিলে।
"অ', বুজিছোঁ; আমাৰ প্রতি থকা আপোনাৰ স্নেহৰ ওপৰত আমি আস্থা হেৰুৱাইছোঁ বুলি আপুনি ভাবিছে, নহয় নে?" সংস্কৃতত অনার্চ্ছ থকা ৪র্থ বার্ষিক কলাৰ ছাত্র এজনে মাজতে কলে।
"কেলেই তেনেকৈ কলা?" প্রজ্ঞানে হাঁহি সোধে, "অ', বুজিছোঁ; তোমাৰ সংস্কৃত আছে! মোৰো অৱশ্যে মেট্রিকলৈকে আছিল। কৰবাত কেতিয়াবা পঢ়া মনত পৰে—

"উৎসৱে ব্যসনে চৈব দুর্ভিক্ষে ৰাষ্ট্র বিপ্লৱে
ৰাজদ্বাৰে শ্মশানে চ যস্তিষ্ঠতি স বান্ধৱঃ।"

এটাইবিলাক ছাত্র-ছাত্রীয়ে হাঁহি দিয়ে। প্রজ্ঞানেও হাঁহিত যোগ দিয়ে।

"অ', আজি দেখিছোঁ সংস্কৃতৰ ফুলজাউৰী উঠিছে!" আন এজন লৰাই কয়।
"কিন্তু নিম্ন পর্য্যায়ৰ।" প্রজ্ঞানে মন্তব্য কৰে।
"অৱশ্যে কাব্য বা মহাকাব্যৰ পর্য্যায়ত পৰা নাই।" সংস্কৃতৰ ছাত্র জনে কয়।
"কিহৰ পর্য্যায়ত পৰিছে বাৰু?" প্রজ্ঞানে ৰগৰ কৰি সোধে।
"বাৎসায়নৰ কথাকেই বোধকৰো আজি আমি আটায়ে প্রকাৰান্তৰে ভাবিবলৈ ধৰিছোঁ।" লৰাজনে কয়।
"যুগে যুগে কৌটিল্য আৰু বাৎসায়ন বিলাকেই পৃথিৱীত প্রাধান্য বিস্তাৰ কৰি আহিছে, আৰু ভৱিষ্যতলৈকো কৰি থাকিব।" প্রজ্ঞানে কয়।
"কিয়, মনু?" লৰাজনে সোধে।
"মনুৱে ভালতকৈও বেয়া কৰিছে বুলিহে আজিৰ যুগৰ বহুতে ভাবে।" প্রজ্ঞানে লৰাইঁতৰ মনোভাবৰ উমান লবলৈকে এনে এটি মতদ্বৈধি কথা সকলোৰে আগত দাঙি ধৰিলে।
"মই সেই কথা স্বীকাৰ নকৰোঁ।" লৰাজনে প্রতিবাদ কৰে।
"স্বীকাৰ নকৰিলেও, সঁচা।" প্রজ্ঞানে বিৰোধীতা কৰি কয়। প্রজ্ঞানৰ উত্তৰত লৰাজনৰ খং উঠি যায়।
"কোনো এটা কথা মিছা বুলি প্রমাণ কৰাৰ আগতে, আগেয়ে প্রমাণ কৰি দেখুৱাব লাগে যে, নিজে সঁচা।"

বিতর্ক প্রতিযোগীতাত বিৰোধী দলৰ নেতৃত্ব লোৱাৰ দৰে প্ৰজ্ঞানে বিতর্কত যোগ দিয়ে।

"গোটেই বিশ্বব্ৰহ্মাণ্ডখন আমি প্ৰত্যেককেই কেন্দ্ৰ কৰি ঘূৰা নাই জানো?"

"ঘূৰিছে" সকলোৱে উত্তৰ দিয়ে।

"তেনেহলে বিশ্বব্ৰহ্মাণ্ড কেইখন?" প্ৰজ্ঞানে সোধে।

"এখন।" সকলোৱে কয়।

পৃথিৰীৰ আটাইবিলাক মানুহ যদি একেজন মানুহ নহয়, তেনেহলে প্ৰত্যেককে কেন্দ্ৰ কৰি ঘূৰা বিশ্বব্ৰহ্মাণ্ডৰ সংখ্যাও পৃথিৰীত যিমানজন মানুহ, সিমানখন নহব কিয়?"

"নহয়, নহয়।" সকলোৱে চিঞৰি কয়।

"নহয় যদি প্ৰত্যেকজন মানুহেই মিছা।" প্ৰজ্ঞানৰ কথাৰ প্ৰতিবাদ কৰি দৰ্শনৰ ছাত্ৰ এজনে মাজতে মাত দিলে:

"তেনেহলে বিশ্বব্ৰহ্মাণ্ডখনো মিছা হব।"

"মিছাও, সঁচাও" প্ৰজ্ঞানে কয়, "সঁচা, যদি আমি সঁচা; মিছা, যদি আমি মিছা। অৰ্থাৎ আমি থকা বা নথকাৰ ওপৰতে বা আমাৰ অস্তিত্বৰ ওপৰতে আমাৰ সৰ্ব্বেন্দ্ৰিয়ানুভূতিত ধৰা পৰা বিশ্বব্ৰহ্মাণ্ডৰ অস্তিত্ব নির্ভৰ কৰিছে। ই এটি আপেক্ষিক কথা। এলবাৰ্ট আইন্‌ষ্টাইনৰ 'থিওৰি অব্ ৰিলেটিভিটিৰো' বোধকৰো ইয়েই মূল কথা। অন্ততঃ মই সেই বুলি ভাবোঁ।"

লৰা-ছোৱালীৰ দলটো কাঁহ পৰি জীণ গ'ল। ইমান সৰু কথাৰ পৰা গৈ ইমান ডাঙৰ কথাত পৰিবগৈ বুলি কোনেও কল্পনা কৰা নাছিল।

প্ৰজ্ঞানে গহীন হৈ কলে, "বেদান্তৰ মতে একমাত্ৰ ব্ৰহ্মাই সত্য; আৰু এই ব্ৰহ্মাই হৈছে ঈশ্বৰ—যি ঈশ্বৰৰ সত্তা আমাৰ প্ৰত্যেকৰে অন্তৰত বিৰাজমান। অন্তৰত বিৰাজমান ব্ৰহ্মৰ কণমান অংশকে কেন্দ্ৰ কৰি মানুহে বিৰাট ব্ৰহ্মৰ সত্তা নিজতে উপলব্ধি কৰিব পাৰে। সেই দেখি বেদান্ত দাৰ্শনিক ঋষি-মুনিসকলে যুগে যুগে চিঞৰি আহিছে "নিজক উপলব্ধি কৰা; নিজক উপলব্ধি কৰা: আত্মানং বিদ্ধি": Know thyself: আত্মোপলব্ধি হলেই ব্ৰহ্মোপলব্ধি হব আৰু ব্ৰহ্মোপলব্ধি মানেই চৰমজ্ঞান। এনে জ্ঞানীকেই স্থিত প্ৰজ্ঞ ব্ৰহ্মজ্ঞানী আখ্যা দিয়া হৈছে।" প্ৰজ্ঞানে স্তব্ধ ছাত্ৰ-ছাত্ৰী-সকলক আকৌ কয়, "এই কথাটো

সিমান উজু, যিমান দুৰ্ব্বোধ্য—সিমান বোধ্য। সকলো নির্ভৰ কৰিছে আত্মোপলব্ধি জ্ঞান আমাৰ হৈছে নে নাই, তাৰ ওপৰত। এই চিন্তাধাৰা, এই জ্ঞানৰ বাণীয়েই বিশ্ববাসীলৈ ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ দান। এই দানত দানী ভাৰতৰ ভবিষ্যত কালৰ কালিমাই সাময়িকভাৱে কেতিয়াবা কেতিয়াবা কলঙ্কিত কৰিব খুজিলেও, কোনো কালে কেতিয়াও সম্পূৰ্ণৰূপে ম্লান কৰিব নোৱাৰিব। এয়েই ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ মূলধন। এই মূলধন পেৰাত ভৰাই থলে জ্ঞানৰ বাণিজ্যত ভাৰত কেতিয়াও অগ্ৰসৰ হব নোৱাৰে। আনহাতে এই মূলধনৰ গৰ্ব্বত ওফন্দি গঙ্গাটোপ হৈ থাকিলেও জগৎবাসীৰ সম্পূৰ্ণ শ্ৰদ্ধা ভাৰতে অৰ্জ্জন কৰিব নোৱাৰে। এই মূলধন খটুৰাই ভাৰতেও জগতৰ অন্যান্য দেশসমূহৰ পৰা মূল্যবান জ্ঞানৰ সামগ্ৰী বিনিময় প্ৰথাৰে হলেও আমদানি কৰিব লাগিব। কেৱল বপ্তানিতে সমাধা কৰিব খোজা বাণিজ্যৰ বুনিয়াদ তিষ্ঠিব নোৱাৰে। ই ভুল অৰ্থনীতি বা জ্ঞাননীতি বা যিহকেই নোবোলা!" প্ৰজ্ঞান থমকি ৰল। চাই পঠিয়ালে আটাইজাক লৰা-ছোৱালীৰ মুখলৈ এটি এটি কৰি। অনুভৱ কৰিলে, সকলোৱে যেন প্ৰজ্ঞানৰ কথাত হয়ভৰ দিবলৈ উৎসুক। প্ৰজ্ঞানৰ ৰৰ পাতল পাতল লাগিল। দীঘল উশাহ এটা টানি আকৌ কলে:

"মই কেতিয়াবা বৰ কিবাকিবি কথাবোৰ কৈ পেলাওঁ, নহয় নে?"

"একো কিবাকিবি নহয়।" প্ৰতিভাই কলে, "কওক প্ৰজ্ঞানদা, ইমানবোৰ কথা আপুনি কত শিকিলে?"

"কিমানবোৰ কথা?" প্ৰজ্ঞানে হাঁহি সোধে।

"যিমানবোৰ আপুনি কলে!" প্ৰতিভাই হাঁহি কয়।

"কিয়? তোমালোকে শিকাইছা, তোমালোকৰ দৰে লৰা-ছোৱালী-বিলাকে।"

"আপুনি ঠাট্টা কৰিছে!" প্ৰতিভাই অভিমানৰ সুৰত কয়।

"ঠাট্টা নহয়; সঁচা কথা। মই যাৰে তাৰে আগততো এনে ধৰণৰ কথা কব নোৱাৰো বা কোৱাৰ প্ৰবৃত্তি মোৰ নহয়...."

"সেই কথা কোৱা নাই, কৈছোঁ—এই কথাবোৰ আমাক কবলৈকে আপুনি কত শিকিলে?"

"ভ্ৰমণ, অধ্যয়ন, আলাপ আৰু চিন্তা—এই কেইজনেই মোৰ প্ৰাইভেট টিউটৰ।"

সকলোৱে ঘিক্‌ঘিকাই হাঁহি, যাবলৈ উঠিল। এনেতে প্ৰতিভাই সোধে:

"কাইলৈ বাৰু কিমান সময়ত আহিম ?"

"শুনা, শুনা, সকলোৱে শুনাহঁক। যেতিয়ালৈকে তোমালোকৰ নৱৌৱেৰা এগৰাকী আহি বাধা নিদিয়েহি, তেতিয়ালৈকে দিনৰ ভিতৰত ২৪ ঘণ্টাই মোৰ পঁজাৰ দুৱাৰ তোমালোক আটাইবে কাৰণে মুকলি।" প্ৰজ্ঞানে কাৰো উত্তৰলৈ বাট নেচাই একে উশাহে কৈ যায়, "পিছে এটা কথা, তোমালোকক এতিয়াই সাৱধান কৰি দিওঁ: যদিহে 'ভেকুলীৰ পিঠিত নোম গজে' অৰ্থাৎ মই কেতিয়াবাকৈ বিয়া কৰাও, তেনেহলে, কলোঁ নহয়, ইয়াত এতিয়া উপস্থিত থকা, মোক এটাইতকৈ দেখিব নোৱাৰা, দুই-এগৰাকী ভদ্ৰ মহিলাৰ বাহিৰে, আন কাকো মোৰ তালৈ আহিবলৈ নিদিওঁ!" নাটকীয় ভঙ্গীত কথাখিনি কৈ প্ৰজ্ঞানে হাঁহো-নেহাঁহোকৈ এটি এটিকৈ সকলোৰে মুখবোৰৰ ওপৰেৰে চাৱনিৰ সিৰিপনি এচাৰি এডালহে যেন বুলাই গ'ল।

লৰাবিলাকৰ কোনোৱে দুখ পালে, খেনোৱ বা গাৰ নোমেই নলবিল! সুৰ্-সুৰনি উঠাত যেনিবা হাঁহিলে। ছোৱালী কেইজনীৰ অৱস্থা কিন্তু শোচনীয় হ'ল। ইজনীৰ মুখলৈ সিজনীয়ে চাই কি ক'ব নক'ব ভাবি থাকোঁতেই প্ৰতিভাই পোন হৈ থিয় হৈ স্পষ্টভাৱে কলে:

"আমাৰ ভিতৰত কোনোবাই যদি আপোনাক আটাইতকৈ বেচি বেয়া পায়, সেইজনী ছোৱালী মইেই।" নিজৰ বুকুলৈ আঙুলিয়াই গৰ্ব্বেৰে কথাষাৰ কৈ প্ৰতিভা দপ্‌দপাই তাৰ পৰা ওলাই আহি বাজআলি পালেগৈ। তাইৰ এনে আচৰণত লগৰ আটাইজাক লৰা-ছোৱালীয়ে বৰ লাজ পালে। ভাবিলে, 'ছোৱালীজনীৰ মূৰত কিবা ছিট্ আছে!' দলৰ আন চাৰিজনী ছোৱালীয়ে কিন্তু বুজিলে আন ধৰণেহে। চাৰিওজনী বাই-ভনী। তাইহঁতে কিছু ফালৰি কাটি আহি ফুচফুচাই নিজৰ ভিতৰতে আলোচনা কৰিবলৈ ধৰিলে। ধুনীয়া হলেও প্ৰতিভাৰ দৰে এজনী নীহকূলীয়া ছোৱালীয়ে উচ্চ ব্ৰাহ্মণ বংশজাত প্ৰজ্ঞানৰ দৰে এনে এজন দেখনীয়াৰ ডেকালৈ আশা ৰাখিবলৈ যদি সাহ কৰিব পাৰে, তেনেহলে কায়স্থৰ জীয়াৰী হৈয়ো তাইহঁতে এই বিষয়ত আগবাঢ়িব নোৱাৰাৰ কি কাৰণ থাকিব পাৰে ?

এটি অস্বস্তিকৰ পৰিস্থিতিৰ মাজত সেইদিনাৰ সান্ধ্য মিলনটোৰ ওৰ পৰিল। লৰা-ছোৱালী আটাইবিলাক ঘৰাঘৰী যোৱাৰ পিছত, বিছনাখনত দীঘল দি প্ৰজ্ঞানে আকাশ-পাতাল ভাবিবলৈ ধৰিলে। এবাৰ ভাবিলে,

এটাইৰে আগত তেওঁৰ মনৰ দুৰ্ব্বলতাটো আজি ধৰা পৰি গ'ল নেকি ? "এহ! পৰিছে যদি পৰিছে; ময়োতো মানুহ!" পিছ মুহূৰ্ত্ততে প্ৰজ্ঞানৰ মনৰ মাজত এখন কাল্পনিক জগত টল্‌মলাবলৈ ধৰিলে। এটি এটিকৈ প্ৰজ্ঞানে সেই জগতৰ মূল কথাবোৰ ফঁহিয়াই চালে। প্ৰজ্ঞানে ভাবিলে: মানুহ হৈ, অতি মানৱৰ ভুৱা দি জগতক ঠগিবলৈ চেষ্টা কৰাতকৈ, সকলো মানুহে যদি নিজ নিজ মুখাবোৰ সোলোকাই থৈ, পৰস্পৰে পৰস্পৰক প্ৰকৃত ৰূপত দেখা দিবলৈ প্ৰস্তুত হয়, পৃথিৱীৰ ৰূপেই সলনি হৈ যাব। হয়, সকলো বাধ্য হৈ মানুহ হব, নহলে দেৱতা হব। দেৱতা, মানৱ আৰু দানৱ—কাকো কোনেও চিনিব নোৱাৰাকৈ একে ঠাইতে বাস কৰি, সততাৰ নামত সঠতাৰ সাধনাত সিদ্ধহস্ত হৈ, জীৱনৰ ৰঙ্গমঞ্চত বীৰৰ ভূমিকা লবলৈ খোৱা-কামোৱা কৰাতকৈ, জীৱন যাত্ৰাৰ বিৰাট সমদলত যোগ দি, পৰস্পৰে পৰস্পৰৰ লগত হাতত হাত মিলাই, খোজত খোজ মিলাই চলিবলৈ হলে, প্ৰত্যেকেই যি কোনো এবিধহে হব লাগিব। মানুহৰ জগতত, সকলো মানুহ হবলৈ চেষ্টা কৰাটোৱেই যে এটাইতকৈ সমীচীন, এই কথা মনুষ্যত্ব থকা সকলোৱে বুজে। লেঠা কেৱল এইখিনিতে যে, বাস্তৱত দানৱৰ পৰ্য্যায়লৈ নামি, মঞ্চত দেৱতাৰ ভাও দিবলৈ সকলো ইচ্ছুক!

মানুহ হিচাপে মানুহৰ পৰ্য্যায়তে সদায় থাকিবলৈ চেষ্টা কৰাটোৱেই শ্ৰেয়: বুলি প্ৰজ্ঞানে ভাবে। সেই দেখি লৰা-ছোৱালীৰ দলটোৱে প্ৰজ্ঞানক ঠেলিঠুলি নি অতিমানৱৰ পৰ্য্যায়ত পেলাবলৈ কাৰবাৰ কৰা দেখি, প্ৰজ্ঞানে চেলু চাই আছিল—কেতিয়ানো সিহঁতৰ মনৰ সেই ভুল ধাৰণাটো ভাঙি দিব পাৰে! আজি ছেগ বুজি অকণমান আভাস দিলে মাথোন। 'কিনো বেয়াটো কৰিলোঁ ? ভালেই হ'ল!' প্ৰজ্ঞানে নিজকে নিজে কৈ হোঁ: হোঁ: কৰে হাঁহি দিলে। ওচৰত ভাগ্যে কোনো নাছিল। থকাহেঁতেন নিশ্চয় বলিয়া বুলি ভাবিলেহেঁতেন!

অলপ পিছতে প্ৰজ্ঞানৰ টোপনি আহিল। সেইদিনা ৰাতি একো নেখালে। আবেলিতে খোৱা জা-জলপানেৰেই হৈ গ'ল। খোৱাটোনো কি ? বঢ়ালেই বাঢ়ি যায়, কমালেই কমে। অল্পাহাৰী হোৱাটো বোলে সজ মানুহৰ চিন; সজ মানুহ মানে মানুহ, দানৱ বা দেৱতা নহয়। অৰ্থাৎ 'মানুহ-মানুহ',—'দানৱ-মানুহ' বা 'দেৱতা-মানুহ' নহয়। 'মানুহ-মানুহ' হোৱাটোকেই সেই দিনা প্ৰজ্ঞানে বোলে সপোনতো দেখিছিল। "সকলোৱে

ওপৰত মানুহ সত্য, তাৰ ওপৰত নাই।" চণ্ডীদাসৰ দৰে বিজ্ঞ ব্ৰাহ্মণ পুৰোহিত এজনেও, 'ৰামী' নামে এজনী দিপ্‌লিপ্‌ গাভৰু ধুবুনী ছোৱালীৰ প্ৰেমত পৰাৰ পিছতহে বোলে এই সত্যটো উপলব্ধি কৰিছিল।....প্ৰত্যেক সত্যোপলব্ধিৰ লগতে কিবা নহয় কিবা এটা স্বাৰ্থ পৰোক্ষভাৱে হলেও জড়িত থকা দেখা যায়। স্বাৰ্থটো এটা অৱস্থা। উপযুক্ত অৱস্থাতহে মানুহৰ সূক্ষ্মতম অনুভূতিবোৰেও সঁহাৰি দিয়ে। প্ৰজ্ঞানৰ জীৱনতো এতিয়া তেনে এটি উপযুক্ত অৱস্থাৰেই হয়তো উত্তৰ হোৱাৰ পূৰ্ব্বাভাস দেখা গৈছে।

দুই

কিছদিনা দুপৰীয়া ভাত-পানী খাই, ক্ষন্তেক জিৰাও বুলি প্ৰজ্ঞানে বিছনাখনতে দীঘল দি আছে; ঠিক এনেতে এজনী কিশোৰী আকস্মিক-ভাৱে প্ৰজ্ঞানৰ ঘৰত উপস্থিত হ'লহি। এই ৰূপহী ছোৱালীজনীৰ এনে আকস্মিক আগমনত প্ৰজ্ঞান আচৰিত হ'ল। ভাবিলে, এই অসময়ত কিয়? পিছ মুহূৰ্ত্ততে অৱশ্যে প্ৰজ্ঞানৰ মনত খেলাই গ'ল:

প্ৰেমাকৰ্ষণী আৱেগত সময়াসময় জ্ঞান মানুহৰ নেথাকে। প্ৰিয়জনৰ সান্নিধ্য লাভৰ তীব্ৰ আকাংক্ষাত আকুল হৈ উঠে প্ৰাণ। বাটৰ হাজাৰ বিঘিনি উপেক্ষা কৰি আগবাঢ়ে প্ৰিয়জনৰ কাষলৈ। প্ৰিয়জনৰ স্মৃতিত অন্তৰত জাগি উঠা বিৰহৰ তীব্ৰ বেদনাতো অনুভৱ কৰে কিবা এটি বুজাৰ নোৱাৰা সুখৰ পৰিতৃপ্তি। এনে বেদনাক্লিষ্ট সুখৰ সোৱাদ উপলব্ধি কৰাৰ সৌভাগ্য কাৰো জীৱনত হয়তো এবাৰো নাহিব পাৰে। আকৌ, কোনো কোনাৰ জীৱন ইয়াৰ অত্যাধিক অত্যাচাৰত জৰ্জ্জৰিত হৈ, হয়তো 'বিৰহী যক্ষতকৈও হৈ পৰে বেচি বেদনাদায়ক। এনে বেদনাৰ চৰম-স্বৰূপ, বিৰাট সমবেদনাভূতিৰ অন্তৰেৰে, নিজৰ ওপৰত আৰোপ কৰিয়েই, বিশ্বৰ শ্ৰেষ্ঠতম কবি সাহিত্যিকসকলে, যুগে যুগে জগতক দি আহিছে কাব্য-মহাকাব্য-নাটক-উপন্যাস আদিৰ যোগেদি তেওঁলোকৰ কল্পনা প্ৰসূত বাচকৰনীয়া সাহিত্য ৰাজি; আৰু বিশ্বৰ সুধীবৃন্দই তাকেই গ্ৰহণ কৰি আহিছে উৎকৃষ্ট সাহিত্যৰূপে। মানৱ মনৰ প্ৰণয়ানুভূতিৰ প্ৰকাশেই এনে সাহিত্যত এটাইতকৈ অধিক ৰৱঙনি যোগাবলৈ সক্ষম হৈছে। আদিৰসতেই বিশ্বৰ সৃষ্টি আৰু আদি ৰসৰ সমাপ্তিতেই হব বিশ্বৰো সমাপ্তি।

বাল্মীকি, ব্যাস, হোমাৰৰ মহাকাব্যত বিশিষ্ট স্থান অধিকাৰ কৰা প্ৰণয় কাহিনীসমূহৰ উপৰিও, কালিদাসৰ 'মেঘদূতম্‌', ডাণ্টেৰ 'ডিভাইন কমেডি', চেক্সপীয়ৰৰ 'ৰমিও আৰু জুলিয়েট'—আদিত প্ৰেমৰ প্ৰাধান্যকেই ৰূপায়িত কৰা হৈছে, মানৱ মনত বলীষ্ঠতম প্ৰভাৱ বিস্তাৰ কৰা শৃঙ্গাৰ ৰসৰ যোগেদিয়েই। গৌণভাৱে হলেও, এই শৃঙ্গাৰ ৰসেই ৰূপান্তৰিত হৈ অন্যান্য ৰসত পৰিণত হৈছে। সেয়ে নহলে, নাঙঠ সৌন্দৰ্য্যৰ সূক্ষ্মতম ৰূপায়ণত সিদ্ধহস্ত সাহিত্যিকসকলৰ বলীষ্ঠ লিখনিত বাস্তৱৰ বিভৎসতা কলাৰ উচ্চতম পৰ্য্যায়লৈ উঠি, মহৎ সাহিত্য সৃষ্টি কৰিব নোৱাৰিলেহেঁতেন।

সুস্থ-অসুস্থ, উৎকৃষ্ট-নিকৃষ্ট, এনে ধৰণৰ কোনো সংজ্ঞা সাহিত্যৰ বিষয় বস্তুৰ ওপৰত নির্ভৰ নকৰে; কৰে, কেনে ধৰণে—সেই বিষয়বস্তু কলাকাৰ সাহিত্যিকৰ কল্পনা-প্রসূত লিখনিৰ জৰীয়তে ৰূপায়িত হৈ আত্ম প্রকাশ কৰিছে তাৰ ওপৰতহে।

মানৱ মনে ঢুকি পাব পৰা সকলো বিষয়ৰ মাজতেই মহৎ সাহিত্যৰ আণবিক শক্তি লুকাই আছে। কিন্তু উৎকৃষ্ট কলাকাৰৰ বৈদ্যুতিক স্পর্শতহে সেই শক্তিয়ে সঁহাৰি দিয়ে।

সুস্থ আৰু মহতৰ ওতঃপ্রোততাৰ প্রভাৱত কাৰো মনত যদি আত্মপ্রকাশৰ প্রেৰণা জাগে, উপযুক্ত বিষয় বস্তু নিজেই আহি উপস্থিত হয়হি। এনে মধুৰ মিলনত উদ্ভূত হোৱা সন্তানেই হৈছে 'কলা'। মিলন....মিলন...., এনে মিলনৰ প্রতিক্ষাতেই হয়তো কিমান সম্ভাব্য সাহিত্যিক আৰু কলাকাৰে জীৱন পাত কৰিছে, কোনে জানে? প্রজ্ঞানো জানো আজি তেনে প্রতিক্ষাত? নে, প্রতিক্ষান্তৰ সেই মুহূর্ত্ত উপস্থিত হৈছেই!....

প্রজ্ঞানে এনে অবান্তৰ কথাবোৰ বাৰু কেলেই ভাবিছে? অ', সৌন্দর্য্যৰ প্রতিমূর্ত্তি এই ছোৱালীজনী এনেকৈ আহি প্রজ্ঞানৰ সমুখত উপস্থিত হোৱা দেখিহে এই ভাববোৰে প্রজ্ঞানক জুমুৰি দি ধৰিছেহি!

প্রজ্ঞান, প্রেম আৰু এই ছোৱালীজনী—এই তিনিওটিৰ মাজত এনে কি যোগসূত্র থাকিব পাৰে যে এই মুহূর্ত্তত বিশ্ব-সাহিত্যৰ বাচকৰনীয়া প্রেম কাহিনী বোৱহে যে এটি এটিকৈ প্রজ্ঞানৰ মনত পৰি গ'ল?

....অভিসাৰিকাৰ ভাও দিবলৈ নহয়; অন্তৰৰ স্বতঃস্ফূর্ত্ত আবেদন উপেক্ষা কৰিব নোৱাৰিহে, এই অকাল সিয়ান ছোৱালীজনী আজি এনেকৈ অকলৈ আহি প্রজ্ঞানৰ ওচৰত উপস্থিত হৈছেহি। কওঁ কওঁ বুলি সদায় পাগুলি থাকিও ইমান দিনে তাই যিটো ক'ব পৰা নাই, আজি তাই ক'বই। নিশ্চয় ক'ব!

এই বছৰ নকৈ কলেজত ভর্ত্তি হোৱা ১ম আৰু ৩য় বাৰ্ষিকৰ ছাত্র ছাত্রী সকলক আকোৱালী লবলৈ পুৰণি ছাত্র-ছাত্রীসকলে কলেজত যি আদ-ৰণি সভা পাতিছিল, সেই সভাত নিমন্ত্রিত বিশিষ্ট ভদ্রলোক সকলৰ মাজৰপৰা প্রজ্ঞানে ওজস্বিনী ভাষাৰে যি আৱেগময়ী বক্তৃতা এটি দি গোটেই কলেজকে মুগ্ধ কৰিছিল, সেই বক্তৃতা শুনাৰ পিছৰে পৰাই প্রতিভাৰ মন প্রজ্ঞানৰ পিনে বিশেষ ভাৱে ঢাল খাইছিল। সেয়েহে প্রজ্ঞানৰ তালৈ সদায় যোৱা ছাত্র-ছাত্রীসকলৰ মাজত প্রতিভাকো প্রজ্ঞানে কেৱল দেখাই নহয়—তাইৰ কথা-বতৰাতো আকৃষ্ট হোৱাৰ সুযোগ লাভ কৰিছিল। কাৰো প্রতি আকৃষ্ট হৰ

পৰাটোও যদি এটা সুযোগ, তেনেহলে আকর্ষণৰ সামগ্রীৰ অধিকাৰীয়ে অযাচিতে আহি নিজেই যদি ধৰা দিয়েহি তেন্তে তেনে অৱস্থাক বাৰু কি বুলিব পাৰি?

হাতত সাৰে ভৰিত সাৰে প্রতিভা লাহে লাহে আহি প্রজ্ঞানৰ ঘৰৰ পিৰালিত উঠিল। তাইৰ বুকুখন এটা অজান আতঙ্কত ধান বনাদি বানিবলৈ ধৰিলে। কণি কণি ঘামৰ টোপালেৰে তাইৰ কপাল আৰু নাকৰ আগটো সেমেকি গ'ল। দেখিও নেদেখা ভাও জুৰি প্রজ্ঞানে বাগৰ সলাই বেৰৰ পিনে চাই ৰ'ল। এখুজি দুখুজিকৈ প্রতিভাই প্রজ্ঞানৰ কোঠাৰ দুৱাৰ দলি পাৰ হৈ ভিতৰ সোমাল। উশাহ-নিশাহ তাইৰ ইমান ঘনকৈ আহিবলৈ ধৰিলে যে, তাইৰ হাওফাও দুটা যেন এতিয়া ফাটিহে যাব। তাইৰ মুৰটো আঁচ-ন্দ্রাই কৰি আনিলে। হয়তো তাই সেই মুহূর্ত্ততে মূর্চ্চা গৈ মজিয়াত বাগৰি পৰিল হেঁতেন! ঠিক এনেতে প্রজ্ঞানে বাগৰ সলালে। চাৰি চকুৰ মিলন হল। মিচিকিয়া হাঁহি এটি মাৰি প্রজ্ঞানে তাইক ওচৰতে থকা একমাত্র চকীখনত বহিবলৈ কলে। একো মাতবোল নকৰাকৈ মমৰ পুতলা এটাৰ দৰে প্রতিভা চকীখনত বহি সেইপিনে জঠৰ হোৱাদি হ'ল। প্রজ্ঞানেও কি ক'ব-নক'ব ঠাৱঁৰ কৰিব নোৱাৰি বাগৰ দিয়া অৱস্থাৰে পৰা বাৰে বাৰে প্রতিভাৰ ভৰিৰ পৰা মুৰলৈ চাবলৈ ধৰিলে। তাই অপ্রস্তুত হলেও, প্রতি-বাদ কৰিবলৈ যেন তাইৰ শক্তিও নাই, সাহো নাই, ইচ্ছাও নাই।

* * *

এইজনীয়েই প্রতিভা। এইজনীয়েই তপশিল ভূক্ত সম্প্রদায়ৰ অকালসিয়ান সেই ছোৱালীজনী। কিন্তু আজিও জানো তাই তপশিল ভূক্ত সম্প্রদায়ৰ? প্রজ্ঞানক কালি তাই ন-ৰূপত দেখিছে। তায়েই কালি গধূলি বৰ কথা মাতি আটাইজাক ল'বা ছোৱালীৰ মাজৰ পৰা এটাইতকৈ আগেয়ে নাটকীয় প্রস্থান ভঙ্গীত প্রজ্ঞানৰ ঘৰৰ সীমা পাৰ হৈ আলিবাট পাইছিলগৈ। এই জনীয়েই সেই প্রতিভা যি জনীৰ অন্তৰত কালি প্রজ্ঞানৰ ঘৰত শকুন্তলাক দেখি অতর্কিতে ঈর্ষাৰ ভাব জাগি উঠিছিল। এইজনীয়েই সেই প্রতিভা যাক কলেজত এটায়ে বিশেষ মৰমৰ চকুৰে চায়; অইনকি তাই থকা গার্লচ হোষ্টেলৰ খৃষ্টিয়ান বুঢ়ী লেডী চুপাৰিণ্টেডেণ্ট গৰাকীয়েও আন ছোৱালীতকৈ যেন তাইক অলপ বেচি মৰম কৰে।

অতি কম লোকেই জানে যে, প্রতিভাৰ দেউতাকে খৃষ্টীয় ধর্ম্মত আৰু

মাকে অলপতে বৌদ্ধ ধর্ম্মত দীক্ষিত হৈ, তেওঁলোকৰ একমাত্র জীয়েক প্রতিভাক ডাঙৰ হলে যি ধর্ম্ম লবলৈ ইচ্ছা কৰে তেনে ধর্ম্ম গ্রহণ কৰিবলৈ ইতিমধ্যেই দিহা দি থৈছে! ওচৰ-চুবুৰীয়া সকলো আচৰিত যে—মাক বাপেক উভয়ে বেলেগ বেলেগ ধর্ম্মাৱলম্বী হৈয়ো কোনেও কাৰো ব্যক্তিগত ঈশ্বৰ বিশ্বাসৰ ওপৰত হেতা ওপৰা নকৰাকৈ, কেনেকৈ সুখেৰে সংসাৰ চলাই যাব পাৰিছে! হোষ্টেলৰ লেডী চুপাৰিণ্টেডেণ্টক প্রতিভাই যেতিয়া এই কথা কৈছিল, লেডী চুপাৰিণ্টেডেণ্টৰ চকু দুটা আনন্দত উজ্জ্বল হৈ উঠিছিল। চুপাৰিণ্টেডেণ্টে লাহেকৈ কৈছিল যে প্রতিভাক আমেৰিকান ব্যাপ্তিষ্ট মিশ্যনৰ তৰফৰ পৰা খৃষ্টীয় ধর্ম্মত দীক্ষিত কৰিব লাগিব। সেই অকণমানি ছোৱালী জনীয়ে তেতিয়া কৈছিল যে ধর্ম্ম জ্ঞান লাভৰ দৰে এনে বিশেষ জ্ঞান অর্জাৰ যোগ্যতা অর্জন কৰিবলৈ হাবিয়াস কৰি ধর্ম্মৰ ডিগ্রী লবলৈ অনভিজ্ঞ প্রয়াস কৰাতকৈ, আগেয়ে কলেজীয়া শিক্ষাত ব্যুৎপত্তি লাভ কৰি বিশ্ববিদ্যালয়ৰ ডিগ্রীটো অর্জন কৰাহে উচিত হব। প্রতিভাৰ এনে প্রত্যুৎপন্নমতিত আৰু কথা কোৱাৰ প্রাঞ্জলতাত লেডী চুপাৰিণ্টেডেণ্ট ইমান মুগ্ধ হৈছিল যে, তেওঁ ঠাৱঁৰ কৰি পেলাইছিল যে খৃষ্টিয়ান নহলেও, প্রকৃত খৃষ্টিয়ানৰ মনোভাব এই ছোৱালীজনীয়ে ইতিমধ্যেই আয়ত্ব কৰিছে। কিন্তু প্রতিভাৰ মনত কি আছিল সেই কথাৰ ভূ পাইছিল কেইজনে? প্রতিভাই ভাবিছিল ঈশ্বৰ-ঈশ্বৰকৈ মানুহে এনেয়ে চিঞৰি মৰে। কায়মনোবাক্যে তাই যদি নিজক ভাল পায় আৰু নিজকে বিশ্বস্ততাৰ প্রতিমূর্ত্তি হিচাপে গঢ়ি তুলিব পাৰে, এনে কোন ঈশ্বৰ থাকিব পাৰে—যি নিজে আহি ধৰা নিদিবহি! নিজৰ হিয়াৰ মাজত থকা জলাশয় এৰি পানী পানীকৈ মৰুভূমিৰ মাজত মৰীচিকা খেদি ফুৰা, আৰু নিজৰ মন শুদ্ধ নকৰাকৈ ঈশ্বৰ-ঈশ্বৰ বুলি আনুষ্ঠানিক ধর্ম্মৰ আশ্রয় লোৱা একে কথা। গান্ধীজীয়ে কোৱা এআষাৰ কথা শুনৰ সময়ত আৰু শুই উঠাৰ সময়ত প্রতিভাই প্রত্যেক দিনেই মনত পেলাইছিল। সেই কথাষাৰিৰ মতে প্রতিভাই বিশ্বাস কৰিছিল যে—"মানুহৰ পৰিত্র আৰু আন্তৰিক আকাংক্ষা কেতিয়াও সিদ্ধ নোহোৱাকৈ নেথাকে।" এই বিশ্বাসৰ ওপৰত ভেঁটি কৰিয়েই সেইদিনা দুপৰীয়া প্রতিভা অকলশৰে প্রজ্ঞানৰ ওপৰ চাপিছিল।

"কোৱাচোন প্রতিভা, মোৰ সমান বয়সৰ এজন ডেকাৰ লগত তোমাৰ দৰে ইমান কোমল বয়সীয়া ছোৱালী এজনীৰ যোৱাটো কেনে আপচু দেখা যাব?" প্রজ্ঞানে ৰগৰেৰে সোধে।

"কেলেই?" প্রতিভাই আচৰিত হৈ কয়,—"মোৰ বয়স জানো চৈধ্য বছৰ হোৱা নাই?"

"হৈছে, কিন্তু মোৰ যে আঠাইশ....."

"হওক; আমাৰ দেউতাই যেতিয়া বিয়া কৰায়, মাৰ বয়স বোলে চৈধ্য বছৰ আৰু দেউতা মাৰ বয়সৰ দুগুণতকৈও দুবছৰে বেচি ডাঙৰ আছিল!" প্রতিভাই দৃঢ়তাৰে কলে।

"কিন্তু সি আজি অন্ততঃ পোন্ধৰ বছৰ আগৰ কথা,.....অ' তুমিয়েই জানো তেওঁলোকৰ প্রথম ছোৱালী....."

"একমাত্র ছোৱালী।"

"একমাত্র ছোৱালী!" প্রজ্ঞানে আৰু কিবা কব খুজিছিল। হঠাৎ তেওঁৰ মনটো গহীন হৈ গ'ল। ভাবিলে, একমাত্র আদৰৰ জীয়েকক জীয়েকৰ দুগুণ বয়সৰ এজন মানুহলৈ দিবলৈ কোনো মাক বাপেকেই ইচ্ছা নকৰে; কৰা উচিত নহয়।

প্রতিভাই যেন প্রজ্ঞানৰ মনৰ ভাব বুজিব পাৰিলে। তাই তপৰাই কৈ উঠিল: "স্বামী-স্ত্রীৰ মাজত বয়সৰ চৈধ্য বছৰ ব্যৱধান একো কথা নহয়। মোৰ বর্ত্তমানৰ চৈধ্যৰ লগত আৰু চৈধ্য বছৰ যোগ দিলে মই হৈ পৰো আঠাইশ বছৰীয়া এগৰাকী মহিলা, আৰু সেই সময়ত আপোনাৰ বয়স হবগৈ বিয়াল্লিশ বছৰ। বিয়াল্লিশ বছৰীয়া এজন মানুহে আঠাইশ বছৰীয়া এগৰাকী মহিলাক বিয়া কৰাব নোৱাৰে নেকি?" কথাষাৰ কৈ প্রতিভাই ভাবিলে যে—এইবাৰ প্রজ্ঞানে উত্তৰ দিব নোৱাৰিব।

"বাৰু বাৰু, বুজিলো।" প্রজ্ঞানে কলে,—"ধৰা যেনিবা মই আগেয়ে মৰিলো আৰু মৰিমেই, কাৰণ মই তোমাতকৈ চৈধ্য বছৰে ডাঙৰ।"

"আপুনি এই সাধাৰণ কথাটোও জানো নেজানে যে মতা মানুহতকৈ মাইকী মানুহ যে সোনকালে বুঢ়ী হয়?" প্রতিভাই দীঘলকৈ উশাহ এটি লৈ আকৌ কয়, "ধৰক যেনিবা, আপুনিয়েই আগেয়ে মৰিল,....মৰক, মোক অন্ততঃ তেনে এটি মৃত্যু চাবলৈকে সুযোগ দিয়ক!" শেহৰ কথাষাৰ কওতে প্রতিভাৰ ওঠ দুটি কঁপিছিল। তাই যেন এতিয়া ফেঁকুৰিবহে!

"প্রতিভা!" প্রজ্ঞানে মৰমেৰে কয়, "শুনা, তোমৰ মনত কষ্ট দিবলৈ মই তেনেকৈ কোৱা নাই, কৈছো যাতে সেই বিষয়েও তুমি এবাৰ ভাবি চাব পাৰা। কাৰণ, মই জানো তোমাৰ দৰে এনে মানসিক পৰিস্থিতিত পৰিলে, তোমাৰ বয়সৰ কিয়? বয়সত ডাঙৰ ছোৱালীয়েও ভবিষ্যতৰ কথা ভাবিব নোৱাৰে!" প্রজ্ঞানে এনেকৈ কোৱাৰ উদ্দেশ্য যাতে ভাৱাবেগত আগ-পিছ নোচোৱাকৈ

প্রতিভাই সাধাৰণ ছোৱালীৰ দৰে নেভাবি দকৈ ভাবিবলৈ সক্ষম হয়।

প্রতিভাৰ কিন্তু প্রজ্ঞানৰ ওপৰত খং উঠিল। তাইক নিচেই সৰু ছোৱালী বুলি ভাবি প্রজ্ঞানে ভুল কৰিছে। তাই ভাবে, তাইৰ এতিয়া যথেষ্ট বয়স হৈছে, অন্ততঃ প্রেমৰ মর্য্যদা বুজিব পৰা ক্ষমতা তাই সেই দিনাই পোন প্রথমে অর্জন কৰিছে যিদিনা তাই প্রজ্ঞানক দেখিয়েই কব নোৱাৰাকৈয়ে ভাল পাই পেলাইছিল। প্রেমত নপৰাকৈ বৈবাহিক বান্ধোনত বান্ধ খোৱাত কোনো যুক্তি নাই। প্রেমোপলোব্ধিহীন কাল্পনিক প্রেমৰ বর্ণনাৰে ৰচনা কৰা প্রেম সংগীতত ভাষাৰ ভুৰা থাকিব পাৰে, কিন্তু প্রাণৰ স্ফুৰণ তাত নাই। আনহাতে প্রকৃত প্রেমৰ মাদকতাত বৰা প্রলাপতো বিৰাট প্রণয় কাব্যৰ প্রাণৱন্ত সামগ্রী সোমাই থাকিব পাৰে। টলষ্টয়ৰ সৃষ্টি আনাকাৰেনিনাৰ দৰে এনে এগৰাকী তিৰোতাৰ অন্তৰতো প্রকৃত প্রেম জাগিছিল—কাউণ্ট্ভ্রন্স্কিৰ সান্নিধ্যলৈ অহাৰ পিছতহে। ভ্রন্স্কি কিন্তু আনাৰ স্বামী নাছিল। ক্লিয়পেট্রাৰ দৰে এগৰাকী পাষাণী ৰাণীৰ হৃদয়তো প্রকৃত প্রেম উদয় হৈছিল মার্কাছ্ এণ্টনিয়াচৰ সংস্পর্শতহে। সুপ্ত....সুপ্ত....অন্তৰত চিৰ-সুপ্ত হৈ থকা প্রেমৰ অঙ্কুৰত উপযুক্ত প্রণয়ী বা প্রণয়িণীৰ প্রণয় বর্ষণ নহলে সি অন্তৰতে মৰহি শুকাই যায়। বৈবাহিক মিলন মাত্রেই প্রেমৰ চৰম সাক্ষী হোৱা হলে, ৰাধিকাও কৃষ্ণৰ প্রেমত আকুল নহলহেঁতেন। সি যিয়েই নহওক, ক্ষন্তেকৰ কাৰণে হলেও প্রতিভাৰ অন্তৰত বিদ্রোহ জাগি উঠিল।

তাইৰ চকুৰে মুখে ফুটি উঠা ভাব লক্ষ্য কৰিয়েই প্রজ্ঞান সন্ত্রষ্ট হোৱাদি হল। ভাবিলে, এনে ধৰণৰ পৰিস্থিতিতেই বোধকৰো পৃথিবীৰ দুর্ভগীয়া প্রণয়ী-প্রণয়িনী সকলে চিৰদিনেই পৰস্পৰে পৰস্পৰক ভুল বুজি যুগে যুগে কোটি কোটি বিয়োগান্ত বাস্তৰ নাটক সৃষ্টি কৰি বন্ধু-বান্ধৱ পৰিয়াল বর্গৰ মনত মচিব নোৱাৰা বেদনাৰ কলঙ্ক জাপি দি বিদায় মাগি আহিছে! প্রতি-ভাৰ দৰে এনে এজনী কোমল বয়সীয়া ছোৱালীয়ে বাৰু কিমান ভাবিব পাৰে? তাইৰ মন যদি ভাঙি যায়! তাই যদি হঠাৎ কিবা কৰি পেলায়? প্রজ্ঞানৰ মনটো আতঙ্কত শিঁয়ৰি উঠিল। কথাৰ মোৰ ঘুৰাই দিবলৈ চেষ্টা কৰি প্রজ্ঞানে কলে :

"প্রতিভা, এবাৰ ভাবি চোৱাচোন, মই যেতিয়া আশী বছৰীয়া বুঢ়া হম, তুমি মোতকৈ চৈধ্য বছৰ কম, ছয়ষষ্টি বছৰীয়া বুঢ়ী হ'বা; তেতিয়া স্বামী-স্ত্রী হিচাপে আমাক কেনে দেখা হব?" প্রজ্ঞানে মিচিকিয়াই হাঁহি প্রতি-ভালৈ চালে।

"আমি দুয়োৰে সেই ফটোখন আপুনি এতিয়াই তুলি থব খুজিছে নেকি?" প্রতিভাই একে সুৰতে কলে।

"সেইখন নহয়, সেইখনহে। আজিৰ পৰা ৭২ বছৰৰ পিছৰ খন, তেতিয়া মোৰ বয়স এশ বছৰ হব আৰু তোমাৰ হব চাৰিকুৰি ছয়। ভাবি চোৱাচোন, তেতিয়া তোমাৰ এতিয়াৰ বয়সৰ নাতি পৰিনাতিবোৰে আমাক কেনেকৈ বেঢ়ি ধৰিব! আহ্! কি মজা হ'ব ২০২৮ চনৰ সেই বছৰটোত।"

প্রতিভাই হি হিকৈ হাঁহি দিলে। হাঁহিৰ লাচতে প্রজ্ঞানৰ ডিঙিত তাই সাৰটি ধৰি প্রজ্ঞানৰ গাল দুখনিৰ খঁহতা দাঢ়ি বোৰত তাইৰ মিহি গাল দুখন ঘহি ঘহি কলে :

"প্রজ্ঞান দা, মই যেন এতিয়াৰ দৰে সদায়েই সৰু ছোৱালী জনী হৈ থাকো। উহ্! মই যে কেতিয়াবাকৈ ৮৬ বছৰীয়া এজনী আলৰ বুঢ়ী হ'মগৈ, এই কথা কল্পনাই কৰিব নোৱাৰো প্রজ্ঞানদা। তেতিয়া তেতিয়া জানো আপুনি আজিৰ দৰেই মোক ভাল পাব?"

প্রজ্ঞান হঠাৎ ঠিয় দিলে। সোঁ হাতেৰে প্রতিভাৰ কঁকাল আৰু বাওঁ হাতেৰে প্রতিভাৰ সোঁ বাউসীৰ ওপৰেৰে পিঠিত সাৰটি ধৰি, নিচেই কাষলৈ তাইক আলফুলকৈ টানি আনিলে। প্রতিভাই তাইৰ বিশাল চকুজোৰ মেলি ওপৰ মুৰাকৈ প্রজ্ঞানৰ চকুলৈ অপলকে চাই ৰ'ল। দুখনি হিয়াৰে গঠিত প্রণয়-বেটেৰীৰ যোগাযোগ স্থাপনত চকুৰ চাৰনিয়েই জানো উৎকৃষ্ট বিজুলী তাঁৰ ৰূপে চিৰ দিনেই নিজৰ পৰিচয় দি অহা নাই? এনে প্রণয় প্রৰাহৰ উন্মাদনাত 'ক'তেনো মৰো ঐ'! যেন লগা হৈ, তাইৰ আৱেগ চঞ্চল চকুজুৰি আধা জাপ খোৱা যেন হ'ল। নাকৰ পাঁহি দুটি লৰিলে। অবাক আনন্দত মেলেনে-নেমেলোকৈ থকা মুখখনিৰ মাজেদি তাইৰ ওপৰ পাৰিৰ বগা আগ দাঁত কেইটি ৰঙচুৱা ওঠ দুটিৰ ফাঁকেৰে জিলিকি উঠিল। তাইৰ তপত ঘন নিশ্বাসবোৰে আহি প্রজ্ঞানৰ ডিঙিত সুৰসুৰাই দিলেহি। এই হেন বায়ৱীয় সিৰিপনি এচাৰিৰ কোৰ খাই প্রজ্ঞান আৰু থিৰেৰে ৰ'ব নোৱাৰিলে। জোৰকৈ তাইক নিজৰ বহল বুকুখনৰ মাজত সাৰটি ধৰি, আঁকি দিলে তাইৰ ওঠ দুটিত প্রণয়ৰ প্রথম চুম্বন। তাৰ পিছত চকু-কান-নাক-মুখ-কপাল-মূৰ সকলোতে—চুমা—চুমা—চুমা—কেৱল চুমা! উচপ খাই উঠাৰ দৰে উঠি হঠাৎ প্রজ্ঞান সংযত হৈ গ'ল। 'যদি কোনোবাই দেখে।' এই বুলি ওপৰলৈ চোৱাৰ লগে লগে দেখা পালে বাঁহৰ খিৰিকী খনৰ ফাঁকেৰে ৰাহিৰৰ পৰা জুমি চাই থকা এহাল ডাঙৰ চক! প্রজ্ঞানৰ চলিৰ আগে জীৰ

উৰি যোৱা যেন লাগিল। প্ৰতিভাক ঘপ কৰে এৰি দি গাৰেই আঁৰ-ৰৈ হোৱাদি হৈ, চকু হালি আৰু প্ৰতিভাৰ মাজত থিয় দিলে। চকু হালিৰ গৰাকীয়ে এতিয়া যেন ক্ষন্তেক আগতে হৈ যোৱা সকলো কথা পাহৰি গৈ প্ৰজ্ঞানৰ বাহিৰে তাত আন কোনো নাই বুলিহে ভাবিব! বাঘিনীৰ আগৰ পৰা লৰি পলাবৰ উপায় নাথাকিলে, গছৰ আঁৰত মুখ লুকাই গাৰ বাকী গোটেই ছোৱা দেখুৱাইও হৰিণীয়ে যেনেকৈ ৰক্ষা পৰিলো বুলি ভাবে, প্ৰজ্ঞানৰ মনৰ অৱস্থাও ঠিক তেনে হ'ল। বাঘিনীৰ ৰোষ আৰু মৰুভূমিৰ তুফানৰ তীব্ৰতা লৈ অহা জনৰ পৰা হৰিণাই হওক বা উট চৰায়েই হওক— কোনোবাই ৰক্ষা পৰিব পাৰে জানো? পিছ মুহূৰ্ত্ততে বাহিৰৰ পৰা দুৱাৰত ঢকা পৰিল। চকুৰ গৰাকিনীয়ে বলিয়াৰ দৰে গাৰ বলেৰে দুৱাৰখন খুলিবলৈ চেষ্টা কৰাৰ লগে লগে, মুখত যি আহে তেনে ভাষাৰে যিহকে পাই তাকে বকিবলৈ ধৰিলে। সেই ক্ৰোধোন্মত্ততাৰ কটুক্তিয়ে প্ৰজ্ঞান আৰু প্ৰতিভাৰ বুকুত শেলে হনাদি হানিবলৈ ধৰিলে। কি কৰো ভাবিবলৈ পাওতেই নৌ, ৫ ফুট ৭ ইঞ্চি ধুনীয়া গাভৰু এগৰাকী দুৱাৰ খুলি সোমাই আহিল। একে কোৱেই প্ৰতিভাৰ বেণী দুডালত থাপ মাৰি ধৰি, একে আচাৰেই তাইক মাটিত বগৰাই দিলে। চকুৰ পচাৰতে তাইৰ বুকুৰ ওপৰত বহি সোঁহাতৰ নখেৰে প্ৰতিভাৰ বাও গাল দুখন বাকুহি তেজেৰে ৰাঙলী কৰি পেলালে। পেপুঁৰা লাগি প্ৰজ্ঞানে চাই থাকোতেই, উপচি পৰা যৌৱনৰ গৰাকিনী, ৰণচণ্ডী ৰূপিনী হৈয়ো সৌন্দৰ্য্যৰ মোহিনী জাল ৰচিব পৰা, এই অপৰূপ সুন্দৰী গাভৰু জনীয়ে, কোমল কিশোৰী প্ৰতিভাৰ জীৱন বিপন্ন কৰি তুলিলে। ছোৱালী দুজনীৰ চিয়ঁৰ বাখৰত ক্লোঠাটোত হুলস্থুল লাগি পৰিল। তেতিয়াহে প্ৰজ্ঞানৰ চেতনা আহিল। নাহৰ ফুটুকী ৰাঘৰ ক্ষিপ্ৰতাৰে প্ৰতিভাৰ বুকুৰ ওপৰত ভীমসেনে দুঃশাসনৰ ৰক্তপান কৰিবলৈ উদ্যত হোৱাৰ দৰে বহি থকা শকুন্তলাক গাৰ বলেৰে প্ৰায় আজুৰি অনাৰ দৰে আনি, প্ৰজ্ঞানে জোৰেৰে ওচৰৰ চকীখনত বহুৱাই দি, সেই একে ক্ষিপ্ৰতাৰে ইজনী ছোৱালীক মাটিৰ পৰা তুলিবলৈ যাওতেই শকুন্তলাই প্ৰজ্ঞানক বাধা দিলেগৈ। সহ্যৰো জানো এটা সীমা নাই? প্ৰজ্ঞানে শকুন্তলালৈ এনে এটি দৃষ্টিৰে চালে যে—সাপুৰিয়াই ফেঁটা সাপৰ সমুখত কিবা এৰিধ গছৰ শিপা ধৰিলে যেনেকৈ ফেঁট সামৰি লয়, ঠিক তেনেকৈ শকুন্তলাও পিছ হুহঁকি আহিল। তাই হুক্‌হুকাই কান্দিবলৈ ধৰিলে! তাইৰ নিমজ গালৰ ওপৰেদি আক্ৰোহৰ দুধাৰ তপত চকুলো অবিৰাম ধাৰে বৈ গ'ল।

যি হওলগীয়া হ'ল। কিন্তু এনেহেন চামুণ্ডা ৰূপিনী হৈ যি মূৰ্ত্তিৰে

২০ বছৰীয়া শকুন্তলাই তাইতকৈ ওখই ৩ ইঞ্চি কম এই ১৪ বছৰীয়া অকণমানি ছোৱালীজনীক আক্ৰমণ কৰিছিলহি, ঠিক সময়তে প্ৰজ্ঞানৰ হুঁচ নহা হলে যে কি হলগৈহেঁতেন, কোনে জানে? দেবী প্ৰতিম নাৰী সৌন্দৰ্য্যৰ অধিকাৰিনী শকুন্তলাৰ অন্তৰতো যে প্ৰতিহিংসাৰ এনে ভাব লুকাই থাকিব পাৰে, নিজ চকুৰে নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। ঈৰ্ষা—ঈৰ্ষা—ঈৰ্ষা। নাৰী হৃদয়ৰ কেতেকী ফুলৰ কাঁইটৰ মাজত চিৰদিনেই ঈৰ্ষাৰূপী ডাইল ফেঁটা সাপ বাস কৰি আহিছে। এই কথা জানিও তেনেকুৱা কেঁতেকী ফুললৈ মানুহৰ ইমান আগ্ৰহ কিয়?

প্ৰজ্ঞানৰ পিৰালিত প্ৰতিভাই আহি ভৰি দিয়াৰ সময়তে পৰা, শকুন্তলাই নিজৰ ঘৰৰ দুই তলাৰ ওপৰৰ খিৰিকিৰে দেখি আছিল। প্ৰতিভা যেতিয়া ভিতৰ সোমাল, শকুন্তলা থিৰেৰে ৰৰ নোৱাৰিলে। একে উশাহে উধাতু খাই লৰি আহি, প্ৰজ্ঞানৰ পিৰালি পাই, মনে মনে খিৰিকিৰ ফাঁকেৰে জুমি চাই থাকিল। তাৰ পাছত প্ৰজ্ঞানে যেতিয়া প্ৰতিভাক চুমা খোৱা দেখিলে, শকুন্তলাৰ ধৈর্য্য হেৰাই গ'ল। তাৰ পিছতেই দুৱাৰত ঢকা আৰু দুৱাৰ মেলি চিলনিৰ দৰে আহি প্ৰতিভাৰ ওপৰত আক্ৰোহমূলক আক্ৰমণ। সিংহিনীৰ বুকুৰ মাজৰ পৰা পোৱালী কাঢ়ি নিবলৈ মৰ সাহ কৰোতাৰ ওপৰত জপিয়াই পৰি যিদৰে সিংহিনীয়ে প্ৰতিশোধ লবলৈ বিচাৰে প্ৰজ্ঞানৰ পৰা বাধা পাই শকুন্তলাৰ মনৰ ভাৰো ঠিক তেনেকুৱাই হৈছিল। কিন্তু প্ৰজ্ঞানৰ চুম্বক সনা দৃষ্টিৰ প্ৰতিৰোধ উপেক্ষা কৰাৰ সাহসে নুকুলোৱাত শকুন্তলাই অপমান বোধ কৰিলে। ক্ষোভে—লাজে—অপমানে—তাই কি কৰিব একো উপাই নেপাই, ফোঁপাই ফোঁপাই কান্দিবলৈ ধৰিলে। কান্দিয়েই যেন তাই প্ৰজ্ঞানৰ ওপৰত প্ৰতিশোধ লব।

তেজেৰে তুমৰলি হৈ, আন পিনে বিষত কেঁকাবলৈ ধৰিলে প্ৰতিভাই। তাইক আলফুলকৈ মজিয়াৰ পৰা তুলি নি নিজৰ বিছনাত শুৱাই, প্ৰজ্ঞানে জেপৰ ৰুমালখনেৰে গালৰ আঁকোহা ঠাই ডোখৰৰ পৰা ধাৰাসাৰে ওলোৱা তেজবোৰ টুকিবলৈ ধৰিলে। তেজ যেন ৰৰ নোখোজে। ফটা কানি আৰু ডেটলৰ অভাৱ সেইদিনা প্ৰজ্ঞানে ৰৰকৈ অনুভৱ কৰিলে। যি হওক, বিপদে আপদে লাগিব পাৰে বুলি প্ৰাথমিক চিকিৎসা বাকচৰ দৰে কাঠৰ এটি বাকচত অলপ তুলা আৰু সৰু চিচাঁ এটাত অকণমান আইওডিন সদায় মজুত ৰাখিবলৈ প্ৰজ্ঞানে অৱশ্যে পাহৰা নাছিল। বাকচটো ওচৰ

চপাই লৈ, তুলা অলপ উলিয়াই গালৰ তেজবোৰ টুকি তাত 'টিংকচাৰ অৱ্ আইওডিন' লগাই দিলে। ছোৱালী জনীয়ে চিয়ঁৰত গগণ ফটালে। বগা মঙহলৈকে দকৈ বহা নখৰ আঁচোৰত আইওডিন! তাতে কুমলীয়া গালত! কেনেকৈ সহিব দেহি! কিন্তু উপায়ো যে নাই। হঠাৎ যদি চেপ্‌টিক্ হৈ যায়! ধৰিলেও ধৰক। চিয়ঁৰিলেও চিয়ঁৰক। আয়োডিনোকেই দিব লাগিব। "প্ৰতিভা! প্ৰতিভা!" কৈ অতি মৰমেৰে মাতি প্ৰজ্ঞান প্ৰাথমিক চিকিৎসাত ব্যস্ত হ'ল। ওপৰলৈ মুখকৈ শুই থকা ছোৱালী জনীয়ে একেথৰে প্ৰজ্ঞানৰ মুখলৈ চাই থাকিল। কি আচৰিত, তাইৰ চিয়ঁৰ বাখৰ অতি সোনকালেই বন্ধ হ'ল। মুখৰ সামান্য বিকৃতিৰেই প্ৰজ্ঞানৰ মৰমসনা চিকিৎসাটো অসহনীয় হলেও সহিবলৈ চেষ্টা কৰিলে। প্ৰজ্ঞানে যেতিয়া প্ৰতিভাৰ ঘা ডোখৰ 'দ্ৰেছ' কৰি দিয়াত ব্যস্ত হৈ পৰিছিল, শকুন্তলাই পিছ ফালে বহি উচুপি আছিল। হঠাৎ বহাৰ পৰা উঠি নিজৰ গাত থকা বগা দোপাত্তাৰ এমূৰৰ পৰা বহলকৈ এডোখৰ কাপোৰ ফালি, সেই ডোখৰ প্ৰজ্ঞানৰ হাতত দিলেহি। সৰু বাকচটোৰ পৰা অলপ বেচিকৈ এৰ্চৰ-বেণ্ড্ কটন উলিয়াই হাতত দিলেহি। বাওঁ চকুটো ঢাক নোখোৱাকৈ প্ৰজ্ঞান-শকুন্তলা উভয়ে মিলি প্ৰতিভাক বেণ্ডেজ কৰি দিলে। খন্তেক আগতে আক্ৰোহৰ উন্মাদনাত বাউলী হৈ পৰা শকুন্তলাই শান্ত মূৰ্ত্তি ধৰি আকৌ মৰমতে পমি যোৱা শকুন্তলা জনী হৈ পৰিল। অন্তৰ নিগৰি ওলোৱা চকুপানীয়ে দুখ-ক্ষোভ-ৰোষ-অভিমানৰ উত্তাপ ইমান সোনকালে নাইকিয়া কৰি মানুহৰ মন যে আকৌ স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিব পাৰে, আজিৰ শকুন্তলাৰ আচৰণে তাকেই যেন প্ৰমাণ কৰিলে। ধুমুহাৰ পিছত প্ৰকৃতিয়ে শান্ত মূৰ্ত্তি ধৰাৰ দৰে প্ৰজ্ঞানৰ কোঠাত এটা বুজাৰ নোৱাৰা শান্তি বিৰাজ কৰিলে। এটি মাৰাত্মক দুৰ্ঘটনাৰ পৰাহে যেন এই তিনিউটি প্ৰাণী ৰক্ষা পৰিল! ধন্যবাদৰ পাত্ৰ কোন—কিন্তু কোনেও ঠাৰৰ কৰিব নোৱাৰিলে। প্ৰণয়ৰ মঞ্চ এই কাৰণেই বোধকৰো এটাইতকৈ বৈচিত্ৰ্য পূৰ্ণ! মৰণেই জীৱন আৰু জীৱনেই মৰণ! এইটো কেৱল দাৰ্শনিক তথ্যই নহয় প্ৰণয়েও ইয়াৰ সত্যতা চিৰদিনেই প্ৰমাণ কৰি আহিছে। যৌনবিজ্ঞ মনস্তাত্ত্বিকৰ মতে ই প্ৰণয় বন্ধনেই হওক বা যিয়েই নহওক হিংসা আৰু অহিংসাৰ সমতা ৰক্ষাত প্ৰণয়ৰ দান অতুলনীয়। তুলনা বিহীন নাৰী-পুৰুষৰ এই প্ৰণয়ক তাচ্ছিল্য কৰিব পাৰি জানো?....যি পাৰে সি, নাই ক্লৈব্য, অক্ষম, চুৰান্ত-আত্মকেন্দ্ৰীক আৰু নহলে, স্বযৌন বিলাসী। ইয়াৰ বাহিৰে আন আৰু কি হব পাৰে?

প্ৰজ্ঞানৰ মূৰত এনে ধৰণৰ কথাবোৰেই তেতিয়া পাকঘূৰণি খাই, আত্ম-বিশ্লেষণী গবেষণাগাৰৰ অন্তহীন দিগ্বলয় ৰেখা এটি জিলিকি উঠিছিল। শকুন্তলা তেনেহলে নাৰী! নাৰীৰ ৰূপত নৰ, আৰু নৰৰ ৰূপত নাৰীৰ বিকাৰ বিকৃত মনস্তত্ত্ববিদৰ পৰীক্ষাৰ বিষয় বস্তু হলেও, স্বাভাৱিকৰ দাম চিৰকালেই থাকিব। প্ৰজ্ঞানেও নিজৰ মূল্য আজি বুজিব পাৰিলে! প্ৰজ্ঞান পুৰুষ!

প্ৰজ্ঞানে সপোন দেখা নাইতো? সঁচাকৈয়ে সেই মুহূৰ্ত্ততো প্ৰজ্ঞানৰ সপোন যেনেই লাগিছিল। ইমান সোনকালে ঘটি গ'ল ইমান ডাঙৰ ঘটনাটো, অথচ প্ৰজ্ঞানে আগত থাকিও বাধা দিব নোৱাৰিলে! প্ৰজ্ঞানক ভাৰত তন্ময় হোৱা দেখি শকুন্তলা সাউৎ কৰে আঁতৰ হ'ল। প্ৰায় ১০ মিনিট পিছতেই ঘৰৰ পৰা জগদ্বীশ আৰু আন এটা লগুৰাক লগত লৈ আকৌ প্ৰজ্ঞানৰ ঘৰ পালেহি।

"সেইখন কি শকুন্তলা?"
"ষ্ট্ৰেচাৰ?"
"কেলেই?"
"প্ৰতিভাক নিবলৈ!"
"ইয়াত?"
"নহলে কেনেকৈ যাব?"
"কলৈ?"
"আমাৰ ঘৰলৈ?"
"তোমালোকৰ ঘৰলৈ?"
"মই মাৰ লগত সকলো বন্দোবস্ত কৰি আহিছো।"
"কি বন্দোবস্ত?"
"প্ৰতিভাক আমাৰ ঘৰলৈ নি শুশ্ৰূষা কৰাৰ?"
"প্ৰতিভা যে হোষ্টেলৰ ছোৱালী!"
"সেই কথা মই জানো।" শকুন্তলা খপ কৰে গৈ প্ৰতিভাৰ মূৰৰ শিতানৰ ওচৰত বহি, তাইৰ মূৰটো আলফুলকৈ পিহি পিহি অতি মৰমেৰে সুধিলে:

"খুব বিষাইছিল নহয়?.....এতিয়া ভাল পাইছা?"
প্ৰতিভাই চকুৰে সমিধান দিলে—"পাইছোঁ!" তাইৰ চাৰনিত নাছিল

খং বা বিবক্তিৰ ভাব। শকুন্তলাৰ মৰম সনা মাত আৰু তাইৰ সুন্দৰ মুখখনিক আৰু সুন্দৰকৈ তুলি ধৰা মেলো নে নেমেলোকৈ আধা জাপ খোৱা কাঁচিজোনৰ দৰে দীঘলীয়া চকুযুৰিৰে প্ৰতিভাৰ চকুলৈ একেথৰে চাই থকা চাৱনিটিয়ে প্ৰতিভাৰ অন্তৰত এটি অভাৱনীয় আনন্দৰ শিহৰণ জগাই তুলিলে। প্ৰতিভাই পাহৰি গ'ল খন্তেক আগৰ সেই ৰণচণ্ডী ৰূপিনী শকুন্তলাক। তাৰ পৰিৱৰ্ত্তে সমুখত এতিয়া যেন দেখা পালে এগৰাকী ঈশ্বৰ প্ৰেৰিতা অপ্সৰা ধাতৃক! মন্ত্ৰ মুগ্ধাৰ দৰে প্ৰতিভাই শকুন্তলাৰ চকুলৈ চাই ৰল। পৰস্পৰ সেই চাৱনিত উভয়ৰ অন্তৰত যেন উভয়ে ধৰা পৰি গ'ল। কাকো কোনেও নোকোৱাকৈয়েই উপলব্ধি কৰিলে দুখনি অভেদ অন্তৰৰ অপূৰ্ব্ব যোগাযোগ। গালৰ আচোৱৰ বিষ নিমিষতে নাইকিয়া হ'ল। প্ৰতিভাৰ শিশু-সুলভ অজলা চকুহালিত হাঁহিৰ ৰেঙনি এটি বিৰিঙি উঠিল। সেই হাঁহিৰ সূক্ষ্ম তৰঙ্গই শকুন্তলাৰ ৰঙচুৱা ওঁঠ দুটি যেন কঁপাই দিলেহি। অতর্কিতেই প্ৰতিভাৰ কপালত তাই আলফুলকৈ এটি চুমা আঁকি দিলে।

কাঠৰ মুচাৰ দৰে থিয় হৈ প্ৰজ্ঞানে, সেউজ সপোনত বুৰ গৈ থকা এই দুজনী ছোৱালীৰ ৰেহ-ৰূপ চাই খন্তেকৰ কাৰণে নিজেও আপোন পাহৰা হৈ গ'ল। পিছ মুহূৰ্ত্ততে মনত পৰি গ'ল—প্ৰতিভাৰ অৱস্থাৰ কথা! নাই, এনেকৈ থাকিলেতো নহব। পিছে, শকুন্তলাকেইবা কেনেকৈ বিশ্বাস কৰে? যিজনী ছোৱালীয়ে মাত্ৰ আধা ঘণ্টা আগতে প্ৰতিভাক প্ৰায় মাৰি পেলাবলৈ ওলাইছিল, সেইজনী ছোৱালীৰ হাতত কোনসতে প্ৰতিভাক অকলৈ এৰি দিবলৈ প্ৰজ্ঞানে সাহ কৰিব?

"শুনা শকুন্তলা!" প্ৰজ্ঞানে লাহেকৈ মাতিলে। টোপনিৰ পৰা হঠাৎ সাৰ পোৱা মানুহৰ দৰে "কোন" বুলি শকুন্তলাই হঠাৎ চিঞৰি উঠিল। তাৰ পিছত সংযত হৈ কলে, "অ', মোক মাতিছিলা?"

"শুনা শকুন্তলা", প্ৰজ্ঞানে কৈ যায়, "তুমি প্ৰতিভাক তোমালোকৰ ঘৰলৈ নিব খুজিছা—নিয়া,....কিন্তু...."

"কিন্তু কি?"

"কিন্তু এটা চৰ্ত্তত হে মই তোমাক অনুমতি দিব পাৰোঁ।।"

"যেনে?" শকুন্তলাই আচৰিত হৈ প্ৰজ্ঞানলৈ চালে।

"ময়ো প্ৰতিভাৰ লগত তোমালোকৰ তালৈ যাম। আৰু প্ৰতিভাক শুশ্ৰূষা কৰাত সহায় কৰিম।"

"তাৰ মানে তুমি মোক বিশ্বাস কৰিব পৰা নাই?" শকুন্তলাই অভিমানৰ সুৰত কয়।

"বিশ্বাস অবিশ্বাসৰ প্ৰশ্ন হোৱা নাই। কিন্তু প্ৰতিভা হোষ্টেলৰ ছোৱালী। তাতে মোৰ ঘৰত এনে এটা কাণ্ড হৈ গ'ল। মোৰো জানো দায়িত্ব নাই?" প্ৰজ্ঞান গহীন হৈ গ'ল।

"দায়িত্ব নিশ্চয় আছে", শকুন্তলাই কিবা ভাবি হঠাৎ কৈ উঠিল—"কিন্তু প্ৰজ্ঞানদা, মোৰো জানো দায়িত্ব নাই? মোক....মোক তুমি কি বুলি ভাবিছা?....মই....মই মানুহ নহও, নহয় জানো?" দোপাত্তাৰ আচলেৰে মুখ ঢাকি শকুন্তলাই হঠাৎ শোকে খুন্দা মাৰি ধৰা অৱস্থাতো নেদেখুৱাবলৈ চেষ্টা কৰিলে।

শকুন্তলাৰ বেজাৰত প্ৰতিভাৰ চকু দুটি চলচলীয়া হৈ পৰিল।

"মই শকুন্তলা বাইদেউৰ লগত যাম। আপুনি বাধা নিদিব প্ৰজ্ঞানদা.... আপুনি...."

"নিশ্চয় যাবা। ৰ'লা।" প্ৰজ্ঞানে কামৰ মানুহৰ দৰে প্ৰতিভাক লাহেকৈ ধৰি, বিছনাত বহুৱাই দি সুধিলে,

"যাব পাৰিবা?"

"পাৰিম।"

"ষ্ট্ৰেচাৰত নিব লাগিব নেকি?"

"ইহ্! মই খোজ কাঢ়িব নোৱাৰিম নেকি?" এই বুলি কৈ নিজেই খপকৰে বিছনাৰ পৰা নামি মাটিত থিয় দিলে। শকুন্তলাই চণ্ডেলযোৰ আগবঢ়াই দিলে। তাৰ পিছত প্ৰতিভাৰ পিঠিয়েদি সোঁ বাউসীৰ তলেদি নিজৰ সোঁহাতখনেৰে লাহেকৈ সাৰটি ধৰি, প্ৰতিভাৰ বাওঁ হাতখন পিঠিৰ পিনেদি বাওঁ বাউসীৰ ওপৰেদি আনি বাওঁ হাতেৰে ধৰি লাহে লাহে খোজ কঢ়াই প্ৰতিভাক শকুন্তলাহঁতৰ ঘৰলৈ লৈ গ'ল। লগত গ'ল প্ৰজ্ঞান। জগদ্বীশ আৰু লগত যোৱা আন ইটো মানুহক ষ্ট্ৰেচাৰখন নেলাগে বুলি শকুন্তলাই ইতিপূৰ্ব্বেই ঘৰলৈ যাবলৈ হুকুম দিছিল।

* * *

ঘৰ পোৱাৰ লগে লগে শকুন্তলাই প্ৰতিভাক নি নিজৰ বিছনাখনত শুৱাই দিলেগৈ। শকুন্তলাৰ মাক মিচেছ চাওলাই হায়ৈ-বিয়ৈকৈ আহি প্ৰতিভাৰ খবৰ ল'লেহি। সেই শকত আদহীয়া মহিলা গৰাকীয়ে প্ৰতিভাক

সেই দিনাই পোন প্রথম দেখিছে। প্রজ্ঞানৰ ঘৰৰ পৰা শকুন্তলা মাজতে আহি ষ্ট্রেচাৰৰ সৈতে আকৌ নো কলৈ যায় বুলি মাকে সোধাত তাই কৈছিল যে কলেজৰ ছোৱালী এজনী বাটেদি আহোঁতে প্রজ্ঞানৰ ঘৰৰ সমুখত বিপৰীত ফালৰ পৰা অতি জোৰেৰে অহা জীপ গাড়ী এখনৰ সমুখত নপৰাকৈ ভাগ্যে সাবিল; কিন্তু খপকৰে কাষলৈ আঁতৰি যাওঁতে বাটৰ কাষৰ শুকান নৰ্দ্দমাত পিচল খাই পৰি যোৱাত, প্রজ্ঞানৰ চৌহদৰ বাঁহৰ জেওৰাত লাগি বাওঁ গালত বেয়াকৈ আঁচোৰ খালে। ছোৱালীজনীক শকুন্তলাই চিনি পায়, হোষ্টেলৰ ছোৱালী। সেই দেখি প্রজ্ঞানৰ ঘৰলৈ নি যত্ন কৰিছিল। পিছে তাত বখা সম্ভৰ নহৰ দেখি, এতিয়া নিজৰ ঘৰলৈ লৈ আনি শুশ্রূষা কৰি পিছত ছোৱালী হোষ্টেলত থৈ আহিবগৈ। মাকে আগ্রহেৰে জীয়েকক অনুমতি দিছিল প্রতিভাক ততাতৈয়াকৈ লৈ আহিবলৈ। এতিয়া আহি পোৱাৰ লগে লগে শকুন্তলাৰ মাকৰ মুখত কথাৰ আখৈ ফুটিবলৈ ধৰিলে। জীপ আৰু জীপৰ ড্রাইভাৰৰ চৈধ্য পুৰুষ নুঘালাকৈ যেন বুঢ়ী ক্ষান্ত নহৰই!

"বুজিছা", মিচেছ চাওলাই কৈ গ'ল—"এই জীপ ড্রাইভাৰবোৰ!....ইহঁতে ভাবে, গাড়ী সিহঁতেহে চলাইছে। সিহঁত পৃথিৰীতেই আছে নে আকাশতেই আছে—সিহঁতে কৰ নোৱাৰে। আগত চঙ্গীন লগোৱা হিলৈ হাতত লৈ বিপক্ষৰে সৈতে মুখামুখি হৈ যুঁজ কৰিবলৈ সাজু হোৱা চিপাহী, আৰু জীপ লৈ বাটত ওলোৱা জীপ চালকৰোৰ একে গোষ্টিতে পৰে। চঙ্গীনৰ খোঁচত কোন মৰে ঠিক নথকাৰ দৰে, জীপৰ আগত কাৰ প্রাণবায়ু যায় ঠিক নাই!" শকুন্তলাৰ মাকৰ কথা শুনি প্রজ্ঞান, শকুন্তলা, প্রতিভা—তিনিওৰে হাঁহি উঠিলেও, সকলোৱে গহীন হৈ অতি মনোযোগেৰে তেখেতৰ কথালৈ কাণ দিয়াৰ দৰে ভাও জুৰি, মাজে মাজে ইজনে সিজনলৈ চাই থাউকতে চকু টিপিওৱা টিপি কৰিবলৈ ধৰিলে। এনেয়েই ৰক্ষা নাই, তাতে তিনিজনকৈ এই হেন শ্রোতা আগত পাইছে যেতিয়া, মিচেছ চাওলাক পায় কোনে?

জীপৰ আগত ভাগ্যে নপৰি প্রতিভাৰ যে প্রাণ বাচিল সেই দেখি তেখেতে বাৰে বাৰে ভগৰানক ধন্যবাদ জনালে। কিন্তু জীপগাড়ীৰ ওপৰত উঠা খং তেতিয়াও মাৰ যোৱা নাছিল। তেখেতে আকৌ কৈ গ'ল,—"বুজিছা প্রজ্ঞান, শকুন্তলাৰ দেউতাকে কেইবা বাৰো জীপ কিনিব খুজিছিল, মই বাৰে বাৰে আপত্তি কৰি, কিনিবলৈ দিয়া নাছিলোঁ। কিন্তু মোৰ কথা এটাইবোৰ শুনিলেহে? বাপেকে মানিলেও পুতেকে নেমানে। প্রসেঞ্জিৎ

বিলাতলৈ যোৱাৰ ছমাহমান আগতে এখন জীপ কিনি বাপেক পুতেকে চিকাৰত ধৰিলে। সিও বিলাতলৈ গ'ল, ময়ো জীপখন বেচাই পেলালোঁ নহয়। বুজিছা; হৈ যোৱা এই দ্বিতীয় মাহাযুদ্ধখন! এইখনে বাকু কি কৰা নাই? চোৱাচোন, আমি কৰ মানুহ আহি কোনখিনি পালোঁহি! আৰু জীপ! এই জীপগাড়ী যুদ্ধৰ আগত ক'ত দেখিছিলা? যুদ্ধৰ নানান বেয়া বস্তুৰ ভিতৰত এই জীপগাড়ীও নহয়নে বাকু? ভাবি চোৱা, আজি যদি এই ছোৱালীজনীৰ কিবা এটা হ'লহেঁতেন! উস্ উস্ উস্; এই জীপ ড্রাইভাৰবোৰ! ঘণ্টাত ৩০।৪০ মাইলৰ কমে সিহঁতে গাড়ী চলাবই নোৱাৰে। এই চহৰৰ মাজ—মানুহ-দুনুহ-গৰু-বিক্সা—আৰু কত কি? সেইবোৰ যেন সিহঁতৰ আগত একোৱেই নহয়! বুজিছা প্রজ্ঞান বোপা, মই ট্রেন্সপৰ্ট মিনিষ্টাৰ হোৱা হলে জীপগাড়ী চলোৱা বন্ধ কৰি দিলোঁহেঁতেন!" কোনেও একো মাতবোল নকৰা দেখি মিচেছ চাওলাই এটাইবে চকুলৈ এবাৰ চাই আকৌ কলে, "শুনা, শুনা, তোমালোকে ভাবিছা, মই এইবোৰ কথা এনেয়ে বলকিছোঁ। এনেয়ে নহয় সোণহঁত, এনেয়ে নহয়। আজি যদি এই অকণমানি ছোৱালীজনীৰ ওপৰেদি জীপখন গ'লহেঁতেন, ভাবি চোৱা কি হ'লহেঁতেন! তাইৰ মাক বাপেকে....অ' মাই! মই তোমাক একো সোধাই নাই....। তোমাৰ মাৰা দেউতাৰালৈ খবৰ দিব লাগে নহয়?"

"ইহ্! কিনো বৰ ডঙৰ কথাটো হৈছে? মাক-বাপেকক চিন্তাত পেলাই কি লাভ?" শকুন্তলাই ওপৰতে মাত দিলে।

"তই কি বুজিবি আই? মাক বাপেকেহে বুজে লৰা-ছোৱালীৰ কাৰণে তেওঁলোকৰ কিমান চিন্তা?"

"হৈছে মা, তোমাৰ কথা শুনি থাকিলেই প্রতিভা ভাল হৈ নুঠে নহয় এতিয়া...."

"অ', তোমাৰ নাম প্রতিভা নহয়?" মাকে সোধে।

"হয়" প্রতিভাই লাহেকৈ কয়।

"কেনে পাইছা?"

"আপোনাৰ কথা শুনি মোৰ বৰ ভাল লাগিছে। আমাৰ মায়ো....."

"এয়া দেখিছা প্রজ্ঞান" শকুন্তলাৰ মাকে কয়, "দেখিলানে—, মই কৈছোঁ নহয়, মাকে নিজৰ ছোৱালীৰ কাৰণে ভাবিবই...."

"তুমিও নিজকে প্রতিভাৰ মাক বুলি ভাবাচোন....।" শকুন্তলাই ক'লে।
"এ হয়েইতো, মা', কিবা খাবা ?....একাপ কফি ?" তাৰ পিছত ইফালে সিফালে চাই মাতে, "জগৱীশ, জগৱীশ...."
"কি মাইজী!" জগৱীশ তৎক্ষণাৎ উপস্থিত হয়হি।
"বাবুচিক ক, সোনকালে কফি তিনি কাপ...."
"যো হুকুম মাইজী" জগৱীশ তপকৰে নাইকিয়া হয়।

শকুন্তলাৰ মাকে লাহেকৈ আহি প্রতিভাৰ কাষতে বিছনাত বহি, লাহে লাহে নানান কথা কৈ, প্রতিভাৰ গায়ে-মূৰে হাত বুলাই দিলে। এই সৰল মানুহ গৰাকীৰ সৰলতাৰ সকলো চিন চকুৰে-মুখে ফুটি উঠিল। মাকৰ আচৰণত শকুন্তলা সুখী হ'ল। সেই বাতিৰ কাৰণে প্রতিভাক নিজৰ ঘৰতে ৰাখিব খুজিলে।....হোষ্টেলৰ ছোৱালী বুলি মাকে কিন্তু আপত্তি কৰিলে। ক'লে যে, লেডী চুপাৰিণ্টেণ্ডেণ্টক নজনোৱাকৈ প্রতিভাক ৰখা উচিত নহব, আৰু জনালেও চুপাৰিণ্টেণ্ডেণ্টে অনুমতি নিদিব পাৰে। এতেকে সোনকালে গাড়ীৰে নি হোষ্টেলত লেডী চুপাৰিণ্টেণ্ডেণ্টক গটাই দি অহাই ভাল হব।

"কি কোৱা প্রতিভা ?" মাকে সোধে।
"হয়।"
"এৰা, মই যি দেখিছোঁ, তুমি কেইদিনমান হস্পিতেলত চিকিৎসা কৰাই ভাল হব। হাজাৰ হওক—গালৰ ওপৰৰ ঘা....।....এই হেন ধুনীয়া ছোৱালীজনী....!"

কথাখিনি মিচেছ চাওলাই নিজকে নিজে কোৱাৰ দৰে কৈছিল যদিও, সেয়ে প্রতিভাৰ মনত দকৈ সোমাল। যদি গালৰ দাগটো বেয়াকৈ ৰৈ যায় ? বুজিব নোৱাৰাকৈয়ে তাইৰ চকু দুটা সেমেকি উঠিল। ধুনীয়া ছোৱালীৰ মুখখনেই জানো আটাইতকৈ মূল্যবান সম্পত্তি নহয় ?

তাইৰ মনৰ ভাব বুজিব পাৰি শকুন্তলাৰ নিজকেই খুব অপৰাধী অপৰাধী যেন লাগিল। আচল কথাটো কৈ যেন পাপৰ প্রায়চিত্ত কৰিব, তাইৰ এনে ভাব হ'ল। এনে অৱস্থাতেই জগৱীশে কফি আনি দি গ'লহি। শকুন্তলাৰ মাকে লাহে লাহে চামুচেৰে প্রতিভাক কফি খুৱাই দিলে। কফি তৈয়াৰ কৰাত সহায় কৰিলে শকুন্তলাই। তাই নিজে কিন্তু নেখালে। প্রজ্ঞানেও নিজকে সহায়হীন যেন অনুভৱ কৰিলে। যন্ত্ৰৰ পুতলাৰ দৰে

কফি পিয়লা খাই শেষ কৰিলে। প্রজ্ঞানৰ মনত পৰি গ'ল বহুতো কথা। মনত পৰি গল, এই গৰাকী দয়ালু মহিলা আৰু তেখেতৰ স্বামীয়ে কেনেকৈ এদিন প্রজ্ঞানৰ জীৱনলৈ অহা বিতৃষ্ণাৰ মোৰ ঘুৰাই, প্রজ্ঞানৰ প্রাণতো জীয়াই থকাৰ হেঁপাহ জগাই তুলিছিল। 'কিমান মৰমীয়াল মানুহ গৰাকী, কিমান সহানুভূতিশীল!' প্রজ্ঞানে ভাবে।

গধূলি হোৱাৰ লগে লগে প্রতিভাক নিজৰ গাড়ীখনত লৈ শকুন্তলাই হোষ্টেলত থৈ আহিবলৈ গ'ল। গাড়ী নিজেই ড্রাইভ কৰিলে। লগত প্রজ্ঞানো গ'ল। হোষ্টেলৰ লেডী চুপাৰিণ্টেণ্ডেণ্টৰ হাতত গটাই দি আহিবলৈ মিচেছ চাওলাই দঢ়াই দঢ়াই জীয়েকক সোঁৱৰাই দিলে। পাৰিলে প্রতিভাক সেই দিনা মিশ্যন হস্পিটেললৈ স্থানান্তৰিত কৰাৰ বিষয়েও কবলৈ কলে।

"ওঁ, ক'ম, ক'ম! তুমি চিন্তা নকৰিবা।" বুলি কৈ শকুন্তলাই হোষ্টেলমৱাকৈ গাড়ী চলাই দিলে।

তিনি

কেইবা নিযুত টকাৰ মালিক শকুন্তলাৰ দেউতাকক বহুতে কোটি পতি কণ্ট্ৰেক্টৰ বুলিয়েই জানে। তেওঁৰ কেইবা খনো ট্ৰাক আৰু ফাৰ্ষ্ট-ক্লাছ গাড়ী আছে। জীপ কেইখন অৱশ্যে তেওঁ তেওঁৰ তলতীয়া চাব্-কণ্ট্ৰেক্টৰ কেইজনক চলাবলৈ দি দিছে, মিছেছ চাওলাৰ খেচ্‌খেচনি শুনিব নোৱাৰি। প্ৰত্যেকবে গাইপতি একোখনকৈ গাড়ী। শকুন্তলাৰ নিজবো এখন, নিজেই চলায়। শকুন্তলাৰ বিশেষত্ব এয়ে যে প্ৰতি ২০ হাজাৰ মাইল চলাৰ লগে লগে তাই পুৰণি গাড়ীখন বেচি এখন নতুন লয়। দেউতাকেও একমাত্ৰ আদৰৰ জীয়েকৰ এইকণ লৰালি চখত আপত্তি নকৰে। মিচেছ চাওলাকো এখন গাড়ী লাগিবনে বুলি সুধি চাওলা চাহাব কেইবা বাৰো লাজত পৰিছে।

"মোক গাড়ী কেলেই ?" মিচেছ চাওলাই কয়, "মোৰ এতিয়া গাড়ীত গা ঘেলোৱা বয়স আছেনে ?"

"গা ঘেলাবলৈহে জানো মানুহে গাড়ীত উঠে ?" চাওলাই ৰগৰ কৰি সোধে।

"নাই কামত, নাই চখত।" মিচেছ চাওলাই উত্তৰ দিয়ে।

"মোৰ কামো নাই, চখো নাই। মোক গাড়ী কেলেই ?"

"বাৰু, বাৰু, তোমাৰ নিজৰ নামত গাড়ী নেলাগে বাৰু! তোমাৰ গাড়ীখন পৰিয়ালৰ উমৈহতীয়া হিচাপেই থাকক, কি কোৱা ?" চাওলাই ইতিমধ্যে চাবিখন গাড়ী কিনি পেলাইছিল।

"বাৰু" বুলি মিচেছ চাওলাই সন্মতি দিয়াত, এতিয়া সেই প্ৰকাণ্ড 'ডি-চট' খনেই তেওঁলোকৰ 'ফেমিলি কাৰ।' ঘৰুৱা দৈনন্দিন বজাৰ-সমাৰ কৰা, অসুখ-বিসুখে ডাক্তৰ আদি অনা নিয়া ইত্যাদি ধৰণৰ কামবোৰ সেই প্ৰকাণ্ড গাড়ী খনেৰে চলোৱা হয়। তাৰ কাৰণে এজন সুকীয়া ড্ৰাইভাৰ। আৰু এজন ড্ৰাইভাৰ চাওলা চাহাবৰ নিজৰ। একমাত্ৰ জীয়েক শকুন্তলা আৰু একমাত্ৰ লৰা প্ৰসেঞ্জিতে নিজেই গাড়ী চলায়। প্ৰসেঞ্জিতে বিলাতলৈ যোৱাৰ পিছত এতিয়া শকুন্তলাৰ অধীনতে দুয়োখন গাড়ী। যিখনতে ইচ্ছা, সেইখনতে শকুন্তলাই ফুৰা-চকা কৰে। চহৰৰ সকলোৱে শকুন্তলাক চিনি পায়। এনে এটি আবেলি নাই, যিদিনা শকুন্তলাক ব্ৰহ্মপুত্ৰৰ পাৰৰ ৰাজ আলীয়েদি ঘণ্টাত অন্ততঃ ৩০ মাইল বেগেৰে গাড়ী চলাই যোৱা দেখা

নেযায়। কেতিয়াবা লগৰ দুই এজনী ছোৱালী গাড়ীত থাকে, নহলে প্ৰায় অকলে। কোনেও আজিলৈকে কোনো ল'ৰাক গাড়ীত উঠোৱা শকুন্তলাক দেখা নাই। সকলোবে কাৰণে ই এটা ৰহস্য। চহৰ খনতেই শকুন্তলা এটি ৰহস্য! শকুন্তলাই নিজে হয়তো নেজানে!

এই ছোৱালী জনী যেনে ধুনীয়া, তেনে বুধিয়ক, তেনে তাইৰ চৌম্বকীয় ব্যক্তিত্ব। ওচৰ চাপিবলৈ কোনেও সাহ নকৰে। দুই এজনে দুই এবাৰ মৰসাহ কৰি ওচৰ চাপিছিল যেনেকৈ, পুৰস্কাৰো পাইছিল সেই ধৰণে। আচৰিত কথা, এই ছোৱালীজনীক সহায় কৰিবলৈ সকলো ডেকা আগৰণুৱা অথচ তাই কাৰো সহায় নিবিচাৰে।

চহৰৰ ধুৰন্ধৰ ডেকাসকল শকুন্তলাক লৈ দুভাগ। ইদলে বিচাৰে যে সিদলৰ কোনো যাতে শকুন্তলাৰ ওচৰ চাপিব নোৱাৰে। ফলত কোনো শকুন্তলাৰ ওচৰ নেচাপে। এনেকৈ কাৰো লগত কথা নোকোৱাকৈয়ে শকুন্তলাৰ অজ্ঞাতেই যে চহৰত এনে এটি তোলপাৰ চলিব লাগিছে—সেই কথা জনাবলৈকো কোনো আজিলৈকে শকুন্তলাৰ ওচৰ চাপিব পৰা নাই। ঈশ্বৰেও বোধকৰো এনে ধৰণৰ অপৰূপ ধুনীয়া ছোৱালীবোৰক এই ধৰণেই সদায় ৰক্ষা কৰি আহিছে। নহলে, লগত কাকো নোলোৱাকৈ আজিলৈকে শকুন্তলা কিমান ঠাইলৈ গৈছে—এঙ্কাৰ হোৱালৈকে হয়তো কেতিয়াবা চহৰৰ আঁতৰৰ নিৰ্জন আলীয়েদি অকলে গাড়ী চলাই আহি আছে—কিন্তু ক'তো আজিলৈকে কোনেও একো অপায় সৃষ্টি কৰিব পৰা নাই। এবাৰ ৰাতি প্ৰায় ৮ মান বজাত পাণ্ডুৰ পৰা গাড়ী চলাই অকলে আহি থাকোতে কামাখ্যা আৰু মালিগাৱঁৰ মাজৰ ৰাস্তাত হঠাৎ কৰবাৰ পৰা এখন জীপ সমুখৰ পিনৰ পৰা আহি বাটৰ সোঁ-মাজতে ৰলহি। বাধ্য হৈ শকুন্তলাই গাড়ী ৰখালে। জীপৰ পৰা নামি ক'লা পোচাক পিন্ধা তিনিজন মানুহ শকুন্তলাৰ গাড়ীৰ পিনে আহি শকুন্তলাৰ ওচৰ পাওঁ পাওঁ হওতেই হঠাৎ আৰু এখন জীপ পাণ্ডুৰ পিনৰ পৰা আহি পিছ ফালে ৰলহি। কথা নাই, বতৰা নাই সেই জীপৰ পৰা শকত-আৰত তিনি চাৰিজন ডেকা হাতত একোডাল লাঠি লৈ ক'লা পোচাক পিন্ধা মানুহ কেইটাৰ ওচৰ পাই ক'লে যে—বাটত গাড়ী ৰখাই এজনী অকলশৰীয়া ভদ্ৰলোকৰ ছোৱালীৰ ওচৰত অসভ্যালি নকৰি ভালে ভালে য'ৰ পৰা আহিছে তালৈ যেন উভতি যায়, নহলে কথা বেয়া হব। তাৰ পিছত অলপ সময় দুয়ো দলৰ মাজত তৰ্ক-বিতৰ্ক দাবি-ধমকি

চলিল। বোধকবো উভয় পক্ষই উভয় পক্ষক চিনি পায়। সিমানতে ভদ্রলোকব দবে সমুখব জীপখন পাণ্ডু মুরা হৈ আৰু গুৱাহাটী মুৱা জীপখন গুৱাহাটী মুখে বাওণা হ'ল। যাবৰ সময়ত হাতত লাঠি থকা এজনে কৈ গ'ল—"কোনো ভয় নাই মিছ চাওলা। আপুনি যাওকগৈ। পিছে, আগলৈ ইমান বাতি নকবিব। বাতিব এন্ধাবত অৱশ্যে কাৰো মুখ চিনাব উপায় নাছিল।

সেইদিনাব পবা শকুন্তলা আগতকৈ অলপ সাৱধান হ'ল। গধূলি হোৱাব লগে লগে ঘব সোমায়। মিচেছ চাওলাব মূবব বিষো কিছু কমিল। চাওলাই ভাবিলে, জীয়েক বুজা হৈছে। প্রজ্ঞানেও মনে মনে ভাল পালে।

* * *

এফালে শকুন্তলাক লৈ চাওলা পবিয়ল যেনেকৈ মহা চিন্তাত পবিল, আনফালে তাইব উপস্থিতিয়েই শান্তিব সুগন্ধি ধূপব সুবভিব দবে ঘবখন আমোল মোলাই পেলালে। ওচব চুবুবীয়া অসমীয়া, বঙালী, মাবাঠী, গুজবাটী, মাদ্রাজী, পাঞ্জাবী সকলো পবিয়ালব মাজতে সুপবিচিত এই চাওলা পবিয়ালব একমাত্র জীয়াবীব প্রশংসাত সকলো শতমুখ। জাকে জাকে শকুন্তলাব লগব ছোৱালীবিলাক আহে চাওলাহঁতব ঘবলৈ; অসমীয়া ছোৱালীব সংখ্যা স্বাভাৱিকতে সবহ। সকলোকেই শকুন্তলাই মাকব লগত চিনাকি কবি দিয়ে। শকুন্তলাহঁতব আগ ফালব প্রকাণ্ড ঘাঁহনি দবাত মিচেছ চাওলাক মাজত লৈ ছোৱালীহঁতে যেতিয়া ধেমালি ধুমুলা কবে সেই গোটেই চুবুবীটো বজন্‌জনাই যায়। সকলোৱে কিবা এটা নহয় কিবা এটা লৈ, শকুন্তলাব মাকক জোকায়। কোনোৱে কয়,—"খুবীদেউক পালোৱান যেন দেখি, খেনোৱে কয়,—"শকুন্তলাক নিদিয়াকৈ মাহীদেৱে লুকাই লুকাই ভাল বস্তু খায় দেখিহে ইমান শকত!" এই গৰাকী তিৰোতাব তেজে ফুটি যাও ফাটি যাও মুখখনিলৈ চাই, কোনোবা এজনীয়েবা আকৌ চকু টিপ মাবিয়েই ক'ব, "বুইছা শকুন্তলা, পেহীদেৱে কি কবে জানা?" সকলোৱে সুধিব, "কি?" ছোৱালীজনীয়ে ক'ব, "সৌৱা নোচোৱা কিয়?" তোমাতকৈও চোৱাচোন শকুন্তলা, তোমাব মাবাব মুখখন কিমান বেচি বঙা। কিয় বঙা জানা? কুজ্....কুজ্....কুজ্....। মনে মনে কুজ্ ঘহে।" আটাই জাক ছোৱালীয়ে ঘিক ঘিককৈ হাহি দিয়ে। এইদবে ধেমালি-ধুমুলাব মাজেদিয়েই শকুন্তলাব দিনবোব সুখেৰে কাটি যায়।

সকলোবে মুখত কেৱল শকুন্তলাব প্রশংসা। চাওলা দম্পতিয়ে সেই প্রশংসা মনে মনে শুনি যায়, একো মন্তব্য নকবে। তেওঁলোকে বুজে—এনে প্রশংসাত গা এবি দিলে, ঈশ্বৰে নসহে। ঈশ্বৰব কৃপাই হৈছে এটাইতকৈ ডাঙব প্রশংসা। মাত্র এহাল ল'ৰা ছোৱালী। আগলৈকো নাই, পিছলৈকো নাই। ঈশ্বৰে এই হালকে ভালে কালে বাখিলেই তেওঁলোক সুখী। তেওঁলোকব অগাধ সম্পত্তি। খাওতা নাই। ইহঁত হালেই ভবিষ্যতলৈ চলাই মেলি খাব লাগিব। বুঢ়া বয়সত সিহঁতব হাতত সকলো গটাই-মেলি বুঢ়া-বুঢ়ীয়ে দেশ ভ্রমণ কবিবলৈ ওলাব। এয়েই বুঢ়া-বুঢ়ীব ভবিষ্যতব কল্পনা। কেৱল মাজে মাজে শকুন্তলাব ভবিষ্যতব কথা ভাবিহে মিচেছ চাওলাক অলপ অস্থিব হোৱা যেন দেখা যায়। ঘৈণীয়েকক চিন্তা কৰা দেখিলে—মিঃ চাওলাই কয়, "হেৰা, ইমান চিন্তা কবিছা কিয়? তুমি জানো কেতিয়াবা ভাবিছিলা, মোব দবে এনে এজন স্বামী লাভ কবিবা?"

"ইহ্! বব স্বামী জন। আপুনিয়েই কওকচোন, আপুনি নিজেও জানো কেতিয়াবা ভাবিছিল, মোব দবে এনে এগবাকী পত্নী লাভ কবিম বুলি?"

তাব পিছত দুয়ো বুঢ়া-বুঢ়ীব কি হাঁহি!

এনেকৈয়ে তেওঁলোকব দিনবোব সুখতে অতিবাহিত হয়।

চাওলা পবিয়ালব এটাইতকৈ মন কবিব লগীয়া কথা হৈছে—তেওঁলোকে কাকো ঘিণ কবিব নেজানে। তেওঁলোকব ঘকৰা শিক্ষা হৈছে,—সকলো মানুহকে সমান চকুবে চোৱা। ভাষা সমস্যাই তেওঁলোকক কেতিয়াও প্রলাপ বকিবলৈ প্রেৰণা যোগোৱা নাই। তেওঁলোকব মতে কোনো ভাষা ভাষী লোক, ভাষাব গোলাম নহয়; ভাষাহে তেওঁলোকব গোলাম। যি লোকব মানসিক লক্ষণ যেনেকুৱা, ভাষায়ো সেইমতে গঢ় লয়। ভাষা ভাবব বাহন, ভাব ভাষাব বাহন হব নোৱাৰে। পৃথিবীত যি ভাষাই যিমান উন্নতি কৰিছে, সেই উন্নতিব মূলতে আছে উন্নত ভাব। ভাবব সমৃদ্ধিহে ভাষাৰে ৰূপায়িত হয়। ভাবত দুখীয়া হলেই ভাষাৰো অৱনতি ঘটে। সেই দেখি একোটা ভাষা ভাষী জাতিব সাহিত্যই সকলো সময়তে সমান মর্য্যদা বজায় বাখিব নোৱাৰে। ভাবব পতন হলে, ভাষাব পতন অনিবার্য্য। ভাবব উন্নতি ঘটিলেই সেই ভাব প্রকাশ কবিবব কাৰণে ভাষাও সেই অনুপাতে উন্নত পর্য্যায়লৈ যাবলৈ বাধ্য। ইংলণ্ডব বাণী ১ম এলিজাবেথব দিনত

ইংৰাজী সাহিত্যই মার্লো, চেক্সপিয়ৰ, মিলটন আদিৰ হাতত যি উন্নত ৰূপ লৈছিল ; তেনে উন্নত ৰূপ তাৰ পিছৰ কেইটি যুগত আজিলৈকে ল'ব পৰা নাই বুলি সেই সাহিত্যৰ লগত সম্পৰ্ক থকা সকলোৱে স্বীকাৰ কৰিব। ঠিক তেনেকৈ কালিদাসৰ যুগৰ কাব্যক তাৰ পিছৰ ভাৰতীয় কোনো কাব্যই আজিলৈকে তল পেলাব পৰা নাই। ভাষাৰ বাহন ভাব হোৱা হলে, ভাষাবিদ পণ্ডিতসকলৰ বচনাৰ আগত কালিদাস, চেক্সপিয়ৰৰ দৰে মহাকবি সকলৰ বচনা কেতিয়াবাই নিস্প্ৰভ হৈ গলহেঁতেন। এই কথা জানিও মানুহে ভাৰৰ সমৃদ্ধিৰ গৌৰৱ নকৰি ভাষাৰ সমৃদ্ধিৰ গৌৰৱ কৰে কিয় ? এই কথাটোকেই মিঃ চাওলাই বুজিবলৈ বহুত চেষ্টা কৰিও আজিও বুজিব পৰা নাই। সেই দেখি দেশ জুৰি ভাষা লৈ হোৱা টনা-আজোৱা বোৰৰ অৰ্থ তেওঁ বিচাৰি নেপায়। তেওঁ ভাবে মহাকবি কালিদাস বা চেক্সপিয়ৰৰ দৰে কবি যি কোনো দেশতে জন্ম গ্ৰহণ নকৰক, তেওঁলোকে বচনা কৰা সাহিত্যৰ জৰীয়তে পৃথিবীৰ ভিতৰত বৰ্ত্তমানে এটাইতকৈ চকুত নপৰা ভাষা এটিও হঠাৎ জগৎ বিখ্যাত হৈ পৰিবগৈ পাৰে। সেই দেখি ভাব বা চিন্তা শক্তিৰ বিকাশ ঘটাবলৈহে সকলোৱে যত্ন কৰা উচিত। আনে থৈ যোৱা ধনৰ পেৰা দেখুৱাই, কাৰ পেৰা কিমান ডাঙৰ বা গধূৰ এই বুলি কাজিয়া কৰিলে পেৰাত নকৈ ধন নোসোমায়, বৰঞ্চ যি ধন আছে, তাতো মামৰে ধৰাহে সম্ভৱ। ভাৰতৰ ঐতিহ্য চিৰদিনেই সহ-অৱস্থানৰ ভেঁটিত প্ৰতিষ্ঠিত। সেই হেন অলৰ-অচৰ ভেঁটিত কোনোৱে তিতালাও গজাবলৈ ইচ্ছা কৰিলেও নোৱাৰে। এতেকে ভাৰতৰ ভাষা সমস্যা নিচেই ক্ষণস্থায়ী ; ক্ষণস্থায়ী হবলৈ বাধ্য !

শকুন্তলাই সদায়েই নিজক অসমীয়া ছোৱালী বুলি চিনাকি দিয়ে। পোচাকলৈ দেখুৱাই কোনোবাই যদি প্ৰশ্ন কৰে, "ক'তা, তুমি দেখোন বিহা মেখেলা পিন্ধা নাই ?" তাই কয়, "মানুহৰ মন পোচাকত সোমাই নেথাকে নহয় ; মনৰ ঠাই মগজু আৰু কলিজাহে ! ইচ্ছা গ'লেই বিহা মেখেলা পিন্ধিম। পইচা দিলেই নেপাম জানো ?"

দুনাই প্ৰশ্ন কৰিবলৈ মানুহৰ বাট নেথাকে।

শকুন্তলাই ভাবে, আজি যদি কোনো অসমীয়া পৰিয়াল গৈ পঞ্জাবত নিগাজিগৈ বাস কৰেগৈ, অথচ পাঞ্জাবী ভাষাক তিৰস্কাৰ কৰি অসমীয়া ভাষাৰ শ্ৰেষ্ঠতা প্ৰমাণত লাগি যায়, তেনে অসমীয়াই হওক বা যি কোনো

ভাৰতীয় ভাষা ভাষী নহওক—কাৰো নিজকে ভাৰতীয় বুলি চিনাকি দিবৰ অধিকাৰ নাই। প্ৰত্যেক ভাৰতীয়ই আজি পৰস্পৰে পৰস্পৰৰ ভাষাৰ প্ৰতি শ্ৰদ্ধাৰ চকুৰে নেচালে, ভাৰতৰ ভবিষ্যত অন্ধকাৰ। বিদেশীৰ হেঁচাত থান্‌বান্ হোৱা ভাৰতৰ দোঁহাই দি, স্বাধীন হোৱাৰ পিছতো থান্‌বান্ মনোভাব লৈ থাকিলে, ভাৰতে স্বাধীনতা বজাই বখাটোৱেই টান হৈ পৰিব। ইমান কষ্টেৰে অৰ্জা স্বধীনতা, সামান্য ভাষা সমস্যাই আকৌ থানবান কৰাৰ অধিকাৰ দিব পাৰিনে ?

প্ৰত্যেক ৰাজ্যৰে খেতি বেলেগ বেলেগ। যি ৰাজ্যত যি খেতি হয়, সেই খেতিত মনোযোগ নিদি আনে আহি তাত নিজৰ খেতি কৰিবলৈ দাবী জনালে—ইয়াৰ খেতিও নহয়—তাৰ খেতিও নহয়। সেই কথা জানিও যদি কোনোবাই তেনে কৰিবলৈ ইচ্ছা কৰে, তেনেহলে বুজিব লাগিব তাৰ মাজত দুৰভিসন্ধি সোমাই আছে। স্বাধীন ভাৰতৰ ৰাজ্য সমূহৰ মাজত সেই মনোভাব গঁজালি মেলিলেও, বাঢ়িবলৈ দিয়া জানো যুগুত হব ?

সাধাৰণ কথা বতৰাৰ মাজত, এনে ধৰণৰ কথা বতৰায়ো কেতিয়াবা কেতিয়াবা শকুন্তলাহঁতৰ ঘৰত অলক্ষিতেই আলোচনা চক্ৰ একোটা ক্ষন্তেকৰ কাৰণে হলেও সৃষ্টি কৰি পেলায়।

আলোচনা চক্ৰত যোগ দিয়াৰ সুযোগ প্ৰজ্ঞানেও কেতিয়াবা পায়। বাকী বিলাক অৱশ্যে শকুন্তলাৰ বান্ধৱীসকলহে।

এনে আলোচনা চক্ৰৰ সামৰণি সদায়েই চাহ মেলেৰে মৰা হয় ; এতেকে যোগ দিওতা ছোৱালীৰ সংখ্যাও সৰহ !

চাবি

প্রতিভাক হোষ্টেলত থৈ উভতি আহোঁতে বাতি প্রায় চাবে সাত বাজিছিল। শুক্লা প্রতিপদৰ ঘোপমৰা এন্ধাৰ বাতি মাজে মাজে বাটৰ কাষত তৰাৰ দৰে জ্বলি থকা বিজুলী চাকিবোৰ এটি এটিকৈ পিছ পেলাই শকুন্তলাই সাধাৰণতে নচলোৱা ঘণ্টাত মাত্ৰ ১৫ মাইল বেগত গাড়ী চলাই আহি আছে। মটৰ চালিকাৰ বাওঁ কাষে বহি আহিছে প্ৰজ্ঞান। কাৰো মুখত মাতবোল নাই। শকুন্তলাৰ কেৱল মনত পৰি আহিছিল--প্ৰতিভাৰ অজলা মুখখনিৰ কথা। ইমান মৰম লগা ছোৱালীজনী! শকুন্তলাতকৈ কিমান সৰু। তাইৰ ওপৰতনো শকুন্তলাই কেনেকৈ ইমান নিষ্ঠুৰ ধৰণে প্ৰতিশোধ লবলৈ বিচাৰিব পাৰিছিল! নাই নাই--প্ৰতিভাৰ একো দোষ নাই সকলো দোষ প্ৰজ্ঞানৰ! প্ৰজ্ঞানে কেলেই সেই অকণমানি ছোৱালীজনীৰ ওচৰত নিজৰ দুৰ্ব্বলতা প্ৰকাশ কৰিছিল? কি অধিকাৰ আছে প্ৰজ্ঞানৰ আন এজনী ছোৱালীক ভাল পোৱাৰ? তেনেহলে, তেনেহলে—প্ৰজ্ঞানে শকুন্তলাক ভাল নেপায় নেকি? কি বিশ্বাস আছে এই মতা মানুহবোৰৰ? সিহঁতে একে সময়তে কেইবাজনীকো ভাল পোৱাৰ ভাও জুৰিব পাৰে। ইজনীৰ আগত সিজনীৰ কথা নকয়; দেখুৱাৰ খোজে যিজনীৰ ওচৰত আছে—পৃথিবীত একমাত্ৰ সেইজনীকহে ভাল পায়! প্ৰজ্ঞানো মতা মানুহ! এই মতা মানুহবোৰে 'তিৰোতাৰ সঁজাত নাই' বুলি চিৰদিনে চিয়ঁৰি আহিছে, কেৱল নিজৰ সজাঁত নোহোৱা দোষ ঢাকিবৰ বাবে। এনে ধৰণে পুৰুষে তিৰোতাক আৰু তিৰোতাই পুৰুষক দোষাৰোপ কৰা স্বভাৰটোনো বাৰু কেতিয়াকৈ নাইকিয়া হব? কেতিয়াকৈনো শিলক শিল, কাঁঠক কাঁঠ আৰু বাঁহক বাঁহ বুলিবলৈ মানুহক ঈশ্বৰে সুমতি দিব? প্ৰজ্ঞানৰ ওপৰত শকুন্তলাৰ খং উঠি যায়। পিছ মুহূৰ্ত্ততে আকৌ মনত পৰে প্ৰতিভাৰ অজলা মুখখন। তাইৰ বাওঁ গালত আঁচোৱা শকুন্তলাৰ নখৰ দ দাগ কেইটালৈ। তাইৰ গালৰ পৰা ওলোৱা তেজবোৰলৈ। গালৰ ওপৰৰ বেণ্ডেজ্‌টোলৈ। গালৰ বিষত তাইৰ ভালকৈ হাঁহিব নোৱাৰা মুখখনলৈ। কিয়ে অন্যায় কৰিলে তাই—সেই হেন চালে চকু ৰোৱা অকণমানি ধুনীয়া ছোৱালীজনীক। এতিয়া যদি তাইৰ গালৰ আঁচোৰ কেইটা বৈ যায়, সেই কাৰণে এতিয়া যদি তাইক আপচু দেখি! শকুন্তলাই ভাবিব নোৱাৰা হৈ যায়। অতর্কিতে তাইৰ চকুৰ পানী ওলাই দুগালেৰে বাগৰি যায়। তাই

মনে মনে গাড়ী চলাই গৈয়েই থাকে। বিপৰীত ফালৰ পৰা আহি কাষেদি বগল হৈ যোৱা দুই এখন গাড়ীৰ চাকিৰ পোহৰত প্ৰজ্ঞানে শকুন্তলাৰ চকুৰ পানী দেখিছে। সমুখৰ পিনে চাই অহাত প্ৰজ্ঞানৰ চকুত যেন ধৰাই পৰা নাই, এবে ভাব দেখুৱাই প্ৰজ্ঞান গহীন হৈ বহি আহিছে। সঁচা কথা কবলৈ গলে, শকুন্তলাৰ মূৰ্ত্তি দেখি প্ৰজ্ঞানৰ মাতিবলৈ সাহ হোৱা নাছিল। মনে মনে ভাবিছিল,—এতিয়া গাড়ী দুৰ্ঘটনা নকৰিলেই হৈছে। কোনো মতে ঘৰ পালেই ৰক্ষা বুলি প্ৰজ্ঞানে ওৰে বাটে ভাবি আহিছিল।

গাড়ী আহি শকুন্তলাহঁতৰ ঘৰৰ সমুখৰ মটৰ ষ্টেণ্ড ৰ'লহি। গাড়ীৰ পৰা ঘপকৰে নামি কোনো ফালে নোচোৱাকৈ শকুন্তলা পাৰ্টিকৰ মাজেৰে ভোঁ-ভোঁৱাই ঘৰৰ ভিতৰলৈ গ'ল। গাড়ী ৰখোৱাৰ লগে লগে গাড়ীৰ ভিতৰতেই অৱশ্যে দোপাত্তাৰ আচলেৰে গালৰ চকুপানী মচি লবলৈ পাহৰা নাছিল।

প্ৰজ্ঞান বাহিৰৰ কোঠাতে ডাঙৰ চোফা এখনত বহি পৰিল। প্ৰায় লগে লগেই মিচেছ চাওলা আহি প্ৰজ্ঞানৰ কাষতে চোফাখনৰ ইটো বাউসীৰ পিনে আওজি বহি আদ্যোপান্ত সকলো এটা এটাকৈ সুধি গ'ল। প্ৰজ্ঞানেও যিমান সংক্ষেপে পাৰে উত্তৰ দি গ'ল। প্ৰজ্ঞানৰ মুখৰ পৰা প্ৰতিভাৰ বিষয়ে সকলো কথা জানি বিশেষকৈ তেতিয়াই তেতিয়াই হোষ্টেলৰ লেডী চুপাৰিণ্টেডেণ্টে প্ৰতিভাক মিশ্যন হস্পিতাললৈ নি সকলো সুবন্দোবস্ত কৰি দিয়া বুলি জানি, মিচেছ চাওলাই বাৰে বাৰে চুপাৰিণ্টেণ্ডণ্টক ধন্যবাদ দিবলৈ ধৰিলে।

"এৱা, তেওঁলোকৰ কথাই বেলেগ। বুজিছা প্ৰজ্ঞান বোপা! কোনো এটা জাতিয়ে যেতিয়া বৰ বেচি উন্নতি কৰে, আন বোৰৰ হিংসা লাগে। কিন্তু তুমি ঠিক জানিবা, উন্নতি কৰিবলৈ হলে নিশ্চয় কিবা বিশেষ গুণ থাকিব লাগিব। সেই বুঢ়ী আমেৰিকান গৰাকীৰ কৰ্ত্তব্য বোধেই জানো গোটেই আমেৰিকান জাতিটোৰ জাতীয় চৰিত্ৰ আংশিক ভাবে হলেও প্ৰকাশ কৰা নাই?"

প্ৰজ্ঞানে মনে মনে মূৰ দুপিয়াই শলাগি যায়।

"কি? মনে মনে আছা দেখোন?"

"নাই, আপোনাৰ কথাকে শুনিছো।" প্ৰজ্ঞানে নম্ৰ ভাবে উত্তৰ দিয়ে।

"সেইটো ময়ো বুজিছো। কিন্তু, তুমিতো ইমান মনে মনে থকা ল'বা নোহোৱা? নে মই মিছা কৈছো?"

"আপুনি যে কি কথাবোৰ কয়? মই জানো সেই বুলি কৈছো?" প্রজ্ঞানে অপৰাধীৰ দৰে কয়।

"তেনেহলে মনে মনে আছা কিয়?"

'অলপ ভাগৰ লাগিছে।' প্রজ্ঞানে লাহেকৈ কয়।

"বাৰু, তেনেহলে জিৰোৱা। মই যাওঁ, বাগৰ দিওঁগৈ।" মিচেছ চাওলা যাবলৈ উদ্যত হৈ হঠাৎ ৰৈ গ'ল।

'অ' শুনা প্রজ্ঞান, আজি ৰাতি ইয়াতে খাই যাবা।"

"আজিতো দেওৰাৰ নহয়!" প্রজ্ঞানে হাঁহি কয়।

"তোমাৰ দেওৰাৰৰ সাজটো বাৰু মৰা নাযায়।" মিচেছ চাওলা প্রজ্ঞান—দুয়ো ডাঙৰকৈ হাঁহে।

জগদ্বীশে ভুমুকি মাৰিলেহি। "মোক মাতিছিল মাইজী?"

"অ', আহিছ, ভালেই কৰিছ। প্রজ্ঞানেও ইয়াতে খাব। শকুন্তলাক কগৈ, সোনকালে খোৱাৰ দিহা কৰক। ৰাতি আঠ বাজিলেই।" সোঁহাতৰ কিলাকুটিৰ ওপৰত পিন্ধা তাবিজৰ দৰে অকণমানি ঘড়ীটোলৈ চাই মিচেছ চাওলাই হাঁহি কলে:

"বুজিছা প্রজ্ঞান, মই ঘড়ী নিপিন্ধো, ইইঁতৰ দেউতাকে নেৰে। খং উঠি কলোঁ "পিন্ধিলে হেজাৰ টকাৰ ঘড়ী পিন্ধিম।" মই ভবা নাছিলোঁ—বুজিছা, যোৱাৰাৰ বোম্বেলৈ যাওঁতে এই হাজাৰটকীয়া ঘড়ীটো লৈ আহিল। তুমিয়েই কোৱাচোন বাৰু, এইটো ঘড়ী নে গহনা? সেই দেখি বুজিছা, খং উঠি ময়ো হাতত বাজু পিন্ধাৰ দৰে সোঁহাতৰ কিলাকুটিৰ ওপৰতেই তাক পিন্ধা কৰিছোঁ; কেনে দেখিছা?" বুঢ়ীয়ে এনে এটি শব্দবিহীন হাঁহি মাৰিলে যে প্রজ্ঞান সেই পিনে অবাক হ'ল। বুঢ়ীৰ ওপৰ পাৰিৰ আগদাঁত এটা সৰিছে। সুন্দৰ পকা থেকেৰাৰ দৰে বঙা হৈ থকা গাল দুখন কোঁচাই দুয়োপাৰি দাঁত উলিয়াই মৰা মিচেছ চাওলাৰ হাঁহিটো যি এবাৰ দেখিছে জীৱনলৈ পাহৰিব নোৱাৰে। হাঁহিলে বুঢ়ীৰ কাণ দুখনো টিক্‌টিক্ কৰে বঙা হৈ পৰে। বুঢ়ীৰ হাঁহিটোত তদুপৰি এনে এটা মোহিনী শক্তি আছে যে সেই হাঁহি দেখিলে কোনেও বেজাৰ মনে থাকিব নোৱাৰে। প্রজ্ঞানেও হোঁ হোঁ কৰে হাঁহি দিলে। গধুৰ গধূলিটোৰ আটাইখিনি বোজা ইমান সহজতে কান্ধৰ পৰা খন্তেকৰ কাৰণে হলেও থৰলৈ পাই, প্রজ্ঞানে মনে মনে এই সুন্দৰী মহিলা গৰাকীক অন্তৰেৰে ধন্যবাদ জনালে।

মিচেছ চাওলা ভিতৰলৈ গ'ল। লগে লগে প্রজ্ঞানৰ মনটো আকৌ ডাৱৰীয়া হৈ পৰিল। নিজৰ ওপৰতেই নিজৰ খং উঠিল। ভাবিলে, আজিৰ এই সকলো কাণ্ডৰ কাৰণে তেওঁ নিজেই দায়ী। দায়ী এই কাৰণেই যে—যেনেকুৱা অৱস্থাতেই নপৰক, সেই অৱস্থাই তেওঁক বশীভূত কৰাতকৈ, অৱস্থাক তেওঁ বশীভূত কৰি নিজৰ হাতৰ মুঠিলৈ আনিব নোৱাৰিলে কিয়? অৱস্থাৰ দাস হোৱাটোতো প্রজ্ঞানৰ জীৱনৰ উদ্দেশ্য নহয়। চিৰদিনে অৱস্থাৰ লগত সংগ্রাম কৰি অৱশেষত এনেকৈ অৱস্থাৰ বশ্যতা স্বীকাৰ কৰাৰ ফলত, অনাহকত এজনী ছোৱালীয়ে ভবিষ্যতলৈ সদায়েই কষ্ট পাই থকাকৈ কি কামটোৱেই হৈ নগ'ল। দেহৰ, বিশেষকৈ মুখৰ সৌন্দর্য্যই জানো নাৰীৰ ভবিষ্যত নহয়? প্রতিভা, প্রতিভাৰ মুখত যদি বেয়াকৈ দাগ ৰৈ যায়! প্রজ্ঞান শিঞৰি উঠে।....প্রতিভাক প্রজ্ঞানে নিশ্চয় ভাল পায়, আৰু ভাল পায় শকুন্তলাকো। কিন্তু ভাল যদি তেওঁ কাকো নেপালেহেঁতেন! কিন্তু কেনেকৈ? তেওঁতো গ্রীক পৌৰাণিক উপাখ্যানৰ নাছিছাচ নহয় যে কেৱল নিজৰ ৰূপতে নিজে মজি থাকি নিজৰ দুখতেই নিজে প্রাণ হেৰুৱাব? তেওঁৰ প্রাণৰ প্রতিধ্বনিযে তেওঁ শুনিছে—এই দুজনী ছোৱালীৰ অন্তৰত। তেওঁ বাৰু কেনেকৈ উপেক্ষা কৰিব 'নাছিছাচে' 'ইকো'ক উপেক্ষা কৰাৰ দৰে? তেওঁৰ অন্তৰত কিমান মৰম আছে—তাৰ উমান প্রজ্ঞানে পোন প্রথম পাইছিল—তেওঁৰ মৰমৰ 'প্রাণ'—সেই ভূটিয়া কুকুৰটো যেতিয়া অনাহকত মৰিবলগীয়া হৈছিল! সেই এটা দিন! সেইদিনা প্রাণৰ লগে লগে হেৰাই যাব খোজা প্রজ্ঞানৰ সাঁচতীয়া সকলো মৰম যে শকুন্তলাতেই ঢালি দিছিল। নহলে হয়তো ইমান দিনে প্রজ্ঞান বলিয়া হৈ গ'লহেঁতেন। শকন্তলাৰ দেউতাক দয়ালু চাওলাই যদি জোৰকৈ প্রজ্ঞানক নিজৰ ঘৰলৈ নি খুৱাই খুৱাই বুজনি নিদিলেহেঁতেন, কোনে জানে—সেইদিনাই প্রজ্ঞানৰ কি হৈ গ'লহেঁতেন!

মৰম বিলাসী প্রজ্ঞান সৰুৰে পৰাই। প্রজ্ঞানৰ এতিয়াও মনত আছে—সৰুতে মাক-বাপেক বা ডাঙৰে প্রজ্ঞানক মৰম নকৰিলে বা অবহেলা কৰিলে প্রজ্ঞানৰ কিমান খং উঠিছিল। সৰুতে এবাৰ মাকে আন কেইটি ভায়েকক কিবা খাবলৈ দিছিল। প্রজ্ঞানক 'দুষ্ট লৰা' বুলি মাকে এবাৰ কেৱল ঘোপাকৈ চাইছিলহে, সেই খণ্ডতে প্রজ্ঞানে গোটেই দিনটো বিছনাত উবুৰি হৈ উচুপি আছিল। মাকে মৰম কৈ মাতি নি খুৱাওতেহে খাইছিলগৈ।

সেয়া আছিল অৱশ্যে শিশুৰ প্ৰতি থকা ডাঙৰৰ বাৎসল্য প্ৰীতিৰ সোৱাদৰ কাৰণে হাবিয়াস। তেনে মৰমেই যৌৱনত ৰূপ সলাই প্ৰণয়-প্ৰীতি বা প্ৰেমত পৰিণত হয়। আজিও প্ৰজ্ঞানে প্ৰীতিৰ মোহ পৰিত্যাগ কৰিব পৰা নাই। অৱশ্যে এনে প্ৰীতি বা প্ৰেমত কেচুৱাৰ মাক-বাপেকৰ পৰা আদায় কৰিব খোজা ধৰণৰ দাবী নাই। এনে প্ৰেম স্বতঃস্ফূৰ্ত্ত, অন্ততঃ প্ৰজ্ঞানে সেই বুলি ভাবে। ইয়াত দাবীৰ প্ৰশ্ন নুঠে। ই অন্তৰৰ পৰা আপুনি উপচি পৰা মৰমৰ লগত ষষ্ঠেন্দ্ৰিয়ৰ সকলো অনুভূতিৰে উপভোগ কৰিবলৈ হাবিয়াস কৰা যৌনাকৰ্ষণৰ ৰূপান্তৰ। হিয়াই হিয়াই আকৰ্ষণ হলেহে এই মৰমে সঁহাৰি দিয়ে। হিয়াকৰ্ষণ-শূন্য নাৰী পুৰুষৰ মিলন হাবিয়াসক প্ৰেম নুবুলি যৌনলিপ্সাহে বুলিব পাৰি। কেৱল যৌনলিপ্সাতে নাৰী পুৰুষৰ প্ৰকৃত প্ৰেম সীমাবদ্ধ থাকিব নোৱাৰে। আনহাতে যৌনলিপ্সা-বিহীন নাৰী-পুৰুষৰ পৰস্পৰ আকৰ্ষণক প্ৰেম আখ্যা দিব পাৰিনে নোৱাৰি, এই বিষয়ে নানা মুনিৰ নানা মত হলেও, সকলো মুনি অন্ততঃ এটা বিষয়ত একমত যে, এনে প্ৰেম নাৰী-পুৰুষৰ মাজতেই থাকক বা কেৱল নাৰী বা কেৱল পুৰুষৰ মাজতেই সীমাবদ্ধ নেথাকক, একে পৰ্য্যায়ত পৰে। যৌন-আকৰ্ষণী আৰু যৌনাতীত প্ৰেমৰ সমন্বয়ত যি প্ৰেমে পৰিপূৰ্ণতা লাভ কৰাৰ পথত আগুৱাই যায়, সিহে প্ৰকৃত প্ৰেমৰ মৰ্য্যদা লাভ কৰিব পাৰে। এনে প্ৰেমত আকৃষ্ট প্ৰণয়ী-প্ৰণয়িনীকহে প্ৰকৃত প্ৰণয়ী-প্ৰণয়িনী বুলিব পাৰি। এনে প্ৰণয়ী-প্ৰণয়িনীৰ সংখ্যা বিৰল। যৌন আৰু যৌনাতীত—এই দুয়ো প্ৰকাৰ আকৰ্ষণৰ মাত্ৰা অনুপাতেই বিভিন্ন প্ৰণয়ী-প্ৰণয়িনীৰ প্ৰেম-প্ৰাচুৰ্য্যৰ পৰ্য্যায় নিৰ্ণয় কৰিব পাৰি। প্ৰথম বিধৰ মাত্ৰাধিক্যত পশুত্ব আৰু দ্বিতীয় বিধৰ মাত্ৰাধিক্যত প্ৰেমে আধ্যাত্মিকত্ব লাভ কৰে। সেই দেখি একেহাল দম্পতিৰেই বিভিন্ন বয়সত প্ৰেমৰ ৰূপ একে নহয়। ডেকা-ডেকেৰীৰ প্ৰথম যৌন-আবেদনেই সময়ত গৈ সম্পূৰ্ণ আধ্যাত্মিক প্ৰেমত পৰিণত হব পাৰে; ঠিক সেইমতে আধ্যাত্মিক প্ৰেমো উদ্‌ভ্ৰান্ত যৌন আকৰ্ষণাত্মক প্ৰেমৰ পৰ্য্যায়লৈ অধঃপতিত হবগৈ পাৰে। সকলো নিৰ্ভৰ কৰে ব্যক্তিগত ৰুচি-অভিৰুচি আৰু মানসীক উৎকৰ্ষতা বা অৱনতিৰ তাৰতম্যৰ ওপৰত। প্ৰেমৰ নিৰ্দ্দিষ্ট কোনো সংজ্ঞা নাই। 'ধানটোৱে প্ৰতি কণটো, মানুহটোৱে প্ৰতি মনটো' হোৱাৰ দৰে পৃথিৱীৰ প্ৰত্যেক হাল প্ৰণয়ী-প্ৰণয়িনীৰ প্ৰেম একে হলেও বিভিন্ন পৰ্য্যায়ৰ।

অকলে অকলে বহি এই কথাবোৰকেই প্ৰজ্ঞানে ভাবিবলৈ ধৰিলে। এবাৰ প্ৰতিভা, এবাৰ শকুন্তলা—এই দুয়োজনী ছোৱালীয়েই আহি যেন

প্ৰজ্ঞানৰ সমুখত ইজনীৰ পিছত সিজনীকৈ থিয় দিছিলহি। "দুই নাও দুই ভৰি" অৱস্থাত প্ৰজ্ঞানে এতিয়া কি কৰিব? জোৰকৈ প্ৰেম আদায় কৰাৰ পক্ষপাতি প্ৰজ্ঞান কোনোকালেই নহয়, কিন্তু এনে অৱস্থাত কি কৰা যায়? কাক এৰিব, কাক ধৰিব? আজি দুপৰীয়া প্ৰজ্ঞানৰ ঘৰত যি কাণ্ডটো হৈ গ'ল, তাৰ পিছতো কোন সাহে প্ৰজ্ঞানে প্ৰতিভাৰ কথা ভাবিব পাৰে? কিন্তু প্ৰতিভাৰ কথা মনত পৰিলেই শকুন্তলালৈ প্ৰজ্ঞানৰ খং উঠি যায়। কি অধিকাৰ আছে শকুন্তলাৰ—এজনী নীৰিহ সৰল ছোৱালীক তেনে শাস্তি দিবৰ? কি দোষ তাইৰ? প্ৰজ্ঞানক ভাল পায়—এয়েইতো প্ৰতিভাৰ দোষ। তেনেহলে প্ৰতিভাৰ ওচৰতেইনো শকুন্তলা দোষী নহব কিয়? ঈৰ্ষাৰ বহণ নলগা প্ৰেম আৰু লোণহীন আহ্লা একে পৰ্য্যায়তে পৰে। সেই ঈৰ্ষাকণেই তেনেহলে শকুন্তলাৰ প্ৰেমত সোৱাদ ঢালি দিছে নেকি? ঈৰ্ষা নে আক্ৰোহ? প্ৰজ্ঞানে ভাবে। এই আক্ৰোহৰ পৰিণাম বাৰু কি হব পাৰে? দেচ্‌দেমনাৰ প্ৰেমত অন্ধ অথেল'য়ো আক্ৰোহৰ বশবৰ্ত্তী হৈয়েই প্ৰাণতকৈও প্ৰিয়তমা নিজৰ নীৰিহ পত্নী দেচ্‌দেমনাক টেটু চেপি হত্যা কৰিছিল। তেনেস্থলত শকুন্তলাই এতিয়া নিজে প্ৰত্যক্ষ প্ৰমাণ পোৱাৰ পিছতো আক্ৰোহ আৰু ঈৰ্ষাত অন্ধ হৈ প্ৰতিভাক হত্যা কৰিবলৈ উদ্যত হোৱাত আচৰিত হব-লগীয়া কি আছে? ঈৰ্ষা, নাৰী-পুৰুষ সকলোৰে সমান। একমাত্ৰ পুৰুষ-বেই ই একচেতীয়া সম্পত্তি নহয়। কিন্তু ঈৰ্ষা পৰায়ণা নাৰীৰ সান্নিধ্য লাভ কৰা সৌভাগ্যবানৰ কাম হব জানো? বিশেষকৈ প্ৰতিভাই প্ৰজ্ঞানক ভাল পাই পেলাইছে যেতিয়া? প্ৰজ্ঞানে নিজৰ মনক প্ৰবোধ দিয়ে। প্ৰেম ঈৰ্ষাৰ ওপৰৰ বস্তু। ঈৰ্ষাৰ অধীন প্ৰেম কেতিয়াও হব নোৱাৰে। ঈৰ্ষাই ঢুকি পোৱা প্ৰেমত চিৰদিনেই অপায় ঘটি আহিছে আৰু ভবিষ্যতলৈও ঘটি থাকিব। কিন্তু কাৰ মনত কেতিয়া ঈৰ্ষা জাগিব বা নাজাগিব—এই বিষয়ে কোনোবাই আগেয়েই ঠাঁৱৰ কৰিব পাৰেনে? প্ৰতিভাৰ অন্তৰতোষে ভবিষ্যতলৈ কেতিয়াও ঈৰ্ষাই ঠাই নলব—এইটো এতিয়াই ঠিৰাং কৰা জানো সম্ভৱ? নাই, নাই—প্ৰেমৰ বশ্যতা স্বীকাৰ কৰা মানে নিজৰ নিজত্ব বিসৰ্জ্জন দিয়া। প্ৰজ্ঞানে ঘূৰি ঘূৰি বাৰে বাৰে সেই সিদ্ধান্ততে উপনীত হয়হি। "যাঃ নেভাবোঁ, যি কথা ভাবি লাভ নাই—সেই কথা নভবাই ভাল।" প্ৰজ্ঞানে নিজকে নিজে কয়।

এনেতে শকুন্তলা আগফালৰ কোঠাটোলৈ সোমাই আহি পোনেই প্ৰজ্ঞানৰ বাহুত ধৰি মাতিলে, "দাইনিং ৰুমলৈ বলা, খাবৰ হৈছে।"

"ইমান পৰে ভিতৰত সোমাইনো কি কৰিছিলা?" প্ৰজ্ঞানে অভিমানৰ সুৰত সোধে।

"তোমাক ভাবিবলৈ সুযোগ দিছিলোঁ।"

"সেই সুযোগ যদি মই গ্রহণ কৰিব পৰা নাই?"

"নোৱাৰিলেও, এতিয়া ব'লা ভাত খাওঁগৈ। আজি সম্পূর্ণ ভাত। তোমাৰ কাৰণেই। মাই চাপাটি আৰু পৰঠা বনাবলৈ নিদিলে...."

"তেখেত এতিয়াও শোৱা নাই?"

"বাগৰ দিছিল, খোৱা নাছিল। তোমাৰ লগত খাবলৈকে বৈ আছে।"

"হয় নেকি? মোৰ কাৰণে?....ইছু ইছ! ইমান বাতিলৈকে—ব'লা বলা।"....প্রজ্ঞান বহাৰ পৰা উঠিল।

হাতত ধৰি প্রায় টানি নিয়াৰ দৰে শকুন্তলাই প্রজ্ঞানক নি মাকৰ মুখামুখিকৈ দাইনিং টেবুলত বহুৱাই দি, নিজেই ভাত বিলাই দিয়াত লাগি গ'ল। জগদ্বীশ আৰু বাবুছিক চকুৰে যাবলৈ ইঙ্গিত দিলে।

পাঁচ

প্রায় গোটেই বাতি শকুন্তলাৰ টোপনি নাহিল। বিছনাতে পৰি ছট্‌ফটাই থাকিবলৈ ধৰিলে। মাজে মাজে একো একোবাৰ হঠাৎ চিঞৰ মাৰি উঠে। কেইবাবাৰো মিচেছ চাওলাই 'কি হল' বুলি খবৰ ললেগৈ। কিন্তু প্রত্যেক বাৰেই 'একো হোৱা নাই' বুলি শকুন্তলাই মাকক বিদায় দিলে। বাতি প্রায় দুইমান বজাত শকুন্তলাৰ বাহিৰে সকলোৰে দুৰ্যোৰ টোপনি। বাতিৰ নিস্তব্ধতাই পৃথিৱীখনক গ্রাস কৰি পেলালে। মাজে মাজে দূৰৈত শিয়ালৰ হোৱা শুনা গ'ল। দূৰৈৰ পুখুৰীটোৰ পৰা ভাহি আহিল সহস্র ভেকুলীৰ টোৱ্ টোৱনিৰ ধ্বনি। সেই ধ্বনিৰ লগত কাষৰ আঁহতজোপাৰ ওচৰৰ পৰা ভাহি অহা জিলি কণ্ঠৰ কাঁও কাঁও গগনা ধ্বনি লগ লাগি, বাতিৰ গহীন নিস্তব্ধতাক আৰু গহীন কৰি তুলিলে। শকুন্তলাৰ মনত অজানিত আতঙ্ক এটিয়ে আহি বাৰে বাৰে সঁহাৰি দিলেহি। শকুন্তলাই শুনিছিল—ওচৰতে যেন কোনোবাই কেঁকাইছে। কেঁকনিৰ লগে লগে আউলী-বাউলী হৈ চুলি মেলি এজনী ছোৱালীয়ে হাতৰ দীঘল দীঘল আঙুলীৰ নখেৰে শকুন্তলাক খামুচিবলৈ অহাৰ দৰে মূৰ্ত্তি ধৰি সমুখত থিয় দিলেহি। কিচ্ কিচ্ কৰে ক'লা ছাঁৰ দৰে সেই নাৰী মূৰ্ত্তিটো দেখি শকুন্তলাৰ চুলিৰ আগে জীৱ উৰি গ'ল।

"নাই নাই, নাহিবা! মোক নুচুবা....মই....মই তোমাক একো কৰা নাই।...."

ক'লা ছাঁটোৰে অষ্টহাঁহি মাৰি কোৱা শকুন্তলাই স্পষ্টকৈ শুনিলে—

"একো কৰা নাই? কৰিছানে নাই এতিয়াই প্রমাণ পাবা। তোমাৰ.... তোমাৰ ধুনীয়া মুখখনো মই মোৰ এই দীঘল দীঘল নখেৰে বাকুহি নষ্ট কৰি দিম। সুন্দৰী নাৰীৰ গোলাপী গালৰ নিমজ সৌন্দর্য্য বসন্তৰ দাগে চিৰদিনে হৰি লৈ যোৱাৰ দৰে, মোৰ নখৰ আঁচোৰেও তোমাৰ ৰূপৰ গৰ্ব্ব চিৰদিনলৈ নাইকিয়া কৰি দিব!"

"আই ঔ মৰিলোঁ ঔ!" বুলি শকুন্তলাই চিঞৰ মাৰি উঠে। "তুমি.... তুমি কোন?" শকুন্তলাই সোঁহাই সোধে। "তুমি....উস্....।"

"মই?....মই? যাক তুমি আজি আবেলি গালত বাকুহি কুৰুপা কৰি দিছিলা....মই....মই সেই প্রতিভা....।"

"প্রতিভা!" শকুন্তলাই ডাঙৰকৈ চিঞৰ মাৰি আতঙ্কত বিছনাত বহি পৰে। দুই হাতে বাধা দি কয়—"নাই, নাই—মোক নাচুবিবা....নাচুবিবা.... প্রতিভা! উস্! ইমান দীঘল নখ তোমাৰ....।"

"দীঘল?" ছায়ামূৰ্ত্তিটোৱে হি হি কৈ হাঁহি দিয়ে। "তোমাৰ, তোমাৰ মই প্রতিশোধ লম, লমেই....।"

শকুন্তলাই অনুভৱ কৰে—ছায়ামূৰ্ত্তিটোৱে শকুন্তলাক সঁচাকৈয়ে গাৰুৰ ওপৰত হেঁচা মাৰি ধৰি, গাৰ বলেৰে দুয়ো গালত নখেৰে বাকুহি বাকুহি তেজ উলিয়াই দিলে। ভয় আৰু বিষত আৰ্ত্তনাদ কৰি শকুন্তলাই চকু মুদিলে। কিন্তু তথাপিও সেই ভীষণ নাৰীমূৰ্ত্তিটো শকুন্তলাই চকুৰ আগত দেখিবলৈ ধৰিলে। মূৰ্ত্তিটোৰ দৃষ্টি এৰুৱাবলৈ শকুন্তলাই তললৈ মুখ কৰি গাৰুত মুখ গুজি উবুৰি হৈ পৰিল।.... সুন্দৰ মুখখন এনেকৈ কুৎসিত কৰি দিয়াত দুখে-শোকে-অপমানে শকুন্তলাই গোটেই শৰীৰ জোকাৰ খাই যোৱাকৈ উচুপিবলৈ ধৰিলে। বিকট হাঁহি এটি মুখত লৈ তেতিয়াও কিন্তু সেই নিষ্ঠুৰ ছায়ামূৰ্ত্তিটো শকুন্তলাৰ বিছনাৰ কাষতে থিয় হৈয়ে আছিল। ভয়তে পেঁপুৱা লাগি শকুন্তলাই গায়ে-মূৰে লেপখন লৈ ছুই-দিয়া-মাত্রকে-লাৰু-হৈ-যোৱা কেৰেলুৱাৰ দৰে শুই পৰিল। এতিয়া যেন তাইৰ উশাহ বন্ধ হৈ যাব! তাই ভাবিলে এয়া সঁচাকৈয়ে প্রতিভাৰ ভূত! কিন্তু জীয়া মানুহ জানো ভূত হয়? তেনেহলে প্রতিভা ৰাতিতেই হস্পিটেলতে মৰিল নেকি?" এই ভাৰ মনলৈ অহাৰ লগে লগে মেলেৰীয়া ৰোগীয়ে জিকাৰ খাই ঠক্ ঠক্ কৰে কঁপাৰ দৰে শকুন্তলা কঁপিবলৈ ধৰিলে। কঁপোতে কঁপোতে তাইৰ ইমান ভাগৰ লাগিল যে তাই এতিয়া ফোঁপাবলৈ ধৰিলে। মনে মনে প্রার্থনা কৰিলে ঈশ্বৰক, মূৰ্ত্তিটোৰ হাতৰ পৰা যেন ৰক্ষা পৰে! আচৰিত কথা, শকুন্তলাৰ প্রার্থনা যেন ঈশ্বৰে শুনিলে। মূৰ্ত্তিটো লাহে লাহে নাইকিয়া হ'ল। সাহসত ভৰ দি শকুন্তলাই বেড়্-চুইছটো টিপি দিলে। কোঠাটো বিজুলী চাকিৰে পোহৰ হৈ উঠিল। গালত খেপিয়াই আঙুলিত তেজ। গাৰুলৈ চাই দেখে—তেজেৰে ৰঙা হৈ গাৰু কেইটা তিতি আছে। শকুন্তলাই জৰ ঘমাদি ঘামিবলৈ ধৰিলে। কেঁচা ঘাম; কিন্তু ইমান চেঁচা! ঘামে গোটেইখন কপাল তিয়াই দিলে। কাণৰ-সঁতাৰ চুলিখিনিও তিতি গ'ল। নিয়ঁৰৰ টোপালৰ দৰে নিজৰি নিজৰি ঘামবোৰ ওলাবলৈ ধৰিলে। যিমানেই মোচে যিমানেই বেচিকৈ ওলায়। শকুন্তলাই ভাবিলে—তাইৰ মুখৰ দ আঁচোৰ কেইটাৰ পৰা যেন তেজ ওলাইছে! তাইৰ

মূৰটো আচন্দ্রাই কৰিলে। তাই ভাবিৰ নোৱাৰা হ'ল। হঠাৎ কিবা মনত পৰাৰ দৰে শোৱা কোঠাৰ কাষতে লাগি থকা ড্রেছিং ৰুমত সোমাই, লাইটটো জ্বলাই ডাঙৰ আচিখনত ভৰি পৰা মূৰলৈকে নিজৰ দেহটো পৰীক্ষা কৰিলেগৈ। "কতা? গালত দেখোন আঁচোৰৰ দাগ নাই! আৰু তেজ? ক'তা....তেজতো ওলোৱা নাই! তেনেহলে তিতা তিতা এইবোৰ কি? অ', ঘাম....!" তৎক্ষণে শকুন্তলা শোৱা কোঠালৈ উভতি আহি বিছনাখন পৰীক্ষা কৰিলেহি। ক'তা, গাৰু কেইটা দেখোন ধক্ ধক্ কৰে বগা....! চুই চাই দেখিলে যে—গাৰু কেইটা তিতি গৈছে। কিন্তু তেজেৰে নহয়, ঘামেৰে! তাইৰ নো ইমান ভয়নে? তাইনো ইমানকৈ ঘামিছিল নে যে শোৱা গাৰু কেইটাও তিতি গ'ল? শকুন্তলাৰ বুজিবলৈ বাকী নেথাকিল যে—প্রতিভাৰ কথা ভাবি ভাবি শোৱাৰ কাৰণেই এই বিভীষিকাটো তাই দেখিছিল। যুক্তিয়ে সঁহাৰি দিয়াৰ লগে লগেই শকুন্তলাৰ মনৰ ভয় সম্পূৰ্ণৰূপে আঁতৰি গ'ল। হাতেৰে আউলী জাউলী হৈ যোৱা চুলিটাৰি ঠিক কৈ লৈ, এইবাৰ তাই বাথৰুমত সোমাল। চেঁচা পানীৰে ভালকৈ চকু-মুখ ধুই, মূৰত অলপ পানী দি, স্বস্তিৰ দীঘল নিশ্বাস কাঢ়ি তাই বিছনাত বাগৰ দিলেহি। তেতিয়া ৰাতি তিনি বাজিছিল।

ভয় আঁতৰিল সঁচা, কিন্তু টোপনি হলে নাহিল। নানান ভাবে জুমুৰি দি ধৰিলেহি। মনতে সেইবোৰ ধোঁৱা-বচা কৰি ৰাতিটো কটাবলৈ ধৰিলে। কাৰ ওচৰত যে কেতিয়া খং উঠিল, কেতিয়া মাৰ গ'ল, কৰ নোৱাৰিলে। আটাইতকৈ বেচি খং উঠিছিল নিজৰ ওপৰত। কেলেই তাই নিজকে সংযত কৰিব নোৱাৰি মিছাতেই নিজৰ দুৰ্ব্বলতাটো প্রকাশ কৰিছিল? কিন্তু দুৰ্ব্বলতাৰ কাৰণ সৃষ্টি কৰিছিল কোনে? কেলেই, কেলেই সেই ছোৱালী-জনীয়ে এনেকৈ অকলে আহি প্রজ্ঞানৰ ওচৰ চাপিছিল? আৰু প্রজ্ঞানেইবা কেলেই তাইক মৰম কৰিছিল? কি অধিকাৰ আছে প্রজ্ঞানৰ? প্রজ্ঞান যে শকুন্তলাৰ! প্রতিভাৰ ওপৰত আক্রমণ কৰি তাই ঠিকেই কৰিছিল। এজনী তপচিলভুক্ত সম্প্রদায়ৰ ছোৱালীৰ ইমান সাহ! শকুন্তলাৰ খং উঠি যায়—সৰু-বৰ, উচ্চ-নীচ সকলো ভেদাভেদ ভাঙি একাকাৰ কৰিব খোজা এই যুগটোৰ ওপৰত। উচ্চবংশীয় ক্ষত্রিয় পৰিয়ালৰ তেজৰ গৰ্ব্ব কৰিব পৰা শকুন্তলাৰ কাৰণে, স্বাধীন ভাৰতৰ জাতিভেদ উচ্ছেদ ব্যৱস্থাটো অন্তঃকৰণেৰে সৈতে অনুমোদন কৰাতো যে কিমান টান, সেইটো আজিহে তাই ভালকৈ অনুভৱ কৰিব পাৰিলে। জাতিভেদ বা শ্রেণী-ভেদ বেয়া

বুলি বক্তৃতা দিয়া বা প্রবন্ধ লিখা সহজ হলেও, কামত কবি দেখুৱাবে কিয় ইমান টান? শকুন্তলাই নিজৰ গাত চিকুট মাবি চাই বেচ বুজিব পাৰিলে। বুজিব পাৰিলে উচ্চ বৰ্ণ ব্ৰাহ্মণসকলৰ মনৰ ভাব আজিও পৰিবৰ্ত্তন হোৱা নাই কিয়? বাহিৰত উদাৰ হৈ দেখুৱালেও ভিতৰত বা নিজৰ ঘৰত গোড়ামীৰ গোঁজটো এতিয়াও কিয় উভালি পেলাব পৰা নাই? যি মানুহ, যি কোনো কাৰণতেই নহওক, সমাজত জন্ম-জন্মান্তৰে নীহ বুলি গণ্য হৈ আহিছে, তেনে মানুহৰ ঘৰত জন্ম গ্ৰহণ কৰিলে নীচাত্মিক মনোভাৱ স্বাভাৰিকতেই থাকিব। আৰু এই নীচাত্মিক মনোভাৱৰ কাৰণেই স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ সকলোতেই হীন মনোভাৱ পৰিলক্ষিত হবই। হীন মনোভাৱবোৰ আৰু অভদ্ৰ ব্যৱহাৰবোৰ সংস্কাৰেৰে ধুই নিকা নকৰাকৈ কেৱল লিখা-পঢ়া আৰু সাংসাৰিক অৱস্থা টনকিয়াল কৰিয়েই একে কোবতে উচ্চ বৰ্ণ হিন্দু হবলৈ গাৰ বলেৰে দাবী জনোৱাৰ সাহ সংবিধানে দিলেও, উচ্চ বৰ্ণ সমাজে বাতাবাতি মানি লোৱা যে কিয় ইমান টান, এতিয়াহে শকুন্তলাই বুজিব পাৰিলে। তাই আৰু বুজিলে যে আচাৰ-ব্যৱহাৰ, মনোভাৱ আদিৰ সম্পূৰ্ণ সলনি ঘটাই, উচ্চ পৰ্য্যায়লৈ যাবলৈ হ'লে, এক-দুইকৈ ক্ৰমে অতি কমেও তিনি পুৰুষ পাৰ হ'ব লাগিব। তেহে হীন স্বভাৱ বা মনোভাৱ পুৰুষে পুৰুষে ক্ষয় গৈ ৪র্থ পুৰুষতহে সেইবোৰৰ সম্পূৰ্ণ শোধন অৱস্থা লাভ হোৱা সম্ভৱ। ভাৰতৰ সংবিধানত সকলোকে সমান অধিকাৰ দিয়াৰ ফলত 'এৰাতিতেই সকলো সংশোধিত হৈ একেকোবেই বৈবাহিক ক্ষেত্ৰতো দাবী জনাবলৈ আৰম্ভ কৰা দেখিছে সমাজত নানান আসোঁৱাহে দেখা দিছে। অন্যান্য বিষয়ত বিদ্যা-বুদ্ধিৰ যোগ্যতাৰে শ্ৰেষ্ঠতম আসনৰ দাবী জনোৱাত কোনেও আপত্তি কৰা নাই, নকৰেও, আৰু কৰিলেও, সাংবিধানিক মতে জগৰীয়া হব। কিন্তু বৈবাহিক ক্ষেত্ৰত সংবিধানে কি কৰিব? সংবিধানে হয়তো দিব পাৰে তেনে দাবী জনোৱাৰ সাহ। কিন্তু দাবী জনাব লাগে কেলেই? বামুণে বামুণৰ, শূদ্ৰই শূদ্ৰৰ ছোৱালী বিয়া কৰোৱাতো উভয় পক্ষৰ মতামত থাকিলে কোনেও হকা-বধা নকৰে। তেনেহলে মতামত আৰু উপযুক্ততাই বিবাহত বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। এইবোৰ অগ্ৰাহ্য কৰা মানে বৈশম্য সৃষ্টি কৰাহে। প্ৰকৃতকে উপযুক্ততা অৰ্জ্জন কৰিলে বা যিবোৰ নীচ স্বভাৱৰ কাৰণে, যি নীচাত্মিক মনোভাৱৰ কাৰণে, হীন বুলি এসময়ত গণ্য হৈছিল, সেইবোৰ একো শোধন নকৰাকৈয়ে কেৱল সংবিধানৰ বলত সংশোধিত হলোঁ বুলি ধৰি লৈ, চলে বলে কৌশলে উচ্চ শ্ৰেণীৰ লগত শাৰী পুৱাবলৈ আহিলে কোন উচ্চ বৰ্ণ লোকে বাৰু অন্তৰেৰে

সহ্য কৰিব পাৰে? যি সকলে পাৰে বুলি ভাবে—তেওঁলোকেই নিজৰ সমাজৰ মাজতেইনো গুণাগুণ অনুপাতে ধোঁৱা-বচা কৰে কিয়? একেখন সমাজতেই বিয়া-বাৰু বিষয়ত উভয় পক্ষৰ সম্পূৰ্ণ মতামতলৈ গ্ৰাহ্য কৰিহে যদি তেনে সম্বন্ধ স্থাপন হব লাগে, বিভিন্ন সমাজৰ লগত বৈবাহিক সম্বন্ধ ঘটোৱাত উভয় পক্ষৰ সসূৰ্ণ সমৰ্থন লব নেলাগিব কিয়? একে সমাজতেই হওক বা বিভিন্ন সমাজৰ মাজতেই হওক—বিবাহ বিষয়টো সম্পূৰ্ণ ব্যক্তিগত কথা বুলি গণ্য হোৱা যুগুত। উভয় পক্ষৰ মাজত পৰস্পৰৰ প্ৰকৃত পৰিচয় জনা থকা সত্বেও যদি ভাল পোৱা জাগে—তেনে অসবৰ্ণ বিবাহত কোনো সমাজেই হকা-বধা কৰা উচিত নহয়। কিন্তু আচল পৰিচয় গোপন কৰি, কোনো নীহকুলৰ মানুহে নিজকে গোসাঁই, বামুণ বা কায়স্থ বুলি চিনাকি দি যদি সেই সেই কুলৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি ঠগিবলৈ ইচ্ছা কৰে, তেনেহলে কোনো ভদ্ৰ সমাজেই সেইটো সমৰ্থন কৰা উচিত হ'ব জানো? নিজৰ প্ৰকৃত ৰূপত নিজে দেখা দি সকলো বিষয়ে উভয় পক্ষই জানিও যদি তেনে সম্বন্ধ স্থাপনত অগ্ৰসৰ হয়—তাত বাধা দিয়াত কোনো যুক্তি নাই। কিন্তু আমাৰ সমাজবোৰৰ আজিও ইমান উদাৰ হ'ব পৰা নাই। সেই দেখি সংবিধানৰ সমধিকাৰৰ সুযোগ লৈ চোৰাং বজাৰ চলাব দৰে চোৰাং বিবাহৰ ঢোৰে সমাজত কিছু অস্বাস্থ্যকৰ অৱস্থা আনি দিছে।

শকুন্তলাই ইমানবোৰ কথা ভবাৰ মূলতে এইটো তাই ধৰি লৈছে যে—প্ৰতিভাই নিশ্চয় নিজকে নাই বামুণ, নহলে কায়স্থ বা কলিতা বুলি প্ৰজ্ঞানৰ ওচৰত চিনাকি দিছে। নহলে বামুণ হৈ প্ৰজ্ঞানে কেতিয়াও তাইৰ লগত ইমানদূৰ আগবাঢ়িব নোৱাৰিলেহেঁতেন। শকুন্তলাই নজনা নহয় যে—স্বাভাৱিকতে সংৰক্ষণশীল হিন্দু সমাজত উচ্চকুল আৰু নীহকুলৰ পাত্ৰ-পাত্ৰীৰ মাজত বিয়া হোৱাটো কোনো উচ্চ কুলৰ সমাজে সমৰ্থন নকৰে। সেই দেখি কোনো কোনো টেঙৰ লোকে নিজৰ নাম উপাধি সলাই ন মোট লৈ ঠগাৰ প্ৰবৃত্তি অবলম্বন কৰিছে। এনে ধৰণে ঠগ কৰা দুই-এটি বৈবাহিক সম্বন্ধ নজনাতে ঘটিছে, আৰু দুই-এক হবলগীয়া সম্বন্ধ আচল কথা ওলাই পৰাৰ কাৰণে ভাঙিছেও। শকুন্তলাই এনে এটি ঘটনা সম্পৰ্কে কাৰোবাৰ মুখত শুনি ভাবিলে যে, প্ৰতিভায়ো নিশ্চয় আত্মগোপন কৰিছে প্ৰজ্ঞানৰ ওচৰ চাপিছিল। নহলে প্ৰজ্ঞানৰ ইমান ওচৰ তাই কেতিয়াও চাপিব নোৱাৰিলেহেঁতেন। খঙৰ মগজত শকুন্তলাই এইটো কিন্তু দেখা নাছিল যে—নিজৰ মোট নসলোৱাকৈয়ে, তপচিলভুক্ত সম্প্ৰদায়ৰ ছোৱালী

বুলি আগেয়ে নিজক স্পষ্টকৈ চিনাকি দিহে প্রতিভা যে প্রজ্ঞানৰ ওচৰ চাপিছিল।

জাতত ব্রাহ্মণ হলেও, গতানুগতিক গোড়ামীৰ দাসত্ব প্রজ্ঞানে কোনো কালে স্বীকাৰ কৰি লৰ পৰা নাছিল। প্রজ্ঞানে ভাবে, ভগৱানৰ সৃষ্টিত যদি সকলো মানুহ সমান--তেনেহলে ভগৱানত আস্থা থকা দুজন মানুহে ইজনে সিজনক মানুহ হিচাপে হীন বুলি কেনেকৈ ভাবিব পাৰে? নিজৰ জন্মৰ কাৰণেতো আৰু কোনো জগৰীয়া হব নোৱাৰে। "সমানে সমানে কৰিবা কাজ, হাৰিলে জিকিলে নাই লাজ।" তাৰ মানে ইয়াকে নুবুজায় যে সমান সমান জাত; বুজায় সমান সমান উপযুক্ততা, যোগ্যতা, বিদ্যা, বুদ্ধি, বদান্যতা, মানবীয় গুণ-বিশিষ্ট সমান সামৰ্থ্যৰ লোককহে। একে ধৰণৰ বিদ্যা বুদ্ধি, আচাৰ-ব্যৱহাৰ, ভদ্রতা, সাধুতা আৰু মনোভাবৰ দুজন মানুহ যি কোনো জাত বা কুলৰে নহওক, দুয়োৰে সমান অধিকাৰ অৱশ্যে স্বীকাৰ কৰিব লাগিব। এজন নীচ মনোভাবাপন্ন ব্রাহ্মণ আৰু এজন অতি উচ্চভাবাপন্ন তপচিলভুক্ত সম্প্রদায়ৰ লোক--এই দুজনৰ ভিতৰত শ্রেষ্ঠ কোন? এই বুলি প্রশ্ন কৰিলে--প্রজ্ঞানৰ উত্তৰ হব—পিছৰ জন। এনে নিৰপেক্ষ বিচাৰ বুদ্ধি সম্পন্ন প্রজ্ঞানে যে প্রতিভাৰ দৰে এজনী সর্বগুণসম্পন্না ছোৱালীক হীন কুলৰ বুলি ঘিণ কৰিব নোৱাৰে, ই স্বাভাৱিক। ভাবোতে ভাবোতে শকুন্তলা যেতিয়া ইমান দূৰ পালেগৈ—তেতিয়াহে প্রতিভাৰ ওপৰত উঠা খং কিছু মাৰ গল। কিন্তু সেই খং মাৰ গৈ এইবাৰ খং উঠিল প্রজ্ঞানৰ ওপৰত। প্রজ্ঞানে কিয় শকুন্তলাৰ আঁৰত আন এজনী ছোৱালীক ভাল পাব। কি অধিকাৰ আছে প্রজ্ঞানৰ? শকুন্তলাই জানো প্রজ্ঞানক ভাল পোৱা নাই? প্রজ্ঞানে জানো সেই কথা নেজানে? যদি তেতিয়াও সেই কথা জনা নাই বা বুজা নাই তেনেহলে প্রজ্ঞানক বুদ্ধিমান বা জ্ঞানী বুলিয়েইনো শকুন্তলাই কেনেকৈ স্বীকাৰ কৰে?

ঈর্ষা....ঈর্ষা....ঈর্ষা। নাৰীৰ অন্তৰত চিৰদিনেই সুপ্ত হৈ থকা ঈর্ষা ৰূপী ব্যাধিৰ বীজাণুক শিক্ষা-দীক্ষা সংস্কাৰ একোৱেই নির্মুল কৰিব নোৱাৰে। হঠাৎ শকুন্তলাৰ ভাবি লাজ লাগে যে—সাধাৰণ অশিক্ষিত যি কোনো জাতৰ এজনী ছোৱালীয়ে তেনে অৱস্থাত যেনে ধৰণে ভাবিলে হেঁতেন, তাতকৈতো একো বেলেগ ধৰণে শকুন্তলাই ভাবিব পৰা নাই। তেনেহলে এজনী অশিক্ষিত নীহ কুলৰ ছোৱালী আৰু শকুন্তলাৰ মাজত পার্থক্য থাকিল কি? নাই নাই শকুন্তলাই কাকো দোষ নিদিয়ে। দোষ

কাৰো নহয়। দোষ শকুন্তলাৰ নিজৰ। সম্ভ্রান্ত ক্ষত্রিয় পৰিয়ালৰ এজনী উচ্চ শিক্ষিতা ছোৱালী হৈ ইমান তলৰ পর্য্যায়ত এই কথাবোৰ তাই বাৰু কেনেকৈ ভাবিব পাৰিছে? তাইৰ নিজৰ মনলৈ ধিক্কাৰ আহে। তাই চকু মুদি শুবলৈ চেষ্টা কৰে।

কোন সময়ত টোপনি আহিল—শকুন্তলাই কব নোৱাৰে। কিন্তু পিছ দিনা বাহিৰৰ পৰা দুৱাৰত জোৰে ঢকিয়াওতেহে তাই যেতিয়া সাৰ পাইছিল, তেতিয়া পুৱা ৮ বাজি গৈছিল।

পৰিয়ালৰ সকলোৰে আগতে, অইনকি চাকৰ বাকৰতকৈও যিজনী ছোৱালীয়ে প্রায় আগেয়ে উঠা অভ্যাস—সেই শকুন্তলাক যেতিয়া জগৰীশে মাতি জগাব লগীয়া হ'ল, তাই বৰ লাজ পালে। আনখন শকুন্তলাৰ প্রতাপত ঘৰৰ কোনো চাকৰ ৫ বজাৰ পিছলৈকে শুই থাকিব নোৱাৰে। অইনকি মাককো ৬ বজালৈকে শোৱা শকুন্তলাই ভাল নেপায়। যোৱা ৰাতি বিভীষিকাৰ নামত প্রতিভাৰ ওচৰত আৰু এতিয়া পুৱা ঘৰৰ সকলোৰে ওচৰত তাই পৰাজয় স্বীকাৰ কৰিব লগীয়া হোৱাত নিজৰ ওপৰতে এতিয়া তাইৰ খুব খং উঠিল।

শুই উঠি খণ্ডৰ কোৱতে একে কোৱেই গা ধোঁৱা ঘৰত সোমাই মুখ হাত গা-পা ধুই শান্ত হৈহে বাহিৰলৈ ওলাল। গা ধোঁৱতে আজি শকুন্তলাই বেচিকৈ পানী মূৰত দিছিল। আনখন মূৰটো টাকিছ টাৱেলেৰে মেৰিয়াই মূৰ নিতিওৱাকৈ তাই তপতেই হওক বা চেচাঁয়েই হওক—চাৰাৰ বাথ লয়। চাৰাৰ বাথ তাইৰ বৰ প্রিয়। আজি কিন্তু শকুন্তলাই বাথ টাবত সোমাই গা ধোঁও বুলিয়েই ধুলে। প্রায় ১৫ মিনিটমান সময় ডিঙিলৈকে গোটেই গাটো চেঁচা পানীত ডুবাই থোৱাতহে তাইৰ শৰীৰৰ অতিৰিক্ত উত্তাপখিনি নাইকিয়া হ'ল। পুৱাৰ এই শীতল স্নানে তাইৰ মনৰ অতিৰিক্ত উত্তাপ খিনিও যেন ধুই নিলে। বৰ সকাহ পালে তাই। মনটোও ফৰকাল লাগিল। তিতা চুলি কোচা টাৱেলেৰে এচাৰি এচাৰি যিমান শুকান কৰিব পাৰে সিমান শুকান কৰি আকৌ টাৱেলখনেৰে মেৰিয়াই খোপা বন্ধাৰ দৰে কৰি বাহিৰলৈ ওলাই আহিল। তুষাৰ-শুভ্র-পবিত্রতাৰ মাজেদি সদ্য-স্নাতা সৌন্দর্য্যৰ এটি ৰূপ তাইৰ অঙ্গে অঙ্গে ফুটি উঠিল। বাথ ৰুমৰ পৰা ওলাও-তেই দেখা পালে তাই মাকক। এনে ৰূপত মাকে তাইক সদায় দেখি থাকে যদিও, আজি যেন তাইক অলপ বেলেগ যেন দেখিলে। বিদ্রূপসূচক

মিচিকিয়া হাঁহি এটি মাবি চচমাজোব নাকব আগলৈ নমাই--চচমাব ওপবেবে মাকে ঘোপাকৈ জীয়েকলৈ চোৱাত তাইব হাঁহি উঠি গ'ল।

"তেনেকৈ কিয় চাইছা মা ?"

"তোক আজি বব ধুনীয়া দেখিছো অ'।" মাকে বগব কবি কয়।

"ধুনীয়া দেখিছা নে খীণোৱা দেখিছা মা ? মইহে জানো—গোটেই বাতি উজাগবে থাকিলে মানুহব কপ চবে নে হবে !"

"মই তোক সঁচাকৈয়ে ধুনীয়া দেখিছো। কিন্তু...." মাকে অলপ চিন্তান্বিত হৈ কয়, "অলপ যে খীণাইছ এইটোও ঠিক। অ, এবাতো,— এতিয়াহে মন কবিছো চকুব কাষত সামান্য কজলা...."

"কালি গোটেই বাতি মই শুব পবা নাই। বাতি বাবমান বজালৈকে দেখোন কেইবাবাবো মোব কোঠাব ওচবলৈ আহি তুমি খবব লৈ গৈছিলাহি। নাছিলা জানো ?"

"তোব বাকু হৈছিল কি ? সপোন দেখিছিলি হবলা ?" মাকে আগ্রহেবে সোধে।

"সপোন দেখে মানুহে আধা টোপনিত, কিন্তু সাবে থাকোতেই কোনো-বাই সপোন দেখে জানো ?" জীয়েকে সোধে।

"ইংবাজীত 'দে দ্রীমিং' বুলি এআষাব কথা আছে।" মিচেছ চাওলাই কয়, "কিন্তু তাব আচল অর্থ হৈছে—'আলাসত চাংপতা।' তই পিছে আলাসত চাং পাতিছিলি নে পতা চাং ভাঙিলি ? কোনটো কবিলি ?" মাকে আকৌ জীয়েকলৈ ঘোপাকৈ চাই হাঁহে।

"চাং মই পতাও নাই ভঙাও নাই আকু ভবিষ্যতলৈ কেতিয়াবাকৈ পতাব আশাও নাই।" হঠাৎ শকুন্তলাব মুখখন গহীন হৈ গ'ল।

"মানে ?" মাকে আগ্রহেবে চায়।

"মানে সেয়ে।" শকুন্তলাই হঠাৎ সুব সলাই কলে, "জানিছা মা, প্রতিভা ছোৱালীজনীক মই বব ভাল পাও। কিন্তু তাইব মুখখন জানো আগব দবে ধুনীয়া হৈ থাকিব ?" তাইব চকু দুটি চলচলীয়া হৈ উঠে।

"কেলেই চিন্তা কবিছ কুন্তল ?" মোকে কেতিয়াবা শকুন্তলাক কুন্তল বুলি মাতে)—"তাই জানো এতিয়া হস্পিতেলত নাই ?"

"আছে, কিন্তু....."

"ভাবিবলৈ একো নাই, সামান্য আঁচোব, দুদিনতে ভাল হৈ যাব।"

"সামান্য নহয় মা, বগা মঙহ ওলাই গৈছে।"

"বগা মঙহ ওলাই গৈছে !" মাক অলপ চিন্তান্বিত হয়। তাব পিছত হাঁহি মাবি কয়, "একো ভয় নকবিবি। আজিকালি প্লাষ্টিক্ চার্জেবিব দিনত ভাবিব লগীয়া কি আছে ?"

"প্লাষ্টিক চার্জেবি !" শকুন্তলাব মুখত এটা হাঁহি বিবিঙি উঠে। আশাব ক্ষীণ বেঙনি এটা যেন তাই হঠাৎ দেখা পায়। মনে মনে মাকব শলাগ লয়। নিশ্চয়, দর্কাব হলে যলৈকে হওক—প্রতিভাক নি প্লাষ্টিক চার্জেবি কবি প্রতিভাব গালখন আকৌ আগব দবে কবি দিবলৈ শকুন্তলাই দেউতাকক খাটিব। দেউতাকে নিশ্চয় আপত্তি নকবে। ইমান টকা আছে দেউতাকব ! এনে স্থলত একমাত্র জীয়েকব এই অনুবোধ নেবাখিবনে ? নিশ্চয় বাখিব !

শকুন্তলাই প্রায় জপিয়াই দৌবি যোৱাব দবে ড্রেচিং আয়নাখনত তাইব মুখখন চালেগৈ। বেজাব মনে থকা জীয়েকব মনত হঠাৎ এনেকৈ আনন্দ জগাই তোলাব কৃতকার্য্যতাত মিচেছ চাওলাই আত্মপ্রসাদ লাভ কবিলে। তেওঁব মনটো পাতল পাতল লাগিল। ভাবিলে, জীয়েক আৰু প্রজ্ঞানবে সৈতে গৈ হস্পিতেলত আজি আবেলি প্রতিভাব খবব লৈ আহিবগৈ।

ছয়

আবেলি চাবি বজাব লগে লগে প্রজ্ঞান আহি চাওলা লজ্ পাই, কাকো মাতবোল নিদিয়াকৈ মনে মনে দ্রইং কমব ডাঙব চোফা এখনত বহি আকাশ পাতাল ভাবিবলৈ ধবিলে। ঠিক সেই সময়তে শকুন্তলাই আগে পিছে ধোৱাব দবে আবেলিব গা ধোৱা শেষ কবি দ্রেচিং আয়নাব সমুখত থিয় দিয়াব লগে লগে বাহিবত প্রজ্ঞানব মাত যেন শুনি ওলাই আহি ভিতব ফালব পর্দাখন আঁতবাই ভুমুকি মাবোতেই দেখিলে প্রজ্ঞান মনে মনে বহি আছে।

সৰু ছোৱালীব দবে একে কোবেই সাউৎ কবে আহি শকুন্তলা প্রজ্ঞানব সোঁ কাষে ঠিয় দিলেহি। প্রজ্ঞানে তেতিয়াও নিজব দুই কৱঙনত হাতব কিলাকুটি দুটাবে হেঁচা দি দুই হাতব তলুৱাবে কৰা পুথি পঢ়া ঠগিব দবে বহল ফেৰেঙনিটোত নিজব মুখখন থৈ দুই ভবিব মাজব মজিয়া ডোখবলৈ একেথবে চাই কিবা ডাঙব অঙ্ক এটা মনেবে মজিয়াত আঁকি যেন হিচাপ কবিহে আছিল! শকুন্তলা কোন তলকত আহিল প্রজ্ঞানে কবই নোৱাৰে।

"কি—ই ভাবিছা?" শকুন্তলাই সোধে।

টোপনিব পৰা খপ কবে সাব পোৱা মানুহটোব দবে হঠাৎ মুখ তুলি প্রজ্ঞানে শকুন্তলালৈ চালে।

"তোমাব কথাই ভাবিছিলো।" প্রজ্ঞানে লাহেকৈ কলে, তাব পিছত শকুন্তলাৰ মুখখন ভালকৈ পৰীক্ষা কবি সুধিলে—"বাতি তোমাব টোপনি অহা নাছিল নেকি?"

"কেলেই সুধিলা?"

"তোমাব চকু কেইটা ফুলা ফুলা যেন দেখিছোঁ।"

"টোপনি নাহিলে হবলা চকু ফুলে?" শকুন্তলাই হাঁহি সোধে। "মই বেচিকৈহে শুইছিলো।"

প্রজ্ঞানে বলিয়াব দবে হো হো কবে হাঁহি দিলে।

"কেলেই হাঁহিলা?"

"হাঁহিলোঁ, কাৰণ মোব অনুমান সত্য। তিৰোতাব অন্তৰত ঈৰ্ষাই যেতিয়া ঠাই লয়, বিশেষকৈ সেই ঈৰ্ষা—যেতিয়া আন এজনী তিৰোতাব ওপৰত আৰোপিত হয়, পৃথিবীত এনে কোনো নিষ্ঠুৰ কাম নাই—যি কাম তেনে ঈৰ্ষাপৰায়ণা তিৰোতাই কবিব নোৱাৰে।.....ইমান এটা সাংঘাতিক

কথা হৈ যোৱাব পিছতো, নিশ্চিন্ত মনে তুমি যে শুব পাবিছিলা, সেয়ে মোব এই ধাৰণা বদ্ধমূল কবিলে।"

"লেক্‌চাব থোৱা। তোমাব হৈছে কি? বলিয়া হৈছা নেকি? আমি তিৰোতাবোবহে ঈৰ্ষা-পৰায়ণা—মতা মানুহবোব নহয়? মতা মানুহ বোবে একেজনী তিৰোতাক লৈ কটাকটি মৰামৰি নকৰে? বাঃ কি নিয়ম? একেজনী ছোৱালীক মাজত লৈ দুজন বীবব মাজত দণ্ডযুদ্ধ—যেতিয়ালৈকে এজন শেষ হৈ নেযায়....। আৰু মোকেই তুমি কোৱা,—তিৰোতাবহে ঈৰ্ষা আছে?"

"কিন্তু সেই দণ্ডযুদ্ধব কাৰণে তোমালোক, মানে তোমাব দবে সুন্দৰী গাভৰুবোবেই দায়ী।"

"মোব দবে?"

"ও, তোমাব দবে....মানে....মানে....চালে চকু ঘূৰাব নোৱাৰা তোমাব দবে....আস্! মই কব নোৱাৰো"....প্রজ্ঞানব চকুৰে মুখে এটা বিবক্তিব ভাব ফুটি উঠে।

"ছঃ। বেচ্!" শকুন্তলাই গহীন হৈ কয়, "তেনেহলে প্রকাশৰ লগত দণ্ডযুদ্ধ কবিবলৈ সাজু হোৱা।"

খপকবে শকুন্তলাৰ চকুলৈ চাই প্রজ্ঞানে সোধে, "প্রকাশ? কোন প্রকাশ?"

"সোনকালেই বুজিবা, কোন প্রকাশ!" শকুন্তলাই তাচ্ছিল্যৰ সুৰত কয়।

"আজিব এই এটমব যুগতো দণ্ডযুদ্ধব এই বৰ্বব নিয়মটো তেনেহলে জীয়াই আছে?" বিদ্রূপৰ সুৰত প্রজ্ঞানে কয়।

হাঁহিব নুখুজিলেও শকুন্তলাৰ হাঁহি উঠি যায়। "আজি আইনে বন্ধ কবিলেও, সৌ ১৯শ শতিকালৈকে জানো তৰোৱাল বা পিষ্টলেৰে দণ্ডযুদ্ধ কৰা নাইটবোৰ পশ্চিমীয়া দেশবোবত জীয়াই থকা নাছিল?" তাব পিছত সুৰ বদলাই শকুন্তলাই কয়,—"এটম বোমা আবিষ্কাৰ কৰা কথাটোৱেই জানো মানুহব বৰ্বতাকেই প্রমাণ নকৰে?"

'আবিষ্কাৰে নহয়, তাব ব্যৱহাৰেহে। প্রেমৰ আণবিক শক্তিকো চিৰ দিনেই মানুহে অপব্যৱহাৰ কবি আহিছে। যেতিয়ালৈকে নাৰী-পুৰুষ উভয়েই আপোচ মিমাংসাবে হকতে নহকতে প্রেমৰ এই আণবিক শক্তিক অপব্যৱহাৰ কবিবলৈ নেৰিব, তেতিয়ালৈকে প্রেমৰ সংগ্রামত অন্যায় কূট-নীতি চলিয়েই থাকিব।'

"আজি তোমাৰ কি হ'ল প্ৰজ্ঞান দা ?"

"কি হব ? ভাবিছো—তোমাৰ দৰে পৃথিবীৰ ধুনীয়া গাভৰুবোৰে ঈৰ্ষাৰ হলাহল ঢালি পুলিতেই প্ৰেমৰ অঙ্কুৰবোৰ ধ্বংস কৰিবলৈ কেতিয়া-কৈনো এবিব ? কেতিয়াকৈনো ঈৰ্ষাতীত প্ৰেমৰ মৰ্য্যদা বুজিবলৈ নাৰী জাতিৰ মনৰ পৰা স্বাৰ্থপৰ মনোভাব আঁতৰিব ?"

"মনে মনে থাকা প্ৰজ্ঞান দা !" শকুন্তলাই প্ৰায় খং উঠাৰ দৰে কয়, "কোন, কোন স্বাৰ্থপৰ নহয় ? বিশেষকৈ প্ৰেমৰ ক্ষেত্ৰত ?"

প্ৰজ্ঞানে মাজতে বাধা দি কয়, "বুজিছো, বুজিছো, মনে মনে থাকা।" প্ৰজ্ঞানৰ ভাবি ভাল লাগে যে যি উদ্দেশ্যে তেওঁ আজি এই কথাবোৰ কৈছে, সেই উদ্দেশ্য সফল হৈছে। শকুন্তলাক ঠিক ঠাইলৈকে কথাৰ মেৰপাকত সুমুৱাই অনাত প্ৰজ্ঞান কৃতকাৰ্য্য হৈছে।

"শকুন্তলা শুনা, মই ভাবিছো, ময়ো যদি তোমাৰ দৰে স্বাৰ্থপৰ হব পাৰিলোহেঁতেন।"

"কি ? তুমি স্বাৰ্থপৰ নোহোৱা ?" শকুন্তলাই আচৰিত হৈ সোধে।

"মই দুঃখিত যে তুমি মোক যিমান স্বাৰ্থপৰ হোৱা হলে ভাল পালা-হেঁতেন, তিমান স্বাৰ্থপৰ মই চেষ্টা কৰিও হব পৰা নাই।"

"মানে ?"

"মানে, মই যি কৈছো সেয়ে।"

"তাৰ মানে প্ৰতিভাক তুমি ভাল পোৱা ? কিন্তু....কিন্তু....প্ৰজ্ঞানদা, তুমি কেনেকৈ সেই কথা কব পাৰিছা ?"

"মই জানো তোমাক সেই বুলি কৈছো ?"

"তুমি কব নালাগে, মই নিজেই বুজিব পাৰিছো।" শকুন্তলাই প্ৰজ্ঞানৰ চকুৰ পৰা নিজৰ চকু হাল আঁতৰাই আনিলে। সেই মুহূৰ্ত্তত শকুন্তলাৰ দুই চকুৰে ওলোৱা ঈৰ্ষাৰ জুইকুৰা প্ৰজ্ঞানক দেখুৱাবৰ সাহ তাইৰ নহল। শকুন্তলাৰ কোমল অন্তঃকৰণখন মুহূৰ্ত্ততে শিলৰ দৰে টান হৈ পৰিল। খণ্ডত ভবিব পৰা মূৰলৈকে তাইৰ কঁপনি উঠিল। প্ৰতিভা.... প্ৰজ্ঞান....প্ৰজ্ঞান....প্ৰতিভা....অসম্ভব এই দুটা নাম ! ইটোৰ লগত সিটোৰ স্বৰ্গ মৰ্ত্ত্য প্ৰভেদ ! কিন্তু, তথাপি প্ৰজ্ঞানে শকুন্তলাক ভাল পোৱাৰ পথত প্ৰতিভাই কেনেকৈ পথালি হেঙাৰ তবিবলৈ সক্ষম হৈছে ? আৰু প্ৰজ্ঞানেইবা কেনেকৈ সেই হেঙাৰত উজুটি খাই পথ ভ্ৰষ্ট হব পাৰিছে ? প্ৰজ্ঞান ইমান তললৈ নামিল নে, যে এজনী নীহ কুলীয়া ছোৱালীৰ কাৰণে.....! শকু-ন্তলাই ভাবিব নোৱাৰা হৈ যায়। তল মূৰকৈ তাই ওচৰতে থিয় হৈ থাকে।

তাইৰ চকুৰ কোণত দুটোপাল চকুপানী টলমলাই উঠে। তাৰ পিছত আকৌ দুটোপাল। প্ৰথম দুটোপালৰ ঠাই অধিকাৰ কৰাত আগৰ দুটোপাল দুই গালেদি বাগৰি যায়। এনেকৈ দুটোপাল দুটোপালকৈ দুধাৰি লানি নিছিগা চকুলো দুই গালেদি বৰলৈ ধৰিলে। শকুন্তলাৰ চকুলো দুধাৰিক প্ৰজ্ঞানে কি বুলি ভাবিছিল—প্ৰজ্ঞানেই জানে, কিন্তু শকুন্তলাই বেচকৈ জানি-ছিল যে তাইৰ সেই চকুলো দুধাৰ আচলতে আছিল—তাইৰ অন্তৰত উদ্-গীৰণ হোৱাৰ আগন্তুক সূচনা কৰা ক্ৰোধাগ্নেয়গিৰিৰ পৰা ওলাই অহা দুধাৰি লাভা। প্ৰজ্ঞানে তাইৰ অন্তৰত শুই থকা প্ৰণয়াগ্নেয়গিৰিৰ মুখৰ ঢাকনি মুকলি কৰি দি প্ৰতিভাৰূপী ফুট ছাইৰে মুক্ত জ্বালামুখীত সোপা দিবলৈ যোৱাৰ কাৰণে শকুন্তলাৰ সৰ্ব শৰীৰ জুনুজুনীয়া কৰাকৈ অন্তৰত বিদ্রোহৰ ভূমিকম্প উঠিল। যি কোনো কাৰণেই নহওক—প্ৰজ্ঞানৰ দোষ অমাৰ্জনীয় ; শকুন্তলাই ভাবে। কিছু সময় কাৰো মাতবোল নাই। হঠাৎ শকুন্তলাৰ মাকৰ টেংটেঙিয়া মাতটো শুনি দুয়ো উচাপ খাই উঠিল। সিহঁতৰ মোহ ভাঙিল। মিচেছ চাওলাই হুকুম দিয়াৰ দৰেই কলে :

"শকুন্তলা, কি কৰিছ ? পাঁচ বাজিবই। প্ৰতিভাৰ তালৈ আৰু কেতিয়া যাবি ?"

* * *

চাওলা পৰিয়ালৰ উমৈহতীয়া 'ডি চট্ অ' প্ৰকাণ্ড ষ্টেশ্যন ওৱেগনখনত মিচেছ চাওলা, প্ৰজ্ঞান আৰু শকুন্তলা তিনিওকে নি প্ৰতিভা থকা মিশ্যন হস্পিতেলত থৈ দ্ৰাইভাৰে মিঃ চাওলাক আনিবলৈ পাণ্ডুলৈ গ'ল। মিঃ চাওলাৰ নিজৰ গাড়ীখন ৰৰ্কশ্বপলৈ মেৰামতি কৰিবলৈ পঠোৱাৰ কাৰণে, আজি দুদিন মিঃ চাওলাই এই গাড়ীখনতে কামলৈ অহা যোৱা কৰিছে। দেউতাকক পাণ্ডুৰ পৰা লৈ ঘৰলৈ ওভটোতে হস্পিতেল হৈ যাবলৈ শকুন্তলাই দ্ৰাইভাৰক নিৰ্দ্দেশ দি, প্ৰতিভা থকা এজনীয়া ৰোগী কোঠাত তিনিও বহিলগৈ। শকুন্তলাহঁতক দেখা মাত্ৰকে প্ৰতিভাৰ চকু দুটা আনন্দত উজ্জ্বল হৈ উঠিল। চকুত হাঁহো হাঁহো ভাব এটা ফুটি উঠিলেও গালখন বিষত টন্‌টনাই থকাত হাঁহিব নোৱাৰিলে। মিচেছ চাওলাই লগত লৈ যোৱা ডালিয়া, গোলাপ আৰু ক্ৰিচেন্থিমাম্ ফুলৰ টোৱাটো ৰোগীৰ শয্যাৰ ওচৰত

থকা সৰু টিপয় খনৰ ওপৰৰ ফুলদানিটোত পুৰণি ফুলখিনি আঁতৰাই সজাই দিলে। শকুন্তলাই প্ৰতিভাৰ নিচেই কাষলৈ টুলখন টানি নি তাইৰ মুখৰ পিনে মুখ কৰি বহিল।

প্ৰায় ৪৫ মিনিট মান পিছতে মিঃ চাওলাক লৈ ষ্টেশ্যন ৱেগনখন আহি হস্পিতেল কম্পাউণ্ড পালেহি। নিজে গাড়ীতে বহি থাকি, ড্ৰাইভাৰক পঠাই দি মিচেছ চাওলাইঁতক খবৰ দিয়াত, মাক আৰু প্ৰজ্ঞান দুয়ো প্ৰতিভাৰ পৰা বিদায় লৈ গাড়ীত বহিলহি।

"শকুন্তলা নাহে নেকি?" মিঃ চাওলাই সোধে।

"তাই বোলে পিছত যাব।" ঘৈণীয়েকে উত্তৰ দিলে।

"পিছত যাব? কাৰ লগত? গধূলি হলেই দেখোন!" মিঃ চাওলাই আৰু কিবা কব খুজিছিল। কেনেবাকৈ তেওঁৰ কথা গৈ জীয়েকৰ কাণত পৰে বুলি কথা ঘুৰাই সুধিলে,—

"কিমান পিছত যাব? কিমান পৰত গাড়ী পঠাবলৈ কৈছে?"

"আঠ বজাত।" মিচেছ চাওলাই কলে।

"আঠ বজাত?" মিঃ চাওলাৰ মুখত সামান্য বিৰক্তিৰ ভাব এটা ফুটি উঠিল। হাতৰ ঘড়ীটোলৈ চাই মুখৰ ভিতৰতে কোৱাদি কলে—"এতিয়া ছয় বাজি গৈছে মাত্ৰ। বাৰু, আঠ বজাত মই নিজেই আহি শকুন্তলাক লৈ যামহি। বাপেকে জানে যে জীয়েকৰ বিষয়ে বাপেকে টানকৈ কিবা কোৱা শুনিলে—সৰ্বনাশ। সেইদিনা বাতি হয়তো জীয়েকে একো নেখাওঁ বুলি ঠেহকে পাতিব! তাইৰ এই 'নেখাও যা' বুলি মোৰো-কনি পতা স্বভাৰটো ঘৰৰ এটায়ে জানে। হেজাৰ হওক একেজনী মৰমৰ ছোৱালী। সি যিয়েই নহওক, মাক চাইহে জী!

ড্ৰাইভাৰে ঘৰমুৱাকৈ গাড়ী এৰি দিলে। প্ৰতিভা আৰু শকুন্তলা এতিয়া হস্পিতেলৰ কোঠাটোত অকলে! দুয়ো দুয়োৰ চকুলৈ একো নোকোৱাকৈ কিছু সময় একেথৰে চাই বল। যিজনী প্ৰতিভাৰ ওপৰত, হস্পি-তেললৈ অহাৰ আগলৈকে ঘৰত প্ৰজ্ঞানৰ লগত ইমানবোৰ বাক-বিতণ্ডা হৈ গ'ল, সেই প্ৰতিভাক দেখা মাত্ৰকে শকুন্তলাৰ মন প্ৰতিভাৰ মৰমত উপচি পৰিল। "ইমান মৰম লগা এই অকণমানি ছোৱালীজনী!" শকুন্তলাই মনে মনে নিজকে নিজে কলে। তাৰ পিছত মূৰত হাত বুলাই শকুন্তলাই সুধিলে, "ইয়াত কেনে লাগিছে প্ৰতিভা? ডাক্তৰে ভালকৈ খবৰ লৈছেনে?"

"ডাক্তৰ....নাৰ্চ....মেট্ৰন্....সকলোৱেই কালি ৰাতি আৰু আজি পুৰা বহুত পৰ মোৰ কোঠাত আছিল।....ঔষধ পথ্য একোৰে অসুবিধা পোৱা নাই!....বাৰু, কেলেই সুধিলা, শকুন্তলা বাইদেউ?" প্ৰতিভাই উৎসাহেৰে সোধে।

"জানা প্ৰতিভা, আজি গোটেই দিনটো মই ব্ৰত কৰিছোঁ, একো খোৱা নাই।"

"কেলেই?"

"কাৰণ, কালি যে মই তোমাৰ ওপৰত ইমান নিষ্ঠুৰ হৈছিলোঁ।"

"নিষ্ঠুৰ? মোৰ ওপৰত? তুমি? তুমি শকুন্তলা বাইদেউ? তুমি হৈছিলা?"

"হোৱা নাছিলোঁ নেকি?" শকুন্তলাই মৰমেৰে সোধে।

"হৈছিলা যদি, কালি ৰাতি ভাত খাইছিলা কিয়?" নিজেই অজলা সৰু ছোৱালী এজনীৰ দৰে প্ৰতিভাই শকুন্তলাৰ চকুলৈ চালে।

"মই কিমান ডাঙৰ অন্যায় কৰিছোঁ, সেইটো কালি তপতে তপতে বুজিব পাৰা নাছিলোঁ।"

"কেলেই পাৰা নাছিলা?" আকৌ সেই একে অজলা চাৱনিৰে প্ৰতিভাই চালে।

"তুমি জানা প্ৰতিভা, খুৰৰ ব্লেডে কাটিলে বৰ দকৈ কাটে, যদিও গম ধৰি নোৱাৰি, পিছত যেতিয়া তেজ ওলায় তেতিয়াহে....!" শকুন্তলাই দীঘল এটি হুমুনিয়াহ কাঢ়িলে।

"শকুন্তলা বাইদেউ! সঁচাকৈয়ে মনত তুমি দুখ পাইছা? তেনেহলে, তেনেহলে তুমি মোক ভাল পোৱা....? কোৱা....কোৱা....!"

"ভাল পাওঁ প্ৰতিভা।"

প্ৰতিভাৰ চকু দুটি জাপ খাই গ'ল। তাই মুখেৰে মাতিব নোৱাৰিলে। জাপ খোৱা চকুৰ কোণেৰে দুধাৰি চকুলো বাগৰি গ'ল। শকুন্তলাই নিজৰ হাতত থকা ৰুমালখনেৰে আলফুলকৈ চকুপানী দুধাৰ মচি দিলে।

প্ৰতিভাই চকু মেলি চাই, শকুন্তলাৰ মুখখন সূক্ষ্মদৃষ্টিৰে পৰীক্ষা কৰিলে।

"তেনেহলে, মই প্ৰজ্ঞানদাক ভাল পাওঁতে তোমাৰ মোৰ ওপৰত ইমান খং উঠিছিল কিয়?" প্ৰতিভাই অকণমানি ছোৱালীজনীৰ দৰে সোধে।

"কাৰণ, মই তেওঁক ভাল পাওঁ।"

"তুমিও প্ৰজ্ঞানদাক ভাল পোৱা বাইদেউ? তুমিও....?"

"ওঁ ময়ো।" শকুন্তলা গহীন হৈ গ'ল।

দুজনী ছোৱালীয়ে একে সময়তে একেজন ডেকাক ভাল পাব নোৱাৰে নেকি?" প্ৰতিভাই সোধে।

"দুজনীয়ে কিয়? বহুতে ভাল পাব পাৰে।" শকুন্তলাই ঢোক গিলি কৈ যায়, "কিন্তু ভাবি চোৱাচোন প্ৰতিভা, সেই ডেকাজনৰ কথা! তেওঁ যদি আটাই কেইজনীকে একে সময়তে ভাল পায়, তেনেহলে তেওঁৰ সেই ভালপোৱাতো কেনে হব?" প্ৰতিভাই মনে মনে থকা দেখি শকুন্তলাই আকৌ কয়, "তেনে অৱস্থাত সেই ডেকাজন, একে সময়তে এজনী ছোৱালীৰে কেইবাজনো ডেকাক ভাল পোৱা ছোৱালী এজনীৰ দৰেই ঘৃণনীয় স্বভাৱৰ নহবনে?" প্ৰতিভাই তেতিয়াও মনে মনে থকা দেখি শকুন্তলাই আকৌ কয়, "তুমি কব খোজা নেকি যে--একে সময়তে মনে মনে কেইবাজনো পুৰুষৰ ওচৰত আত্মসমৰ্পন কৰা বাৰাঙ্গনা প্ৰকৃতিৰ তিৰোতাৰ দৰে, কেইবাজনী ছোৱালীৰ লগত একেলগে প্ৰণয়ৰ খেল খেলিবলৈ যোৱা ডেকাজন একে শ্ৰেণীতে নপৰিব?"

এইবাৰ প্ৰতিভাই মুখ মেলিলে। তাই সমাজত যি দেখি আহিছে বা ৰূপকথা বা সাধুকথাবোৰত 'এজন ৰজাৰ এশজনী ৱৈণীয়েক' ইত্যাদি ধৰণৰ যিবোৰ কথা 'ভূমি চুই কৰ্ণত হাত' নিদিয়াকৈয়ে আমি কণ কণ লৰা-ছোৱালীবিলাকৰ মূৰত সৰুৰে পৰা সুমুৱাই দি আহিছোঁ, সেইবিলাকৰ পৰা প্ৰতিভাৰ কিশোৰী কোমল মনে পুৰুষৰ সেই অধিকাৰ স্বতঃসিদ্ধ বুলি এতিয়ালৈকে ভাবি আহিছে। সেই দেখি বাৰে বাৰে শকুন্তলাই একেটা কথাকে কৈ থকা দেখি তাইৰ অলপ বিৰক্তিয়েই লাগিছিল।—বিশেষকৈ প্ৰজ্ঞানৰ গাত লেটিয়াই কোৱা দেখি। কিন্তু শকুন্তলাৰ প্ৰতিও তাইৰ এনে এটি অন্ধ মৰম সোমাইছিল যে, বিৰক্তিবোধ কৰিলেও তাইৰ কথা ধৈর্য্যৰেই শুনি আছিল।

"শুনা শকুন্তলা বাইদেউ, মতা মানুহৰ কথা বেলেগ....।"

"বেলেগ? কেলেই বেলেগ হব?" শকুন্তলা জাপ মাৰি উঠিল, "তুমি ভাবিছা, তোমাৰ দৰে হাজাৰ হাজাৰ ছোৱালীয়ে ভাবিছে....তুমি কিয়....? আমাৰ সমাজবিলাকেও তাকেই যুগে যুগে ভাবি আহিছে। বিশেষকৈ ৰজা-মহাৰজা আদি বিলাকৰ মাজত অসংখ্য কুঁৱৰী ৰখাটো বা হেৰেমৰ কাহিনী আমি মউ পিয়াদি শুনি আহিছোঁ; কিন্তু এবাৰো ভাবি চাইছোনে--কি বিভৎস কাণ্ড ঘটিছিল, ঘটিছে বা এতিয়াও তেনে অনুষ্ঠান কৰবাত আছে যদি বা ভাবিষ্যতলৈকো থাকে যদি ঘটি থাকিব?....বুজিছা প্ৰতিভা, তুমি সৰু ছোৱালী—বিশেষকৈ এতিয়া অসুস্থ—হস্পিতেলত আছা....

সোনকালে তুমি ভাল হোৱা, মই, এই বিষয়ে তোমাৰ লগত দীঘলীয়াকৈ আলোচনা কৰিম....।"

"বাইদেউ, তোমাৰ খং উঠিছে?" প্ৰতিভাই ওপৰতে মাত দিয়ে।

"অ', মই পাহৰি গৈছিলোঁ। ইয়াত ডাঙৰকৈ কথা কোৱা মানা....মোক ক্ষমা কৰিবা প্ৰতিভা...."

"কি কথাবোৰ যে কোৱা বাইদেউ?" প্ৰতিভাই হাঁহো-হাঁহো কৰা চকুহালেৰে শকুন্তলালৈ চায়। "মই তেনেকৈ কেলেই কৈছিলোঁ জানা? মাই মোক কৈছিল যে মতা মানুহে দুজনী তিনিজনী তিৰোতা বিয়া কৰোৱাত দোষ নাই!"

"শুনা প্ৰতিভা।" শকুন্তলাই এইবাৰ গহীন হৈ অতি সৰু সৰুকৈ কয়, "তোমাৰ মাৰ নিশ্চয় পুৰণি ধৰণে ডাঙৰ-দীঘল হোৱা মানুহ...."

"তাৰ মানে তুমি কব খোজা যে--পুৰণি ধৰণে উঠা তিৰোতা আটাইবিলাকেই মূৰ্খ?" প্ৰতিভাই সোধে।

"মই সেই কথা কোৱা নাই। কৈছোঁ যে সৱহভাগ তিৰোতাৰ নিজস্ব বুলি একো নাই। গিৰিয়েকহঁতৰ মনেই তেওঁলোকৰো মন। স্বামীৰ বাহিৰে তিৰোতাৰ সুকীয়া মন নাই বুলি সকলো অশিক্ষিত বা পুৰণি সামাজিক শিক্ষা পোৱা ভাৰতীয় তিৰোতাই চিৰদিনে ভাবি আহিছে। আৰু এনে ধৰণৰ তথাকথিত শাস্ত্ৰৰ দোঁহাই দি চৰিত্ৰহীন স্বামীয়েও, মিছা সন্দেহৰ ওপৰত তিৰোতাৰ ওপৰত সদায়েই অত্যাচাৰ কৰি আহিছে। অৱশ্যে দুই-এক তিৰোতায়ো যে, উল্টা ব্যৱস্থা লোৱা নাই, এনে নহয়। কিন্তু পুৰুষৰ তুলনাত কম। সৱহভাগ ভাৰতীয় তিৰোতাই সৰুৰে পৰাই শিক্ষা পাই আহিছে যে স্বামীৰ মনেই স্ত্ৰীৰো মন। স্ত্ৰীৰ সুকীয়া অস্তিত্ব নাই।"

"আমি এতিয়া সমাজৰ সেই নিয়ম লুটিয়াই স্ত্ৰীৰ মনৰ বাহিৰে স্বামীৰ বেলেগ মন নাই বুলি দাবী কৰিব লাগিব নেকি?" প্ৰতিভাই ক'লে।

তাই গালৰ বিষ পাহৰি গ'ল। তাইৰ স্বাভাৱিক তাৰ্কিক বুদ্ধিটোৱে মূৰত আহি খোপনি পুতিলেহি। শকুন্তলাই থতমত্ খালে।

প্ৰতিভাৰ মনৰ ভাব বুজিব পাৰি এইবাৰ অতি গহীন হৈ বিজ্ঞৰ দৰে শকুন্তলাই কলে, "শুনা প্ৰতিভা, এনে ধৰণৰ তৰ্ক কৰি একো লাভ নাই। এনে তৰ্কৰ আদিও নাই অন্তও নাই। ঘূৰি পকি যি ঠাইৰ পৰা আৰম্ভ কৰা, সেই ঠাইতেই আকৌ উপস্থিত হবাগৈ। এয়া হৈছে 'ভিচিয়াচ্-চাৰ্কোল'। এই ভিচিয়াচ চাৰ্কোলৰ পৰা ওলাব পৰা বুদ্ধিৰ উৎকৰ্ষতা

আজিৰ তিৰোতাই সাধন কৰিব পাৰিলেহে পুৰুষৰ প্ৰৰোচনাৰ পৰা ৰক্ষা পৰিব। তিৰোতা জাতি ৰক্ষা পৰা মানেই, গোটেই মানৱ জাতি ৰক্ষা পৰা। যি পৰিয়ালৰ মাকবিলাক শিক্ষিতা আৰু জ্ঞানী, সেই পৰিয়ালৰ ল'ৰা-ছোৱালী—সকলোৰেই নিচেই ল'ৰালি কালতে মাকে গঢ়ি দিয়া চৰিত্ৰৰ সৱল ভেটিত ভৱিষ্যতে কেতিয়াও কেৰোণ ধৰিব নোৱাৰে; ধৰিলেও সি হব ক্ষন্তেকীয়া। এই কথা আমি স্বাধীন ভাৰতৰ প্ৰত্যেক উঠি অহা ছোৱালীয়ে যদি হৃদয়ঙ্গম কৰোহঁক, ভাৰতৰ ভৱিষ্যত বংশধৰসকলৰ গুণতেই ভাৰত পৃথিৱীৰ ভিতৰতে এখন শ্ৰেষ্ঠতম দেশৰূপে গণ্য হব বুলি মোৰ নিতান্ত বিশ্বাস।"

"শকুন্তলা বাইদেউ, এইবোৰ কথা মোক ক'লে কি হব? মই ভাবোঁ মোৰ বয়স আৰু অলপ হলেহে, ইমান ডাঙৰ কথা....।"

"ক্ষমা কৰিবা প্ৰতিভা।" শকুন্তলাই অনুশোচনাৰ সুৰত কয়, "মোৰ যে কি হৈছে, মই নিজেই কব নোৱাৰোঁ! তোমাৰ অসুখৰ খবৰ লৰলৈ আহিছোঁ, যি অসুখৰ কাৰণে ময়েই জগৰীয়া। ময়ে আকৌ তোমাক এতিয়া হস্পিতেলত আমনি দিবলৈ আহিছোঁ!" এটি ঢোক গিলি ডিঙিটো পৰিস্কাৰ কৰি লৈ, শকুন্তলাই আকৌ কয়, "প্ৰতিভা, কোৱা, তুমি ভাল হৈ যোৱাৰ পিছত তোমাৰ গালত যি দাগ বৈ যাব, তাৰ কাৰণে হয়তো তোমাৰ মুখখন দেখাত...." শকুন্তলাই ক'ব নোৱাৰিলে। তাইৰ চকুৰ পানী ওলাল। ৰুমালখনেৰে তাই চকুৰ পানী মচি ললে।

শকুন্তলাৰ চকুৰ পানী ওলোৱা দেখি প্ৰতিভাৰো কান্দোন আহিল। তাই উচুপিবলৈ ধৰিলে। তাইৰ ঘা শুকোৱা মুখখন আচিত চালে কেনে দেখা হব—তাকেই মনে মনে ভাবিলে। শকুন্তলাই স্থিৰ দৃষ্টিৰে প্ৰতিভাৰ চকুলৈ চাই ৰ'ল। চাৰি চকুৰ মিলনত উভয়েই উভয়ৰ অন্তৰৰ ৰূপটো যেন দেখা পালে। ভৱিষ্যতলৈ বৈ যোৱা গালৰ দাগে তাইক দেখাত সুৰূপাই কৰক বা কুৰূপাই কৰক—সেই কথা প্ৰতিভাৰ মনত তুচ্ছ যেন লাগিল। আৰেগ-বিহ্বল চকুযুৰিৰে তাই শকুন্তলাৰ চকুলৈ একেথৰে চাৰেই ৰ'ল।

শকুন্তলাই হাঠাৎ তাইৰ মুখখন প্ৰতিভাৰ মুখৰ ওচৰলৈ নি তাইৰ সোঁগাল আৰু কপালত কেইবাটাও চুমা আলফুলকৈ আঁকি দিলে। তাৰ পিছত, তাইৰ নিচেই ওচৰতে নিজৰ মুখখন থৈ ফুচ্‌ফুচাই কোৱাৰ দৰে কলে, "মোৰ ভুল হৈ গৈছিল প্ৰতিভা! এতিয়া তুমি মোক ক্ষমা কৰিব

পাৰিছা? কোৱা পাৰিছা? প্ৰতিভা....কোৱা.....কোৱা....কোৱা....!" কপালত অতি আলফুলকৈ শকুন্তলাই আৰু এটি চুমা খাই হাঁহো হাঁহো কৰা মুখখনেৰে প্ৰতিভাৰ উত্তৰলৈ বাট চালে। মুখৰ ভিতৰতে কোৱাৰ দৰে প্ৰতিভাই ক'লে, "শকুন্তলা বাইদেউ, তোমাক মোৰ ইমান ভাল লাগে!"

"সঁচা, সঁচা, প্ৰতিভা; তুমি মোক ভাল পোৱা?"

"পাওঁ!" প্ৰতিভাই লাহেকৈ কলে।

এনেতে বাহিৰত মটৰৰ মাত শুনা গ'ল। ড্ৰাইভাৰে খবৰ দিলেহি, শকুন্তলাৰ দেউতাক গাড়ীতে আছে, সোনকালে মাতিছে।

"কাইলৈ আকৌ আহিম দেই।" মৰমৰ চাৰনিৰে শেষ বাৰলৈ এবাৰ চাই শকুন্তলাই চকুৰেই প্ৰতিভাৰ পৰা বিদায় ললে। শকুন্তলাই সকুৰে পৰাই এটা কথা শুনি আহিছিল, কোনো ৰোগীৰ কাষৰ পৰা বিদায় ললে 'যাওঁ দেই' বুলি কব নেপায়; অমঙ্গল সূচনা কৰে। সেই দেখি শকুন্তলাই 'যাওঁ' বুলি কোৱা নাছিল। শকুন্তলা কোঠাৰ পৰা ওলাই যোৱাৰ পিনে প্ৰতিভাই কিছু সময় একেথৰে চাই থাকিল। তাইৰ মনত বাৰে বাৰে খেলালে: "কিমান ভাল শকুন্তলা বাইদেউজনী! কিমান ভাল!....কিমান ভাল....।" এনেকৈ মুখৰ ভিতৰতে কথাষাৰ আওৰাই থাকোঁতেই তাইৰ চকুহাল জাপ খাই আহিল। কোন তলকত্ যে টোপনি আহিছিল—তাই কবকে নোৱাৰিলে।

সাত

প্রতিভা অসুখ হৈ হস্পিতেলত পৰি থকা কথা পিছদিনাই গোটেই কলেজতে বাষ্ট্ৰ হ'ল। ছোৱালী কলেজো পালেগৈ। তাৰ পিছদিনাৰ পৰা দলে দলে বহুতো কলেজীয়া লৰা আৰু ছোৱালীয়ে আহি প্ৰতিভাৰ খবৰ ললেহি। দুই এজন ডেকা কলেজীয়া শিক্ষকো বাদ নপৰিল। ছোৱালী কলেজৰ পৰা খবৰ লবলৈ অহা ছোৱালী কেৱল চাৰিজনীহে আছিল। চাৰিওজনী বাই-ভনী। অময়া, ৰুমা, অলকা আৰু বিজয়া। ক্ৰমে চতুৰ্থ, তৃতীয়, দ্বিতীয় আৰু প্ৰথম বাৰ্ষিক কলাৰ ছাত্ৰী।

আবেলি আবেলি প্ৰজ্ঞানৰ ঘৰলৈ গৈ সাংস্কৃতিক বিষয়ৰ আলোচনা চক্ৰত যোগ দিয়া কলেজীয়া ছাত্ৰ-ছাত্ৰীবিলাকৰ লগত পিছলৈ এই কেইজনী ছোৱালীও যাবলৈ অভ্যাস কৰিছিল। অৱশ্যে মাকৰ অনুমতি লৈহে। বাপেকক সোধোতে প্ৰথমতে 'না' বুলিয়েই কৈছিল, পিছত ছোৱালীহঁতৰ মাকে 'একো নহয়' বুলি কোৱাত অতি কষ্টেৰে অৱশ্যে 'হা' বুলিবলৈ বাধ্য হৈছিল। প্ৰজ্ঞানৰ ঘৰত বহা ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক আলোচনা চক্ৰতেই এই বাই-ভনী কেইজনীয়ে প্ৰতিভাক পোন প্ৰথমে দেখিছিল। ছোৱালীজনী দেখিয়েই তাইহঁতৰ ভাল লাগিছিল, কিন্তু ক্ৰমে তাইক মনে মনে ঘেন্না পাবলৈ ধৰিলে। অকণমানি ছোৱালী এজনী হৈয়ো বিচক্ষণ বুদ্ধিৰ পৰিচয় দিয়াৰ কাৰণে অন্যান্য ছোৱালীতকৈ প্ৰজ্ঞানে প্ৰতিভাক অলপ বেচি মৰমৰ চকুৰে চোৱাচোৱেই আছিল তাৰ প্ৰধান কাৰণ। লৰাৰ চকুত সাধাৰণতে নপৰা পুৰুষৰ দুৰ্ব্বলতাৰ উমান পোৱাতো নাৰী জাতিৰ এটি ঈশ্বৰ প্ৰদত্ত গুণ কাৰণেই হবলা, এই কেইজনী বাই-ভনীয়ে, বিশেষকৈ অময়া'ই বেচ বুজিব পাৰিছিল যে—প্ৰতিভাই প্ৰজ্ঞানৰ মনত সঁচাকৈয়ে দ সাঁচ বহুৰাইছিল। আৰু ভৱিষ্যতলৈকো সেই সাঁচ হয়তো কেতিয়াও মাৰ নেযাবগৈ। কেতিয়াবা কেতিয়াবা ধেমালিৰ চলেৰে প্ৰজ্ঞানে কথাই কথাই দুই-এটি মৰমসনা কথা কওঁতে প্ৰতিভাৰ প্ৰতি থকা বিশেষ মৰমকণ আনৰ কাণত নেবাজিলেও অময়াৰ কাৰণে সেয়েই হৈ পৰিছিল একো একোপাত শেল। অময়াৰ অসহ্য হৈ উঠিছিল যে—কেলেই প্ৰজ্ঞানৰ দৰে এজন ডেকাই প্ৰতিভাৰ দৰে ইমান কোমল বয়সীয়া দ্বিতীয় বাৰ্ষিকৰ ছোৱালী এজনীৰ কাৰণে বিশেষ মনোযোগ দিব? প্ৰতিভাৰ গুণবোৰ লাহে লাহে অময়াৰ চকুত দোষৰূপে দেখা দিবলৈ ধৰিলে। অময়াৰ অবচেতন মনত প্ৰতিভাৰ আভাই শান্তিৰ

পৰিবৰ্ত্তে আনি দিলে অশান্তিৰ ছাঁয়া। যি আশা বুকুত লৈ অময়া প্ৰজ্ঞানৰ ঘৰলৈ গৈছিল—, সেই আশাৰ অগ্ৰসৰৰ পথত প্ৰতিভা যেন থিয় দিছিলহি—উজুটি খোৱা অন্তৰায়ৰ এটা অবাঞ্ছনীয় খুটিকপে। দুই চকুৰে এতিয়া তাই প্ৰতিভাক দেখিব নোৱাৰা হ'ল।

অময়া প্ৰতিভাতকৈ পাঁচ বছৰে ডাঙৰ, তাতে ৪র্থ বাৰ্ষিক কলাৰ ছাত্ৰী আৰু বেলেগ কলেজৰ ছোৱালী। সঁচা কথা কবলৈ গলে দুই-এটি সাধাৰণ কথাৰ বাহিৰে প্ৰতিভাৰ লগত অময়া বা তাইৰ অন্যান্য ভনীয়েক কেই-জনীৰো কথা-বতৰা নাই বুলি কলেও হয়। সি যিয়েই নহওক, বাই-ভনী এটাই কেউজনীয়ে প্ৰতিভাক ঈৰ্ষাৰ চকুৰে চাবলৈ ধৰিলে।

আচৰিত বাই-ভনী এই কেইজনী। আচৰিত তাইহঁতৰ ঘৰুৱা শিক্ষা। ছোৱালীহঁতৰ মনে যি বিচাৰে—মাকেও সাধাৰণতে তাতে হয় দিয়ে। কিন্তু বাপেকে কয় ঠিক তাৰ ওলোটাটো। মাকৰ ইচ্ছা আছিল—জীয়েক-হঁতক কটন কলেজত পঢ়ুৱাব। ছোৱালীহঁতৰো সেয়ে ইচ্ছা। কিন্তু বাপেকে ভাবে—বিবাহৰ পূৰ্ব্বলৈকে লৰাৰ সংস্পৰ্শলৈ ছোৱালীক পৰাপক্ষত আহিবলৈকে দিব নেলাগে। লৰা-ছোৱালীৰ যদি সহশিক্ষাই হব লাগে, তেনেহলে বেলেগে ছোৱালী কলেজ আছে কিয়? বাপেকে সদায়েই কয়। কিন্তু জীয়েকহঁতে, বিশেষকৈ মাকে ভাবে যে ছাত্ৰ-ছাত্ৰী অৱস্থাৰে পৰা সহশিক্ষাৰ জৰীয়তে কিশোৰ-কিশোৰী—বিশেষকৈ ডেকা-গাভৰুৰ মাজত পৰস্পৰ বুজাবুজিৰ ভাব এটি জগাই তুলিলেহে, ভৱিষ্যত সাংসাৰিক জীৱনত অতি সহজেই নাৰী-পুৰুষে পৰস্পৰৰ লগত পৰস্পৰে খাপ খুৱাই লোৱাত অসুবিধা নেপায়। শান্তিপূৰ্ণ সহ অৱস্থানৰ মনোভাৱ ছাত্ৰ জীৱনতে আয়ত্ব নকৰিলে, পিছলৈ আয়ত্ব কৰা টান। সহ-অৱস্থানৰ নানান বিষয়ৰ মাজত নাৰী-পুৰুষৰ সহ-অৱস্থানো এটা বিশেষকৈ লেখত লবলগীয়া। কিন্তু আচৰিত কথা যে, এই বিশেষ বিষয়টোৰ প্ৰতি আমাৰ সমাজবোৰ সদায়েই উদাসীন হৈ আহিছে। এয়েই থুলমূলকৈ ৰৰকাকতি পত্নীৰ সহশিক্ষা সম্পৰ্কে মনোভাৱ।

ৰৰকাকতিয়ে কিন্তু ভাবে সম্পূৰ্ণ বিপৰীত ধৰণে। তেওঁৰ মতে ডেকা-ডেকেৰীৰ মাজত আজিৰ শিক্ষিত সমাজত যিবোৰ বৈশম্যই দেখা দিছে—, ইয়াৰ মূলতে তথাকথিত স্ত্ৰী-স্বাধীনতা, আৰু এই স্ত্ৰী স্বাধীনতাত—বিশেষ ৰৱঙনি যোগাওঁতা সহশিক্ষা। তেওঁৰ মতে যিমান সোনকালে সহশিক্ষা উচ্ছেদ কৰিব পাৰি—সিমানেই সমাজৰ মঙ্গল। ৰাইজৰ ৰাজহৰ মিতব্যয়িতাৰ নামত লৰা-ছোৱালীৰ কাৰণে উমৈহতীয়া শিক্ষা প্ৰতিষ্ঠানবোৰ পাতি শিক্ষা-

বিদসকলে বাইজৰ ধন বেহাই কৰা বুলি ভাবিব পাৰে, কিন্তু সেই বাহি ধনতকৈ দহগুণ ক্ষতিৰ বাটটোও লৰা-ছোৱালীক অবাধ মিলাপ্রীতিৰ সুযোগ দি যে মুকলি কৰি দিছে, সেই কথা ভালকৈ টং কৰি কোনোবাই চাইছে জানো? পৰম্পৰৰ পৰা আঁতৰি থাকিলে লৰা-ছোৱালীৰ মাজত যি এটি পাৰস্পৰিক শ্রদ্ধাৰ ভাব থাকে, সেই ভাব সহশিক্ষাই নির্মূল কৰে। শ্রদ্ধাৰ পৰিবর্ত্তে আহে তাচ্ছিল্যৰ ভাব। আৰু এই তাচ্ছিল্য ভাবৰ ভেঁটিতেই গজিব লাগিছে আজিৰ শিক্ষিত সমাজত সদায়েই ঘটি থকা এশএটা আঁগোৰাহৰ বীজ। এই বীজৰ অঙ্কুৰ পুলিতেই নির্ম্মূল নকৰিলে সময়ত সহস্র ঠাল-ঠেঙুলীৰে এনে এক বিষ বৃক্ষই গোটেই শিক্ষিত সমাজ ছাটি পেলাব যে—তাৰ বিষাক্ত ছাঁত পবিত্রতাৰ সূৰুয বশ্মি কেতিয়াও প্রবেশ নকৰিব।

"আপুনি যে কি কথাবোৰ কয়?" মিচেছ ৰবকাকতিয়ে গিৰিয়েকলৈ পোন্দোৰাকৈ চাই সোধে, "কওকচোন বাৰু, আজিৰ এই আনবিক যুগত আপোনাৰ এই সাতাম পুৰুষীয়া কথাবোৰ বজেনে?"

"নৰজিৰ কেলেই?" ৰবকাকতিয়ে মুখৰ ওপৰতে ধৰে, "তাহানি ঋষি-মুনিৰ আশ্রমত ক'ত লৰা-ছোৱালীক একেলগে শিক্ষা দিয়া হৈছিল হে? গুৰু টোলত ২৫ বছৰ বয়সলৈকে লৰাক নানান ধৰণৰ শিক্ষাৰ লগতে শাস্ত্রাদি সম্বন্ধে উপযুক্ত জ্ঞান দিহে—পিছত সংসাৰত সোমাবলৈ অনুমতি দিয়া হৈছিল। এই ২৫ বছৰলৈকে লৰাৰ এই কালছোৱাত সিহঁতৰ মন চঞ্চল থাকে। ২৫ বছৰতহে স্থিৰতা আহিবলৈ আৰম্ভ কৰে। সেই কথা জানিয়েই অতীত ভাৰতৰ জ্ঞানীসকলে শিক্ষাৰ তেনে ব্যৱস্থা কৰিছিল। ফলত সমাজত আজি যি নাভূত-নাশ্রুত কাণ্ডবোৰ ঘটিব লাগিছে, সেইবোৰ মানুহে কল্পনাও কৰিব নোৱাৰিছিল।....তুমি কব খোজা নেকি আমি আজি এটম যুগ পালোঁহি বুলিয়েই ভাৰতৰ ঐতিহাসিক ঐতিহ্যক এৰাতিতে দলি-য়াই পেলাই, ভাৰতীয় ঐতিহ্য আৰু চিন্তাধাৰাত খাপ নোখোৱা পশ্চিমীয়া চিন্তাধাৰা জোৰকৈ জাপি দিব লাগিব?"

"জাপি দিবলৈ কোনে কৈছে?" মিচেছ ৰবকাকতিয়ে কয়, "সেইবুলি যুগৰ লগত খাপ খুৱাই আমি চলিব নেলাগিব নেকি? যুগধর্ম্ম বুলি এটা কথা নাই বুলি আপুনি কব খোজে নেকি?"

ঘৈণীয়েকে তর্ক কৰা দেখি ৰবকাকতিয়ে হাঁহি মাৰি ঘৈণীয়েকৰ মেজাজটো স্বাভাৰিক অৱস্থালৈ আনিবলৈ চেষ্টা কৰি কয়, "শুনা, পশ্চিমীয়া দেশবোৰৰ ভিতৰৰা সামাজিক অৱস্থাৰ বিষয়ে আমি একো নাজানো। বাহিৰা দুই-এখন কিতাপ পঢ়িয়েই একো একোজন সর্ব্বজ্ঞ হৈ পৰোঁহক।

নাৰী পুৰুষ উভয়ৰে যৌন বিকৃতি সম্বন্ধে ইউৰোপ আমেৰিকা আদি দেশবোৰে যিমানবোৰ নজনা নুশুনা সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে, আমাৰ দেশ-সমূহে, বিশেষকৈ ভাৰতে তাৰ এশ ভাগৰ এভাগ লৈয়ো মূৰ ঘমুৰাবলগীয়া হোৱা নাই। হেভ্-লক্-এলিচ, মেক্-ডুগল আদিৰ মনস্তত্ব বিষয়ৰ কিতাপ পঢ়া হলে নিশ্চয় বুজিলাহেঁতেন। জাষ্টিছ লিণ্ডচেৰ দৰে এজন বিশিষ্ট আইনজ্ঞই ইউৰোপ আমেৰিকাৰ স্কুল-কলেজীয়া ছোৱালীৰ যৌন অভিজ্ঞতা সম্পর্কে যি মতামত দিছে—সেই কথা জানিলে, ভাৰতক ভাগ্যৱানেই বুলিব লাগিব। কিন্তু ইয়াৰ মূলতে কি জানা?"

"কি?" তাচ্ছিল্যৰ সুৰত মিচেছ ৰবকাকতিয়ে সোধে।

"ইয়াৰ মূলতে হৈছে, এতিয়াও আমি আমাৰ ঐতিহ্যক সম্পূর্ণৰূপে দলিয়াই পেলোৱা নাই। য'তেই দলিয়াবলৈ চেষ্টা কৰিছোঁ, ততেই অবাঞ্ছনীয় সমস্যাই দেখা দিছে।...."

"অর্থাৎ," মিচেছ ৰবকাকতিয়ে কয়,—"এতিয়া যিকণ দলিয়াই পেলোৱা হৈছে, সেইকণ তেনেহলে এই সহশিক্ষাৰ জৰীয়তেই, নহয় জানো?"

"মুঠৰ ওপৰত জানি থোৱা যে—কৌটিকালৰে পৰা আজিলৈকে ভাৰতৰ ঐতিহ্যৰ যি সোঁতত আমি অতর্কিতেই খোঁৱাদি আহিছোঁ, সেই সোঁতৰ লগতেই আজিৰ যুগৰ বা ভবিষ্যতে পৰিবলগীয়া সকলো শাখা-উপনৈ সংযতভাৱে সামৰি লৈ ভাৰত আগুৱাই যাব লাগিব। সাময়িক শাখা-উপনৈত সময়ে সময়ে উঠা বানপানীত মূল সুঁতিৰ দিক হেৰুৱাই আমি যদি ঐতিহ্য বিহীন হৈ পৰোঁ, তেতিয়াই ভাৰতৰ নৈতিক মানদণ্ড আৰু সাংস্কৃতিক সমৃদ্ধিৰ মৃত্যু অনিবার্য্য। মনৰ শৃঙ্খলা বা মানসিক সংযম সম্পর্কে লৰা-ছোৱালীক লগে লগে শিক্ষা দি মন গঢ়ি নোলোৱাকৈয়ে, সহ-শিক্ষাৰ আধুনিক সোঁতত সিহঁতক উটি যাবলৈ দিলে, সিহঁত দাঁড়-ব'ঠা নোহোৱা জাঁজীৰ দৰে উটিয়েই যাব, নাও হবলৈ আৰু নিশিকিব। আজিৰ যুগ, আনবিক যুগ স্বীকাৰ কৰোঁ, কিন্তু মনৰ আনবিক শক্তিক কৰায়ত্বাধীনলৈ আনি পৰিচালনা কৰিলেহে ধ্বংসৰ পৰিবর্ত্তে সংগঠনৰ পথত আমি আগুৱাই যাব পাৰিম।"

মিচেছ ৰবকাকতিয়ে ভাবিলে—এনে তর্কৰ আদিও নাই, অন্তও নাই। তেওঁ মনে মনে থাকিল। বুজিলে—ছোৱালীহঁতক গার্লছ কলেজতে পঢ়ুৱাব লাগিব। বাকী যি শিক্ষা দিব লাগে তেওঁ ঘৰতেই ছোৱালী-হঁতক দিব পাৰিব। বাপেকবিলাকে বক্তৃতা দিবহে জানে। ছোৱালীৰ ভবিষ্যত মঙ্গলৰ সম্পূর্ণ ভাৰ জানো চিৰদিনেই মাকবিলাকে লৈ অহা নাই?

দিনটোৰ ২৪ ঘণ্টাৰ ভিতৰত জীৱিকা উপাৰ্জ্জনৰ কামত ৮ ঘণ্টা বাহিৰত, ৮ ঘণ্টা শোওঁতে, ৪ ঘণ্টা ব্যক্তিগত দৈনন্দিন কামত আৰু ৪ ঘণ্টা ফুৰা-চকা কৰোঁতেই পুৰুষবোৰৰ সময় নাই; কিন্তু এই ২৪ ঘণ্টাৰ ভিতৰত শোৱা সময়খিনি বাদ দিলে, বাকী ১৬ ঘণ্টাই লৰা-ছোৱালী, চাকৰ-বাকৰ, ঘৰখনৰ তদাৰক কৰোঁতেই আধুনিক মাকবিলাকৰ সময় কাটে। এনে স্থলত তৰ্ক কৰি স্বামীৰ অপ্ৰিয় ভাজন হৈ নিজৰ কামত ব্যাঘাত পোৱাতকৈ, প্ৰিয়ভাজন হৈ নিজৰ ৰুচিমতে কাম কৰিবলৈ ছেগ উলিয়াই লোৱাটোৱেই বুদ্ধিমতীৰ কাম। মিচেছ ৰৰকাকতিয়ে সেই দেখি একো নামাতি গিৰিয়েকৰ বক্তৃতা শুনি গ'ল।

"শুনা, শুনা," ৰৰকাকতি আকৌ ঘূৰি আহি কয়, "বাট্ৰাণ্ড্ ৰাছেলে তেওঁৰ "মেৰেইজ্ এণ্ড্ মৰেল্‌চ" বোলা কিতাপত কলেজ আৰু বিশ্ববিদ্যালয়ৰ মহলাৰ ছাত্ৰ-ছাত্ৰীৰ অবাধ মিলা-প্ৰীতিৰ আৱশ্যকতা সম্পৰ্কে মত প্ৰকাশ কৰিছে। তাকে পঢ়ি আমাৰ ভাৰতৰ বহুতেই তেওঁৰ কথাতে হয়ভৰ দি, সেই চানেকিৰে আধুনিক হবলৈ ডেকা-ডেকেৰীক উদগাইছে। কিন্তু এইটো কোনেও ভাবি নেচায় যে—বা ট্ৰাণ্ড্ ৰাছেল ইংলণ্ডৰ মানুহ, আৰু তেওঁ কৈছে—ইউৰোপ আৰু আমেৰিকাৰ আঞ্চলিক পৰিবেশত ডাঙৰ-দীঘল হোৱা ছাত্ৰ-ছাত্ৰীৰ কথা। তেওঁ যদি ভাৰতীয় হ'লহেঁতেন, আৰু ভাৰতৰ সমস্যা অধ্যয়ন কৰি কিবা মত দিলেহেঁতেন—সেই মতৰ লগত ইংলণ্ড-আমেৰিকাৰ ছাত্ৰ-ছাত্ৰী সম্বন্ধে দিয়া মত নিশ্চয় বেলেগ হ'লহেঁতেন। কিন্তু আমাৰ বেচিভাগ তথাকথিত শিক্ষিত লোকে পশ্চিমীয়া পণ্ডিত বা মনীষী-সকলে তেওঁলোকৰ নিজ নিজ দেশৰ সমস্যাৱলীৰ সমাধান সম্পৰ্কে যিহকে কয় তাকেই হুবহুকৈ অনুকৰণ কৰিহে আধুনিকত্বৰ পোহৰ পোৱা শিক্ষিত লোক বুলি গৌৰৱ কৰিব খোজে! দাসত্ব মনোভাব আৰু অস্তিত্ব বিহীনতাৰ ইয়াতকৈ ডাঙৰ পটন্তৰ আৰু কিবা থাকিব পাৰেনে?" ৰৰকাকতিৰ খং উঠি যায়। তেওঁ খঙতে আকৌ কয়, "হেৰ', আনৰ কথা শুনিব খুজিছ শুন, আনৰ ৰন্ধা খাব খুজিছ খা, কিন্তু নিজৰ ৰুচি পাহৰি পেলাইছ কিয়?...' 'আনৰ বস্তুত নিজৰ এজেৰা লোণ লৈ চাকিলেহে যে তাৰ প্ৰকৃত সোৱাদ উপলব্ধি কৰিব পাৰি।' এই বুলি দেখোন ইংৰাজীতেই এষাৰ কথা আছে। আমাৰ কেইজনে বাৰু সেইটো কৰে? অন্ধ! অন্ধ! অন্ধ! উস্ উস্ থলুৱা-ভোটিহীন বাগতি-কোৰোৱা শিক্ষাই আমাক আটাইকে দেখিছোঁ 'দেখ-কণা' আৰু 'শুন-কলা' কৰিলে! শুনিছা, সেইদেখি মই কওঁ, জীয়েৰাহঁতক উচ্চ শিক্ষা দিব খুজিছা দিয়া, কিন্তু ছোৱালীৰ কলেজ আছে যেতিয়াই,

তাতেই পঢ়ক। আৰু শুনা, 'ট্ৰায়েল মেৰেইজ্' 'ট্ৰায়েল মেৰেইজ্' বুলি কথাষাৰ আমি যিমানেই নুশুনোহঁক, মই হলে সেইবোৰত নাই। আৰু আমাৰ এই সহশিক্ষাবোৰ বুইছা—, প্ৰকাৰান্তৰে ট্ৰায়েল্ মেৰেইজৰেই ঘট-কালি কৰা অনুষ্ঠানত পৰিণত হোৱা যেনহে দেখা গৈছে। অৱশ্যে দোষ আমাৰো—আমি মানে আমাৰ ছোৱালীৰ মাক-বাপেক—অভিভাৱকবোৰৰ। জানি-শুনি মই সেইটো হবলৈ দিব নোৱাৰোঁ।" কোঠাটোত টহলি টহলি ৰৰকাকতিয়ে আকৌ কয়,—"লিপ্সাক প্ৰেম বোলাত মই নাই, আৰু লিপ্সা অন্ধ দেখি প্ৰেমকো অন্ধ বুলি প্ৰেমৰ সংজ্ঞা দিওঁতা প্ৰেম বিশেষজ্ঞসকলৰ লগতো মই একমত হব নোৱাৰোঁ। মই ঠিক কৈছোঁ—বুইছা, আজিৰ এই চালুকীয়া অৱস্থাত থকা মনস্তত্ত্ব বিজ্ঞানে যেতিয়া পৰিপক্কতা লাভ কৰিব, তোমাৰ কৈছোঁ নহয়—, আজিৰ তথাকথিত কত অভ্ৰান্ত সিদ্ধান্ত ভ্ৰান্ত বুলি আৰু তথাকথিত অকাট্য যুক্তি কাট্যত পৰিণত হব তাৰ লেখ নাই! মনস্তত্ত্ব এটা ভাল বিষয়, কিন্তু যৌন-মনস্তত্ত্বৰ নামত যেয়ে যি খুচি প্ৰলাপ বকিবলৈ যোৱা দেখিছে খং উঠে...."

"আপোনাৰ মুখ আজি বন্ধ নহবই নেকি?" মিচেছ ৰৰকাকতিয়ে বিৰক্তিৰ সুৰত কয়।

"অ', মই পাহৰিছিলোঁৰেই। মই কৈছোঁ নহয়....গার্লছ কলেজ.... গার্লছ কলেজ....হ'ব?"

"নহব কেলেই? আপুনি ছোৱালীহঁতৰ দেউতাক। দেউতাকৰ ইচ্ছা-মতেই সিহঁতে গঢ় লব লাগিব। আৰু মই? মই সিহঁতৰ মাক—মাকৰ দিহা-পৰামৰ্শ মতেই সিহঁতে ভবিষ্যতলৈ ঘৰ ধৰি খাব লাগিব। আৰু সেই দিহা-পৰামৰ্শ কেনেকৈ দিব লাগিব—সেইটোও মোৰ স্বামী হিচাপে আপুনিয়েই মোক দিহা দিব। হেজাৰে হওঁ, মই তিৰোতা। আপোনা-লোকৰ মতে 'লাও', 'মহ'—এইবিলাকৰ লগতহে আমাৰ তুলনা...."

ষৈণীয়েকৰ বিদ্ৰূপসূচক উক্তিত ৰৰকাকতিৰ হাঁহি উঠি যায়। তেওঁ কয়, "এৰা এৰা, মোৰ মনত পৰিছে 'লাও হেজাৰে ডাঙৰ নহওক, তথাপি পাতৰ তল! আৰু কি কৈছিলা?....অ', মহ—এৰা, তোমালোক 'আঁঠুৰা তলৰ মহ', সঁচাই। পিছে প্ৰশ্ন হ'ল য'ত আঁঠুৰাও নাই—মহো নাই: যেনে অতি শীতপ্ৰধান দেশবোৰ—অৰ্থাৎ ইউৰোপ, আমেৰিকা আৰু বাচিয়াৰ বেচিভাগ অঞ্চল, সেই সেই ঠাইৰ তিৰোতাবিলাকৰ নিশ্চয় বেলেগ নাম আছে! এতেকে তোমালোক যি দেশৰ মহিলা—সেই মতেই থাকিবা। সেয়েহে কৈছোঁ—জীয়েৰাহঁতক ভাৰতীয় উপযুক্ত মহিলা হবলৈ শিক্ষা

দিয়া। আৰু এই শিক্ষা সহশিক্ষাৰ জৰীয়তে নহয়—আচুতীয়াকৈ দিয়া শিক্ষাৰ জৰীয়তেহে। বেচ, তেনেহলে সেয়ে হব, নহয় জানো?"

"সকলো সিদ্ধান্ত নিজে কৰি, তিৰোতাৰ মতামত সুধি সিদ্ধান্ত লোৱা বুলি নিজকে ভুৱা দিয়া ভাৰতীয় ডিক্টেটৰ স্বামীবোৰৰ লগত আপোনাৰ পার্থক্য কিবা আছে বুলি মই নেভাবোঁ। হাজাৰ হওক, আপুনি স্বামী আৰু ভাৰতীয়, আৰু হাজাৰে হওঁ—মই আপোনাৰ স্ত্রী—অনুগামিনী। বুজিছে: 'পতি পৰম গুৰুঃ' পন্থাৰ অৱসান হৈ 'পত্নী পৰমাৰাধ্যাৰ' যুগ প্রৱর্ত্তন নোহোৱালৈকে তিৰোতা জাতি পুৰুষৰ দাসী হৈয়েই থাকিব লাগিব। আৰু সেই যুগ আহোঁতে অতি কমেও আৰু এশ বছৰ লাগিব, যদিহে এশ বছৰলৈকে পৃথিৱীৰ মানুহ জীয়াই থাকে?"

"মানে?" চকু কেইটা ডাঙৰকৈ ৰৰকাকতিয়ে ষৈণীয়েকলৈ চায়।

"মানে সেইটোৱেই। মহাপ্রলয়ত বিশ্বাস নকৰিলেও আমি প্রলয়ৰ মুহূর্ত্তত। এশ বছৰৰ আগেয়েই পৃথিৱীত মহা প্রলয় হব—যদিহে মাজতে কিবা কাৰণত মানুহৰ মানৱত্ববোধে বর্ত্তমানৰ দানৱত্ববোধক দমন কৰি নেপেলায়!"

"ৰৰ ডাঙৰ কথা কৈছাহে! ক'ৰ কথা নি যে ক'ত সানিছাগৈ!" ৰৰকাকতিয়ে ষৈণীয়েকৰ বুদ্ধিৰ প্রখৰতাত আৰু দূৰদৃষ্টিত আকৃষ্ট হয়। তেওঁলৈ অন্তৰেৰেই শ্রদ্ধাঞ্জলি নিবেদন কৰে। মনে মনে ভাবে, তেওঁৰ ডেকাকালিৰ 'স্বপ্না' সঁচাকৈয়ে আজিও 'স্বপ্না'। ষৈণীয়েকৰ যেনেকৈ ইচ্ছা—তেনেকৈয়ে জীয়েকহঁতক শিক্ষা দিয়াৰ স্বাধীনতা দি, ৰৰকাকতি আগে পিছে যোৱাৰ দৰে, এইবাৰো এমাহমানৰ কাৰণে নিজৰ ব্যৱসায়ৰ লেঠাত টুৰলৈ গ'ল। এনেকৈয়ে পৰস্পৰ বুজা-বুজিৰ মাজতে ৰৰকাকতি দম্পতিৰ সংসাৰ এক প্রকাৰ সুখতেই অতিবাহিত হৈ আহিছে বুলি কব পাৰি। টুৰলৈ নগ'লেও ৰৰকাকতি মানুহজন সদায়েই অতি ব্যস্ত। নিজাকৈ দুখন চাহ বাগিছা আৰু আন কেইবাখনো বাগিছাৰ অংশীদাৰ হিচাপে স্বাভাৱিকতেই ঘৰত তেওঁ খুব কম সময়েই থাকিবলৈ পায়। তেওঁৰ অনুপস্থিতিত আৰু ঘৰতো অতি-ব্যস্ততাৰ সুৰুঙাকণত ছোৱালীহঁতে নিজৰ ধৰণে চলা-মেলাত সঁচা কথা কবলৈ গ'লে একো অসুবিধা পোৱা নাই।

বুদ্ধিমতী ৰৰকাকতিয়ে সদায়েই গিৰিয়েকৰ দিহামতেই সকলো কাম হৈ আছে বুলি দেখুৱাবলৈ আজিলৈকে সক্ষম হৈ আহিছে। আচলতে কিন্তু তেওঁ নিজৰ মতেহে জীয়েকহঁতক চলাইছে। সেইমতেই তেওঁ প্রথম

চাৰিজনী ছোৱালীক বি, এ মহলালৈকে উচ্চ শিক্ষাত উত্তীর্ণ কৰাই, ৪ জন উচ্চ শিক্ষিত আৰু প্রত্যেকেই কেন্দ্রীয় চৰকাৰৰ তলত ডাঙৰ চাকৰি কৰা, ধুনীয়া ডেকালৈ বিয়া দি ৪ জনকৈ 'বিলাত ফেৰত' জোঁৱাই লাভ কৰিছে।

ৰৰকাকতিয়ে কিন্তু এতিয়াও ভাবি আছে যে, তেওঁৰ ষৈণীয়েকে তেওঁৰ দিহামতে জীয়েকহঁতক শিক্ষা-দীক্ষা দিয়াৰ কাৰণেহে তেওঁ আজি এইহেন চাৰিজন উজ্জ্বল ডেকাক জোঁৱাই হিচাপে পাই গৌৰৱ অনুভৱ কৰিব পাৰিছে। ৰৰকাকতিৰ দৰে দেখিলে মাতিবলৈ সাহ নোহোৱা ধৰণৰ ব্যক্তিত্বসম্পন্ন গিৰিয়েককো, এইদৰে আনুগত্যৰ ওলোটা নাকিজৰী পিন্ধাবলৈ পাই ষৈণীয়েকে আত্মপ্রসাদ লাভ কৰিলে। চেম্‌চনৰ মূৰৰ চুলিৰ মাজত লুকাই থকা শক্তিৰ ৰহস্য চেম্‌চনৰ চতুৰ ভার্য্যা দেলাইলাই উদঘাটন কৰাৰ কৌশলকেই হয়তো মিচেছ ৰৰকাকতিয়ে খটুৰাইছিল, কিন্তু গিৰিয়েকক ধ্বংস কৰাৰ উদ্দেশ্যে নহয়, নিজৰ ৰুচিমতে জীয়েকহঁতৰ সহযোগত আজিৰ যুগতো বিস্ময় সৃষ্টি কৰিব পৰা ৰৰকাকতি-পৰিয়াল এটি গঢ়ি তুলিবৰ কাৰণেহে। অসাধাৰণ চতুৰ এই গৰাকী দুকুৰী বছৰীয়া মহিলাক দেখিলে কোনেও কব নোৱাৰে যে তেওঁ, এজনী দুজনীকৈ, বাৰজনী ছোৱালীৰ মাক।

বর্ত্তমানে তেইশ বছৰীয়া প্রথমজনী ছোৱালী ওপজোতে মিচেছ ৰৰকাকতিৰ বয়স আছিল পোন্ধৰ বছৰ, আৰু শেহৰজনী ছোৱালী ওপজোতে তেওঁৰ বয়স আছিল ২৬ বছৰ। ১৫ বছৰ বয়সৰ পৰা প্রত্যেক বছৰে একোজনীকৈ জীয়ৰীক জন্ম দি ২৬ বছৰ বয়সতে মিচেছ ৰৰকাকতিয়ে প্রসূতি-শয্যা শেহবাৰলৈ ত্যাগ কৰিলে। ছাব্বিচৰ পৰা চল্লিচলৈকে এই চৈধ্য বছৰৰ ভিতৰত, তেওঁৰ স্বাস্থ্যই যে কেৱল ঘূৰি আহিছিল এনে নহয়, তেওঁৰ বয়সেও যেন একে ঠাইতে বৈ দুকুৰী বছৰ বয়সতো এগৰাকী দিপ্‌-লিপ গাভৰুৰ দৰে তেওঁক নিজৰ জীয়েকহঁতৰ আগতো এক প্রকাৰে ঈর্ষাৰ পাত্রী কৰি তুলিছিল। আনৰ চকুত চমক লগোৱাৰ যোগ্যতা থাকিলেও ৰৰকাকতিনী নিজে কিন্তু সেই বিষয়ে উদাসীন আছিল বুলিয়েই কব পাৰি। কিন্তু লগৰ সমনীয়া তিৰোতাবিলাকে তেওঁক ন ছোৱালী বুলি জোকাই ধেমালি কৰিবলৈ এৰা নাছিল। ২৩ বছৰীয়া প্রথম জীয়েকৰ লগত বাটত একেলগে ফুৰিলে কোনেও তেওঁক মাক বুলি নকৰ, ঠিক যেন ওপৰৰ বাৰেকজনীহে! বয়স আৰু মাতৃত্বই বুঢ়া কৰিব নোৱাৰা আঁহ-কোমল লৰনু দেহৰ অধিকাৰিনী তিৰোতাসকল বাৎসায়ন আদি ভাৰতৰ প্রাচীন

যৌন শাস্ত্রকাৰসকলৰ মতে কোন পর্য্যায়ত পৰে সঠিককৈ কব নোৱাৰিলেও, তেওঁৰ স্বামী বৰকাকতিয়ে মনে মনে ভাবি আছিল যে, বাণ ৰজাৰ জীয়ৰী উষাৰ সখীয়েক চিত্রলেখা বোধকৰো এই ধৰণৰেই তিৰোতা আছিল। তেওঁ তেনেকৈ ভবাৰ অর্থ এয়ে যে পদ্মিনী, শংখিনী, চিত্রানী আৰু হস্তিনী— এই চাৰি প্রকাৰৰ তিৰোতাৰ যেনে গুণাৱলী শাস্ত্রকাৰসকলে নির্ণয় কৰিছে, তেনে গুণাৱলীৰ ভিতৰত শংখিনীৰ আধা আৰু চিত্রানীৰ আধা গুণ লৈ সমাজত জিলিকা নাৰীসকলৰ পর্যায়তেই তেওঁৰ পত্নীও পৰিব বুলি তেওঁৰ ধাৰণা। চিৰযৌৱনা স্ত্রীৰ স্বামী হোৱাৰ সৌভাগ্য দান কৰি চিৰ যৌৱনৰ বিশেষ বিভূতি তেওঁকো ঈশ্বৰে কেলেই নিদিলে বুলি প্রকাশ্যে আক্ষেপ নকৰিলেও, ডেকামহলৰ চকু জীয়েকহঁতৰ লগতে মাজে মাজে মিচেছ বৰকাকতিলৈকো কেতিয়াবা নিক্ষেপ হোৱা যেন দেখিলে, তেওঁৰ বুকুৰেদি এপাত শেল যোৱা যেন তেওঁ অনুভৱ নকৰাকৈ থকা নাছিল! সুস্থ বলীষ্ঠ হচঙা দেখনীয়াৰ সভাশুৱনী পুৰুষ হলেও, বাৱন্ন বছৰীয়া প্রৌঢ়ত্বৰ কপোৱালী বহণ বৰকাকতিৰ কাণৰ দুয়োকাষৰ কেঁকোৱা চুলিবোৰত, ছুটিকৈ কটা হলেও, স্পষ্টকৈ বিবিঙি উঠিছিল। আনহাতে ঘৈণীয়েকৰ এদালিও চুলি পকা নাছিল আৰু পলিচ কৰা হাতী দাঁতৰ দৰে চিক্‌চিকিয়া ৰঙৰ অকণো সেৱেঙা নথকা ডালিমগুটীয়া দাঁতৰ গৌৰৱ তেওঁ এতিয়াও কৰিব পাৰিছিল। প্রকাশ্যে একো নকলেও বৰকাকতিৰ ওপৰ পাৰি দাঁতৰ দুয়োটা কুকুৰ দাঁত সৰুৱাই লগাই লোৱা দাঁত দুটি আচিত দেখিলে তেওঁৰ অন্তৰখন মাজে মাজে কিবা এটা অজান আতঙ্কত কঁপি উঠা যেন অনুভৱ কৰিছিল। সেয়া অৱশ্যে বৰকাকতিৰ নিজৰ কথাহে। ঘৈণীয়েকে কিন্তু সেই বিষয়ে কেতিয়াও বিশেষ মনযোগ দিয়া নাছিল, আৰু প্রকৃতিক পৰাজয় কৰাৰ আনুপাতিক কৃতকার্য্যতা বা সামর্থ্যৰ কথা কৈও গিৰিয়েকৰ মনত কেতিয়াও দুখ দিয়া নাছিল। সেই হিচাপে বৰকাকতিয়ে নিজকে নিজে ভাগ্যৱান বুলি ভাবিলৈকে উদগনি পাইছিল।

মিচেছ বৰকাকতিৰ বাৰ বছৰীয়া নুমলীয়া জীয়েকজনী বিশেষকৈ মন কৰিবলগীয়া। তাইৰ ওপৰৰ এঘাৰজনী বায়েকৰ এজনীৰ লগতো তাইৰ আকৃতি আৰু প্রকৃতিৰ অকণো মিল নাই। দেখাত তাই মাকৰ এটি হুবহু ক্ষুদ্র সংস্কৰণ। তাই প্রথম ছোৱালী হবলৈ হোৱা হলে, কোনজনী মাক কোনজনী জীয়েক বিচাৰি উলিওৱা টানেই হ'লহেঁতেন। আন এঘাৰজনী জীয়েকৰ আটাই কেইজনীয়েই কিন্তু বাপগৰ্টী। বাপগৰ্টী ছোৱালী বোলে ভাগ্যৱতী। সেয়েহে প্রথম ৪ জনী ছোৱালী উপযুক্ত

পাত্রত পৰি আজি একো একোজনী উচ্চ বিষয়াৰ সহধর্ম্মিনী হবগৈ পাৰিছে। এই কথা যদি সঁচা হয়, নুমলীয়া জনীৰ বাহিৰে এতিয়াও বিয়া দিবলৈ বাকী থকা আন সাতজনী ছোৱালীও যে উপযুক্ত পাত্রতেই পৰিব, সেই বিষয়ে মিচেছ বৰকাকতি নিঃসন্দেহ। নুমলীয়া জীয়েকৰ ক্ষেত্রত মাকে অৱশ্যে সেই যুক্তি কেতিয়াও খটু�ৱাবলৈ যত্ন কৰা নাই। তাইৰ বিষয়ে এনে ভাব আছিলেও তেওঁ নিজকে নিজে কয়, 'যাৰ কন্যা তাৰ বিবাহ।' মাক-গৰ্টী এই ছোৱালীজনীৰ স্বভাৱটোও বাকী কেইজনীৰ তুলনাত সম্পূর্ণ ওলোটা। ওপৰৰ এঘাৰজনী জীয়েকেই মাকে যি কয় আখৰে আখৰে মানি আহিছে, কেতিয়াও মাকৰ অবাধ্য হোৱা নাই, কিন্তু অকণমানি এই ১২ বছৰীয়া ছোৱালীজনীয়ে কিন্তু মাক বা বায়েকহঁতে যিহকে নকৰক তাতেই আপত্তি কৰে। কিন্তু আচৰিত কথা, বাপেকৰ কথাত হলে তাই নিজৰ মূৰটোও বলিশালত পাতি দিবলৈ সাজু। মাক-গৰ্টী হোৱাৰ কাৰণেই বাপেকলৈ তাইৰ ইমান আগ্রহ নে আন কিবা কাৰণেই সেই বিষয়ে বৈজ্ঞানিক ব্যাখ্যা দিবলৈ হয়তো এজন ফ্রয়ড্ বা য়ুং বা হেভ্লক এলিচ্ আৱশ্যক হব; কিন্তু সাধাৰণ মানুহৰ দৃষ্টিত এটা কথা হলে জল্‌জল্ পট্‌পট্ কৰে ওলাই আছে যে বিৰোধী গাঢ়ৰ হোৱা কাৰণেই বোধকৰো বায়েকহঁতৰ লগত তাইৰ প্রকৃতিৰো সম্পূর্ণ বিৰোধ। বাপেকৰ তাই অতি আদৰুৱা। বাপেক টুৰলৈ গলে বা ঘৰত নেথাকিলে মাক বা বায়েকহঁতে কি কৰে কি নকৰে, কি কথা আলোচনা কৰে ইত্যাদি বাপেক ঘৰলৈ আহিলেই সকলো বিৱৰি কয়। বাপেকৰ ওচৰত আদৰ কৰি কেতিয়াবা কান্দেও যে তাইক মাক আৰু বায়েকহঁতে বোলে দুই চকুৰে দেখিব নোৱাৰে। এই কথা লৈয়েই মাক-দেউতাকৰ মাজত কেতিয়াবা কথা কটাকটি হয়। তেতিয়া চাবলৈ বৰ ভাল। ঘৰখনত চাওঁতেই দুটা পৰস্পৰ বিৰোধী দল হৈ পৰে। এফালে নুমলীয়া জীয়েক আৰু দেউতাক, আনফালে মাক আৰু বাকী আটাই কেইজনী জীয়েক। কেতিয়াবা কেতিয়াবা এনে তর্ক-বিতর্ক বহুত ৰাতিলৈকে চলে। কিন্তু বৰকাকতি পৰিয়ালটোৰ এইটোৱেই বিশেষত্ব যে পৰিয়ালৰ মাজত এনে মতানৈক্য সম্পর্কে ঘৰৰ চাকৰ-নাকৰ বা ওচৰ-চুবুৰীয়া কোনেও ঘূণাক্ষৰেও গম নেপায়। এই কাৰণেই, এজন পুৰুষ চুপাৰিণ্টেণ্ডেণ্টৰ অধীনত থকা এটা সৰু ছোৱালী হোষ্টেল বা মেছৰ দৰে অনুমান হোৱা, বৰকাকতি পৰিয়ালটোক ওচৰ-চুবুৰীয়াই কেৱল যে সম্ভ্রমৰ চকুৰেই চায় এনে নহয়, ভয়ো কৰে। সেইমতে এই পৰিয়ালটো বাহিৰৰ মানুহৰ কাৰণে এটি ৰহস্য—ঐক্যৰ

এটি জলন্ত প্রতিষ্ঠান। বৰকাকতি দম্পতিৰ পৰস্পৰ বুজাবুজিয়েই যে ইয়াৰ মূল কাৰণ, কোৱা বাহুল্য মাথোন।

সি যিয়েই নহওক, প্রতিভা হস্পিতেলত থকা দিন কেইটাৰ ভিতৰত অময়া আৰু তাইৰ তলৰ তিনিওজনী কলেজত পঢ়া ভনীয়েক প্রায়েই প্রতিভাৰ খবৰ লবলৈ গৈছিল। প্রজ্ঞান আৰু শকুন্তলাই প্রতিভাৰ খবৰ নিতৌ লোৱাগৈ দেখি অময়াই এফালে যেনেকৈ বেয়া পাইছিল, আনফালে প্রজ্ঞানৰ লগত দেখাদেখি হোৱাৰ সিও এটা সুযোগ বুলি ভাবি, প্রতিভাৰ অসুখ যাতে সোনকালে ভাল নহয়, সেইটোকে মনে মনে কামনা কৰি ঈশ্বৰক খাটিছিল। আনহাতে শকুন্তলাই সদায় ঈশ্বৰৰ ওচৰত খাটিছিল যে প্রতিভা যেন সোনকালে আৰোগ্য হৈ আকৌ আগৰ দৰে ধুনীয়া ছোৱালী-জনী হৈ পৰে।

এই দুইজনী ছোৱালীৰ মেৰু-ব্যৱধানি এই দুটি প্রার্থনাৰ কোনটো ঈশ্বৰে মঞ্জুৰ কৰিছিল কোৱা টান, কিন্তু আশা কৰাতকৈও কম সময়ৰ ভিতৰতেই প্রতিভা সম্পূর্ণৰূপে ভাল হ'ল। চার্জ্জনৰ বিশেষ যত্নত গালৰ দাগ প্রায় নাইকিয়াই হ'ল। যিবা অকণ ৰ'ল, সেইকণে ৰূপ কমাওক চাৰি ৰূপত বহণ হে চৰালে। এতিয়া তাই হাঁহিলে গালৰ সেই ঠাইডোখৰত দেখাত বুড়ি পোকে বালিৰ ওপৰত কুৰুকি কুৰুকি কৰা সৰু গাঁত এটাৰ দৰে হৈ পৰে। নেহাঁহিলেই হৈ পৰে আকৌ সমান আৰু নিমজ: যেন এটা স্বাভাৰিক সৌন্দর্য্য খুঁতহে! (এনেকৈ বাঁকোহা-বাঁকুহি কৰাৰ ফলত মুখৰ সৌন্দর্য্য সদায়েই যদি বাঢ়িলহেঁতেন, ছোৱালীৰ চুলীয়াচুলি আৰু নখীয়া-নখী অভ্যাসবোৰ পৃথিৱীৰ পৰাই বোধকৰো নাইকিয়া হৈ গ'ল-হেঁতেন!)

শকুন্তলাৰ আক্রোহৰ-আঁচোৰ প্রতিভাৰ 'নিমজ গালত নিশ্চিহ্ন হৈ ৰূপান্তৰিত হ'লগৈ এটি মনোলোভা ডিম্পোল্‌ত। মুখত মিচিকিয়া হাঁহি লৈ আচিত নিজৰ মুখখন যিমানেই পৰীক্ষা কৰে সিমানেই প্রতিভাৰ চকুত জিলিকি উঠে স্বাভাৰিক যেন দেখা এই কৃত্রিম ডিম্পোল্‌টো!

'শকুন্তলা বাইদেউজনী ইমান ভাল! তাই বাৰু মোক কিয় বাকুহিছিল?' প্রতিভাই নিজকে নিজে কৈ হাঁহে। আচিখন তাইৰ ভাল লাগে। ভাল লাগে তাইৰ নিজৰ মুখখন। বিশেষকৈ ভাল লাগে হাঁহিটো। তাতোকৈ ভাল লাগে শকুন্তলাৰ নিষ্ঠুৰ নখৰ ডাগটো!

'শকুন্তলাজনীক যেন খাই পেলাম।' প্রতিভাই আনন্দতে কি কৰিব

কি নকৰিব ভাবি থাকোঁতেই পিছফালে এজনী দীঘল ধুনীয়া ছোৱালী থিয় দিলেহি। আচিত তাইৰ মুখখন প্রতিভাই দেখা পালে। খপকৰে পিছলৈ ঘূৰি ছোৱালীজনীৰ দিঙিত দুই হাতে সাৱত মাৰি ধৰি প্রতিভাজনী তাইৰ গাত ওলমি পৰিল। হস্পিতেলৰ পৰা হোষ্টেললৈ উভতি যোৱাৰ পিছত সেইটোৱেই আছিল প্রতিভা-শকুন্তলাৰ প্রথম মিলন।

ডাৱৰ আৰু বিজুলী

এক

সেইদিনা আছিল চ'তৰ সংক্ৰান্তি, বহাগ বিহু। প্ৰজ্ঞানে আঠশাৰী এখুদমান কবিতা এটি লিখিছিল বিহুৰ বিষয়ে। কাক দিলৈ কৰ নোৱাৰে, কিন্তু লিখিছিল। বহাগ বিহু সম্পৰ্কে প্ৰজ্ঞানৰ ধাৰণাটো ফুটাই তোলাৰ উদ্দেশ্যেই হয়তো তেনে কৰিছিল। কবিতাটো প্ৰজ্ঞানৰ জেপতেই আছিল। মনিৰ নোৱাৰা অতীতৰ পৰা, মুখে মুখে বাগৰি অহা অসমীয়াৰ হাড়ে-হিমজুৰে সোমাই পৰা, দলিয়াই পেলাব খুজিলেও পেলাব নোৱাৰা, বঙালি বিহুৰ অন্তৰ্সুতিটোত সাঁতুৰিবলৈহে প্ৰজ্ঞানে ভাল পাইছিল বেচি। বাহিৰত ফুটি উঠা অন্তৰৰ আবেদনৰ এশ এটা ৰূপ ৰাইজৰ ভাষাৰে ৰাইজেই ৰাইজৰ আগত প্ৰকাশ কৰি, ৰাইজৰ ৰুচিৰে ৰাইজেই ৰাইজক খুৱাই-বুৱাই, ৰাইজৰ সুৰেৰে ৰাইজেই ৰাইজক গাই-বাই শুনাই অপাৰ তৃপ্তি লভে এই বঙালি বিহুতেই। টকা-পেঁপা-ঢোল-শিঙা-গগনা-তাল-বীণৰ সমসুৰীয়া সমলয় ধ্বনিত গা সাতখন-আঠখন কৰে, উলহ্-মালহ উদুলি-মুদুলিত ৰাঁইজাঁই কৰে মন। ডেকা-ডেকেৰীৰ উখল্-মাখলত ৰাইজৰ বিহুতলি দল্‌দোপ্-হেন্দোল্‌দোপ্ কৰে। গাত মাহ-হালধি সানি গৰুক গা ধুঁউৰা, আৰু মানুহেও গা ধোঁৱা প্ৰথা গোটেই অসমতে প্ৰচলিত। সেইদিনাই মানুহে লয় নতুন বিহুৰান, গৰুক দিয়ে নতুন পঘা। উজনিত বিহুগীত, বিহুনাচ, হুচৰি, আৰু নামনিত নাম-কীৰ্ত্তন, নেগেড়া নাম আদি। উজনি-নামনি উভয়তে পথাৰে পথাৰে, ঘৰে ঘৰে খেল-ধেমালি। মুঠৰ ওপৰত কম-বেচি

পৰিমাণে অসমীয়া মাত্ৰেই বিহু পালন কৰে। আহ-যাহ কৰে ইষৰে-সিষৰে। পৰস্পৰে পৰস্পৰক নিমন্ত্ৰণ কৰি খুৱাই-বুৱাই লাভ কৰে অশেষ তৃপ্তি।

এসময়ত এই বঙালি বিহুতেই উজনি অসমত ৰজা-প্ৰজা সকলোৰে মাজত যোগসূত্ৰ স্থাপন হৈছিল। উজনি অসমৰ কোনো কোনো সম্প্ৰদায়ৰ মাজত, বিহুতলিতেই আলেঙে আলেঙে অনুষ্ঠিত হৈছিল হেজাৰখন সয়ম্বৰ। সেই প্ৰথা আজিও একেবাৰে অপ্ৰচলিত হৈ যোৱা নাই। অৱশ্যে, নামনি অসমত এই প্ৰথা আগেয়েও নাছিল, এতিয়াও নাই।

উজনিৰ ৰজাঘৰীয়া বিহু উৎসৱত ৰাইজৰ হৰ্ষধ্বনিৰ মাজত বাচনি হৈছিল নাচনীৰ, ঢুলিয়াৰ, খুলিয়াৰ, তালিয়াৰ, কালিয়াৰ, গায়নৰ, বায়নৰ। ৰজা-প্ৰজা সকলোৰে সি আছিল এক উমৈহতীয়া অনুষ্ঠান।

বিহুৰ বলিয়া বা বিয়পাই বহাগীয়ে
মতলীয়া কৰে গাওঁ চুবুৰি চহৰ,
হেজাৰ হিয়াত বাজে টিহিঁটি টিহিঁটি সুৰ
ধিনিকি ধিন্দাও দাওঁ ঢোলৰ চাপৰ।
বিহুৰ বিননি সুৰ ৰজনজনাই যায়,
পৰ্ব্বতে ভৈয়ামে উঠে খলকনি তাৰ,
চেনেহ-চানেকি তুলি শিপিনীয়ে বই যায়
বনকৰা বিহুৰান—প্ৰীতি-উপহাৰ।

'ৰাইজেই ৰজা, জ্ঞাতিয়েই গঙ্গা' কথাষাৰৰ তাৎপৰ্য্য ৰঙালি বিহু উৎসৱৰ মাজেৰে যেনেকৈ ফুটি উঠে, আন কোনো উৎসৱতেই সেইকণ সামূহীক সোৱাদ অসমীয়াই আজিও বিচাৰি পোৱা নাই। সেয়েহে ৰঙালি বিহু বা বহাগ বিহু অসমীয়াৰ জাতীয় উৎসৱ। ছশ বছৰীয়া আহোম ৰাজত্বৰ কালত ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত গাৱেঁ-ভূঁঞে সিঁচৰতি হৈ থকা বিহুৱতী বাই, বিহুৱতী ভনী, বিহুৱতী নাচনী, বিহুৱা ওজাসকলে ৰংপুৰৰ ৰংঘৰৰ মুকলি মঞ্চত সেইবোৰৰ আনুষ্ঠানিক পৰিবেশন কৰাৰ সুযোগ লাভ কৰিছিল; আৰু তাতেই পাকৈত পাকৈত গায়ন-বায়ন, ঢুলীয়া-কালিয়া আদিক ৰজাই আনুষ্ঠানিকভাৱে বঁটা বানচ দি উৎসাহিত কৰাৰ উপৰিও, ৰজাঘৰীয়া ৰাৱ আদি দি উজ্জ্বল ভৱিষ্যতৰ পথ মুকলি

কবি দিছিল। আজিও বায়নব ঘব, গায়নব ঘব বোলা বহুতো পৰিয়াল গোটেই অসমতে বিয়পি আছে। সি যিয়েই নহওক, সঙ্গীত প্ৰিয় মহাৰাজ ৰুদ্ৰসিংহ আৰু তেওঁব সুযোগ্য উত্তৰাধিকাৰী শিৱসিংহ স্বৰ্গদেওব দিনতেই, অসমব ৰঙালি বিহু উৎসৱে যে ৰাজকীয় স্বীকৃতি লাভ কবি অসমব জাতীয় উৎসৱত পৰিণত হৈছিল, এই বিষয়ে বোধকবো বুৰঞ্জীয়েও দুটা মত নিদিয়ে। ৰণত পৰি কলিয়া হোৱাব দবে ইংৰাজ আমোলব আৰম্ভণিব কালছোৱাত, স্বাধীনতাব সোৱাদব পৰা বঞ্চিত হবলগীয়া অসমীয়াই নিজ জাতীয় উৎসৱব পৰাও সাময়িকভাৱে ফালবি কাটি 'ঘৰব জীয়ৰী ঘৰলৈ যা', বুলি বিহুৰতী কুঁৱৰীক নিজব ইজ্জৎ ৰক্ষা কৰিবলৈকে আকৌ গাৱঁলৈ পঠাই দিবলৈ যেন বাধ্য হৈছিল। গাৱঁব জীয়ৰীব এতিয়া আকৌ চহৰলৈ আগমন হৈছে—। গাওঁ-চহৰব উদুলি-মুদুলি পদুলিত আকৌ বিহুব বিনন্দীয়া বিননিব সুৰ শুনিবলৈ পোৱা গৈছে। গৰখীয়া লৰাব মাজতে সীমাৰদ্ধ নাথাকি, হুচৰি গীতেও লাহে লাহে চহৰত গা কৰিছেহি। গাওঁ চহৰব চোতালৰ পৰা সাংস্কৃতিক মুকলি মঞ্চ, সভামণ্ডপ, ৰঙ্গমঞ্চ—এটি এটিকৈ অতিক্ৰম কৰি, ৰূপালী পৰ্দ্দাত পদাৰ্পণ কৰাৰ সৌভাগ্যও বিহু কুঁৱৰীয়ে লাভ কৰিছে। হয়তো অদূৰ ভৱিষ্যততে আন্তৰ্জাতিক সংস্কৃতি-মেলাতো বিহু কুঁৱৰীয়ে যথোচিত সন্মান লাভ কৰিব। এনে উজ্জ্বল ভৱিষ্যতব সম্ভাৱনা থকা বিহু-কুঁৱৰীক সম্বৰ্দ্ধনা নজনাই আজিব দবে এই ৰঙালি বিহুব দিনা কোন অসমীয়া বাৰু থাকিব পাবে ?

'অতিকৈ চেনেহব মূগাৰে মেখলা
অতিকৈ চেনেহব মাকো,
তাতোকৈ চেনেহব বহাগব বিহুটি
নেপাতি কেনেকৈ থাকোঁ ?'
নেপাতি কেনেকৈ থাকোনো বাইজ ঐ
হিয়াফুল ফুলিবব বতৰ,
উঘাও নেলাগে চেৰেকীও নেলাগে
'ঠেকেচি ভাঙি যাওঁ যঁতৰ।'
কলিজাব মাজেৰে কিনো কাঁড় মাৰিলে
ৰাঁইজাঁই কৰিলে মন,
পীৰিতিৰ পথাৰত পখিলা উৰিছে
সুৰুঙা কাটিবব মন।

হেজাৰে গোৱা, আমনি নেলাগে। বিহুৰেই অসমীয়াব কলিজা, বিহুগীতেই অসমীয়া লোক সংস্কৃতিব উশাহ-নিশাহ। অসমীয়াব কলিজাব পৰা বিহু-গীত আঁতবিলে, অসমীয়া লোক-গীতিব অৱস্থাও তেল নাইকিয়া ফপৰিয়া হোৱাদি হব। অসমীয়া জাতীয় জীৱনব প্ৰাণশক্তি, বিহুগীতব মাজেদিয়েই আটাইতকৈ বেচিকৈ ৰূপায়িত হোৱা যেন লাগে, আৰু বিহুতেই প্ৰতিফলিত হৈছে সমগ্ৰ অসমীয়া জাতিব সাংস্কৃতিক ঐক্যব নিকপ্‌কপীয়া এনাজৰীডাল। উজানে-ভাটীয়ে বিহুব, বিশেষকৈ ৰঙালি বিহুব, সমাদব সেই দেখি ইমান বেচি।

উজান ভাটী কবি ৰবদৈ চিলনি
কিনো ঐ বতৰা দিলি ?
জেতুকা বোলেৰে আইদেউক বোলালি
আউলি জাউলি চুলি।
ফুলামে বিহুৰান বুকুতে মেৰিয়াই
কাকনো দিলেগৈ চুমা !
বহাগব বিহুটি বুকুতহে জিলিকে
বাইজ ঐ ! কৰিবা ক্ষমা।
নামনিত ৰাঁইজাঁই চেঙেৰা চেঙেৰী
উজনিত ডেকেৰী ডেকা ;
কপিলীব পাৰতে জাকে জাক ৰহদৈ
ভৰলীতে চিত্ৰলেখা !
ঢোলতে ধিন্‌দাও তালতে খিটিটাওঁ
গগনাই কাওঁৰাওঁ কৰে,
টক্ টক্ টকাতে টিহিটি পেঁপাতে,
গছকত দুৰৰি মৰে !
উজনিব বিহুৰাই নামনিক শিকালে
নামনিয়ে শিকালে নাম,
উজনি নামনি ৰজন্‌জন্ কৰিলে,
পৰ্ব্বততো নাচিলে গান !

ৰহাগ বিহুব বাহিৰব ৰূপতকৈ তাৰ কলিজাব মাজত লুকাই থকা স্বতঃস্ফূৰ্ত্ত আবেদনটোৰ কথা ভাবি ভাবি চ'তৰ সংক্ৰান্তিব ৰাতিটো প্ৰজ্ঞানে

উজাগৰে কটাই দিলে। ফেঁচাই ফেঁহুজালি দিয়াৰ লগে লগে লিখি পেলালে হঠাৎ মনলৈ অহা কবিতা আঠশাৰী। হাতী মাৰি ভুকুকাত ভৰোৱা যেন অনুভৱ কৰি, সেই আঠশাৰী কবিতাকে ঘূৰাই-পকাই কেইবা বাৰো পঢ়িলে। কথাখিনি প্ৰজ্ঞানৰ মুখস্ত হৈ গ'ল। মাত্ৰ আঠশাৰী কবিতা। বাসন্তিকা নাম দি ৰঙালি বিহুৰ শ শ উপমাৰে কাব্য এখনকেই ৰচিবলৈ আৰম্ভ কৰি দিব বুলিও কিয় জানো প্ৰজ্ঞানৰ ইচ্ছা নহ'ল। তেল নহলে চাকি নজলাৰ দৰে, বিহু উৎসৱৰ বাসন্তীদীপো প্ৰেৰণাৰ অভাৱত নুমাই যাব খোজাৰেই জানো ই এটি লক্ষণ?' প্ৰজ্ঞানে নিজকে নিজে প্ৰশ্ন কৰে। চহৰবোৱত ধুমধামেৰে বিহু উৎসৱ পালন কৰা হয়, কিন্তু ধুমধামৰ কাৰণেই। অৰ্থ নৈতিক হেঁচাত জুকুলা হোৱা বাইজৰ মনত এসময়ৰ জয় জয় ময় ময় অসমৰ বিহুৰ সেই প্ৰেৰণা আছে জানো? গাওঁবোৱতো ভঁৰালত যাৰ ধান, তাৰেই বিহু। ধানহীনে বিহুধন ভোগ কৰিবলৈ পায় জানো? তথাপিও কিন্তু বিহু জীয়াই আছে, জীয়াই থাকিব। এই প্ৰাণ শক্তি বিহুয়ে ক'ৰ পৰা পালে? চহৰৰ জাকজমকীয়া বিহু সন্মিলনবোৰত আন্তৰিকতাৰ অভাৱ লক্ষ্য কৰিলেও, প্ৰজ্ঞানে কিন্তু কাকো দোষ দিব নোখোজে। কেৱল ভাবি পাৰ নেপায় কেৰোন ক'ত? প্ৰজ্ঞানৰ মতে অসমৰ পৰ্ব্বতে-ভৈয়ামে সিঁচ-ৰতি হৈ থকা লোকগীতি—লোক সংস্কৃতিৰ মেৰু মৰা বোজাটোৰ মাজতেই সোমাই আছে অসমৰ বিহু। সেইহেন গধুৰ বোজাটো ৰবলৈ অসমৰ সামৰ্থ্য আছেও, নাযো। আছে, যদি বৈজ্ঞানিক উপায়েৰে আগবাঢ়ি আশাশুধীয়া প্ৰচেষ্টাৰে আধুনিক গ্ৰন্থাদি প্ৰণয়ন কৰি ইংৰাজী ভাষাৰ মাধ্যমেৰে সেইবোৰ সজাই-পৰাই জগতৰ সুধী মণ্ডলিৰ আগত দাঙি ধৰে; নাই, যদি কেৱল বছেৰেকীয়া পালমৰা বিহু উৎসৱ বিহু সন্মিলনতে তাক সীমাবদ্ধ কৰি ৰাখি, ক্ষন্তেকীয়া বাহ্-বাহতেই সন্তুষ্ট থাকে। আগৰটো কৰিলে অসমৰ থলুৱা সংস্কৃতি শেন বা ঈগল চৰাই হৈ ডাৱৰৰ ওপৰেৰে পৃথিৱী প্ৰদক্ষিণ কৰি জগতবাসীক চমৎকৃত কৰিব, আৰু পিছৰটোতে সন্তুষ্ট থাকিলে সংস্কৃতি সাগৰক চাহাৰীলৈ ৰূপান্তৰিত কৰি মৰুভূমিৰ উট চৰাইৰ দৰে নিজৰ পদক্ষেপত নিজেই আতঙ্কিত হৈ বাৰে বাৰে পিচলৈ ঘূৰি ঘুৰি চাই লোক সংস্কৃতিৰ ডেউকা দুখন কিয় ইমান সৰু হৈ গ'ল বুলি ভাবি শেহত লাজতে মুখ ঢাকিবলৈ হয়তো বেদনাৰ বালিত মূৰ সুমুৱাব! কিন্তু সেইটো হৰলৈ দিব পাৰি জানো? .....কবিতাটো প্ৰজ্ঞানে আকৌ এবাৰ পঢ়ি জেপত ভৰাই থলে।

আজি এক বহাগ। কেইবা ঠাইলৈকো প্ৰজ্ঞানৰ বিহুৰ নিমন্ত্ৰণ,

গধূলিকৈ। কাৰ ঘৰলৈ যাব, প্ৰজ্ঞানে ভাবি এতিয়াও ঠিৰাং কৰিব পৰা নাই। যাবতো লাগিবই। কিন্তু খাব কেনেকৈ? পেট আৰু একেটাহে! যাৰ ঘৰলৈ পিছত যাব, সেয়েই পাৰ বেয়া। কি কৰা যায়? তেনেহলে ইয়াকে কৰা যাওক। যাৰ ঘৰলৈ আগে-পিছে কেতিয়াও যোৱা নাই, তাৰ ঘৰলৈকে প্ৰথমে যোৱা যাওঁক। সদায় গৈ থকা কেইঘৰৰ মাজত তেতিয়া বেয়াপোৱাখিনি ভগাই দিব পৰা যাব। সেইমতেই সিদ্ধান্ত হৈ গ'ল।

সেয়া আছিল ৰাতিপুৱাৰ কথা। আবেলি হৈ অহাৰ লগে লগে প্ৰজ্ঞানৰ মন ছাটি-ফুটি কৰিবলৈ ধৰিলে, পোনতে প্ৰতিভাৰ হোষ্টেললৈ যাবলৈ। 'কি কৰা যায়, শকুন্তলাই যদি বেয়া পায়....? নাই, শকুন্তলাৰ তালৈকে আগেয়ে যোৱা যাওঁক। নাই, নাই, শকুন্তলাই হয়তো সিমান বেয়া নেপাব। অন্ততঃ প্ৰতিভাৰ সমান। হাজাৰ হওক প্ৰতিভা সৰু ছোৱালী। তাতে ঘৰৰ পৰা আঁতৰত আছে। মোলৈকে নিশ্চয় আজি গোটেই গধূলিটো বাট চাই থাকিব। লগৰ আন ছোধালীবিলাকে হয়তো ফুৰিবলৈ যাবলৈ লগ ধৰিব। তাই ক'ৰ তাইৰ আলহী আহিবলগীয়া আছে। এনেস্থলত তালৈ যদি মই আগেয়ে নেযাওঁ, বৰ অন্যায় কৰা হব।'

প্ৰজ্ঞানে লটাৰী কৰিলে। আচৰিত কথা, পোনতে প্ৰতিভা উঠিল, দ্বিতীয়তে উঠিল শকুন্তলা আৰু তৃতীয়তে অময়া।

ৰেচ, এই তিনি ঘৰলৈকে যাব। বাকীবিলাকে বেয়া পালেও উপায় নাই।

প্ৰতিভা আৰু শকুন্তলাৰ তাত বিহু খাই প্ৰজ্ঞান যেতিয়া গধূলি প্ৰায় চাৰে সাত মান বজাত অময়াহঁতৰ ঘৰ পাইছিলগৈ সেইখিনি সময়লৈকে অময়া আৰু তলৰ সাতজনী ভনীয়েক, মাক আৰু দেউতাক আটাইৰে ধৈর্য্যৰ সীমা প্ৰায় পাওঁ পাওঁ হৈছিল গৈ। ৰৰকাকতি পৰিয়ালটোৰ খঙেই উঠিছিল নে বেজাৰেই লাগিছিল নে দায়িত্বজ্ঞানহীন (পিছত অৱশ্যে মনে মনে সেই অভিযোগটো সকলোৱে উঠাই লৈছিল) এই মানুহটোৰ প্ৰতি বিতৃষ্ণাই জন্মিছিল, কোনেও কব নোৱাৰে।

"কি অঁ', তোৰ প্ৰজ্ঞানদা দেখোন এতিয়াও নোলালহি?" অময়ালৈ চাই দেউতাকে ঠাট্টাৰ সুৰত সুধিলে।

"আৰু ক'ৰবাত নিমন্ত্ৰণ আছে চাগে?" বিৰক্তিৰ সুৰত অময়াই কলে।

"কি হে?" মিচেছ বৰকাকতিলৈ চাই বৰকাকতিয়ে কলে, "শুনা, তোমালোক থাকা, ময়েই উজানবজাৰৰ বিহুতলিলৈ যাওঁ। আজি মঘাই ওজাৰ ঢোল আছে হে। আঠ বজাত বোলে। এতিয়া দেখোন চাৰে সাতেই বাজে।"

হাতৰ ঘড়ীটোলৈ চাই বৰকাকতি যাবলৈ বুলি আগফালৰ বাৰাণ্ডা পালেহি। ওলায়েই দেখিলে এজন সুঠাম দেহৰ ওখ ধুনীয়া ডেকাই বাৰাণ্ডাৰ চিৰিত ভৰি দিছেহি।

"আপুনি....আপুনি.... ?"

"হয়, মোৰ নাম প্ৰজ্ঞান, নমস্কাৰ।"

প্ৰতি-নমস্কাৰ জনাই বৰকাকতিয়ে তেওঁৰ দেখিয়েই ভাল লাগি যোৱা ওপৰ পাৰিদাঁত আৰু দুয়োকাষে সোণেৰে বন্ধোৱা কুকুৰ দাঁত দুটা উলিয়াই বহল হাঁহিটিৰে প্ৰজ্ঞানলৈ চাই সোঁ হাতখন আগবঢ়াই দিলে। প্ৰজ্ঞানে দুয়োখন হাতেৰে সসম্ভ্ৰমে বৰকাকতিৰ হাতখন আলফুলকৈ ধৰি আধা ভাৰতীয় আধা ইউৰোপীয় ধৰণে হাতখন জোকাৰি একেদোপে বাৰাণ্ডাত উঠিল। তাৰ পিছত হাঁহো হাঁহো কৰা চকুৰে বৰকাকতিলৈ চালে। বৰকাকতিয়ে প্ৰজ্ঞানক হাতত ধৰি নি, বাপগঢ়ী সপ্তকন্যাৰ লগতে মাজত বহি জিলিকি থকা মিচেছ বৰকাকতিৰ সমুখত হাজিৰ কৰিলেগৈ। মাকগঢ়ী নুমলীয়া জীয়েক অলপ আগতে বাপেকৰ লগত একেখন চকীতে বহি থকা চকী-খনতে এতিয়া অকলৈ বহি আছিল।

"এয়া চাওক, আপোনাৰ কাৰণেই—"

"মোক আপুনি নুবুলি তুমি বুলিলেই ভাল পাম...." প্ৰজ্ঞানে প্ৰতিবাদ কৰে।

"বাৰু, বাৰু, এয়া তোমাৰ কাৰণেই এওঁলোক মাক-জীয়েক সকলো আগ্ৰহেৰে বৈ আছে, কিন্তু তুমি নাহাহে নাহা। ময়ো নাহিবা বুলি ফুৰিব-লৈকে যাবলৈ ওলাইছিলোঁ; পিচে তোমাক দেখি...."

"ইছ্ কি কৰিব। কথা দি, সময়মতে আহিব নোৱাৰি সঁচাকৈয়ে মই বৰ লাজ পাইছোঁ। জানেই নহয়, আজি বিহুৰ দিনা কতৰ ঘৰত...."

"জানো, জানো নেজানিম কিয়?" অময়াই প্ৰজ্ঞানৰ মুখৰ পৰা কথাষাৰ কাঢ়ি নি কয়, "আগেয়ে ছাত্ৰীবাৰী ছোৱালী হোষ্টেল আৰু শকুন্তলাৰ ঘৰলৈ নগৈ আমাৰ তালৈ আহিবনে কিবা?" কথা কওঁতে হোৱা অময়াৰ মুখৰ ভঙ্গীটো দেখি মাক-বাপেক দুয়োৰে হাঁহি উঠি যায়।

"থ থ আই, আলহীক বহিবলৈ কোৱাই নাই, আৰম্ভ কৰি দিলিয়েই

নে তৰ্ক?" তাৰ পিছত প্ৰজ্ঞানলৈ চাই মিচেছ বৰকাকতিয়ে কলে "বহক, থিয় হৈ থাকিল দেখোন।"

"আপুনিও মোক তুমি বুলিব পাৰে বুলি মই ভাবোঁ—।"

"বাৰু, বাৰু, বহা।" মাকে কৈ অময়ালৈ চাই চকুৰ টিপ দিলে। প্ৰজ্ঞানে মাকৰ ইঙ্গিত বুজিব পাৰি কলে:

"পেটত হলে ঠাই নিচেই কম। বেয়া পাব বুলিহে আহিলোঁ।" স্পঞ্জৰ শকত কুচন দিয়া এখন চকীত গোটেই শৰীৰৰ ভৰ থৈ প্ৰজ্ঞান আৰামকৈ বহিল।

"জানিছোঁ, বিহুত পেটত কাৰো ঠাই নেথাকে। সেই বুলি নেখালে হবনে?" এই বুলি আটাইকেইজনী জীয়েকলৈ চাই মাকে কলে, "তহঁতে কি কথা শুনিছ? যা বাইদেৱৰক সহায় কৰগৈ।"

প্ৰজ্ঞানে হোঃ হোঃ কৰে হাঁহি দিলে। বৰকাকতিয়ে প্ৰজ্ঞানৰ হাঁহিৰ অৰ্থ বুজিব পাৰি কলে:

"বুজিছা প্ৰজ্ঞান, তোমালোকৰ দিনত আমাৰ শিল খালেও শিল হজম হৈছিল। এতিয়া মোৰ এই আটাইকেইজনী ছোৱালীয়ে গাইপতি একোটাকৈ তিলপিঠা আৰু ঘিলাপিঠা দিলে মুঠতে ষোলটাহে হব। সেই কেইটাতো খাবই লাগিব, তাৰ উপৰিও আমি বুঢ়া-বুঢ়ী দুয়ো গাইপতি অন্ততঃ দুটাকৈ দিম, তাকো খাব লাগিব। নহলে আজি উঠিব নোৱাৰা!"

মিচেছ বৰকাকতি, বৰকাকতি, প্ৰজ্ঞান তিনিও হোঁ হোঁ কৰে হাঁহি বাগৰি গ'ল। 'বুঢ়া-বুঢ়ী' বুলি কওঁতে অৱশ্যে মিচেছ বৰকাকতিৰ মুখত এটা অননুমোদনৰ ৰেখা জিলিকি উঠা প্ৰজ্ঞানে মন কৰিছিল।

এই মানুহ গৰাকীক দেখা মাত্ৰেই প্ৰজ্ঞানৰ ভাল লাগিছিল। ভাল লাগিছিল এই বুলি যে, আজিৰ এই ভেজাল খাদ্যৰ দিনটো দুকুৰী বছৰীয়া এগৰাকী তিৰোতাই ইমানবিলাক সন্তানৰ মাক হৈয়ো এইহেন স্বাস্থ্য যে কেনেকৈ বজায় ৰাখিব পাৰিছে! আধা তলমুৱ হৈ থাকিলেও বাৰে বাৰে প্ৰজ্ঞানৰ চকু সেই সুন্দৰ মুখখনিৰ ওপৰত পৰিছিল, অনিচ্ছা সত্ত্বেও। গিৰিয়েক সোঁ-শৰীৰে আগত বহি থাকোঁতেই, বাৰে বাৰে ঘৈণীয়েকলৈ, বাধ্য হৈ হলেও প্ৰজ্ঞানৰ চাবলগীয়া হোৱাত এফালে প্ৰজ্ঞানৰ যেনেকৈ লাজতে কাণ দুখন অলপ ৰঙা পৰিছিল, আনফালে বৰকাকতিয়ে অনুভৱ কৰিছিল অস্বস্তি। কেৱল শান্ত-সৌম্য অৱস্থাত প্ৰতিমাৰ দৰে স্থিৰ হৈ বহি আছিল মিচেছ বৰকাকতি।

ইফালে ভিতৰত দাইনিং টেবুলত অময়া আৰু তাইৰ সাতজনী ভনীয়েক

প্রত্যেকেই বিহুৰ জলপান ঠিক কৰি প্ৰজ্ঞানৰে সৈতে মাক-বাপেককো ভিতৰলৈ মাতিলে। অসমীয়া বিহুৰ পিঠা, দৈ-চিৰা আদিৰ বাহিৰেও আৰু বহুতো ধৰণৰ খোৱা বস্তু ইজনীয়ে এটা সিজনীয়ে এটা, এনেকৈ প্ৰজ্ঞানৰ পাতত দিবলৈ ধৰিলে। নেখালেও উপায় নাই, খালেও পেটত নধৰে। তথাপিও কিন্তু প্ৰজ্ঞানৰ পেটৰ ভিতৰত উল্লেখযোগ্য একো অশান্তিৰ সৃষ্টি নহ'ল। প্ৰিয় দৰ্শনাই পৰিবেশন কৰা আহাৰত এয়েই আছদি, আৰু এই আছদিয়েই পৃথিৱীৰ নৰ-নাৰী বিশেষকৈ ডেকা-ডেকেৰীৰ মাজত চিৰ-দিনেই তোলপাৰ লগাই আহিছে।

মিচেছ ৰবকাকতিয়ে গম্ভীৰ হৈ ছোৱালীহঁতৰ খিকিন্দালিখন চাই তৃপ্তি লভিলে। এনে গম্ভীৰ অৱস্থাত ঘৈণীয়েকক দেখি ৰবকাকতিৰ মনতো হেৰোৱা স্বস্তিয়ে আকৌ খোপনি পুতিলেহি। পৰিবেশটি পাতল হৈ গ'ল। সকলোৱে খোলাকৈ হাঁহিলে। খোৱা-বোৱা হৈ যোৱাৰ পিছত, আটায়ে আহি আকৌ মাজৰ দ্ৰইং ৰুমত বহিলহি। মাজতে অময়া এবাৰ আটাইকেইজনী ভনীয়েকৰে সৈতে ভিতৰলৈ গৈ ডাঙৰ শৰাই এখনত সজাই, প্ৰজ্ঞানৰ সমুখত হেঙুলীয়া আঁচুৰে তোলা ভমকাফুলীয়া ডাঙৰ গামোচা এখন বিহুৱান বুলি নিবেদন কৰিলেহি। কোনে দিছে বুলি সোধাত কোনেও নেমাতে। ইজনীয়ে সিজনীৰ মুখলৈ চায়। ৰবকাকতি আৰু ৰবকাকতিনীয়ে মুখৰ ভিতৰতে হাঁহি থাকে। প্ৰজ্ঞানে বিহুৱানখন হাতত লৈ থিয় দি দুই হাতেৰে এফালৰ দুটা মূৰত ধৰি সেইখন মেলি দিলে। আটাইৰে চকু বুটাবিলাকত পৰিল। বাস্তৱিকতে ইমান চকুত লগা হৈছে এই গামোচাখন। গামোচাতো নহয়—গোসাঁই ঘৰৰ সিংহাসনত সজাই থোৱাৰ উপযুক্ততা থকা, বিশেষকৈ তৈয়াৰ কৰা এখন যেন সিংহাসন ঢকাহে!

"কোনে বৈছে?" প্ৰজ্ঞানে বেচ গহীন হৈয়ে সোধে।

কোনেও নকয়—কোনে বৈছে।

"তেনেহলে বিহু-প্ৰদৰ্শনি বা বজাৰৰ পৰা কিনি আনিছা?" প্ৰজ্ঞানে হাঁহি সোধে।

এইবাৰ আটাইৰে মুখত মাত ওলাল।

"কেলেই হব?" অময়াই কলে, "আমি গামোচা বৰ নেজানো নেকি? ময়েই বেচিভাগ বৈছোঁ।"

"বুজিলোঁ, ফুলবোৰ তুলিলে কোনে?" প্ৰজ্ঞানে সোধে।

আটাইকেইজনী বাই-ভনীয়ে ঐক্যকণ্ঠে চিঞৰি উঠে,

"আমি আটায়ে।"

"আটায়ে মানে, কোনে কোনে?"

"সকলোৱে।" আকৌ ঐক্য কণ্ঠ।

"কোনে শিকাইছিল?"

"মাই।" সকলোৱে একে সুৰতে কয়।

এইবাৰ প্ৰজ্ঞানে মুখ তুলি মাকলৈ চালে। কৃতজ্ঞতাত প্ৰজ্ঞানৰ অন্তৰ উপচি পৰিল। প্ৰজ্ঞানে ভাবি আছিল, অসমীয়াৰ বাপতীসাহোন বোৱা-কটাৰ বিষয়ত অন্যান্য নিজস্ব পাহৰা বহুতো চহৰীয়া পৰিয়ালৰ দৰে যে ৰবকাকতি পৰিয়ালটোৱেও এতিয়াও এইবোৰ পাহৰা নাই, ই সঁচাকৈয়ে বিশেষকৈ মন কৰিবলগীয়া। তাতোকৈ মন কৰিবলগীয়া ফুলৰ চানেকি-বোৰ। দেখিলেই কিবা নিজৰ নিজৰ যেন লাগি যায়! প্ৰজ্ঞানে মনে মনে উপলব্ধি কৰিবলৈ চেষ্টা কৰে যে ৰঙালি বিহুৰ লগত ওতঃপ্ৰোতভাৱে জড়িত বিহুৱান লোৱা এই প্ৰথাটোৱে অসমৰ শিপিনী-শিল্প প্ৰতিভাৰেই সমাদৰ সূচনা কৰে। ইং ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এলেকাত জাতিৰ পিতা মহাত্মা গান্ধী অসমলৈ আহোঁতে অসমক শিপিনীৰ দেশ বুলি এনেয়ে কোৱা নাছিল। এনেয়ে কোৱা নাছিল 'অসমৰ শিপিনীয়ে তাঁতত পৰীৰ সাধু বচনা কৰিব পাৰে' বুলি!

আজিও অসমৰ গাৱেঁ-ভূঁঞে শিপিনীসকল সিঁচৰতি হৈ আছে। বাৰ-ব্যস্ততাত বাৰ-বৰণীয়া হৈ বাৰেকুৰি ধাওঁত মগ্ন চহৰবাসীয়ে অসমৰ এইহেন তাঁত শিল্পক আগৰ তুলনাত আওহেলা কৰিলেও, অসমত, বিশেষকৈ অসমৰ গাওঁবোৰত, তাত শিল্প নমৰে, মৰিব নোৱাৰে।

চহৰৰ সোঁমাজত ওপজাৰে পৰা ডাঙৰ-দীঘল হোৱা ৰবকাকতি জীয়ৰী-হঁতৰ বয়নশিল্প প্ৰতিভা দেখি প্ৰজ্ঞান মুগ্ধ হৈ গ'ল। মুগ্ধ হ'ল ৰবকাকতিনীৰ শিল্প সুলভতা, কাৰ্য্যদক্ষতা আৰু বিশেষকৈ জীয়েকহঁতক উপযুক্ত কৰি গঢ়ি তোলাৰ পটুটাত। (অসমৰ চহৰীয়া মাক আটাইবিলাকেই যদি এইকণ যোগ্যতা থাকিলহেঁতেন!)

প্ৰজ্ঞান ভাৰ সাগৰত বুৰ দিলে। চকীখনত বহি বিহুৱানখন কোলাত লৈ লিৰিকি-পিটিকি কিবাবোৰ ভাবিবলৈ ধৰিলে। প্ৰজ্ঞানক মনে মনে থকা দেখি ৰবকাকতিনীয়ে মাত দিলে।

"ইমানকৈ কি ভাবিছা? গামোচাখন বেয়া হৈছে নেকি?"

"বেয়া" প্ৰজ্ঞান বহাৰ পৰা উঠিল, "মই ধাৰণা কৰিব পৰা নাছিলোঁ। আজিৰ যুগতো চহৰতে উপজি, চহৰতে ডাঙৰ-দীঘল হৈ, চহৰতে স্কুল-কলেজত পঢ়া ছোৱালীয়ে এনেকুৱা এখন বাচকবনীয়া কাপোৰ যে হাতে-

বোৱা তাঁতত বৰ পাৰে ? কংগ্রেচুলেশ্যন। কংগ্রেচুলেশ্যন। সকলোৱে মোৰ কংগ্রেচুলেশ্যন গ্রহণ কৰক।"

"অসমীয়াতে কোৱা।" মিচেছ বৰকাকতিয়ে হাঁহি কয়।

"সকলোলৈকে মোৰ অন্তৰৰ ওলগ জনালোঁ।" তাৰ পিছত আটাই-লৈকে চকু ফুৰাই চাই আকৌ কলে,

"সঁচা কথা কবলৈ গলে আজি মোৰ জীৱনত এটা নতুন অধ্যায়ৰ সূচনা হ'ল। চহৰীয়া ছোৱালীক বোৱা-কটাত অকৰ্ম্মণ্য বুলি ভবাটো আমাৰ কিছুমানে ভৱাৰ দৰে, মোৰো যে এটা বদ অভ্যাস হোৱাগৈ নাছিল এনে নহয়। আজি কিন্তু মোৰ সেই ভুল ধাৰণা ভাঙিল। সেইবাবে ধন্যবাদ।"

প্রজ্ঞানৰ প্রশংসাত ছোৱালী কেইজনীৰ, বিশেষকৈ অময়াৰ চকু দুটা হাঁহো হাঁহোকৈ অতি উজ্জ্বল হৈ উঠিল।

শেষবাৰলৈ প্রজ্ঞানে তেওঁলোকৰ আতিথ্যৰ কাৰণে অন্তৰৰ ওলগ জনাই যাবলৈ ওলাল।

"আকৌ কিন্তু আহিব লাগিব প্রজ্ঞানদা, আকৌ কিন্তু...." এই বুলি ৮ জনী বাই-ভনীৰ আটাই কেইজনীয়ে পদুলিমুখৰ গেটলৈকে আগবাঢ়ি আহি, প্রজ্ঞানক বিদায় দিলেহি। প্রজ্ঞান বাট পায়েই কিবা এটা পাহৰি এৰি থৈ যোৱাৰ দৰে আকৌ গেটৰ মুখলৈ আহিল। ভাঁজ কৰা কাগজ এখন প্রজ্ঞানে অময়াক দিলে। অময়াৰ বুকুখন চিৰিংকৰে গ'ল। ভাবিলে চিঠি। হাতৰ টিপতে সেইখন লুকুৱাই নিজৰ কোঠাত সোমাই মনে মনে পঢ়িলে। অময়াৰ হাঁহি উঠিল। কাগজখিলা নি মাকৰ হাতত দিলেগৈ। বিছৰ বিষয়ে লিখা কবিতা আঠ শাৰী!

প্রজ্ঞান যোৱাৰ পিছত, প্রজ্ঞানৰ বিষয়ে আটায়ে আলোচনাত বহিল। বিশেষকৈ ছোৱালী কেইজনীৰ মুখত প্রশংসাৰ ফুলজাউৰী উৰিবলৈ ধৰিলে। অইন কি আগে-পিছে প্রজ্ঞানক নেদেখাকৈয়ে প্রজ্ঞানৰ নাম শুনিব নোখোজা অময়াৰ আটাইতকৈ সৰু মা-গড়ী ১২ বছৰীয়া ভনীয়েক আৰু দেউতাকেও প্রজ্ঞানক মুঠতে ভাল বুলিয়েই স্বীকাৰ কৰিলে। মতামত দিবৰ সময়ত বৰকাকতিয়ে ঘৈণীয়েকৰ চকুলৈ চাইছিল। মিচেছ বৰকাকতি তেতিয়াও নিৰ্ব্বিকাৰ হৈ বহি আছিল। এই নিৰ্ব্বিকাৰতাই বৰকাকতিৰ মনলৈ উভতি অহা স্বস্তিৰ ভাবটো আকৌ ঠেলা মাৰি কৰবাত পেলাই দিলে গৈ। বৰকাকতিৰ মুখখন গহীন হৈ গ'ল।

জীয়েকহঁতক দিহাদিহি নিজ নিজ কোঠালৈ যাবলৈ কৈ, এইবাৰ বৰকাকতি আৰু বৰকাকতিনীয়ে—অকলে কথা-বতৰা পাতিবলৈ বহিল।

"একো লাভ নাই হে, একো লাভ নাই।" বৰকাকতিয়ে ঘৈণীয়েকক ক'লে, "তোমালোকে বৰ আশা কৰি লাজত নপৰিবা, বুইছা। মোক বাদ দিয়া মই এইবোৰত নাই।"

"আপুনি দেখোন একেকোৰেই কিবাহে ভাবিলে। মই জানো আপোনাক কৈছোঁ যে প্রজ্ঞানক মই জোঁৱাই পাবলৈ বিচাৰিছোঁ।" ঘৈণী-য়েকে সাধাৰণভাৱে কয়।

"প্রথম কেইবাৰতো তুমি তেনেকৈ কৈছিলা, পিছে আজি জানো মই তোমাৰ জহতে এজনী দুজনীকৈ চাৰিজনী ছোৱালী বিয়া দি চাৰিজন জোঁৱাইৰ শহুৰ হোঁহাহি নাই ?"

বৰকাকতিয়ে সুৰ বদলাই আকৌ কয়, "পিছে আগৰ কেইজন জোঁৱাইৰ দৰে প্রজ্ঞানৰ আমাৰ জোঁৱাই হব পৰা কিবা গুণ দেখিলা জানো ?"

"জোঁৱাই হবলৈ কিবা বিশেষ গুণ কৰবাত ছাব মৰা থাকে বুলি মই নেজানো। পিছে এইটো ঠিক যে মোৰ প্রথম চাৰিজনী ছোৱালীক বিয়া কৰোৱা এজন জোঁৱাইৰ গাতো প্রজ্ঞানৰ দনে এনে বিশেষ গুণ মই আজি-লৈকে লক্ষ্য কৰা নাই।" ঘৈণীয়েকে কৈ, বৰকাকতিৰ মুখখনৰ পৰিবৰ্ত্তন লক্ষ্য কৰিবলৈ চেষ্টা কৰিলে।

বৰকাকতিয়ে হাঁহি মাৰি কলে, "চাবা আকৌ, সেই বিশেষ গুণকণেই তোমাৰ ছোৱালীহঁতক ডেই আহি তোমাকো ছুবহি পাৰে!"

"যাওক, কি কথাবোৰ যে কয় আপুনি ?" মিচেছ বৰকাকতিয়ে কৃত্রিম খং দেখুৱাই কয়, "মোৰ এতিয়া সেই বয়স আছে নে ? চাওঁতে চাওঁতে এক ডজনকৈ ছোৱালীৰ মাক হলোঁ, 8 জনীকৈ ছোৱালী বিয়া দি উলিয়াই দিলোঁ, ইমানতো...."

"নকৰাহে নকৰা", বৰকাকতিয়ে হাঁহি কয়, "বুজিছা, তোমাৰ বয়স এতিয়া দুকুৰি বছৰত ভৰি দিছেহি। দুকুৰীৰ ডেওনাত যে দেও লগা থাকে নেজানা হবলা ? শুনা, শুনা,--ইংৰাজীত এটা কথা আছে: দুকুৰী বছৰতহে প্রকৃত প্রেমে সঁহাৰি দিয়ে। সেই প্রেমকণ অৱশ্যে মোৰেই প্রাপ্য হ'লহেঁতেন, যদিহে মাজতে উপৰি-ভটংকৈ আমাৰ এওঁৰ দৰে অসা-ধাৰণ ব্যক্তিত্ব থকা তোমাৰ ভাবী....কিবা বোলেনে 'ভাবী জাঁমাইৰ' আবিৰ্ভাৱ নহ'লহেঁতেন!"

"ঘৰখনত যে আপোনাৰ মোৰ বাহিৰেও আৰু বহুতো কাণ আছে,-

আপুনি পাহৰিয়েই গ'ল নেকি?'' বিৰক্তিৰ সুৰত কৈ মিচেছ ৰৰকাকতিয়ে গিৰিয়েকৰ পিনে পোণ্ডোৱাকৈ চালে।

ৰৰকাকতিয়ে ঘৈণীয়েকৰ মুখৰ জোকাৰটো দেখি হোঃ হোঃ কৰে হাঁহি দিলে। আকৌ এবাৰ ঘৈণীয়েকক জোকাই ৰং চোৱাৰ লোভ ৰৰকাকতিয়ে সামৰিব নোৱাৰি কলে:

''শুনা শুনা, খং খাইছা কেলেই? তোমালোক মাকৰোৰে, তোমালোকৰ বুজন জীয়ৰীহঁতৰ লগত মুখত লেগাম নলগোৱাকৈ যদি সকলো কথা আলোচনা কৰিব পাৰা, সেইকণ সুযোগৰ পৰা মোক কিয় বঞ্চিত কৰিলা? কিয় এতিয়া মানে বুজন হোৱাকৈ, অন্ততঃ এটা লৰাৰ বাপেকী হবলৈ মোক সুযোগ নিদিলা? তেতিয়া হলে ময়ো পুত্ৰৰ লগত, মাকে জীয়েকৰ লগত আলোচনা কৰাৰ দৰে সকলো কথা আলোচনা কৰিলোঁহেঁতেন বাপ্পেকে....!'' ৰৰকাকতিয়ে হোঃ হোঃ কৰে হাঁহি দিলে।

উচাৎ মাৰি ঘৈণীয়েকে তাৰ পৰা আঁতৰ হ'ল। ৰৰকাকতিৰ ভাবি ভাল লাগিল যে তেওঁ আজি বেচ স্ফুৰ্ত্তিতেই আছে। বোধকৰো, ৰৰকাকতিয়েও প্ৰজ্ঞানৰ দৰে এজন জোঁৱাই পালে নিজক সৌভাগ্য বান বুলিয়েই ভাবিব। সেই দেখি ঘৈণীয়েক আৰু জীয়েকহঁতে লগ লাগি কৰা আজিৰ এই আয়োজনটো মনে মনে তেওঁ ভালেই পাইছিল।

ৰৰকাকতিয়ে পোনেতে চৈধ্য বছৰীয়া ছোৱালী হিচাপে বিয়া-কৰাৰৰ সময়ত প্ৰথম ভাল পোৱাৰ দৰেই ঘৈণীয়েকক ভাল পাই আহিছে। ৰৰঞ্চ সেই ভাল পোৱা বয়সৰ লগে লগে ক্ৰমাৎ গাঢ়তৰ হৈ অহাহে অনুভৱ কৰিছে। অৱশ্যে ভাল পোৱাৰ সকলো উপাদান মিচেছ ৰৰকাকতিয়ে আজিও ধৰি আহিব পাৰিছে। আৰু ঈশ্বৰৰ ইচ্ছাত ৰৰকাকতিৰ সচ্ছল অৱস্থায়ো সাংসাৰিক অন্যান্য বিষয়ত সাধাৰণতে দেখা দিয়া আলৈ-আহুকাল বিলাকৰ পৰা ৰেহাই দিয়াত, মনৰ ভাল পোৱা ভাবকণ এতিয়ালৈকে মজুত আছে। ঘৈণীয়েকৰ দৈহিক স্বাস্থ্য আৰু সৌন্দৰ্য্যৰ লগতে, অমায়িক স্বভাৰটোও যে ইয়াৰ প্ৰধান কাৰণ আছিল ই নিশ্চয়। দৈহিক সৌন্দৰ্য্যৰ প্ৰাচুৰ্য্য সত্বেও মানসিক সৌন্দৰ্য্যৰ দৈন্যই বহুতো সময়ত স্বামী-স্ত্ৰীৰ মাজত প্ৰকৃত সৌহাৰ্দ গঢ়ি উঠাত বাধা দিয়ে। কিন্তু এই বিষয়ে ৰৰকাকতি সঁচাকৈয়ে ভাগ্যবান পুৰুষ। দৈহিক মানসিক উভয় সৌন্দৰ্য্যৰ অধিকাৰিণী পত্নীৰ স্বামী হোৱা সৌভাগ্য তেওঁৰ ঘটিছে।

ৰৰকাকতিৰ সমনীয়া কোনো কোনো বন্ধু-বান্ধৱে কেতিয়াবা ধেমালিতে তেওঁৰ ঘৈণীয়েকৰ কথা কৈ কয়, 'হেৰি আপোনাৰ তেখেতক বিয়া নাই

দিয়া বুলি যদি আন অচিনাকি ঠাইত নি কোনোবাই বিয়া দিবলৈ যত্ন কৰে, এতিয়াও বুজিছে, বহুতো পঁচিশ বছৰীয়া ধুনীয়া ডেকা তেওঁক পত্নী লাভ কৰিবলৈ হাঁহি মুখে আগবাঢ়ি আহিব।'

এনে ধৰণৰ উক্তিত ঈৰ্ষাই আছে নে হিংসাই আছে নে আক্ৰোহেই আছে কব নোৱাৰি, কিন্তু যৌন আকৰ্ষণ যে আছে সেই কথা কোনেও নুই কৰিব নোৱাৰে। সেইদেখি এফালে যেনেকৈ ঘৈণীয়েকৰ প্ৰশংসা শুনিলে ৰৰকাকতিয়ে ভাল পায়, আনফালে এটা অজান আতঙ্কতো কেতিয়াবা কেতিয়াবা তেওঁৰ বুকুখন কঁপি উঠে।

সি যিয়েই নহওক, এনে এগৰাকী পৰমা সুন্দৰী স্ত্ৰীৰ স্বামী হবলৈ পাই তেওঁ যে নিজকেই ধন্য মানিছে, এইটো ৰৰকাকতিক ভালকৈ চিনি পোৱা সকলোৱেই বেচকৈ জানে।

ৰৰকাকতিয়ে পাৰ্টিকতে বহি বহি যেতিয়া ঘৈণীয়েক আৰু আজিৰ গধূলিৰ অতিথিজনৰ কথা ভাবি আছিল, ভিতৰত মিচেছ ৰৰকাকতিয়ে জীয়েকৰ হাতত দি পঠোৱা প্ৰজ্ঞানৰ সেই কবিতা আঠশাৰী বাৰে বাৰে ঘূৰাই-পকাই পঢ়ি আছিল। এবাৰ পঢ়া হলেই হয়তো হ'লহেঁতেন, কিন্তু কবিতা কেইশাৰীৰ বিপৰীত পিনে কাগজখিলা লুটিয়াই চাই প্ৰজ্ঞানে সৰুকৈ লিখি দিয়া কথাষাৰ পঢ়ি, কবিতাটো ৰৰকাকতিনীয়ে এতিয়া এৰিবকে নোৱাৰা হ'ল। প্ৰজ্ঞানে সেই কথাকণ অময়াক কাগজখিলা দিয়াৰ আগতে গেটৰ মুখতেই ততাতৈয়াকৈ লিখি দিছিল। কথাষাৰি এই: 'মিচেছ ৰৰকাকতিলৈ।'

সি যিয়েই নহওক, কবিতাটো মাকে, ডাঙৰ ডাঙৰকৈ পঢ়ি জীয়েকহঁতকো শুনিবলৈ কলে। কবিতাটো ৰৰকাকতি পৰিয়ালৰ এই আঠজনী ছোৱালী আৰু মিচেছ ৰৰকাকতিক উদ্দেশ্য কৰি তেতিয়াই তেতিয়াইহে যেন লিখা হৈছিল। দৈৱৰ কি হেঁচুকনি। আগে-পিছে কেতিয়াও নলয়, সেইদিনা বিহু বুলিয়েই বাতিপুৱাই মিচেছ ৰৰকাকতি আৰু ঘৰত থকা এই আটাই কেইজনী ছোৱালীয়ে ইচ্ছা কৰিয়েই হাতৰ আৰু ভৰিৰ আঙুলিৰ নখত জেতুকা লৈছিল। লোৱাৰ উদ্দেশ্য কেৱল ৰঙালি বিহুৰ ঐতিহ্যক সন্মান দেখুৱাবলৈকে নহয়, জেতুকা ললে নখচুকা আদি নখৰ কোনো ৰোগ হব নোৱাৰে বুলি মিচেছ ৰৰকাকতিয়ে সৰুৱে পৰা শুনি আহিছিল কাৰণেই এইবাৰ হঠাৎ গা উঠি জেতকা লৈ পেলালে। জীয়েকহঁতকো লোৱালে। এইবাৰৰ পৰা প্ৰত্যেক বছৰে বহাগ বিহুত নিয়ম মতে জেতুকা লবলৈ সিদ্ধান্ত কৰি পেলালে।

শোৱাৰ আগতে মিচেছ ৰৰকাকতিয়ে ৰৰকাকতিনীৰ আগতো কবিতাটো এবাৰ পঢ়ি শুনালে। কবিতাটো এই :

বিহু : সৃষ্টিৰ প্ৰেৰণা

প্ৰকৃতিৰ পূৰ্ণ যৌৱনৰ মধু ঋতুৰাজে আহি গোপনে মাগে,
তাৰে আৱেদন বিহুৰ বিননি শুনি বিৰহিনী প্ৰকৃতি জাগে।
লক্ষ বঙৰ কক্ষ শুৱাই, লজ্জাভাৰণা তন্বী শ্যামা,
ঋতুমতী বসুমতীয়ে আজি শ্যামল ওঁঠৰ যাচিছে চুমা।
পূৰ্ব্বৰাগৰ প্ৰতীক জেতুকা বোলেৰে বোলোৱা নখ দৰ্পণ
চাই পুলকেৰে কিশোৰী কোমল নৱ জাতকৰ শুনে ক্ৰন্দন।
সৃষ্টিৰ প্ৰেৰণা, সৃষ্টি—সৃষ্টি—ঢোলৰ চেৰতো শৃঙ্গাৰ লয়,
লয়লাস গীতি নৃত্য ভঙ্গিমাতো তাৰে ৰূপান্তৰঃ বিহুৰে জয়।

"হুঁ" বুলি শলাগি, দীঘলীয়াকৈ হামিয়াই, ৰৰকাকতি বাগৰ সলাই শুই পৰিল।

মিচেছ ৰৰকাকতিয়ে নিজৰ বিছনাতে পৰি কবিতাৰ কথাখিনিকে ভাবি ভাবি বাতি পুৱাই দিলে। প্ৰজ্ঞানৰ দেখনীয়াৰ মুখখন, উজ্জ্বল চকুহালি জপৰা চুলিবোৰ, বলীষ্ঠ স্বাস্থ্যবান হচঙা গোটেই মানুহটো মিচেছ ৰৰকাকতিৰ মানস চকুত বাৰে বাৰে ভাঁহি উঠিল। বাৰে বাৰে মনত পৰিল কবিতাটোৰ সেই দুশাৰী কথা :

পূৰ্ব্বৰাগৰ প্ৰতীক জেতুকা বোলেৰে বোলোৱা নখদৰ্পণ
চাই পুলকেৰে কিশোৰী কোমল, নৱ জাতকৰ শুনে ক্ৰন্দন।

দুই

প্ৰজ্ঞানে প্ৰতিভা আৰু শকুন্তলাৰ তালৈ বিহু খাবলৈ যাওঁতে, কাকো কোৱা নাছিল যে সেই একেদিনাই অময়াহঁতৰ ঘৰলৈকো তেওঁৰ নিমন্ত্ৰণ আছিল। সেই দেখি শকুন্তলাহঁতৰ ঘৰৰ পৰা বিহু খাই ওলাই অহাৰ অলপ পিছতে শকুন্তলাই প্ৰজ্ঞান ঘৰত আছে নে নাই চাবলৈ জগদ্বীশক পঠাই দিলে। ভাবিলে নিশ্চয় থাকিব। জগদ্বীশে যেতিয়া কলেহি যে দুৱাৰত বাহিৰৰ পৰা তলা লগোৱা, শকুন্তলা অলপ আচৰিত হ'ল। শকুন্তলাই জানে যে চাওলা লজৰ পৰা প্ৰজ্ঞান ওলাই যাওঁতে ৭ বাজি ২০ মিনিটমান হৈছিল। বাতি প্ৰজ্ঞান সাধাৰণতে শকুন্তলাহঁতৰ ঘৰৰ বাহিৰে আন কলৈকো নেযায় বুলিও শকুন্তলাই জানে। সেই কথাও তাই জানে যে সেইদিনাই প্ৰজ্ঞান প্ৰতিভাৰ তাৰ পৰা আহিহে শকুন্তলাহঁতৰ তালৈ গৈছিল। জগদ্বীশ উভতি আহি ঘৰত নাই বুলি কোৱাত শকুন্তলা এফালে যেনেকৈ অলপ আচৰিত হ'ল, আনফালে অলপ খঙো উঠিল। খং উঠিল এই বুলি যে শকুন্তলাই ভাবি আছিল যে এতিয়া প্ৰতিভাক হোষ্টেলৰ পৰা আনিবলৈ যাওঁতে প্ৰজ্ঞানকো লৈ যাব। প্ৰজ্ঞানক আগেয়েই কথাটো কব পাৰিলেহেঁতেন। কিন্তু পাহৰিলে। এতিয়া প্ৰজ্ঞান নোহোৱাত জগদ্বীশক গাড়ীত লৈয়েই নিজে গাড়ী চলাই শকুন্তলা একেবাৰে ছাত্ৰীবাৰী হোষ্টেল পালেগৈ।

আগেয়ে কৈ থোৱা মতে, প্ৰতিভাই লেডী চুপাৰিণ্টেণ্ডেণ্টৰ পৰা সেই ৰাতিৰ কাৰণে ছুটী লৈ শকুন্তলালৈ ৰাট চাই আছিল। দিনৰ ভিতৰতে শকুন্তলাই মাকৰে সৈতে এবাৰ গৈয়ো লেডী চুপাৰিণ্টেণ্ডেণ্টক এই বিষয়ে কৈ আহিছিল। প্ৰতিভা হস্পিটেলত থকাৰ সময়ৰে পৰা এই গৰাকী আমেৰিকান বয়োবৃদ্ধ মহিলাৰ লগত মিচেছ চাওলাৰ বেচ সৌহাৰ্দ গঢ়ি উঠিছিল।

হোষ্টেলৰ পৰা প্ৰতিভাক গাড়ীত লৈ শকুন্তলা ঘৰ পাওঁতে ৰাতি প্ৰায় ৮ বাজি পোন্ধৰ মিনিট গৈছিল।

চাওলা লজৰ পৰা ছাত্ৰীবাৰী হোষ্টেললৈ প্ৰায় আঢ়ৈ মাইল হব। এইছোৱা ৰাট গাড়ীৰে অহা-যোৱা কৰোঁতে যিমান সময় লগা উচিত তাতকৈ বৰ বেছি লাগিছে যদি আৰু ১৫ মিনিট। সেইকণ সময় হোষ্টেলৰ পৰা প্ৰতিভা ওলাওঁতে-মেলোতেই লাগিব। ইমানতো শকুন্তলাৰ মাকৰ চিন্তাত তৎ নাই।

প্রতিভাক লৈ শকুন্তলা ঘৰ পোৱাৰ লগে লগেই মাকে কলেঃ
"ইমান পলম কৰিলি দেখোন ?"

"পলম কৰিলোঁ ?" শকুন্তলা জাপ মাৰি উঠিল। "মইতো আৰু হেলিকপ্টাৰত যোৱা নাছিলোঁ যে পাঁচ মিনিটতে ঘূৰি আহিম ? হেলিকপ্টাৰবো উঠোতে নামোতে অলপ সময় লাগে।"

জীয়েকৰ মূক্তি দেখি মিচেছ চাওলাই দুনাই সেই কথা উথাপন নকৰিলে। কলে, "জগদীশ লগত গৈছে যেতিয়া অৱশ্যে একো ভয় নাই, তথাপি...."

"মই কৈছোঁ নহয় মা, তুমি মোক সদায়েই কেঁচুৰাজনী হৈ আছোঁ বুলি নেভাবিবাচোন।" তাৰ পিছত প্রতিভালৈ চাই কলে, "দেখিছা প্রতিভা, মাৰ চিন্তা ?" প্রতিভাই মাক-জীয়েকৰ কথা মনে মনে শুনি আছিল। তাই কেৱল মিচিকিয়াই হাঁহিলে, একো নকলে।

"চুপাৰিণ্টেণ্ডেণ্টে কিবা আপত্তি কৰিছিল নেকি ?" মাকে এনেয়ে সোধে।

"তুমিও যে আৰু মা, এবাৰ অনুমতি দিছেই, আপত্তি আকৌ কৰিব কিয় ?" শকুন্তলাই বিৰক্তিৰ সুৰত কয়।

"নাই, এনেয়েহে সুধিছোঁ। বাৰু যা, যোৱা প্রতিভা, এইখন তোমাৰ ঘৰ বুলিয়েই ধৰিবাচোন। তুমি যেনিবা মোৰ আৰু এজনী জী! কি কৱ কুন্তল ?" মাকে দাঁত কেইপাৰি উলিয়াই বহলকৈ হাঁহি এটি মাৰি প্রতিভাৰ ঠুটবিটো সোঁহাতৰ কেউটি আঙুলিৰে আলফুলকৈ চেপা মাৰি ধৰি ঠুটবিটোৰ পৰা কিবা এটা টানি অনাৰ দৰে নিজৰ আঙুলি মূৰ কেইটাতে ডাঙৰকৈ শব্দ কৰি এটা চুমা খালে। প্রতিভাই লাজ কৰা যেন কৰি দিঙিটো বেকাকৈ লাজৰ চাৰনিৰে মিচেছ চাওলালৈ চাই কলেঃ "জেঠাই-দেৰে মোক চাগে খুব সৰু ছোৱালী বুলি ভাবিছে, নহয় নে ? মই জানো এতিয়া কেঁচুৰা ?"

"কেঁচুৰাতো।" মিচেছ চাওলাই ঘোপাকৈ চাই কলে, "মোৰ শকুন্তলাই ইমানজনী হ'ল। তাইকো মই কেঁচুৰা বুলি ভাবো, তাতোকৈ তুমি কিমান সৰু—! এহ, মৰো সেই! কাৰ লগত যে কাক তুলনা কৰোঁ ? তাইৰ কুৰি হ'ল, তোমাৰ চৈধ্য বছৰেই হৈছে নে নাই!"

"হৈছে", প্রতিভাই তপকৰে কয়, "পোন্ধৰ বছৰতেই সোমাল। মাইঁতে আমাৰ বয়সত বোলে বোৰাৰীয়েই খাটিছিল।"

"হয় নেকি ? বেচ বেচ। এতিয়া পিছে সেই বামো নাই অযোধ্যাও নাই। লৰাৰ দৰে ছোৱালীয়েও বয়স পোৱা হ'ল! ভালেই হৈছে... ভালেই হৈছে...."

মাকৰ কথা নিছিগা দেখি শকুন্তলাৰ আমনি লাগিল। কলেঃ
"মা হৈছে আৰু যোৱা। বাতিও হৈছে। এতিয়া খাই-বই শুই থকাই ভাল।" তাৰ পিছত প্রতিভালৈ চাই কয়, "কি হে প্রতিভা, কি কোৱা ?"

"তোমাৰ তালৈ আহিছোঁ, তোমাৰ যি হুকুম।" প্রতিভাই মুখখনৰ এনে এটা ভাঁজ কৰিলে যে শকুন্তলা আৰু মাক দুয়ো ঘিক ঘিক কৰে হাঁহি দিলে।

"বাৰু যা শকুন্তলা, প্রতিভাক কি খুৱাৰ খুইছ খুৱাই শোৱাৰ দিহা কৰি দেগৈ। ময়ো শোঁগৈ। দিনটো ইখন-সিখন কৰি এতিয়া ভাগৰেই লাগিছে।"

মাক গ'লত, প্রতিভা শকুন্তলা দুয়ো দুয়োৰে মুখলৈ অলপ সময় চাই বল। তাৰ পিছত হিঃ হিঃকৈ বহুত পৰ হাঁহিলে। দূৰৰ পৰা মাকে শুনি চিঞৰি কলে, "হাঁহহঁক। জানিছোঁ নহয়, তহঁতে মোৰ কথা কৈয়ে হাঁহিছ....হাঁহ....হাঁহ আমিও এসময়ত হাঁহিছিলোঁ।" মাকৰ বিদ্রূপৰ বাণে ছোৱালীহঁতক বিন্ধিব ক'ত ? এইবাৰ তাইহঁতে ইজনীৰ কান্ধত সিজনীয়ে ধৰি হাঁহি হাঁহি কথমপি বাগৰি নগ'ল। তেনেকৈয়ে ইজনীয়ে সিজনীৰ গাত ধৰা-ধৰি কৰি হাঁহি হাঁহি ঢলং পলংকৈ গৈ দ্রইংৰুমৰ একাষৰ চোফা এখনত ধপ্ কৰে বহি পৰিল। মাক শুবলৈ যোৱাত দুয়ো এতিয়া বিনা সঙ্কোচে ইজনীয়ে সিজনীক কম কম বুলি মনতে পাঙি থোৱা কথাবোৰ হিয়া উবুৰিয়াই বাকি দি পাতল অনুভৱ কৰিলে। তাৰ পিছত দুয়োৰে জীৱনৰ ভৱিষ্যত সম্পর্কে উভয়ে উভয়ৰ ওচৰত নানান প্রশ্ন দাঙি ধৰি সেইবোৰৰ আলোচনাত আপোন পাহৰা হৈ গ'ল।

কোন সময়ত যে প্রকাশ আহি দ্রইংৰুমৰ বিপৰীত ফালৰ চুক এটাত মনে মনে বহি তাইহঁতৰ ফুচ্-ফাচ্ কথাবিলাক আধা শুনা, আধা নুশুনাকৈ শুনি মিচিক-মাচাককৈ হাঁহি তাইহঁতৰ বেহৰূপ চাই আছিল, সেইটো এজনী-য়েও কৰ নোৱাৰে। তাৰ কাৰণো আছে। শকুন্তলাই কোঠাটোৰ বেচি শক্তিৰ উজ্জ্বল বিজুলী চাকি কেইটা নুমাই থৈ মাজতে থকা আকাশী ৰঙৰ কম শক্তিৰ বাল্বৰ লাইটটোহে জ্বলাই থৈছিল। সেই পোহৰত এই দুজনী ছোৱালীয়ে যেন নিৰ্ম্মল জোনাকত বহিহে কথা পাতি আছিল, প্রকাশৰ মনত ঠিক এনে যেন অনুমান হৈছিল। শকুন্তলাহঁতৰ দ্রইংৰুমটো আছিল,

প্রকাণ্ড। এটা যেন ডাঙৰ হল হে। এই হল যেন ডাঙৰ বৈঠকখানাটিতে মিষ্টাৰ চাওলাই কেইবাটাও ডাঙৰ ডাঙৰ পার্টি দিছে। কেইবাটাও নাচ-গানৰ আয়োজন পাতি চহৰৰ গণ্য-মান্য লোকসকলক অভ্যর্থনা কৰিছে। সি যিয়েই নহওক, প্রকাশ কোঠাত কেতিয়া সোমাল, আৰু তাইহঁতক দেখিও হাতত সাৰে ভৰিত সাৰে গৈ কোঠাটোৰ সিমূৰত মনে মনে গৈ বহি থাকিল, এইটো বোধকৰো শকুন্তলাইঁতে নিজৰ কথাত আপোন পাহৰা হৈ নথকা হলে বা দুয়োজনীৰ এজনীয়েও মূ�ৰ তুলি এবাৰ সেইফালে চোৱা হলে নিশ্চয় দেখিলেহেঁতেন। কিন্তু আনফালে চাবৰ তাইহঁতৰ তেতিয়া সময় আছিল ক'ত? প্রকাশেও ফৰিংফুটা জোনাক হেন ক্ষীণ বিজুলী চাকিৰ পোহৰত এই দুজনী ৰূপহী গাভৰুৰ কথোপকথন ভঙ্গিমাৰ ৰূপ-মাধুৰি পান কৰি, তেনে এটি ভঙ্গিমাৰ চিল্‌ৱেট এটি আঁকি পেলালে কেনে হব? এবাৰ ভাবিলে। তাৰ পিছত ভাবিলে, কালাৰ ফটোগ্রাফীৰ কথা। এই দুয়োটা মাধ্যমেৰে ফুটাই তুলিব পৰা দুখন ছবি তাৰ হিয়াৰ পটত সি যেন চিৰকালৰ কাৰণে ধৰি ৰাখিব। তাৰ গোটেই শৰীৰতে প্রকাশে অনুভৱ কৰিলে এক অপূৰ্ব্ব শিহৰণ, আৰু সেই শিহৰণৰ লগে লগে অনুভৱ কৰিলে এটি বুজাব নোৱাৰা বেদনা—অপ্রকাশৰ বেদনা। ভাবিলে নৈশ-চিত্র-নিপুণতাৰ-নিদর্শন ৰেম্‌ব্রাণ্টৰ 'নাইট্‌ ওৱাট্‌চ'ৰ দৰে 'নাইট্‌-টিট্‌-এ-টেট্‌' নাম দি এখন অমৰ চিত্র অঙ্কণ কৰিব পৰা চিত্রাঙ্কণ নিপুণতা তাৰো যদি থাকিলহেঁতেন! প্রকাশ ভাব সাগৰত ডুব দিলে।

হঠাৎ প্রতিভাই সেইপিনে মূৰ তুলি চাই দেখে যে সিমূৰে চোৰৰ দৰে বেৰাৰ কাষত এন্ধাৰৰ আঁৰ লই কোনোবা এটা জোপোকা মাৰি বহি আছে।

"শকুন্তলা বাইদেউ", প্রতিভাই ফুচফুচাই কলে, "চোৱাচোন, চোৱা সেইটো কোন? নিশ্চয়....চোৰ....'' এই বুলি প্রতিভাই শকুন্তলাৰ বাউসীৰ তলত চিকুট মাৰি দি খিক খিক কৰে হাঁহি দিলে। হাঁহি হাঁহি দুইজনী ছোৱালী চোফাখনৰ আওজা পিনে হালি পৰিল। প্রকাশেও লাহেকৈ উঠি তাইহঁতৰ লগতে হাঁহিত যোগ দি, লাহেকৈ সৰু চকি এখন ওচৰলৈ টানি আনি চোফাখনৰ সোঁকাষে প্রায় সমকোণীয়াকৈ বহিলহি। এনেকৈ হাঁহিৰ ৰোল উঠা দেখি জগদ্বীশে ভিতৰৰ পিনৰ পৰা দুৱাৰৰ গধুৰ পর্দ্দাখন আঁতৰাই ভুমুকি মাৰি সুধিলে।

"ছোটা মাইজী। মোক মাতিছিল নেকি?''

হাঁহি হাঁহিয়েই শকুন্তলাই কলে, "অ' যোৱা জগদ্বীশ। যোৱা তিনি পিয়লা গৰম গৰম কফি...''

"আচ্ছা মাইজী'' বুলি জগদ্বীশ ভিতৰলৈ গ'ল।

প্রকাশে চকীখনত গোপোচ হৈ বহি কলে, "তোমালোক কেনে ছোৱালী? মোক দেখিও, ইমান পৰে নেদেখা ভাও জুৰি ফিচিঙা-ফিচিঙি কৰি মোৰ বিষয়ে কি আলোচনা কৰি আছিলা? মই কিবা শুনা নাই নেকি?''

খং উঠাৰ বিশেষ কাৰণ নেথাকিলেও, নলগা জেঙত লাগিবলৈ কাৰবাৰ কৰিলে, বা অবাঞ্ছনীয়ভাৱে আনৰ আচুতীয়া কথা বতৰাৰ মাজত সোমাই ব্যাঘাত জন্মাবলৈ অহা যেন দেখিলে, কেতিয়াবা কেতিয়াবা বন্ধু-বান্ধৱৰ ওপৰতো টিঙিচ্‌ কৰে খং উঠি যায়। তাৰ ওপৰত যেতিয়া সেই আগন্তুক-জনে মিছায়ে কিবা অভিযোগ তোলেহি, এনে অৱস্থাত থালউৰ কৰে চৰ মাৰি দিবৰ মন যায়। শকুন্তলাৰ মনৰ অৱস্থাও ঠিক তেনে হল। প্রকাশৰ ওপৰত তাইৰ বৰ খং উঠিল। প্রথম, তাইহঁতে প্রকাশ কোঠাত সোমাই মনে মনে বহি থকা কথা সঁচাকৈয়ে কব নোৱাৰে; দ্বিতীয়, প্রকাশৰ বিষয়ে আলোচনা কৰাটোতো দূৰৰে কথা প্রকাশৰ কথা তাইহঁতৰ কাৰো মনলৈ এবাৰো অহা নাছিল।

এনেতে সৰু টিপয় এখন চোফাখনৰ আগত থৈ জগদ্বীশে ভিতৰতে তৈয়াৰ কৰি লৈ অহা তিনি পিয়লা গৰম কফি দি গ'লহি।

প্রকাশে শকুন্তলাৰ মনৰ ভাব আগেয়েই বুজিব পৰা হলে কি কৰিলে-হেঁতেন কোৱা টান। কিন্তু প্রকাশৰ চকুৱে বাৰে বাৰে প্রতিভাৰ মুখৰ ওপৰত চোঁৰৰ বুলাবলৈ উদ্ধাউল হৈ পৰাৰ কাৰণে, শকুন্তলাৰ চকুহাল ভালকৈ লক্ষ্য কৰিব পৰা নাছিল। কিয়? ঠিককৈ কব নোৱাৰিলেও প্রকাশৰ মনত এটা খিয়ালৰ ভাব জাগি উঠিছিল। প্রকাশে কিছুদিনৰ পৰা অনুভৱ কৰি আহিছিল, শকুন্তলাই যেন সি বুজিব পৰাকৈয়ে তাক আওহেলা কৰিবলৈ চেষ্টা কৰিছে। সাতে সোঁতৰে লগ লাগি প্রকাশে যেতিয়া কলে 'যাৰ ধ্যানত তোমালোক মগ্ন তেওঁ যেয়েই নহওক, নিশ্চয় ভাল মানুহ নহয়।' শকুন্তলাৰ ধৈর্য্যৰ সীমা পাৰ হৈ গ'ল। কলে, "প্রকাশ, কফি খাবৰ ইচ্ছা থাকিলে খোৱা, নহলে যোৱা। আমাক দিগদাৰ নকৰিবা।''

প্রকাশৰ সপোনবো অগোচৰ যে শকুন্তলাই তাক ইমান টান কথা কব পাৰে।

"কফি তোমালোকেই খোৱা। মই নেখাওঁ।'' প্রকাশে কলে।

এইবাৰ প্রতিভাই মাত দিলে, "খাওঁক, প্রকাশদা, চেঁচা হৈ যাব নহয়।''

"চেঁচা হবলৈ আৰু বাকী নাই। ইমান চেঁচা অভ্যর্থনাৰে দিয়া উতলা কফিও বৰফ—" এই বুলি কৈ শকুন্তলালৈ পোন্দোৱাকৈ চাই প্ৰকাশ ভোঁ-ভোঁ কৰে গুচি গ'ল।

প্ৰকাশ কোঠাৰ পৰা বাহিৰ হৈছে নে নাই এনেতে শকুন্তলাই প্ৰকাশে শুনাকৈ চিঞৰি মাতিলে, "জগদ্বীশ"।

"কি মাইজী?" জগদ্বীশে ভুমুকি মাৰিলেহি। "একাপ কফি লৈ যোৱা। পেলাই দিয়া, খোৱা যি কৰা কৰাগৈ।" তেনেকৈ কৈ শকুন্তলাই প্ৰতিভালৈ চাই মিচিকিয়া হাঁহি মাৰি কলে, "প্ৰতিভা, তুমিয়ে ময়েই খাওঁ, কি কোৱা?"

প্ৰতিভা শকুন্তলা দুয়ো কফিৰ কাপ হাতত লৈ লাহে লাহে কথা পাতি খাবলৈ ধৰিলে। কফি কিন্তু তেতিয়াও বেচ গৰম হৈয়ে আছিল।

তিনি

শকুন্তলাহঁতৰ ঘৰতেই প্ৰতিভাৰ লগত প্ৰকাশৰ প্ৰথম চিনাকি হৈছিল। চিনাকি কৰি দিবৰ দিনাৰে পৰা এইবাৰৰে সৈতে প্ৰতিভাই শকুন্তলাহঁতৰ ঘৰত প্ৰকাশক তৃতীয় বাৰৰ কাৰণে দেখিছে। আগৰ দুবাৰত প্ৰকাশৰ বিষয়ে বিশেষকৈ জানিবৰ কৌতূহল প্ৰতিভাৰ হোৱা নাছিল। কিন্তু এইবাৰ প্ৰকাশৰ এনে আচৰণত প্ৰতিভা এফালে যেনেকৈ অলপ আচৰিত হৈছিল, আনফালে ইয়াৰ মাজত কিবা বহস্য লুকাই আছে বুলি ভাবি সেই বিষয়ে জানিবলৈ কৌতূহলো জন্মিছিল।

ৰাতি ভাত-পানী খোৱাৰ পিছত প্ৰতিভা আৰু শকুন্তলা শুবলৈ গ'ল। শকুন্তলাৰ কোঠাত প্ৰতিভাৰ কাৰণে আচুতীয়াকৈ বিছনা ঠিক কৰা হৈছিল যদিও দুয়ো একেখন বিছনাতে শুলে। শোৱা নামতহে, টোপনিৰ কথা কোনেও ভবা নাছিল। প্ৰতিভাৰ নানান ধৰণৰ প্ৰশ্নৰ উত্তৰ দি গৈছিল শকুন্তলাই আৰু প্ৰতিভাই শুনি গৈছিল মাকৰ ওচৰত শিশুৱে একান্ত মনেৰে শুনি যোৱা কাল্পনিক ৰাজকুৱঁৰী আৰু ৰাজকোঁৱৰৰ সাধুকথাৰ দৰে। সেইদিনাৰ সাধুকথাৰ নায়ক অৱশ্যে কাল্পনিক নাছিল। ৰাজকোঁৱৰৰ দৰেই কপৰান প্ৰকাশৰ বিষয়ে আলোচনা কৰোঁতেই তাইহঁতৰ প্ৰায় ৰাতি পুৱাই গৈছিল।

"শকুন্তলা বাইদেউ, তোমাৰ দেউতাৰক দেখোন আজি নেদেখিলোঁ।" প্ৰতিভাই সোধে।

"অ', মই তোমাক কোৱাই নাই, পাপা, ডিগবইলৈ গৈছে—চাঁচাজী কাপুৰক লগ ধৰিবলৈ।"

"চাঁচাজী কাপুৰ কোন?" প্ৰতিভাই সোধে।

"প্ৰকাশৰ দেউতাক।"

"প্ৰকাশহঁত তেনেহলে তোমালোকৰ সম্বন্ধীয়া?" প্ৰতিভাই আগ্ৰহেৰে সোধে।

"সম্বন্ধীয়া মানে, তেজৰ সম্বন্ধ নাই, কিন্তু পাপাৰ লগত প্ৰকাশৰ দেউতাকৰ বৰ বন্ধুত্ব। সেই সূত্ৰে তেওঁলোকৰ পৰিয়াল আৰু আমাৰ পৰিয়ালৰ মাজত এটা অতি গভীৰ সৌহাৰ্দ্দৰ ভাব বহুত দিনৰে পৰা গঢ়ি উঠিছে।"

"কিমান দিনৰ পৰা?"

"বিশেষকৈ দেশ বিভাজনৰ পিছৰ পৰা। আচলতে প্ৰকাশহঁত আৰু আমি পশ্চিম পাঞ্জাবৰ মানুহ, লাহোৰৰ। তুমি জানা যে বৰ্ত্তমানে লাহোৰ পাকিস্তানৰ ভিতৰত!"

"জানো।" প্ৰতিভাই দীঘলকৈ উশাহ টানি তাৰ পিছত কয়, "তেনে-হলে দেশ বিভাজনৰ সময়ত তোমালোক লাহোৰৰ পৰা ভাৰতলৈ উঠি আহিলা?"

"ঠিক কৈছা। আমি পশ্চিম পাকিস্তানৰ ভগনীয়া হিচাপে দিল্লীলৈ উঠি আহিলোঁ ১৯৪৭ চনত। তেতিয়া মোৰ বয়স আছিল দহ কি এঘাৰ।"

"আৰু মোৰ আছিল পাঁচ।" প্ৰতিভাই হাঁহি কয়।

"তুমি নিশ্চয় আখৰ লিখিবলৈ আৰম্ভ কৰিছিলা; আৰু মই? মই আছিলোঁ কন্‌ভেণ্টৰ ছাত্ৰী ষ্টেণ্ডাৰ্ড ফাইভ...."

"সেইবোৰ এতিয়া বাদ দিয়া।" প্ৰতিভাই শকুন্তলাৰ গালত লাহেকৈ হাতফুৰাই কলে, "কোৱা শকুন্তলা বাইদেউ, প্ৰকাশৰ বিষয়ে শুনিবলৈ মোৰ বৰ ইচ্ছা হৈছে।"

শকুন্তলাই প্ৰকাশহঁতক প্ৰথম চিনি পোৱাৰে পৰা আজিলৈকে যিমান জানে, এফালৰ পৰা কৈ গ'ল। প্ৰতিভাই অতি মনযোগেৰে শুনিলে।

"পাপাই কোৱা শুনিছোঁ যে প্ৰকাশৰ দেউতাক মিষ্টাৰ কাপুৰ আৰু তেওঁ সৰুৰে পৰা একেলগে পঢ়া-শুনা কৰি একেলগে ডাঙৰ-দীঘল হৈ, একেলগে কাৰবাৰ আৰম্ভ কৰিছিল। কাৰবাৰ মানে কণ্ট্ৰেক্ট। এই দুয়োজন সৰুৰে পৰা অতি চোকা বুদ্ধিৰ, কিন্তু চাকৰি তেওঁলোকে নকৰোঁ বুলি স্কুলত থাকোঁতেই প্ৰতিজ্ঞা কৰিছিল। দুয়ো আই-এছ-চি পাছ কৰি ইঞ্জিনিয়াৰীং কলেজত ভৰ্ত্তি হ'ল, কিন্তু তাত তেওঁলোকে সৰহ দিন পঢ়িব নোৱাৰিলে। ইঞ্জিনিয়াৰীং দুবছৰমান পঢ়াৰ পিছতে কলেজ এৰি দুয়ো উপাৰ্জ্জন কৰাত লাগি গ'ল। চোকা বুদ্ধিৰ ডেকা বুলি আগেয়ে কৈছোঁ-য়েই। অতি কম সময়ৰ ভিতৰতে দুয়ো লাখ টকাৰ মালিক হৈ পৰিল। তেওঁলোকে পাঞ্জাব চৰ্কাৰৰ ডাঙৰ ডাঙৰ কণ্ট্ৰেক্ট পাবলৈ ধৰিলে। বৃটিছ ৰাজৰ আমোলত পঞ্জাব চৰ্কাৰৰ পি-ডব্লিউ-ডিৰ এলেকাৰ বহুতো ডাঙৰ ডাঙৰ বিল্ডীং এই দুজন ডেকা কণ্ট্ৰেক্টৰেই সজা।

তাৰ পিছত দুয়ো একে বছৰতে দুগৰাকী ৰূপহী ছোৱালীক বিয়া কৰালে। আমাৰ মাক তুমি দেখিছাই।"

"তোমাৰ মাৰ সৰুতে চাগে তোমাৰ দৰেই ধুনীয়া আছিল, নহয় নে?" প্ৰতিভাই মাজতে সোধে।

"মই কি?" মোৰ মা ডেকেৰী কালত বোলে গোটেই লাহোৰ নগৰৰ তেওঁৰ সমনীয়া ছোৱালীবিলাকৰ মাজত আটাইতকৈ ধুনীয়া আছিল।"

"এতিয়া দেখিলেও বুজিব পাৰি তেওঁ যে...."

"ৰাক ৰাক।" শকুন্তলাই কয়, "সেইবোৰ কথা পিছত পাতিম। এতিয়া প্ৰকাশহঁতৰ বিষয়ে...."

"কোৱা, কোৱা, মই শুনি গৈছোঁ।" প্ৰতিভাই কলে।

"লাহোৰৰ এমূৰে তেওঁলোকৰ আৰু আনমূৰে আমাৰ ঘৰ আছিল। তথাপিও কিন্তু আমাৰ দুঘৰৰ মাজত আহ-যাহ নিয়মতেই চলি আছিল। প্ৰকাশৰ মাক মোৰ মাতকৈ বছেৰেকমানৰ বোলে ডাঙৰ। দুয়োজনীকে ৰাই-ভনী যেন দেখি। সি যিয়েই নহওক, মিষ্টাৰ কাপুৰ লগত দেউতাৰ বন্ধুত্ব কোনো কালেই শিথিল হোৱা নাছিল। কিন্তু কিবা কাৰণত এদিন বোলে মিচেছ কাপুৰ আৰু মাৰ মাজত কিবা এটা বিষয় লৈ তৰ্ক-বিতৰ্ক হ'ল। সেই সূত্ৰেই কোনেও কাকো মাতবোল নকৰিবলৈ সিদ্ধান্ত কৰিলে। এই ধৰণে কেইবা বছৰো পাৰ হ'ল। এনেতে আহিল ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়। দেশ বিভাজনৰ অজুহাতত পঞ্জাবত হিন্দু-মুছলমানৰ সাম্প্ৰ-দায়িক সংঘৰ্ষই ভীষণ মূৰ্ত্তি ধৰিলে। হাজাৰ হাজাৰ হিন্দু আৰু শিখ গৃহহীন, সম্পত্তিহীন হৈ পশ্চিম পঞ্জাবত তেওঁলোকৰ ৰাপতি সাহোন সকলো জলাঞ্জলি দি পূবমুৱা হ'ল। সৰহভাগেই আহি দিল্লী নগৰী আৰু তাৰ আসে-পাশে ভৰি পৰিলহি। পূব অঞ্চলৰ পৰাও বহুতো মুছলমান পৰিয়াল পশ্চিম পঞ্জাবলৈ উঠি গ'ল। মুঠৰ ওপৰত উত্তৰ পশ্চিম ভাৰতত পঞ্জাব আৰু পূব ভাৰতত পূৰ্ব্ব বঙ্গৰ পৰা ভাৰতলৈ ভগনীয়াৰ সোঁত বৱলৈ ধৰিলে। সূত্ৰপাত হ'ল আধুনিক ভাৰতৰ বুৰঞ্জীত এটি বিৰাট প্ৰব্ৰজন।

"সেই সময়তে প্ৰকাশৰ মাক আৰু আমাৰ মাৰ মাজত সাময়িকভাৱে হেৰোৱা বন্ধুত্ব আকৌ উভতি আহিল। আকৌ দুয়োটা পৰিয়াল একেটা পৰিয়ালৰ দৰে হ'ল। ১৬।১৭ বছৰীয়া প্ৰকাশৰ লগত তেতিয়াই মোৰ প্ৰথম চিনাকি। প্ৰকাশ মোতকৈ প্ৰায় ছবছৰে ডাঙৰ।

"আমি দুয়োঘৰ উঠি আহি দিল্লীত বসতি কৰিলোহি। ভাৰত চৰকাৰৰ পৰা যথেষ্ট সহায় সহানুভূতি পোৱাৰ ফলত, মিঃ কাপুৰ আৰু দেউতাই দিল্লীত থাকিয়েই আকৌ কণ্ট্ৰেক্ট ব্যৱসায় আৰম্ভ কৰিলে। ভগনীয়া হৈ যি হেৰুৱাবলগীয়া হৈছিল, তাৰ ক্ষতি পূৰণ হওঁতে বেচি সময় নেলা-গিল। অতি সোনকালেই দেউতা আৰু প্ৰকাশৰ দেউতাক আকৌ লেখত লৱলগীয়া ডাঙৰ কণ্ট্ৰেক্টৰৰ পৰ্য্যায়লৈ উঠিল।

"এনেতে অসম চৰকাৰৰ পৰা ডাক অহাত এই দুয়োজন কণ্ট্রেক্টৰ অসমলৈ আহিবলৈ মন মেলিলে। তেওঁলোক ইং ১৯৫২ চনত অসমলৈ আহিল। দেউতাই নামনি অসমত আৰু প্ৰকাশৰ দেউতাকে উজনি অসমৰ তেল নগৰ ডিগ্‌বইত থকা কৰিছে।—দেউতা তালৈকে দুদিনমানৰ কাৰণে গৈছে। কাইলৈ পৰহিলৈ মানে আহিব।" শকুন্তলাই প্ৰতিভালৈ চাই দেখে যে প্ৰতিভাই চকু মুদি আছে। শকুন্তলাই লাহেকৈ সুধিলে, "টোপনি আহিছে নেকি প্ৰতিভা?"

"নাই অহা, তোমাৰ কথাকে শুনি আছোঁ। কৈ যোৱা; প্ৰকাশৰ কথা নকলা দেখোঁন।" প্ৰতিভাই আগ্ৰহেৰে সোধে।

"অ', প্ৰকাশ! শুনা"....শকুন্তলাই কৈ গ'ল...."প্ৰকাশৰ কথা কবলৈ-কেতো ইমান পৰ বকিলোঁ। প্ৰকাশক তোমাৰ ভাল লাগিছে নেকি?"

"ধেৎ। শকুন্তলা বাইদেউজনী যে কি? তোমাৰ লাগিছে হবলা?"

"এৱা: শকুন্তলাই হাঁমিয়াই কয়, ধুনীয়া ডেকা দেখিলেই যদি প্ৰত্যেকৰে প্ৰেমত পৰিবলগীয়া হয়, তেনেহলে ভাল লগা আৰু ভাল পোৱাৰ মাজত কোনো পাৰ্থক্যই নেথাকিলহেঁতেন, বুজিছা প্ৰতিভা? প্ৰেমৰ চকু ছাল বা গাঁৰ ওপৰতে সীমাৱদ্ধ নেথাকে। ইয়াৰ দৃষ্টিয়ে কলিজাৰ লেন্সতহে ধৰা দিয়ে। বাৰু, সেইবোৰ যাবলৈ দিয়া। প্ৰকাশে ইকনমিক্সত প্ৰথম শ্ৰেণীৰ অনাৰ্চ লৈ বি-এ পাছ কৰি কিছুদিন দেল্‌হি কলেজ অব্ ইকনমিক্সত এম-এ পঢ়ি থাকোঁতে হঠাৎ বিলাতলৈ যাবলৈ মন গ'ল—বেৰিষ্টাৰী পঢ়িবলৈ। বাপেকৰ একমাত্ৰ লৰা। প্ৰকাশৰ ইচ্ছাত বাধা দিবলৈ মিষ্টাৰ কাপুৰে ইচ্ছা নকৰিলে। ১৯৫০ চনত প্ৰকাশ বিলাতলৈ গ'ল। সুখ্যাতিৰে বেৰিষ্টাৰী পাছ কৰি ১৯৫২ চনত প্ৰকাশ ভাৰতলৈ উভতিল। ইতিমধ্যেই প্ৰকাশৰ দেউতাক অসমলৈ উঠি আহি ডিগবইত থকা কৰিছে। প্ৰকাশ গুৱাহাটী পাই, এৰাতি আমাৰ ঘৰত থাকি পিছদিনা ডিগবইলৈ গ'ল। তাৰ পিছত গুৱাহাটীলৈ আহি প্ৰকাশে এটা ভাল ঘৰ ভাৰা কৰিলে। গুৱাহাটীৰ অসম হাইকোৰ্টত বেৰিষ্টাৰী কৰি, তিনি বছৰ পাৰ নো হওঁতেই এজন লেখত লৰলগীয়া ডেকা আইন ব্যৱসায়ীৰূপে জনাজাত হৈ পৰিল। এতিয়া গুৱাহাটীত প্ৰকাশৰ যথেষ্ট সুখ্যাতি। বাকীছোৱা তুমি জানা"—শকুন্তলা হঠাৎ বৈ গ'ল।

"বাকীছোৱা একো নেজানো, কেৱল জানো যে প্ৰকাশ তোমালোকৰ তালৈ প্ৰায় প্ৰত্যেক গধূলিয়েই ফুৰিবলৈ আহে। তাতকৈ আৰু বিশেষ কিবা আছে যদি মই একো নেজানো! কিন্তু আজি যি বুজিলোঁ প্ৰকাশে

বোধকৰো তোমাক ভাল পায়—নহয় নে শকুন্তলা বাইদেউ?" প্ৰতিভাই আগ্ৰহেৰে শকুন্তলাৰ উত্তৰলৈ বাট চায়। শকুন্তলাৰ শোৱা কোঠাত জ্বলাই থোৱা অতি ক্ষীণ নীলা বিজুলী চাকিৰ পোহৰত শকুন্তলাৰ মুখখন প্ৰতিভাৰ চকুত ইমান ধুনীয়া লাগিছিল যে প্ৰতিভাই শকুন্তলালৈ চাই ভেবা লাগিল।

"কি চাইছা প্ৰতিভা?"

"তোমাক।"

"মোক?" শকুন্তলাই হিঃ হিঃ কৈ হাঁহি প্ৰতিভাৰ বাহুত চিকুটি দিয়ে।

"নহয় শকুন্তলা বাইদেউ।" প্ৰতিভাই গহীনকৈ কয়, "মই দিনত তোমাক সদায় দেখিছোঁ। ৰাতিও দেখিছোঁ উজ্জ্বল চাকিৰ পোহৰত—। আজি গধূলিও দেখিছোঁ তোমালোকৰ দ্ৰইং কমৰ ডিম্ লাইটৰ পোহৰত, কিন্তু এতিয়া....এতিয়াৰ দৰে ইমান ধুনীয়া মই তোমাক কোনো কালেই দেখা নাই। মানুহো ইমান ধুনীয়া থাকেনে?"

"ধেৎ আকৰি। কি কথাবোৰ যে কোৱা?" শকুন্তলাই কয়, "তুমি ধুনীয়া নোহোৱা হবলা?"

প্ৰতিভাই দীঘল হুমুনিয়াহ এটি কাঢ়ি কলে, "ধুনীয়া বুলি কোনো কোনোৱে মোক জোকায়—ধেমালিও কৰে—কিন্তু সিহঁতে যদি তোমাক দেখিলেহেঁতেন! নিজ চকুৰে নেদেখিলে মানুহ কিমান ধুনীয়া হব পাৰে, মানুহে কেতিয়াও কল্পনা কৰিব নোৱাৰে। পৰা হলে শিল্পীসকলে প্ৰেৰণাৰ কাৰণে ধুনীয়া মডেল সমুখত লৈ ছবি নাকিলেহেঁতেন। আপচুৰ মাজত যি সুন্দৰী, ধুনীয়াৰ মাজত তেনে সুন্দৰী হয়তো বান্দী হোৱাৰো লায়কৰ নহয়। মোৰ ধুনীয়াটোও তোমাৰ সমুখত...."

"ছিঃ ছিঃ প্ৰতিভা। নিজক ইমানকৈ নমাৰ নেপায়।" শকুন্তলাই গহীন হৈ কয়—"নিজক তোলা বেয়া, কিন্তু নিজক নমোৱা আৰু বেয়া। মই যদি তোমাৰ চকুত ধুনীয়া, তুমিও মোৰ চকুত সিমানেই ধুনীয়া। ধুনীয়াৰ মাত্ৰা নিৰ্ণয় কৰে অন্তৰেহে, চকুৱে নহয়।"

"তুমি ডাঙৰ কথা কৈছা, শকুন্তলা বাইদেউ।" প্ৰতিভাই কয়। "মই সেইবোৰ নুবুজোঁ। এটা ফটো কেমেৰাৰ মানুহৰ দৰে অন্তৰ নাই। কিন্তু ফটোত ধুনীয়া ছোৱালীজনীহে ধুনীয়া হৈ উঠে। কেমেৰাই কাকো খাটিৰ নকৰে।"

শকুন্তলাৰ হাঁহি উঠিল। কলে, "শুনা প্ৰতিভা, যন্ত্ৰ হলেও ফটো-কেমেৰাৰো কিন্তু এটা বিচাৰ আছে। দেখাত ধুনীয়াজনীতকৈও কেতিয়াৰা

আপচু একোজনীকহে ফটোত বেচি ধুনীয়া দেখি। ফটোজিনিক্ মুখৰ প্রতি, কেমেৰাৰ নিশ্চয় দুৰ্ব্বলতা আছে!''

এইবাৰ প্রতিভাৰ হাঁহি উঠিল। দুয়ো ঘিক্ ঘিক্ কৰে বহুত পৰ হাঁহিলে। এনেকৈয়ে ৰাতি ঘণ্টাৰ পিছত ঘণ্টা পাৰ হৈ গ'ল। তথাপি কিন্তু এই দুজনী ছোৱালীৰ টোপনি নাহিল। তাইহঁতৰ আজি বাৰু কি হ'ল?''

দূৰৈত ঢং ঢং ঢং কৈ ৰাতি তিনটাৰ ৰবকাঁহ শুনা গ'ল। মাজে মাজে শুনা গ'ল ৰাতি ডিউটি দিয়া পুলিচৰ হুইচেল্। এই দুজনী ছোৱালীয়ে তেতিয়াও কিন্তু কথা পাতিয়েই আছিল।

শকুন্তলাহঁতৰ ঘৰখন প্রকাশৰ ভাতঘৰ। এদিনলৈকে। প্রজ্ঞানৰ লগত প্রকাশৰ তাত দেখাদেখি নোহোৱাটো আচৰিত যেন লাগে। শকুন্তলাহঁতৰ ঘৰলৈ কত মানুহ আহে আৰু যায়, প্রজ্ঞানে কালৈকে। কেতিয়াও বিশেষ মনযোগ দিয়াৰ কাৰণ বিচাৰি পোৱা নাছিল। কিন্তু এইটো ঠিক যে প্রকাশক দেখা হলে প্রজ্ঞানে নিশ্চয় নজৰ কৰিবলৈ বাধ্য হ'লহেঁতেন। প্রজ্ঞানৰ দৰে প্রকাশৰো এনে এটা আকর্ষণীয় ব্যক্তিত্ব আছিল যে, নেচাওঁ বুলিলেও অতর্কিতেই প্রকাশৰ ওপৰত মানুহৰ দৃষ্টি নিক্ষেপ হৈছিল। অৱশ্যে এই দুজন ডেকাৰ ব্যক্তিত্বৰ মাজত এটা মূলগত পার্থক্য আছিল। প্রজ্ঞানৰ ব্যক্তিত্বত যি অনুপাতৰ গাম্ভীর্য্য ফুটি উঠিছিল, প্রকাশৰ ব্যক্তিত্বত ফুটি উঠিছিল ঠিক সেই অনুপাতৰ এটি চাঞ্চল্য। নিজৰ উদ্‌ভ্রান্ত মনক সংযত কৰি হাতৰ মুঠিলৈ আনি প্রয়োগ কৰাৰ ক্ষমতা আছিল প্রজ্ঞানৰ, কিন্তু প্রকাশৰ আছিল ব্যক্তিগত ৰুচি-অভিৰুচি, ভালপোৱা বেয়াপোৱা আদি সোঁতৰ লগত নিজৰ ব্যক্তিত্বক উটি যাবলৈ দিয়া ধৰণৰ। পর্ব্বতৰ পৰা বাগৰি অহা তটিনীৰ চঞ্চল সোঁতৰ দৰে আকর্ষণীয় অস্তিত্বৰ ৰূপো বিশাল ব্রহ্মপুত্রৰ বুকুত পৰি লীন হৈ যোৱাৰ দৰে, প্রকাশৰ ব্যক্তিত্ব আছিল প্রজ্ঞানৰ গভীৰ ব্যক্তিত্বৰ ওচৰত মোলান পৰি যোৱা ধৰণৰ।

সি যিয়েই নহওক, শকুন্তলাহঁতৰ ঘৰলৈ এই দুয়োজন ডেকা ঘনাই গলেও, কাৰো লগত কাৰো এদিনলৈকে। তাত দেখাদেখি নহবলৈকে যেন বিধাতাই আগৰে পৰাই উভয়ৰে গতিবিধিৰ সময় নির্ণয় কৰিহে থৈছিল! কেতিয়াবা এনেও হৈছে যে গধূলি ঠিক ৬ বজাত প্রজ্ঞান গৈ চাওলালজৰ চৌহদত ভৰি দিছে, ঠিক তাৰ ৫ মিনিট আগতেই হয়তো প্রকাশ তাৰ পৰা ওলাই গৈছে। হয়তো কেতিয়াবা প্রজ্ঞান ৰাতি চাৰে আঠ বজাত শকুন্তলাহঁতৰ ঘৰৰ পৰা ওলাইছে, সেইদিনা হয়তো এনে এটা কাৰণ ওলাব যাৰ

কাৰণে প্রকাশ সোনকালে যাব নোৱাৰাত চাৰে ৮ বাজি ১০ মিনিট যোৱাতহে সেইদিনাৰ কাৰণে শকুন্তলাহঁতৰ ঘৰলৈ যাব পাৰিছে! এনেকৈয়ে প্রকাশ-প্রজ্ঞানৰ আজিলৈকে দেখাদেখি নোহোৱাটো আচৰিত যেন লাগিলেও,সঁচা।

এদিন শকুন্তলাৰ লগত প্রজ্ঞানৰ কিবা তর্ক-বিতর্ক চলি থাকোঁতে, কথাই কথাই শকুন্তলাই প্রজ্ঞানক কৈছিল, 'তুমি নেজানা প্রজ্ঞানদা, কোন প্রকাশ? সোনকালেই জানিবা। আৰু তেতিয়াই বুজিবা তোমাক প্রকাশে দ্বন্দ্ব যুদ্ধলৈ আহ্বান কৰিছে কিয়?' ওৰে ৰাতি উজাগৰে প্রতিভাৰ লগত প্রকাশৰ বিষয়ে কথা পাতি থাকোঁতে, কিছুদিনৰ আগতে প্রজ্ঞানক কোৱা সেই কথাষাৰ শকুন্তলাৰ বাৰে বাৰে মনত পৰিছিল। শকুন্তলাই ভাবিছিল, হয়তো সেই সময় আসন্ন প্রায়। সেই দ্বন্দ্ব যুদ্ধৰ দর্শিকা হয়তো শকুন্তলাই হব, যদিহে শকুন্তলাই প্রজ্ঞানক ভাল পোৱাৰ দৰে প্রজ্ঞানেও শকুন্তলাক ভাল পায়। শকুন্তলাই ভালকৈ জানিছিল যে শাৰীৰিক-মানসিক উভয় বিষয়তেই প্রজ্ঞান প্রকাশতকৈ শ্রেষ্ঠ। কিন্তু এটা বিষয়ত প্রকাশৰ ওচৰত প্রজ্ঞান অতি নগণ্য। সেই বিষয়টো হৈছে—প্রকাশে ইচ্ছা কৰিলে তাৰ পৈত্রিক ধনেৰে হেজাৰটা প্রজ্ঞানক কিনি পেলাব পাৰে, যদিহে প্রজ্ঞান এনে ধাতুৰে গঢ়া যাক টকাৰে কিনিব পাৰি!

আজি গধূলি প্রকাশক তেনে কঠুৰা ব্যৱহাৰ কৰাৰ কোনো আৱশ্যক নাছিল। কেলেই বাৰু শকুন্তলাই তেনে কৰিছিল? শকুন্তলাই নিজেই ভাবি নেপায়। সেই ব্যৱহাৰত ক্ষুণ্ণ হৈ যদি প্রকাশে কিবা অথন্তৰ ঘটায়! শকুন্তলাৰ মনটো চঞ্চল হৈ উঠে। তাৰ পিছতেই সংযত হৈ ভাবে যে সেইটো হবলৈ তাই কেতিয়াও নিদিয়ে। সাধাৰণ যি কোনো এজনী ছোৱালীয়ে এনে পৰিস্থিতিত যি ধৰণে বুদ্ধিভ্রষ্টা হৈ যিহকে পাই তাকে কৰিব পাৰে, তায়ো যদি তাকেই কৰে, তাইৰ শিক্ষা-দীক্ষাৰ মূল্য ক'ত ৰ'ব? তাই ভাবে। নাই, নাই, সেইটো কেতিয়াও হব নোৱাৰে। তাই কাইলৈকে প্রকাশক ক্ষমা খুজিব। তাইৰ দোষ হৈছে। তাইৰ ঘৰত প্রকাশক তাই অৱহেলা বা অপমান কৰি ভাল কাম কৰা নাই। আছিল আছিল লগত প্রতিভা; সেই বুলিয়েইনো শকুন্তলাই প্রকাশৰ প্রতি ইমান তাচ্ছিল্য ভাব দেখুওৱা উচিত হৈছিল নে? এই কথাবোৰ শকুন্তলাই প্রায় নিজকে কোৱাৰ দৰেই যদিও কৈ গৈছিল প্রতিভাই একাণপতীয়াকৈ শুনি আছিল। তাই মনে মনে কেৱল ভাবিছিল ইমান ধুনীয়া এই শকুন্তলা বাইদেউজনী! ইমান সুন্দৰকৈ কথা কব পাৰে! ইমান শুৱলা শকুন্তলাৰ

মাতটো! ইমান মৰমীয়াল শকুন্তলাৰ অন্তৰখন! ইমান ভাল....ইমান.... ইমান....! 'মই, ময়ো যদি বয়সত শকুন্তলা বাইদেউৰ সমান হলোঁহেঁতেন', প্ৰতিভাই ভাবে। 'মোৰ বয়স পোন্ধৰ বছৰ। হে প্ৰভু। মোকো যদি ২১ বছৰীয়া এজনী গাভৰু আজিয়েই কৰি দিলাহেঁতেন! নাই, নাই, প্ৰজ্ঞানদাৰ লগত শকুন্তলা বাইদেউক ইমান শুৱাব! ইমান ভাল হব। ইমান ভাল পাম মই তেওঁলোক দুয়োজনৰ মিলন হোৱা চাই। মই, মই এইকণ ত্যাগো মোৰ মৰমৰ শকুন্তলা বাইদেউৰ কাৰণে স্বীকাৰ কৰিব নোৱাৰিম নে? মইনো ইমান স্বাৰ্থপৰ নে? প্ৰজ্ঞানদাক মই ভাল পাওঁ, খুব ভাল পাওঁ, মোৰ প্ৰাণতকৈও ভাল পাওঁ। কিন্তু শকুন্তলা বাইদেউ? তেওঁকো, তেওঁকো জানো মই মোৰ প্ৰাণতকৈও ভাল নেপাওঁ? তেনেহলে মই মোৰ প্ৰাণতকৈও ভাল পোৱা দুজনৰ মিলনৰ বাটত বিধি-পথালি কৰা উচিত হব জানো? নিশ্চয়, নিশ্চয় মই শকুন্তলা বাইদেউৰ কাৰণে প্ৰজ্ঞানদাক পাহৰিবলৈ চেষ্টা কৰিম। আৰু প্ৰজ্ঞানদা? প্ৰজ্ঞানদাই শকুন্তলাক ভাল পায়। মই যদি তেওঁৰ ভালপোৱাজনৰ অশান্তি সৃষ্টি কৰোঁ, প্ৰজ্ঞানদাই জানো মনত কষ্ট নেপাব? প্ৰজ্ঞানদাক যদি মই সঁচাকৈয়ে ভাল পাওঁ, তেনেহলে তেওঁ যাক পালে ভাল পাব, সুখী হব, তেওঁক জানো মই তেওঁৰ পৰা আঁতৰাই নিয়া উচিত হব?' ভাবি ভাবি প্ৰতিভাৰ চকুৰেদি দুধাৰি চকুলো বৈ গ'ল। ভাবাৱেগত তাই শকুন্তলাক সাৱটি ধৰি কলে,

"শকুন্তলা বাইদেউ, তোমাক মই ইমান ভাল পাওঁ—ইমান—ইমান—!"

প্ৰতিভাই কেঁচুৰা বান্দৰ পোৱালীয়ে মাকক সাৱটি ধৰাৰ দৰে শকুন্তলাক সাৱটি ধৰি শকুন্তলাৰ বুকুত মুখ লুকুৱাই দুখ আৰু আনন্দত অভিভূত হৈ কিছুপৰ উচুপিলে। তাৰ পিছত এৰি দি একেথৰে শকুন্তলাৰ মুখলৈ চাই কলে:

"শকুন্তলা বাইদেউ! বিশ্বাস কৰা; বিশ্বাস কৰিবানে?"

"কি?"

"মই যদি কওঁ?"

"কি ক'বা?"

"যদি কওঁ, প্ৰজ্ঞাদাক মই তোমাৰ কাৰণে পাহৰি যাবলৈ চেষ্টা কৰিম!"

"পাৰিবা, পাৰিবা—প্ৰতিভা!"শকুন্তলাই উৎসাহেৰে সোধে।

"তোমাৰ কাৰণে মই কৰিব নোৱাৰা কাম একো নাই, শকুন্তলা বাইদেউ।" প্ৰতিভাই এইবাৰ শকুন্তলাক দুইহাতে টানকৈ সাৱটি ধৰি শকুন্তলাৰ বুকুত মুখ লুকুৱালে।

শকুন্তলাই নিজকে পাহৰি গ'ল। প্ৰতিভাক আৰেগতে ইমান জোৰে সাৱটি ধৰিলে যে প্ৰতিভাই উশাহ লব নোৱাৰা হ'ল। তাইৰ উক্‌মুকনি লাগিছিল নে নাই, তালৈ কাণসাৰ কৰিব পৰা চেতনা শকুন্তলাৰ নাছিল। শকুন্তলাই ৰলিয়াৰ দৰে প্ৰতিভাৰ মূৰ চুলি ডিঙি পিঠি কান্ধ সকলোতে নিজৰ মুখখন ঘহিয়াই ৰঙচুৱা ওঁঠ দুটিৰে সহস্ৰ চুম্বন আঁকি দিলে। শকুন্তলাৰ সেই বাউলী ৰূপটো কেনে হৈছিল প্ৰতিভায়ো কব নোৱাৰে। আৰু অলপ সময় তেনেকৈ থকা হলে হয়তো প্ৰতিভা আৰু জীয়াই নেথাকিলহেঁতেন! শকুন্তলাৰ বুকুৰ মাজত মুখ লুকুওৱা অৱস্থাতে শকুন্তলাৰ সৰল দুবাহুৰ বেস্তনিতে প্ৰতিভাৰ মৃতদেহটোহে পোৱা গ'লহেঁতেন! কিন্তু বিধিৰ লিখনতো জানো ছিদ্ৰ নেথাকে? ঠিক এনেতে বাহিৰত দুৱাৰত জোৰে ঢকা পৰিল। চকখাই শকুন্তলাই প্ৰতিভাক এৰি দিলে। এৰি দিয়া মাত্ৰকে উক্‌মুকনিৰ পৰা ৰক্ষা পাই, প্ৰতিভাই দীঘলকৈ এটি উশাহ ললে। তাৰ পিছত, বিৰক্তিৰ পৰিবৰ্ত্তে আনন্দত তাইৰ চকু দুটি উজ্জ্বল হৈ উঠিল। হাঁহিৰ ৰেখা এটি মুখত বিৰিঙি উঠোতেই নৌ, দুয়ো একেলগে শুনিলে,

"কি অ', ছোৱালীহঁত! তহঁত আজি শুই নুঠিবিয়েই নেকি?" মিচেছ চাওলাই টেং টেং কৰে চিঞৰি দুৱাৰত কেইবাবাৰো জোৰে জোৰে ঢকিয়ালে।

"আমি কেতিয়াবাই সাৰ পাইছোঁ, এতিয়াই উঠিম মা!"

"উঠ উঠ সোনকালে উঠ। আমি আটায়ে চাহ-টাহ কেতিয়াবাই খাই উঠিলোঁ।"

শকুন্তলা উঠি গৈ দুৱাৰ খুলি দিলে। মাকে ভুমুকি মাৰি প্ৰতিভালৈ চাই মিচিকিয়াই হাঁহি বিদায় ললে।

প্ৰতিভা শকুন্তলা দুয়ো মুখহাত ধুই, চাহ-টাহ খাই উঠি, হোষ্টেললৈ যাবলৈ কাপোৰ পিন্ধি সাজু হ'ল।

শকুন্তলাৰ মাকৰ পৰা বিদায় লৈ প্ৰতিভা যাবলৈ ওলাল। মাকে ভাত খাই যাবলৈকে কৈছিল, কিন্তু চুপাৰিণ্টেণ্ডেণ্টে পুৰাই উভতি আহিবলৈ কোৱাৰ কাৰণে, ৰৱকৈ জোৰ নকৰিলে।

খন্তেক আগতে মৰমতে মাৰি পেলাব খোজা প্ৰতিভাক নিজৰ গাড়ীত লৈ, গাড়ী নিজেই চলাই, শকুন্তলাই প্ৰতিভাক হোষ্টেলৰ লেডী চুপাৰিণ্টেণ্ডেণ্টৰ হাতত গতাই দি আহিল।

প্ৰতিভাক থৈ আহোঁতে শকুন্তলাই ভাবি আহিছিল, 'হঠাৎ যদি ছোৱালীজনী মৰি গ'লহেঁতেন!' তাই আৰু ভাবিব নোৱাৰিলে।

চাবি

শকুন্তলা যেতিয়া প্রতিভাক খবলৈ ছোৱালী হোষ্টেললৈ যায়, সেই সময়ত এজন হটঙা দেখনীয়াৰ ডেকাই প্রজ্ঞানৰ পঁজাত প্রজ্ঞানক লগ ধৰিলেগৈ। প্রজ্ঞানে ডেকাজনক আগেয়ে ক'ৰবাত দেখা যেন লাগিলেও প্রথমতে বুজা নাছিল যে তেৱেঁই প্রকাশ। প্রজ্ঞানৰ পিৰালিত প্রকাশে ভৰি দিয়াৰ লগে লগে প্রজ্ঞান বাহিৰলৈ ওলাই আহি সুধিলে:

"কাক বিচাৰিছে?"

"নমস্কাৰ!"

"আপুনিয়েই জানো মিষ্টাৰ...."

"মোৰ নাম প্রজ্ঞান বৰুৱা...." প্রতি নমস্কাৰ জনাই প্রজ্ঞানে ডেকাজনক বহিৰলৈ ইঙ্গিত দিলে।

"আপোনাৰ যদি অসুবিধা নহয়", প্রকাশে সংযতভাবে কলে, "তেনে-হলে, নৈৰ পাৰৰ পিনে যদি দুয়ো অলপ ওলাই গলোঁহেঁতেন!"

"কিয়? ইয়াত কিবা অসুবিধা হব নেকি?" প্রজ্ঞানে কৌতূহলেৰে সোধে।

"অসুবিধা মানে, আপোনাৰ লগত অলপ জৰুৰি কথা আছিল। ঘৰত কোৱাতকৈ যদি...."

"বেচ, আপুনি খন্তেক বহক, মই এইমাত্র ওলাইছোঁ।" প্রজ্ঞানে ভোট এবাৰ (বঙালী এবাৰ) ঠাৰি এডালেৰে দাঁত ঘঁহি ঘঁহিয়েই প্রজ্ঞানৰ লগত কথা পাতিছিল। তপ্‌কৰে গৈ মুখহাত ধুই কাপোৰ পিন্ধি প্রজ্ঞান প্রকাশৰ লগত নৈ পাৰলৈ ফুৰিবলৈ ওলাই গ'ল। পুৱা তেতিয়া সাত বাজিছিল। সেইদিনা ৰাতি প্রায় ১ মান বজালৈকে প্রজ্ঞানে কিবা লিখা-পঢ়া কাম কৰাৰ কাৰণে, পুৱা শুই উঠোতে পলম হৈছিল।

দুয়োজন ডেকা ব্রহ্মপুত্রৰ পাৰৰ আলিটোৰেদি গৈ পানীকলৰ সাতপুখুৰী-পাহাৰ পালেগৈ। প্রজ্ঞানে আগে-পিছে কেতিয়াবা গৈ বহা, তাত থকা শিলঙীয়া সৰল এজোপাৰ তলত ব্রহ্মপুত্রৰ পিনে মুখ কৰি দুয়ো বহিল। ৰাটত বিশেষ কথা-বতৰা হোৱা নাছিল। প্রজ্ঞানে কিন্তু মনে মনে ভাবি গৈছিল যে এই ডেকাজনেই নিশ্চয় সেই প্রকাশ যাৰ কথা এদিন শকুন্তলাই কথা প্রসঙ্গত প্রজ্ঞানৰ আগত উল্লেখ কৰিছিল।

পাহাৰৰ আওঢলীয়াত বহি, নৈৰ জুৰ বতাহ লৈ দুয়ো ডেকাই কথা-

বতৰা আৰম্ভ কৰিলে। প্রকাশক পাঞ্জাবী বুলি জানি, প্রজ্ঞানে তেওঁলোকৰ ভাষাৰেই সুধিলে: "আপোনাৰ ঘৰ লাহো�ৰত নহয় জানো?"

প্রকাশে আচৰিত হৈ প্রজ্ঞানৰ মুখলৈ চাই কলে, "হয়, পিছে পার্টিশ্যনৰ পিছত আমি দিল্লীলৈ উঠি আহিলোঁ। আপুনি পাঞ্জাবী কথা বাৰু ক'ত শিকিলে?"

"ময়ো ১৯৪৩-৪৪ চনত লাহো�ৰত প্রায় দেৰ বছৰ আছিলোঁ। তাৰ পিছত অমৃতচৰৰ এজন বন্ধুৰ নিমন্ত্রণত তালৈকো গৈ ১৯৪৫ চনটো প্রায় তাতেই কটাইছোঁ। বুলিব লাগে।"

"হুঁ" বুলি প্রকাশ মনে মনে থাকিল। প্রকাশক হঠাৎ গম্ভীৰ হৈ যোৱা দেখি, প্রজ্ঞানে কলে,

"কি ভাবিছে মিষ্টাৰ....মিষ্টাৰ....।"

"মিষ্টাৰ কাপুৰ...."

"অ', মিষ্টাৰ কাপুৰ, আপোনাক ৰৰ গম্ভীৰ যেন দেখিছোঁ! আপুনি ভৱা নাইতো যে মই পঞ্জাবত ইমান দিন কি কৰিছিলোঁ? বুজিছে মিষ্টাৰ কাপুৰ, কি আৰু কৰিম? টট' কোম্পানীৰ মেনেজাৰী কৰিছিলোঁ।"

"কোন কোম্পানীৰ?" প্রকাশে আচৰিত হোৱাৰ দৰে সোধে।

"কিয়?.... আপুনি সেই কোম্পানীৰ নাম শুনা নাই নেকি?" প্রজ্ঞানেও আচৰিত হোৱাৰ ভাও জুৰি কলে।

"লাহো�ৰ বা অমৃতচৰত তেনে কোম্পানী আছে বুলিটো মই নেজানো।" প্রকাশে সাধাৰণভাৱে কয়।

"সেই কোম্পানীৰ এজেণ্ট পৃথিৱীৰ সকলো ঠাইতে আছে। আচৰিত যে আপুনি এতিয়াও সেই কোম্পানীৰ কথা নেজানে!" প্রজ্ঞানে দুয়োপাৰি দাঁত উলিয়াই, বহলকৈ এটি হাঁহি মাৰিলে।

প্রকাশ তেতিয়াও গহীন হৈ থাকিল। কলে, "ক'ত কিমান বিড়ী কোম্পানী আছে সেই কথা নেজানিলেও, 'জেনেৰেল্-নলেজত' বোধকৰো পূৰা নম্বৰেই পোৱা যাব!"

চুঙা চাই সোপা দিয়াৰ লোভ প্রজ্ঞানে সামৰিব নো�ৱাৰি কলে, "গোটেই পৃথিৱীতে যে বিড়ী নচলে, এই কথা নজনাটোৱে সাধাৰণ জ্ঞানৰ দৈন্যৰ পৰিচয় দিয়ে বুলিয়েই মই ভাবো।"

মাত্রা অলপ বেচি হোৱাত, প্রকাশ অপ্রস্তুত হোৱাদি হ'ল। পেটে পেটে খঙো নুঠাকৈ নেথাকিল। কিন্তু নিজৰ মনৰ ভাব গোপন কৰি কলে, "ক্ষমা কৰিব। আপোনাক অপমান কৰিবলৈ মই তেনে কথা

কোৱা নাই, কৈছোঁ যে পৃথিৱীত জানিবলগীয়া কথা বহুতেই আছে, কিন্তু প্ৰত্যেকেই যে প্ৰত্যেক কথা জানিবই লাগিব তাৰ কোনো মানে নাই, আৱশ্যকো নাই।"

"কিন্তু যাৰ লগত আপোনাৰ ইমান দৰ্কাৰ যে ঘৰৰ পৰা গৈ এই পুৱাই মাতি আনিছে এই নৈ পাৰলৈ, তেওঁৰ বিষয়ে অন্ততঃ আপুনি ইতি-পূৰ্ব্বেই কিছু জানে বুলি ভাবিহে মই মোৰ কথা আৰম্ভ কৰিছিলোঁ! পিছে এতিয়া যি দেখিছোঁ, মোৰ বিষয়ে আনুনি একো নেজানে, অথচ মোৰ লগতেই আপোনাৰ ইমান দৰ্কাৰ?" প্ৰজ্ঞানে প্ৰকাশৰ মুখৰ ভাব-গতিলৈ সূক্ষ্মভাৱে লক্ষ্য কৰি কথাখিনি কৈ মনে মনে থাকিল। এটি অস্বস্তিকৰ নিস্তব্ধতা দুয়ো অনুভৱ কৰিলে। প্ৰজ্ঞানেই আকৌ কৱলৈ ধৰিলে, "শুনক, সঁচা কথা কৱলৈ গলে, টট' কোম্পানী বুলি কোনো কোম্পানী মই জনাত নাই।

এইবাৰ প্ৰকাশে হঠাৎ মুখ তুলি প্ৰজ্ঞানলৈ চালে। প্ৰজ্ঞানে কৈ গ'ল, "মই একো কাম-কাজ নোহোৱাকৈ, অ'ত ত'ত এনেয়ে ঘূৰি ফুৰিছিলোঁ। আৰু এনেকৈ ঘূৰি ফুৰাকে টট' কোম্পানীৰ মেনেজাৰী কৰা বুলি অসম আৰু বঙ্গ এই দুইখন ৰাজ্যৰ প্ৰায় সকলোৱেই জানে!"

প্ৰকাশৰ হাঁহি উঠিল। পৰিবেশটো যেন অলপ পাতল হ'ল। প্ৰকাশে কলে, "তেনেহলে একো কাম-কাজ নোহোৱাকৈ, অ'ত ত'ত ঘূৰি ফুৰাটোৱেই আপোনাৰ পেচা?"

"সেই বুলি ধৰিব পাৰে।" প্ৰজ্ঞানে গহীনাই উত্তৰ দিলে।

"তেনেহলে মই এজন 'লফাৰৰ' লগত কথা পাতিছোঁ।" প্ৰকাশৰ মাতত বিদ্ৰূপ আৰু ঘৃণাৰ আভাস এটি ফুটি উঠিল। প্ৰজ্ঞানে সেইটো ধৰিব পাৰি পট্‌কৈৰে ঘূৰি স্থিৰ দৃষ্টিৰে অলপ পৰ প্ৰকাশৰ চকুলৈ চাই ৰ'ল। প্ৰকাশ অপ্ৰস্তুত হোৱাদি হ'ল। প্ৰজ্ঞানে গহীনাই সুধিলে,

"আপুনি কেনেকৈ জানে মিষ্টাৰ কাপুৰ, যে আপুনি নিজেও এজন 'লফাৰ' নহয়?" প্ৰজ্ঞানে কথাষাৰ দোহাৰি আনধৰণে আকৌ ক'লে, "আপুনি যে লফাৰ নহয়, তাৰ প্ৰমাণ?"

"মই এজন বেৰিষ্টাৰ্-এট্-ল, আৰু মোৰ আইন ব্যৱসায়ৰ ঠাই অসম হাইকোৰ্ট, গুৱাহাটী...."

"সেইটোৱেই যথেষ্ট প্ৰমাণ নহয় যে আপুনি এজন লফাৰ নহয়, মানে ছাল্‌ছিগা...."

এইবাৰ প্ৰকাশৰ খং উঠিল। কলে, "শুনক মিষ্টাৰ বৰুৱা, মই বেৰিষ্টাৰ হওঁ বা নহওঁ, মোৰ দেউতা ডিগৰই তেলনগৰৰ এজন ডাঙৰ কণ্ট্ৰেক্টৰ;

আৰু তেওঁৰ বছৰি আয় ১০ লাখ টকাতকৈও বেচি। প্ৰকাশৰ কথাত এটি অহঙ্কাৰৰ ভাব ফুটি উঠিল। আনহাতে হাঁহি উঠিল প্ৰজ্ঞানৰ। কলে, "তাৰ মানে আপুনি কৰ খোজে যে, আপোনৰ দেউতাকৰ টকাৰে ইচ্ছা কৰিলে মোৰ দৰে অতি কমেও দহটা প্ৰজ্ঞানক আপুনি কিনি পেলাব পাৰে; নহয় জানো?" প্ৰকাশৰ ভাব-গতিলৈ লক্ষ্য কৰি আকৌ কলে, "ধৰক যেনিবা, আপোনাৰ দেউতাক এজন ডাঙৰ কণ্ট্ৰেক্টৰ' নহয়, আৰু তেওঁ আপোনাক বেৰিষ্টাৰী পঢ়িবলৈকো বিলাতলৈ পঠাব নোৱাৰিলে...."

মুখৰ পৰা প্ৰজ্ঞানৰ কথাষাৰ টানি আনি প্ৰকাশে কলে, "এনে প্ৰশ্নৰ ঠেনু নাই, আপুনি অনৰ্থক...."

"অনৰ্থক মই তৰ্ক কৰা নাই। শুনক মোৰ দেউতাৰ মাক আইতাই মোক বৰ মৰম কৰিছিল। সেই মৰমৰ কাৰণে মই মোৰ নিজৰ মা-দেউতাকো পাহৰি থাকিব পাৰিছিলোঁ। কিন্তু মোৰ বাৰ বছৰ বয়সতে আইতা ঢুকাল। আইতাৰ মৰমৰ পৰা বঞ্চিত হৈ মা-দেউতাৰ লগতো মোৰ মন নৰহা হ'ল। এই অসমতে অঙহি-বঙহি মাহীমাই পেহীআইৰ ঘৰে ঘৰে বছেৰেকমান বাগৰি অৱশেষত ঘৰলৈ উভতি আহি, দেউতাৰ কথামতেই প্ৰৱেশিকা পৰী-ক্ষাটো দি পাছ কৰি কলেজত ভৰ্ত্তি হলোঁ। সেই সময়তেই ৪২ৰ স্বাধীনতা বিপ্লৱ আৰু আনহাতে ২য় মহাযুদ্ধৰ মহামাৰী ঢোৱে আহি গুৱাহাটী চহৰ আৰু অসমৰ অন্যান্য ঠাইত তোলপাৰ লগালেহি। মিলিটেৰীয়ে কলেজৰ বস্তু লণ্ডভণ্ডকৈ বাহিৰলৈ দলিয়াই দি, ঘৰবোৰ সামৰিক বাহিনীৰ কাৰণে অধিকাৰ কৰিলে। কলেজৰ থান্‌থিত্ নোহোৱা হ'ল। বাহিৰে-ভিতৰে কেউপিনে চাউনি হ'ল চিপাহীৰ--নানাদেশীয়, নানা বৰণৰ, নানা ধৰণৰ, নানা মতলৱৰ। আটাইয়ে মিত্ৰপক্ষৰ হৈ ভাৰতৰ পূৱ সীমান্তত ৰণ দিবলৈ আহিছে জাপানী শক্তিৰ বিৰুদ্ধে। এই সময়তে অ-সামৰিক লোকসকলৰ মাজত সৃষ্টি হ'ল, পাৰত গজা বহুতো কাৰবাৰীৰ, বিশেষকৈ ঠিকাদাৰৰ। যুদ্ধৰ সময়ৰ সকলো প্ৰকাৰ দুৰ্গতিৰ সুযোগ গ্ৰহণ কৰিলে বহুতো খলুৱা শ্ৰেণীৰ সুবিধাবাদী লোকে। এনেকুৱাও দেখা গ'ল যে, একেলগে থকা একে ঘৰৰে চাৰিজন ভাই-ককাইৰ এজন হয়তো হৈ পৰিল কোনো দেশ-সেৱা অনুষ্ঠানৰ দেশহিতৈষী পাণ্ডা, আৰু বাকী তিনিজনৰ এজন হয়তো হ'ল মিলিটাৰী কণ্ট্ৰেক্টৰ, এজন চোৰাং বা ক'লা বেপাৰী আৰু চতুৰ্থজন হয়তো হৈ পৰিল কামিনী কাঞ্চনৰ সুনিপুণ দালালৰূপে সামৰিক বাহিনীৰ চিপাহী, বিশেষকৈ উচ্চপদস্থ বিষয়াসমূহৰ সোঁহাত স্বৰূপ! শেহৰ নিয়মেৰে

পর্ব্বত-ভৈয়াম সকলো ঠাইতে ভদ্র, আধা-ভদ্র, অভদ্র কত পবিয়ালৰ কিমান কিশোৰী-গাভৰুৰ ইজ্জত এই ইতৰ শ্রেণীৰ ব্যৱসায়ী দলটোৱে যে ধ্বংস কৰিলে তাৰ লেখ নাই। শেহৰ নিয়মটোৰে অতি সহজতেই বহুতো লাখপতি হৈ পৰিল। ধনৰ টোপোলাৰে ধনাঢ্যক সন্তুষ্ট কৰা সহজ নহয় পাৰে, কিন্তু কামিনীৰ প্ৰলোভন সামৰিব পৰা লোক সামৰিক বাহিনীহে নেলাগে, সত্য যুগৰ পৰা কলি যুগলৈকে সকলো যুগতে, সকলো প্ৰকাৰৰ মানুহৰ মাজতেই কম-বেচি পৰিমাণে আছিল, আছে আৰু থাকিব।

"ঠগ, জুৱাচুৰী, লুচ্ছামীৰ লেগাম যুদ্ধৰ সময়ত ছিঙি যায়। সৰ্ব্বগ্ৰাসী মাৰাত্মক এই যুদ্ধ! ইয়াৰ পৰিবেশত পৃথিৱীৰ নৈতিকতাৰ মানদণ্ডই হৈ পৰে পঙ্গু, ঘুণীয়া। নভৱা-নুশুনা নানান ধৰণৰ ব্যৱসায় গঢ়ি উঠে। পইচাৰ আই-বোপাই নোহোৱা অৱস্থা হয়, বিশেষকৈ কাৰবাৰী মহলত। ভেটীভুটা দুৰ্নীতিয়ে দেশ ছাটি পেলায়। সামান্য চাকৰীয়াল শ্রেণী অৱশ্যে সামান্য হৈয়েই থাকে। কিন্তু যুদ্ধ-অৱদানী চাকৰীয়াল আৰু ব্যৱসায়ীৰ মাজত দুৰ্নীতি দেৱীৰ আৰাধনা চলে। নিয়ন্ত্রণ আৰু যোগানৰ যোগাযোগত যোগসূত্র স্থাপন কৰে চোৰাং বজাৰে। চোৰাং....চোৰাং কেউফালে কেৱল চোৰাং!

"চোৰাংৰূপী মাৰাত্মক মহামাৰীৰ কবলত পৰি এবাৰ যাৰ নৈতিকতাৰ বাজহাড় ভাঙি গৈছে, সি আৰু যুদ্ধৰ অৱসান হলেও যোৱা খাৰ নোখোজে। এয়ে যুদ্ধৰ অৱদান, এয়ে যুদ্ধৰ পৰিণতি। যি তিনাটি বস্তুৰে যুদ্ধৰ সময়ত সদায়েই প্ৰাধান্য লাভ কৰে সেই কেইটি হৈছে সৈন্য, সুৰা আৰু সুন্দৰী। সুদূৰ বিদেশত নিজৰ আই-বোপাই, আত্মীয়-স্বজনৰ পৰা বিদায় লৈ, বলিৰ পঠাৰ দৰে ৰণদেৱীৰ চৰণত জীৱণ উৎসৰ্গ কৰিবলৈ আগবাঢ়ি অহা চেং চেং কৰে চফল ডেকা চিপাহীহঁতে মৃত্যুৰ বিভীষিকা পাহৰিবলৈ চিৰদিনেই সুৰা আৰু সুন্দৰীৰ চৰণত শৰণাপন্ন হৈ আহিছে। কোন মুহূর্ত্তত কাৰ জীৱন যায়, ঠিক নোহোৱা অৱস্থাত এই হেন চেঙেলীয়া ডেকাহঁতে ইয়াতকৈ আৰু বেচি কি ভাবিব পাৰে? যুদ্ধই জানো তাৰ কাৰণে দায়ী নহয়? কিন্তু চিপাহীৰ এনে দুৰ্ব্বলতাৰ সুযোগ গ্রহণ কৰি সহজতে ধনী হোৱাৰ সুযোগ নৈতিকতাৰ লগত সম্বন্ধ নথকা ইতৰ লোকে গ্রহণেই বা নকৰিব কিয়? যি নকৰে, বা নোৱাৰে তেনে লোকসকলক ইতৰ শ্রেণীয়ে আখ্যা দিয়ে মূৰ্খ। এই মূৰ্খসকলৰ অৱস্থা 'যি যেনে দুখীয়া, সি তেনে দুখীয়া'তে কাটি যায়; আৰু সেইদেখি এই মূৰ্খসকলেই যুদ্ধ নেলাগে বুলি চিঞৰি গছৰ পাত সৰুৱায়—ভগৰানক প্ৰাৰ্থনা কৰে! কিন্তু তেওঁলোকৰ প্ৰাৰ্থনা

শুনাৰ সময় ভগৰানৰো নেথাকে। ভগৰানো যেন হৈ পৰে ৰণ-দানৱৰ ফলীয়া! গোটেই মানৱ জাতিৰেই নৈতিক অধঃপতন ঘটে। যুদ্ধোন্মত্ত প্ৰকৃতিৰ দোহাই দি যুদ্ধোন্মত্ত মানৱে নিজ কাৰ্য্যক তোষামোদ কৰি, প্ৰাণী বিজ্ঞানৰ সংঘাত-সংঘৰ্ষৰ সূত্র দাঙি ধৰে। সাধাৰণ জীৱকোষৰোৰৰ দৰে মানুহো যেন এটা ডাঙৰ জীৱকোষহে! মানৱতাৰ ইয়াতকৈ ডাঙৰ অৱমাননা আৰু কি হব পাৰে?

সুখৰ কথা, মানুহে আণৱিক শক্তিৰ সন্ধান পালে। হয়তো বৰ্ত্তমানৰ আণৱিক শক্তিয়ে যুদ্ধৰ মোৰ ঘুৰাই দিব। হয়তো পৃথিৱীলৈ শান্তি আহিব। কিন্তু মানুহৰ অন্তর্দ্ধওৰ অৱসান হব জানো? বাৰু, সেইবোৰ এতিয়া যাওক। কলেজ এৰি, মই '৪২ৰ গণবিপ্লৱত জঁপিয়াই পৰিলোঁ। বিশ্বাস কৰিবনে মোৰ বয়স যে তেতিয়া তেৰ পূৰ হৈ চৈধ্য বছৰতহে ভৰি দিছিল.... ?"

"চার্টিফিকেটত সকলোৱেই ৪।৫ বছৰ কমাই দিয়ে।" প্ৰকাশৰ কথাত ঠাট্টাৰ স্পষ্ট সুৰ এটা প্ৰজ্ঞানৰ কাণত ধৰা পৰিল। প্ৰজ্ঞানে হোঃ হোঃ কৈ হাঁহি দিলে।

প্ৰজ্ঞানে অৱশ্যে এইটো মন কৰিছিল যে প্ৰজ্ঞানৰ ছাত্রাৱস্থাত হোৱা দুৰৱস্থাৰ বিষয়ে জানি, প্ৰকাশৰ মনতো অলপ সহানুভূতি নজগাকৈ থকা নাছিল। বিশেষকৈ প্ৰজ্ঞানৰ কথা কোৱাৰ ভঙ্গী আৰু বিভিন্ন ভাষাত ব্যুৎপত্তি দেখি প্ৰকাশ আচৰিত হৈছিল। আচৰিত হৈছিল এজন অসমীয়া ডেকাৰ মুখত শুদ্ধ পাঞ্জাবী ভাষা শুনি; আৰু সেই ভাষাত প্ৰজ্ঞানৰ পাৰদৰ্শিতা দেখি। সাধাৰণ পাঞ্জাবী আৰু গুৰুমুখী এই দুয়োটাকেই প্ৰজ্ঞানে ভালকৈ আয়ত্ব কৰিছিল। এটিও ইংৰাজী বা অসমীয়া শব্দ ব্যৱহাৰ নকৰাকৈ আন এটি ভাষা অনৰ্গল কৈ যাব পৰা প্ৰজ্ঞানৰ বাক্-পটুতাত কোন বাৰু আকৃষ্ট নহব?

"বাৰু, এতিয়া আপুনি কি কৰে?" প্ৰকাশে লাহেকৈ সোধে।

"সেইটো জানিলে কাৰোবাৰ জানো কিবা লাভ হব?" প্ৰজ্ঞানে সাধাৰণভাৱে সোধে।

"হয়তো মই কিবা সহায়ত...."

"সহায়?" প্ৰজ্ঞান প্ৰায় জাপ মাৰি উঠে, "সহায়? আপুনি মোক সহায় কৰিব?"

"আচৰিত হ'ল দেখোন?" "আপুনি জানে যে মোৰ দেউতা এজন

ডাঙৰ কণ্ট্রেক্টৰ। কিন্তু আপুনি কোৱাৰ দৰে যুদ্ধৰ সময়ত পাৱত-গজা নহয় দেই। এই ব্যৱসায় আমাৰ বংশগত। তেওঁৰ তলত হয়তো আপোনা-লোক দুজনৰ কাৰণে অটাকৈ ভাল দৰ্ম্মহাৰ এটা কাম....!'' প্ৰকাশৰ চকুত ধূর্ত্তালি আৰু কূটনীতিসূচক এটি দৃষ্টি প্ৰজ্ঞানে স্পষ্টকৈ ধৰিব পাৰিলে। নিজৰ কূটনৈতিক চাতুৰিত নিজেই ওফন্দি প্ৰকাশে স্থিৰ দৃষ্টিৰে প্ৰজ্ঞানৰ চকুলৈ চালে। কিন্তু পিছ মুহূর্ত্ততে নিজেই চকু ঘূৰাই আনিবলৈ বাধ্য হ'ল। প্ৰজ্ঞানৰ বিশাল আৰু সূক্ষ্ম দৃষ্টিসম্পন্ন চকুযুৰিলৈ একেথৰে চাই থাকিব পৰা খুব কম লোকেই ওলাব। শাৰীৰিক ক্ষেত্ৰত অৱশ্যে প্ৰকাশ প্ৰজ্ঞান দুয়োকে ওখই-পাখই গাঁয়ে গতিয়ে প্ৰায় সমান বলীষ্ঠ যেনেই দেখি। প্ৰজ্ঞানৰ স্থিৰ দৃষ্টিত প্ৰকাশে অনুভৱ কৰিলে প্ৰজ্ঞানে যেন প্ৰকাশৰ মনস্তত্ত্ব এক্স্ৰে কৰিবলৈহে বিচাৰিছে! প্ৰকাশ অপ্ৰস্তুত হোৱাদি হ'ল।

''আপুনি মোৰ প্ৰস্তাৱত অসন্তুষ্ট হ'ল নেকি?'' প্ৰকাশে সোধে।

''অসন্তুষ্ট ঠিক হোৱা নাই....। প্ৰজ্ঞানে গহীন হৈ কয়, ''কিন্তু মই নিৰিচাৰো যে কোনোবাই মোক পুতৌৰ চকুৰে চাওঁক। দোষ কি মোৰ? মোৰ দোষ জানো আপুনি এইটোকেই বিচাৰি পোৱা নাই যে, মই নিজে চলিবলৈকে মোৰ সামৰ্থ্য নাই, তেনেস্থলত দুজনৰ কাৰণে মোৰ উপায় হব কেনেকৈ? নহয় জানো মিষ্টাৰ কাপুৰ?'' প্ৰজ্ঞানে কূটনৈতিক হাঁহি এটি মাৰি আকৌ কয়, ''শুনক, মই যি বুজিছোঁ, মোতকৈও মোৰ লগত আপুনি কল্পনা কৰা সেই দ্বিতীয় ব্যক্তি গৰাকীয়েহে আপোনাক বেচিকৈ বিচলিত কৰা যেন লাগে। কি কয়?''

প্ৰজ্ঞানে উত্তৰলৈ বাট চালে। চেমনীয়া লৰা লাজতে ৰঙাপৰাৰ দৰে প্ৰকাশৰ কাণ-মুখ ৰঙা পৰি গ'ল। মিচিকিয়াই হাঁহি এইবাৰ প্ৰজ্ঞানে পোনপটীয়াকৈয়ে কৈ পেলালে,

''শুনক মিষ্টাৰ কাপুৰ। মই সঁচাকৈয়ে সুখী হ'ম যদি শকুন্তলাই আপোনাক ভাল পায়, আৰু আপুনিও শকুন্তলাক বিয়া কৰাই সুখী হব পাৰে। অর্থাৎ আপুনিও শকুন্তলাক সঁচাকৈয়ে ভাল পায়।''

প্ৰজ্ঞানৰ এনে পোনপটীয়া উক্তিত প্ৰকাশ অপ্ৰস্তুত হ'ল। সন্দেহৰ কুঁৰলিয়ে প্ৰকাশৰ মনটো ছাটি পেলালে। সি জানো সঁচাকৈয়ে শকুন্তলাক ভাল পায়? নে এই ভাল পোৱা কেৱল এটি দৈহিক আকর্ষণহে?

প্ৰকাশক মনে মনে থকা দেখি প্ৰজ্ঞানে আকৌ কলে, ''শুনক, আপুনি হয়তো ভাবিছে যে মই আপোনাক ঠাট্টা কৰিছোঁ, বা আপোনাৰ এনে মিলনত মই বাধা দিম। কিন্তু তেনে ভাব কেতিয়াও মনলৈ নানিব।

মই সঁচাকৈয়ে কৈছোঁ। এইটোও আপোনাক মই প্ৰতিশ্ৰুতি দিওঁ যে আপোনালোকৰ মিলনত মই যদি কিবা সহায় কৰিব পাৰোঁ, তাকো কৰিবলৈ ৰাজী আছোঁ। কিন্তু এটা সর্ত্তত।''

''জানিব পাৰোঁনে, আপোনাৰ কি সেই সর্ত্ত?'' প্ৰকাশে কৌতূহলেৰে সোধে।

''মই আপোনাক কৈছোঁৱেই!'' প্ৰজ্ঞানে কৈ যায়, ''সর্ত্তটো হৈছে এই যে, শকুন্তলা আৰু আপুনি পৰস্পৰে পৰস্পৰক ভাল পালেহে মই আপোনালোকৰ মিলনত মোৰ যথাসাধ্য সাহায্য দিবলৈ প্ৰস্তুত। কিন্তু ভালকৈ ভাবি চাওঁক, ই আপোনাৰ সাময়িক স্পৃহা নে প্ৰকৃত ভালপোৱা! দৈহিক স্পৃহাক প্ৰণয় আখ্যা দি সৃষ্টি কৰা সাহিত্যবোৰৰ জনপ্ৰিয়তাই প্ৰকৃত প্ৰেম বোলা বস্তুটো ঠেলি নি কৰবাৰ চুকত পেলাই দিছেগৈ। আৰু সেইবোৰ সাহিত্য পঢ়ি আমাৰো মূৰৰ বিকৃতি ঘটিছে!''

প্ৰকাশৰ মনত খেলিমেলি লাগিল। প্ৰকাশে নিজৰ মনৰ উমান যেন নিজেই নেপায়! তাৰ সন্দেহ হ'ল সি জানো সঁচাকৈয়ে শকুন্তলাক ভাল পায়? আৰু সি যেনিবা পায়েই, শকুন্তলাই জানো? সি থৎমৎ খালে। সি এটা অস্বস্তিকৰ দোধোৰ-মোধোৰ অৱস্থাত পৰিল। ক'তা, এই বিষয়ে পেটত তাৰ কিবা ভাব থাকিলেও, শকুন্তলাকতো সি কোৱা নাই! শকুন্তলায়ো তাকতো এদিনো এনে কথা জনোৱা নাই, বা শকুন্তলাৰ কোনো আচৰণতে সেইটো কেতিয়াও ফুটি উঠা প্ৰকাশে দেখা নাই। প্ৰকাশৰ মনত সন্দেহ যিমানে ঘনিভূত হ'ল, সিমানেই সি অস্থিৰ হৈ পৰিল। কি ক'ৰ-নক'ৰ প্ৰকাশে ঠিক কৰিব নোৱাৰি মনে মনে থাকিল। কিছু সময়ৰ পিছত নিস্তব্ধতা ভঙ্গ কৰি কলে:

''শুনক মিষ্টাৰ বৰুৱা, আপোনাক আজি এই ৰাতিপুৱাই অনর্থক আমনি কৰাৰ কাৰণে মই দুঃখিত। মই দুঃখিত যে শকুন্তলা আৰু আপোনাৰ মাজত মই অনধিকাৰ প্ৰৱেশ কৰি, আপুনি আৰু শকুন্তলা উভয়ৰে ওচৰত জগৰীয়া হৈছোঁ। ঈশ্বৰে আপোনালোকক সুখী কৰক।'' নাটকীয় সুৰত কথাখিনি কৈ, প্ৰকাশ পত্‌কৰে বহাৰ পৰা উঠি যাওঁ বুলি নোকোৱা-কৈয়ে পানীকলৰ পাহাৰৰ পৰা বেগেৰে তললৈ নামি আহি, অকোৱা-পকোৱা আলিটো পাই পিছলৈ ঘূৰি নোচোৱাকৈয়ে বেগাই খোজ দিলে। চাওঁতে চাওঁতে প্ৰকাশ বহুত দূৰ পালেগৈ। পিছে পিছে যথেষ্ট বেগেৰে গৈয়ো প্ৰজ্ঞানে প্ৰকাশক লগ ধৰিব নোৱাৰিলে। গোটেইটো ঘটনা প্ৰজ্ঞানৰ সপোন যেন লাগিল।

পাঁচ

ৰাতিপুৱা প্ৰতিভাক হোষ্টেলত থৈ আহিয়েই, শকুন্তলাই বাথৰুমত সোমাই প্ৰায় আধা ঘণ্টামান চেঁচা পানীৰ চোৱাৰ বাথ্ লৈহে সুস্থ বোধ কৰিলে। এৰাতিৰ অতিথি প্ৰতিভাৰ লগত ওৰে ৰাতি উজাগৰে কথাপাতি থাকোঁতেই ৰাতি পুৱাই গ'ল! কোন টলকত যে ৰাতি পুৱাল এই দুয়োজনী ছোৱালীৰ এজনীয়েও কব নোৱাৰাটোৱেই প্ৰমাণ কৰে যে, ইহঁত দুয়োজনী-য়েই ইজনীয়ে সিজনীক এনেদৰে আছুতীয়াকৈ লগ পাই কিমান ভাল পাইছিল! কিন্তু সেই বুলি নিশাৰ অৱহেলিতা নিদ্ৰাদেৱীয়ে দিনত যে তাৰ পোটক নুতুলিব তাৰ কি মানে আছে! গা ধুই উঠি এপিয়লা গৰম চাহ খাই, শকুন্তলা বিছনাত পৰিল। কেতিয়া যে তাইৰ লাল্‌কাল্ টোপনি আহিল, তাই ক'ব নোৱাৰে। মাকে দুপৰীয়াৰ আহাৰ খাবলৈ যেতিয়া জগায়হি, তেতিয়া দিনৰ প্ৰায় এক বাজিছিল। টোপনিৰ আখামুখাতে ভাত-চাপাটি খাই শকুন্তলা আকৌ বিছনাত বাগৰ দিলে। এইবাৰ অৱশ্যে টোপনি তেনেকৈ নাহিল। চিল্‌মিলকৈ অহা কলা-ঘুমতিত প্ৰতিভাৰ মুখখনকেই শকুন্তলাই বাৰে বাৰে দেখিবলৈ ধৰিলে। এদিন খঙতে আঁকুহি-বাঁকুহি একো নাইকিয়া কৰা প্ৰতিভাৰ প্ৰতি শকুন্তলাৰ মনটো পিছত কিয় যে ইমান কোমল হৈ পৰিছিল শকুন্তলাই নিজে নেজানিলেও, ইয়াৰ মূলতে যে মনস্তত্ত্বৰ এটি গূঢ় ৰহস্য লুকাই আছিল সেই কথা গভীৰ মনস্তত্ত্ব-বিদসকলে হয়তো বিচাৰি পাব। কৈশোৰ আৰু যৌবনৰ দোমোজাৰ কালছোৱাত কোনো কোনো ক্ষেত্ৰত ছোৱালীয়ে ছোৱালীক লৰাতকৈও বেচি ভাল পোৱা বা ল'ৰাই ল'ৰাক ছোৱালীতকৈও বেচি ভাল পোৱাতো অস্বাভাৱিক যেন লাগিলেও আজিৰ পৃথিৱীতো তেনে দৃষ্টান্ত বিৰল নহয়। নধৰ্ত্তব্যং হলেও, এনে ধৰণৰ মনস্তত্ত্বৰ সম্যক জ্ঞান নথকাৰ কাৰণেই সমাজত কেতিয়াবা কেতিয়াবা সাধাৰণতে বোধগম্য নোহোৱা আচৰিত ধৰণৰ সমস্যাই দেখা দিয়ে। হেভ্‌লক্ এলিচৰ দৰে যৌন-মনস্তত্ত্ববিদসকলে জগতৰ চকু এই বিষয়ে মুকলি কৰি দিয়াত যে মানৱৰ বিশেষ উপকাৰ হৈছে, সেই কথা সকলোৱে আজি স্বীকাৰ কৰিছে। উনৈশ শতিকাৰ শেহ আৰু কুৰি শতিকাৰ আৰম্ভনিলৈকে নৈতিকতাবিহীন সমাজ-বিৰোধী লোক বুলি তিৰস্কৃত হোৱা এইজন যৌনতত্ত্বজ্ঞক আজি কোনেও অস্বীকাৰ নকৰে। নকৈ বিবাহিতা ধুনীয়া নৰৌবিলাকৰ জনপ্ৰিয়তা ডেকা মহলত তো আছেই,

অইন কি জাক জাক চেমনীয়া ছোৱালীয়েও এনে ন-বৌবিলাকৰ কাৰণে বলিয়া হোৱা দেখা যায়!

নৱ পৰিণিতা সুন্দৰী গাভৰু নৰৌহঁতৰ লগত দূৰ সম্পৰ্কীয়া বা একেবাৰে সম্বন্ধ নথকা অবিবাহিতা কিশোৰী ননন্দেকহঁত প্ৰেমত পৰাতো এটা সাধাৰণ কথা। কথাটো হাঁহি উঠা ধৰণৰ যেন লাগিলেও সঁচা। এনে স্ব-যৌন প্ৰেমিকা কিশোৰীহঁতে সাধাৰণতে ডেকা লৰাক অৱহেলা কৰা বা ডেকা লৰা ওচৰ চাপিলেই কথা শুনাই দিয়া, সদ্ বা বদগুণটো প্ৰায়ে আয়ত্ব কৰা দেখা যায়। মাক-বাপেক অভিভাৱকহঁতেও স্বস্তিৰ নিশ্বাস ত্যাগ কৰিবলৈ এই বুলিয়েই সুযোগ পায় যে, ছোৱালী চেলেং-পেটেঙীয়া নহয়, লৰাই সাহেই নেপায়, এতেকে বিয়া নিদিয়ালৈকে কেলেং-কাৰী হোৱাৰ আশা কম। ছোৱালীয়েও এই সুযোগতে কড়া, সাংঘাটিক, চৰিত্ৰৱতী ইত্যাদি নাম কিনি গেলাগপত ওফন্দি ফুৰে!

সি যিয়েই নহওক, এই দুজনী ছোৱালীৰ পৰস্পৰৰ প্ৰতি ওপজা মৰমৰ মাজত অস্বাভাৱিক যৌন-মনস্তত্ত্বৰ গোন্ধ আছিল নে নাছিল, তাৰ ধাৰ তাইহঁতৰ এজনীয়েও নাধাৰে। উভয়েই কিন্তু অনুভৱ কৰিছিল এটা বুজাৰ নোৱাৰা আকৰ্ষণ। উভয়ৰে দৈহিক সৌন্দৰ্য্যত উভয়ে আকৃষ্ট হোৱাতকৈও উভয়েই যেন উভয়ৰ মনৰ সৌন্দৰ্য্যতহে বেচি আকৃষ্ট হৈছিল। হয়তো ইয়াৰ মূলতে আছিল উভয়ৰে প্ৰিয় এজন, যি তাইহঁতৰ মাজত উত্তৰ হোৱা সোণ-সম্বন্ধত ছটিয়াই দিছিল সৌহাৰ্দ্দৰ সুৱগা। পোনতে সেই সম্বন্ধ গঢ়ি উঠিছিল ঈৰ্ষাক কেন্দ্ৰ কৰি। আৰু এতিয়া সেই একেটা ঈৰ্ষা-মুদ্ৰাৰ বিপৰীত ফালৰৈকে যেন প্ৰজ্ঞানে তাইহঁতক টানি কৈ গল! প্ৰেম আৰু ঈৰ্ষা একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি নহয় জানো? প্ৰেম বৈচিত্ৰ্যৰ পাৰ ভাঙি প্ৰেমক গণিতৰ সূত্ৰত বান্ধিবলৈ চেষ্টা কৰাতো সেয়েহে বোধকৰো সুস্থ মগজুৰ পৰিচায়ক নহয়।

শিয়াল আৰু কুকুৰ বলিয়া হলে জলাতঙ্ক হোৱাৰ দৰে, প্ৰেমহতাশী পুৰুষ-নাৰীৰো প্ৰেমাতঙ্ক উপস্থিত হয়। তাৰ উপযুক্ত চিকিৎসা দৰ্কাৰ। নহলে নাৰীৰ পুৰুষ-বিদ্বেষ আৰু পুৰুষৰ নাৰী-বিদ্বেষ ৰোগে সমাজ সংক্ৰামিত কৰি, যৌন-বিকৃতৰ সংখ্যা বঢ়াই বৈশম্যৰ সৃষ্টি কৰে। এই যৌন-বিকৃতিকেই কেতিয়াবা কেতিয়াবা মানুহে স্বাভাৱিক অৱস্থা বুলি ভ্ৰম কৰে। অতিৰিক্ত আসক্তি আৰু সম্পূৰ্ণ অনাশক্তি—এই দুয়োটাও একেটা ৰোগৰেই পৰস্পৰ বিৰোধী দুটা লক্ষণ। স্বাভাৱিক

হব পৰাটোৱেই মানুহৰ প্ৰকৃত ধৰ্ম্ম। কিয় জানো শকুন্তলাই আজি এনে ধৰণৰ কথাবোৰকেই ৰৰকৈ ভাবিছিল? আবেলি ৪ বজাত চাহ-টাহ খাই শকুন্তলা আকৌ গাড়ী লৈ ওলাই গ'ল প্ৰতিভাৰ হোষ্টেললৈ। আগেয়েই কৈ থোৱা আছিল, যে আজি আবেলি প্ৰতিভা শকুন্তলা দুয়ো প্ৰকাশৰ তাললৈ গৈ, কালি ৰাতি প্ৰকাশক শকুন্তলাহঁতৰ ঘৰত অপমান কৰাৰ অপৰাধৰ কাৰণে ক্ষমা খুজিবগৈ।

আবেলি প্ৰকাশ কলেকো ওলাই যোৱা নাছিল। পুৱা প্ৰজ্ঞানক লগ পোৱাৰ পিছৰ পৰা প্ৰকাশৰ মনটো ৰৰ অস্থিৰ হৈ পৰিছিল। সি কি কৰিব, কি নকৰিব একো উৰাদিহ নেপাই, সেইদিনা কোৰ্টলৈকো নগ'ল। গা অসুখ বুলি ভাত বা ৰুটি একো নেখালে। কেৱল কফি কেইকাপমান আৰু দুই-এটুকুৰা বিস্কুট খায়েই দিনটো কটাই দিলে।

প্ৰতিভা আৰু শকুন্তলা যেতিয়া প্ৰকাশৰ ঘৰ পায়গৈ, তেতিয়া আবেলি চাৰে পাঁচ বাজিছিল।

"হঠাৎ কি মন কৰি?" প্ৰকাশে আচৰিত হৈ সোধে।

"কালি তোমাৰ ওচৰত জগৰ লগাইছোঁ, ক্ষমা কৰিব লাগে।" শকুন্তলাই সাধাৰণভাৱে কলে।

"কি জগৰ?"

"জগৰ নাই লগোৱা যদি তুমিনো কেলেই উচাৎ মাৰি গুচি আহিছিলা?" শকুন্তলাই সোধে।

"গুচি আহিছিলোঁ, কাৰণ তেতিয়া বুজা নাছিলোঁ।"

"এতিয়া কি বুজিলানো?"

"শুনা, কিছুমান কথা আছে যিবিলাকত আমি প্ৰথমতে ক্ষুণ্ণ হওঁ, কিন্তু আচৰিত কথা, তেনে কথাবোৰেই আমাক এন্ধাৰৰ পৰা ক্ৰমে পোহৰৰ বাট দেখুৱাই দিয়ে!" অনুমোদনৰ কাৰণে প্ৰকাশে বাট চালে।

"মোৰ অভদ্ৰ ব্যৱহাৰৰ বিনিময়ত যদি তোমাৰ কিবা উপকাৰ হৈছে, সেইটো মোৰ ইচ্ছাকৃত নহয়....কিন্তু ইচ্ছাকৃত আছিল মোৰ অভদ্ৰ ব্যৱহাৰটোহে। সেই দেখি আমি দুয়ো তোমাৰ ওচৰত ক্ষমা ভিক্ষা কৰিবলৈ আহিছোঁ।"

"ক্ষমা ভিক্ষা কৰিবলৈ আহিছা তোমালোক দুয়ো? মোৰ ওচৰত?" প্ৰকাশে আচৰিত হৈ এবাৰ শকুন্তলা এবাৰ প্ৰতিভাৰ পিনে বাৰে বাৰে চাবলৈ ধৰিলে।

প্ৰতিভা অলপ অপ্ৰস্তুত হোৱাদি হ'ল। শকুন্তলাই হাঁহি সুধিলে, "জানিব পাৰোঁনে তোমাৰ কি ভাল হ'ল?"

"মোৰ চকু মুকলি হ'ল।" প্ৰকাশে সাধাৰণভাৱে কলে।

"তোমাৰ যিয়েই নহওঁক", শকুন্তলাই কলে, "তুমি মোৰ ঘৰলৈ গৈছিলা। নিজৰ ঘৰত আলহীক অপমান কৰাটোৱে কোনো ভদ্ৰতাৰ পৰিচয় নিদিয়ে। মই দুঃখিত। মোক ক্ষমা কৰিছানে?"

"ক্ষমা?" শুনা শকুন্তলা। তোমাৰ তেনে আচৰণে মোৰ যি ডাঙৰ উপকাৰ কৰিলে তাৰ কাৰণে তুমি মোৰ ধন্যবাদৰ হে পাত্ৰী।"

"আচৰিত কথা। তুমি ঠাট্টা কৰা নাইতো?"

"ঠাট্টা?" প্ৰকাশে কলে, "তোমালোক নহা হলে, এতিয়া মানে কিজানি মই তোমালোকৰ সেইখিনিয়েই পালোঁগৈহেঁতেন। তোমাক কৱলৈ মোৰ বহুতো কথা আছে।" প্ৰকাশে ডিঙিটো পৰিষ্কাৰ কৰি কৈ যায়, "শুনা, আজি ৰাতিপুৱাই মই প্ৰজ্ঞান ৰৰুৱাক লগ ধৰিছিলোঁ।"

"প্ৰজ্ঞানদাক লগ ধৰিছিলা? কিয়?" শকুন্তলাই কৌতূহলৰ চাৱনিৰে প্ৰকাশলৈ চায়।

"মই তেওঁক লগ ধৰিছিলোঁ তেওঁৰ পৰা খাটাংকৈ জানিবলৈ—"

"কি?" শকুন্তলাই ব্যগ্ৰ হৈ সোধে।

প্ৰতিভাৰ উশাহ বন্ধ হৈ যোৱা যেন লাগিল। চকুযোৰ ডাঙৰকৈ মেলি তাই প্ৰকাশৰ পিনে একেথৰে চাই ৰ'ল।

"মই তেওঁক সোধাৰ আগতে, তেৱেঁই মোক—"

"তোমাক কি?" শকুন্তলা থৰ হোৱাদি হ'ল।

"মোক স্পষ্ট জবাব দিবলৈ কলে, যে মই তোমাক সঁচাকৈয়ে ভাল পাওঁ নেকি?"

"প্ৰজ্ঞানদাই আৰু কি কলে?" প্ৰতিভাই ব্যগ্ৰ হৈ সোধে, "শকুন্তলা ৰাইদেউক নিশ্চয় ভাল পাওঁ বুলি কলে চাগে, নহয় নে?"

"শুনা, প্ৰজ্ঞানে মোক উকীলৰ দৰে জেৰা কৰিবলৈ ধৰিলে। ওকালতি মোৰ ব্যৱসায় হলেও, সেইজন স্বভাৱ-আইনজ্ঞৰ ওচৰত মই হাৰ মানিলোঁ। মোৰ নিজৰ কথাতেই মই দোষী সব্যস্ত হলোঁ।"

"দোষী?" শকুন্তলাই আচৰিত হৈ সোধে।

"ওঁ, দোষী। নিজেই নিজৰ মনৰ উমান নোপোৱাৰ দোষত মই দোষী বুলি তেওঁ প্ৰমাণ কৰি দিলে।"

"কিন্তু তুমি কি কলা?"

"কি আৰু কম? মই মোৰ ভুল বুজিব পাৰিলোঁ।" প্ৰকাশে দীঘলকৈ এটা হুমুনীয়াহ কাঢ়িলে।

"তোমাৰ কি ভুল তুমি বুজিব পাৰিলা?"

"ভুল। মানে মই তোমাক ভাল পাওঁ বুলি ভবাৰ ভুল...."

"সেই কথা তেনেহলে সঁচা?" শকুন্তলাৰ চকু দুটি আনন্দত উজ্জ্বল হৈ উঠিল।

"সঁচা শকুন্তলা।" প্ৰকাশে গহীন হৈ কৈ গ'ল, "সঁচা, সঁচা, মই মোৰ ভুল বুজিব পাৰিলোঁ। মই তোমাক ভাল পাওঁ বুলি ভাবিছিলোঁহে। সেই ভবাত ভাল পোৱাতকৈও বেচি আছিল কামনাৰ গোন্ধ। প্ৰজ্ঞানে সেইটো স্পষ্টকৈ প্ৰমাণ কৰি দিলে।" প্ৰকাশ মনে মনে থাকিল।

প্ৰতিভাৰ অন্তৰৰ পৰা অতৰ্কিতে এটি হুমুনীয়াহ সৰি পৰিল।

এইবাৰ প্ৰকাশে অনুনয়ৰ দৃষ্টিৰে প্ৰতিভাৰ পিনে চাই কলে, "বাৰু কোৱাচোন, প্ৰকৃত প্ৰেমৰ দৃষ্টিবোধ কৰিব পৰা শক্তি কিবা আছে জানো?"

"তাৰ উত্তৰ দিয়াৰ আগেয়ে মই সুধিব খোজোঁ", প্ৰতিভাই অতি গহীনভাৱে কলে, "প্ৰেমৰ দৃষ্টি আছে জানো?"

"তোমাৰ মতে তেনেহলে প্ৰেম অন্ধ?" প্ৰকাশে একে গহীন সুৰতেই সুধিলে।

"সদায়েই শুনি আহিছোঁ প্ৰেম অন্ধ।" প্ৰতিভাই সহজভাৱে কয়, "আগেয়ে তাৰ অৰ্থ বুজা নাছিলোঁ, এতিয়া বুজিছোঁ।"

"তেনেহলে তুমি প্ৰেমত পৰিছা?"

"সেই কথাৰ উত্তৰ, ক্ষমা কৰিব, মই দিব নোৱাৰো।" প্ৰতিভাৰ চকুত বিৰক্তিৰ ভাব এটা পৰিলক্ষিত হ'ল।

"মই যদি কওঁ, মই তোমাক ভাল পাওঁ?"

"কি?" প্ৰতিভা প্ৰায় জাপ মাৰি উঠে, "মোক ভাল পায়? প্ৰকাশদা আপুনি ধেমালি কৰিছে, নে বলিয়া হৈছে?"

"ধেমালিও কৰা নাই, বলিয়াও হোৱা নাই, মই যি কৈছোঁ সম্পূৰ্ণ সঁচা—ইয়াত আঁৰ নাই।" প্ৰকাশে সহজভাৱে কলে।

"মিছা কথা, মিছা কথা।" প্ৰতিভাই শকুন্তলাক দুই হাতে সাৱটি ধৰি, তাইৰ মুখ লুকুৰাই থকৃ থকৃ কৰে কঁপিবলৈ ধৰিলে। কলে, "শকুন্তলা বাইদেউ, ব'লা ইয়াৰ পৰা গুচি যাওঁ....ব'লা....ব'লা....।"

"প্ৰকাশ, তুমি মিছায়ে ধেমালি কৰিছা কিয়?" শকুন্তলাই দৃঢ়তাকে সোধে।

"ধেমালি নহয় শকুন্তলা। ই মোৰ অন্তৰৰ কথা। প্ৰথম দৰ্শনতে ভাল পোৱাতো যদি সম্ভৱ, তেনেহলে মই কওঁ, এই মুহূৰ্ত্ততে প্ৰতিভাক মই—"

"অসম্ভৱ....অসম্ভৱ...." প্ৰতিভাই হাঁহিবই নে কান্দিবই একো ঠিক কৰিব নোৱাৰি শকুন্তলাৰ কাপোৰত মুখ লুকুৰাই, শকুন্তলাক আৰু টানকৈ সাৱটি ধৰিলে।

শকুন্তলাৰ বৰ অস্বস্তি লাগিল। ছোৱালী দুজনীৰ মনৰ ভাব বুজিব পাৰি প্ৰকাশে কলে,

"শুনা শকুন্তলা, আজি পুৱা প্ৰজ্ঞানক লগ পোৱাৰ আগলৈকে মোৰ বিশ্বাস আছিল, মই তোমাক ভাল পাওঁ। প্ৰজ্ঞানে মোৰ সেই ভুল ভাঙি দি এখন নতুন সংসাৰ মোৰ চকুৰ আগত দাঙি ধৰিলে। তোমাৰ মোহৰ পৰা মুক্ত হৈ মই গোটেই দিনটো আকাশ-পাতাল ভাবি, মোৰ নিজৰ মন-টোকে ফঁহিয়াই চাবলৈ যত্ন কৰিছিলোঁ। হঠাৎ মোৰ মনটো বৰ উৰুঙা যেন লাগিছিল। ঠিক এনেতে তোমালোক আহিলা। তোমাৰ লগত কথা পাতিলোঁ। তেতিয়াও মই প্ৰতিভালৈ ভালকৈ চোৱা নাছিলোঁ। হঠাৎ তেওঁৰ চকুত মোৰ চকু পৰিল। সেই দৃষ্টিত তেওঁৰ অন্তৰত হয়তো মোৰ প্ৰতি ঘৃণাৰ ভাব জাগিছিল। কিন্তু মোৰ....মোৰ বুকুৰেদি এপাত অদৃশ্য শেল সোমাই মোৰ মনটো যেন সিহে পেলালে সেইহাল চকুৰ লগত। সেয়েহে মই এই মুহূৰ্ত্তত দৃঢ়ভাবে বিশ্বাস কৰিবলৈ বাধ্য হৈছোঁ, যে প্ৰেম কেৱল অন্ধই নহয়, প্ৰেম জাগে প্ৰথম দৰ্শনতে...."

প্ৰকাশৰ চকু দুটি চল্‌চলীয়া হৈ উঠিল। প্ৰকাশে তললৈ মূৰ কৰি মজিয়াৰ পিনে চাই বল। প্ৰকাশৰ এনে অৱস্থা দেখি শকুন্তলাৰ পুতো উপজিল। কিন্তু একো কব নোৱাৰিলে। তাইৰ টেঁটুত যেন কিহবাই চেপা মাৰি ধৰিলেহি। প্ৰতিভাৰ অৱস্থা আৰু শোচনীয়। তাই যেন এতিয়া মূৰ্চ্চা যাব। কিছুপৰ সকলো নিৰব। নিস্তব্ধতা ভঙ্গ কৰি, মজিয়াৰ পিনে চাই চায়েই প্ৰকাশে ডিঙিত কিবা এটা বজি থকা মানুহে কোৱাৰ দৰে কৈ গ'ল:

"সঁচাকৈয়ে মই তোমাক ভাল পাইছোঁ প্ৰতিভা। অৱশ্যে মই কোৱা নাই যে তুমিও মোক ভাল পাব লাগিব। অন্ধ ভালপোৱাই প্ৰতিদানৰ কাৰণে হাবিয়াস কৰে, কিন্তু প্ৰতিদান নেপালেও অন্ধ প্ৰেমিকে ভালপোৱাক পৰিত্যাগ কৰিব নোৱাৰে। প্ৰতিদানৰ দাবী জনাম বুলি হয়তো তুমি আতঙ্কত শিয়ঁৰি উঠিছা। কিন্তু....কিন্তু....মইহে বুজিছোঁ প্ৰতিদান নেপালে মই কি কৰিম।....মই....মই...."

"কি কবিব ?" প্রতিভাই খপ্ কবে সোধে।

"তোমাক ভাল পায়েই আজীবন কটাই দিম। হয়তো মই গোটেই জীবন অবিবাহিতেই থাকি যাম, যদিও মই জানো যে মা-দেউতাৰ মৰমৰ একমাত্র সন্তান....।" প্রকাশে ক'ব নোৱাবিলে। শোকে তাক খুন্দা মাৰি ধবিলে। সি তেতিয়াও একেথবে মজিয়ালৈকে চাই আছিল। তাৰ দুটোপাল চকুলো মজিয়াৰ কার্পেটত পবি শোহ গৈছিল। প্রতিভাই নেদেখিলেও শকুন্তলাই দেখিছিল যে প্রকাশ সঁচাকৈয়ে শোকত অভিভূত হৈ পবিছে। এনে অৱস্থাত শকুন্তলাই প্রকাশক আগেয়ে কেতিয়াও দেখা নাই। সহানুভূতিত শকুন্তলাব অন্তব উপচি পবিল। প্রকাশে কোৱা কথাত যে কিছু সত্যতা আছে, শকুন্তলাই অনুভব কবিলে। কিন্তু ঘটনাব আকস্মিকতাত শকুন্তলা আচবিত নোহোৱাকৈও নেথাকিল। কথাব মোৰ ঘূৰাই দিয়াৰ উদ্দেশ্যে শকুন্তলাই প্রকাশক কলে:

"বাৰু, প্রকাশ, কোৱাচোন। তুমি কেনেকৈ জানিলা যে প্রজ্ঞানদাই মোক ভাল পায় ?"

প্রকাশে আজি প্রজ্ঞানক পুৱা লগ পোৱাৰ পিছত কি কি হ'ল সকলোৰ হুবহু বর্ণনা দি গ'ল। শকুন্তলাই সাধু কথা শুনাব দৰে শুনি গ'ল। শকুন্তলাৰ নীলা বিশাল চকুযুৰি প্রথমতে ঢুলঢুলীয়া হ'ল, তাৰ পিছত কণ নোৱাৰাকৈয়ে দুধাৰ চকুলো বাগবি গ'ল। নিজক সংযত কৰি বাখিবলৈ হেজাৰ চেষ্টা কবিও তাই বাখিব নোৱাবিলে। তাই কান্দিয়েই পেলালে।

প্রকাশৰ কথা প্রতিভাৰ কাণত কিন্তু এটাও সোমোৱা নাছিল। আতঙ্কত তাই ইমান পৰে পেঁপুৱা লাগি শকুন্তলাৰ গাত মুখ লুকুৱাই কিবাকিবিবোৰ ভাবি আছিল। হঠাৎ শকুন্তলাই উচুপা যেন গম পাই চকু মেলি চালে। প্রকাশৰ পিনে চকু পৰাত চকু ঘূৰাই আনিলে। বিৰক্তিত তাইৰ দুই চেলাউৰীৰ মাজৰ কপালৰ মঙহ থোপ খালে। তাইৰ মুৰটো ঘূৰোৱা ঘূৰোৱা যেন লাগিল। 'তাইনো প্রকাশক ইমান বেয়া পায় নে ?' তাই ভাবিলে! এজনী ছোৱালীয়ে এজন ডেকাক ভাল পোৱা যিমান টান বা সহজ বেয়া পোৱাও সিমানেই টান বা সিমানেই সহজ। এই টান আৰু সহজটো নির্ভৰ কৰে, ইতিমধ্যে ছোৱালীজনীয়ে আন কাৰোবাক ভাল পাই পেলাইছে নে নাই, তাৰ ওপৰত। কোনে জানে প্রজ্ঞানক ভাল পাই নেপেলোৱা হলে প্রকাশৰ দৰে এনে হেন দেখনীয়াৰ সম্ভ্রান্তবংশীয় ধনী ডেকা এজনৰ অনুগ্রহ লাভ কৰাটো প্রতিভাৰ দৰে এজনী ছোৱালীয়ে কিজানি অতি গৌৰৱৰ কথা বুলিয়েই ভাবিলেহেঁতেন।

প্রকাশৰ ঘৰত গধূলি অনুষ্ঠিত হোৱা এই মিশ্র প্রহসনখনিৰ সিমানতে অন্ত পবিল। হঠাৎ সংযত হৈ শকুন্তলাই কলে:

"বাৰু, আমি এতিয়া উঠোঁ। আগৰ দৰেই আমাৰ ঘৰলৈ গৈ থাকিবা বুলি আশা কবিলোঁ।"

প্রকাশে মূৰ দুপিয়াই সন্মতি জনালে।

প্রতিভা শকুন্তলা দুয়ো আহি গাড়ীত বহিলহি। শকুন্তলাই প্রতিভাক ঘৰলৈ হোষ্টেলমুৰাকৈ গাড়ী এবি দিলে। বাটত দুয়ো কথা হৈ গ'ল।

"বুজিছা প্রতিভা, প্রকাশৰ কথাটো মোৰ হলে সঁচা যেন লাগিছে। তুমি কি কোৱা ?"

"তুমিয়েই কোৱাচোন শকুন্তলা বাইদেউ, ই জানো সম্ভৱ ?" প্রতিভাই কাতৰ দৃষ্টিবে শকুন্তলালৈ চালে। শকুন্তলাই সমুখলৈ চাই গাড়ী চলাই গৈছিল। প্রতিভাৰ চকুত কি ভাব ফুটি উঠিছিল--দেখা নাছিল। দেখা হলে হয়তো বুজিলেহেঁতেন, প্রতিভা কিমান অসুখী। কিমান আঘাত পাইছে তাই প্রকাশৰ এনে এটা আকস্মিক প্রস্তাৱত। সেই প্রস্তাৱ গ্রহণ বা অগ্রাহ্য কবিবৰ কাৰণে প্রতিভাই নিজৰ মনক এতিয়াও সংযত কৰিব পৰা নাই। দুয়ো গৈ হোষ্টেল পালেগৈ। প্রতিভা থকা কোঠালৈকে গৈ শকুন্তলাই প্রতিভাক আগবঢ়াই দিলে। কোঠাৰ আন দুজনী ছোৱালী তেতিয়াও কোঠালৈ উভতি অহা নাছিল। সেইদেখি শকুন্তলাই ভাবিলে তাইহঁত অহালৈকে ক্ষন্তেক বহা যাওঁক।

"কি কোৱা প্রতিভা, অলপ বহি তোমাৰ কথাটোকে নিষ্পত্তি কৰা যাওঁক।"

"নিশ্চয়, বহা শকুন্তলা বাইদেউ, কিন্তু প্রকাশৰ কথা আৰু নুলিয়াবা। কালি বাতিৰে পৰা প্রকাশৰ নাম ইমানকৈ লৈছিলোঁ কাৰণেই বোধকৰে এইহেন প্রস্তাৱ এটা প্রকাশে দাঙি ধৰিব পাৰিলে।" প্রতিভাই গহীন হয়েই কলে।

"ধেৎ পাগলী! শুনা, মই কওঁ: মই ভাবোঁ, ভাল পোৱা নেথাকিলেও বিয়া হব পাৰে, যেনে—নিগোচিয়েশ্যন মেৰেইজ্...."

"তাৰ মানে মই প্রকাশৰ প্রস্তাৱত মাস্তি হই প্রকাশক বিয়া কৰাবলৈ মত দিব লাগে ?"

"আহ্! মই জানো সেই বুলি কৈছোঁ ?" কৃত্রিম বিৰক্তি দেখুৱাই শকুন্তলাই কয়, "শুনা, শুনা, আমাৰ ভাৰতবর্ষত প্রায় আটাইবোৰ বিয়াই

খোজাবঢ়া ধৰা-মেলাৰ ওপৰতেই হৈ আহিছে। বিয়াৰ আগতে ভাল পাই প্ৰণয়-বিবাহ খুব কমেই হয়—শতকৰা এখনো কিজানি নহয়—ধৰা এহেজাৰ-খন বিয়াৰ মাজত এখন বিয়া প্ৰকৃত লাভ্-মেৰেইজ্।"

"তেনেহলে এহেজাৰযোৰ ডেকা-গাভৰুৰ ভিতৰত ন শ নিৰানুৱৈ যোৰে প্ৰেম কাক বোলে নেজানে?" প্ৰতিভাই সৰু ছোৱালীৰ দৰে সোধে।

"নেজানিব কেলেই?" শকুন্তলাই হাঁহি কয়, "হয়তো ভাল পালে কাৰবাক, বিয়া কৰালে কাৰবাক...."

"সমাজে এনে ধৰণৰ বিবাহবোৰ বন্ধ কৰি দিব নোৱাৰেনে?" প্ৰতিভাই সোধে।

"সমাজে বহুত কথাই বন্ধ কৰা উচিত, কিন্তু কৰিব জানো?" অৱশ্যে, মই তোমাক এটা কথা কব পাৰো যে অন্ততঃ তোমাৰ বেলিকা কেৱল ধৰা-মেলাৰ ওপৰত নিৰ্ভৰ কৰি বোধকৰো বিয়া হবলৈ দিয়া নেযাব।"

"সঁচাকৈয়ে কৈছানে শকুন্তলা বাইদেউ?" প্ৰতিভাই নিচেই অকণমানি ছোৱালী এজনীৰ দৰে আগ্ৰহেৰে সোধে।

এনেতে কোঠাৰ আন দুজনী ছোৱালী সোমাই আহিল। হোষ্টেলৰ গধূলিৰ ঘণ্টাও বাহিৰত বাজি উঠিল। শকুন্তলা আহিবলৈ উঠিল।

"বহা বহা শকুন্তলা, কলৈ যোৱা? আওঁ আমাৰ লগত কথাই নেপাতা—প্ৰতিভাকহে চিনি পোৱা!" এজনী ছোৱালীয়ে হাঁহি কলে।

"নাই—ভাই।" শকুন্তলাই হাঁহি কয়, "কেলেই তেনেকৈ কোৱা? সদায় জানো মই তোমালোকৰ কোঠালৈ আহি থকা নাই? এতিয়া হোষ্টেলত সোমোৱা বেল দিলে নহয়। যাওঁ দেই। বেয়া নেপাবা! যাওঁ দেই প্ৰতিভা।"

তিনিওৰে পৰা বিদায় লৈ শকুন্তলাই ঘৰমুৱাকৈ গাড়ী চলাই দিলে। ভাবি আহিল প্ৰকাশৰ আন্তৰিকতা, প্ৰজ্ঞানৰ মহানুভৱতা আৰু অকাল সিয়ান হলেও, প্ৰতিভাৰ কেঁচুৱা-কোমল মনটোৰ কথা।

SARANANDA MEMORIAL LIBRARY
No. .....
Date .....
P.O. JHANJI, SIVASAGAR

ছয়

সেইদিনা পুৱা পানীকলৰ পাহাৰৰ আওঢলীয়াত বহি প্ৰকাশ আৰু প্ৰজ্ঞানে কথা পাতি থাকোঁতেই হঠাৎ নাটকীয় ধৰণে প্ৰজ্ঞানক তাতে এৰি থৈ প্ৰকাশ যেতিয়া গুচি আহিল, প্ৰজ্ঞান অলপ বিবুদ্ধিত পৰিল। ভাবিলে কি হ'ল এই মানুহটোৰ? ইমান ভাৱ-প্ৰৱণ নে? "হেৰি ৰ'ব, হেৰি ৰ'ব", কৈ পিছে পিছে চিঞৰি বেগাই আহিও প্ৰকাশক লগ ধৰিব নোৱাৰি প্ৰজ্ঞান একেকোৰেই আহি ঘৰ পালেহি। ঘৰ পাই দেখে যে এটা মানুহে হাতত কিবা এখন লৈ প্ৰজ্ঞানৰ আগফালৰ দুৱাৰদলিৰ ওচৰত থিয় দি ৰৈ আছে।

"কি লাগে?" প্ৰজ্ঞানে মানুহটোক সুধিলে।

"এইখন চিঠি, আপোনাৰ।" চিঠিখন প্ৰজ্ঞানৰ হাতত দি মানুহটো ওচৰতে থিয় দি থাকিল।

প্ৰজ্ঞানে খামটো ফালি চিঠিখন উলিয়াই তাত চকু ফুৰালে। প্ৰজ্ঞানৰ মুখৰ ভঙ্গিত বাহ্যিক কোনো পৰিবৰ্ত্তন হোৱা নাছিল। মনে মনে চিঠিখন পঢ়া হ'লত, প্ৰজ্ঞানে মুখ তুলি চাই দেখে যে মানুহটো তেতিয়াও তাতে ৰৈ আছে।

"তুমি যোৱা নাই কিয়?" প্ৰজ্ঞানে সোধে।

"মোক চিঠিৰ জবাব...."

"জবাব?" প্ৰজ্ঞানে অলপ বিৰক্তিৰ সুৰত কয়, "তেওঁক ক'বাগৈ যে চিঠিৰ উত্তৰ যথা সময়ত দিয়া হব।"

মানুহটোলৈ দুনাই ফিৰি নেচাই প্ৰজ্ঞানে দুৱাৰ মেলি ভিতৰ সোমাল। ঠোট-মোট চেলেকি মানুহটো তাৰ পৰা আঁতৰ হ'ল।

একমাত্ৰ আৰামী চকিখনত প্ৰজ্ঞানে শৰীৰৰ গোটেইটো ভৰ দি আউজি ৰহিল। নিজকে নিজে কোৱাৰ দৰে মুখৰ ভিতৰতে কৈ গ'ল: 'হুঁ! কালি ৰাতি তেনেহলে মোক এই কাৰণেই খাবলৈ নিমন্ত্ৰণ কৰিছিল! বিহু এটা উপলক্ষহে। মইতো কেতিয়াও ভৰা নাছিলোঁ যে এনে কিবা উদ্দেশ্য লৈহে, সেই ঘৰখনৰ আটায়ে দেৱতাক সন্তুষ্ট কৰাৰ দৰে মোকো সন্তুষ্ট কৰিবলৈ বিচাৰিছিল! কেনেকৈ বাৰু ভাবিম যে বিহুৰ এই নিমন্ত্ৰণৰ মাজতো এনে এটা ফন্দি সোমাই থাকিব পাৰে? থাকক ফন্দি, আপত্তি নাই। কিন্তু ইমান উকা হব লাগেনে? ফন্দিৰ মাজতো জানো আৰ্ট নেথাকে? ভাৰতৰ দুই-এখন ৰাজ্যৰ তুলনাত, চলকৈ জোঁৰাই হাতকৰা কৌশলত

অসম যে পিছপৰা সেই কথা এনে আৰ্টলেছ্ এপ্ৰোচেই জানো প্ৰমাণ নকৰে? এক হিচাপে অৱশ্যে ভালেই: ডাইৰেক্ট্ এপ্ৰোচ্। ডাইৰেক্ট্ এপ্ৰোচ্! প্ৰজ্ঞানে চিঠিখন আকৌ এবাৰ মনযোগেৰে পঢ়িলে:

"ৰৰকাকতি ভৱন"
চেনীকুঠি, ওৱাহাটী
১৪-৪-৫৭

অতি মৰমৰ প্ৰজ্ঞানদা,

চিঠিৰেই মা-দেউতা, সাতজনী ভনী আৰু মই নিজৰ তৰফৰ পৰাও আপোনাক অশেষ ধন্যবাদ জনাইছোঁ। কালি গধূলি আমাৰ বিছৰ নিমন্ত্ৰণ ৰক্ষা কৰি আপুনি আমাৰ সকলোকে কৃতাৰ্থ কৰিলে। আমাৰ আটাইৰে অন্তৰভৰা কৃতজ্ঞতা জনাই আপোনালৈ লিখিবৰ কাৰণে কালি ৰাতি আপুনি আমাৰ ঘৰৰ পৰা যোৱাৰ পিছৰে পৰা মাই খেচ্‌খেচাই থকাতহে, এই ৰাতিপুৱাই আপোনালৈ এইখন লিখি আপোনাৰ বহুমূলীয়া সময়ৰ মাজত অনধিকাৰ প্ৰৱেশ কৰিবলৈ বাধ্য হলোঁ। এই চিঠিৰ পৰাই আশা কৰোঁ আপুনি মোৰ মনৰ ভাবৰ লগতে আমাৰ মা আৰু দেউতাৰ মনৰ ভাবো লক্ষ্য কৰিবলৈ সুযোগ পাব। প্ৰজ্ঞানদা, কিবা নিলিখিবলগীয়া কথা লিখিলে ক্ষমা কৰিবা দেই। যদিও চিঠিখন মই নিজে লিখিছোঁ, ইয়াৰ কথাবিলাক আমাৰ আটাইৰে বুলি ধৰি লব পাৰে।

আমাৰ ১২ জনী বাই-ভনীৰ ভিতৰত যদিও মই পঞ্চম, বৰ্ত্তমানে ঘৰত থকা অবিবাহিতা আঠজনী ছোৱালীৰ ভিতৰত ময়ে আটাইতকৈ ডাঙৰ। মোৰ বয়স কুৰি বছৰ। মোৰ তলৰ আন তিনিজনী কলেজত পঢ়া ভনীৰ বয়স যথাক্ৰমে উনৈশ, ওঠৰ আৰু সোতৰ। আমাতকৈ সৰু, বাকী চাৰিজনী ভনীৰ বয়স উল্লেখ নকৰিলোঁ কাৰণ, মাই কৈছে তাইহঁতৰ বিষয়ে চিন্তা কৰি এতিয়াৰ পৰাই মূৰ ঘমুৰাবৰ সময় নো হয় এখোন।

কালি ৰাতি আমাৰ ঘৰৰ পৰা আপুনি যোৱাৰ পিছত, আমি আটাইৰে কেৱল আপোনাৰ কথাকেই পাতি আছিলোঁ। আপোনাৰ বিভিন্ন গুণাৱলী আৰু প্ৰতিভাৰ কথা কৈ কৈ মা-দেউতা উভয়েই আমাৰ কাণ ঘোলা কৰিলে; আমাৰ চকুত যেন সেইবোৰ পৰাই নাই: তাৰ মোল বুজাৰ উপযুক্ততা আমি যেন কোনেও এতিয়াও অৰ্জ্জন কৰিব পৰাই নাই! অথচ, মোৰ বয়স কুৰি। তিৰোতাক কুৰিতে বুঢ়ী বোলা কথাটো যেন তেওঁলোকে বিশ্বাসেই নকৰে! আপুনি জানো বিশ্বাস কৰে?

দেউতাই কি কৈছে জানে? দেউতাই কৈছে যে আপোনাৰ দৰে এনে অসাধাৰণ প্ৰতিভাৰ অধিকাৰী হোৱাৰ সুযোগ ভগৱানে বোলে খুব কম মানুহকেই দিয়ে। অসমত প্ৰকৃতিৰ ৰৰগছ যথেষ্ট থাকিলেও মানুহৰ মাজত বৰ্ত্তমানে তেনে গছৰ বোলে অভাৱ হৈছে। অন্যান্য যিবোৰ সৰু-সুৰা গছ আছে সেইবোৰে ৰৰগছৰ গুটি গজিলেই পুলিতে কেউফালে ছাটি ধৰি, তাক বাঢ়িবলৈ সুযোগ নিদিয়ে। উচ্চ পৰ্য্যায়ৰ প্ৰতিভা লৈ অসমত উপজিলে কণীবিহৰ সঁচ বুলি পুলিতেই উৱালি পেলাবলৈ চেষ্টা কৰা হয়!

তেনেস্থলত আপুনি যে ইয়াত কেনেকৈ তিষ্ঠিব, দেউতাই ভাবি নেপায়। আমি প্ৰতিবাদ কৰাত দেউতাই কলে যে--প্ৰথম স্তৰৰ প্ৰতিভা লই যোৱা পাঁচশ বছৰৰ ভিতৰত অসমত মাত্ৰ আজিলৈকে দুজন মানুহ হে জন্ম গ্ৰহণ কৰিছে। তৃতীয়জন জন্ম গ্ৰহণ কৰিলে, বা ইতিমধ্যে জন্ম গ্ৰহণ কৰিছে যদি, বিদিনা তেওঁৰ পূৰ্ণ প্ৰতিভা বিকাশ হব, সেইদিনাই তেজীমলা অসমে ভাৰত তথা বিশ্বত অসমৰ সংস্কৃতি আৰু সাহিত্যৰ কাৰণে এখন উৎকৃষ্ট আসন লাভ কৰি ৰাজধানীৰ সন্মান লাভ কৰিবলৈ সক্ষম হব। সেই সন্মানৰ লগে লগে যোৱা পাঁচ শ বছৰৰ স্তূপীকৃত সাহিত্য শিল্পকলাই জগতৰ স্বীকৃতি লাভ কৰিব। কিন্তু তেনে তৃতীয় ব্যক্তিজনৰ পূৰ্ণ বিকাশ নোহোৱালৈকে ভাৰতৰ অন্যান্য কোনো ৰাজ্যই অসমৰ শ্ৰেষ্ঠত্ব স্বীকাৰ নকৰে, নকৰাতো স্বাভাৱিক। খনিত থকা সোণৰ মূল্যই বা কিমান? খনিৰ গৰাকীয়ে সেই সোণ কেনেকৈ কামত খটুৱাব লাগে ভালকৈ জানি লৈ আনৰ ওচৰত সেই সোণৰ বিনিময় কৰা উচিত নহয় জানো? মিচিকিয়াই হাঁহি দেউতাই আমাক সুধিছিল: তহঁতে কি ভাব? সেই মানুহজন জন্মিছেনে নাই? : আমি ইজনীয়ে সিজনীৰ মুখলৈ চোৱা-চুই কৰিলোঁ। দেউতাই আমাৰ অসহায় অৱস্থাটো দেখি বৰ আচৰিত কথা এটা কৈ পেলালে। সেইটো ক'ম নে প্ৰজ্ঞানদা? ভুল নুবুজেতো আমাক? দেউতাই ক'লে যে সেই তৃতীয় মানুহজন আপুনি! কথাষাৰ শুনি মোৰ বুকুখন চিৰিংকৰে গ'ল। অবিশ্বাসৰ কাৰণে নহয়, মনৰ অপ্ৰস্তুতিৰ কাৰণেহে। দেউতাৰ কথা শুনি আমাৰ ভাল লাগিছিল। অৱশ্যে, দেউতাই আজিৰ যুগৰ কথা আজিৰ উঠি অহা শিক্ষিত ডেকা-ডেকেৰীহঁতে যিমান বুজে, ঠিক সিমান বুজে নে নুবুজে সেই বিষয়ে আমাৰ সন্দেহ। সি যিয়েই নহওক, দেউতা-মা উভয়েই আপোনাৰ গুণত মুগ্ধ।

এতিয়া মই কামৰ কথালৈ আহোঁ। মাই মোক লিখিবলৈ কৈছে:

যে আজি গধূলি আপুনি যেনে তেনে আকৌ এবাৰ যেন আমাৰ তলৈ আহে। মাই এই কথাটো লিখিবলৈ মোক কালি বাতিৰ পৰাই দপাই দপাই কৈ আছে। অইন কি, আজি পুৱা ৫ বজাতেই মোক চিঠি লিখিবৰ কাৰণেই জগাই দিছিল।

আশা কৰোঁ আপুনি আমাক হঁতাশ নকৰিব, বিশেষকৈ মাক আৰু মোক। ময়েই এতিয়া ঘৰখনত আটাইতকৈ ডাঙৰ ছোৱালী....বুজিছে নহয়? আখৰৰ গত দেখি আকৌ নেহাঁহিব। নহাকৈ নেথাকিব দেই।

আপোনাৰ মৰমৰ কুৰি বছৰীয়া বুৰী—

—অময়া—

চিঠিখন লিৰিকি পিটিকি প্ৰজ্ঞানে ভাবিবলৈ ধৰিলে, 'কি কৰা যায়?' চিঠিখনত অসন্তুষ্ট হবলগীয়া একো নাই, কিন্তু সন্তুষ্ট হোৱাৰো বিশেষ কাৰণ প্ৰজ্ঞানে বিচাৰি নেপালে। মানুহৰ মন এটাহে। এঠাইত কেন্দ্ৰীভূত হোৱা মন এটাক আন এঠাইত কেন্দ্ৰীভূত কৰিবলৈ কূটনীতি বা কৌশল প্ৰয়োগ কৰা যেন দেখিলে স্বাভাৱিকতে মানুহৰ খং উঠে। কিন্তু তেনে খং ভিত্তিহীন। আনেতো আৰু সেই কথা নেজানে; বা জানিলেও তাৰ গুৰুত্বৰ উমান বাহিৰৰ পৰা পাব নোৱাৰে। সেইপিনৰ পৰা বিচাৰ কৰিবলৈ গলে, অময়া বা অময়াৰ মাকৰ গাত একো দোষ নাই। অময়া আৰু তাইৰ কলেজত পঢ়া তিনিওজনী ভনীয়েক অন্যান্য কলেজীয়া লৰা-ছোৱালীৰ লগত প্ৰজ্ঞানৰ ঘৰলৈ কেইবাবাৰো গৈছে। তাইহঁতে বেচকৈ জানে যে প্ৰতিভাক প্ৰজ্ঞানে বিশেষ মৰমৰ চকুৰে চায়। তাইহঁতে এতিয়া এইটোও জানে যে শকুন্তলাইঁতৰ ঘৰৰ লগতো প্ৰজ্ঞানৰ বিশেষ সৌহাৰ্দ্দ গঢ়ি উঠিছে। তথাপি অময়াইঁতৰ মনত এইটোৱেই আশা যে প্ৰতিভা অনুসূচীত সম্প্ৰদায়ৰ আৰু শকুন্তলা ক্ষত্ৰিয় হলেও পাঞ্জাবী ছোৱালী। আন্তঃৰাজ্যিক বৈবাহিক বিষয়ত ভাৰতৰ অন্যান্য দুই এখন ৰাজ্যৰ তুলনাত অসমত এতিয়াও কিছু যে গোড়ামী ভিতৰুৱাকৈ নাই, এনে নহয়। বৈবাহিক ক্ষেত্ৰত এনে গোড়ামী ভাল নে বেয়া সেই প্ৰশ্ন স্বাধীন ভাৰতত অবান্তৰ যেন লাগিলেও, আঞ্চলিক সমাজ-যন্ত্ৰৰ চাকত বংশ পৰম্পৰাই গঢ় লোৱা মনোভাব পাত্ৰটি একেকোৱে দলিয়াই দি, ন-মনোভাব-পাত্ৰত ন-ৰুচিৰে তৈয়াৰ কৰা সামাজিক খাদ্য পৰিবেশন কৰিলে, অসমীয়া সমাজে তাক কেনেকৈ গ্ৰহণ কৰিব, সেইটো এতিয়াও ভাবিবলগীয়া কথা হৈয়ে আছে। অন্ততঃ অময়াইঁতৰ ঘৰখনে তেনে বুলিয়েই ভাবে। সেইকণ আশাৰ ৰেঙনিত

আঁত ধৰিয়েই অময়াৰ হতুৱাই মাকে এই চিঠি লেখোৱালে। অৱশ্যে, মাকৰ খেচ্‌খেচনিৰ লগত অময়াৰো যে উচ্‌-পিচনি নাছিল এনে নহয়!

সি যিয়েই নহওক, প্ৰজ্ঞানে নিজে নিজে খোলাকৈ হাঁহি ললে। এনে ধৰণৰ কথা বিলাকৰ মাজত ৰগৰ বিচাৰি হাঁহিবৰ কাৰণে খোৰাক উলিয়াই ভাল পোৱাতো প্ৰজ্ঞানৰ দৰে বিবাহোপযুক্ত ডেকাহঁতৰ এটা দস্তুৰেই। হেজাৰে প্ৰতিভাবান নহওক, প্ৰজাপতিৰ পৰিচালনাত বিবাহ মঞ্চত ভাও দিয়াৰ সম্ভাৱনা হলে, ডেকাৰ পৰা আলৰ বুঢ়ালৈকে আৰু কিশোৰীৰ পৰা আদহীয়া বা বুঢ়ীলৈকে সাময়িকভাৱে হলেও কাৰো গাত হুচ্‌ নেথাকে। প্ৰজ্ঞানৰো বোধকৰোঁ হুচ্‌ নোহোৱা অৱস্থাই হ'লহেঁতেন, যদিহে প্ৰতিভা আৰু শকুন্তলাই ইতিমধ্যেই সেই ৰোগৰ বীজাণুকণ প্ৰজ্ঞানৰ অন্তৰৰ পৰা অলক্ষিতেই হৰণ কৰি লৈ নগ'লহেঁতেন! বিবাহ! বিবাহ! এৱা, বিবাহ! বিবাহ আৰু প্ৰেম। এই দুয়োৰে মাজত অবিচ্ছেদ্য কিবা সম্পৰ্ক আছে বুলি প্ৰজ্ঞানে নেভাবে। এজনক ভাল পাই আন এজনক বিয়া কৰোৱা বা এজনক বিয়া কৰাই আন এজনক ভাল পোৱাতো প্ৰকৃতিৰেই নিয়ম বুলি কলে হয়তো বেচি কোৱা হব। কিন্তু এইটো ঠিক যে মানুহৰ অন্তৰত গুপুতে কি ভাব খেলায় সেই কথা হুবহুকৈ ৰেকৰ্ড কৰিব পৰা কিবা যন্ত্ৰ যদি কেতিয়াবাকৈ আবিষ্কাৰ হয়, তেনেহলে বিয়া বোলা বস্তুটো বোধকৰো বন্ধ হৈয়ে যাব। বন্ধ নহলেও, ভাল পোৱাৰ ভণ্ডামিয়ে পৃথিৰীৰ পৰা নিশ্চয় বিদায় মাগিব।

সেই যন্ত্ৰ আবিষ্কাৰৰ পিছত বিবাহৰ আগতে পাত্ৰ-পাত্ৰী উভয়েই উভয়ৰ প্ৰকৃত প্ৰেমত আবদ্ধ নহলে বিবাহ হব নোৱাৰে বুলি যদি কড়াকড়ি কিবা নিয়ম হৈ যায়, এই সভ্য পৃথিৰীত বিবাহ নামৰ অনুষ্ঠানটো বোধকৰো নাইকিয়া হৈ যাব। নাই অনুষ্ঠানক প্ৰাধান্য দিব লাগিব, নহলে প্ৰেমক প্ৰাধান্য দিব লাগিব। প্ৰেমক প্ৰাধান্য দি, জাতিভেদ জীয়াই থাকিব নোৱাৰে; আৰু জাতিভেদক জীয়াই ৰাখিবলৈ হলে বিবাহৰ দৰে সামাজিক অনুষ্ঠান আৰু আনুসঙ্গিক নিয়ম-পদ্ধতিবোৰ জীয়াই থাকিবই লাগিব। মানুহে কিন্তু অনুষ্ঠানকো এবিব নোখোজে, প্ৰেমকো এবিব নোখোজে, জাতিভেদকো এবিব নোখোজে। তেনেহলে খোজে কি? মাজতে কিবা এটা। কিন্তু কি এই কিবাটো? এইটোৱেই হৈছে পৃথিৰীৰ মানুহৰ সমাজত অতীজৰে পৰা আজিলৈকে সমাধান নোলোৱাকৈ ৰাগৰি অহা প্ৰশ্ন। এই প্ৰশ্নৰ গন্তব্যস্থল কোন যুগলৈকে কোনেও নেজানে। সেইদেখি ইয়াক প্ৰশ্ন বলি ধৰিবলৈ মানুহে পাহৰিয়েই পেলাইছে।

প্রজ্ঞানে বহি বহি এইবিলাককে ধোৱা-বচা কৰিবলৈ ধৰিলে। সভ্য মানুহে বিয়া যেনেকৈ কৰায়, বিবাহ বিচ্ছেদো কৰে তেনেকৈ। বিশেষকৈ পছিমীয়া দেশসমূহত সেয়ে যদি নহয়, দৈনিক খবৰৰ কাগজত আদালতৰ কথা শিতানত নিতৌ এটা নহয় এটা ড্ৰাইভোৰ্চ বা বিবাহ-বিচ্ছেদৰ খবৰ কাগজ পঢ়োতা বাইজে উপভোগ কৰিবলৈ সুযোগ নেপালেহেঁতেন!

প্রজ্ঞান স্থিৰ সিদ্ধান্তত উপনিত হ'ল। প্ৰথমে প্ৰেম, তাৰ পিছতহে বিবাহ। প্রজ্ঞানৰ মতে আনবিক বিস্ফোৰণৰ পৰীক্ষা আৰু প্ৰেমহীন বিবাহৰ অনুষ্ঠান দুয়োটা একে পৰ্য্যায়তে পৰে। আনবিক বিস্ফোৰণ বন্ধ নকৰিলে জগতত যেনেকৈ শান্তি অহা অসম্ভৱ, ঠিক তেনেকৈ প্ৰেমহীন বিবাহ বন্ধ নকৰিলেও সমাজত শান্তি বিৰাজ কৰা অসম্ভৱ।

প্রজ্ঞানে এনেকৈ ভাবি থাকোঁতেই মিষ্টাৰ বৰকাকতি আহি প্রজ্ঞানৰ দুৱাৰদলিত উপস্থিত হ'লহি। বহলকৈ হাঁহি এটি মাৰি তেওঁ মাতিলে:

"প্রজ্ঞান ঘৰত আছানে?"

"আছোঁ, আহক।" প্রজ্ঞানে আগ্রহেৰে বৰকাকতিক ভিতৰলৈ নি, ইমানপৰে নিজে বহি থকা একমাত্র আৰামী চকীখনত বহিবলৈ দিলে। চালে-বেৰে এবাৰ চকু ফুৰাই চাই বৰকাকতি বহিল। প্রজ্ঞানে ওচৰতে সৰু মুঢ়া এটাত বহি, আগ্রহেৰে বৰকাকতিৰ মুখলৈ চালে:

"হেঃ হেঃ হেঃ হেঃ তুমি বেয়া পালা নেকি হে?" বৰকাকতিয়ে সোধে।

"বেয়া? বেয়া আকৌ কেলেই পাম?"

"নহয়, মই তোমাক নাম কাঢ়ি মাতিলোঁ নহয়!" বৰকাকতিয়ে কয়।

"মই দেখোন কালিয়েই কৈছোঁ, মোক তুমি বুলি...."

"তুমি বুলি মতাৰ কথাহে কৈছিলা, কিন্তু প্রজ্ঞান বুলি...."

"আপুনি যে কি কথাবোৰ কয়? তুমি বুলিবলৈ কোৱা মানেই বুজিব লাগিব, আপুনি মোক নাম কাঢ়িও মাতিব পাৰে।"

"বুজিলোঁ, বুজিলোঁ", বৰকাকতিয়ে কৈ যায়, "তুমিহে সেই কথা কৈছা। আজিকালি ১৫।১৬ বছৰীয়া লৰা কলেজলৈ পঢ়িবলৈ আহিলেই আমাৰ নিচিনা বয়সীয়াল মানুহেও সিহঁতক 'আপুনি' নুবুলিলে সিহঁতৰ আকৌ মুখ ওফোন্দে নহয়। মই দুই-এটি এনে লৰা পাইছোঁ।"

"সেইবোৰ বোধকৰোঁ ঘোঁকট গাৰঁৰ পৰা প্রথম চহৰলৈ অহা লৰা, নহয় নে?"

"ঠিকেই ধৰিছা।" বৰকাকতিয়ে ডাঙৰকৈ হাঁহে, তাৰ পিছত কয়, "আমি ভাবোঁ, আমি চহৰৰ মানুহবোৰহে বেয়া, কিবা বোলেনে আমিহে পলিটিক্স্ কৰোঁ। কিন্তু মিছা কথা বুইছা। মোৰ অভিজ্ঞতাত মই যি দেখিছোঁ, অন্ততঃ আজিকালি, এই বিষয়ত চহৰতকৈ গাওঁহে চৰা। ভিলেজ্-পলিটিক্স্ বৰ সাংঘাতিক বস্তু। বৰ সাংঘাতিক...."

"শুনক", প্রজ্ঞানে কয়, "গাৰেঁই হওক বা চহৰেই হওক, সুস্থ চিন্তাৰ অভাৱ হলেই খোৱা-কামোৰা, খিয়লা-খিয়লি, পৰশ্রীকাতৰতা ইত্যাদি মানুহৰ অসুস্থ ভাববোৰে জুমুৰি দি ধৰি মানুহক ইতৰ কৰি পেলায়। চহৰত মুখলজ্জা বোলা বস্তুটো গাৱঁতকৈ অলপ বেচি। মোৰ বোধেৰে, মন নিকা নহলে কি গাওঁ কি চহৰ—সকলোতেই নীচ মনোভাৱ মানুহৰ থাকিবই। অৱশ্যে এইটো ঠিক, যে গাৱঁৰ মানুহ চহৰলৈ আহি দুদিনমান থকাৰ পিছত, চহৰৰ আদৰ-কায়দা আৰু অন্যান্য বিষয়ত চহৰীয়া সাধাৰণ মানুহতকৈ সিহঁত বহুত পিছ পৰা যেন নিজে নিজে অনুভৱ কৰিবলৈ ধৰে। সিহঁতৰ মনত নীচাত্মিক মনোভাবে ঠাই লয়। ফলত সিহঁত যে পিছপৰা নহয়, এইটো সিহঁতৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ আদিৰ মাজেদি সিহঁতে দেখুৱাবলৈ চেষ্টা কৰে। কেতিয়াবা, এই চেষ্টাৰ মাত্রা ইমান বেচি হৈ পৰে যে চহৰত বাস কৰা মানুহতকৈ চহৰীয়া চাল-চলন বিষয়ত সিহঁত হৈ পৰে দহগুণে চৰা। দুই-তিনিটা জীৱনত আয়ত্ব কৰা স্বভাৱ এটা দুদিনতে আয়ত্ব কৰা বুলি ভাবি লৈ বৰ বেচি 'স্মার্ট' দেখুৱাবলৈ যোৱাৰ কাৰণেই সাধাৰণতে গাৱঁৰ পৰা চহৰলৈ পোন প্রথমে অহা মানুহবিলাকৰ ব্যৱহাৰত, চহৰীয়া মানুহে অসন্তুষ্ট হবলৈ বাধ্য হয়। গাৱঁত অতি-গাৱঁলীয়া হৈ দেখুৱাবলৈ গলে চহৰীয়া মানুহৰ যি অৱস্থা হয়, চহৰতো অতি-চহৰীয়া হৈ দেখুৱাবলৈ গলে গাৱঁলীয়া মানুহৰ সেই একে অৱস্থাই হয়। এই দুয়োবিধ মানুহেই ইতিকিঙৰ পাত্র। বুজিছে, মই এই বিষয়ে বহুত চিন্তা কৰিছোঁ। কিয় বাৰু এনে হয়? মানুহ স্বাভাৱিক হব নোৱাৰে কিয় বাৰু? স্বাভাৱিক হব পৰাটোৱেই মোৰ বোধেৰে মানুহৰ আটাইতকৈ লেখত লবলগীয়া গুণ।"

বৰকাকতিয়ে অতি মনোযোগেৰে প্রজ্ঞানৰ কথা শুনি এবাৰ হাঁহিলে। কলে, "এইবোৰ ধোৱা-বচা কৰি একো লাভ নাই। প্রত্যেকেই নিজকে নিজে কেতিয়াও ভ্রান্ত বুলি নেভাবে। আমি সকলোৱেই ঠিক, সকলোৱেই শুদ্ধ। কেৱল আনবিলাকহে বেঠিক, আনবিলাকহে অশুদ্ধ।" বৰকাকতিয়ে আকৌ এবাৰ মিচিকিয়াই হাঁহি কলে, "পিছে প্রজ্ঞান, তুমি আৰু সদায় এনেদৰে থাকিবা নে?"

"এনেদবে মানে?" প্রজ্ঞানে কৌতূহলেবে ববকাকতিলৈ চায়।

"এনেদবে মানে এইটোবেই যে, তুমি কিবা এটা কবা। অর্থাৎ তোমাব ঘব-দুবাববোব ভাল কবা। সদায় আৰু জুপুবি ঘবতেই সোমাই থাকিবা নে? তোমাব দবে এইহেন এজন উজ্জ্বল ডেকা এনেকুবা ঘবত সোমাই থাকিলে বব কিবা যেন দেখিহে!"

"হুম্—" বুলি প্রজ্ঞান মনে মনে থাকিল।

"বেয়া পালা নেকি?" ববকাকতিয়ে ভয়ে ভয়ে সোধে।

"বেয়া পোবা নাই। ভাবিছোঁ আপুনি কি কব খুজিছে!"

"কেলেই?" ববকাকতিয়ে উৎসাহেবে কয়, "মোব কথা স্পষ্টকৈ বুজিব পবা হোবা নাই নেকি? চোবা, কোনে বাৰু পাবিলে—ভাল ঘব-দুবাবত থাকিবলৈ ইচ্ছা নকবে? তুমিও জানো?"

প্রজ্ঞানে এবাব ওপবলৈ মুখ তুলি ববকাকতিব ভবিব পবা মূবলৈকে চাই মনে মনে থাকিল। ববকাকতি অপ্রস্তুত হোবাদি হ'ল।

"কি হে প্রজ্ঞান, মনে মনে থাকিলা দেখোন? অ' মই বুজিছোঁ, তুমি মই তেনেকৈ কোবা দেখি বেয়া পাইছা?"

"সেই কথা নহয়", প্রজ্ঞানে বিজ্ঞব দবে কয়, "মই ভাবিছোঁ, আপোনাৰ আৰু সেই অলপ আগতে পোবা এখন চিঠি, এই দুয়োটাব মাজত কিবা সম্বন্ধ আছে নেকি?"

"চিঠি?" আচবিত হোবাব দবে ববকাকতিয়ে সোধে, "কিহব চিঠিব কথা কৈছা?"

"অ', মই আকৌ আপুনি জানে বুলিহে ভাবিছিলোঁ!" প্রজ্ঞানে সাধাৰণ-ভাবে কয়, "নেজানে যদি মোব কথাটো বাৰু মই উঠাই ললোঁ।" প্রজ্ঞানে পবি-স্থিতিটো পাতলাই দিবব উদ্দেশ্যে মিচিকিয়া হাঁহিবে ববকাকতিব মুখলৈ চালে।

"শুনা, কথাটো হৈছে এই।" ববকাকতিয়ে চকীখনত পোন হৈ বহি কৈ যায়, "আমাব তেওঁ মোক আজি পুবাই কলে যে মই এবাব তোমাৰ তালৈ আহিব লাগে। সেয়েহে আহিলোঁ।"

"হুঁ!" প্রজ্ঞানে শলাগে।

"অহাব উদ্দেশ্য হৈছে, যে তোমাব লগত এতিয়া মই যি কথা-বতবা হম, তাব ওপবত ভিত্তি কবিয়েই আজি গধূলি তেওঁ তোমাব লগত আলোচনা কবিব। সেই উদ্দেশ্যে তেওঁ বোলে ইতিমধ্যেই তোমালৈ নিমন্ত্রণি পঠিয়াই-ছেই। তুমি যে কৈছিলা চিঠিখনব কথা: বোধকবোঁ সেই নিমন্ত্রণিয়েই-নহয় জানো?"

"হয়।" প্রজ্ঞান মনে মনে থাকে।

"কথা হৈছে এই—তুমি দেখিছাই—মোব চাবিজনী ছোৱালী বিয়া দিবলগীয়া হৈ আছে। অবশ্যে নিদিওঁ বুলিলে সিহঁতক আৰু কিছুদিনলৈ যে ৰাখি থব নোৱাবি এনে নহয়—কাবণ ৪ জনীব ভিতবত অমযাব বাহিবে বাকী কেইজনী মোব বোধেবে নিচেই সৰু হৈয়েই আছে। আজিকালিনো ১৭।১৮ বছবত কোনে ছোৱালী বিয়া দিয়েহে?" হোঁ হোঁ কৈ ববকাকতিয়ে হাঁহি প্রজ্ঞানলৈ চায়।

"পিছে মই কি কবিব লাগে?" প্রজ্ঞানে সাধাৰণভাবে সোধে।

"তুমি কি কবিব লাগিব, তাকেইতো এতিয়া কব খুজিছোঁ।"

"অ', তেনেহলে, অলপ আগতে আপোনাব জীয়েক অমযাব পবা পোবা চিঠিখনব মতে, মই এতিয়া আপোনাব আৰু মিচেছ ববকাকতিব ওচবত আপোনাব ছোৱালীব বিবাহ প্রার্থী হৈ আবেদন কবিব লাগে....! আপুনি এই পুবাই মোব তালৈ অহাব উদ্দেশ্য সেই কথা সোঁৱবাই দিবলৈকে, নহয় জানো?" প্রজ্ঞানব চকুৰে-মুখে দুষ্টালিব হাঁহি এটা ফুটি উঠিল।

"শুনা প্রজ্ঞান, এসময়ত ময়ো তোমাব দবে ডেকা আছিলোঁ। মোৰ ওচবলৈকো বহুত ছোৱালীব মাক-দেউতাক সৰুবো সৰুটো হৈ আহিব-লগীয়া হৈছিল। বুজিছা, আমাব দেশখনেই হৈছে এনেকুবা। ছোৱালীব মাক-বাপেক নহলোঁ জানিবা বিবাহোপযুক্ত লবাব মাক-বাপেকহঁতব ওচবত আমি যেন নিকিনা গোলামহে হলোঁ! এই কথা ডেকাইঁতে নুবুজে। কিন্তু সেই একেজন ডেকাই বিয়া-বাৰু কবাই যেতিয়া ছোৱালীব বাপেকী হয়, তেৰেঁই আকৌ তেওঁব ছোৱালী বিয়া দিবলৈ নধবাক ধবি, খোচামতি নকবিবলগীয়া মানুহক খোচামতি কবি, সৰু নহবলগীয়া ঠাইত সৰুবো সৰুটো হৈ নিজব মান-ইজ্জত খেদাবলগীয়া হয়! এইবোব অন্ত কবাব কিবা উপায় নাইনেহে?" ববকাকতিয়ে যি উদ্দেশ্যে আহিছিল সেই কথা পাহবি গ'ল। সমাজব এই এলাহু-কলিয়া ভেমবিলাকব কথা মনত পবি, তেওঁব নিজব ওপবতে খং উঠিল। কলে, "বুজিছা প্রজ্ঞান, পূর্ব্ব-জন্মব পাপ নথাকিলে কোনো মানুহ এক ডজন ছোৱালীব মাক-বাপেক হব নোৱাবেহে!"

ববকাকতিব কথাত প্রজ্ঞানব হাঁহিও উঠিল, দুখো লাগিল। 'কি কবিব নেচেবাই', প্রজ্ঞানে মনতে ভাবিলে। সহানুভূতিত প্রজ্ঞানব অন্তব উপচি পবিল। গহীন হৈ প্রজ্ঞানে কলে, "শুনক ববকাকতিদেও! বাৰজনী ছোৱালীব দেউতাক হৈয়ো ইতিমধ্যেই আপুনি চাবিজনী ছোৱালী বিশেষ

অসুবিধাত নপবাকৈয়ে চাবিজন উপযুক্ত লৰালৈ বিয়া দিলেই। তেনেকৈ চাওঁতে চাওঁতে বাকী আঠজনী ছোৱালীৰো বিয়া হৈ যাব। কেনেকৈ? আপুনি কবই নোৱাৰিব। আমাৰ অসমত ছোৱালীৰ মাক-বাপেক হলে বঙ্গ বা ভাৰতৰ আন দুই-এখন ৰাজ্যৰ দৰে সিমান হাঁহাকাৰ কৰিব নেলাগে। লাগে জানো বাৰু?''

''বঙ্গদেশৰ দৰে পণ বা দাওৰিৰ কড়াকড়ি নিয়ম আমাৰ অসমত নাই সঁচা, কিন্তু ছোৱালীৰ মাক-বাপেকক অপমান কৰা দস্তুৰটো হলে আমাৰ অসমতো আন ৰাজ্যতকৈ কোনো গুণে কম নহয় যেন লাগে। তুমি কি কোৱা?''

প্ৰজ্ঞানে কথাটো আংশিকভাৱে অনুমোদন কৰিলেও, ভাৰতৰ আন সকলো ৰাজ্যতকৈ অসমৰ বিবাহ পদ্ধতি যে উন্নত, এই কথা ভাবি মনে মনে গৌৰৱ অনুভৱ কৰিলে। দুখীয়া মাক-বাপেকৰ ছোৱালী বিয়া দিয়া সমস্যাই বঙ্গদেশত কিমান মানুহক জুকুলা কৰিছে আৰু কিমান বিবাহাপযুক্ত ছোৱালীয়ে মাক-বাপেকৰ দুৰবস্থা দেখি, তাইহঁতেই ইয়াৰ কাৰণ বুলি ভাবি যে আপোনাধাটি হৈ মৰিছে তাৰ লেখ দি অন্ত কৰিব নোৱাৰি। খৰৰ কাগজ মেলিলেই এনে ঘটনা হৈ থকা প্ৰায়েই দেখা যায়। তেনেস্থলত খৰৰৰ কাগজত নুঠা আৰু যে কিমান ঘটনা আছে কোনে জানে? সি যিয়েই নহওক, প্ৰজ্ঞানে বেচকৈ জানে যে ৰৰকাকতিৰ আটাই কেইজনী ছোৱালী পঢ়াই-শুনাই, গঢ়ে-গতিয়ে চকুত লগা। এনে অৱস্থাত তাইহঁতৰ কাৰণে সহজেই দৰা ওলাব। এতেকে মাক-বাপেকে বিশেষ চিন্তা কৰি মূৰ ঘমোৱাৰৰ কিবা আৱশ্যক আছে বুলি প্ৰজ্ঞানে নেভাবে।

প্ৰজ্ঞানে হাঁহি কলে, ''আমাৰ তাহানিৰ সয়ম্বৰ প্ৰথাটোৱেই ভাল আছিল। বেয়াৰ ভিতৰত আছিল কেৱল সমম্বৰৰ পিছত হোৱা যুদ্ধ-বিগ্ৰহখিনি। সেইখিনি নথকা হলে, সয়ম্বৰতকৈ উৎকৃষ্ট বিবাহ প্ৰথা বোধকৰো আন একোৱেই হব নোৱাৰে।''

''সেইবোৰ উচিত অনুচিতৰ কথা বাদ দিয়া। এতিয়া পিছে মই কৈ তেওঁৰ আগত কি বুলি কমগৈ?'' ৰৰকাকতিয়ে কামৰ মানুহৰ দৰে সোধে।

''সুধিছে যেতিয়া কৰেই।'' প্ৰজ্ঞানে হাঁহি কলে, ''ক'বগৈ ৰৰ ডাঙৰ কিবা দাওৰি এটা ঠিক কৰিবলৈ। কাৰণ আমাৰ অসমখন হৈছে ৰৰ আচৰিত ৰাজ্য। ইয়াত সকলো ভালেই আছিল। কিন্তু নিজৰ ভালটোও নিজৰ চকুত বেয়া বেয়া যেন লাগে। সেইদেখি আন ৰাজ্যই, বিশেষকৈ গাতে লাগি থকা বঙ্গদেশে সেই ৰাজ্যত পূৰ্ণোদ্যমে প্ৰচলিত পণ প্ৰথাৰ দৰে

যিৰোৰ সামাজিক নিষ্ঠুৰ প্ৰথা বৰ্ত্তমানে এৰিবলৈ প্ৰাণপনে চেষ্টা চলাইছে, আমাৰ অসমে এই ৰাজ্যত এসময়ত নথকা সেই কুপ্ৰথাকে 'মাছ বুলি নেখাই, জিজি' বুলি খাবলৈ এতিয়া দেখাক দেখি লাহে লাহে চেষ্টা কৰা যেন দেখা গৈছে! বিশেষকৈ ভাবী শহুৰেকে ভাবী জোঁৱাইক বিলাত আদিত পঢ়িবলৈ পঠোৱাৰ দায়িত্ব গ্ৰহণ নকৰিলে শিক্ষিত আৰু উপযুক্ত ছোৱালী-বিলাকৰ আৰু ছোৱালীৰ মাক-বাপেকহঁতৰ মৰণেই হৈছে দেখিছোঁ। আজিৰ যুগত প্ৰেম এৰিধ পন্য, তাক কিনিব পাৰি!''

''তুমি বহুত আন কিবাকিবি কলা।'' ৰৰকাকতিৰ খং উঠিলেও বাহিৰত সেইটো প্ৰকাশ নকৰি সংযতভাৱে কলে, ''কোৱা, পিছে গধূলি আমাৰ তালৈ যাবা নে নোযোৱা? মই তেওঁক কি বুলি কমগৈ?''

''আপুনি মোৰ স্পষ্ট জবাব বিচাৰিছে যেতিয়া, ময়ো কওঁ শুনক।'' ডিঙিটো পৰিষ্কাৰ কৰি প্ৰজ্ঞানে কৈ যায়, ''ধৰক যেনিবা মই আপোনা-লোকৰ ছোৱালী বিয়া কৰাম বুলি প্ৰতিশ্ৰুতি দিলোঁ। কিন্তু সেই বুলি প্ৰতিশ্ৰুতি পোৱাৰ উদ্দেশ্যে মোক, প্ৰলোভন দেখুৱাত কিবা যুক্তি আছে জানো?'' প্ৰজ্ঞানৰ অন্তৰত শুই থকা আত্ম-সন্মানৰ সত্তাটো সজীৱ হৈ উঠিল। প্ৰজ্ঞানে ওজস্বিনী ভাষাৰে কৈ গ'ল, ''যি কোনো কাৰণেই নহওক, আমাৰ সমাজ ব্যৱস্থাৰ দোষতেই হওক বা আমি আটায়ে প্ৰকৃত আত্ম-সন্মানবোধ হেৰুৱাই পেলোৱাৰ কাৰণেই হওক, আমাৰ মানুহবিলাকৰ মানসিক অধঃপতন ঘটিছে। পোনপটীয়াকৈ কথা কবলৈ আমি পাহৰিলোঁ। পোনপটীয়াৰ পদে পদে মৰণ। আত্মমৰ্য্যদাবোধৰ পৰা আৰম্ভ কৰি সকলো বস্তুৰেই যেন নিৰ্দ্দিষ্ট মূল্যাঙ্কন আজিৰ মানুহবিলাকে কৰি পেলালে। কোনোক দহ, কোনোক হেজাৰ, কোনোক লাখ বা বৰ গভীৰ পানীৰ মাছ হলে তাতৈকৈ বেচি টকা বা সম্পত্তিৰ প্ৰলোভন দেখুৱালেহে যেন জামাতা-লাভ হয়, নহলে যেন জোঁৱাই পোৱাটো অসম্ভৱ! কিয়? কিয় এনে নীচ মনোভাব আমাৰ অসমীয়া সমাজত খুটি পুতিলেহি মই কব নোৱাৰো। আজি যদি ছোৱালীৰ সকলো বাপেক-মাকে ঐক্যকণ্ঠে কয় যে উপযুক্ত ছোৱালী উপযুক্ত লৰালৈ দিয়া হব—যদি লৰা-ছোৱালী উভয়ে উভয়ক ভাল পাইছে; আৰু প্ৰত্যেক লৰা বা ছোৱালীয়েও যদি মাক-বাপেকৰ সেই সঙ্কল্পত সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে, তেনেহলে আমাৰ সমাজত বিয়া-বাৰুৰ লগত সাধাৰণতে জড়িত হোৱা অশান্তিৰ পৰিস্থিতিবোৰ নিৰ্ম্মূল নহব নে?''

''ৰ'বা ৰ'বা।'' ৰৰকাকতিয়ে কথাৰ মাজতে কয়, ''ইমান উত্তেজিত নহবাচোন। মই কিবা নুবুজোনে? তুমি যেনেকৈ ভাবিছা, ময়ো তোমাৰ

দৰে ডেকা থাকোঁতে ঠিক তেনেকৈয়ে ভাবিছিলোঁ। পিছে কি হব? সমাজত বহুত কথাই হব লাগে বুলি আমি আটায়ে চিঞৰি আহিছোঁ, কিন্তু কামৰ বেলিকা সেই চিঞৰত আগ ভাগ লোৱাসকলেই প্ৰচলিত প্ৰথাতেই আকোৱালি ধৰি আহিছে। সেইবোৰ বাদ দিয়া। এতিয়া কোৱা, আমাক তালৈ গধূলিকৈ....”

“মই কব নোৱাৰো।” প্ৰজ্ঞানে গহীনাই কলে, “আপুনি এতিয়া যাওক, মোক ভাবিবলৈ দিয়ক। অ' আৰু এটা কথা, মই নিশ্চয় যাম, কিন্তু আপোনালোকে প্ৰতিশ্ৰুতি দিব লাগিব যে বিয়া-বাৰু সংক্ৰান্ত কোনো কথা যেন মোৰ লগত নেপাতে।”

হতাশ হৈ ৰৰকাকতি লাহে লাহে এখুজি দুখুজিকৈ প্ৰজ্ঞানৰ পঁজাৰ পৰা আহি ৰাজআলিত উঠিলহি।

ৰৰকাকতিয়ে গৈ ঘৰত যেতিয়া কলেগৈ যে বিয়াবাৰুৰ কোনো কথাই প্ৰজ্ঞানে শুনিব নোখোজে, ঘৰত আটায়ে, বিশেষকৈ অময়াই, মনত বৰ দুখ পালে। সেই দুখ ক্ৰোধত পৰিণত হ'ল। খণ্ডতে তাই গোটেই দিনটো একো নেখালে। কাৰো লগত একো মাতবোল নকৰাকৈ তাইৰ কোঠাৰ খিৰিকীখনৰ কাষত বহি বাহিৰৰ পিনে উদাস দৃষ্টিৰে চাই ৰ'ল। মাকে আহি কিমানবাৰ খাবলৈ মাতিলে কিন্তু প্ৰত্যেক বাৰেই ‘নেখাও যা’ বুলি ঘেঙেট্ মাৰি মাৰি উঠিল। অময়াৰ তলৰ ৰুমা, অলকা আৰু বিজয়াই বেয়া পালেও, বায়েক অময়াৰ সমান দুখ পোৱা নাছিল। কাৰণ তাইহঁতে জানে যে এই বিষয়ে সন্তোষজনক কিবা হলেও, তাইহঁতৰ লাভ-লোকচান একো নহয়। অময়াৰ আগেয়ে বিয়া নহৈ আৰু তাইহঁতৰ হব নে? সেইদেখি অময়াৰ কাৰণেহে তাইহঁতৰ বেয়া লাগিল।

প্ৰায় 8 মান বজাত চাহ খাবলৈ মাকে যেতিয়া মাতিলেহি অময়াই চাহো নেখাওঁ বুলি কলে। বিৰক্তিৰ সুৰত মাকে কলে, “থ থ হেৰ আই, এটা বলিয়াৰ কাৰণে ভাবি মূৰ ঘোলা নকৰিবি।”

“বলিয়াৰ কাৰণে?” অময়া ঘূৰি বহিল। মাকৰ মুখলৈ ডাঙৰ ডাঙৰ চকুহাল মেলি চাই ক'লে, “মা, তোমালোক বৰ স্বাৰ্থপৰ। বলিয়া! কোন বলিয়া? প্ৰজ্ঞানদা? কিয় বলিয়া? কাৰণ তোমালোকে ভবামতে কাম নহল! হোৱা হলে, প্ৰজ্ঞানদাৰ সমান ভাল মানুহ বোধকৰো আৰু কোনো নোলালহেঁতেন। তোমাৰ এই যুক্তি ‘আঙুৰ গুটি টেঙাৰ’ দৰে নহয় নে বাৰু?”

অময়াৰ মূৰ্ত্তি দেখি মাকে আকৌ দুনাই মাতিবলৈ সাহ নকৰিলে।

অময়া সেই একে ঠাইতে খিৰিকী মুখৰ পিনে চাই বহি থাকিল। চাওঁতে চাওঁতে গধূলিৰ কালিমুণি বেলিকা হ'লহি। এনেতে দূৰৈত অময়াই দেখিলে যে প্ৰজ্ঞানৰ দৰে কোনোবা এজন তাইহঁতৰ ঘৰৰ পিনে গহীন গহীনকৈ খোজ দি আগুৱাই আহিছে। তাইৰ বুকুখন চিৰিং কৰে গ'ল। সঁচাই। সঁচাই প্ৰজ্ঞানেই। অময়াৰ বুকুখন ঢপ্ ঢপাবলৈ ধৰিলে। তাই কি কৰিব কি নকৰিব একো ঠিক কৰিব নোৱাৰিলে। তাইৰ চকুৰ আগৰ পৰা সকলো বস্তু যেন আঁতৰি গ'ল। তাই চকুৰ আগত ধোঁৱা ধোঁৱা দেখিলে। মানুহজন আহি অময়াইঁতৰ আগফালৰ বাৰাণ্ডা পাওঁ পাওঁ হ'লহি। বলিয়াৰ দৰে চুলিটুলি মেলি অময়া আগফালৰ দুৱাৰ খুলি দিবলৈ গ'ল। মাকে কুবিবলৈ নিনিয়াকৈ ঘৰতে এৰি থৈ যোৱা চাৰি বছৰীয়া কেচুঁৱাই মাক ঘৰলৈ উভতি অহাৰ পিছত যেনেকৈ মাকক সাৱটি ধৰি উচুপে, অময়ায়ো দুৱাৰখন খুলি, ইতিমধ্যেই আহি বাৰাণ্ডাত ভৰি দিয়া প্ৰজ্ঞানৰ ডিঙিত দুই হাতে জপতিয়াই ধৰি উচুপিবলৈ ধৰিলে। প্ৰজ্ঞান হতভম্ব হোৱাদি হ'ল। লাহেকৈ অময়াৰ বাহুত ধৰি হাত দুখন নিজৰ ডিঙিৰ পৰা আলফুলকৈ একৰাৰলৈ যত্ন কৰি কলে, “অময়া, তোমাৰ কি হ'ল? এনেকুৱা কৰিব নেপায় নহয়। ৰ'লা ভিতৰত বহোঁগৈ।”

প্ৰজ্ঞানে অময়াক প্ৰায় দাঙি অনাৰ দৰে আনি দ্ৰইংৰুমৰ চোফা এখনত বহুৱাই দি, বিপৰীতে থকা আন এখন চোফাত বহি পৰিল। কোঠাটো প্ৰায় এন্ধাৰ হৈ যোৱা দেখি উঠি গৈ চুইচ টিপি এটা লাইট জ্বলাই দিলে। ঠিক এনেতে অময়াৰ মাক মিচেছ ৰৰকাকতি আন সাতজনী জীয়েকৰ সৈতে ফুৰিবলৈ যোৱা পোচাকত ভিতৰ ফালৰ পৰা আহি দ্ৰইংৰুম পালেহি। প্ৰজ্ঞান ইতিমধ্যেই আহি বহি থকা কথা যেন নেজানেই, ঠিক এই সুৰত কলে, “অ', প্ৰজ্ঞান, আহিছা? বেচ! বেয়া নেপাবা দেই। তুমি খন্তেক বহা, মই মিচেছ ৰৰদলৈৰ ঘৰৰ পৰা এই মাত্ৰ আহিছোঁ। সাত বিছৰ ভিতৰত যেনে তেনে তেওঁৰ তালৈ বিছ খাবলৈ মাতিছে। আজি পুৰা নিজে আহি দঢ়াই দঢ়াই কৈ গৈছে, নগলে ৰৰ বেয়া পাব। বাৰু বহা দেই—মই ১৫ মিনিটতে পাৰিলে উভতিম।” মিচেছ ৰৰকাকতি আৰু বাকী সাতজনী জীয়েক, এটা লানি নিচিগা পল্টনৰ দৰে, দ্ৰইংৰুমৰ মাজেৰে বাহিৰলৈ ওলাই গ'ল। বিপৰীত ফালে অময়া যে বহি আছিল, এই কথা কোনেও যেন নেজানেই!

“মাৰাইঁত তেনেহলে বিছ খাবলৈ গ'ল?” প্ৰজ্ঞানে সোধে।

"জানো ক'লৈ গৈছে!" বিৰক্তিৰ সুৰত অময়াই কয়।

"তোমাৰ আগতেই দেখোন কলে; মই নহা হলে জানো তুমি নগ'লাহেঁতেন?"

"সেইটো আপোনাক কেলেই? অময়াই অভিমানৰ সুৰত কয়, মই বিহু খাবলৈ যাম বুলি ভাবিতো আৰু আপুনি আজি নাহোঁ বুলি দেউতাৰ আগত কৈ পঠোৱা নাছিল?"

"দেউতাৰৰ আগত নাহোঁ বুলিতো মই কোৱা নাছিলোঁ। কৈছিলোঁ জানো?" প্ৰজ্ঞানে মিচিকিয়াই হাঁহি অময়ালৈ চালে।

"দেউতাৰ আগত যিহকে নহওঁক, মোৰ চিঠিৰ উত্তৰ নিদিলে কিয়" অভিযোগ অনাৰ সুৰত অময়াই কলে।

চিঠিৰ উত্তৰ দি, মই নিজে নহাতকৈ, উত্তৰ নিদিয়াকৈ নিজে অৰ্থ বোধকৰো তোমাৰ চিঠিৰ মৰ্য্যাদা অক্ষুণ্ণই ৰ'ল, নে নাই বোৱা?" প্ৰশ্ন কৌতূহলেৰে অময়ালৈ চালে।

"কথাত আপোনাক বলে নোৱাৰোঁ, জানো। কিন্তু কেৱল কৈ লৈয়েইতো মানুহ জীয়াই থাকিব নোৱাৰে। কথাতকৈও...."

"কথাতকৈও কি? কাম?"

"কথা, কাম, সকলো মিছা! সঁচা কি মই নিজেই নেজানো।" অময়াৰ চকু দুটা চল্‌চলীয়া হৈ উঠিল। বিহাৰ আঁচলেৰে তাই চকুপানী মছিলে। (বিহা তাই সাধাৰণতে নিপিন্ধে; কিন্তু বিহুৰ দিনাৰ পৰা নতুনকৈ পিন্ধিবলৈ আৰম্ভ কৰিছে, উদ্দেশ্য তায়ে জানে।)

"কালিতকৈ তোমাক অলপ খীণোৱা যেন...."

"আপুনিয়েই দায়ী।" অময়াই তপৰাই উত্তৰ দিয়ে।

"মই?"

"ওঁ আপুনি!" অময়াই উচুপে।

"কিয়? দেউতাৰেনো কি বুলি কৈছিল হি?"

"নাহে বুলি।" তাই উচুপি ক'লে।

"বেচ, এতিয়াতো আহিছোঁ। কান্দিবলৈ এৰিবানে নেৰা কোৱা নহলে মই গুচি যামগৈ।"

অময়াই ভাবিলে সৰ্ব্বনাশ। খং উঠি যদি প্ৰজ্ঞান গুচি যায়গৈ! একে কোবেই আহি প্ৰজ্ঞান বহা চোফাখনতে প্ৰজ্ঞানৰ নিচেই বহিলহি।

"আপুনি বেয়া পালে নেকি প্ৰজ্ঞানদা?"

"বেয়া নাই পোৱা! ভাবিছোঁ, আজি ঠিক এবছৰৰ আগতে শকুন্তলাক মই যেনে মূৰ্ত্তিত দেখিছিলোঁ, আজি ঠিক এবছৰৰ পিছত তোমাকো...."

"শকুন্তলা—শকুন্তলা—শকুন্তলা—কেৱল শকুন্তলাকহে আপুনি চিনি পায়!" অময়াই জোকাৰ মাৰি কলে—

"কেলেই? শকুন্তলাক তুমি ভাল নোপোৱা নেকি?" প্ৰজ্ঞানে অময়াক জোকাই খং তোলাৰ লোভ সামৰিব নোৱাৰিলে।

"কেনেকৈ জানিলে, মই শকুন্তলাক ভাল নেপাওঁ বুলি?" অময়াই বিস্ফোৰক দৰে সোধে।

"কাৰণ শকুন্তলাৰ নাম শুনিয়েই দেখোন তুমি জপিয়াই উঠিলা?"

"হেছে, হৈছে...."

"কি কৰ খুজিছা কৈ পেলোৱা। বুজিছোঁ, তুমি শকুন্তলাক ভাল পোৱা। তাৰ পিছত?"

"কোনে কলে শকুন্তলাক মই চকুৰ কুটা আৰু দাঁতৰ শূল যেন দেখোঁ?" অময়াৰ মুখৰ জোকাৰণি দেখি—প্ৰজ্ঞানে হোঁ হোঁ কৰে হাঁহি দিলে।

"বোলোঁ, গোসাঁই ঘৰত কোন? বোলে, কল খোৱা নাই। মই জানো তোমাক সুধিছিলোঁ, যে শকুন্তলা তোমাৰ চকুৰ কুটা...."

"নুশুধিলেও মই জানিছোঁ।" অময়াই দৃঢ়ভাৱে কয়।

"জানিছা, ভাল হৈছে; কিন্তু তুমিনো কেলেই ভাবিছা যে মই এতিয়া 'ডন্-যুৱান'ৰ ভাও দি, ৰাজ্যৰ সকলো ছোৱালীৰ লগত প্ৰেম কৰি ফুৰিব লাগিব?"

"তাৰ মানে আপুনি ডন্-যুৱান নহয়?" অময়াৰ কথাত ঠাট্টাৰ সুৰ এটি স্পষ্টকৈ ধৰা পৰে।

"কেনেকৈ জানিলা যে মই হওঁ?"

"যিজন মানুহে প্ৰতিভা আৰু শকুন্তলা এই দুয়োজনীকে একেলগে ভাল পাওঁ বুলি কব পাৰে—"

"কেনেকৈ জানিলা যে মই তোমাকো ভাল নেপাওঁ?" প্ৰজ্ঞানে এইবাৰ তেওঁৰ চিক্‌চিকিয়া বগা ওপৰৰ দাঁত পাৰি উলিয়াই, বহলকৈ হাঁহি মাৰি অময়ালৈ চালে।

"ধেমালি নকৰিব প্ৰজ্ঞানদা। ছোৱালীৰ চকুত সঁচাকৈয়ে প্ৰেমত পৰা মানুহে যে কথা লুকুৱাই সাৰিব নোৱাৰে, এই কথা আপুনি জানে বুলি ভাবিছিলোঁ...."

"তেনেহলে, মই যে তোমাক ভাল পাওঁ, সেইটো তুমি মোৰ মুখলৈ চায়েই এতিয়া বুজিব পাৰিছা?"

প্রজ্ঞানে কথাষাৰ তৰ্কৰ খাতিৰত কলেও, অময়াৰ কাণ দুখন তপ্ত হৈ উঠিল। প্রজ্ঞানে অৱশ্যে দেখিছিল যে লাজতে অময়াজনী টিক্‌টিকে কৰে ৰঙা হৈ পৰিছে।

"কোৱা, নোকোৱা কিয়?" প্রজ্ঞানে সোধে।

"ম....ম....মই, ম....ম....মই...." অময়াৰ মুখত ভালকৈ মাত নুফুটিল হ'ল! বেচেৰী লাজতে যেন এতিয়া মুচ্‌কচহে যাব!

বেলেগ ধাতুৰে গঢ়া মানুহ প্রজ্ঞান। প্রজ্ঞানৰ হাতৰ তলুৱা পৰীক্ষা কৰিলে নিশ্চয় দেখা যাব যে তেওঁৰ ওপৰত শুক্র আৰু চন্দ্রৰ দৃষ্টি পূর্ণ। সূর্য্য আৰু বৃহস্পতিৰ ঘৰ নাতি উচ্চ। দীঘল-সংকীর্ণ-অথচ-উজ্জ্বল আৰু গভীৰ মেধা ৰেখা চন্দ্রৰ ওপৰলৈকে বৈ পৰা। বৃহস্পতিৰ ঘৰত ত্রিভুজ। দৰে দুভাগ হৈযোৱা হৃদয় ৰেখা। সূক্ষ্ম আয়ু ৰেখা। যশ ৰেখা অৱশ্য উজ্জ্বল হলেও ঠিক হৃদয় ৰেখাৰ অলপ তলতেই শেষ হোৱা, চুটি। কনিষ্ঠ আঙুলিৰ তলত বুধৰ গৃহত ওপৰৰ পৰা তললৈ অহা এডাল অতি সূক্ষ্ম ৰেখাও মন কৰিবলগীয়া। ভাগ্য ৰেখা আৰু স্বাস্থ্য ৰেখাৰ চিন-মাকো নাই! এনেকুৱা এখন হাতৰ অধিকাৰী হৈ জন্ম গ্রহণ কৰা প্রজ্ঞান য'তে ত'তে যেনেকৈ পাই তেনেকৈ নিজকে খাপ খুৱাই, নিজৰ নিজস্বতা চেপি ৰাখিব পৰা মনোভাব এটা যে লৈ অহা নাই, ই নিশ্চয়। নিজৰ ভাগ্য বা দুর্ভাগ্যৰ নিজেই বিধাতা স্বৰূপ প্রজ্ঞানৰ ভৱিষ্যতৰ সুখ-দুখ সকলো নিজৰ হাতৰ মুঠিত! কেৱল নির্ভৰ কৰিছে প্রজ্ঞানে কেনেকৈ তাক পৰিচালিত কৰে, তাৰ ওপৰত।

অতি সংযতভাৱে প্রজ্ঞানে কলে, "অময়া তোমাৰ হৈছে কি? বর্ত্তমান মানসিক-মেৰপাকৰ পৰা উলিয়াই অনাত মই তোমাক কিবা সহায় কৰিব পাৰোঁ নে?"

"কি মেৰপাকৰ কথা কৈছে?" অময়াই বিৰক্তিৰ সুৰত সোধে। "এনে মেৰপাকত কেৱল ময়েই হে যেন পৰিছোঁ! আন পৰাই নাই! আন কাকো সহায় নকৰাকৈ, মোৰ প্রতিনো হঠাৎ ইমান দয়া উপজিল কিয়?"

"তোমাৰ বুদ্ধিৰ মই শলাগ লৈছোঁ, অময়া। কিন্তু মোৰ ভয় হয় জানোছা প্রেমৰ আহন্মক সংস্পর্শলৈ আহি তোমাৰ বুদ্ধিৰো আহন্মক প্রাপ্তি হয়! মনত ৰাখিবা, প্রেমৰোগে পোনে পোনেই কিন্তু আক্রমণ কৰে মানুহৰ মেধাশক্তিকহে!"

"স্বীকাৰ কৰোঁ।" অময়াই ভেঙুচালিৰ সুৰত কয়, "মোৰ ক্ষেত্রত যদি সেইটো সঁচা হয়, মই বুজি নেপাওঁ, আপোনাৰ ক্ষেত্রত সি দুগুণে সঁচা নহব কিয়?" এক মুহূর্ত্ত বৈ অময়াই আকৌ কয়, "হয় আপুনি শকুন্তলাক ভাল পায়, নহলে প্রতিভাক। কিন্তু দুয়োকে ভাল পাওঁ বুলি ভণ্ডামিৰ মুখা পিন্ধিলে, কোনে বাৰু নেভাবিব যে আপোনাৰ মেধাকো যে প্রেমৰোগে আহন্মকত্বৰ বেড়ি পিন্ধাই দিয়া নাই?"

"আন সকলো মানি ললেও, ভণ্ডামিৰ আশ্রয় লোৱা কথাটো মানি লোৱা মোৰ পক্ষে অসম্ভৱ। মই যদি কবিব নোৱাৰা কিবা কাম আছে, তাৰ ভিতৰত ভণ্ডামিয়েইযে স্থান পাব প্রথম!" বাহিৰত শান্ত হৈ থাকিলেও, প্রজ্ঞানে মনত বৰ দুখ পালে। ধেমালিতেও যদি কোনোবাই প্রজ্ঞানক মিছা কথা কোৱা বুলি কয়, প্রজ্ঞানে সহিব নোৱাৰে। সৰুৰে পৰা প্রজ্ঞানে মিছা কথা কবলৈ শিকা নাই। আৰু মিছা কথা কব নোৱাৰাৰ কাৰণে, জীৱনত বহুতো বাৰ ডাঙৰ ডাঙৰ বিপদত পৰিবলগীয়াও হৈছিল। তথাপিও প্রজ্ঞানে মিছা কথা কব নোৱাৰে। ল'ৰা প্রজ্ঞান আৰু ডেকা প্রজ্ঞানৰ মাজত নিশ্চয় পার্থক্য আছে। ল'ৰাকালত নকবলগীয়া সঁচা কথা কৈ প্রজ্ঞান বিপদত পৰিছিল। এতিয়া অৱশ্যে অপ্রিয় সত্য প্রজ্ঞানে কোৱাতকৈ, একো নোকোৱাকৈ মনে মনে থাকিবলৈ অভ্যাস কৰিছে। কিন্তু মিছা কথা? মৰি গলেও প্রজ্ঞানে মিছা মাতিব নোৱাৰে। এনেস্থলত অময়াই যেতিয়া প্রজ্ঞানক মিছাত পেলালে, প্রজ্ঞানৰ স্বাভাৱিকতে খুব খং উঠিল। কিন্তু এজনী ছোৱালীৰ ওপৰত, বিশেষকৈ ছোৱালীজনীয়ে প্রজ্ঞানক ভাল পায় যেতিয়া, প্রজ্ঞানে প্রভুত্ব দেখুৱাবলৈ ইচ্ছা নকৰিলে। কেৱল নম্রভাৱে কলে,

"অময়া, প্রজ্ঞানৰ মন কিহেৰে গঢ়া তাৰ উমান নোলোৱাকৈ তাক মিছলীয়াৰ শাৰীলৈ ঠেলিবলৈ তুমি যত্ন কৰা দেখি মই মর্ম্মাহত হৈছোঁ।"

অময়াই দেখিলে কথা বেয়া হ'ল। পট্‌কৰে সুৰ বদলাই কলে, "প্রজ্ঞানদা, আপোনাৰ মনত কষ্ট দিয়া মোৰ উদ্দেশ্য নহয়। দুর্ব্বলতা হলেও মোৰ মনৰ ভাব আপোনাৰ আগত প্রকাশ কৰি, মনটো পাতলাবলৈহে তেনেকৈ কৈছিলোঁ। ক্ষমা জানো নকৰিব?" অময়াই কাতৰ চাৱনিৰে প্রজ্ঞানৰ মুখলৈ একেথৰে চাই ৰ'ল।

প্রজ্ঞানৰ মুখখন অস্বাভাৱিকভাৱে গম্ভীৰ হৈ যোৱা যেন অময়াই অনুভৱ কৰিলে। সঁচাকৈয়ে প্রজ্ঞান গভীৰ ভাবত বুৰ দিছিল। অতি গম্ভীৰভাৱে প্রজ্ঞানে কলে, "শুনা অময়া, মই যদি মিছা কথা কব পাৰিলোঁহেঁতেন, তেনেহলে এতিয়া মানে মোক অট্টালিকাত বাস কৰা তোমালোকে দেখিবলৈ

পালাহেঁতেন! মই জানো, মিছা কথা কব নোৱাবাতো বা ঠগ-জুৱাচুৰি ভেটী-ভুটা আদি দুর্নীতিৰ আশ্রয় লবলৈ আপৰগ হোৱাটো, আজিৰ যুগত এটা ডাঙৰ মূর্খামি। কিন্তু তেনে মূর্খামিকেই সাদৰে সাৱতি লৈ, আজি মই বাটৰ ভিকহু নহলেও, প্রায় তেনেকুৱা অৱস্থাতেই পৰিবলগীয়া হৈছোঁ বুলি বেচ বুজিব পাৰিছোঁ। কোন সতে বাৰু তুমি মোক তেনেকৈ কব পাৰিলা?" প্রজ্ঞান হঠাৎ খুব ভাবপ্রৱণ হৈ গ'ল।

"শুনক প্রজ্ঞানদা, অৱস্থা টনকীয়াল কৰাত কোনোৱে হয়তো ফাঁকি-ফুকাৰ আশ্রয় লব পাৰে; কিন্তু সেই বুলি প্রত্যেক অৱস্থাপন্ন মানুহেই যে ফাঁকিবাজ, এই কথা মই স্বীকাৰ নকৰোঁ। ঠিক তেনেকৈ ভণ্ডামিৰ আশ্রয় লৈ কোনোৱে হয়তো প্রেমৰ মঞ্চত ভাও দিব পাৰে, কিন্তু সেই বুলি প্রেমৰ মঞ্চত ভাও দিবলগীয়া হলেই যে ভণ্ড হব লাগিব, তাৰ কোনো মানে নাই। মই নিৰিচাৰোঁ, আপুনি মোক মুখতে ভালপাওঁ বুলি কৈ মোক সন্তুষ্ট কৰক। মই বিচাৰোঁ, মোৰ ভালপোৱাক আপুনি যেন অস্বীকাৰ নকৰে। মই জানো, আপোনাৰ ভালপোৱা আপোনাৰ; আৰু মোৰ?.... মোৰ।" অময়াই হুক্ হুক্ কৰে কান্দি দিলে। প্রজ্ঞানে কি কৰোঁ। নকৰোঁ। কৈ উচ্পিচাবলৈ ধৰিলে।

"আ—স্! কান্দিছা কেলেই অময়া?" প্রজ্ঞানে মৰমসনা ৰিৰক্তিৰ সুৰত কলে, "ছোৱালী হলেইনো কান্দিব লাগেনে? কোৱাচোন বাৰু মই কি কৰিব লাগে?"

"এই জনমত ধর্ম্ম যুধিষ্ঠিৰ হৈ কষ্ট ভোগ কৰি, অহা জনমত ৰজাৰ সুখত থাকিবলৈ পুণ্য অর্জ্জন কৰাতকৈ, এই জনমত ৰজাৰ সুখত থাকিবলৈ যত্ন কৰাতোৱেই বুদ্ধিমানৰ পৰিচায়ক বুলি মই ভাবোঁ। প্রজ্ঞানদা, আজিৰ যুগত জন্ম গ্রহণ কৰিছে যেতিয়া, যুগ ধর্ম্ম মানি চলিলেই মই সুখী হম।"

"বেচ কথা, তোমাৰ কথামতেই মই বাৰু যুগধর্ম্ম মানি চলিবলৈকে চেষ্টা কৰিম। কিন্তু যুগধর্ম্ম বুলি কওঁতে তুমি কি অর্থ কৰিছা? আজিৰ যুগৰ ধর্ম্মনো কেনেকুৱা?" প্রজ্ঞানৰ কথাত ঠাট্টাৰ সুৰ মিহলি থাকিলেও প্রজ্ঞানে আন্তৰিকতাৰেই অময়াৰ মনৰ ভাব বুজিবলৈকে তেনেকৈ কৈছিল।

এইবাৰ অময়া অলপ আহুকালত পৰিল। যুগধর্ম্ম যুগধর্ম্মকৈ সকলোৱে চিঞৰে, কিন্তু যুগধর্ম্ম কি? বুজেইবা কেইজনে? অময়া এজনী কুৰি বছৰীয়া ৪র্থ ৰাষিক কলাৰ ছাত্রী মাথোন। কিমানেইবা বোধশক্তি হৈছে তাইৰ? দর্শন শাস্ত্র পঢ়ি পৰীক্ষাত নম্বৰ ধৰিব পৰা হলেইতো আৰু দর্শন বিশেষজ্ঞ হব নোৱাৰি।

অময়াৰ অসুবিধাতো বুজিব পাৰি প্রজ্ঞানে কলে, "তুমি কি কব খুজিছা, মই ধৰিব পাৰিছোঁ! পিছে, আজিৰ যুগতো মানসিক প্রতিজ্ঞাৰ মূল্য সম্পূর্ণৰূপে লোপ পোৱা নাই। আজিৰ যুগতো নিজক ফাঁকি দিব নোৱাৰা লোকৰ মন এটাহে, দুটা নহয়। অৱশ্যে যিবিলাক লোকৰ মনৰ স্থিৰতা নাই, তেনে লোকৰ ওচৰত কোনো প্রতিশ্রুতিৰেই মূল্য নেথাকে। কিন্তু নিজৰ মনক সংযত কৰিবলৈ, নিজৰ মনৰ ওপৰত সামান্য প্রভুত্ব বিস্তাৰ কৰিবলৈকো, যি সক্ষম হৈছে, তেনে লোকে কাঙ্কুলি মাছৰ দৰে যেনি তেনি লুটিবাগৰ দি, নিজৰ পথ বচনা কৰিব নোৱাৰে। বুজিছা! ময়ো এৰিধ মাছেই। বোধকৰোঁ, আজিৰ যুগৰেই!....আজিকালিও জানো ৰজাৰত ৰৌ মাছ নোলায়?" ক্ষন্তেক ৰৈ প্রজ্ঞানে আকৌ কয়, "যুগধর্ম্ম মানি চলিবলৈ হলেও, মই ৰৌ মাছৰ দৰেহে মানিম, কাঙ্কুলি মাছৰ দৰে নহয়! যাৰ লাঙি জালে মোক ঢুকি পাইছে বা পাৰ, তেনে জালোৱাইহে মোক তুলিব পাৰিব! এতিয়া বুজিলা নহয়, মই মোৰ যুগধর্ম্ম পালন কৰিবলৈ কেনেকৈ ইচ্ছুক?"

অময়াই ভাবিলে, এনে বাক-বিতণ্ডাৰ শেষ নাই। যি উদ্দেশ্য লৈ সেইদিনা প্রজ্ঞানক মতা হৈছিল, ইমান কথা-বতৰাৰ মাজতো অময়াৰ মনত সেইটোৱেই খেলায় আছিল। অময়াই চেলু বিচাৰি আছিল কেনেকৈ কথাৰ মোৰ ঘুৰাই আচল কথালৈ আহিব।

"হঠাৎ বৰ গৰম পৰি গ'ল নহয়, প্রজ্ঞানদা?"

"গৰম? পৰিছে নেকি?" প্রজ্ঞানে হাঁহি সোধে।

"টেবুল ফেনখন খুলি দিওঁ?"

"তোমাৰ ইচ্ছা।" প্রজ্ঞানে লাহেকৈ কয়।

"মোৰ ইচ্ছাৰে আপোনাক সন্তুষ্ট কৰিবৰ ইচ্ছা মোৰ নাই, যাচি দিয়া সোণৰ মূল্য কম...."

"বাৰু, মোৰ ইচ্ছা মতেই ফেনখন খুলি দিয়া, তেতিয়া হলে নিশ্চয় মূল্য থাকিব।" প্রজ্ঞানে হোঁ হোঁ কৰে হাঁহি দিয়ে।

ফেনখন খুলি দিয়াৰ লগে লগে অময়াই কলে—

"চাহ একাপ কৰোঁ, খাবনে প্রজ্ঞানদা?"

"আপত্তি নাই।"

"বহক তেনেহলে এক মিনিট, মই এই মাত্র...."

"তুমি নিজেহে কবিব লাগিব নেকি ?"

"লবা দুয়োটাকে মাই এঘণ্টাব কাবণে ছুটী দিছে।"

"ছুটী দিছে, কিয় ?"

"বজাবলৈ যাবলৈ।"

"তেনেহলে ছুটী নহয়, কামত গৈছে ?"

"কামত গ'লেও এঘণ্টা বাহিবত থাকিবলৈ সিহঁতক মাই ছুটী দিয়া আজিয়েই প্রথম।" অময়াই কথাষাব ঠেলিয়াই কৈ প্রজ্ঞানব মুখব পবিবর্ত্তনলৈ লক্ষ্য কবি আগ্রহেবে বাট চালে।

ইমান সহজে ধবা পবা মানুহ প্রজ্ঞান নহয়। অময়াব কথাব পেঁচটি আওপাকে ঘূবাই, প্রজ্ঞানে লাহেকৈ ক'লে, "বোধকবোঁ আলহী আহিব বুলি জানি মাবে ল'বা দুয়োটাকে একেলগে হাবা খাবলৈ পঠালে, নহয়নে ?"

—প্রজ্ঞানব কথা যেন শুনাই নাই, ঠিক এনেকৈ বহাব পবা উঠি অময়াই ক'লে, "বাকু বহক, মই আহিছোঁ!"

"নেলাগে আঁহা, চাহ নেখাওঁ—"

"এইমাত্র হব ; ইলেক্‌ট্রিক হিটাবত পাঁচ মিনিটতে...."

"কেঁচা খবীবে, অতি কষ্টেবে ফুবাই ফুবাই জলোবা জুইত তপতোবা পানী, ধোঁবাই ধবি চল্‌চলীয়া হোবা চকু, আকু জুইব তাপত সেন্দুবীয়াজনী হৈ, আউলি-জাউলি চুলিবে ধুনীয়াতকৈও ধুনীয়াজনী হৈ কৈশোব আকু যৌবনব দোমোজাত থিয় দিয়া এজনী ছোৱালী!....তাই তৈয়াব কবি অনা এপিয়লা চাহ। তাব লগত ইলেক্‌ট্রিক হিটাবত পাঁচ মিনিটতে কবি অনা চাহে যোব মাবিব পাবে জানো ?"

সোঁ-কান্ধব ওপবেবে পিছলৈ মূব ঘূবাই প্রজ্ঞানলৈ চাই, হাঁহো নেহাহোঁ কবা মুখখনিবে, অময়া সিটো কোঠালৈ গৈ, ঠিক পাঁচ মিনিটতে দুপিয়লা চাহ তৈয়াব কবি আনিলে। প্রজ্ঞান বহা চোফাখনব কাষতে থকা এখন সকু টিপয়ব ওপবত চাহ দুপিয়লা থৈ কলে, "খাওঁক, প্রজ্ঞানদা।"

"চেঁচা চাহ হে মই খাওঁ।"

"কি যে কচি আপোনাব ?"

"চেঁচা কচি ? নহয় জানো ?" প্রজ্ঞানে বগবব সুবত সোধে।

"ঠাই বিশেষেহে বোধকবোঁ!" সেই একে সুবতে অময়াই উত্তব দিলে।

"কিছুমান ছোৱালী আছে, কথা কব নেজানে, আকু কিছুমান আছে, বেচি কথা কয়ঃ দুয়ো বিধবেই আদব কম।" প্রজ্ঞানে ক'লে।

অময়াব মুখখন গহীন হৈ গ'ল। "মই কোন বিধত পবোঁ ?"

"তুমি ? তুমি ? কোনো বিধতেই নপবা।" প্রজ্ঞানে কলে।

উৎসাহেবে চকু দুটা ডাঙবকৈ মেলি অময়াই প্রজ্ঞানব মুখলৈ চালে।

"ইংবাজীত এষাব কথা আছেঃ জ্ঞানী লোকে ইঙ্গিততেই বুজি পায়!—সেইমতে—" অময়াই স্থিব দৃষ্টিবে প্রজ্ঞানলৈ চাই কয়,

"মই তেনেহলে কথা কম কোৱা এজনী ছোৱালী, নহয় নে ?"

হোঁ হোঁ কবে হাঁহি প্রজ্ঞান চোফাখনব আওজাপিনে বাগবি গ'ল। তাব পিছত চাহ পিয়লা হাতত লৈ কলে,

"তেনেহলে মই হাব মানিলোঁ। চাহ পিয়লা তপতে তপতেই খোৱা যাওঁক, কি কোৱা ?" তাব পিছত অময়াক ইঙ্গিত দি কলে,

"আগ্রহেবে যঁচা খোৱাবস্তু একেলগে খালেহে বোলে ভবিষ্যতলৈকো সেই কথা মনত থাকে। মই খাম, তুমি চাবা ? এইটো কেনেকৈ হব পাবে ?"

"বাকু খাইছোঁ—" এই বুলি অময়ায়ো চাহ পিয়লা হাতত ললে।

ঠিক এনেতে মিচেছ ববকাকতি আকু তেওঁব পিছে পিছে অহা সাতজনী ছোৱালীব বেজিমেণ্ট্‌টো আগফালব কোঠাত সোমালহি। সোমোৱাব লগে লগে মিচেছ ববকাকতিয়ে ক'লে, "ইহ! বহুত পলম হৈ গ'ল। কৈছিলোঁ হয়, পোন্ধব মিনিটতে আহিম। কিন্তু আহোঁনো কেনেকৈ ? মিচেছ ববদলৈয়ে এবিকে দিব নোখোজে। ইমান সাদবী মানুহগবাকী দেহি!"

প্রজ্ঞানে হাঁহো হাঁহো কবা মুখেবে ববকাকতিনীলৈ চালে।

তেওঁ কৈ গ'লঃ

"বুজিছা প্রজ্ঞান। মই তোমাব কথা কলোঁ। কলোঁ, যে বিহুব আলহী মোব ঘবতো বহি আছে। তেওঁ কি কলে জানা ?"

"কি ?"

"কলে যে আপোনাব ছোৱালী অময়াক দেখোন থৈয়েই আহিছে। অময়াতকৈনো আপুনি বেচি সোধপোছ কবিব পাবিবনে ? তাব পিছত বুজিছা, মানুহ গবাকীয়ে ইমান যে হাঁহিলে—হাঁহি—হাঁহি বাগবি গ'ল। উঠে, আকৌ হাঁহে। আকৌ বাগবি যায়....। সুধিলোঁ....কেলেই হাঁহিছে ? একো নকয়....কেৱল....মোলৈ হাতব আঙুলি টোৱায় আকু হাঁহে।....মই ভাবিলোঁ মানুহ গবাকী বলিয়া হ'ল....পিছে....নহয়। ভিতবলৈ চকুব ঠাঁবেবে মাতি নি কলে...." মিচেছ ববকাকতি হঠাৎ বৈ গ'ল।

"কি ক'লে ?" প্রজ্ঞানে আগ্রহেবে সোধে।

ক'লে যে আগৰ চাৰিজন জোঁৱাইকো বোলে মই এই নিয়মেৰেই লাভ কৰিছিলোঁ।

শেহৰ কথাখিনি মিচেছ ৰৰকাকতিয়ে সাধাৰণভাৱে ক'লেও, প্ৰজ্ঞান গহীন হৈ গ'ল। হঠাৎ পাতল পৰিবেশটো এটা অস্বস্তিকৰ বাতাবৰণে ঢাকি ধৰিলে। সকলোৱে সেইটো অনুভৱ কৰিলে।

চোকা বুধিৰ ছোৱালী অময়া। তাই পট্‌কৈ সুধিলে,

"মা, তুমি বাৰু কেনে? দুয়োটা ল'ৰাকে একেলগে ছুটী দিব লাগেনে? সিহঁত ওলাই যোৱা এঘণ্টাৰো ওপৰ হ'ল। চাকৰক ইমান লাই দিয়া...."

"ক'তনো লাই দিয়া দেখিলি মোৰ আই? চাকৰ হলেও সিহঁত জানো মানুহ নহয়? ফুৰা-চকা আমিহে কৰিব লাগে?"

মাকৰ মুখত এনে কথা অময়াই আগেয়ে কেতিয়াও শুনা নাই। অময়াই ভাবিলে আজি মাকৰ হঠাৎ এই ভৃত্য-প্ৰীতিটো ক'ৰ পৰা জাগিল?— প্ৰজ্ঞান নথকা হ'লে মাকক হয়তো সুধিলেহেঁতেন। কিন্তু এদিনীয়া আলহী এজনৰ ওচৰত মাকক লাজত পেলোৱাতো অন্যায় হব বুলি, অময়া মনে মনে থাকিল। মাকে লাহেকৈ সুধিলে:

"সিহঁত এতিয়াও অহা নাই নে?"

"অহা হলে, প্ৰজ্ঞানদাক আৰু মই চাহ কৰি দিবলগীয়া হ'লহেঁতেন নে, নহয় বাৰু প্ৰজ্ঞানদা?"

"চাকৰে চাহ কৰিলে নাই চেনি, নহলে গাখীৰ—দুটাৰ এটা বেচি হবই। দুটাৰ এটানো কিয়? দুয়োটাই বেচি হব, নহব জানো?" প্ৰজ্ঞানে ঘোপাকৈ অময়ালৈ চালে।

"বেচি নহৈ কমো হব পাৰে, সেইটো নিৰ্ভৰ কৰে গৃহিণীৰ নিৰ্দ্দেশৰ ওপৰত, নহয় জানো?" অময়াই কয়।

"হয়, কিন্তু গৃহিণীয়ে নিজ হাতে তৈয়াৰ কৰা চাহৰ চোক বেলেগ—"

"কোনে?" অময়াই খপ্ কৰে সোধে।

"মাজিত—।"

"মানে?"

"মানে অতিৰিক্ততাৰ তিক্ততা তাত নেথাকে!"

"মানে?"

"মানে, অতি অমৃতত গৰল, আৰু অতি মিঠাত তিতা সোমাই থাকে। মিছা জানো?" প্ৰজ্ঞানে এইবাৰ পোন হৈ বহি মিচেছ ৰৰকাকতিৰ মুখলৈ চাই কলে,

"আপুনি দেখোন এতিয়াও থিয় হৈয়ে থাকিল?"

"অ', তহঁত বহ।" ছোৱালীজাকৰ পিনে চাই মাকে কলে। দ্ৰইং-ৰুমটো শুৱাই আটাইজাক ছোৱালী বহি পৰিল। মাক তেতিয়াও থিয় হৈয়ে থাকিল।

"তাৰ মানে আপুনি নবহে? তেনেহলে মই উঠোঁ।"

প্ৰজ্ঞান যাবলৈ উঠিল।

"নাই নাই বহা, বহা।" মিচেছ ৰৰকাকতি প্ৰজ্ঞান বহা চোফাৰ কাষৰে চকী এখনত বহি পৰিল। প্ৰজ্ঞানো আকৌ বহিল।

"বাৰু কওঁক বাইদেউ....আপোনাক বাইদেউ বুলিয়েই মাতিম, কি কয়?" প্ৰজ্ঞানে সোধে।

"তোমাৰ যি ইচ্ছা, বুঢ়ী আই বুলিলেও মই বেয়া নেপাওঁ।"

"বুঢ়ীক বুঢ়ী বুলিলেহে বুঢ়ীয়ে বেয়া পায়!" প্ৰজ্ঞানে দুষ্ট হাঁহি এটিৰে মিচেছ ৰৰকাকতিৰ ধুনীয়া মুখখনলৈ একেখৰে চাই ৰ'ল।

"কি চাইছা?—চুলি পকিছেনে নাই? নহয় জানো?" এটাইজাক ছোৱালীয়ে মাকৰ লগতে হাঁহিত যোগ দিলে। প্ৰজ্ঞানেও হাঁহিলে। নেহাঁহিলে কেৱল অময়াই। মাকৰ এনেকুৱা ধেমালি, কিয় জানো? অময়াই ভাল নেপায়। অময়াই জানে, বয়স হলেও মাকৰ স্বাস্থ্য তাইহঁততকৈও বেচি উজ্জ্বল। তাই এইটোও জানে যে, দেখাত মাকক এতিয়াও ২৫।২৬ বছৰীয়া ছোৱালী যেন দেখি। আটাইজাক ছোৱালীৰ মাজত মিচেছ ৰৰ-কাকতিক চিনি নোপোৱা মানুহে দেখিলে কব যে ডাঙৰ বায়েক। মাক বুলি ক'লে জঁপিয়াই উঠিব।

প্ৰজ্ঞানে কালি বাতি বিহু খাবলৈ আহোঁতেই সেইটো মন কৰিছিল; আৰু আজি দেখিও কালি ভৰা কথাটোকেই আৰু বেচি সঁচা যেন লাগিল।

"কালি বিহুৰ বিষয়ে লিখা মোৰ কবিতাটো পঢ়িলে নে?" প্ৰজ্ঞানে মিচেছ ৰৰকাকতিলৈ চাই সুধিলে। আটাই কেইজনী ছোৱালীয়ে মাকৰ লগে লগে একেলগে নিজৰ হাতৰ তলুৱা আৰু আঙুলিবোৰ পৰীক্ষা কৰিবলৈ ধৰিলে। জেতুকাৰ বোলেৰে বোলোৱা ওঠৰখন ধুনীয়া হাত দেখি প্ৰজ্ঞানৰ ৰৰ ভাল লাগিছিল। অময়া কিন্তু গহীন হৈ বহি থাকিল। প্ৰজ্ঞানে উৎসাহেৰে আটাইলৈকে চাই দৃশ্যটো উপভোগ কৰিলে। তাৰ পিছত হঠাৎ অময়াৰ পিনে মুখ ঘুৰাই দেখে যে অময়াজনী গোঙোৱা মাৰি বহি আছে। প্ৰজ্ঞানৰ উদ্যমত সেয়ে চেঁচা পানী ঢালি দিলে।

অময়াই গহীনাই কলে, "কবিতাটো আপুনি মাৰ কাৰণেহে লিখিছে—"

"কোনে কলে ?" প্রজ্ঞানে সাধাৰণভাৱে কলে, "তোমাৰ মাৰক দেখাৰ আগতেই জানো মই সেইটো লিখা নাছিলোঁ ?"

"যেতিয়াই নিলিখক, কাগজখিলাৰ এচুকত 'মিচেছ ৰৰকাকতিলৈ' বুলি লিখি দিছিল কিয় ?"

"ভাবিছিলোঁ বায়েকে আটাইকেইজনী ভনীয়েকক কবিতাটো পঢ়ি বুজাই দিব, সেই বুলিহে !"

"আপুনি কিন্তু আমাক অপমান কৰিছে প্রজ্ঞানদা। মাক—কোনো কালেই জীয়েকহঁতৰ বায়েক হব নোৱাৰে!" অময়াৰ খং উঠি যায়।

"বায়েকৰ দবে দেখি দেখিহে কৈছোঁ।" প্রজ্ঞানে সহজভাৱেই কলে।

"হওক, তথাপি আপুনি তেনেকৈ কব নোৱাবে!" অময়াই খঙতে ইচাটি-বিচাটি কৰিবলৈ ধৰিলে। বাকী কেইজনী ছোৱালীয়ে কথাটো কি হৈছে ভালকৈ টং কৰিব নোৱাৰিলে।

এফালে অময়াৰ খং আনফালে প্রজ্ঞান আৰু মিচেছ ৰৰকাকতিৰ বুকুত অতর্কিতেই জাগি উঠা বুজাব নোৱাৰা কিবা এটা! বাৰে বাৰে মিচেছ ৰৰকাকতি আৰু প্রজ্ঞান উভয়েই উভয়ৰ চকুলৈ চাবলৈ ধৰিলে। আঠযোৰ তীক্ষ্ণ চকুৰ কৌতূহল মিশ্রিত দৃষ্টিলৈকো কেৰেপ নকৰি, প্রথম দর্শনতে প্রেমত পৰা এহাল ডেকা-গাভৰুৰ দবে, দুয়ো দুয়োৰ পিনে চাই বাকী সকলোকে পাহৰি পেলালে! কি হৈ গ'ল প্রজ্ঞানে বুজিবই নোৱাৰিলে। মিচেছ ৰৰকাকতিৰো সেই অৱস্থা। তেওঁ ভাবিলে, 'হঠাৎ তেওঁৰ কি হ'ল ?' জীৱনত আজিলৈকে তেনে অৱস্থা তেওঁৰতো কেতিয়াও হোৱা নাই। ইফালে প্রজ্ঞান ভাব সাগৰত ডুব দিলে। প্রজ্ঞানৰ মনত পৰি গ'ল দুহেজাৰ বছৰ আগৰ নীল নদীৰ কুহকিনী ক্লীয়োপেট্রাৰ কথা, যাৰ কটাক্ষত বিশ্ববিশ্রুত অপৰাজেয় ৰোমান বীৰ ৫৫ বছৰীয়া সিংহপুৰুষ জুলিয়াছ চিজাৰো ভেৰাব পর্য্যায়লৈ অধঃপতিত হৈছিল! বয়সক বশ্যতা স্বীকাৰ কৰোৱাই, হাতৰ মুঠিত লুকাই ৰাখিব পৰা ক্ষমতাৰ অধিকাৰিণী সুৱর্ণাক্ষী, দুকুৰিৰ দেওনা ডে'ৰ খোজা গাভৰু, মিচেছ ৰৰকাকতিৰ আগ্রহ-পূর্ণ অদ্ভূত চাৰনিতো ২৯ বছৰীয়া প্রজ্ঞানৰ সেই একে অৱস্থাই হ'ল! প্রজ্ঞানে নিজৰ অস্তিত্ব পাহৰি পেলালে। বাকৰুদ্ধ হৈ মিচেছ ৰৰকাকতিৰ পিনে অপলকে চাই ৰ'ল। বাকী কেইজনী ছোৱালীয়ে কথাটো মন নকৰিলেও, অময়াৰ সূক্ষ্ম দৃষ্টিত প্রজ্ঞান আৰু মাকৰ মানসিক অৱস্থাৰ হুবহু ৰূপটো ভাহি উঠিল। অময়াৰ ইচ্ছা হ'ল যেন একে কোবেই উঠি আহি মাকৰ আটাইকেই-দাল চুলি আজুৰি উঘালি পেলাব! ভৰিৰ পৰা মূৰলৈকে তাই কঁপিবলৈ ধৰিলে।

"মা"। খং আৰু দৃঢ়তাৰে অময়াই মাকলৈ চাই কলে, "শুনা মা, ভালেই হৈছে। বিহু সম্মিলনীত সভাপতিত্ব কৰিবলৈ দেউতা গোৱালপাৰালৈ গৈছে। আজি ৰাতি নাহে। আজি ৰাতিৰ কাৰণে প্রজ্ঞানদা আমাৰ আলহী হলে, দেউতাৰ বিছনাতে শুব পাৰিব!"

অময়াৰ মূর্ত্তি দেখি মাকৰ চুন্তি হেৰাল। সঁচাকৈয়ে পেটে পেটে মিচেছ ৰৰকাকতিৰ ৰৰ ভয় লাগিল। তথাপিও নিজক সংযত কৰি ক'লে, "তই কি কৈছ ? মই একো বুজিব পৰা নাই!" মাকৰ কথাত বিৰক্তিৰ সুৰ।

"আৰু বহলাই ক'ৰৰ কিবা আৱশ্যক আছে বুলি মই নেভাবো। তুমি বুজা নাই যদি, প্রজ্ঞানদাৰ পৰা বুজি লোৱা। কি কয় প্রজ্ঞানদা ? আপুনিয়েই মাক ভালকৈ বুজাই দিব।" অময়াৰ মাতটো খঙতে কঁপি কঁপি ওলাল। ঘৃণা আৰু বিৰক্তিত তাইৰ নাক কোঁচ খালে। তাইৰ কপালখন ঘামি গ'ল। ভাগৰ লগা মানুহৰ দবে তাই ফোঁপাবলৈ ধৰিলে। তাই অনুভৱ কৰিলে, তাইৰ যেন উশাহ এতিয়া বন্ধ হৈ যাব। অময়াৰ লগত মাকৰ খকা-খুন্দা চলি থাকোঁতেই, বাকী সাতজনী ভনীয়েক বহাৰ পৰা উঠি ভিতৰ সোমাল। ডাঙৰ কেইজনীয়ে আধা বুজিলে, আধা নুবু-জিলে। সৰু চাৰিজনীয়ে ইজনীয়ে সিজনীৰ মুখলৈ চোৱা-চুই কৰিলে।

....গধূলি প্রজ্ঞান আহিলে কেনেকৈ সোধপোচ কৰিব লাগিব শৈশীয়েকক সকলো দিহা-পৰামর্শ দি, ৰৰকাকতি গোৱালপাৰালৈ গৈছিল। ৰাতি তাত বহাগ বিহু উপলক্ষে অনুষ্ঠিত সাংস্কৃতিক সভাও চাই আহিবলৈ গোৱালপৰীয়া বাইজে তেখেতক আমন্ত্রণ জনাবলৈ আহোঁতেই ৰৰকৈ ধৰাত, এৰাব নোৱাৰি ৰৰকাকতিয়ে সেই ৰাতি গোৱালপাৰাতে কটাবলৈ ঠিক কৰিছিল। দেউতাক নহা কথাটো সঁচা। অময়াই খঙৰ কোৱত মাকক সেই কথাটো সোঁৱৰাই দি প্রজ্ঞানক আলহী হিচাপে দেউতাকৰ ভূমিকা গ্রহণ কৰিবলৈ কোৱা কথাষাৰে, প্রজ্ঞান আৰু মাক দুয়োকো ৰাৰুকৈয়ে বিন্ধিছিল! কিন্তু উপায়োতো নাই। বুজিও নুবুজা ভাও ধৰি মাকে কেৱল যে বুদ্ধীমতী বুলিয়েই নিজৰ চিনাকি দিছিল এনে নহয়, অময়াৰ ওপৰত তাৰ হেৰ্ হুৰ তুলিবলৈকো মনে মনে সংকল্প কৰিছিল। অসাধাৰণ শক্তি এই মানুহ গৰাকীৰ চকুত। চকুলৈ চাই কথা কবলৈ কোনো এজনী ছোৱালীয়ে সাহ নকৰিছিল। আজি যে অময়াৰ সাহ হ'ল, ইয়াৰ মূলতে প্রজ্ঞান। জীয়েকৰ হাতৰ পৰা মাকে প্রজ্ঞানক কাঢ়ি নিবলৈ ইচ্ছা কৰা বুলিহে, মাকক তাই ইমান টান কথা শুনালে! তাই এবাৰো ভাবি নেচালে যে প্রজ্ঞানে বেয়া পাব। পায়

যদি পাব বেয়া। প্রজ্ঞানৰ কি অধিকাৰ আছে—অময়াৰ চকুৰ আগতে আন এজনী তিৰোতাৰ প্ৰতি নিজৰ দুৰ্ব্বলতা প্ৰকাশ কৰা। সেই তিৰোতা-গৰাকী মাক নহৈ যদি আন কোনোবা হ'লহেঁতেন, কোনে জানে অময়াই কি কৰিলেহেঁতেন!

জীয়েকৰ মনৰ ভাবটো চকুৰ পচাৰতে মাকে গম ধৰিব পাৰিলে। নিজৰ সকলো শক্তি প্ৰয়োগ কৰি, মিচেছ ৰৰকাকতি সংযত হৈ আকৌ মাকজনী হৈ পৰিল। জীয়েকক টানকৈয়ে কলে,

"তই ইয়াত কেলেই? প্ৰজ্ঞানৰ লগত মোৰ লাগতিয়াল কথা আছে। তই ইয়াৰ পৰা যা।"

মাকৰ কথা মতে সুৰ্ সুৰ্ কৰে গৈ অময়া তাইৰ বিছনাত পৰিলগৈ। দুখে-ক্ষোভে অপমানে কেচুঁৰা ছোৱালীৰ দৰে গাৰুত মুখ গুজি উবুৰি হৈ পৰি তাই উচুপিবলৈ ধৰিলে।

জীৱনত প্ৰজ্ঞানৰ ইমান ডাঙৰ পৰাজয় হোৱা নাছিল। কি মোহিনী শক্তিৰে যে এই গৰাকী তিৰোতাই প্ৰজ্ঞানৰ দৰে ইমান ধী-সম্পন্ন বুজন ডেকা এজনকো ইমান সোনকালে হাত কৰিলে, সঁচাকৈয়ে ৰৰ আচৰিত কথা। অসাধাৰণ তীক্ষ্ণ বুদ্ধিৰ অধিকাৰিণী, মিচেছ ৰৰকাকতিৰ দৰে এগৰাকী মাকৰ পৰাহে অময়াই কিছু গুণ পাইছে। বাকী কোনেও সিমান পোৱা নাই। তদুপৰি ৰৰকাকতিনীৰ চকু দুটিও অস্বাভাৰিকভাৱে ডাঙৰ। তাৰ ৰঙো অসাধাৰণ। নীলাও নহয়, ক'লাও নহয় হালধীয়াও নহয়—এই তিনিওৰঙৰ সংমিশ্ৰণত উজ্জ্বল সোণৰ-পানী ছটিওৱাৰ দৰে ৰং সেই বিশাল চকুযুৰিৰ। চকুৰ পিৰঠিৰ লোমবোৰ বাহিৰৰ পিনে ঘোৰ খোৱা আৰু ইমান দীঘল যে চকুহাল মুদিলে লোমেৰে তৈয়াৰ হোৱা কাঁচিজোনৰ দৰে কলা বুৰুজৰ দৰে বেখাটোতহে চকুত পৰে। আৰু ডাঙৰকৈ মেলি দিলে ওপৰৰ লোম-বোৰে চকুৰ ওপৰৰ সুউজ্জ্বল চেলাউৰীযোৰ চুই যায়! এনে ধৰণৰ সোণো-ৱালী ৰঙৰ চকুৰে প্ৰজ্ঞানে আজিলৈকে তিনিগৰাকী মহিলাহে দেখিছে। এগৰাকী কাশ্মিৰত, এগৰাকী মহাৰাষ্ট্ৰত আৰু আনগৰাকী অসমৰ মিচেছ ৰৰকাকতি। আগৰ দুজনীক প্ৰজ্ঞানে দূৰে দূৰেহে দেখিছিল। সেই দেখি, তেতিয়ালৈকে প্ৰজ্ঞানৰ বিশ্বাস হোৱা নাছিল, যে সুবৰ্ণাক্ষী তিৰোতা বোলা কথাষাৰ সঁচা! প্ৰজ্ঞানে ভাবিছিল, যে সুবৰ্ণাক্ষী মানে পিতল চকুৰা! কিন্তু এতিয়া নিচেই কাষৰ পৰা মিচেছ ৰৰকাকতিক দেখি বুজিলে যে প্ৰাচীন কাব্য-কাৰকসকলৰ কলাস্থলভ দৃষ্টি, কেনে উচ্চ খাপৰ আছিল!

সি যিয়েই নহওক, নিজৰ চকুৰ বিষয়ে মিচেছ ৰৰকাকতিয়ে কোনো কালেই কাৰো আগত জহোৱা নাছিল। ৰৰঞ্চ ভাবিছিল এনে অস্বাভাৰিক চকু ঈশ্বৰে তেওঁক নিদিয়া হলেই ভাল আছিল। তেওঁৰ মাক-বাপেক দদায়েক মোমায়েক আৰু মাক আৰু বাপেক উভয় ফৈদৰ কাৰো চকু জনাত তেনে নাছিল। তেনেহলে নিশ্চয় পূৰ্ব্ব পুৰুষ কাৰোবাৰ চকু তেনে আছিল। নহলে তেনে চকুৰ অধিকাৰিণী তেওঁ হব কেনেকৈ? সৰুতে লগৰ ছোৱালীয়ে জোকাইছিল, বিয়া দিয়াৰ পিছত গিৰীয়েকৰ অঙহি-বঙহিয়ে কুলক্ষণীয়া বোৱাৰী বুলি ইতিকিং কৰিছিল। এতিয়াও, মাজে মাজে কোনো কোনোৱে মিচেছ ৰৰকাকতিৰ চকুলৈ চাই কথা কব নোৱাৰে দেখি কয়, যে মানুহজনীৰ কিবা মোহিনী মন্ত্ৰ আছে। কিন্তু প্ৰজ্ঞানে বেচ বুজিলে যে এই মোহিনী মন্ত্ৰ আন একো নহয়—মূলতে এই আপুৰুগীয়া চকুহালহে! সেইহেন চকুৰ লগত খাপ খোৱাকৈ নাক, মুখ, ঠুটবি, কপাল, চুলি, গাৰ ৰং, আৰু আটাইকে তল পেলাই গাৰ ছালেৰে ফুটি ওলোৱা অফুৰন্ত স্বাস্থ্যৰ জ্যোতি। কপালত চন্দনৰ ফোঁট দি, গাত গেৰুৱা বসন বা বাকলি বসন পিন্ধাই, কোনোবাই তেওঁক নি যদি হিমালয়ৰ কোনোবা গুহাত থৈ আহে, কাৰো সাধ্য নহব যে তেওঁৰ ওচৰ চাপে। মন্ত্ৰ সিদ্ধা যোগিনী বুলি দূৰৈৰ পৰাই নিশ্চয় তেওঁক সকলোৱে সষ্টাংগে প্ৰতিপাত জনাব। সকলোৱেই আচৰিত; এই মানুহ গৰাকীক বিয়া কৰাই অনাৰ এবছৰৰ পিছৰে পৰা প্ৰত্যেক বছৰে একোটিকৈ কন্যা সন্তান একেবাহে বাৰ'বাৰ জন্ম দিয়াৰ পিছত, হঠাৎ মাতৃত্বৰ সুঁতি বন্ধ হৈ, হই গল জীয়েকহঁতৰ দৰেই গাভৰু! শাৰী-ৰিক পিনৰ পৰা চিন্তা কৰি চালে অসম্ভৱ যেনেই লাগে। কিন্তু যাৰ জীৱনত অসম্ভৱেই স্বাভাৱিক, ঈশ্বৰেও বোধকৰো তেওঁক তেনেকৈয়ে সৃজন কৰে! নিজ চকুৰে নেদেখিলে মিচেছ ৰৰকাকতিৰ দৰে এনে এগ-ৰাকী তিৰোতা যে অসমত্বে থাকিব পাৰে, এইটো কাৰো বিশ্বাস নহব। মিচেছ ৰৰকাকতিৰ কথা পৰীৰ সাধু নহয়, বাস্তৱ জীৱনত ঘটা কথাই, আৰু তেওঁৰ ৰূপো কোনো পৰী বা অপেশ্বৰীৰ কাল্পনিক ৰূপ নহয়, পৃথিবীত জন্ম গ্ৰহণ কৰা মানবীৰেই। সেই দেখিয়েই বোধকৰো ইংৰাজীত এটা কথা আছে যে 'কাল্পনিক কীৰ্ত্তি কলাপতকৈও বাস্তৱ বেচি আশ্চৰ্য্য-জনক!'

প্ৰজ্ঞান কি ধাতুৰে গঢ়া, প্ৰজ্ঞানক পোনপ্ৰথম দেখিয়েই মিচেছ ৰৰ-কাকতিয়ে অনুমান কৰি লৈছিল। তেওঁৰ মানসীক ৰণ্ট্জেন্ ৰশ্মিত প্ৰজ্ঞানৰ বাহিৰ-ভিতৰ মিচেছ ৰৰকাকতিৰ ওচৰত ধৰা পৰি গল। প্ৰজ্ঞানৰ

অন্তৰত শুই থকা সিংহটো জগাই লোৱাটো যে বিপদজনক এই কথা মিচেছ ৰৰকাকতিয়ে তেওঁৰ ষষ্ঠেন্দ্রিয়ৰ সহায়ত তপ কৰে ধৰিব পাৰিছিল। তেওঁৰ বাওঁহাতৰ তলুৱাৰ চন্দ্রগিৰিৰ ওপৰত—ওপৰৰ পৰা তললৈ ঘোৰখাই প্রায় চন্দ্রৰ ঘৰটো আৰৰি থকা অনুভূতি বেখাদালৰ প্রভাৱতেই যে মিচেছ ৰৰকাকতি মানৰ চৰিত্র অধ্যয়নত স্বাভাৰিকতে ইমান পটু আছিল, সামুদ্রিক শাস্ত্রত বিশ্বাস নথকা সকলে হয়টো উকৰায়েই দিব। কিন্তু তেওঁলোকে তেওঁৰ ভিতৰত থকা শক্তিটো কতো আৰু উলায় কৰিব নোৱাৰে! শুই থকা সিংহ সাৰ নেপাবলৈ যি যি উপায় অৱলম্বন কৰিব লাগে, এই মহিলা গৰাকীয়ে সকলো প্রয়োগ কৰিলে! সিংহ সাৰ পাই উঠিব খুজিও নেজ জোকাৰি আকৌ শুই পৰিল। প্রজ্ঞানৰ কি হৈ গল, প্রজ্ঞানে একো ঠাৰঁৰ কৰিব নোৱাৰিলে। কিন্তু পিছদিনা পুৱা প্রজ্ঞান যেতিয়া নিজৰ ঘৰলৈ উভতি যাবলৈ ওলাল, প্রজ্ঞানে বুজিলে যে প্রতিভাও নহয়, শকুন্তলাও নহয়—তেওঁ যদি জীৱনত কাৰোবাক প্রথম বাৰলৈ ভাল পাইছে, তেনেহলে সেই গৰাকী তিৰোতা হৈছে, মিচেছ ৰৰকাকতি!

মিচেছ ৰৰকাকতিও নিজৰ মানসীক পৰিবৰ্ত্তনত আচৰিত হল। যি প্রেমৰ কথা তেওঁ, সদায় শুনি আহিছে, বুজিছে বুলি ভাবি আহিছে, আনক বুজাইছে, সেই প্রেম নো কি নিজৰ জীৱনত গোন প্রথম বাৰৰ কাৰণে উপলব্ধি কৰিলে প্রজ্ঞানৰ সান্নিধ্যলৈ আহিছে। কি আচৰিত বস্তু এই প্রেম,.....কি দুর্ল্লভ....। নাৰীপুৰুষৰ সাধাৰণ যৌন-আকর্ষণকে প্রেম বুলি মানুহে বাৰু কিয় চিৰকালে ভ্রম কৰি আহিছে, আৰু আনকো ভ্রমত পৰিবলৈ মিছা গ্রন্থাদি প্রনয়ণ কৰি পৃথিবীক ভুলবাটে নিবলৈ বৃথা চেষ্টা কৰি আহিছে? মিচেছ ৰৰকাকতিয়ে নিজকে নিজে কলে, 'কোনোৱে যদি নাৰীৰ অন্তৰৰ প্রেম কি, এই কথা জানিব খোজা তেনেহলে আহা মোৰ অন্তৰৰ মাজত সোমাই এই মুহুৰ্ত্তত বুজিবলৈ চেষ্টা কৰাহি। কালি অহা হলেও মই তোমাক কব নোৱাৰিলোহেঁতেন!' প্রেম! প্রেম! প্রেম নিজে আহে। নাহিলে, কাৰো সাধ্য নাই, সেই প্রেমক আহ্বান কৰি আনে! এনে ভাগ্যবান নাৰী পুৰুষ পৃথিবীতেই বাৰু কেইজন? যাৰ কপালত বিধতাই প্রেম লিখা নাই, সি সহস্র ৰমনীৰ সংস্পর্শলৈ আহিলেও নুবুজে—প্রেম কি? আৰু নাৰীয়েও গোটেই পৃথিবী প্রদক্ষিণ কৰিও প্রকৃত প্রেম কাৰ ওচৰত পোৱা যায় হয়তো নজনাকৈ থাকিব পাৰে।

মিচেছ ৰৰকাকতিৰ মনত সন্দেহ হল—জানোছা ই তেওঁৰ বয়সৰে দোষ! এদিন ৰৰকাকতিয়ে ধেমালিৰ সুৰত তেওঁক কোৱা তেওঁৰ মনত

পৰে যে, দুকুৰিৰ দেওনাতহে বোলে প্রেমলতাই পোনপ্রথম বগাবলৈ আৰম্ভ কৰে। বুজাব নোৱাৰা কি যে এই প্রেম? কি পুৰুষ কি নাৰী, উভয়েই এই বয়সত লাভ কৰে এক নতুন জীৱন। নাৰীৰ সুৰ্পনখাত্ব আৰু পুৰুষৰ বাৰনত্বয়ো এই বয়সতেই লুকাই চুৰকৈ ভুমুকি মাৰেহি! ইংৰাজীত এটা কথা আছে: লাভ বিগিনচ্ এট ফৰটি! (Love begins at forty!) সেয়েহে বোধকৰো সর্ব্বদর্শী কবিৰ অন্তৰতো সি এনেকৈ ধৰা পৰে:

দুকুৰিৰ দেওনাতে হেনো দেও লগা থাকে।
দেও লৰা, দেও ছোৱালীয়ে,
এক দুই তিনি কৰি দুকুৰি বছৰ
পালেই নেওচা দি গুচি যোৱা যৌৱনক দেখি,
যৌৱনৰ ভূতটোকে মৰকামোৰেৰে,
আক্রোহেৰে আকোঁৱালি ধৰে,
খালে দোঙে য'তে ত'তে পৰি অতৃপ্ত বাসনা বোৰ পৰিতৃপ্ত কৰে!
যুগে যুগে জগতত সূর্পণখা বাৰণ বোৰেই,
জীৱনৰ পঞ্চবটী বনত সোমাই, ভেশচন কৰি,
কুহকিনী মায়া কিম্বা সন্ন্যাসীৰ ভিক্ষাপাত্র লই,
লাজ মান কাটি কৰি থই,
যৌৱনৰ ম'ৰাচালি ধৰে।
প্রণয়ৰ উন্মাদনাত মৰনকো তুচ্চ কৰি,
যৌৱন-বোধন মন্ত্রে প্রেমাগ্নি জ্বলাই,
প্রেম-যজ্ঞ আয়োজন কৰে,
জীৱনৰ পূর্ণাহুতিৰে।

সেয়া হৈছে মানুহৰ মনৰ ভিতৰ চৰাত সচৰাচৰ ঘটা কথা। কিন্তু বিশেষ জীৱনৰ কথা সুকীয়া। ৰৰকাকতিনীৰ বয়স চল্লিছৰ দেওনা পাৰ হওঁ হওঁ হলেও, প্রজ্ঞান উনত্রিশ বছৰীয়া ডেকা। প্রেমৰ সোৱাদ কেনে, এই গৰাকী মহিলাই জীৱনত কেতিয়াও পোৱা নাছিল। প্রজ্ঞানৰ সংস্পর্শলৈ নহা হলে হয়তো সেই সোৱাদ উপলব্ধি নকৰাকৈয়ে, প্রেম বিষয়ত দুর্ভগীয়া কৌটি কৌটি অজ্ঞাত কূল-শীলাৰ দৰে, তেওঁৰ জীৱনো অতৃপ্তিৰ হুমুনীয়াহতেই এদিন নিঃশেষ হৈ গ'লহেঁতেন। এনেতেই আহি উপস্থিত হ'লহি প্রজ্ঞান। আৰু উপস্থিত হ'লহি এনে এটা সময়ত, যি সময়ত এনেয়েও মানুহৰ মনত

সদায়েই জাগে এটা হিচাপ নিকাচৰ ভাব : 'জীৱন যজ্ঞত যুগ্ম-জীৱনৰ অবিহনা হিচাপে কি দিলোঁ ? আৰু তাৰ বিনিময়ত, আশীষ নির্ম্মালি হিচাপে কি পালোঁ ?' কাকৰ অলক্ষিত আগমনত, সৰো সৰোকৈ থকা পকা তালফল, অতকিতে সৰি পৰাৰ দৰে, মিচেছ ৰৰকাকতিৰ অন্তৰত অলক্ষিতে পকি টুল্‌টুলীয়া হৈ থকা সুপ্ত প্ৰেমৰ তালফলটো প্ৰজ্ঞানৰূপী কাকৰ আগমনত সৰি পৰিল! তাকে বুটলি লৰলৈহে প্ৰজ্ঞানলৈ ৰৰৰাকতিনীৰ নির্দ্দেশ, আৰু প্ৰজ্ঞানৰ সেই নির্দ্দেশ পালন। ইয়াত বৈচিত্ৰ্য থাকিলেও বিস্ময়ৰ অৱকাশ ক'ত ? সমাজ যন্ত্ৰৰ ধৰাবন্ধা গতৰ পৰা হৃদয়ৰ যন্ত্ৰই ফালৰি কাটিলেই, আতঙ্কত সমাজ হৈ পৰে বিৱর্ণ। কিন্তু সমাজৰ তেনে বিৱর্ণতালৈ ভ্ৰূক্ষেপ কৰিতো আৰু হৃদয়ৰ স্পন্দন কোনেও বন্ধ কৰিব নোৱাৰে!

দুকুৰি বছৰৰ গধুৰ বোজা বৈও ৰৰৰাকতিনীৰ দৰে পাতল অনুভৱ কৰিব পৰা প্ৰতিভা থকা নাৰীৰ সংখ্যাই বা পৃথিৱীত কিমান ? কিমানেই বা আছে সেই বয়সতো নিজৰ কপালাৰণ্য ইমান অটুটকৈ ৰাখিব পৰা নাৰী ? ঈশ্বৰ প্ৰদত্ত নহলে, এনে বিভূতি মানুহে স্বইচ্ছাৰে নিশ্চয় আয়ত্ব কৰিব নোৱাৰে। পৰা হলে প্ৰত্যেক নাৰীয়েই হৈ গ'লহেঁতেন একো একো গৰাকী মিচেছ ৰৰকাকতি।

সমাজৰ চকুত, জগতৰ চকুত দোষণীয়া হলেও, মিচেছ ৰৰকাকতিৰ দৰে তিৰোতাক ঈশ্বৰে নিশ্চয় চুৰনি পাটত ঠাই নিদিয়ে!

সাত

ৰৰকাকতিনীৰ স্বামী ৰৰকাকতি এজন অতি সৰল আৰু অমায়িক মানুহ। যথেষ্ট অৱস্থাপন্ন হলেও, অহঙ্কাৰৰ লেশ মাত্ৰ কোনেও আজিলৈকে তেওঁৰ মাজত দেখা নাই। এক কথাত কবলৈ গ'লে, তেওঁ এজন প্ৰকৃত ভদ্ৰলোক। এনেহেন এগৰাকী স্বামী লাভ কৰাতো, ৰৰকাকতিনীৰ পক্ষে কম ভাগ্যৰ কথা নহয়। এদিনলৈকো স্বামী-স্ত্ৰীৰ মাজত মনোমালিন্য বা কাজিয়া-পেচাল হোৱা বুলি কোনো ওচৰ-চুবুৰীয়াই কব নোৱাৰে।

ৰৰকাকতিনীক বিয়া কৰোৱা আজি চাব্বিশ বছৰ হৈ গ'ল। কায়স্থ পৰিয়ালৰ হলেও বামুণৰ ছোৱালীৰ দৰে কম বয়সতেই ৰৰকাকতিনীক বাপেক-মাকে ৰৰকাকতিক উপযুক্ত দৰা বুলি ভাবি তেওঁলৈকে বিয়া দিছিল। বিয়াৰ সময়ত ৰৰকাকতিনীৰ বয়স আছিল চৈধ্য বছৰ।

উচ্চ-বর্ণ হিন্দু সমাজত, বিশেষকৈ ব্ৰাহ্মণ সমাজত আৰু কামৰূপত কায়স্থ সমাজতো আজি ২০।২২ বছৰৰ আগলৈকে ছোৱালীক কন্যাকালৰ আগতেই বিয়া দিয়া প্ৰথা প্ৰচলন হৈ আহিছিল। অৱশ্যে বিয়াৰ পিছতেই শাহু-শহুৰৰ ঘৰলৈ ছোৱালীক উলিয়াই দিয়া নহৈছিল। সাধাৰণতে বিয়াৰ দুবছৰৰ পিছত, অর্থাৎ ছোৱালীৰ কন্যাকাল হোৱাৰ প্ৰায় এবছৰৰ পৰা দুবছৰৰ পিছত, উভয় পক্ষৰ অভিভাৱকৰ মতামত অনুপাতেহে আনুষ্ঠানিক-ভাৱে দ্বিতীয় বিবাহ বা শান্তি বিয়া পাতি, লাগতিয়াল বয়-বস্তু : যেনে কাপোৰ-কানি, পালেং-বিছনা, কাঁহি-বাটি আদি, ছোৱালীয়ে স্বামীৰ ঘৰলৈ গৈয়েই ব্যৱহাৰ কৰিব পৰা, দ্ৰব্য সামগ্ৰীৰে ছোৱালীক উলিয়াই দিয়া হৈছিল। অৱস্থাপন্ন মাক-বাপেকে কেতিয়াবা কেতিয়াবা জীয়েকৰ লগত বন্দী-বেটী হিচাপে ল'ৰা বা ছোৱালীও দিছিল। ছোৱালীৰ লগত এনেকৈ দিয়া বস্তুক যৌতুক বোলে। এই যৌতুক ইমান দিব লাগিব, সিমান দিব লাগিব বুলি অসমত কোনো বাধ্য-বাধকতা নাই। ছোৱালী সুখত থাকক বুলি মাক-বাপেকে বা অভিভাৱকে সাধ্য অনুপাতে যি দিব পাৰে, তাতেই ৰৰ পক্ষ সাধাৰণতে সন্তুষ্ট। অৱশ্যে দুই এক ক্ষেত্ৰত যে যৌতুকৰ কম-বেচি লৈ মিতিৰৰ মাজত ওফোন্দা-ওফোন্দি বা তিৰস্কাৰ আদি কৰাৰ অভ্যাস নাই, এনে নহয় ; কিন্তু সি নধর্ত্তব্যং। দাওৰীৰ দৌৰাত্ম্য অসমত নাই। যদি কোনোৱে মাজে মাজে অসমত তেনে দৌৰাত্ম্য খটুৰাৰ খোজে,

নাই তেনে লোক অইন ঠাইৰ পৰা আহি অসমত বসতি কৰিও অসমৰ লগত চামিল হৈ যাব নোৱাৰা বিধৰ মানুহ, নহলে, অসমৰে দুই-এক সুবিধা-বাদী স্বার্থপৰ ধৰণৰ অসমীয়াত্বহীন লোক। মুঠৰ ওপৰত অসমৰ বৈবাহিক ঐতিহ্যত দাওৰী প্ৰথাৰ স্থান নাই।

সি যিয়েই নহওক, ভাৰতত সাৰ্দ্দা আইন বলবৎ হোৱাৰ কিছু পিছলৈকে, অসমৰ ব্ৰাহ্মণ আৰু নামনি অসম অঞ্চলৰ কায়স্থ কলিতাৰ ছোৱালীৰ বয়স আচলতকৈ বঢ়াই, মিছা কোস্তি বা সোঁৱৰণী দি কৰ্ত্তৃপক্ষৰ চকুত ধূলি দিও ১১।১২ বছৰীয়া ছোৱালীৰ অলেখ বিয়া হৈ গৈছে। চহৰীয়া অঞ্চলত দুই-এক ক্ষেত্ৰত এনে কৰোতে মহিলা সমিতি আদিৰ তৰফৰ পৰা কঠোৰ ব্যৱস্থা লৈ কৰ্ত্তৃপক্ষৰ নজৰলৈ আনি বহুতো অকুমাৰী ছোৱালীৰ বিয়া ভাঙিছেও। এতিয়া অৱশ্যে, বিশেষকৈ দ্বিতীয় বিশ্ব যুদ্ধৰ পিছত, মানুহৰ চিন্তাধাৰাৰে আমূল পৰিবৰ্ত্তন ঘটিল। সকলোৰেই ন মূল্যাঙ্কণ হবলৈ আৰম্ভ কৰিছে। তথাকথিত সামাজিক নানান দোষণীয় প্ৰথা পদ্ধতি অতীতে সামৰি ললে। আজি কি ব্ৰাহ্মণ কি অব্ৰাহ্মণ কোনেও কন্যাকালৰ আগতে ছোৱালী বিয়া দিয়াৰ কথা কল্পনাই নকৰে। বিয়া দিয়া ছোৱালী-য়েও শাহু-শহুৰ বা স্বামীৰ বয়োবৃদ্ধ লগা-ভগা আত্মীয়-স্বজনৰ বাহিৰে আনৰ আগত মূৰৰ মাজলৈকে আধা ওৰণি লবলৈকো লাজ কৰা হ'ল! মুঠৰ ওপৰত যুদ্ধৰ আগ আৰু যুদ্ধৰ পিছৰ অসম এই বিষয়ত সম্পূৰ্ণ বেলেগ। যিসকল বেজ-গিয়ানীয়ে ছোৱালীৰ কন্যাকাল বহিত কৰা মন্ত্ৰাদিৰ সহায়ত দুপইছা অৰ্জ্জন কৰিছিল, তেওঁলোকেও এনেকৈ উলিওৱা দক্ষিণা-বানচ আদিৰ মূল্যকণ উলিয়াবলৈ এতিয়া আন ব্যৱসায়লৈ চকু দিবলৈ বাধ্য হ'ল! এসময়ৰ জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰৰ দেশ কামৰূপলৈ ভেৰা হোৱাৰ ভয়তে আহিবলৈ পিছ হোঁহোকা, ভাৰতৰ অন্যান্য ৰাজ্যৰ মানুহেৰে আজি অসম ভৰি পৰিলহি। অসম আজি এখন নিখিল ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণলৈ ৰূপান্তৰিত হ'ল। আজিৰ অসমৰ মুখ্য চহৰ কেইখনত থাকিলে ভাৰতৰ সকলো ঠাইৰ মানুহৰ লগতে চিনাজনা হোৱা বা ভাৰৰ আদান-প্ৰদান কৰাৰ সুযোগ অসমীয়া মানুহে লাভ কৰিলে। অতিথি-পৰায়ণা অসমলৈ অতিথিৰ সোঁত ব'বলৈ ধৰিলে। অসমেও সকলোকে আগ্ৰহেৰে সামৰি ললে; আৰু যেতিয়ালৈকে লোৱা সম্ভৱ লৈ থাকিব। কিন্তু সেই সোঁতৰ কোৰ ক্ৰমে ইমান চৰি গৈছে যে, সৰ্ব্ব ভাৰতীয় ভেঁটিত তাৰ উচিত ব্যৱস্থা এতিয়াই নকৰিলে, সময়ত গোটেই অসমখনেই হৈ পৰিব এখন উমৈহতীয়া—ঔপনি-বেশিক ৰাজ্য! অসমৰ খিলঞ্জীয়া বাসিন্দা আৰু অসমীয়া ভাষা সংস্কৃতিৰ

অৱস্থা আধুনিক আমেৰীকাত ৰেড্-ইণ্ডিয়ানৰ অৱস্থা হোৱাদি হব। স্বাধীন ভাৰতে নিশ্চয় সেইটো হবলৈ নিদিব।

প্ৰাক্-যুদ্ধ আৰু যুদ্ধৰ যুগ ইটিৰ পিছত সিটো বাগৰি গৈ, যুদ্ধোত্তৰ যুগৰ প্ৰাৰম্ভনিতে স্বাধীনতা লাভ কৰি, ন উদ্দীপনাৰে নতুন ভাৰতে উন্নতিৰ পথত খোজ দিলে। কিন্তু বিশ্ব যুদ্ধৰ আনুসঙ্গিক অৱদানৰূপী বিশ্বব্যাপি অৰ্থ নৈতিক সমস্যাই ভাৰতকো গ্ৰাস কৰি পেলালে। এনে ক্ষিপ্ৰ পৰিবৰ্ত্তনৰ লগত আমাৰ সমাজ যিমান বেগেৰে আগুৰাই যাব লাগিছিল, সিমান আগুৰাই যোৱাতো দূৰৰে কথা, বৰ্ত্তমান এনে কিছুমান নতুন সামাজিক সমস্যাই দেখা দিছেহি যে, যিবিলাক দেখাত আমি নিজেই নিজৰ ওপৰত জাপি লৈছোঁহঁক। এফালে চিঞৰিব লাগিছোঁ অস্পৃশ্যতা দূৰ কৰা, আনফালে কিছুমান পাহৰি যোৱা সামাজিক আছকাল চপাই লৈ আমি আগুৰাৰ নামত যাব লাগিছোঁ পিছুৰাইহে! যুগ-যুগান্তৰ ধৰি সমাজ-সমুদ্ৰৰ তলত গেদেৰি হৈ পৰি থকা আৰৰ্জ্জনাবোৰক যুদ্ধৰ ঘোটনি মৰিয়ে ঘুটি দিয়াত গোটেই সমুদ্ৰৰ পানীয়েই হৈ পৰিছে ঘোলা; আৰু সেই ঘোদোলনি পানীত দিশ হেৰুৱাই সাঁতুৰি সাঁতুৰি সমাজ পানীৰ মাছবোৰ ভাগৰি পৰিছে। স্বচ্ছ পানীক ঘোদোলনি পানীলৈ পৰিবৰ্ত্তন কৰা সমাজৰ আবৰ্জ্জনাবোৰ আকৌ আগৰ দৰে গেদেৰি হই তলিত পৰিবলৈ আৰু কিমান দিন? এয়েই হৈ পৰিছে প্ৰধান প্ৰশ্ন। কিন্তু গেদেৰি আখ্যা দিয়া হৈছে যাক, আৰৰ্জ্জনা ঘোলা হৈছে যাক, অবাঞ্ছনীয় বুলি ভৰা হৈছে যাক, সমাজ-সাগৰৰ নিৰ্ম্মল পানী ঘোদোলনি হোৱাৰ কাৰণে আছকাল ঘোলা হৈছে যাক, এই সকলো-বোৰক যুদ্ধোত্তৰ যুগৰ আপেক্ষিক মানদণ্ডৰে জুখি ন-মূল্যাঙ্কন কৰাৰ কথা ভাবি চাইছে বাৰু কেইজনে? তুফানৰ আস্ফালনত সাগৰৰ বুকুত উঠা ঢৌ এটাই বিশ্বাশৰদে আহি পাৰত খুন্দিওৱা যেন দেখিলেও, আচলতে যি ঢৌ যি ঠাইত উঠে সেই ঠাইতহে উঠা-নমা কৰি থাকে, বাগৰি নাহে। বাগৰি অহা যেন দেখাটো দৃষ্টিৰ ভ্ৰম, ইলিউশ্যন! কুচকাৱাজত গাতে গা লগাই থিয় দিয়া এলানি চিপাহীৰ এমূৰৰ এটা চিপাহীয়ে কাষৰ চিপাহী-টোৰ গাত হেঁচা দিলে, প্ৰথম চিপাহীৰ হেঁচাই দ্বিতীয়, দ্বিতীয় চিপাহীৰ হেঁচাই তৃতীয়, তৃতীয় চিপাহীৰ হেঁচাই চতুৰ্থ—ঠিক এনেকৈ সেই প্ৰথম হেঁচাত উৎপন্ন হোৱা হেঁচাৰ ক্ৰমটোৱে শেহৰ চিপাহীটোক হেঁচা দিয়েহি। তেতিয়া শেহৰ চিপাহীটো হয়তো বাগৰিও পৰিব পাৰে। কিন্তু প্ৰায় আধা মাইল দীঘল চিপাহীৰ লানিটোত প্ৰথম চিপাহীটো কিন্তু নিজৰ ঠাইতেই থাকে। ঠিক তেনেকৈ প্ৰথম ঢৌটোৰ খুণাত সৃষ্টি হয় দ্বিতীয় ঢৌ, দ্বিতীয়

খুণ্ডাত তৃতীয়, ঠিক এনেকৈ শেহৰ ঢৌটোৱে আহি সাগৰৰ পাৰত খুণ্ডিয়াইহি; যদিও অনুমান হয় যে প্ৰথম ঢৌটোহে সাগৰৰ বুকুৰ পৰা পাৰলৈ বাগৰি আহিছে! ঠিক তেনেকৈ যুদ্ধৰ সময়ত কাল-সাগৰৰ বুকুত যি দুৰ্জ্জয় ঢৌ উৎপন্ন হৈ সমাজৰ বান্ধ শিথিল কৰি দিলে, সেই ঢৌৰ ক্ৰমটো এতিয়াও শেষ হোৱা নাই। তাৰ হেন্দোলনিত সমাজৰ উপকূলত আজি গৰাখহনীয়াৰ সৃষ্টি হৈছে। কিন্তু সেই ঢৌ বোধে কোনে? তুফান শাম কটাৰ পিছতো সাগৰত ঢৌৰ সোঁত চলি থকাৰ দৰে, যুদ্ধ শাম কটাৰ পিছতো সেই ঢৌ এতিয়াও চলি আছে। সেই ঢৌ সম্পূৰ্ণ শাম কাটি সমাজ-সাগৰৰ পানী আকৌ স্বচ্ছ হওঁতে সময় লাগিব। অস্বাভাৱিক উপায়েৰে ঘোদোলনি পানী স্বচ্ছ কৰিবলৈ গ'লে, তেনে চেষ্টা অথলে যাব। ঘোদোলনিৰ কাৰণ ঢৌ হলেও ঢৌৰ কাৰণ যুদ্ধ। যুদ্ধ অৱসান হ'ল, ন ঢৌৰ সৃষ্টি বন্ধ হ'ল, কিন্তু ইতিমধ্যেই উঠা ঢৌ শাম নকটালৈকে ধৈর্য্য ধৰিব লাগিব। ভুকুতে কল নপকাৰ দৰে, এৰাতিতেই সমাজ সংস্কাৰ নহয়, হব নোৱাৰে। জাগ দি পকোৱা কলত সোৱাদ নথকাৰ দৰে, বাধ্য-বাধকতাত সংস্কাৰিত হোৱা আন্তৰিকতাহীন সমাজতো মাধুৰ্য্য নাথাকিব। পিষ্টল দেখুৱাই প্ৰেম আদায় কৰা, আৰু গাৰ বলেৰে সমাজ সংস্কাৰ কৰা একে কথা। নিজৰ মোট সলাই ভুৱা দিবলৈ চেষ্টা কৰাতকৈ, নিজ নিজ ৰূপত দেখা দি পৰস্পৰে পৰস্পৰৰ হৃদয় জয় কৰিবলৈ উচ্চ পৰ্য্যায়ৰ আদৰ্শ গ্ৰহণ কৰিলেহে, সংস্কাৰ চেষ্টা ফলবতী হব। আজিৰ সমাজৰ দোধোৰ-মোধোৰ অৱস্থাৰ সুযোগ লৈ, নীল ৰৱণীয়া শিয়ালৰ সংখ্যা ইমান বাঢ়িছে যে কোন শিয়াল কোন প্ৰকৃত পশুৰাজ চিনা টান হৈ পৰিছে। ফলত, নোহোৱা-নোপজা সমস্যাই দেখা দিছে। এনে শিয়ালক ভুলতে ৰজা পাতি, শেহত শিয়াল বুলি গম পালেও উপায়হীন হৈ ৰজা বুলিয়েই স্বীকাৰ কৰি আহিবলগীয়া হৈছে। সমাজৰ এইকণ দুৰ্ব্বলতাই শিয়ালক দুগুণে উৎসাহিত কৰিছে। ইয়ো যুদ্ধৰেই আশীৰ্ব্বাদ বা অভিশাপ। আশীৰ্ব্বাদ শিয়ালৰ, আৰু অভিশাপ ভ্ৰমত পৰি ক্ষতিগ্ৰস্ত হোৱাসকলৰ।

সি যিয়েই নহওক, সমাজ সংস্কাৰ হবই লাগিব। এলাহুকলিয় হওঁকেই বা নহওঁক, সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে সমাজ আগুৱাবলৈ বাধ্য। নহলে যি আছে, সিও হেৰাব। 'কঃ পন্থা?' এয়ে আজি ন-ভাৰতৰ লগত খাপ খাব খোজা সমাজৰ সমুখত প্ৰধান প্ৰশ্ন।

ৰৱকাকতি, কলিতা। বিয়া কৰাইছিল কায়স্থৰ ঘৰৰ ছোৱালী। সেইদেখি তেৰোঁ আজি কায়স্থৰ পৰ্য্যায়লৈ উঠাত সমাজৰ কোনেও প্ৰকাশ্যে

আপত্তি কৰা নাই। ৰৱকাকতিৰ দৰে বিবাহ আজি সাধাৰণ কথা। বৈবাহিক সম্পৰ্ক স্থাপনৰ জৰীয়তে, কোনো এক সমাজৰ কলেৱৰ বৃদ্ধি হোৱাৰ লগতে শক্তি সামৰ্থ্যতো সমাজ যদি উন্নতিৰ পথত আগুৱাই যাবলৈ সক্ষম হয়, তেনেহলে অনুলোম বা প্ৰতিলোম বিবাহ সমৰ্থন নকৰাত কোনো যুক্তি নাই। বংশাৱলীৰ গৌৰৱ অক্ষুণ্ণ ৰাখি, আজিৰ যুগত বিশুদ্ধ শোনিতঃ ব্লু ব্লাড (Blue-blood): বজাই ৰাখি চলাটো এক প্ৰকাৰ টানেই হৈ পৰিছে। আজি যি বিষয় লৈ আপত্তি হৈছে, সময়ত সেয়েই হয়তো হৈ পৰিবগৈ নিতান্ত অপৰিহাৰ্য্য। আজি যিটো দেখি বা শুনি আচৰিত যেন লাগিছে, পৃথিৱীৰ ক্ষিপ্ৰ পৰিবৰ্ত্তনলৈ চাই, পাঁচ শ বছৰ কিয়? এশ বছৰৰ পিছতেই হয়তো তেতিয়াৰ সমাজে সেই বিষয়ে প্ৰশ্নই নকৰিব। চলি অহাটোত সমাজৰ আপত্তি নাই, নকৈ চলাৰ খোজাটোতহে সমাজৰ আপত্তি। মহাৰাজ নৰনাৰায়ণ চিলাৰায়ৰ দিনৰ পৰা আজিলৈকে পাঁচ শ বছৰহে হৈছে। কিন্তু চিলাৰায়ৰ নিৰ্দ্দেশমতে গাত লগুণ পিন্ধি উদং গাৰে ষাঁড়গৰুৰ ওপৰত উঠি চিলাৰায়ৰ নেতৃত্বত আহোমৰ বিৰুদ্ধে যুঁজ কৰা কোঁচৰজাৰ সৈন্যবাহিনীৰ সতি-সন্ততিবোৰ আজি ক'লৈ গ'ল? সেয়া পাঁচ শ বছৰৰ আগৰ অসম বুৰঞ্জীৰ কথা। মানৱ মনৰ গতিশীল বুৰঞ্জীৰ সময়ৰ পাঁচশ বছৰতেই যদি এনে হব পাৰে, আজিৰ দৰে ৰকেট-ধৰ্ম্মী ক্ষিপ্ৰ গতিশীল সমাজত এশ বা তাতকৈ কম বছৰৰ ভিতৰতে সেইটো সম্ভৱ হোৱাটো একো আচৰিত কথা নহব।

কেৱল অসমতেই নহয়, ভাৰতৰ, তথা পৃথিৱীৰ সকলো ঠাইৰ বুৰঞ্জীতেই বিভিন্ন জাতিৰ বা শ্ৰেণীৰ সংমিশ্ৰনৰ সাক্ষী বুৰঞ্জীয়ে দি আহিছে। তথাপিও কিন্তু মানুহৰ জাত্যাভিমান নকমিল বা নকমে। ইও মানৱ চৰিত্ৰৰ এটা বিশেষ মন কৰিবলগীয়া কথা। ডাঙৰে নকলে কোনো শিশুৱেই নেজানে কোন মাতৃ বা কোন পিতৃ। অথচ ডাঙৰ হলে সেই শিশুৱেই হৈ পৰে সংৰক্ষণশীল একো একোজন পাণ্ডা!

কথাই কথাই আমি বুৰঞ্জীৰ দোহাই দিওঁ, নিজৰ গোৱামীৰ উক্তিবোৰ প্ৰমাণ কৰিবলৈহে; কিন্তু নিজৰ ভণ্ডামি য'ত ধৰা পৰে সেই বিষয়ে আমি উদাসীন। প্ৰকৃত বুৰঞ্জী বিকৃত কৰি ভুৱা বুৰঞ্জী লিখা, বা সমাজৰ প্ৰকৃত স্বৰূপ ঘুকটি দিব পৰা বুৰঞ্জীৰ স্তূপেৰে মেজি জ্বলাই উল্লাসৰ কিৰিলি পাৰিব পৰা কীৰ্ত্তিচন্দ্ৰ ৰৱৰৱুৱাবোৰ যুগে যুগে পৃথিৱীৰ সকলো ঠাইতেই জন্ম, গ্ৰহণ কৰি আহিছে।

এই সকলো কথা সমুখত বাখি, আজিৰ যুগত বৈজ্ঞানিক দৃষ্টিভঙ্গিৰে সকলো কথা চালি-জাবি ফঁহিয়াই চাই, সকলোৰে ন-মূল্যাঙ্কনৰ সময় আহিল। আমি নিবিচাবিলেও, যি আহিছে আহিবই। সময়ৰ সোঁত বোধ কবিব পৰা শক্তি মানুহৰ নাই। মানুহৰ আছে কেৱল সময়ৰ সোঁতত সাঁতুবিব পৰা ন ন কৌশল আয়ত্ব কবিব পৰাৰ যোগ্যতাহে। সেই যোগ্যতা বঢ়াবলৈ চেষ্টা নকবি, সময়ৰ সোঁতক দোষাৰোপ কবি বা ভেটিবলৈ চেষ্টা কবি মূর্খামিৰ পবিচয় যিমানে কম দিয়া যায়, সিমানেই নিজৰ, দহৰ, দেশৰ আৰু জগতৰ মঙ্গল।

আঠ

দ্বিতীয় বিশ্বযুদ্ধৰ আগৰ অসমত চৈধ্য বছৰীয়া ছোৱালী এজনীয়ে প্রণয় বা প্রেম শব্দটোৰ অর্থ জানিলেও, তাৰ তাৎপর্য্য হৃদয়ঙ্গম কবিব পৰা ক্ষমতা প্রায়েই অর্জ্জন কবিব পৰা নাছিল। ইয়াৰ মূলতেই আছিল অসমীয়া সমাজ ব্যৱস্থা। আগেয়ে প্রেমত পৰি, প্রণয়ৰ লুকাভাকু খেলি প্রণয়িনীৰ ভূমিকাত অভ্যষ্ট হৈ, পিছত স্বইচ্ছাই বা মাক-বাপেক, অভিভাৰকৰ মতামত লৈ বিবাহ পাশত আৱদ্ধ হোৱাৰ সুযোগ উচ্চ বর্ণ সমাজত খুব কমেই আছিল। প্রধানকৈ শাক্ত আৰু বৈষ্ণৱ এই দুই পন্থি লোকৰ দ্বাবাই অসমীয়া হিন্দু সমাজ গঠিত হলেও, অসম এখন বৈষ্ণৱ-প্রধান বাজ্য। মহাপুৰুষ শ্রীমন্ত শঙ্কৰৰ দেশ অসমত এনে হোৱাটো স্বাভাৱিক। গীতি-নাট্য-শিল্প-কাব্য-সমাজ-ধর্ম্ম-আচাৰ-ব্যৱহাৰ-নীতি-নিয়ম-প্রার্থনা-উপাসনা-নাম-ভাওনা সকলো ক্ষেত্রতেই এইজনা মহাপুৰুষৰ প্রভাৱ অসমত ইমান বেচি, যে প্রকাশ্যে শঙ্কৰী বুলি স্বীকাৰ কবিব নোখোজা অসমৰ মুষ্টিমেয় অথচ প্রাধান্য বিস্তাৰ কবিব পৰা লোকসকলেও, অন্তৰেৰে সৈতে এইজনা সর্ব্বগুণ-সম্পন্ন সর্ব্ব-কলা-বিশাবদ সর্ব্বদর্শী মহাপুৰুষক অন্তৰেৰে শ্রদ্ধা নকবি নোৱাৰে। আৰু এনে কোনো দুই একো যদি ওলায় যে, বিখ্যাত বাৰভূঞা বংশৰ উৎকৃষ্ট কায়স্থ পবিয়ালত জন্ম গ্রহণ কৰা এই গৰাকী পুৰুষৰ সকলো প্রতিভা, সকলো অৱদান স্বীকাৰ কৰিও, ব্রহ্মজ্ঞানী বিশ্বামিত্র ঋষিকো ক্ষত্রিয় বুলিয়েই ব্রাহ্মণসকলে হীন চকুৰে চাই ব্রাহ্মণত্বৰ অধিকাৰ দিবলৈ 'নাৰাজ' হোৱাৰ দৰে, এওঁকো যদি তেনে অধিকাৰ দিব নোখোজা অসমীয়া কোনো ওলায়ো, তথাপিও অসমত এনে কোনো অসমীয়া নাই, যাৰ ওপৰত মহাপুৰুষ শঙ্কৰদেৱৰ সর্ব্বগ্রাসী প্রভাৱ পৰা নাই! অসমীয়াই শ্রীমন্ত শঙ্কৰৰ শ্রেষ্ঠত্ব স্বীকাৰ নকৰা আৰু ঠেটুৰাই ধৰা জাৰত ৰ'দ পুৰাই, স্বস্তিৰ নিশ্বাস পেলায়ো, সূৰুযৰ অস্তিত্ব অস্বীকাৰ কৰা একে কথা।

সি যিয়েই নহওক, এনে শঙ্কৰী সমাজ ব্যৱস্থাত ঠন ধৰি উঠা অসমীয়া সমাজত ডাঙৰ-দীঘল হৈয়ো, মিচেছ ৰবকাকতিয়ে বিয়াৰ সময়লৈকে বুজা নাছিল যে এহাল ডেকা-ডেকেৰীৰ অন্তৰত স্বতঃস্ফূর্ত্তভাৱে ওপজা প্রকৃত প্রেমৰ পিছতহে যে বিবাহ সিদ্ধ। সকুৰে পৰা ডাঙৰৰ মুখে মুখে শুনি অহা 'পতিঃ পৰম গুৰু' পন্থাকেই জীৱনৰ ব্রত কবি লৈ, প্রেম বিষয়ে মূৰ ঘমুৰাবৰ কোনো আৱশ্যক বোধ নকৰাকৈয়ে এক প্রকাৰে তেওঁৰ গতানু-

গতিক বৈবাহিক জীৱন সুখতেই অতিবাহিত হৈছিল। তেওঁৰ বয়স ছাব্বিশ বছৰ হওঁতেই, পোন্ধৰ বছৰৰ পৰা বছৰী একোটিকৈ সন্তান লাভ কৰি এটি এটিকৈ বাৰটি কন্যা সন্তানৰ মাকো হৈছিল। ৰৰকাকতিনী আছিল এগৰাকী আদর্শ হিন্দু পত্নী। পতিৰ সর্ব্বতোপ্রকাৰে মনোৰঞ্জন আৰু পৰিচর্য্যাকে শীর্ষতম স্থান দি, বাৰটি কন্যা সন্তানক লালন-পালন কৰি, প্রথম চাৰিজনীক বিয়া দি উলিয়াই দি, আজি তেওঁ ঘৰত থকা আঠটি কন্যাৰ মাক হিচাপে দুকুৰি এক বছৰত ভৰি দিছেহি। এই বয়সত, এনে এটি সপোনতো নভৰা কথা যে ঘটিব পাৰে, এই বিষয়ে তেওঁ বা তেওঁৰ স্বামী কোনেও কল্পনাই কৰিব পৰা নাছিল। তেওঁৰ অন্তৰত অতর্কিতে লুকাই থকা প্রেমৰ অঙ্কুৰে প্রজ্ঞানৰূপী প্রথম জাক ৰৰষুণতে গঁজালি মেলিলে। এনে আকস্মিক আৰু অবাঞ্ছনীয় পৰিস্থিতিক ভৰিবে মোহাৰি নির্ম্মূল কৰি দিবলৈ আপ্রাণ চেষ্টা কৰি মিচেছ ৰৰকাকতি যেতিয়া ভাগৰি অৱশ হৈ পৰিল, উপায়ন্তৰ নেদেখি তেওঁ চকুলো টুকি টুকি এদিন তেওঁৰ স্বামীৰ ওচৰত সকলো বিৰবি কলে। স্থিতপ্রজ্ঞৰ দৰে নির্ব্বিকাৰ ভাৱে তেওঁৰ স্বামী ৰৰকাকতিয়ে শুনি গ'ল। এটি কটুক্তিও তেওঁৰ মুখৰ পৰা প্রকাশ নহ'ল। কেৱল স্থিৰ দৃষ্টিৰে ঘৈণীয়েকৰ মুখৰ পিনে কিছু সময় চাই ৰ'ল। তাৰ পিছত জোৰকৈ হাঁহি কলে, 'ঈশ্বৰে ভুল নকৰে, প্রকৃতিৰ জয় অনিৰার্য্য।' স্বামীৰ তেনে উক্তিত মিচেছ ৰৰকাকতিৰ কেনে লাগিছিল তেওঁ ঠিৰাংকৈ বুজাই কব নোৱাৰিলেও, অনুভৱ কৰিছিল তেওঁৰ বুকুৰ মাজত থিত লৰ খোজা এটা গধুৰ শিল যেন সেই অসাধাৰণ-ৰূপে সাধাৰণ উক্তিটোৱে মুহূর্ত্ততে আঁতৰাই দিলে। তথাপিও কিন্তু তেওঁৰ অন্তৰৰ পৰা অপৰাধী-অপৰাধী মনোভাবটো সম্পূর্ণ ৰূপে নির্ম্মূল নহ'ল।

প্রজ্ঞানক প্রথম লগ পোৱাৰ এমাহমান পিছতেই, মিচেছ ৰৰকাকতিৰ দেহ-লাৱণ্যত এনে এটা পৰিবর্ত্তন ঘটিল যে তেওঁক এতিয়া জীয়েক অময়াতকৈও কম বয়সীয়া যেন হে লাগে! সামান্য ধৰণে হলেও, মাতৃত্বৰ চাপত যি এটা লোদোৰ-পোদোৰ ভাবে সাধাৰণতে দেখা দিছিল, তাৰ ঠাইত এতিয়া দেখা দিলে এক আকস্মিক আটিলতাই। তেওঁৰ গোটেই শৰীৰটোৰ ৰূপান্তৰ ঘটিল। অন্তৰ উপচি পৰা প্রেমৰ কলাকুশল প্রভাৱত কোনোবা অদৃশ্য খনিকৰে আহি তেওঁক যেন ন-ৰূপত সজাই দিলেহি। দুকুৰি বছৰীয়া শকত শকত যেন লগা মিচেছ ৰৰকাকতি এই এমাহতে লেউসেউ আটিল দেহৰ এগৰাকী কুৰি বছৰীয়া গাভৰুলৈ ৰূপান্তৰিত হৈ গ'ল। তেওঁৰ চকুত ফুটি উঠিল তৃপ্তিৰ এটি উজ্জ্বলতা। খোজত দেখা দিলে ক্ষিপ্রতাৰ

মাজতো ফুটি উঠা ৰাজহংস গতিৰ এটি মাদকতা। হাঁহিত ফুটি উঠিল এটি বাংঢালী বাংঢালী ভাব। নাই ৰুজ, নাই লিপষ্টিক, নাই কস্মেটিক, নাই কাজল। ভিতৰৰ পৰা বাহিৰলৈ উপচি ওলাই আহিব খোজা স্বাস্থ্যৰ স্বাভাৰিক প্রসাধন-জ্যোতি মিচেছ ৰৰকাকতিৰ চকু মুখ নাক কান সর্ব্ব শৰীৰৰ মাজেদি তিৰ্‌বিৰাই উঠিল। কানৰ লটি, গাল দুখন, ঠুটৰি আৰু নাকৰ ওপৰত কেঁচা হালধি-গাঁঠিৰ ৰঙে ভুমুকি মাৰিলেহি। বিশালাক্ষী ৰৰকাকতিনীৰ চকুত থিত্ ল'লেহি বছেৰেকীয়া কেচুৰাৰ চকুৰ স্বচ্ছতাই, কিন্তু বিৰিঙি উঠিল তাত কিশোৰীৰ কমনীয়তা, তৰুণীৰ তীব্রতা আৰু ৰয়স্কাৰ গভীৰতা। এনেহেন এযুৰি চকুলৈ চাই কোন বাৰু মন্ত্রমুগ্ধ নহৈ থাকিব পাৰে?

মিচেছ ৰৰকাকতি যিমানেই ডেকেৰীজনী হৈ আহিবলৈ ধৰিলে, অময়া আৰু অময়াৰ আন সাতোজনী ভনীয়েকে সিমানেই মাকক দেখিব নোৱাৰা হৈ আহিল। মুখ ফুটাই মাকৰ আগত কোনেও একো কবলৈ সাহ নকৰিলেও, তাইহঁতে নিজৰ মাজতে ফিচিঙা-ফিচিঙি কৰিবলৈ ধৰিলে। যৌৱনত্ব বোলা বস্তুটো যেন বয়সত ডেকা-ডেকেৰীহঁতৰহে একচেটীয়া সম্পত্তি! তাৰ ভিতৰত যৌৱনৰ কাল দেই যোৱা আন কোনো সোমাবলৈ বা সোমোৱাৰ যোগ্যতা অর্জ্জন কৰাতো, যেন এটা অনধিকাৰ প্রবেশ হে। ইমানেই স্বার্থপৰ এই পৃথিৱীখন। বুঢ়াৰ ডেকা-তেজ কোনেও সহ্য নকৰে। তেনেহলে ডেকাৰ বার্দ্ধক্যনো কোনে সহ্য কৰিব? কিন্তু ডেকা-ডেকেৰীয়ে অকাল বার্দ্ধক্যৰ হাত সাৰিবলৈ ব্যৱস্থা লোৱাটো বুদ্ধিমানৰ কাম, নে স্বাস্থ্য-উপচি-পৰা বুঢ়া-বুঢ়ী দেখিলে উপলুঙা কৰা ভাল? ভেজাল খাদ্য খাই স্বাস্থ্যহানি কৰা ভাল, নে দৰিদ্র বা কৃপন বুলি কৰা ওচৰ-চুবুৰীয়াৰ উপহাসলৈ কেৰেপ নকৰি উকা আহাৰ খাই স্বাস্থ্য মজবুত ৰখা ভাল? এয়েই জানো আজিও ভাৰতৰ মধ্যবিত্ত শ্রেণীৰ খাদ্য সমস্যা সমাধানৰ প্রথম চাপ নহয়? এমোন ভেজাল আহাৰতকৈ এসেৰ সাধাৰণ নির্ভেজাল আহাৰৰ খাদ্যপ্রাণ সৰহ।

মিচেছ ৰৰকাকতিৰ আহাৰ নিচেই সাধাৰণ; কিন্তু ভেঁজাল কোনো স্তৰেৰেই তেওঁৰ বান্ধনি ঘৰ সোমাব নোৱাৰে। দিনত ঢেকীত বনা চাউলৰ ভাত। সাধাৰণ, কিন্তু ডাকল-কেঁচা তৰী-তৰকাৰী। সময়ে সময়ে তাৎকা মাছ আৰু ৰাতি শুদ্ধ আটা আৰু খাটি গৰু ঘিউৰে তৈয়াৰ কৰা পৰঠা। ভেজিটেবল ঘিউ ৰৰকাকতিৰ ঘৰত সোমাব নোৱাৰে। শুকান ৰুটি বা পৰঠাৰ লগত সাধাৰণ এখন ভাজি নহলে টু! এপিয়লা খাটি গৰু গাখীৰ।

চাহ খোৱা বন্ধ। ছোৱালীহঁতকো সেই ধৰণেই খুৱায়। আবেলিৰ জলপানত ছয়াবিনৰে তৈয়াৰি কিবা নহয় কিবা এবিধ আছেই। সেই দেখি ছোৱালী-হঁতৰ স্বাস্থ্যও আন বহুতো ছোৱালীতকৈ ভাল। অৱশ্যে যিজনী ছোৱালী যিমান খোলা মনৰ, সেইজনী ছোৱালীৰ স্বাস্থ্য সেই অনুপাতেহে উজ্জ্বল। এটা কথা কিন্তু সঁচা যে শাৰীৰিক ৰোগতকৈ দুঃচিন্তাৰূপী মানসিক ৰোগে ঠাই ললে হাজাৰ নিৰ্ভেজাল খাদ্যয়ো শৰীৰত জ্যোতি দিব নোৱাৰে। অময়া এই এমাহে খীণাই গৈছে। মাকৰ আচৰণত এই এমাহে তাইৰ চকুৰ টোপনি নাইকিয়া হ'ল। তাইৰ স্বাস্থ্যই দেউতাকক চিন্তান্বিত কৰি তুলিলে। খাবলৈ টনিক আনি দিলে। তাই নেখায়। কয়, 'টনিক খাই মনৰ বস্তু বিচাৰি পোৱা হলেতো কোনো কথাই নাছিল, নিশ্চয় খালোঁ-হেঁতেন।' তাইৰ মনৰ বস্তু যে হৰণ কৰি নিছে তাইৰ মাকেই! মাকৰ স্বাস্থ্যোন্নতি অনুপাতে অময়াৰ স্বাস্থ্য হানি, এই দুটি বিশেষ পৰিবৰ্ত্তন সকলোৱে চকুত ধৰা পৰিল। ঘৰখনত এটি অশান্তিৰ ছাঁয়াই দেখা দিলে। এই সকলোবে কাৰণে দায়ী মাক। মাকলৈ অময়াৰ পেটে পেটে ভীষণ খং উঠিল। পৰা হলে যে মাকক তাই কি নকৰিলেহেঁতেন!

"মা, আমাৰ লগত তুমি বাটত নুফুৰাই ভাল। ইমান বেগাই খোজ কাঢ়া তুমি!" গধূলি নৈ পাৰৰ আলিত ফুৰোঁতে অময়াই কলে।

"ওঁ হয়তো, মা'জনী যে কি? বয়স হৈছে মানে, দিনে দিনে যেন ডেকেৰীজনীহে হৈ গৈছে?" অময়াৰ কথাত হয় দি ৰুমাই ক'লে।

"নহয়নো কি? আমাৰ লাজেই লাগে। মাকজনী হৈ জীয়েকহঁতৰ লগত যেনিবা বেগাই খোজকাঢ়া প্ৰতিযোগিতাতহে যোগ দিছে!" বিজয়াই দুই বায়েকৰ লগতে উজান দিলে।

"তহঁত আটায়ে দেখিছোঁ মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছ। মই বুঢ়ী নহলেও যে বুঢ়ী হৈছোঁ, এইটো প্ৰমাণ কৰিব পাৰিলেই যেন তহঁত বাচ!" মাকে অভিমানৰ সুৰত কলে।

"কোনে কলে তোমাক, আমি তোমাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা বুলি?" অময়াই ভেঙুচালিৰ সুৰত মুখখন বেকেটাকৈ কলে।

"মনে মনে থাক অময়া।" মিচেছ ৰৰকাকতিৰ খং উঠি গল,

"তয়েই যৎকূটৰ ঘাই। লাজ নেলাগে তোৰ নিজৰ মাক-বাপেকৰ বিৰুদ্ধে য'তে ত'তে যিহকে পাই তাকে কৈ ফুৰিবলৈ?"

"দেউতাৰ বিপক্ষে কোৱা বুলি তোমাক কোনে কলে?"

সেই একে সুৰতে অময়াই কলে, "তোমাৰ লাজ লগা উচিত মা, এই বয়সত দেউতাক এনেকুৱা অৱস্থাত পেলাই...." অনুমোদনৰ কাৰণে অময়াই ভনীয়েক কেইজনীৰ পিনে চালে। আটাই কেইজনী ভনীয়েকে একো নুশুনা ভাও জুৰি সমুখলৈ চাই খোজকাঢ়ি গৈ আছিল। পেটে পেটে তাইহঁতে কিন্তু খুব ভাল পাইছিল মাকক অময়াই তেনেকৈ অপদস্ত কৰা দেখি।

অময়াই আকৌ কলে, "দেউতাই যদি এইবোৰ কথা গম পায়...."

খপকৰে মুখৰ ওপৰতে ধৰি মাকে কলে, "গম নেপায় বুলিনো তোমাক কোনে কলে?" খঙতে মাক ৰঙা হৈ গ'ল। খং উঠিলে মাকে ঠাটাৰ সুৰত জীয়েকহঁতক 'তুমি' সম্বোধন কৰে।

"দেউতাই জানে? আৰু জানিও তোমাক?" অময়াই আচৰিত হৈ মাকৰ পিনে চায়। খঙতে তাই কঁপিবলৈ ধৰিলে। তাইৰ চকুৰেদি সৰ্ সৰ্ কৰে পানী ওলাবলৈ ধৰিলে।

সেইদিনাৰ সান্ধ্য ভ্ৰমণটো মাক জীয়েকৰ তৰ্ক-বিতৰ্কতে সাং হ'ল। গধূলি যেতিয়া আটাই জাক ঘৰ পায়হি ভালকৈয়ে এন্ধাৰ হৈছিল। অলপ আগতেই দুজনী ছোৱালী আহি অময়াহঁতৰ দুইং ৰুমত অময়াৰ কাৰণে বৈ আছিলহি। ছোৱালী দুজনীক দেখি অময়া দুইং ৰুমতে ৰ'ল। মাক আৰু বাকী ছোৱালী আটাই কেইজনী ভিতৰলৈ গ'ল।

"বাৰু অময়া।" শকুন্তলাই ফুচফুচাই কলে, "তুমিয়েই কোৱাচোন, এনেকুৱা কথাওনো হব লাগে নে?"

"যি বুজিছোঁ, পৃথিৱীত হব নোৱাৰা কাম একো নাই শকুন্তলা।" অময়াই নিৰ্ব্বিকাৰভাৱে কলে।

"কিন্তু তোমালোকে কি কৰিছিলা?" প্ৰতিভাই অভিযোগৰ সুৰত কলে, "ইমানবিলাক ছোৱালীৰ চকুত ধূলি দি....। তেওঁ....তেওঁ....তোমালোকৰ মা' নহয় নেকি?" প্ৰতিভাই খঙতে ফোপাবলৈ ধৰে।

"মা? এৱা, মা বুলিয়েই তো আমাক চিনাকি কৰি দিছিল!" অময়াৰ মুখখন অস্বাভাৱিকভাৱে গহীন হৈ গ'ল।

"তুমি কি কৈছা, মই একো বুজিব পৰা নাই, অময়া বাইদেউ।" প্ৰতিভাই প্ৰতিবাদ কৰে।

"মাকৰোৱ অৱশ্যে মাকেই, মাক নহৈ যাব কলৈ? কিন্তু কাৰ বাপেক কোন? কোনেও ডাঠি কৰ নোৱাৰে।" অময়াৰ মুখখন আগতকৈও গম্ভীৰ হৈ গ'ল।

"তোমাৰ দেউতাৰৰ জীয়েক তুমি নোহোৱা বুলি তোমাৰ কিবা সন্দেহ আছে নেকি অময়া ?" শকুন্তলাই গহীনভাৱেই সোধে।

"বাপেকৰ জীয়েক নহৈ, মই বাৰু কাৰ জীয়েক হম ? কিন্তু প্ৰশ্ন হ'ল, ৰৱকাকতি মোৰ দেউতা হয় নে নহয় ?" খন্তেক থমকি অময়াই আকৌ কয়, "অৱশ্যে তেখেতে আমাক জী বুলিয়েই মৰম কৰে!"

এইবাৰ শকুন্তলাৰ হাঁহি উঠি গ'ল। "ধেৎ অময়া, তুমি যে কি কথাবোৰ কোৱা ? তেনেকৈ কব পায় নে ?"

"পায়, কাৰণ মোৰ মা', এজনী দুজনী নহয়, একেবাৰে বাৰজনী জীয়েকৰ মাক।"

"পিছে কি হ'ল ?" শকুন্তলাই সোধে।

"পিছে এয়ে হল : এয়ে মোক চীনদেশীয় ফঁকৰা এফাকিলৈ মনত পেলাই দিয়ে।"

"কি ? কি হয় নে ? সেই ফকৰাটোনো কি ?" প্ৰতিভাই আগ্ৰহেৰে সোধে।

"ফকৰাটো হৈছে এই। অময়াই গহীনাই কৈ যায়, লিন্ ইউটাঙৰ এখন কিতাপত ক'ৰবাত পঢ়া মনত পৰে যে, যি তিৰোতা সাতটা লৰা-ছোৱালীৰ মাক, তেনে তিৰোতাই তেওঁৰ সাতোটা সন্তানেই একেজন বাপেকৰ বুলি কলে কেতিয়াও বিশ্বাস নকৰিবা! এইটো চীনদেশত অতি পুৰণি কালৰে পৰা চলি অহা ফকৰা।"

"এইখন পিছে ভাৰতবৰ্ষহে ?" প্ৰতিভাই মুখৰ ভিতৰতে কলে। অময়া মনে মনে থাকিল। কিছু সময় নিস্তব্ধতাৰ পিছত কোনেও একো নোকোৱা দেখি শকুন্তলাই মাত দিলে, "হঠাৎ তোমাৰ মনত এনে অবান্তৰ কথাই ঠাই ললে কিয় ? তোমাৰ মাৰক অন্ততঃ সন্দেহ কৰাত কোনো যুক্তি নাই। নহয় জানো বাৰু অময়া ?"

"কেলেই নেথাকিব ? আছে—আছে—থাকিবই লাগিব।" খঙত অময়াৰ চকু দুটা অস্বাভাৱিকভাৱে ডাঙৰ হৈ পৰে।

"শুনা অময়া।" শকুন্তলাই লাহেকৈ কলে, "তেনে কিবা হলেও, অন্ততঃ তোমাৰ আই-বোপাইৰ সম্বন্ধে তুমি নিঃসন্দেহ হোৱা উচিত। চীন-দেশীয় কথাষাৰত যদি সাৰ্ব্বজনীন সত্যতাও থাকে তথাপি তুমি তোমাৰ মা-দেউতাৰাৰ পঞ্চমা কন্যাহে! ৮ম সন্তানৰ পৰাহে চীন দেশত সন্দেহ কৰাৰ কথা ফকৰাটিত কৈছে ?"

"ওঁ হয়তো।" প্ৰতিভাই উৎসাহেৰে যোগ দিলে, "শকুন্তলা বাইদেৰে

ঠিক কথা কৈছে। সাতটা লৰা-ছোৱালী হোৱাৰ পিছতহে সেই ফকৰাটো ধেমালিতে হলেও খটুৱাই মাকবিলাকৰ খং তুলিব পাৰি! কিন্তু তুমি হোৱাৰ সময়লৈকে তোমাৰ মাৰ দেখোন পাঁচজনী ছোৱালীৰহে মাক আছিল, নহয় জানো ?"

"প্ৰতিভাই ঠিক কথা কৈছে, তুমি অন্ততঃ তোমাৰ দেউতাৰ ৰৱকাকতিৰেই ছোৱালী। হ-ব-ই লাগিব। বুজিছা অময়া, তুমি বৰ ভাগ্যৱতী ছোৱালী। বাপগৰী তোমালোক আটাই কেইজনী বাই-ভনী। অ', শেহৰজনী অৱশ্যে নহয়....কোনো কথা নাই! বাপগৰী মানে—তোমাৰ মুখখন হুবহু মিঠাৰ ৰৱকাকতিৰ দৰে, বুজিছা আকৰি ?"

"থোৱা, থোৱা, সেইবোৰ কথা বাদ দিয়া।" অময়াই ঠাট্টাৰ সুৰত কয়, "শুনা শকুন্তলা, তুমি বহুত কথাই জানা, বহুত কথাই বিশ্বাস কৰা। তুমি জানো বিশ্বাস কৰা নাছিলা যে, প্ৰজ্ঞানে তোমাক ভাল পায় ?"

"তুমি কেনেকৈ জানিলা যে তেওঁ মোক ভাল নেপায় ?" শকুন্তলাৰ মাতত স্পষ্ট হৈ উঠা জড়তাৰ ভাবে, প্ৰতিভাক আঘাত দিলে। প্ৰতিভাই শকুন্তলাৰ কথাতে জোৰ দি কলে, "যাৰ কাৰণে মই মোৰ অতি ভালপোৱাজনক, অতি কষ্টৈৰে হলেও, বিসৰ্জ্জন দিছোঁ, তেওঁ—তেওঁ—মোৰ সেই প্ৰিয়জনৰ ওচৰত কেতিয়াও ঠগ খাব নোৱাৰে!" প্ৰতিভাৰ চকু চল্‌চলীয়া পৰিল। তাই কৈ গ'ল, "শুনা অময়া বাইদেউ! মোতকৈ প্ৰজ্ঞানদাক কোনেও বেচি ভাল পোৱা নাছিল। কিন্তু মোৰ সেই ভালপোৱাও মই মোৰ প্ৰাণতকৈও প্ৰিয়তমা শকুন্তলা বাইদেউৰ কাৰণে হাঁহি মুখে বিসৰ্জ্জন দিবলৈ ওলাইছোঁ।" ঢোক গিলি প্ৰতিভাই আকৌ কয়, "তুমি কব খোজা নেকি ? মোৰ সেই অকৃত্ৰিম ভালপোৱা আৰু অকৃত্ৰিম ত্যাগৰ কোনো মূল্য নাই ? প্ৰজ্ঞানদা আৰু শকুন্তলা বাইদেউ উভয়েই স্বামী-স্ত্ৰী হিচাপে চিৰদিনেই সুখী হব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস।"

প্ৰতিভাৰ আন্তৰিকতাত অময়া মুগ্ধ হলেও সংসাৰৰ জটিলতা সম্বন্ধে স্পষ্ট একো জ্ঞান নথকা এই পোন্ধৰ বছৰীয়া ছোৱালীজনীলৈ অময়াৰ পুতৌ হ'ল। অময়াই হাঁহি কলে,

"শুনা প্ৰতিভা, তুমি যি কৈছা, ময়ো ভাবো সেইটো সঁচা হওঁক। কিন্তু বহুতো 'কিন্তু' আৰু 'যদি'য়ে যদি মাজতে হেঁতাওপৰা নকৰে, বুজিলা ?"

প্ৰতিভাই অময়াৰ কথা বুজিব নোৱাৰি নিচেই আজলী ছোৱালীৰ দৰে অবাক হৈ অময়াৰ মুখলৈ চালে।

শকুন্তলাই প্ৰতিভাৰ অসুবিধাটো বুজিব পাৰি কলে, "শুনা প্ৰতিভা,

অময়াই কৈছে যে প্রজ্ঞান আৰু মই যদি স্বামী-স্ত্রী কেতিয়াবা হৰোঁ, আমাৰ উভয়ৰে উভয়ৰ ওচৰত দায়িত্ব থাকিব তেতিয়ালৈকেহে, যেতিয়ালৈকে আমি পৰস্পৰে পৰস্পৰক স্বীকাৰ কৰি লওঁ। কিন্তু আমাৰ সেই মিলনত যদি কেৰোণ সোমায় তেনেহলে....''

''অ', মই এতিয়াহে বুজিছোঁ, তাৰ মানে, অময়া বাইদেৰে কৈছে যে কঠাল গছত থাকোঁতেই, খাবলৈ পোৱাৰ আশাত মুখত তেল দি লাজত নপৰাই ভাল, নহয় জানো ?''

প্রতিভাৰ কথাত অময়া শকুন্তলা দুয়ো ঘিক্ ঘিক্ কৰে হাঁহি দিলে। পিছত প্রতিভায়ো হাঁহিত যোগ দিলে। কিন্তু সেইদিনা গধূলি যি কথা লৈ এই তিনিজনী ছোৱালী গোট খাইছিল, তাইহঁতে যে হাঁহিবলগীয়া হ'বগৈ এই কথা কল্পনাই কৰা নাছিল।

ছোৱালীহঁতৰ হাঁহি খিকিন্দালি শুনি মিচেছ ৰবকাকতিয়ে এবাৰ লাহেকৈ ভিতৰ ফালৰ পৰ্দাখন দাঙি ভুমুকিয়ালেহি। ইয়াৰ আগেয়েও তাইহঁতে যেতিয়া প্রজ্ঞানৰ কথা কৈছিল, তেতিয়াও কি কৈছে শুনাৰ আশাতে এবাৰ ভয়ে ভয়ে ভুমুকিয়াইছিলহি। সেইবাৰ অৱশ্যে কোনো এজনীয়ে সেইটো মন কৰা নাছিল। কিন্তু পিছৰ বাৰ ভুমুকিৰাওঁতে হঠাৎ অময়াৰ চকুৰে চকুৰে পৰিল। যেই পৰিল আৰু ক'ত ? অময়া একে কোবেই বহাৰ পৰা উঠি আহি, মাকক চুই হে নিকিলালে! মুখত যি আহিল তাকে বলিয়াৰ দৰে বকিবলৈ ধৰিলে। মাক-জীয়েকৰ কাজিয়াখন চাই থকাৰ ধৈর্য্য শকুন্তলা আৰু প্রতিভাৰ নাই। তাইহঁতে ভাবিলে, এই সুযোগতে পলোৱা যাওঁক। নহলে হয়তো অলপ পিছতে চুলীয়া-চুলিয়েই হবগৈ পাৰে!

শকুন্তলাৰ গাড়ীত প্রতিভা আৰু শকুন্তলা দুয়ো পোনে পোনেই প্রজ্ঞানৰ ঘৰলৈ গ'ল। অময়াৰ মুখে তাইহঁতে যি শুনিলে তাৰ মাজত কিবা সত্যতা আছে, নে এনেয়েহে অময়াই মাকক সন্দেহ কৰিছে, এই বিষয়ে ঠিৰাং হবলৈকে দুয়োজনী উৎকণ্ঠিতা হৈ পৰিছিল। যিমানেই অপৰূপা সুন্দৰী নহওক লাগিলে, ৰবকাকতিনীৰ দৰে এগৰাকী দুকুৰী বছৰীয়া তিৰোতাৰ কাৰণে প্রজ্ঞানৰ দৰে এনেহেন এজন ডেকা যে এনেকৈ বলিয়া হব পাৰে— এই কথা তাইহঁতে ভাবিবই নোৱাৰে। যৌৱন পাৰ হৈ গ'লে যৌৱনৰ কমনীয়তা হেৰায় যায়। কিন্তু হেৰোৱাৰ পৰিৱর্ত্তে কোনো ভাগ্যৱান বা ভাগ্যৱতীৰ ক্ষেত্রত যদি সি অটুট থাকে, তেনেহলে তেনে বিশেষ বিভূতিৰ অধিকাৰী বা অধিকাৰিণীয়ে তাক প্রয়োগ কৰিলে আনৰ হিংসা লগাতো

স্বাভাৰিক। এনে উপচি পৰা স্বাস্থ্য আৰু দেহ-লাৱণ্যৰ অধিকাৰিণী ভার্য্যাসকলৰ যিসকল স্বামী, তেওঁলোকৰ মানসিক অস্থিৰতাৰ হেতুটো যে মনস্তত্ত্ববিদৰ কাৰণে এটি বিশেষ অধ্যয়নৰ বিষয়, তাত কোনো সন্দেহ নাই। অৱশ্যে ইয়াৰ বিপৰীতটোও সমানেই সঁচা। বুঢ়া বয়সত স্বামীৰ চেলেঙীয়া স্বাস্থ্য কোন বুঢ়ী তিৰোতাইনো বাৰু সহ্য কৰিব পাৰে? দিন থকালৈকে ডেকা পতিক কেটেৰা মাতেৰে মাতি, লগুৰাৰ দৰে নিজৰ স্বামীক ব্যৱহাৰ কৰি, শান্তি পোৱা তিৰোতায়ো, দিন যোৱাৰ পিছত আপেক্ষিকভাৱে ডেকা হই থকা সেই একেজন স্বামীকে ছাঁৰ দৰে অনুসৰণ কৰি, বৃদ্ধা-অর্দ্ধাঙ্গিনীৰ ভাও দিয়া দেখিলে, এনে পৰিবর্ত্তনৰ মাজত লুকাই থকা গূঢ় ৰহস্য ভেদ কৰিবলৈ মানুহৰ স্বাভাৰিকতে ধাউতি জন্মে! পাটগাভৰু বয়সত 'পতি পৰম গুৰু' কথাষাৰ শিৰোধার্য্য কৰি পালন কৰিব পৰা নাৰীহে, নাৰী হিচাপে ধন্যা। অৱশ্যে উপযুক্ত পতিৰ ক্ষেত্রতহে ই প্রযোজ্য। দুশ্চৰিত্র স্বামীৰ ক্ষেত্রত নহয়। কিন্তু প্রকৃততে 'হৰ-গৌৰী' বসতি হোৱা এনে দম্পতী পৃথিৱীতেইনো কিমান? আদর্শ সদায়েই আদর্শ। আয়ত্বাধীনলৈ আদর্শক নমাই আনিলে সি আৰু আদর্শ হৈ নেথাকে।

বিবাহ এটি চুক্তি। হোমৰ আগত অগ্নি দেৱতাক সাক্ষী কৰিয়েই হওক, কাছাৰীতেই হওক, কামাখ্যাৰ দৰে দেৱীক সাক্ষী কৰিয়েই হওক, গীর্জ্জাতেই হওক বা য'তেই নহওক চুক্তি চুক্তিয়েই। চুক্তি বাহাল থকালৈকে চুক্তিৰ বিপৰীতে অলক্ষিতে অযুক্তিকৰ কিবা কৰাটো অমার্জ্জনীয় অপৰাধ বুলি জ্ঞানী মাত্রেই স্বীকাৰ কৰিব। কিন্তু আন্তৰিকতাহীন, গাৰ বলেৰে পতা চুক্তিত যুক্তি-অযুক্তি বুলি কোনো কথা নাই। উভয় পক্ষৰ স্বতঃস্ফুর্ত্ত অন্তৰৰ আবেদনত যি চুক্তি স্বাক্ষৰিত হয়, সেই চুক্তিত কেৰোণ সাধাৰণতে নোসোমায়। সোমালে তাক বুলিব লাগিব দুর্ভাগ্য। এনে দুর্ভগীয়া নাৰী-পুৰুষৰ জীৱন লৈয়েই জগতত সৃষ্টি হৈছে এহেজাৰ-এখন বিয়োগান্ত নাটক—সৃষ্টি হৈছে কৰুণ ৰসাত্মক উপন্যাস-সাহিত্য, কাব্য, মহাকাব্য আদি মহৎ গ্রন্থৰাজি। গভীৰ সহানুভূতিয়ে মধ্যস্থতা কৰা, এনে সাহিত্যই মানৱ চৰিত্রৰ বৈচিত্র্যৰ বিষয়ে যুগে যুগে জগতক সজাগ কৰি আহিছে। তথাপিও যেন তাৰ শেষ নাই। ঘূৰি-পকি মানুহ সেই একেটা সত্যতে উপনীত হৈছেগৈ যে, তথ্য সদায়েই তর্কৰ ওপৰত!

ন

"বাস্তৱ জীৱনত ঘটা ঘটনাই কাল্পনিক ঘটনাক সদায়েই চেৱ পেলাই আহিছে। বাস্তৱত ভেটি কৰিহে, প্ৰকৃত কল্পনাৱ সৃষ্টি। জীৱনত খোপনি নোপোতা কল্পনাত ভেটি কৰি সৃষ্টি হোৱা সকলো বস্তুৱেই মেৰু-দণ্ডহীন, অবাস্তৱ আৰু প্ৰাণহীন। আমাৰ মিলনেও কাল্পনিক সৌহাৰ্দ্দ এটিহে মাথোন গঢ়ি তুলিছিল, জীৱনত খোপনি পুতিব পৰা নাছিল। সেই দেখি বুজিছা, ইয়াত আচৰিত হবলগীয়া একো নাই।" ৱৰকাকতিয়ে কৈ গম্ভীৰভাৱে মনে মনে থাকিল। গিৰীয়েকৰ এনে নিৰ্ব্বিকাৰভাৱে মিচেছ ৱৰকাকতিৰ মনলৈ শান্তিৰ পৰিবৰ্ত্তে বেচিকৈ অশান্তিহে আনি দিলে। এষাৰ কথাও গোপন নকৰাকৈ মিচেছ ৱৰকাকতিয়ে গিৰীয়েকৰ আগত তেওঁৰ বৰ্ত্তমান মনৰ অৱস্থাৰ সকলো কথা বিৱৰি কলে। স্বীকাৰ কৰিলে নিজৰ ভুল। স্বীকাৰ কৰিলে কেনেকৈ তেওঁৰ অন্তৱত প্ৰজ্ঞান আহি সোমাই পৰিল। স্বীকাৰ কৰিলে কেনেকৈ প্ৰজ্ঞানক তেওঁ অৱহেলা কৰিবলৈ হেজাৰ চেষ্টা কৰিও বিফল হবলগীয়া হৈছে।

ৱৰকাকতিনীৰ কৰ্ত্তব্য বোধত, স্বামীৰ প্ৰতি তেওঁৰ আনুগত্যত, তেওঁৰ জীৱনৰ পোন প্ৰথম প্ৰকৃত প্ৰণয়ীৰূপে আকস্মিকভাৱে উপস্থিত হৈ প্ৰজ্ঞান-ৰূপী এই ডেকাজনে কেনেকৈ তেওঁৰ মনত এটি অভূতপূৰ্ব্ব আলোড়নৰ সৃষ্টি কৰি, বিবাহিত স্বামীৰ প্ৰতিও তেওঁক উদাসীন হবলৈ প্ৰেৰণা জোগালে; আৰু সেই অবাঞ্ছনীয় প্ৰভাৱৰ পৰা মুক্ত হবলৈ আপ্ৰাণ চেষ্টা কৰিও মিচেছ ৱৰকাকতিয়ে নিজৰ মনক এতিয়াও কেনেকৈ সংযত কৰিব নোৱাৰি হতাশ হৈছে, এই কথাও স্বীকাৰ কৰিলে। সঁচা কথা কবলৈ গ'লে, ৱৰকাকতিনীৰ এই সঁজাগতাই তেওঁৰ মনলৈ আনিছে ধিক্কাৰ—দিছে তেওঁ নিজকে নিজেই গৰিহনা—স্বীকাৰ কৰিছে চকুপানী টুকি নিজৰ অমাৰ্জ্জনীয় অপৰাধ স্বামীৰ চৰণত ধৰি—বিচাৰিছে তাৰ কাৰণে স্বামীৰ ককৰ্থনা, গঞ্জনা, পদাঘাত আৰু কঠোৰ শাস্তি! তেনে শাস্তি পালেহে তেওঁৰ মনলৈ যেন শান্তি আহিব! কিন্তু তেওঁৰ স্বামী নিৰ্ব্বিকাৰ। ই যেন আচৰিত হবলগীয়া, খং উঠিবলগীয়া, ৰেজাৰ কৰিবলগীয়া একো কথাই নহয়। ৱৰকাকতিনীৰ শিক্ষা-দীক্ষা, বংশ-মৰ্য্যদা, পাৰিবাৰিক ঐতিহ্য সকলোৱেই যেন তেওঁৰ অন্তৱত খুন্দিয়াই কলেহি, তেওঁ অপৰাধিনী। নিজৰ বিবেককতো তেওঁ অস্বীকাৰ কৰিব নোৱাৰে! বিবেকৰ তাড়নাত স্বামীৰ চৰণত ধৰি তেওঁ কাকুতি কৰিলে

তেওঁক পৰিত্যাগ কৰিবলৈ। ক'লে, তেওঁ তেওঁৰ সহধৰ্ম্মিনী হোৱাৰ সম্পূৰ্ণ অনুপযুক্ত। ইমান দিনে কায়-মনো-বাক্যে যাক জীৱনৰ একমাত্ৰ অধীশ্বৰ জ্ঞান কৰি, আজি তেওঁ বাবটি সন্তানৰ মাক হৈ দুকুৰি বছৰত ভৰি দিছেহি, ইমান বছৰৰ তেওঁৰ এই সাধনা কি এনেকৈ অথলে যাব? তেওঁ কি তেনেহলে পতিব্ৰতা নাছিল? তেওঁ কান্দি কান্দি গিৰীয়েকক সুধিলে। বিষাদৰ হাঁহি মাৰি ৱৰকাকতিয়ে মাথোন কলে, "বুজিছা স্বপ্না, তুমি সঁচাকৈয়ে পতিব্ৰতা; মই হে তোমাৰ পতি হোৱাৰ সম্পূৰ্ণ অযোগ্য। ইমান দিনে এই অযোগ্য পতিকে প্ৰকৃত পতি বুলি ভাবি তুমি তেওঁক পূজা কৰি আহিছিলা, কিন্তু সেই পূজা আছিল হিন্দু পত্নী হিচাপে তোমাৰ তেজত থকা কৰ্ত্তব্যবোধৰ বাহিৰত প্ৰকাশ পোৱা যান্ত্ৰীক ৰূপান্তৰহে মাথোন। তুমি নিজেও জনা নাছিলা—যে তাত প্ৰকৃত আন্তৰিকতা নাছিল। কিন্তু তৃষ্ণাতুৰে মৰুভূমিৰ মাজত মৰীচিকা খেদাৰ দৰে প্ৰকৃত পতিৰ পৰশৰ কাৰণে তোমাৰ অন্তৰে ইমান দিনে অন্ঠ-কণ্ঠ শুকুৱাই হাবাথুৰি খাই ফুৰিছিল—মৰীচিকাতেই পানী আছে বুলি ভ্ৰম কৰি আত্মপ্ৰবঞ্চনাতেই তৃপ্তি লভিছিল। আজি এজন উপযুক্ত পুৰুষ হঠাতে তোমাৰ সমুখত থিয় দিয়াত, তোমাৰ অন্তৰে বিচাৰি পালে কাৰ কাৰণে তোমাৰ অৱচেতন মনে ইমান দিনে হাবিয়াস কৰি আহিছিল! মই ভাবোঁ, তোমাৰ কোনো দোষ নাই। তোমাৰ অন্তৰত কোনো কলুষ নাই। তুমি মই উভয়ৰে বুদ্ধিয়ে ঢুকি নোপোৱা ই কিবা এটা! ই এতিয়াও উদঘাটিত নোহোৱা মানৱ মনৰ এটি ৰহস্য! মোৰ অন্তৰত কোনো খেদ নাই। কেলেই তুমি তোমাৰ মনক সংযত কৰিব পৰা নাই—এই বুলি মই তোমাক দোষাৰোপ নকৰো। পৰা হলে তুমি নিশ্চয় কৰিলাহেঁতেন। তোমাতকৈও শক্তিশালী কিবা এটাই তোমাক আজি এই অৱস্থাত পৰিবলৈ টানি নিছে। সেয়ে যদি নহব, সাধাৰণ তিৰোতাৰ দৰে, তুমি এই কথাটো নিশ্চয় মোৰ পৰা গোপন কৰিব পাৰিলা-হেঁতেন!" ৱৰকাকতি হঠাৎ ৰৈ গ'ল। তেওঁৰ চকুৰেদি দুধাৰ নীৰৰ চকুলো বাগৰি গ'ল। শোঁৱনি-কোঠাৰ একাষে চোফা এখনত বহি থকা ৱৰকাকতিৰ আঠুহালেৰে সৈতে ভৰি দুখন ইমানপৰে জপতিয়াই ধৰি, মিচেছ ৱৰকাকতিয়ে ৱৰকাকতিৰ মুখলৈ অবাক হৈ চাই আছিল। ৱৰ-কাকতিনীয়ে ভাবিছিল: খঙতে একো নাইকিয়া হৈ, ৱৰকাকতিয়ে নিশ্চয় গালি পাৰিব, তিৰস্কাৰ কৰিব, হয়তো প্ৰহাৰো কৰিব। এই সকলোবোৰকে মনতে কল্পনা কৰি মিচেছ ৱৰকাকতিয়ে নিজৰ মনক সম্পূৰ্ণ প্ৰস্তুত কৰিছে গিৰীয়েকৰ ওচৰত সকলো কথা বিৱৰি কৈছিল। ভাবিছিল—প্ৰহাৰে

তেওঁৰ মনত শান্তি দিব। কিন্তু এতিয়া তেনে একো নোহোৱা দেখি, মিচেছ ৰৰকাকতিৰ মনটো অস্থিৰ হৈ উঠিল। ইচ্ছা হ'ল, আত্মহত্যা কৰি নিজৰ পাপৰ প্ৰায়চিত্ত কৰিব। তেওঁৰ স্বামীয়ে যদিও কৈছে ই কোনো দোষণীয় কথা নহয়—তথাপি মিচেছ ৰৰকাকতিয়ে নিজৰ মনক প্ৰবোধ দিব নোৱাৰিলে। একেখৰে তেওঁ গিৰীয়েকৰ মুখৰ পিনে চাই ৰ'ল।

এনেকৈ কিমান পৰ গ'ল, কোনেও কব নোৱাৰে। হঠাৎ নিস্তব্ধতা ভঙ্গ কৰি ৰৰকাকতিয়ে কলে, "শুনা স্বপ্না, তোমাক সুখী দেখিলে মোতকৈ কোনো বেচি সুখী নহব। আমাৰ বৈবাহিক জীৱনত সকলো পায়ো কিবা এটাৰ অভাৱ মই সদায়েই অনুভৱ কৰি আহিছিলোঁ। অভাৱটো কি মাজে মাজে হয়তো আধা বুজিছিলোঁও, কিন্তু নিজৰ মনকে আকো প্ৰবোধ দিছিলোঁ যে আমি বেচ সুখতেই আছোঁ। বোধকৰোঁ বেচি ভাগ বিবাহিত দম্পতীৰ ভাগ্যতে প্ৰণয়ৰ ভেঁকো-ভাওনাহে লিখা থাকে। স্বামী ভাৰ্য্যা উভয়েই উভয়ক ভালপাওঁ বুলি ভাবিয়েই শান্তি পায়, কিন্তু বৈবাহিক জীৱনৰ ভাল-পোৱা কি? বা প্ৰণয় কেনেকুৱা? জীৱনৰ শেষ মুহূৰ্ত্তলৈকে এই কথা নজনাকৈয়ে বেচিভাগ লোকেই জীৱন পাত কৰিবলৈ বাধ্য হয়। আজি এই মুহূৰ্ত্ততহে মই স্পষ্টকৈ বুজিব পাৰিছোঁ, আমাৰ বৈবাহিক জীৱনত আমি উভয়েই মনে মনে কিহৰ অভাৱ অনুভৱ কৰি আহিছিলোঁ। প্ৰণয়.... প্ৰণয়....প্ৰকৃত প্ৰণয়। প্ৰণয় পাশত আৱদ্ধ হৈ আমি বৈবাহিক জীৱনত নিশ্চয় সোমোৱা নাছিলোঁ। খোজা-বঢ়া, ধৰা-মেলা পদ্ধতিৰে আমাৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন হৈছিল মাথোন।"

ৰৰকাকতি আকো মনে মনে থাকিল। মিচেছ ৰৰকাকতি মাটিত আঠুকঢ়াৰ পৰা উঠি ৰৰকাকতি বহি থকা চোফাখনতে কাষত বহি, ৰৰ-কাকতিৰ কোলাতে মূৰটো থৈ উচুপিবলৈ ধৰিলে। ৰৰকাকতিয়ে যন্ত্ৰৰ দৰে ঘৈণীয়েকৰ মূৰৰ চুলিত লিৰিকি পিটিকি আঙুলি বুলাই থাকিল। ঢং ঢংকৈ ৰাতিৰ ৰৰকাঁহে ৰাৰ বজাৰ সঙ্কেট দিলে। খপকৰে বহি উচুপি উচুপিয়েই মিচেছ ৰৰকাকতিয়ে গিৰীয়েকৰ মুখলৈ চালে। চকুপানীৰে তিতি যোৱা গাল দুখন আৰু উচুপনিৰ লগে লগে ঈষৎ কঁপি উঠা ৰৰ-কাকতিনীৰ নাকৰ পাহি দুটি মাজে মাজে দীঘলকৈ টনা উশাহৰ লগে লগে ফুলি উঠা দৃশ্যটোৱে গিৰীয়েকক এক অভাৱনীয় তৃপ্তি দিলে। 'ইমান ধুনীয়া সঁচাকৈয়ে এই মানুহ গৰাকী! ইমান পবিত্ৰ মুখখনি! ইমান অজলা, ইমান কুমলীয়া, ইমান মনোমোহা!' ৰৰকাকতিয়ে অলপ আগতে হৈ যোৱা সকলো কথা পাহৰি যায়। খপকৰে উঠি দুই হাতেৰে ঘৈণীয়েকক সাৱতি

ধৰি আৰেগতে অজস্ৰ চুমা আঁকি দিলে। এনেকৈ কিমান সময় গ'ল, কোনেও ক'ব নোৱাৰিলে। উভয়েই কিন্তু বুজিলে যে যি ধৰণৰ প্ৰণয়ৰ সন্ধেদ ঘৈণীয়েকে আজি প্ৰজ্ঞানৰ সান্নিধ্যত লাভ কৰিছে, তেনে প্ৰণয়ত তেওঁলোকৰ দুয়োৰে জীৱন সাঙোৰ নেখালেও, উভয়েই উভয়ক বুজিবলৈ কৰা এটা অবিৰাম চেষ্টাৰ গুণতেই তেওঁলোকৰ গাৰ্হস্থ্য জীৱন যে ইমান দিনে সুখতেই অতিবাহিত হৈ আহিছে—এই বিষয়ে কোনো সন্দেহ নাই। দুয়ো দুয়োৰে মুখলৈ চাই হাঁহিলে, কান্দিলে, আৰেগত উটি গ'ল। ৰাতি-টোৰ বেচিভাগ সময়েই তেওঁলোকৰ টোপনি অহা নাছিল। শেহ নিশাৰ এঘণ্টামান লালকাল টোপনিয়েই তেওঁলোকৰ সকলো ভাগৰ যেন নাইকিয়া কৰি পেলালে।

দুখনি আঁৰহীন অন্তৰৰ বৈবাহিক জীৱনেই নাৰী-পুৰুষক চিৰদিনেই মানসিক পুষ্টিৰ যোগান দি আহিছে। প্ৰকৃত প্ৰণয়ৰ অভাৱতো এনে বুজাবুজিয়ে স্বামী-ভাৰ্য্যাৰ মনত টনিকৰ দৰে কাম কৰে। প্ৰকৃত প্ৰণয়ৰ পিছতেই বৈবাহিক জীৱনৰ ৰসায়ন (এলিক্সিৰ) উপভোগ কৰা ক্ষেত্ৰত, স্বামী-স্ত্ৰীৰ পৰস্পৰ বুজা-বুজিয়েই বোধকৰো বিশিষ্ট ৰৰঙনি চিৰদিনেই যোগাই আহিছে। তেনে নোহোৱা হলে, পৃথিবীৰ প্ৰত্যেক বিবাহেই একো একোখন খন্দ-যুদ্ধৰ আখৰালৈ ৰূপান্তৰিত হ'লহেঁতেন!

পিছদিনা পুৱা শুই উঠাৰ পিছত ৰৰকাকতি আৰু মিচেছ ৰৰকাকতি উভয়ৰে মনবোৰ পাতল পাতল লাগিল। উভয়েই অনুভৱ কৰিলে, কিবা এটা গধুৰ বোজা যেন দুয়োৰে মনৰ পৰা আঁতৰি গ'ল। উভয়ৰে মুখত বিৰিঙি উঠিল হাঁহিৰ এটি ৰেঙনি। জীয়েকহঁতৰ কাৰণে, মাক-দেউতাকৰ এনে আকস্মিক পৰিবৰ্ত্তনটো এটা সাঁথৰ যেন লাগিল। অমৰাৰ কিন্তু দেউতাকৰ ওপৰত খঙেই উঠিল। ভাবিলে: মাকৰ কিবা মোহিনী-মন্ত্ৰ আছে। আছদি বোলা কথাটো তাই এসময়ত হাঁহি উৰুৱাই দিছিল। এতিয়া কিন্তু ভাবিলে, দেউতাকক মাকে আছদিহে কৰিলে!

দহ

শকুন্তলা আৰু প্ৰতিভা অময়াহঁতৰ ঘৰৰ পৰা ওলাই আহি যেতিয়া প্ৰজ্ঞানৰ ঘৰ পায়গৈ, তেতিয়া ৰাতি প্ৰায় ন বাজিছে। ইমান ৰাতি এইহেন দুজনী গাভৰু ছোৱালী এনেকৈ প্ৰজ্ঞানক যে বিচাৰি যাব, এইটো প্ৰজ্ঞানে কল্পনাও কৰিব পৰা নাছিল।

"শকুন্তলা, ইমান ৰাতি ওলালাহি যে? মাৰে—"

"মাই মোক আহিবলৈ দিলে নে নাই, সেই বিষয়ে নেজানিলেও চলিব।" শকুন্তলাৰ মাতত কটুতা ফুটি উঠিল।

"কিন্তু প্ৰতিভাৰ চুপাৰিণ্টেণ্ডেণ্ট্?"

"সেইটো মই জানো।" প্ৰতিভাই খপকৰে উত্তৰ দিয়ে, "মোৰ নিয়মানুবৰ্ত্তীতাৰ বিষয়ে অনুসন্ধান কৰাৰ আগতে, নিজৰ শৃঙ্খলা বজায় ৰাখিব পৰা হৈছে নে নাই, সেই বিষয়ে সঁজাগ হোৱাটোহে বুদ্ধিমানৰ কাম।"

"ইয়াৰ মাজত মই কেনেবাকৈ সোমাও নেকি?" প্ৰজ্ঞানে অজলাৰ ভাও ধৰি সোধে।

"সেই বিষয়ে কিবা সন্দেহ থাকিলে, এতিয়াই তাক দূৰ কৰা হব।" গাম্ভীৰ্য্যৰ মাজেদিও শকুন্তলাৰ কথাত এটি বিদ্ৰূপৰ সুৰ স্পষ্ট হৈ উঠে।

"তোমাক এজনী সাধাৰণ ছোৱালী বুলি ধৰি ললে, তোমাৰ সন্মান লাঘৰ নহবতো?" প্ৰজ্ঞানে স্থিৰ দৃষ্টিৰে শকুন্তলাৰ চকুলৈ কিছু সময় চাই ৰ'ল। শকুন্তলাই সামান্য অস্বস্তি বোধ কৰিলেও, তাইৰ চকুৰে মুখে ফুটি উঠা দৃঢ়তাৰ বিশেষ পৰিবৰ্ত্তন নঘটিল। ইমান দিনে জানি আহিছিল, প্ৰজ্ঞানৰ শক্তিৰ ৰহস্য ক'ত? এতিয়া কিন্তু প্ৰজ্ঞানৰ দুৰ্ব্বলতা ক'ত, তাৰ উমানো শকুন্তলাই ধৰিব পাৰিছে। এই দুয়োটা বিশেষ বিন্দুত খোপনি পুতি শকুন্তলাই মনে মনে স্থিৰ কৰিলে যে যেনে তেনে প্ৰজ্ঞানৰ সৰ্ব্বগ্ৰাসী ব্যক্তিত্বক কৰায়ত্তাধীনলৈ আনিবই লাগিব। তিতা-কেঁহা-টেঙা-জলা-মিঠা-গৰম-ঠাণ্ডা—যি কৌশলেই প্ৰয়োজ্য হয়, তাকেই প্ৰয়োগ কৰি হেৰাই যাব খোজা প্ৰজ্ঞানক আকৌ হাতৰ মুঠিলৈ আনিবই লাগিব। হঠাৎ সুৰ বদলাই, শকুন্তলাই কলে,

"প্ৰতিভা আৰু মোৰ কটু ব্যৱহাৰৰ কাৰণে আমি তোমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। সঁচা কথা কবলৈ গলে, টান কথা কোৱাটো আমাৰ

উদ্দেশ্য নহয়। আমাক আজি সন্ধিয়া অময়াই কোৱা এষাৰ কথা হয়নে নহয়, সেইটো তোমাৰ মুখত শুনিবলৈহে এই ৰাতি আহি আমনি কৰিছোঁহি। কিবা দোষ হলে...."

শকুন্তলাৰ নম্ৰ ভাষণত প্ৰজ্ঞানে অলপ সুস্থ বোধ কৰিলে।

"নাই, নাই, তোমালোকৰ একো দোষ হোৱা নাই। বাৰু কোৱাচোন অময়াৰ মুখেনো তোমালোকে কি শুনিলা?"

"অময়াই কান্দি কান্দি কৈছিল যে তাই তোমাক ভাল পায়, আৰু সেই ভাল পোৱাত যদি কোনোবাই হেতাওপৰা কৰে, তাই কেতিয়াও সহ্য নকৰে—আনকি নিজৰ মাক হলেও অময়াই ক্ষমা নকৰে!"

কথাষাৰ কোৱাৰ লগে লগে শকুন্তলাৰ চকুহাল ধূর্ত্ত শিয়ালৰ দৰে চক্‌চকীয়া হৈ উঠিল। প্ৰতিভাই শকুন্তলাৰ কাপোৰৰ লোচ এটা মুখত গুজি হাঁহি দমাবলৈ চেষ্টা কৰিলে। দুয়োজনী ছোৱালীৰ মনৰ অৱস্থাটো প্ৰজ্ঞানে খপকৰে ধৰি পেলালে। ইমান সহজে কাবু হোৱা মানুহ প্ৰজ্ঞান নহয়। চকীখনত সৰ্ব্বশৰীৰৰ ভৰ দি প্ৰজ্ঞান আওজি বহিল। ছোৱালী দুজনী তেতিয়াও থিয় হৈয়ে আছিল।

"তুমিতো বেচ আৰামকৈ বহিছা?" শকুন্তলাই ঠাট্টাৰ সুৰত কলে, "কিন্তু দুজনী ছোৱালী যে ইমান পৰে থিয় হৈ আছে, সেইকণ লক্ষ্য কৰিবলৈকো তোমাৰ ভদ্ৰতাই সাঁহাৰি দিবলৈ পাহৰিলে?"

এনে ব্যঙ্গোক্তি শকুন্তলাৰ মুখত কেতিয়াবাকৈ শুনিব বুলি প্ৰজ্ঞানে ভাবিবই পৰা নাছিল। কি ক'ব, কি নকৰ প্ৰজ্ঞানে ঠাঁৱৰ কৰিবলৈ নৌ-পাওঁতেই প্ৰতিভায়ো শকুন্তলাৰ কথাতে হয়ভৰ দি কলে,

"নাৰী জাতিৰ প্ৰতি আপুনি যে ইমান অভদ্ৰাচৰণ কৰিব পাৰে, আমি কেতিয়াও ভবা নাছিলোঁ, প্ৰজ্ঞানদা!"

শকুন্তলা আৰু প্ৰতিভাৰ যুটীয়া আক্ৰমণত প্ৰজ্ঞান অলপ অপ্ৰস্তুত হ'ল। যি দুজনী ছোৱালীয়ে প্ৰজ্ঞানদাক দেখিলেই সকলো পাহৰি যায়, তেনে হেন দুজনী অমায়িক ছোৱালীও আজি হঠাৎ যে ইমান কঠোৰ হৈ পৰিব পাৰে, প্ৰজ্ঞানে কল্পনাই কৰিব পৰা নাছিল। মনে মনে অপমান বোধ কৰিলেও অতি সংযতভাৱে প্ৰজ্ঞানে কলে,

"আনকালে বহাৰ দৰে আজিও তোমালোক নোকোৱাকৈয়ে নিজে নিজে বহিবা বুলি ভাবিছোঁ। বাবু, আগেপিছে বহাৰ দৰে মোৰ বিছনাৰ ওপৰতে বহা...."

"ভাই-ককাই বা অতি আপোনজন নহলে পুৰুষৰ বিছনাত বহাতো ভাৰতীয় নাৰীৰ ধৰ্ম্ম নহয়!"

শকুন্তলাৰ কথাত এইবাৰ প্ৰজ্ঞানৰ হাঁহি উঠিল। ক'লে,

"দেখিছোঁ, তোমালোক দুয়োজনীয়ে আজি কিবা মতলব কৰি আছিছা! কদর্য্যৰ লগত সৌন্দর্য্যৰ যুদ্ধ দিবলৈ হঠাৎ ইমান আগ্রহ হ'ল কিয়?"

"জানি থোৱা, এনে তোষামোদে আমাক উচটাব নোৱাৰে।" শকুন্তলাই স্পষ্টভাৱে কয়, "সৌন্দর্য্যতকৈও বাৰ্দ্ধক্যৰ অধিকাৰিনী হব পৰা হলেহে আমি ধন্য হলোঁহেঁতেন!"

ইমান সোনকালে মনৰ খোপনি হেৰুৱাই পেলোৱা ভকত প্ৰজ্ঞান নহয়। প্ৰজ্ঞানেও কথাৰ মেৰ-পেচেৰে দুয়োজনীকে বান্ধি পেলাবলৈ ফন্দিৰ ফান্দ লৈ আগবাঢ়িল।

"বুজিছা শকুন্তলা!" প্ৰজ্ঞানে বিজ্ঞৰ দৰে কয়—"সৌন্দর্য্য কেৱল যৌৱনৰেই একচেতীয়া সম্পত্তি নহয়। যৌৱন-ভাটিৰ বান্ধনি ৰ'দৰ সোণ-চৰোৱা ৰূপমাধুৰীৰ মাজেৰে অতর্কিতে তিৰ্‌বিৰাই উঠা মানসিক পৰিপক্কতা বেঙনিত, যৌৱনৰ অপৰূপ সৌন্দর্য্যও ম্লান হৈ যায়! সৌন্দর্য্য কেৱল দেহতেই নেথাকে।"

"সেই দেখিয়েই হবলা জীয়েকতকৈও মাকতহে চকু পৰিল বেচি, নহয় নে?" শকুন্তলাক শোকে খুন্দা মাৰি ধৰিলে। তাইৰ চকু দুটি সেমেকি গ'ল। ক'লে, "ই—কেনেকৈ সম্ভৱ প্ৰজ্ঞানদা? কেনেকৈ?" তাই আৰু ক'ব নোৱাৰিলে। বুকুখন তাইৰ ভাগি যোৱা যেন লাগিল। ভালকৈ উচুপিবও তাই নোৱাৰা হ'ল। হঠাৎ প্ৰতিভাক দুই হাতে সাৱতি ধৰি হুবাওবাৰে কান্দিবলৈ ধৰিলে। প্ৰতিভায়ো কান্দিলে। নিৰ্ব্বিকাৰ ভাবে সেই দৃশ্য চাই প্ৰজ্ঞান কাঠৰ মূৰ্চাৰ দৰে বহি থাকিল। এনেকৈ কিমান পৰ গ'ল, কোনেও ক'ব নোৱাৰে। হঠাৎ মিচেছ চাওলাৰ টেং-টেঙীয়া মাতটো শুনি শকুন্তলা উচাপ খাই মাকৰ পিনে চালে।

"দুষ্ট ছোৱালীহঁত, এতিয়াও তহঁতৰ ঘৰলৈ যাবৰ হোৱা নাই?" জগদ্বীশক লগত লৈ, মাকে শকুন্তলাক মাতিবলৈ আহিছিল। প্ৰতিভাৰ লগত আবেলিয়েই একেলগে ওলাই যোৱাৰ কথা মাকে জানে। ইয়াকো জানে যে প্ৰতিভা সেই নিশা শকুন্তলাৰ আলহী। এতেকে ৰাতি ৯॥ বজালৈকে ঘৰলৈ নোভতা দেখি নিজেই খবৰ লবলৈ ওলাই আহিল। মাকে জানিছিল যে ইমান ৰাতি হৈছে যেতিয়া হয়তো প্ৰজ্ঞানৰ ঘৰলৈকে গৈছে। সেয়েহে পোন কোবতেই জগদ্বীশক লগত লৈ প্ৰজ্ঞানৰ ঘৰ পাইছিলহি।

"তুমি যোৱা মা, আমি এইমাত্ৰ গৈছোঁ।" শকুন্তলাই কলে।

প্ৰজ্ঞানৰ কোঠাত জ্বলি থকা হাৰিকেন লেমটোৰ ক্ষীণ পোহৰত, মাকে শকুন্তলাইঁতৰ মুখকেইখন নিশ্চয় দেখা নাছিল।

সোনকালে আহহঁক। সদায় সদায় বান্ধি-বাঢ়ি ঠাকুৰ বাবুচি আৰু কিমান বৈ থাকিব? সিহঁতেও জানো খাব-ব'ব নেলাগে?" এই বুলি কৈ, জগদ্বীশক লৈ মিচেছ চাওলা ঘৰলৈ গ'ল।

মাক গৈ প্ৰায় দেড়শ গজ আঁতৰত থকা চাওললজ পাইছেগৈ নে নাই, ঠিক এনেতে অতি অপ্ৰত্যাশিতভাৱে প্ৰকাশৰ গাড়ীত প্ৰকাশৰে সৈতে আহি, মিচেছ বৰকাকতি প্ৰজ্ঞানৰ ঘৰ পালেহি। প্ৰত্যেকেই প্ৰত্যেকক দেখি আচৰিত হলেও, কাৰো মুখৰ অভিব্যক্তি কোনেও কিন্তু ভালকৈ অধ্যয়ন কৰিব পৰা নাছিল। কুৰূপকো কিছু সুৰূপ দেখি দেখিয়েই বোধকৰোঁ। জোনাকৰ পোহৰত সৌন্দর্য্যৰ মাদকতা মানুহে বেচিকৈ উপলব্ধি কৰে। হাৰিকেনৰ ক্ষীণ পোহৰত মিচেছ বৰকাকতিৰ ধুনীয়া মুখখন শকুন্তলাৰ চকুত আৰু ধুনীয়া যেন লাগিল! সঁচাকৈয়ে, এই মানুহ গৰাকীক পিছত চৰ্চিচলেও, আগত তেওঁৰ মুখলৈ চাই অহিত চিন্তা কৰাটো যে টান, এইটো তাই বেচ বুজিব পাৰিলে। মানুহ গৰাকীৰ ওপৰত উঠা খং যেন শকুন্তলাৰ নাইকিয়া হৈ গ'ল! তাৰ পৰিবর্ত্তে সহানুভূতিত শকুন্তলাৰ অন্তৰ উপচি পৰিল। প্ৰজ্ঞানৰ ওপৰত উঠা খং মুহূর্ত্ততে ৰূপান্তৰিত হ'ল অতি মৰমৰ ককায়েকৰ বিপদত ভনীয়েকৰ মনত ওপজা সমবেদনালৈ। প্ৰজ্ঞানৰ ওপৰত শকুন্তলাৰ পুতৌ জন্মিল।

"প্ৰজ্ঞান, শকুন্তলা আৰু প্ৰতিভা, তিনিও মন দি শুনা।" মিচেছ বৰকাকতিয়ে একাষে থিয় হৈ কৈ গ'ল, "মই সঁচাকৈয়ে দুঃখিত যে তোমা-লোকক অসময়ত আহি আমনি দিছোঁহি।"—আটাইৰে মুখলৈ এবাৰ চকু ফুৰাই চাই, মিচেছ বৰকাকতিয়ে সকলোৰে সমস্তত্ব বুজিবলৈ চেষ্টা কৰি আকৌ কলে, "মোৰ অপৰাধ নিশ্চয় তোমালোকে মার্জ্জনা কৰিবা বুলি মই আশা কৰিলোঁ। মই এতিয়া আহি তোমালোকক আমনি কৰাৰ অপৰাধৰ কথা কোৱা নাই; কৈছোঁ মোৰ ব্যক্তিগত অপৰাধৰ কথা, যি অপৰাধৰ কাৰণে মোৰ জীয়ৰীহঁতৰ নানান তিৰস্কাৰ, গঞ্জনাও মই আজি নিৰ্ব্বিবাদে সহ্য কৰিবলগীয়া হৈছে। আৰু হয়তো, হয়তো নহয়—নিশ্চয়—শকুন্তলা আৰু প্ৰতিভাবো আজি মই চকুৰ কুটা দাঁতৰ শূল হোৱাদি হৈছোঁ।" মিচেছ বৰকাকতি ক্ষন্তেক ৰৈ শকুন্তলা আৰু প্ৰতিভাৰ পিনে চালে। কোনেও একো মাত নিদিয়া দেখি, তেওঁ আকৌ কৈ গ'ল, "মই যি কৰিছোঁ, সি

মোৰ ইচ্ছাকৃত নহয়। মোৰ কৰ্ত্তব্যবোধে, মোৰ নৈতিকতাবোধে, মোৰ বিবেকে, সকলোৱেই ঐক্যকণ্ঠে প্ৰতিবাদ কৰা সত্ত্বেও সেই প্ৰতিবাদলৈ ভ্ৰূক্ষেপ নকৰি মই আগুৱাই গৈছোঁ নিশ্চয় ধ্বংসৰ পথলৈকে! কিন্তু সেই ধ্বংসৰ মোহে মোক আজি ইমানকৈ টানিছে যে, মোৰ সকলো শক্তি প্ৰয়োগ কৰিও, মই সেই মোহৰ পৰা মুক্ত হব পৰা নাই! কি সেই মোহ, তোমালোক আটায়ে জানা।" ক্ষন্তেক বৈ মিচেছ ৰবকাকতিয়ে আকৌ এবাৰ শকুন্তলা আৰু প্ৰতিভালৈ চালে। মন্ত্ৰমুগ্ধৰ দৰে শকুন্তলা প্ৰতিভাই অবাক হৈ শুনি আছিল। সিহঁতে একো মাত নিদিলে। হঠাৎ আৱেগত অভিভূত হৈ ৰবকাকতিনীয়ে উচ্চৈস্বৰে কলে, "এতিয়া, এতিয়া কোৱা শকুন্তলা, তুমি মোক ক্ষমা কৰিব পাৰিছা? আৰু, আৰু প্ৰতিভা তুমি? তুমিও কোৱা।" মিচেছ ৰবকাকতিৰ ডাঙৰ ডাঙৰ চকুযুৰিত এটি কাতৰ চাৱনি ফুটি উঠিল। ক্ষীণ পোহৰতো সেই কাতৰ দৃষ্টিয়ে গৈ শকুন্তলা-প্ৰতিভাৰ অন্তৰ স্পৰ্শ কৰিলেগৈ। কি কৰ? তাইহঁতৰ মোৰ হেৰাই গ'ল! ওচৰতে অধোমুখে থিয় হৈ থকা প্ৰকাশ আৰু প্ৰজ্ঞানৰ মুখৰ পৰাও একো নোলাল। জৰীৰে নচুৱা পুতলাৰ দৰে, শকুন্তলা আৰু প্ৰতিভাই ইজনীয়ে সিজনীৰ মুখলৈ চোৱা-চোৱি কৰিবলৈ ধৰিলে। মিচেছ ৰবকাকতিয়ে এইবাৰ অতি গহীন হৈ কলে, "তোমালোকে হয়তো নেজানা, মোৰ স্বামীয়েও মোক অনুমতি দিছে...."

"কি?" শকুন্তলা জপিয়াই উঠে, "খুড়াদেৱে মত দিছে? এনেকুৱা হোৱাটোও কি সম্ভৱ?"

"অসম্ভৱ বুলি এই পৃথিৱীত একো কথা নাই। অসম্ভৱক সম্ভৱ কৰাটোও মানুহৰ হাততেই।" মিচেছ ৰবকাকতিয়ে শকুন্তলালৈ চালে। "বাৰু শকুন্তলা, এই মুহূর্ত্তত প্ৰকাশক লগত লৈ এনেকৈ মই এই ৰাতি ইয়ালৈ অহাটোও সম্ভৱ বুলি ভাবিছিলা জানো? তোমালোকে নিশ্চয় প্ৰকাশৰ লগত অহাটোও মনে মনে অনুমোদন কৰিব পৰা নাই!"

ইমান পৰে শকুন্তলা বা প্ৰতিভা কোনেও প্ৰকাশৰ পিনে মনেই কৰা নাছিল। ৰবকাকতিনীয়ে কণ্ঠতেহে যেন তাইহঁতে দেখিলে যে, সঁচাকৈয়ে প্ৰকাশো তাত আছে।

"আচৰিত নহবা শকুন্তলা।" ৰবকাকতিনীয়ে কয়, তোমালোক দুয়োজনী মোৰ ঘৰৰ পৰা আজি গধূলি ওলাই অহাৰ কিছু পিছতেই, প্ৰকাশ আমাৰ ঘৰলৈ আহিছিল। তুমি হয়তো ভাবিছা যে প্ৰকাশে আমাক চিনি

পালে কেনেকৈ? প্ৰকাশক অমায়াহঁতৰ দেউতাকে ভালকৈ চিনি পায়। প্ৰকাশ আমাৰ তালৈ প্ৰায়ে যায়—"

মিচেছ ৰবকাকতিয়ে তেওঁলোকৰ তালৈ প্ৰকাশ প্ৰায়ে যায় বুলি কোৱাত প্ৰকাশ অলপ যেন অপ্ৰস্তুত হ'ল। প্ৰকাশে নিৰিচাৰে যে প্ৰতিভা বা শকুন্তলা—বিশেষকৈ শকুন্তলাই সেই কথাটো জানক। সি যিয়েই নহওক, এইবাৰ মিচেছ ৰবকাকতিয়ে প্ৰতিভাৰ পিনে স্থিৰ দৃষ্টিৰে চাই কলে, "প্ৰতিভা, এইবাৰ তোমাৰ পাল!"

"মোৰ কি পাল?" প্ৰতিভাই আচৰিত হৈ সোধে।

"তুমি প্ৰকাশক স্পষ্টকৈ কব লাগে, তুমি...." ৰবকাকতিনীয়ে হাঁহো-নেহাঁহো কৰা মুখেৰে প্ৰতিভাৰ পিনে একেথৰে চাই ৰ'ল।

হঠাৎ উলেক্‌ট্ৰিক শ্ব্‌ক্ লগাৰ দৰে প্ৰতিভাৰ ভৰিৰ পৰা মূৰলৈকে সিৰ্‌সিৰাই গ'ল। ৰবকাকতিনীয়ে সৰু সৰুকৈ অথচ দৃঢ়তাৰে কলে, "শুনা প্ৰতিভা, আজি এই অসময়ত তোমালোকক, বিশেষকৈ তোমাক বিচাৰি বিচাৰি কিয় উলিয়াইছোঁহি—সেই কথা কোৱাই নাই।" প্ৰকাশৰ পিনে ঘূৰি চাই ৰবকাকতিনীয়ে চকুৰে চকুৰে কিবা ইঙ্গিত্ দি আকৌ কলে, "শুনা প্ৰতিভা, তোমাৰ ওপৰতেই প্ৰকাশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে!"

"মোৰ ওপৰত?" ভয়তে পেঁপুৱা লাগি প্ৰতিভাই শকুন্তলাক সাৱতি ধৰি, আতঙ্কত চোৰাৰ দৰে এবাৰ প্ৰকাশ আৰু এবাৰ ৰবকাকতিনীলৈ চাবলৈ ধৰিলে। প্ৰতিভাৰ মনত পৰি গ'ল, সেইদিনা আবেলি প্ৰকাশে কোৱা কথালৈ। প্ৰকাশৰ ওচৰৰ পৰা আঁতৰি আহি ভাবিছিল ৰক্ষা পৰিল; কিন্তু এনেকেযে আকৌ সেই প্ৰকাশৰ কাৰণেই মিচেছ ৰবকাকতিয়ে ওকালতি কৰিবলৈ আহিব—এই কথা ভাবিব পৰা নাছিল। প্ৰতিভাৰ পৰা একো উত্তৰ নেপাই ৰবকাকতিনীয়ে আকৌ কলে,

"প্ৰতিভা, মই ধেমালি কৰা নাই। প্ৰকাশে মোক সকলো কথা কৈছে। তুমি যদি 'না' কৰা, প্ৰকাশ আৰু বাচি নেথাকে।" বাচি নেথাকে—বুলি কোৱা কথাষাৰে প্ৰতিভাৰ মৰত যেন হাতুৰীৰেহে কোবালে। তাই হাঁহিবই নে কান্দিবই নে এতিয়া ফিটেই হব, একো বুজিব নোৱাৰিলে। চৰগ পৰা মানুহৰ দৰে তাই জঠৰ হল। চকুৰ আগত তাই এন্ধাৰ দেখিলে।

প্ৰজ্ঞানৰ কাৰণেও ই নতুন কথা। প্ৰজ্ঞান ইমান পৰে মনে মনে আকি, এতিয়া মাত দিলে, "এই কথা জানো সঁচা মিষ্টাৰ কাপুৰ?"

"সম্পূর্ণ সঁচা মিষ্টাৰ বৰুৱা।" প্ৰকাশে গহীনাই কলে, "সেই কথা কবলৈকে মিচেছ বৰকাকতিক মই বিশেষ অনুবোধ কৰাত তেখেতে...."

"কিন্তু?" প্ৰজ্ঞানে আচৰিত হৈ প্ৰকাশলৈ চায়।

"কিন্তু একো নাই, মিষ্টাৰ বৰুৱা। মিচেছ্ বৰকাকতিয়ে মোৰ অনুবোধ একৰাৰ নোৱাৰিয়েই মধ্যস্থতা কৰিবলৈ মান্তি হোৱাত তেখেতক এই ৰাতি মই ইয়ালৈ লৈ আহিছোঁ। আশাকৰোঁ প্ৰতিভাই এতিয়ামানে নিশ্চয় ইয়াৰ গুৰুত্ব বুজিব পাৰিছে?"

"নাই, নাই, মই একো বুজা নাই। একো মই বুজিব নোখোজো।" প্ৰতিভাই শকুন্তলাৰ ডিঙিত সাৰতি ধৰি কেঁচুৱা ছোৱালীৰ দৰে হুক্ হুক্ কৰে কান্দি দিলে। সেই কান্দোন যেন আৰু শেষ নহবই!

প্ৰকাশ ইমান পৰে অপেক্ষিকভাৱে শান্ত হৈয়েই আছিল। হঠাৎ দোখোজমান পিছুৱাই গৈ, ট্ৰাউজাৰৰ পকেটত হাত দিলে। আধা কঁপা হাতেৰে উলিয়াই আনিলে চাম্বাৰ খামত ভৰাই থোৱা এটা পিষ্টল! খামৰ বুটাম খুলি সেইটো উলিয়াই হাতত ললে। প্ৰতিভাৰ চকু পিষ্টলটোত পৰা মাত্ৰকে তাইৰ চুলিৰ আগে জীৱ উৰি গ'ল! "আই ঔ মৰিলোঁ ঔ" বুলি সেনৰ দৰে চোঁ মাৰি আহি একে কোবেই দুই হাতেৰে প্ৰকাশৰ সোঁ হাতখন তাইৰ দুই হাতেৰে জপতিয়াই ধৰিলে। প্ৰকাশৰ মুখত দুটা শব্দ শুনা গ'ল, "লিভ্ ইট্! লিভ্ ইট্।" প্ৰতিভা আৰু আন দুজনী তিৰোতাৰ কোঠাটোত হুলস্থূল লাগি পৰিল। এনেকৈ টনা-আঁজোৱা কৰোঁতে গুলী ভৰাই থোৱা পিষ্টলৰ ট্ৰিগাৰত অকস্মাতে প্ৰকাশৰ তৰ্জ্জনীৰ টান পৰাত, গুৰুম কৰে এটা শব্দ হ'ল। "আই ঔ" বুলি আৰ্ত্তনাদ কৰি প্ৰতিভা মাটিত বাগৰি পৰিল। ইমান কম সময়ৰ ভিতৰতে ঘটনাটো হৈ গ'ল, যে কোঠাৰ আটাইবিলাক পেঁপুৱা লাগিল। 'কি হ'ল?' বুলি প্ৰজ্ঞানে খপ্কৰে আহি প্ৰতিভাক মাটিৰ পৰা দুই বাহুত ধৰি তুলি ধৰিলে। "ইস্ তেজ! তেজ!" প্ৰজ্ঞানৰ মুখত শুনা গ'ল। সকলোৱে চাই দেখে যে, হয়। প্ৰতিভাৰ তলপেটৰ ওপৰৰ কাপোৰ তেজেৰে বাঙলি হৈ গৈছে প্ৰতিভাৰ মুখত মাত নাই। লেউসেউজনী হৈ তাই প্ৰজ্ঞানৰ বাহুৰ মাজত অজ্ঞান।

পিষ্টলৰ শব্দ শুনি, চাওঁতেই ওচৰ-চুবুৰীয়া মানুহ আহি প্ৰজ্ঞানৰ চোতাল ভৰি পৰিল।

কি উদ্দেশ্য লৈ প্ৰকাশে পিষ্টল উলিয়াইছিল, সি এটা ৰহস্য! কিন্তু এইটো ঠিক যে প্ৰকাশৰ গুলীৰ আঘাত প্ৰতিভাৰ তলপেটত লগাত, তাই

আৰ্ত্তনাদ কৰি মাটিত বাগৰি পৰিছিল। টনা-আঁজোৱাৰ ফলতেই যে তেনে হৈছিল সেই বিষয়ে কাৰো মনত সন্দেহ নাই। কিন্তু পিষ্টল লগত লৈ প্ৰকাশ আহিছিল কিয়? এই বিষয়ে নানাই নানান কথা ক'লে। সকলোৰে কাৰণে, বিশেষকৈ চাওলা দম্পতী আৰু প্ৰকাশৰ মাক-দেউতাকৰ ইয়েই চকুত টোপনি নোহোৱা অৱস্থাৰ সৃষ্টি কৰিছিল।

এঘাৰ

ৰাতি চাৰে এঘাৰ বজাত প্ৰকাশৰ দেউতাকে মিচেছ চাওলাৰ পৰা এখন বিপ্লাইপেড্ টেলিগ্ৰাম পাই ততালিকে টেলিগ্ৰামেৰে জনালে যে প্ৰকাশৰ মাক-দেউতাক উভয়েই ডিব্ৰুগড়ৰ পৰা গুৱাহাটী মুখে অহা পুৱাৰ প্ৰথম প্লেনতে আহি গুৱাহাটী পাবহি।

মিচেছ চাওলাৰ টেলিগ্ৰামখন হৈছে এই:

"প্ৰকাশৰ অসুখ। বৰ্ত্তমানে মোৰ ঘৰত উপযুক্ত চিকিৎসাধীনত। সোনকালে আহক। চাওলা।"

ৰাতি প্ৰায় দহমান বজাত প্ৰতিভাক হস্পিতেললৈ স্থানান্তৰিত কৰা হৈছিল। চাৰ্জ্জনে এক মুহূৰ্ত্তও অপব্যয় নকৰাকৈ প্ৰতিভাক পোনে পোনেই এক্সৰে কৰি চাই, অপাৰেশ্যন থিয়েটাৰলৈ নি যেতিয়া কামত ব্যস্ত হ'ল, শকুন্তলা, প্ৰকাশ, প্ৰজ্ঞান আৰু মিচেছ ৰৱকাকতিক হস্পিতেলতে এৰি, মিচেছ চাওলা তেখেতৰ গাড়ীৰে ঘৰমুৱা হ'ল। আহোঁতে ৰাটত টেলিগ্ৰাফ্ অফিচত সোমাই প্ৰকাশৰ দেউতাকলৈ বিপ্লাইপেড্ টেলিগ্ৰামখন কৰিলে।

অপাৰেশ্যন শেষ কৰি চাৰ্জ্জনে বাহিৰলৈ ওলাই আহি ক'লেহি যে অপাৰেশ্যন ভাল ৰকমেই হৈ গৈছে। তলপেটৰ পৰা উলিওৱা গুলীটো ট্ৰে এখনত আনি নার্চে দেখুৱালেহি। চাৰ্জ্জনে হাঁহি কলে যে ভাগ্য ভাল যে কিদ্‌নি ব্লাডাৰৰ ওচৰ পালেও তাত গুলী লগাগৈ নাছিল। তেওঁ আৰু কলে যে পুৱা ৫ মান বজাত ৰোগীৰ চেতনা আহিব বুলি তেওঁ আশা কৰে। আশঙ্কাৰ বিশেষ কাৰণ নাই। অপাৰেশ্যন চিম্পোল বুলিয়েই তেওঁ ভাবে। চাৰ্জ্জনৰ আশ্বাস বাণীত সকলোৰে মুখলৈ পানী আহিল। প্ৰকাশ, শকুন্তলা, প্ৰজ্ঞান, ৰৱকাকতিনী—প্ৰত্যেকেই প্ৰত্যেকৰ মুখলৈ চোৱা-চুই কৰিলে। পুৱালৈকে তাত থাকিব পাৰিব নেকি বুলি অনুমতি বিচৰাত চাৰ্জ্জনে আপত্তি নকৰিলে, কিন্তু কলে যে নেথাকিলেও হব। পুৱা ৫ মান বজাত আহি খবৰ ললেহিও নিশ্চয় ভাল খবৰেই পাবহি বুলি তেওঁৰ দৃঢ় বিশ্বাস।

চাৰ্জ্জনৰ পৰা অনুমতি পাই, প্ৰকাশ আৰু শকুন্তলা হস্পিতেলৰ ওৱেটিং ৰুমতে বহি থাকিল। কিছু সময় বহাৰ পিছত, মিচেছ ৰৱকাকতিয়ে ৰৱকৈ হামিওৱা দেখি শকুন্তলাই কলে যে ৰাতি অনৰ্থক তাত বহি থাকি

তেখেতেনো কেলেই কষ্ট কৰিব লাগিছে। প্ৰকাশেও শকুন্তলাৰ কথাত যোগ দিলে। মিচেছ ৰৱকাকতিয়ে পেটে পেটে ভালেই পালে। প্ৰজ্ঞানলৈ চাই ইঙ্গিত দিয়াত, প্ৰজ্ঞান বাটলৈ ওলাই বাটৰ কাষত ৰিক্সাৰ ওপৰতে শুই নাক বজাই থকা আদ্‌বয়সীয়া ৰিক্সাৰালা এটাক বিশেষ ৰকৃচিছৰ আশা দেখুৱাই কোনোমতে জগাই আনিলে। প্ৰকাশৰ ড্ৰাইভাৰ থকা হলে প্ৰকাশৰ গাড়ীতেই পঠালেহেঁতেন।....ৰৱকাকতিনী আৰু প্ৰজ্ঞান দুয়ো আহি ৰিক্সাত ৰহিলহি। ৰিক্সাৰালাই ৰিক্সা চলাই দিলে।

মাজনিশা। তাতে লগত ধুনীয়া তিৰোতা। সুন্দৰী গাভৰু আৰোহী হলে বুঢ়া ৰিক্সাৰালাৰ ৰিক্সাও বায়ুবেগে চলে। অন্ততঃ গুৱাহাটীত ৰিক্সা-ৰোহী সকলোৱেই সেইটো জানে। সেই হেন হৃষ্টপুষ্ট এজন ডেকা আৰু এগৰাকী মহিলাক লৈ ৰিক্সাৰালাই পূৰ্ণোদ্যমে ৰিক্সা চলাবলৈ ধৰিলে। 'লাহে লাহে'; প্ৰজ্ঞানে যিমানেই কয়, ৰিক্সাৰ বেগ কমক চাৰি বাঢ়েহে! আদ্‌বয়সীয়া ৰিক্সাৰালাই মাথোন ৰগৰৰ সুৰত উত্তৰ দিয়ে যে যোৱা মহা-যুদ্ধৰ দিনৰ পৰা আজি সি ১৪।১৫ বছৰ গুৱাহাটীত ৰিক্সা চলাইছে। এনে নৈশাৰোহী কিমানক সি কিমান ঠাইত নি নিৰাপদে থৈ আহি বিশেষ ৰকচিছ লাভ কৰিছে লেখ নাই। প্ৰকাৰান্তৰে সি জনালে যে আজিও বিশেষ ৰকৃচিছ সি আশা কৰে। ৰাতিৰ এঙ্কাৰত মিচেছ ৰৱকাকতিক সি নিশ্চয় এজনী আটক ধুনীয়া গাভৰু যেনেই দেখিছিল। তদুপৰি এই ৰাতি হস্পিতেলৰ পৰা আহিছে। ৰৱকাকতিনীক সি হস্পিতেলৰ কোনোবা সুন্দৰী নার্চ বুলিয়েই মনে মনে ভাবিছিল। যুদ্ধৰ সময়ৰ কিছুমান নৈশ অভিযানৰ কথা ৰিক্সা চলাই চলাই সি কৈ গৈছিল। নিজৰ দেশত ঘৈণীয়েক লৰা-ছোৱালীক এৰি সুদূৰ অসমত আহি ৰিক্সা চলাই ৰোজগাৰ কৰা এই ৰিহাৰী আদবয়সীয়া ৰিক্সাৰালাটোৰ কথাত আস্পৰ্দ্ধাৰ গোন্ধতকৈও সৰল ৰগৰৰ মাত্ৰা বেচি অনুভৱ কৰিছিল কাৰণেই, বোধকৰোঁ, আত্ম-অভিমানী প্ৰজ্ঞানেও নিৰক্তিৰ পৰিবৰ্ত্তে তাৰ উকা মন্তব্যত এটা মাদকতাই অনুভৱ কৰিছিল।

স্থূলকায় স্থূলকায়া নহলেও, প্ৰজ্ঞান আৰু মিচেছ ৰৱকাকতিৰ দৰে লোডোৰ পোডোৰ শৰীৰৰ দুজন আৰোহী এখন ৰিক্সাত হেচাটেপা কৈ কোনোমতেহে জোৰে। এই আছকাল কণ ৰিক্সাৰোহী দুজনে কেনে পাই-ছিল ৰিক্সাৰালাই পিছলৈ ঘূৰি নোচোৱাকৈয়ে নিশ্চয় অনুভৱ কৰিব পাৰিছিল, নহলে ৰাটত আহি থাকোঁতে সামান্য ধৰণে অকণমান ৰৰষুণ কণিওৱা দেখিয়েই, আৰোহীৰ সুবিধাৰ কাৰণে হঠাৎ ৰিক্সা ৰখাই ছিটৰ সমুখৰ

ৰাটাৰ-প্ৰুফ্ পৰ্দাখন পেলাই দি, আকৌ পূৰ্ণোদ্যমে বিক্সা চলোৱাত সি মন নিদিলেহেঁতেন।

সি যিয়েই নহওক, প্ৰায় ১৫ মিনিটমান পিছত মিচেছ ৰৰকাকতিৰ ঘৰৰ পদুলি মুখত বিক্সা ৰ'লহি। বিক্সাৱালাক বানচ দি পইকৰে বিদায় দিব নে প্ৰজ্ঞানে তাতে নেনামি বাকীছোৱা বাট নিজৰ ঘৰলৈ বিক্সাখন লৈ যাব খন্তেক টং কৰি, জেপত হাত ভৰাই টকা দুটা উলিয়াই বিক্সাৱালাক বকৃচিছ দি বিদায় দিলে। দীঘল চেলাম এটা ঠুকি বিক্সাৱালা তাৰ বকৃচিছ লৈ, "মেৰে মহুৱা ৰে...." বুলি কিবা এটা বিহাৰী গীত মুখেৰে গুণগুণাই বিক্সা চলাই গুচি গ'ল। তেতিয়া ৰাতি দুই বাজিছিল।

ৰাৰ

চাৰ্জ্জনে আশা কৰাৰ দৰে পুৱা পাঁচ বাজি প্ৰায় পোন্ধৰ মিনিটমান ৰোৱাৰ পিছত প্ৰতিভাৰ চেতনা আহিল। চকু মেলি উকা চাৰনিৰে কোঠা-টোৰ কেউফালে এবাৰ চাই কিবা কব খোজোতে, চাৰ্জ্জনে আঙুলি টোৱাই মনে মনে থাকিবলৈ ইঙ্গিত দিলে। চাৰ্জ্জনৰ মুখত হাঁহি। পিচলৈ উভতি চাই প্ৰকাশ আৰু শকুন্তলাক দেখি নাৰ্চক ৰোগীৰ ওচৰতে থাকিবলৈ কৈ, ইঙ্গিতেৰে প্ৰকাশ-শকুন্তলাক বাৰাণ্ডালৈ মাতি নি কলে যে, এতিয়া ৰোগীৰ কাৰণে বিশেষ চিন্তাৰ কোনো কাৰণ নাই। কিন্তু তেওঁলোকক দেখিলে প্ৰতিভাৰ হয়তো কথা কবৰ মন যাব বা উত্তেজিত হব পাৰে। সেই দেখি প্ৰায় দুঘণ্টা পিছতহে ৰোগীৰ ওচৰলৈ তেওঁলোকক যাবলৈ পৰামৰ্শ দিলে। চাৰ্জ্জনৰ সঙ্কেতপূৰ্ণ আদেশ পাই, প্ৰকাশ-শকুন্তলা দুয়ো প্ৰকাশৰ গাড়ীত ঘৰলৈ উভতিল।

ঘৰত ব্যগ্ৰ হৈ ৰৈ থকা মাকৰ আগত শকুন্তলাই সকলো বিৰৰি কলেহি। প্ৰকাশৰ দেউতাকৰ পৰা ইতিমধ্যে পোৱা টেলিগ্ৰামখন মাকে শকুন্তলা-প্ৰকাশক দেখুৱালে।

মুখহাত ধুই, কাপোৰ-কানি সলাই, শকুন্তলাই প্ৰকাশকো মুখহাত ধুবলৈ কলে। চাহ-টাহ খোৱাৰ পিছত প্ৰকাশ নিজৰ গাড়ীত ঘৰলৈ গৈ, প্ৰায় দুঘণ্টা পিছত গা-পা ধুই নতুন পোচাক পিন্ধি হস্পিতেললৈ যাবলৈ ওলাই আহিল।

পুৱা হস্পিতেলৰ পৰা আহি শকুন্তলাহতৰ ঘৰ পাই প্ৰকাশে দুইহাতেৰে মিচেছ চাওলাৰ ভৰি দুখনত ধৰি কান্দি পেলাইছিল। কি কৰোতে যে কি হৈ গ'ল, প্ৰকাশে কব নোৱাৰে। শকুন্তলাৰ মাকে নানান বুজনি দি কলে যে, যি হবৰ হৈ গ'ল। এতিয়া অনৰ্থক চিন্তা কৰি একো লাভ নাই। কেনেকৈ প্ৰতিভা সোনকালে আৰোগ্য হয় আৰু কেনেকৈ প্ৰতিভাৰ মাক-দেউতাকক সন্তুষ্ট কৰিব পাৰি, সেয়েই এতিয়া প্ৰধান চিন্তা হোৱা উচিত। পুলিচলৈ খবৰ দিয়া হোৱা নাই যেতিয়াই, পুলিচেও আহি আমনি লগোৱাৰ কোনো কাৰণ নাই। আৰু যদি কোনোবাই পুলিচত মনে মনে গোচৰ দিয়েও, এছ-পিক কৈ মিষ্টাৰ চাওলাই নিশ্চয় এটা সুব্যৱস্থা কৰিব পাৰিব। এছ-পি বৰ-গোহাই মিষ্টাৰ চাওলাৰ বন্ধু মানুহ, তাতে মানুহজন বেচ বগৰী। আহোম ৰাজপৰিয়ালৰ লগত তেজৰ সম্পৰ্ক থকা বুলি অসমত

এই বৰগোহাই পৰিয়ালটিক সকলোৱে শ্ৰদ্ধাৰ চকুৰে চায়। সি যিয়েই নহওক, প্ৰতিভাৰ মাক-বাপেক বা সম্পৰ্কীয় মানুহে এই বিষয়ে গণ্ডগোল নকৰিলে, চিন্তাৰ বিশেষ কাৰণ মিচেছ চাওলাই বিচাৰি নেপায়। তথাপিও, এই বিষয়ে সুচিন্তিত কিবা ব্যৱস্থা লবলৈ, তেওঁ মিষ্টাৰ চাওলাৰ লগত পৰামৰ্শ কৰিব বুলিও প্ৰকাশক আশ্বাস দিলে। মিচেছ চাওলাৰ কথাত প্ৰকাশৰ মনলৈ অলপ সাহ আহিল। দুৰ্ঘটনা হোৱাৰ পিছৰ পৰা, পোন প্ৰথম বাৰৰ কাৰণে প্ৰকাশৰ মুখত হাঁহি ওলাল। প্ৰকাশৰ গাড়ীখন শকুন্তলা-হঁতৰ ঘৰতে থৈ, শকুন্তলাৰ গাড়ীত দুয়ো আকৌ হস্পিতেললৈ গ'ল। তেতিয়া পুৱা প্ৰায় চাৰে সাত বাজিছিল।

প্ৰকাশক আশ্বাস দিলেও, শকুন্তলাৰ মাকৰ মনত অশান্তিয়ে দেখা দিলে। কি যে কেলেঙ্কাৰীখন হ'ল! অনৰ্থক এইবোৰৰ মাজত সোমাব-লগীয়া হোৱাত নিজৰ ওপৰতে খং উঠিল। জীয়েকৰ মৰমত জীয়েকক একো ক'ব ও নোৱাৰে অথচ ভালো নেপায় যে জীয়েক এনেকৈ মুকলি-মূৰীয়াভাৱে ফুৰি ফুৰে। মাকৰ মনৰ ভাৰৰ শকুন্তলাই যে উমান নেপায় এনে নহয়; কিন্তু তাই ভাবে, এজনী মাক আছে দেখি বাৰু মাকৰ কথামতেই তাই চলাফুৰা কৰিব, কিন্তু যিবিলাক ছোৱালীৰ মাক নাই বা যিবিলাক ছোৱালীৰ মাক একেবাৰে নিৰক্ষৰ, তেনে শিক্ষিত ছোৱালীবিলাকৰ কেইজনী-য়েনো মাকৰ কথামতে চলাফুৰা কৰে? অৱশ্যে তাৰ মাজতে যে দুই-এজনী অতি কথা শুনা বিধৰ ছোৱালী নাই, এনে নহয়। কিন্তু আজিকালি চহৰৰ বেচিভাগ শিক্ষিত ছোৱালীয়েই, অশিক্ষিত বা তাইহততকৈ কম শিক্ষিত মাকবিলাকক মানুহ বুলিয়েই গণ্য কৰিব নোখোজে। সেই হিচাপে শকুন্তলা অৱশ্যে ভাগ্যবানেই যে মাকৰ সমান বিদ্যাৰ অহঙ্কাৰ এতিয়াও তাই কৰিব পৰা হোৱা নাই। মিচেছ চাওলা দৰ্শনৰ এম-এ। ইচ্ছা কৰা হলে কোনো ছোৱালী কলেজত প্ৰফেচাৰ বা ক'বৰাৰ প্ৰাইভেট কলেজত প্ৰিন্সিপেল হব পৰাৰ যোগ্যতাও তেওঁৰ আছে। দুই নম্বৰৰ কাৰণে এম-এত ফাৰ্ষ্ট ক্লাছ পোৱা নাছিল।

সি যিয়েই নহওক, মাকৰ অবাধ্য, শকুন্তলা কেতিয়াও নহয়। কিন্তু, গা-বখীয়াৰ দৰে হৈ, চব্বিশ ঘণ্টাই সন্দেহৰ ওপৰত যথেষ্ট দায়িত্বজ্ঞান থকা শিক্ষিত ছোৱালীক খেদুখেদাই থকা মাকবিলাকক শকুন্তলাই ৰৰ বেয়া পায়। শকুন্তলাই ভাবে যে এনে মাকবিলাকে জীয়েকহতক শাসন কৰাৰ নামত নিজৰ ক্ষমতা প্ৰিয়তাৰহে মাথোন পৰিচয় দিয়ে। আৰু নিজে ডেকেৰীকালত যিবিলাক সুবিধা পোৱা নাছিল, তেনে সুবিধা আজিৰ ছোৱালী-

বিলাকৰ সমুখত সময়ে মুকলি কৰি দিয়া দেখি, ঈৰ্ষাপৰায়ণ হৈহে যিমান কড়া শাসনত গাভৰু জীয়েকহতক ৰাখিব লাগে, তাতোকৈও কড়া হৈ দেখুৱায়! ফলত হিতে বিপৰীত হয়। ছোৱালীৰ মনত বিদ্ৰোহ জাগে। হঠাৎ ক'ৰবাত কিবা ফাক পালেই, সেই পিনেই মূৰ পোলোকা দি মাকহঁতৰ ওপৰত প্ৰতিশোধ লোৱাৰ উদ্দেশ্যেই কেতিয়াবা অঘটন ঘটাই মাক-বাপেকৰ মনকষ্টৰ কাৰণ হৈ পৰে। বিয়া-সবাহৰ সুযোগ লৈ, পূজা-পাৰ্ব্বন-উৎসৱ-সন্মিলন আদিৰ সুযোগ লৈ, আৰু কেতিয়াবা কেতিয়াবা দেশসেৱা বা সমাজসেৱাৰ কামত ভলণ্টিয়াৰ আদি হোৱাৰ সুযোগ লৈ, কিমানবিলাক ঘটনা যে আজিৰ সমাজত ঘটিব লাগিছে, কোনে কিমান খবৰ ৰাখিছে বা ৰাখিওৱা কি কৰিব পাৰিছে? সময়ৰ সোঁতত পানচেও চলে, জাঁজীও উটে! যি য'ৰ বস্তু, মুকলি হলেই তলৈ ঢাপলি মেলিব। ই প্ৰকৃতিৰ নিয়ম। সময়ৰ লগে লগে, সলনি হৈ থকা অৱস্থাৰ লগত খাপখোৱাকৈ সামাজিক ব্যৱস্থাই গঢ় লৈ নগলে, কৌটিকলীয়া ব্যৱস্থাৰে কাম নচলে; চলিব নোৱাৰে; চলা উচিত নহয়। কূপমণ্ডুক মনোভাব নেৰিলে সময়ৰ গতিশীল পানীত কোনেও সাঁতুৰিব নোৱাৰে। কিন্তু, কোনোৱে সাঁতুৰিব নোৱাৰে বুলিয়েইনো, সময়ৰ সোঁত বন্ধ হৈ যাবনে?

এই সকলো কথা সমুখত ৰাখিয়েই শকুন্তলাৰ শিক্ষিতা মাকে নিজৰ জীয়েকৰ ভৱিষ্যতত চকু দিছিল। আৰু সেইমতে ঈশ্বৰেও নিশ্চয় তেওঁক সহায় কৰিছিল, নহলে আজিৰ যুগত ইমান এবাডোল দিয়া ছোৱালী খুব কমেইহে শকুন্তলাৰ দৰে নিজৰ অস্তিত্ব আৰু মৰ্য্যদা বজায় ৰাখিব পাৰে, বা পাৰিছে।

ৰবন্নাৰ বিমান কোঠৰ পৰা প্ৰকাশৰ মাক-দেউতাকক লৈ, মিচেছ চাওলাৰ গাড়ী যেতিয়া চাওলা কম্পাউণ্ড সোমালহি, মিচেছ চাওলাৰ বুকুখন চিৰিং কৰে গ'ল। তেওঁলোকক এতিয়া কি বুলি ক'ব?

"আহক, আহক, আপোনালোকৰ কাৰণেই ৰৈ আছো।"

গাড়ীৰ পৰা নমাৰ লগে লগে তেওঁলোকক মাতি নি মিচেছ চাওলা ভিতৰ সোমাল।

"প্ৰকাশ ক'ত?" মিচেছ কাপুৰে পোনেই প্ৰকাশ থকা কোঠালৈ যাবলৈ ইচ্ছা কৰিলে।

"বহকচোন, ইমাননো কি ততাতৈয়া?" মিচেছ চাওলাই হাঁহি কৈ নহিনলৈ কলে।

"নবহোঁ, প্ৰকাশ ক'ত? কি দুশ্চিন্তাতেই যে টেলিগ্ৰাম পোৱাৰ পৰা মোৰ সময়খিনি কাটিছে!" প্ৰকাশৰ মাকে কলে।

"প্রকাশৰ একো হোৱা নাই।" মিচেছ চাওলাই গহীনাই ক'লে।

"তেনেহলে মিছাই টেলিগ্রাম দিছিল কিয়?"

"মিছাই দিয়া নাছিলো। বহকচোন, সুস্থ হওক, সকলো লাহে লাহে কম।"

মিচেছ চাওলাই জোৰকৈ গাত ধৰি মিচেছ কাপুৰক ডাঙৰ চকী এখনত বহুৱাই দি, মিষ্টাৰ কাপুৰকো বহিবলৈ ইঙ্গিত দিলে। জগদ্বীশক তৎক্ষণাৎ চাহ আনিবলৈ কৈ, মিচেছ চাওলাই কথাৰ বকলা মেলিলে। চকু থৰ কৈ কাপুৰ দম্পতীয়ে মিচেছ চাওলাৰ কথা শুনি গ'ল। দুৰ্ঘটনাৰ সময়ৰে পৰা এতিয়ালৈকে কি ধৰণে মিচেছ চাওলাৰ সময় কাটিছে, তাৰ আভাস পাই কৃতজ্ঞতাত কাপুৰ দম্পতীৰ মুখ দো খাই আহিল। 'এই গৰাকীয়েই মিচেছ চাওলা!' মিচেছ কাপুৰে ভাবিলে। স্বস্তিৰ দীঘল হুমুনীয়াহ এটা কাঢ়ি কলে, "তেনেহলে বিপদ এতিয়াও যোৱা নাই। হওক, তথাপিও এটা দুশ্চিন্তা মনৰ পৰা তেও আঁতৰিল। চাহ খায়েই আমি হস্পিতেললৈ...."

"নিশ্চয়, মই তাৰ কাৰণেই বৈ আছো।" প্ৰকাশ আৰু শকুন্তলা হস্পিতেলতে আছে।

জগদ্বীশে আনি তিনিওকে চাহ দি গ'লহি। চাহ খোৱাৰ মাজতে মিচেছ চাওলাই কৈ গ'ল কেনেকৈ তেওঁ গোটেই ৰাতি শুব পৰা নাই, কেনেকৈ ৰাতিপুৱাই চাৰ্জ্জনলৈ ফোন কৰোতে চাৰ্জ্জনে তেওঁক চিন্তা নকৰিবলৈ কৈছিল। হঠাৎ কথা এটা মনত পৰি তেওঁ নিজে নিজেই খুব হাঁহিলে!

"কি হ'ল? ববকৈ হাঁহিছে দেখোন?" মিচেছ কাপুৰে সোধে। মিষ্টাৰ কাপুৰ বৰ বেচি কথা কোৱা মানুহ নহয়। নিজৰ পৰিবাৰ আৰু বন্ধু-পৰিবাৰৰ কথা-বতৰাকে মনে মনে শুনি, পৰিস্থিতিটো উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল। এনেতে মিষ্টাৰ চাওলা হাঁহি মাৰি সোমাই আহিল। ঘৈণীয়েকৰ পিনে চাই কলে, "তোমালোক দুই বন্ধুৰে কথা পাতা, মই মিষ্টাৰ কাপুৰক মোৰ কোঠালৈ নিওঁ, আহা কাপুৰ!" চাৰিও হাঁহিলে। কাপুৰক লগত লৈ চাওলা নিজৰ কোঠালৈ গ'ল।

"মই কি কৈছিলোঁ? অ' চাৰ্জ্জনৰ কথা।" মিচেছ চাওলাই কৈ গ'ল, "চাৰ্জ্জনে কলে যে প্ৰতিভাৰ তল পেটটো কাটি যেতিয়া পিষ্টলৰ গুলী উলিয়ায়, তেওঁ বোলে প্ৰতিভাৰ এপেণ্ডিক্স্ টোও খঙতে কাটি লৈ আহিল! বুজিছে মিচেছ কাপুৰ। এই যে এপেণ্ডিক্স্ বোলা এটা বস্তু। কিয় যে ইয়াক ঈশ্বৰে মানুহৰ পেটত দিলে কব নোৱাৰো। আজিকালি গাতক

ছোৱালীবিলাকৰ প্ৰায়ে শুনিব অপাৰেশ্যন। কিহৰ? সুধিলেই কয়— এপেদিচাইটিছৰ। বৰ ৰগৰৰ কথা নহয় জানো? আমাৰ মাহঁতৰ দিনত তেওঁলোকে কোৱা শুনিছিলোঁ যে এই কটা-ছিঙাবোৰ তেওঁলোকে বিশ্বাস নকৰে। ধায়েই মালিচ কৰি তিৰোতাবোৰক নিৰোগী কৰি ৰাখিছিল। আজিকালিহে এইবোৰ ওলাল। কাৰ কলাইটিছ্! কাৰ এপেণ্ডিচাইটিছ। মোৰ শকুন্তলা! তাইবো দুবছৰৰ আগতে এপেণ্ডিচাইটিছ অপাৰেশ্যন হৈ গ'ল নহয়। বুজিছে মিচেছ কাপুৰ! আজি চাৰ্জ্জনে একেটা দলিতে দুটা চৰাই মাৰি পেলালে! ভৱিষ্যতলৈ আৰু প্ৰতিভাৰ এপেণ্ডিচাইটিছ হোৱাৰ ভয় নাই।"

"ৰ'ৰ ৰ'ৰ" মিচছ কাপুৰে মাজতে মাত দিয়ে:

"অপাৰেশ্যনৰ পিছত ৰোগিনীয়ে চকু মেলিছে মাথোন। কি হয় এতিয়াও ঠিক নাই। মোৰ হলে বৰ ভয় লাগিছে। ছোৱালীজনী ভাল হলে যি লাগে দি হলেও কিবা এটা কৰিব পৰাৰ আশা আছে; কিন্তু যদি কেনেবাকৈ কিবা হব লাগিল, মোৰ কি হব? মই কি কৰিম?"

"সেইবোৰ একো চিন্তা নাই। ৰ'লক ৰোগীনীক চাই আহোঁগৈ। মোৰ বিশ্বাস এতিয়া মানে নিশ্চয় তাই কথা কব পৰা হৈছেই।"

হস্পিতেললৈ গৈ নিজ চকুৰে সকলো দেখি শুনি, বিশেষকৈ চাৰ্জ্জনৰ মুখৰ পৰা প্ৰতিভা যে তিনি সপ্তাহমানৰ পিছতেই আকৌ আগৰ দৰে সুস্থ হৈ উঠিব এই কথা জানিব পাৰি, কাপুৰ দম্পতিৰ মনলৈ শান্তি আহিল। এতিয়াহে মন খুলি তেওঁলোকে কথা কব পাৰিলে। প্ৰকাশলৈ পেটে পেটে খং উঠিলেও, বাহিৰত একো প্ৰকাশ নকৰিলে। হেজাৰ হওক সেই হেন কৌটিপতি কাপুৰ পৰিয়ালৰ একমাত্ৰ সন্তান প্ৰকাশ। সন্তানৰ প্ৰতি তেওঁলোকৰ মৰম স্বাভাৱিক। মৰম আৰু মোহৰ প্ৰভাৱে মানুহক চিৰকালেই আন্ধাৰৰ পৰা পোহৰলৈ যোৱাৰ পথত বাধা দিয়া বুলি জ্ঞানীসকলে যিমানেই নকওক, পৃথিৱীত সেয়েই মানুহক সাংসাৰিক সমৃদ্ধিৰ পথত আগুৰাই যাবলৈ সহায় কৰি আহিছে। মায়া-মোহৰ প্ৰাধান্য, পৃথিৱীত মানুহ থকালৈকে থাকিব; থাকিবই লাগিব। কাপুৰ দম্পতী জগতৰ মানুহ। পিতৃ-মাতৃৰ সকলো মায়া-মোহেৰে একমাত্ৰ পুতেকক বুকুৰ মাজত সুমুৱাই ৰাখিবলৈ তেওঁলোকৰ হাবিয়াস। প্ৰকাশৰ মাক? তেওঁ কি কৰিব বেচেৰী? হেজাৰে হওক, মাকৰ চিত!

তেৰ

হস্পিতেলত ডাক্তৰ নার্চ আদি সকলোবে বিশেষ যত্ন আৰু প্ৰতিভাৰ শুভাকাঙ্ক্ষী সকলোবে পৰা পোৱা সহানুভূতি শুভ ইচ্ছাৰ ফলত, অতি সোনকালেই প্ৰতিভাৰ অসুখ ভালৰ পিনে ঢাল ললে।

ইতিমধ্যেই শকুন্তলাৰ মাকৰ টেলিগ্ৰাম পাই: শ্ৰীযুত আৰু শ্ৰীযুতা ৰৰা (প্ৰতিভাৰ দেউতাক আৰু মাক) আহি গুৱাহাটী পাই শকুন্তলাইঁতৰ ঘৰতেই আলহী হৈ আছেহি। গুৱাহাটীত প্ৰতিভা আজি দুমাহৰ আগতেই হোষ্টেলৰ পৰা আহি শকুন্তলাৰ অনুৰোধ মতে শকুন্তলাইঁতৰ ঘৰতে আলহী হৈ আছিল দেখি, প্ৰতিভাৰ মাক দেউতাকৰ কাৰণেও সেইখন এক প্ৰকাৰে নিজৰ ঘৰৰ দৰেই। এতিয়া আত্মীয়-কুটুম্বৰ ঘৰতকৈও সেইখনেই বেচি আপোন হৈ পৰিছে।

শকুন্তলা, শকুন্তলাৰ মাক, প্ৰকাশ, প্ৰকাশৰ মাক আৰু প্ৰতিভাৰ মাক-বাপেক এই ছয়জনেই মিচেছ চাওলাৰ বিৰাট ষ্টেশ্যন ওৱেগণখনত সেইদিনা প্ৰতিভাৰ খবৰ লবলৈ গৈছে। প্ৰতিভাৰ অপাৰেশ্যন হোৱা আজি পাঁচ দিন হৈছে। শকুন্তলাৰ দেউতাক মিষ্টাৰ চাওলা আৰু প্ৰকাশৰ দেউতাক মিষ্টাৰ কাপুৰ, দুয়ো আন কিবা কামৰ কাৰণে পাণ্ডুৰ পিনে যাবলগীয়া হোৱাত সেইদিনা প্ৰতিভাৰ খবৰ লবলৈ যোৱা নাছিল। সেইদিনা গধুলি, প্ৰতিভাৰ মাক-দেউতাকৰো এঠাইত নিমন্ত্ৰণ আছে। সেই দেখি তেওঁলোক দুয়ো প্ৰতিভাৰ ওচৰত কিছু সময় থাকি আগেয়েই গুচি আহিল। তেতিয়া প্ৰায় এঘাৰ হওঁ হওঁ। ৰৰা-ৰৰানী গুচি অহাৰ প্ৰায় লগে লগেই মিচেছ ৰৰকাকতি আৰু প্ৰজ্ঞান হস্পিতেলত উপস্থিত হ'লগৈ। প্ৰতিভাৰ খবৰ লবলৈ যোৱা সকলোৱে কৌতূকপূৰ্ণ চাৰনিৰে তেওঁলোকলৈ চালে। সকলোৰে যেন কৰলগীয়া বহুত কথা আছে, কিন্তু কোনেও একো কব নোৱাৰে। কওঁ কওঁকৈ কব নোৱাৰা কথা আৰু কবোঁ বুলিও কৰিব নোৱাৰা কাম প্ৰায় একে পৰ্য্যায়তে পৰে।.... পিছত বজাকো চৰ্চ্চাৰ দৰে, পৰচৰ্চ্চা মানুহে পিছত কৰে, আগত থাকে ভালৰি বোলায়। অৱশ্যে আসৈ নোপোৱা মানুহকহে। আসৈ পোৱা বা সাধাৰণ মানুহক মানুহে মুখে মুখে কৈ অপদস্ত কৰাটোও সাধাৰণ মানুহৰ দৰেই এটা সাধাৰণ কথা। মানুহৰ দম্ভৰেই হৈছে নিৰ্ব্বলীৰ ওপৰত বল প্ৰয়োগ বা দম্ভালি, আৰু সৰলীৰ ওচৰত তোষামোদ বা কাপুৰুষালি কৰাটো। শক্তিৰ ওচৰত সকলো সেওঁ।

তেহেলে গুণ্ডাৰ শক্তিয়েই হওক বা অসাধাৰণ ব্যক্তিত্বৰ শক্তিয়েই হওক। পিছৰবিধ শক্তি আয়ত্ব কৰিব পৰাটো কাম্য বুলি স্বীকাৰ কৰিলেও, তেনে গুণৰ অধিকাৰী লোক পৃথিৱীত বৰ কম। কিন্তু শক্তি মানুহক লাগেই। সেই দেখি সদশক্তি আয়ত্ব কৰাটো টান দেখি, বদশক্তি আয়ত্ব কৰিয়েই দহক ভৰিৰ তলত ৰাখিবলৈ মানুহৰ ইমান হেঁপাহ! জগতৰ মানুহৰ সংজ্ঞা কি? এই বুলি কোনোবাই প্ৰশ্ন কৰিলে, তাৰ উত্তৰত সাধাৰণ মানুহৰ মনস্তত্ত্ব বুজা কোনো লোকে যদি কয়: 'চলে বলে কৌশলে শক্তি আয়ত্ব কৰি, দহক ভৰিৰ তলত ৰাখি কুকুৰ-মেকুৰীৰ দৰে ব্যৱহাৰ কৰিবলৈ যিবিলাক জন্তুৱে কায়মনোবাক্যে অহো পুৰুষাৰ্থ কৰে, তেনে জন্তুৰ নামেই হৈছে, 'মানুহ': তেনেহলে ভুল কোৱা হব নেকি? এই প্ৰশ্নৰ উত্তৰত প্ৰজ্ঞানে এদিন কৈছিল: 'মনুষ্যত্বহীন মানুহকহে সংজ্ঞাত বান্ধিব পাৰি। মানুহৰ মনুষ্যত্ব বিকাশ হলেই, কোনো সংজ্ঞাই মানুহক সম্পূৰ্ণকৈ ঢুকি নেপায়। সংজ্ঞাৰ সীমা অতিক্ৰম ৰৰাটোৱেই হৈছে মানৱ জীৱনৰ লক্ষ্য।' প্ৰজ্ঞানৰ মতে, যি জন্তুক সংজ্ঞাত সীমাৱদ্ধ কৰিব নোৱাৰি, সেয়ে মানুহ। কিন্তু মানুহ যে এটা জন্তু সেইটো মানুহৰ অস্তিত্বয়েই প্ৰমাণ কৰে। সেই দেখি পশুক পশু বুলি হাঁহিবৰ অধিকাৰ মানুহৰ নাই। তেনে কৰিলে, মানুহ বুলিয়েই মানুহে মানুহক হঁহাৰ দৰে হব। ('শালক শিঙিয়ে হঁহা' স্বভাৱটোনো কেতিয়াকৈ মানুহে এৰিব?)

এনে ধৰণৰ চিন্তাধাৰাৰ অধিকাৰী প্ৰজ্ঞানো আজি মিচেছ ৰৰকাকতিৰ দৰে এগৰাকী নাৰীৰ হাতৰ পুতলাৰ দৰে হ'ল! সেইদিনা হস্পিতেলত প্ৰতিভাৰ ওচৰত উপস্থিত থকা আটাইবে মনত, প্ৰজ্ঞানক দেখা মাত্ৰেই, এই কথাটোৱেই বাৰে বাৰে খেলাইছিল। আনকি ৰোগী শয্যাত শুই থকা প্ৰতিভাৰ মনতো।

"প্ৰতিভা, কেনে পাইছা?" প্ৰতিভাৰ নিচেই কাষলৈ গৈ, প্ৰজ্ঞানে সুধিলে।

"প্ৰতিভাৰ লগত কথা নেপাতিবা।" শকুন্তলাই খপ্‌কৰে মাত দিলে, "ডাক্তৰে কৈছে যে যদি আমি প্ৰতিভা সোনকালে ভাল হৈ উঠাটো বাঞ্ছা কৰোঁ, তেওঁৰ লগত কথা পাতি তেওঁক যেন উত্তেজিত নকৰো।"

"ধন্যবাদ শকুন্তলা।" প্ৰজ্ঞানে কাষৰে টুল এখনৰ ওপৰত বহি পৰিল। মিচেছ ৰৰকাকতি তেতিয়াও থিয় দি আছিল। বহিবলৈ আৰু আন

আসন নথকাত তেওঁ এবাৰ ভাবিছিল প্ৰতিভাৰ ভবিৰ পিঠানৰ পিনে বিছনাতে বহিৰ নেকি? নাই, তেনে কৰিলে ডাক্তৰে খং কৰিব পাৰে। সেই দেখি ভাবিলে প্ৰজ্ঞানক অকণমান আঁতৰিবলৈ কৈ, প্ৰজ্ঞানৰ লগতে একেখন টুলতে কোনোমতে বহিব। ৰোগীনীৰ চকু হালেৰে সৈতে মুঠ পাঁচহাল চকুৰ পোন্দোৱা দৃষ্টি উপেক্ষা কৰি, মিচেছ ৰৰকাকতিয়ে প্ৰজ্ঞানৰ গাতে গা লগাই বহি শাওঁপাত খোৱাৰ সাহ কৰিব নোৱাৰিলে! ইতিমধ্যেই উপস্থিত থকাসকলৰ মাজত চকু-টিপিওৱা-টিপি একপ্ৰকাৰ আৰম্ভ হৈছিলেই!

মিচেছ ৰৰকাকতিৰ অসহ্য হ'ল। মুখেৰে একো কৰও নোৱাৰে, আৰু বেচি পৰ থিয় হৈ থকাও টান। শকুন্তলাইতো অন্ততঃ বহিবলৈ কৰ পাৰিলেহেঁতেন তাইৰ কাষতে। মিচেছ ৰৰকাকতিৰ যাবলৈ উচ্ছ পিচ্‌নি লাগিল। ভাগ্য ভাল। প্ৰায় পাঁচ-ছয় মিনিটমান পিছতেই মেট্ৰন এগৰাকী আহি নম্ৰভাৱে কলেহি যে, দৰ্শকসকলৰ যাবৰ সময় হৈছেহিয়েই!

চৈধ্য

দুদিন পিছত। মিচেছ চাওলাই সেইদিনা ৰাতি তেওঁৰ আলহী কাপুৰ দম্পতী, ৰৰা দম্পতী আৰু প্ৰকাশ আটাইকে ভালকৈ এসাজ খুৱাবলৈ বিশেষ যোঁ-জা কৰিছে। কাপুৰ দম্পতী কাইলৈ পুৱাই ডিগৰইলৈ উভতিব। ৰৰা-ৰৰানীয়ো অৱশ্যে আৰু দুই-এদিন থাকি, জীয়েক আৰু অলপ ভাল হলেহে যাব বুলি ভাবিছে। চাওলা পৰিয়ালৰ ঠাকুৰ-চাকৰ সকলো ডিনাৰৰ ব্যৱস্থা কৰাত ব্যস্ত। গধূলিবে পৰা ঘৰখনত এটা উজ্জ্বল আনন্দ বিৰাজ কৰিছে। আটাইবোৰ বিজুলী চাকি জ্বলোৱা হৈছে। দিন যেন পোহৰ হৈ পৰা চাওলা লজলৈ চাই বাটেদি অহাযোৱা কৰা মানুহে কৈ গৈছে যে আজি তাত কিবা খোৱা-বোৱা বা পূজা আদি পতা হৈছে হবলা। আচল কথা হৈছে সেইদিনা পুৱাৰ ভাগতে প্ৰতিভাৰ খবৰ লবলৈ যাওঁতে প্ৰতিভাক দেখি আটাইবে ইমান ভাল লাগিছিল যে মিচেছ চাওলাই কি কৰো-নকৰো কৈ, হঠাৎ মনে মনে ঠিক কৰি পেলালে যে ৰাতিকৈ আলহীৰ কাৰণে বিশেষকৈ ডিনাৰ পাৰ্টি এটা দি দিয়া যাওক। মিষ্টাৰ চাওলাৰ আৰু দুজন বন্ধুৰেও ডিনাৰত যোগ দিলে। কিন্তু বিশেষকৈ মন কৰিবলগীয়া কথা এয়ে যে প্ৰজ্ঞান সেই ডিনাৰলৈ নিমন্ত্ৰিত নহ'ল। ইয়াৰ আগেয়ে মিচেছ চাওলাৰ ঘৰত এনে কোনো এটা সকাম হোৱা নাই—যিটোলৈ প্ৰজ্ঞান নিমন্ত্ৰিত নহয়।

সেই দিনা ডিনাৰ টেবুলত নানান কথা ওলাল। তাৰ ভিতৰত প্ৰধানকৈ আলোচিত হ'ল চাওলা দম্পতীৰ বিলাতত থকা একমাত্ৰ ল'ৰা—প্ৰসেঞ্জিত আৰু বৰ্ত্তমানে মিশ্যন হস্পিতেলত থকা ৰৰা দম্পতীৰ একমাত্ৰ জীয়ৰী প্ৰতিভা। প্ৰতিভা যে ইমান সোনকালে ভাল হৈ উঠিব, এইটো কোনেও আশা কৰা নাছিল। আজি সাত দিন হ'ল। চাৰ্জ্জনে কৈছে যে চৈধ্য দিনৰ দিনা প্ৰতিভাক হস্পিতেলৰ পৰা আহিবলৈ দিয়া হব। প্ৰকাশৰ মাক-দেউতাকেও মনে মনে ঈশ্বৰক ধন্যবাদ দিলে যে এই যাত্ৰাকৈ তেওঁ-লোকৰ একমাত্ৰ ল'ৰা প্ৰকাশ ৰক্ষা পৰিল। ইফালে মিচেছ চাওলাই প্ৰতিভাৰ মাক-দেউতাককে সন্তোষ কৰিবলৈ যি পাৰে কৰিছে। ৰৰা-ৰৰানী উভয়েই বৰ ভাল মানুহ। তেওঁলোকে মনে মনে ঠিক কৰিছে যে জীয়েক যদি ভাল হৈ উঠেই, সেই কথাটোকে লৈ মিছাইনো কিয় এখন গণ্ডগোল লগায়। দহৰ দহ কথা শুনি মগজ বেয়া নকৰিলে, পৃথিৰীত সাধাৰণতে ঘটা

অপায়-অমঙ্গলবোবৰ আধাই নিশ্চয় নোহোৱা হৈ যাব। আনৰ কু-প্ৰবোচনা বা উচটনিলৈ কৰ্ণপাত নকৰিবলৈ শিকিলেই, সংসাৰৰ বহুতো সমস্যা এনেয়েই সমাধান হৈ যায়।

এনে ধৰণৰ নানান আলোচনাৰ মাজেদি সেইদিনা খোৱা-বোৱা শেষ হ'ল। খাই-বই উঠি সকলো আহি দ্ৰইং ৰুমত ফেনৰ তলত বহি আকৌ কথা-বতৰা হ'লহি। আজিৰ এই ভোজমেলত মিষ্টাৰ চাওলাৰ দৰে গহীন মানুহজনেও মন খুলি যোগ দিলে। বিশেষকৈ পুতেক প্ৰসেঞ্জিতৰ কথা ওলালেই সকলোবে মুখৰ পৰা কথা কাঢ়ি নি, তেওঁ পুতেকৰ প্ৰশংসা কৰিয়েই তত নেপায়! মাজতে এবাৰ মিষ্টাৰ কাপুৰে ৰগৰ কৰি কলে,

"কি বিশ্বাস বুইছে, আজিকালিৰ ডেকা লৰাৰ? ক'ৰবাত বিলাতী মেম-টেম এজনী লৈ আহি, 'এয়া বোৱাৰী, আশীৰ্ব্বাদ কৰক', বুলি আপোনা-লোকৰ ওচৰত হাজিৰ নকৰিলেই হৈছে এথোন!"

"মোৰ লৰাৰ দ্বাৰা সেইটো নহৈছে।" মিষ্টাৰ চাওলাই উত্তৰ দিবলৈ নো পাওঁতেই, মিচেছ চাওলাই তৎকৰে মাত দিলে।

"কেলেইনো আনিব?" মিচেছ ৰবাই কলে, "আমাৰ ভাৰতবৰ্ষত ধুনীয়া ছোৱালীৰ কিবা আকাল লাগিছে নে?"

"অসমতেইনো কিহৰ আকাল?" মিচেছ চাওলাই হাঁহি মিচেছ ৰবাৰলৈ চাই কলে, "এয়া আপোনাৰ জীয়েকলৈকে নেচায় কিয়? এনেকুৱা ধুনীয়া ছোৱালীওতো অসমত আছে!"

মিচেছ চাওলাই প্ৰতিভাক পৰোক্ষভাৱে, প্ৰশংসা কৰাত শকুন্তলাই যেনেকৈ ভাল পালে, প্ৰকাশৰ মুখখন সিমানেই গম্ভীৰ হৈ গ'ল। ভাবিলে, এতিয়া কথা প্ৰসঙ্গত ধেমালিৰ চলেৰেই ৰবা দম্পতীয়ে যদি হঠাতে জীয়েকক প্ৰসেঞ্জিতলৈকে দিব লাগিব বুলি কৈ দিয়ে, লেঠাই। কিজানিবা এনে এটি পৰিস্থিতিত, চাওলা দম্পতিয়ে ভাৰৰ উচ্ছাসতে হয় বুলিয়েই কৈ দিয়ে!

প্ৰকাশৰ মনৰ ভাব আনে মন নকৰিলেও, শকুন্তলাই কিন্তু বেচ উপলব্ধি কৰিব পাৰিছিল।

কিছু সময় কথা-বতৰাৰ পিছত আলহীসকল তেওঁলোকৰ কাৰণে সজাই থোৱা কোঠাত শুবলৈ গ'ল। প্ৰকাশো সেই ৰাতি শকুন্তলাহঁতৰ ঘৰতে থাকিলে। নিজৰ ঘৰলৈ যাবলৈ ওলাইছিল, কিন্তু মাকে নেলাগে, বুলি কোৱাত তাতে থাকিল।

প্ৰকাশৰ মাক শুবলৈ গৈয়েই প্ৰকাশক নিজৰ কোঠালৈ মতাই নিয়ালে।

"মোক মাতিছিলা কিয় মা?" প্ৰকাশে সুধিলে। মাকে নিজৰ কাষতে বিছনাত বহিবলৈ চকুৰে ইঙ্গিত দি কলে, "শুন প্ৰকাশ, তোক মই আজি বিশেষ কথা এটাৰ কাৰণে মাতিছোঁ।" ডিঙিটো পৰিষ্কাৰ কৰি মাকে আকৌ কলে, "প্ৰকাশ, তইতো জান যে তয়েই আমাৰ একমাত্ৰ লৰা। আৰু, তই এইটোও নজনা নহয় যে তোৰ দেউতাৰে উপাৰ্জ্জন কৰা সকলো সম্পত্তি আৰু টকাৰ ভৱিষ্যত মালিক একমাত্ৰ তয়েই। তদুপৰি তোৰ বংশৰ এটা অতীত আছে—বংশ মৰ্য্যদা আছে। তই জান যে তোৰ আজো ককাদেউতাৰ পঞ্জাবৰ ৰজা ৰঞ্জিৎ সিংহৰ এজন অতি বিশ্বাসী আৰু উচ্চ পদপদী পোৱা বিষয়া আছিল—ছত্ৰপতি শিৰাজীৰ দৰে পঞ্জাব কেশৰী ৰণজিৎ সিঙৰ কথা কোনে নেজানে?"

"মই পিছে কি কৰিব লাগে?" মাকৰ কথাৰ ওপৰতে বিৰক্তিৰ সুৰত প্ৰকাশে কলে, "মোৰ আজো ককা কি আছিল নাছিল, তাৰ লগত মোৰ বৰ্ত্তমান সম্বন্ধ কি? নিশ্চয় মোকো তুমি ৰজা পাতিৰ খোজা নাই?"

পুতেকে বিৰক্তি বোধ কৰা দেখি মাকে মিচিকিয়াই হাঁহি কলে, "ৰজা পাতিৰ অৱশ্যে মই খোজা নাই। মই জানো নেজানো যে আজি আৰু ৰজা-মহাৰজাৰ দিন নাই?"

"তেনেহলেনো এতিয়া সেইবোৰ কথা মোক কিয় কৈছা?"

"কৈছোঁ, কাৰণ", মাকে বিছনাতে পোন হৈ বহি কলে, "মই বিশ্বাস কৰো যে সেই মহৎ পূৰ্ব্বপুৰুষসকলৰ তেজ নিশ্চয় তোৰ গাতো আছে। তয়ো নিশ্চয় বিচাৰ যে তোৰ বংশমৰ্য্যদা অটুট থাকক...."

"তুমি কি কথা কব খুজিছা মা?" প্ৰকাশৰ খং উঠিলেও খং দমাই সংযতভাৱে কলে, "তুমি ভাবিছা নেকি যে তোমাৰ প্ৰকাশ এতিয়াও কেঁচুৱা হৈয়েই আছে?"

"কেঁচুৱা বুলি ভবা নাই সোণ। পিছে মই আকৌ তোৰ স্বভাৱটোও জানো নহয়!"

"কি জানা?"

নিজৰ সন্মান বা আত্মমৰ্য্যদা বজায় ৰাখিবলৈ যিমানকণ বুদ্ধি বা সৎসাহৰ দৰ্কাৰ, সেইকণ তোৰ আছে নে নাই সন্দেহ।" মাকে দৃঢ়তাৰে কলে।

"কি প্ৰমাণ পালা?"

"প্ৰমাণ?" মাকে প্ৰায় খং উঠাৰ দৰে কলে, "প্ৰমাণ দিব লাগে মই? তই তোৰ বংশৰ নামত কলঙ্ক সানিবলৈ ওলাইছ, অথচ মোকেই আকৌ

কৈছ প্রমাণ দিবলৈ? আদালতত জজৰ সমুখত, বিপক্ষৰ উকীলৰ জেৰাত তই—তই কি বুলি কবি—যদি তোক সোধে—তই কি কাৰণত এজনী তপশিল-ভুক্ত সম্প্রদায়ৰ ছোৱালীক পিষ্টলেৰে গুলীয়াই মাৰিব খুজিছিলি? তাকো, বাতি চাৰে ন বজাত—আনৰ ঘৰত...."

"মা।" প্রকাশে অনুনয়ৰ সুৰত কয়, "শুনা, মই গুলীয়াও বুলি গুলীওৱা নাছিলোঁ। বিশ্বাস কৰা, ই এটা সঁচাকৈয়ে দুর্ঘটনা। হঠাৎ ঘটি গ'ল!"

"কিন্তু মানুহেতো সেই বুলি বিশ্বাস নকৰে!"

"মানুহে সেই বুলি বিশ্বাস কৰিছেই। তদুপৰি শকুন্তলাকে আদি কৰি ইমানবোৰ সাক্ষী আছে।" প্রকাশে সুৰ বদলাই এইবাৰ অতি সংযত হৈ কলে, "শুনা মা, তুমি ইমান ভয় খাইছা কিয়? মই নিজেও জানো এজন বেৰিষ্টাৰ নহওঁ? এই ঘটনাটো কেতিয়াবা যদি কৰ্টত উঠেও, ই কি ৰূপ ল'ব—মোৰ জনা আছে।"

"কিন্তু কাছাৰীত উঠিবলৈ দিবি কিয়? আমি থাকোঁতে সেইটো হবলৈ দিম কিয়? দেউতাৰ আৰু মই ডিগবইৰ পৰা আহি এতিয়া এই কথাটো কাছাৰীত তোলাৰ ব্যৱস্থাহে কৰি থৈ যাম? ছিঃ ছিঃ ছিঃ প্রকাশ, বেৰিষ্টাৰ হলেও, সাধাৰণ জ্ঞান তোৰ নিচেই কম। নহলে এনে কথা অন্ততঃ মাৰৰ আগত কৰ নোৱাৰিলিহেঁতেন।"

"তোমালোকে যি কৰা কৰি থাকা, মই একো কৰ নোৱাৰোঁ।" প্রকাশ যাব খোজে।

"ক'লৈ যাৰ? মোৰ কথা শেষ হোৱা নাই।"

"সোনকালে শেষ কৰা, মোৰ টোপনি ধৰিছে।" প্রকাশে বিৰক্তি সুৰত কলে।

"শুন, তোৰ দেউতাৰে সকলো ঠিক নকৰাকৈ নেৰে। দেউতাৰৰ অজস্র সম্পত্তিৰ যদি সকলোখিনিও শেষ কৰিবলগীয়া হয়, তথাপিও একমাত্র লৰা তোৰ সন্মান যাতে বজায় থাকে, দেউতাৰে কৰিবই। দেউতাৰে বিচাৰে যে তেওঁৰ লৰা প্রকাশ আকৌ যেন ভদ্রলোকৰ শাৰীলৈ উঠে!"

"এতিয়া তেনেহলে মই অভদ্র...."

"অধৈর্য্য নহবি, মোৰ কথা শুনি ল...."

"শুনিবলৈ কিটো আছে? তমি কৰ খোজা নেকি যে মোৰ দেউতাৰ যদি অজস্র সম্পত্তি নেথাকিলেহেতেন, তেনেহলে ভদ্রলোক বুলি মই নিজকে চিনাকি দিব নোৱাৰিলোহেতেন....?" প্রকাশৰ আত্ম সন্মানত আঘাত লগাত সি মাকৰ ওচৰত প্রায় কান্দি পেলালে।

প্রকাশে ভালকৈ জানে যে মাকৰ এই আশঙ্কা অমূলক। প্রতিভাৰ মাক-দেউতাক উভয়েই প্রকাশক স্পষ্টকৈ কৈছে যে, তেওঁলোকৰ ভগৰানৰ ওচৰত একমাত্র প্রার্থনা যে জীয়েক যাতে সোনকালে ভাল হৈ উঠে। যি হৈ গ'ল, হৈ গ'ল। সেইটো কোনেও নোহোৱা কৰিব নোৱাৰে। তদুপৰি তেওঁলোকে বেচকৈ জানে যে প্রকাশৰ দৰে বিদ্যাই বুদ্ধিয়ে এনে এজন সদবংশৰ লৰাই এনে হীন কাম ইচ্ছাকৃতভাৱে কেতিয়াও কৰিব নোৱাৰে। ৰৰা-ৰৰানীয়ে বেচ বুজিছে যে এইটো নিশ্চয় দুর্ঘটনা। আৰু যদি ৰৰা-ৰৰানীয়ে এই সুযোগতে প্রকাশৰ পৰা দুপইচা আদায় কৰা ধৰণৰ মানুহ হ'লহেতেন বা তেনে আদায় কৰাৰ আশা নেদেখিলে তাৰ পোটক তোলাৰ উদ্দেশ্যে কাছাৰীত গোচৰ দিলেহেঁতেন, তথাপিও এনে এটা পৰিস্থিতিত নিজক কেনেকৈ নির্দ্দোষী প্রমাণ কৰিব লাগে—বেৰিষ্টাৰ হিচাপে প্রকাশে বেচ জানে। এনেস্থলতো মাকে পুতেকৰ চৰিত্র আৰু বেৰিষ্টাৰ হিচাপে সামর্থ্য—এই দুয়োটাৰে ওপৰত পৰোক্ষভাৱে কটাক্ষপাত কৰা দেখি প্রকাশে মনত বৰ দুখ পালে। পুতেকক কন্দা দেখি মাকৰ অন্তৰখন পমি গ'ল।

"প্রকাশ, তোৰ মনত কষ্ট দিয়া মোৰ উদ্দেশ্য নহয়। ছোৱালীজনীৰ কথাহে মই বিশেষকৈ ভাবিছোঁ। বেচেৰী...."

"তেনেহলে এটা কাম নকৰা কিয়?" প্রকাশে হঠাৎ কলে।

"কি?" মাকে আগ্রহেৰে সোধে।

"ছোৱালীজনীৰ দুখত তুমি ইমান দুখী যেতিয়া, মিচেছ ৰবাক কৈ নিদিয়া কিয় যে, 'যি হ'ল হ'ল, মোৰ লৰাটোলৈকে আপোনাৰ ছোৱালীজনী দিয়ক।"

"প্রকাশ।" মাকে শাসনৰ সুৰত কয়, "তই ধেমালি কৰিছ? নে বহুৰালি কৰিছ? নে মোক ঠাট্টা কৰিছ?"

"তুমি ভৰা এটাও কৰা নাই, মই সঁচাকৈয়ে কৈছোঁ!'

"মই ইমান তললৈ নামিম বুলি তই কেনেকৈ আশা কৰিলি প্রকাশ?" মাকে অভিমানৰ সুৰত কলে।

"ই, কি তললৈ যোৱা কথা? তোমাৰ লৰালৈ তুমি ছোৱালী ধৰিছা। ই, কি পৃথিৰীত নোহোৱা কথা?"

"পৃথিৰীত নোহোৱা কথাই।" মাকৰ কথাত এটা বিশেষ দৃঢ়তা ফুটি উঠে।

"কেলেই?" প্রকাশে সোধে।

"এজনী তপশীলভুক্ত ছোৱালীক মই মোৰ নিজৰ লৰালৈ ধৰিম? তই মোক কি বুলি ভাবিছ?"

"তেনেহলে তোমাৰ আপত্তি এই তপশীল-ভুক্ত কথাটোতহে, নহয় জানো?"

মাকে একো নেমাতি মনে মনে থাকিল। তেওঁ বুজিলে পুতেকৰ লগত তর্ক-বিতর্ক কৰা মিছা। লৰাই নিজে নুবুজিলে, কোন মাক-বাপেকে উচ্চশিক্ষিত আৰু সাবালক লৰা-ছোৱালীক বুজাব পাৰে? বিশেষকৈ আজিকালি পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ মনোভাব ভাৰতীয় ঐতিহ্যৰ লগত খাপ নোখোৱা কিবা এটালৈ যেন ক্ৰমে ঢাল লৈছে! আজিৰ ভাৰতত ৰামচন্দ্ৰৰ পিতৃভক্তি আৰু ভৰতৰ ভাতৃ-প্ৰেমক মূৰ্খামী বুলি উপহাস কৰা তথাকথিত উচ্চ শিক্ষিত লোকৰ অভাৱ নাই। মাকে মুখেৰে নেমাতিলেও পুতেকৰ গোৱাৰামীত অন্তৰত বৰ দুখ পালে। আনহাতে, প্ৰকাশে, মনে মনে ভাবিলে যে সি যদি মাক-বাপেকৰ একমাত্ৰ লৰা নহ'লহেঁতেন! এফালে মাক-বাপেকৰ মনত কষ্ট নিদিয়া, আৰু আনফালে তাৰ অন্তৰৰ আবেদনক উপেক্ষা নকৰা, এই দুয়োৰে সংঘাতত তাৰ মনত এক অন্তৰ্দ্বন্দ্ব সৃষ্টি হ'ল! প্ৰতিভাৰ মুখখন মনত পৰা মাত্ৰকে তাৰ ইচ্ছা হ'ল, সি যেন সেই মুহূৰ্ত্ততে লৰ মাৰি গৈ প্ৰতিভাক কৰগৈ, প্ৰতিভাই যেন তাক উপেক্ষা নকৰে। ভাল নেপালেও প্ৰতিভাই যেন তাক বিয়া কৰাবলৈ প্ৰতিশ্ৰুতি দিয়ে।

হঠাৎ নিস্তব্ধতা ভঙ্গ কৰি প্ৰকাশে কলে,

"তুমি একো চিন্তা নকৰিবা মা। মই দেউতা আৰু তোমাৰ মনত আঘাত নিদিবলৈ চেষ্টাৰ ত্ৰুটি কেতিয়াও নকৰো।" প্ৰকাশে ভাবিলে যে মাকৰ লগত কথা কটাকটি কৰি কোনো সিদ্ধান্তত উপনিত হোৱাৰ আশা নাই। অথচ অনৰ্থক মাকৰ মনত কষ্ট দিয়াহে হয়। সি মনে মনে ভাবিলে যে মাকে, নিজৰ মাক-দেউতাক বা তেওঁৰ বংশ-পৰিয়ালৰ বয়োবৃদ্ধসকলৰ পৰা, তথাকথিত নৈষ্ঠিকতা সম্বন্ধে সৰুতে যি শিক্ষা লাভ কৰিছিল, তাৰ পিছত জগতখন বহুতো আগুৱাই গৈছে। জগত আগবাঢ়িলেও, জগতৰ সকলো মানুহ যে সমানে আগ বাঢ়িব নোৱাৰে, প্ৰকাশৰ মাকেই তাৰ এটা জ্বলন্ত উদাহৰণ, প্ৰকাশে ভাবে। মাকক চিন্তা কৰিবলৈ হাক দি, হাঁহি মুখেৰেই প্ৰকাশে মাকৰ পৰা বিদায় ললে।

মাকৰ কোঠাৰ পৰা প্ৰকাশ যেতিয়া ওলাই আহে, তেতিয়া ৰাতি ১২ বাজি ১৫ মিনিট হৈছিল।

তেতিয়াও শুবলৈ নগৈ কৌতূহলেৰে বৈ থকা শকুন্তলাৰ ওচৰত প্ৰকাশে মাকৰ লগত কি কি কথা হৈছিল সকলো বিৰৰি কলেহি।

পোন্ধৰ

প্ৰতিভাই সম্পূৰ্ণ আৰোগ্য বোধ কৰিলে। কাইলৈ পুৱা তাইক হস্পিতেলৰ পৰা আহিবলৈ দিব। সকলোৰে মনত আনন্দ। প্ৰকাশৰ মাক-দেউতাকো বিশেষ সুখী। প্ৰতিভাৰ মাক-দেউতাকৰ মুখতো হাঁহি। দেউতাকে কৈয়েই পেলালে যে ঈশ্বৰে এই যাত্ৰালৈ জীয়েকক ৰক্ষা কৰিলে যেতিয়াই সেই কথা লৈ এতিয়া মানুহৰ মাজত খোৱা-কামোৰা লাগিলে ঈশ্বৰকহে অসন্তুষ্ট কৰা হব। ক্ষমা স্বৰ্গীয়। এই কথাটো অলপতে খৃষ্টীয় ধৰ্ম্মত দীক্ষিত হোৱা প্ৰতিভাৰ দেউতাকৰ মনত বিশেষকৈ ঠাই লৈছিল। বৌদ্ধ ধৰ্ম্মত প্ৰায় দুবছৰৰ আগতে দীক্ষিত হোৱা প্ৰতিভাৰ মাকৰ মনতো 'অহিংসা পৰম ধৰ্ম্ম' কথাষাৰ ৰৰ দৰে শিপাইছিল। ৰৰানী বৌদ্ধ ধৰ্ম্মত দীক্ষিতা হোৱাৰ সময়ত বহুতে তেওঁক সেই বিষয়ে প্ৰশ্ন কৰাত তেওঁ কৈছিল যে তেওঁৰ পূৰ্ব্বপুৰুষ পুৰণি কামৰূপৰ বৌদ্ধ সিদ্ধ মীননাথৰ দিনৰে পৰাই, তেওঁৰ শিষ্য হিচাপে কামৰূপত বসতি কৰি আহিছে। কেৱল মাজতেহে, অৰ্থাৎ ষোড়শ শতিকাত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ দিনতহে আকৌ হিন্দ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্ম গ্ৰহণ কৰি, আজি প্ৰায় পাঁচ শ বছৰে সেই ধৰ্ম্ম পালন কৰি আহিছে। এতিয়াও তেওঁৰ সম্পৰ্কীয় সকলো মানুহ মহাপুৰুষীয়া বৈষ্ণৱ। অলপতে তথাগত বুদ্ধৰ আঢ়ৈ হেজাৰ বছৰীয়া মহানিৰ্ব্বান তিথি যেতিয়া গোটেই ভাৰত-চীন-জাপান-আদিত পালন কৰা হৈছিল, তেতিয়া : কিয় জানো তেওঁ কৰ নোৱাৰে: বৌদ্ধ ধৰ্ম্মৰ প্ৰতি তেওঁৰ প্ৰৱল ধাউতি জন্মিল। আৰু সেই ধাউতিৰ কাৰণেই তেওঁ আকৌ নিজৰ পূৰ্ব্ব পুৰুষ আৰু আদি গুৰু মীননাথক সুঁৱৰি বৌদ্ধ ধৰ্ম্মত শৰণ ললে। তেওঁ এতিয়াও গৌৰৱ কৰে যে তেওঁৰ পূৰ্ব্বপুৰুষসকলে যিজন বৌদ্ধ ধৰ্ম্মগুৰু সিদ্ধ মীননাথৰ পৰা দীক্ষা গ্ৰহণ কৰিছিল, পুৰণি কামৰূপৰ সেইজন সিদ্ধ মীননাথ তিব্বতলৈ গৈ যেতিয়া তাত বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰিছিল, তেওঁক সেই ঠাইৰ মানুহে অবলোকিতেশ্বৰৰ অৱতাৰ বুলিহে বিশ্বাস কৰিছিল। তদুপৰি পৃথিৱীৰ অন্যান্য প্ৰধান ধৰ্ম্মাৱলম্বী লোকসকলৰ মাজত জাতিভেদ বা শ্ৰেণীভেদ লৈ যিমান টনা-আজোৰা তাৰ তুলনাত বৌদ্ধ ধৰ্ম্মাৱলম্বীসকলৰ মাজত উদাৰতা বেচি বুলি বিশ্বাস কৰিয়েই, তেওঁ আকৌ বৌদ্ধ ধৰ্ম্মত দীক্ষিতা হৈছিল। অৱশ্যে এইটো তেওঁৰ ব্যক্তিগত কথা। ৰৰানীয়ে প্ৰায়ে ৰগৰ কৰি কোৱা শুনা যায়—যে পৃথিৱীত বোধকৰো মাত্ৰ এটিয়েই

পৰিয়াল আছে—যি পৰিয়ালত মাত্ৰ তিনটি প্ৰাণী—বাপেক, মাক আৰু একমাত্ৰ জীয়েক আৰু তাৰ প্ৰত্যেকটিৰেই ধৰ্ম্ম বেলেগ বেলেগ! ঃ বাপেক খৃষ্টীয়ান, মাক বৌদ্ধ আৰু জীয়েক হিন্দুঃ অথচ একো অসুবিধা নোহো-ৱাকৈ এই পৰিয়ালটো সুখেৰেই পৰস্পৰে পৰস্পৰৰ প্ৰতি শ্ৰদ্ধা মৰম বাখি চলি যাব পাৰিছে। ৰৱানীয়ে ভাবে যে একেটা পৰিয়ালৰ মাজতে যদি বিভিন্ন ধৰ্ম্মাৱলম্বী লোক মিলাপ্ৰীতিৰে থাকিব পাৰে, এখন ৰাজ্যত বা ৰাষ্ট্ৰত বা আন্তৰ্জাতিক ক্ষেত্ৰত বিভিন্ন ধৰ্ম্মাৱলম্বী হ'ল বুলিয়েইনো মানুহ মিলাপ্ৰীতিৰে থাকিব নোৱাৰিব কিয়?

ৰৱানীৰ যুক্তিত পতিয়ন গলেও, নিচেছ চাওলাই জনা নাছিল যে তেওঁলোকৰ পৰিয়ালৰ তিনিওজনেই তিনটি বেলেগ বেলেগ ধৰ্ম্মত দীক্ষিত। জীয়েক প্ৰতিভানো কেলেই আগৰ দৰে হিন্দু বৈষ্ণৱ হৈয়েই থাকিব বুলি সোধাত, ৰৱানীয়ে কলে যে জীয়েককো মাকে বৌদ্ধ ধৰ্ম্মত দীক্ষিত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু জীয়েকহে হব নোখোজে। সৰু হলেও জীয়েকৰ ইচ্ছাৰ বিৰুদ্ধে মাক-বাপেকে একো কৰিব নোখোজে। তেওঁলোকৰ মতে ধৰ্ম্ম পালনটো এটা সম্পূৰ্ণ ব্যক্তিগত কথা। যাক যি ধৰ্ম্মই সুজে, বা যাৰ যি ধৰ্ম্মৰ প্ৰতি বাপ, সেইটোৱেই তেওঁৰ ধৰ্ম্ম। ইয়াত বাহিৰৰ বাধা-বাধকতাই হেতাওপৰা কৰাটোৱেই ধৰ্ম্ম-বিৰুদ্ধ কথা। সি যিয়েই নহওক, তাত থকা আটায়েই হাঁহি বাগৰি গ'ল—ৰৱানীয়ে যেতিয়া জীয়েক প্ৰতিভাৰ কথা কলে। প্ৰতিভাক মাকে বৌদ্ধ হবলৈ কওঁতে প্ৰতিভাই বোলে কৈছিলঃ মা, তোমালোকে যিমানেই ধৰ্ম্ম সলনি নকৰা ঃ বাই বা ককাইতো মোৰ নায়েইঃ কোনো ভনী বা ভাইৰ মুখ দেখা ভাগ্যও আৰু মোৰ কেতিয়াও নহব। সেই দেখি মই যেনে আছোঁ তেনেই থাকোঁ। ৰৱানীয়ে মন্তব্য কৰি কলে যে জীয়েক নিচেই সৰু হৈ আছে, ডাঙৰ হলে নিশ্চয় নিজেই ধৰ্ম্মৰ প্ৰকৃত তাৎপৰ্য্য বুজি, উচিত ব্যৱস্থা লব পাৰিব। ৰৱানীৰ মতে তেওঁৰ জীয়েক প্ৰতিভা বৰ ভাগ্যৱতী। নহলে, নিচেছ চাওলাৰ দৰে এগৰাকী মাতৃতুল্যা অভিভাবিকা, শকুন্তলাৰ দৰে মৰমীয়াল এজনী নিজা বায়েকৰ দৰে ছোৱালী, আৰু মিষ্টাৰ চাওলাৰ দৰে পিতৃতুল্য এগৰাকী মানুহৰ মৰম-চেনেহ তাই নিশ্চয় নেপালেহেঁতেন। এইটো ভাগ্য নহয় বাৰু কি? ক'ৰ ছোৱালী ক'ত আহি, কাৰ ঘৰত থাকিবলৈ পাইছে! বিবিধ বিপাক আৰু ঈশ্বৰৰ ইচ্ছাই, কেতিয়া কাক নি ক'ত পেলায়, কোনেও ক'ৰ নোৱাৰে। মানুহে যিমানেই অহঙ্কাৰ নকৰক, প্ৰত্যেক মানুহৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰিত হৈছে এক বিৰাট শক্তিৰ প্ৰভাৱত। এই প্ৰভাৱ সকলোৰে ওপৰত সমানে

পৰে, কিন্তু মানুহেহে ইয়াক নিজৰ নিজৰ মনৰ আচিত চাই, নিজৰ ৰুচি মতে বেলেগ বেলেগ নামাকৰণ কৰে। মূলতে সকলো ধৰ্ম্ম এক। এয়েই ৰৱা-ৰৱানীৰ অটল বিশ্বাস। এই বিশ্বাসত ভেটি কৰিয়েই তেওঁলোকৰ সংসাৰ সুখেৰে চলি গৈছে।

সিদিনা পুৱা প্ৰতিভাক হস্পিতেলৰ পৰা সকলোৱে গৈ লৈ আহিলগৈ। চাওলা পৰিয়ালৰ কাৰণে আজি এটি বিশেষ দিন। প্ৰতিভাৰ মাক-দেউতাকে প্ৰতিভাক মিচেছ চাওলাৰ হাতত গটাই ডিব্ৰুগড়ৰ ঘৰলৈ গ'লগৈ। তাৰ পিছদিনা পুৱাই প্ৰকাশৰ মাক-দেউতাকো প্লেনেৰে ডিব্ৰুগড হৈ ডিগৰৈলৈ গ'ল। যোৱাৰ আগতে মিচেছ কাপুৰে প্ৰকাশক দ্ঢ়াই দ্ঢ়াই কৈ গ'ল যে সি যদি তেওঁৰ লৰা হয়, তেনেহলে নিশ্চয় সি এনে কোনো কাম নকৰে যাৰ কাৰণে মাক-বাপেকে হয়তো আজীৱন মনকষ্ট ভোগ কৰিবলগীয়া হব পাৰে। মাকে এই বিষয়ে মিচেছ চাওলাকো মনে মনে বহুত কথা কৈ গ'ল। নিজৰ লৰা বুলি ভাবি মিচেছ চাওলাইয়ো যাতে প্ৰকাশৰ ওপৰত বিশেষ চকু ৰাখে।

সংঘাতৰ সমাপ্তি

এক

প্ৰতিভাৰ অসুখ ভাল হোৱাৰ এমাহমান পিছতে শকুন্তলাৰ ককায়েক প্ৰজেঞ্জিত চাওলা ইংলণ্ডৰ পৰা আহি ভাৰত পালেহি। ডিগবই তেলপথাৰত প্ৰসেঞ্জিতে ততালিকে জুনিয়ৰ জিওলজিষ্টৰ কাম পাই সেই কামত হাজিৰ হোৱাৰ কথা। সেই সময়তে অসমৰ নাহৰকটীয়াত নকৈ খন্দা তেলপুখুৰ পৰা খাৰুৱা তেল শোধন কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে দুটি শোধনাগাৰ নিৰ্ম্মাণ কৰিবলৈ ঠাই পৰিদৰ্শন কৰি অটাইছে। অসমতকৈ শোধনাগাৰৰ কাৰণে বিহাৰৰ বাৰৌনি বেচি উপযুক্ত ঠাই হব বুলি বিবেচনা কৰি ঠিক কৰা হৈছে যে কুৰি ইঞ্চি ব্যাসৰ পাইপ লাইনেৰে শ শ মাইল দূৰৈত স্থাপন হবলগীয়া বাৰৌনিৰ শোধনাগাৰত অসমৰ নাহৰকটীয়াত উৎপন্ন হোৱা অপৰিশ্ৰুত তেল শোধন কৰা হব। অসমত শোধনাগাৰ স্থাপন কৰা নহয়। অসমৰ তেল-পুঙত উৎপন্ন হোৱা তেল শোধন কৰাৰ সুযোগৰ পৰা অসমক বঞ্চিত কৰি, বিহাৰৰ বাৰৌনিত শোধনাগাৰ পাতিবলৈ লোৱা ভাৰত চৰকাৰৰ সিদ্ধান্তত ঘোৰ প্ৰতিবাদ কৰি, অসমত সভা-সমিতি, সমদল আদি অনুষ্ঠিত হবলৈ ধৰিলে। কাগজে-পত্ৰে চৰকাৰৰ ওচৰত দাবী জনোৱা হ'ল। ন্যায্য অধিকাৰৰ পৰা অসমক যাতে বঞ্চিত কৰা নহয়, সেই মৰ্ম্মে অসমৰ সঁজাতি দল আদি গৈ প্ৰধান মন্ত্ৰী নেহৰু আৰু অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীবৰ্গৰ লগত আলোচনা কৰিলেগৈ।

অসমৰ বুৰঞ্জীৰ এনে এটি সন্ধিক্ষণতে প্ৰসেঞ্জিতে বহুতো আশা বুকুত বান্ধি বিলাতৰ পৰা উভতি আহি, অসম পোৱাৰ লগে লগে হতাশ হৰ-লগীয়া হ'ল। প্ৰসেঞ্জিতে জিওলজি আৰু জিওফিজিক্স বিষয়ত ডিপ্লোমা আৰু মাইনিং সম্পৰ্কে ডিগ্ৰী আদি লৈ ভাবিছিল যে অসমলৈ গৈ—অসমৰ ন ন ঠাই যেনে, নাহৰকটীয়া, মৰান আদিত আবিষ্কৃত হোৱা পেট্ৰল আদি সম্পৰ্কে অনুসন্ধানাদি কৰাত নিজকে নিয়োগ কৰি পৰোক্ষভাৱে হলেও দেশ সেৱাত আত্মনিয়োগ কৰিব। ডিগবই তেল কোম্পানীত কাম কৰা প্ৰসেঞ্জিতৰ উদ্দেশ্য নহয়। ডিগবই তেল পথাৰ অসমৰ মাটিত হলেও, অসম বা ভাৰতে তাৰ উৎপন্নৰ পৰা একো লাভবান হব পৰা নাই। সেই তেল কোম্পানীৰ ৰূপটো প্ৰসেঞ্জিতে অদ্ভুত ধৰণে কল্পনা কৰি, বিলাতৰ

পৰা উভতি অহাৰ কেইদিনমান পিছত ৰগৰ কৰি কৈছিল যে ডিগবইত যি তেল-শিল্প গঢ়ি উঠিছে তাৰ ৰূপ হৈছে: ককালৰ পৰা মূৰলৈকে বিদেশী আৰু ককালৰ পৰা তলছোৱা ভাৰতীয়। গোটেই ৰূপটো হৈছে জলকুঁৱৰীৰ। সেই দেখি সেই জলকুঁৱৰীৰ গতি হৈছে সাগৰ-মহাসাগৰৰ ওপৰেদি সাঁতুৰি গৈ ইংলণ্ডত তাৰ মুনাফাৰ হিচাপ-নিকাচ কৰাটো। যি শিল্পৰ লাভৰ অংশ সকলো বিদেশী তেনে শিল্প-প্ৰতিষ্ঠান ডিগবই তেল কোম্পানীত চাকৰি কৰাতকৈ, প্ৰসেঞ্জিতে ভাৰতীয় শিল্পত আত্মনিয়োগ কৰিবলৈ দৃঢ় সঙ্কল্প হ'ল। ডিগবইৰ চাকৰিটো প্ৰসেঞ্জিতে গ্ৰহণ নকৰিলে। অসমত শোধনাগাৰ স্থাপন নহব বুলি কৰা ভাৰত চৰকাৰৰ সিদ্ধান্তত প্ৰসেঞ্জিত অসন্তুষ্ট হৈ, জিওলজিষ্টৰ কামকে নকৰো বুলি সিদ্ধান্ত কৰি আকৌ বিলাতলৈ গৈ ব্যাৰিষ্টাৰী পঢ়িব বুলি মাক-দেউতাকক খাটাং কথা কৈ দিলে।

খনিজ তেল সম্পৰ্কে বিশেষজ্ঞ হৈ আহি, আকৌ ব্যাৰিষ্টাৰী পঢ়িবৰ মন গ'ল কিয়? এই প্ৰশ্নৰ উত্তৰত প্ৰসেঞ্জিতে কলে যে, পেটৰ কাৰণে প্ৰসেঞ্জিতে চিন্তা কৰিব নেলাগে যেতিয়া চাকৰি নকৰিলেও চলে। কি উচিত? কি অনুচিত? বৈজ্ঞানিক বিশেষজ্ঞইতো আৰু নিৰ্দ্ধাৰণ নকৰে কৰে, ৰাজনীতিবিদেহে! বিলাতত ব্যাৰিষ্টাৰী পঢ়ি আহি আইন ব্যৱসায় কৰক বা নকৰক, অন্ততঃ ৰাজনীতিতো কৰিব পাৰিব! ৰাজনীতিৰ চকৰি যেনি ঘূৰে দেশৰ শিল্প-ব্যৱস্থা বা যি কোনো ব্যৱস্থা সেইমতে ঘূৰিবই! এতেকে দেশসেৱা যদি কৰিবই লাগে, তেনেহলে ৰাজ-নীতিবিদ হৈয়েই সেই বিষয়ে চেষ্টা কৰিব। ব্যাৰিষ্টাৰী পঢ়িবলৈ নগৈ ভাৰততে পঢ়ি আইনজ্ঞ হব নোৱাৰি নেকি? এই বুলি সোধাত প্ৰসেঞ্জিতে হাঁহি কলে যে, সৰুৱে পৰাই প্ৰসেঞ্জিতৰ ব্যাৰিষ্টাৰী পঢ়াত মন। হাঁহি উঠা যেন লাগিলেও দুটা বিশেষ কাৰণত। এটা হৈছে, ভাৰতৰ শীৰ্ষতম নেতৃত্ব কৰাৰ যোগ্যতা অৰ্জ্জন কৰা প্ৰায় সকলোৱেই কোনো নহয় কোনো সময়ত আইন ব্যৱসায় কৰা মানুহ। আৰু দ্বিতীয়টো হৈছে, বিলাত আৰু ব্যাৰিষ্টাৰ—এই দুটা কথাৰ লগত যি দুজন ভাৰতৰ ভাগ্যনিয়ন্তাৰ নাম জড়িত, সেই দুজনৰ এজন হৈছে গান্ধীজী স্বয়ং আৰু আনজন হৈছে ভাৰতৰ বৰ্ত্তমান প্ৰধানমন্ত্ৰী শ্ৰীজৱাহৰলাল নেহৰু নিজে! এনে ধৰণৰ লবালি খেয়াল হাঁহি উঠা যেন লাগিলেও, বা ইয়াক ডেকা-মনৰ দুৰ্ব্বলতা বুলি কলেও, ই একেবাৰে সঁচা যে প্ৰসেঞ্জিতে সেই বুলিয়েই ভাবে। গান্ধীজী বা, জৱাহৰলালজী—তেওঁলোক যদি কেতিয়াও বিলাতলৈ নোযোৱা মানুহ, বা বিলাতলৈ গলেও ব্যাৰিষ্টাৰী পাছ কৰা মানুহ নহ'লহেঁতেন, তেনেহলে

হয়তো আজি এই দুয়োজন ব্যক্তিয়ে ভাৰতৰ ভাগ্য আকাশত যি দুটি উজ্জ্বল নক্ষত্ৰ ৰূপে ভাৰতৰ ভৱিষ্যতৰ দিক নির্ণয় কৰিছে—সেইটো হয়তো ইমানকৈ কৰিব নোৱাৰিলেহেঁতেন!

সি যিয়েই নহওক, প্ৰসেঞ্জিতে জিওলজিষ্টৰ কাম গ্ৰহণ নকৰা, আৰু আকৌ বিলাতলৈ গৈ ব্যাৰিষ্টাৰী পঢ়াতো এক প্ৰকাৰ ঠিক হৈ গ'ল। প্ৰসেঞ্জিতে অৱশ্যে আশা ৰাখিলে যে তেল-শোধনাগাৰ সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্ত নিশ্চয় চৰম সিদ্ধান্ত নহয়। বিশেষজ্ঞৰ শিক্ষা লাভ কৰা এজন ডেকা হিচাপে প্ৰসেঞ্জিতে ভাবে যে বাৰৌনিত শোধনাগাৰ স্থাপন হলেও, অসমতো, বিশেষকৈ অসমৰ সৰ্ব্ববৃহৎ আৰু সৰ্ব্বপ্ৰধান চহৰ গুৱাহাটীৰ কাষৰ ক'ৰবাত, অসমৰ নাহৰকটীয়াৰ খনিজ তেল শোধন কৰা শোধনাগাৰ অসমৰ মানুহৰ ঐক্যকণ্ঠী-দাবী উপেক্ষা নকৰাকৈ কেন্দ্ৰীয় চৰকাৰে নিশ্চয় স্থাপন কৰিবই। বৰ্ত্তমানে চলি থকা শোধনাগাৰ-আন্দোলনটো বিভিন্ন দলৰ ৰাজনৈতিক ব্যুৎপত্তি বা শক্তি পৰীক্ষাৰ পাশাখেল বুলি ভাবি, প্ৰসেঞ্জিতে বিশেষ মন্তব্য নকৰাই ভাল বুলি মনে মনে থাকিল।

শিল্পী-কৰণৰ পথত আগবঢ়া ভাৰতবৰ্ষত ইঞ্জিনিয়াৰ, ডাক্তৰ, বৈজ্ঞানিক, কাৰিকৰী বিদ্যাত পাকৈত লোকৰ অভাৱ পূৰণ কৰিবলৈ যত্ন কৰাতো প্ৰত্যেক ভাৰতবাসীৰেই কৰ্ত্তব্য বুলি প্ৰসেঞ্জিতে ভাবে। লগতে এইটোও ভাবে যে দেশৰ ভৱিষ্যত নির্ভৰ কৰিছে প্ৰধানকৈ ভাৰতৰ ভৱিষ্যত ৰাজ-নীতিজ্ঞসকলৰ ওপৰতহে। দেশৰ দায়িত্ব বহন কৰিবলৈ উঠি অহা উপযুক্ত ডেকাসকলে প্ৰশিক্ষণ লবৰ সময় হল। নীৰৱ সাধনাৰে নিজক উপযুক্ত কৰি গঢ়ি নুতুলিলে, কেৱল হৈ-চৈ সভা-সমিতি বা সমদলেৰে দেশৰ ভৱিষ্যত-নেতৃত্ব বহন কৰিব পৰা সামৰ্থ্য অৰ্জ্জন কৰা টান। চিঞৰ-বাখৰ-গণ্ডগোলৰ আৱশ্যকতা একেবাৰে নাই বুলি কোনেও নকয়; কিন্তু কেৱল চিঞৰ-বাখৰেৰে দেশ ৰাখিব নোৱাৰি। জাতীয় চৰিত্ৰ গঠন নহলে দেশৰ বেমেজালি কেতিয়াও নাতঁৰে। ভাৰতৰ সমুখত সেয়ে আজি প্ৰধান সমস্যা: জাতীয় চৰিত্ৰগঠন। উন্নত দেশৰ দোঁহাই দি, নিজকে নিজে সদায় তিৰস্কাৰ কৰি থাকিলে, দেশোদ্ধাৰ নহয়—হব, সংঘবদ্ধ ভাৰত এখন গঢ়ি তুলিব পাৰিলেহে। প্ৰত্যেকৰে ন্যায্য দাবী মানি লৈ, প্ৰত্যেকে প্ৰত্যেককে শ্ৰদ্ধা আৰু বন্ধুত্বৰ চকুৰে চাবলৈ শিকাৰ আগলৈকে, ভাৰতীয়-জাতীয়-চৰিত্ৰ গঠন হৈছে বুলি কোনেও কব নোৱাৰে। জাতীয় চৰিত্ৰ! জাতীয় চৰিত্ৰ! জাতীয় চৰিত্ৰ! জাতীয় চৰিত্ৰ গঠনেই ভাৰতৰ উজ্জ্বল ভৱিষ্যতৰ একমাত্ৰ পন্থা।

এনে ধৰণেই চিন্তা কৰি প্ৰসেঞ্জিতে বিলাতত ব্যাৰিষ্টাৰী পঢ়ি আহি,

জীৱনৰ বাকীছোৱা কাল দেশ-সেৱাত আত্মনিয়োগ কৰিবলৈ দৃঢ় সংকল্প হ'ল। প্ৰসেঞ্জিতৰ মাক-বাপেকে একমাত্ৰ পুতেকৰ সিদ্ধান্তত হকা-বাধা কৰাৰ কোনো যুক্তি বিচাৰি নেপালে।

উপাৰ্জ্জন কৰি পৰিয়াল পোহপাল দিয়াৰ আৱশ্যকতা নেথাকিলে, চাকৰি কৰাৰ বাধ্য-বাধকতা স্বাভাৱিকতে নেথাকে। সেই হিচাপে প্ৰসেঞ্জিত ভাগ্যবান। খোৱা-পিন্ধাৰ সমস্যাই ভাৰতৰ শতকৰা ৯৯ জন মানুহৰ প্ৰধান সমস্যা। শতকৰা ১০ জন ভাৰতীয় ছাত্ৰৰো যদি প্ৰসেঞ্জিতৰ দৰে ভাগ্য হ'লহেঁতেন, দেশৰ ৰূপেই হয়তো সলনি হৈ গ'লহেঁতেন। সেই দিনলৈ আৰু কিমান বাকী? কেতিয়াকৈনো ভাৰতৰ আটাইতকৈ দৰিদ্ৰ মানুহজনেও নিতৌ দুবেলা দুমুঠি নিয়মমতে খাবলৈ পাব?

দুই

প্রতিভা হস্পিতেলৰ পৰা শকুন্তলাহঁতৰ ঘৰলৈ অহাৰ দিনাই, প্ৰজ্ঞান আৰু মিচেছ ৰবকাকতি দুয়ো একেলগে প্ৰতিভাৰ খবৰ ল'বলৈ গৈছিল। তাৰ পিছত, কোনোজনেই অকলৈয়ে হওক বা লগেৰেই হওক শকুন্তলা বা প্ৰতিভা কাৰো খবৰ লবলৈ যোৱা নাছিল। প্ৰকাশ কিন্তু নিয়ম মতেই গৈ আছিল।

ইতিমধ্যে প্ৰসেঞ্জিত বিলাতৰ পৰা আহি পালেহি। এজন ভাল টেনিছ খেলুৰৈ হিচাপে সেই অভ্যাসটো প্ৰসেঞ্জিতে এতিয়াও এৰা নাই। গুৱাহাটী কটন কলেজত পঢ়াৰ দিনৰে পৰা টেনিছত প্ৰসেঞ্জিতৰ বেচ নাম। বিলাতৰ পৰা ঘূৰি অহাৰ পিছতো প্ৰসেঞ্জিতে নিয়মমতে টেনিছ খেলিবলৈ ল'লে। সদায় আবেলি চাহ-জলপান খাই ইণ্ডিয়া ক্লাবলৈ টেনিছ খেলিবলৈ ওলায় যায় আৰু তাৰ পৰা বাহিৰে বাহিৰে ফুৰা-চকা কৰি ৰাতি যেতিয়া ঘৰ সোমায়হি প্ৰায় আঠ চাৰে-আঠমান বাজে। প্ৰসেঞ্জিতৰ ঘৰত অনুপস্থিতিৰ এই কালছোৱাতেই প্ৰকাশে শকুন্তলা বা প্ৰতিভাৰ লগত কথা-বতৰা হোৱাৰ সুযোগ উলিয়াই লৈছে। এনেকৈ প্ৰায়ে প্ৰকাশৰ লগত কথা-বতৰা হোৱাৰ বা মিলা-প্ৰীতিৰ সুযোগ পোৱাত, এতিয়া প্ৰতিভাই পোনতে প্ৰকাশৰ নাম শুনিলেই যেনেকৈ জপিয়াই উঠিছিল, সেইটো ক্ৰমাত কমি আছিল। এক প্ৰকাৰ সৌহাৰ্দ্দই বৰ্ত্তমানে সিহঁতৰ মাজত গঢ়ি উঠা যেন দেখা গৈছে। আচৰিত এই ছোৱালীজনী। তাই শকুন্তলাক বেচিকৈ ভাল পাবলৈ ধৰিছিল তেতিয়াৰ পৰা, যেতিয়া শকুন্তলাৰ বাঁকোহত গালত ঘূণ হৈ হস্পিতেলত পৰি থাকিবলগীয়া হৈছিল। আৰু এতিয়া? প্ৰকাশৰ পিষ্টলৰ গুলীত কোনো মতে নমৰি বাচি, হস্পিতেলৰ পৰা ঘূৰি অহাৰ পিচত প্ৰকাশকো প্ৰতিভাৰ ভাল লগা হল! (এই ছোৱালীজনীৰ কাৰোবাৰ লগত যদি বিয়া হয়, তেনেহলে বোধকৰো গিৰীয়েকে খঙতে কেতিয়াবা উত্তম-মধ্যম দিয়াৰ পিছতহে তাইৰ সাংসাৰিক জীৱন সুখৰ হবলৈ আৰম্ভ কৰিব!)

সি যিয়েই নহওক, শকুন্তলাই কিন্তু কথাটো পেটে পেটে বেয়া পোৱা নাছিল। সেইদেখি ককায়েক টেনিছ খেলিবলৈ যোৱাৰ পিছত প্ৰকাশ শকুন্তলাহঁতৰ ঘৰলৈ আহিলেই, শকুন্তলাই প্ৰায়ে কিবা এটা কাম উলিয়াই প্ৰকাশ আৰু প্ৰতিভাক অকলে এৰি দুয়োৰে মিলাপ্ৰীতিত পৰোক্ষভাৱে সহায় কৰিছিল।

প্ৰকাশৰ দৰে এনে এজন ধনী, ধুনীয়া, শিক্ষিত ডেকাৰ লগত প্ৰতিভাৰ দৰে ৰূপে-গুণে এনে এজনী ছোৱালীৰ মিলন হোৱাটো শকুন্তলাই এফালে যেনেকৈ মনে মনে কামনা কৰিছিল, আনহাতে প্ৰকাশৰ হাতৰ পৰা নিজক ৰক্ষা কৰাৰ ইও এটা উপযুক্ত উপায় বুলি ভাবি নিজে নিজে ধন্যও মানিছিল। শকুন্তলাৰ মাকক প্ৰকাশৰ মাক-দেউতাকে যাবৰ সময়ত মনে মনে কৈ যোৱা কথা শকুন্তলাক বঢ়িয়াকৈ বুজাই দি তেওঁ কৈছিল যে, জীয়েকে যেন প্ৰকাশক সদায় প্ৰতিভাৰ পৰা আঁতৰত ৰাখে। শকুন্তলাই মাকৰ কথা শলাগি দেখুৱালেও, নিজে যি উচিত বুলি ভাবিছিল সেই মতেই কাম কৰি গৈছিল। শকুন্তলাৰ এই দুমুখীয়া ৰূপটো কিন্তু মাকে ধৰিব পৰা নাছিল।

শকুন্তলাৰ মাকৰ চিনেমা চোৱাৰ চখ একেবাৰে নাই বুলিলেও হয়। কেৱল প্ৰণয়! প্ৰণয়! প্ৰণয়! ডেকা-ডেকেৰীৰ সস্তীয়া প্ৰেমকাহিনীবোৰেই সাধাৰণতে বোলছবিবোৰত ঠাই পোৱা দেখি মিচেছ চাওলাই জীয়েকহঁতে প্ৰায়ে চিনেমা চাবলৈ যোৱাটো পেটে পেটে বৰ ভাল নেপাইছিল। কলা সম্পৰ্কে মিচেছ চাওলাৰ জ্ঞান মোটামোটী হলেও, হিন্দী কথাছবিত কথাই কথাই গান, কথাই কথাই একেজনী প্ৰণয়িনীক লৈ দুজন প্ৰতিদ্বন্দ্বী প্ৰণয়ীৰ মাজত ঘুচিয়া-ঘুচি ইত্যাদি ধৰণৰ কথাবোৰ তেওঁৰ কেনেবা যেন লাগিছিল। এজনী প্ৰণয়িনী, এজন প্ৰণয়ী আৰু এজন প্ৰতিদ্বন্দ্বী—এই ত্ৰিভূজটোকে এবাৰ সমকোণী, এবাৰ সূক্ষ্মকোণী, এবাৰ স্থূলকোণী, নাইবা এই তিনিটা অৱস্থাৰ 'পাৰ্মুটেশ্যন-কম্বিনেশ্যন'কে ঘূৰাই-পকাই, ছবিৰ প্ৰযোজক-ডাইৰেক্টৰ সকলে এফালে জনসাধাৰণৰ সাধাৰণ ৰুচিৰ যোগান ধৰি, আনফালে চেঙেলীয়া বা ডেকা-ডেকেৰীৰ মানসিক-ছাট্‌নি স্বৰূপে যৌন-আবেদনৰ মাত্ৰাধিক্যবে, ভাৰতীয় নৈতিক ঐতিহ্যৰ লগত খাপ নোখোৱা অৰ্দ্ধ-উলঙ্গ সাজপাৰেৰে, নায়িকাৰ যৌন-মনোলোভাঙ্গবোৰক প্ৰাধান্য দি, কোটি কোটি টকা উপাৰ্জ্জন কৰাৰ বাট মুকলি কৰি, ভাৰতীয় বোলছবি শিল্পৰ যেনেকৈ ঠন ধৰোৱাইছে, এই সকলো দেখি শুনি মিচেছ চাওলাই শকুন্তলাৰ চিনেমা চোৱাটো প্ৰায় বন্ধ কৰিয়েই দিছে। নিতান্ত ভাল ছবি নহ'লে, যা বুলি কেতিয়াও নকয়। নিজেও ভাল ছবি নহলে নেচায়গৈ। কিন্তু মিচেছ চাওলাৰো এটা দুৰ্ব্বলতা নথকা নহয়। ছবি হিচাপে বা কলা হিচাপে যি পৰ্য্যায়তে নপৰক, ৰামায়ণ-মহাভাৰত আদিৰ কোনো ঘটনা দেখুৱা ধৰণৰ কথাছবি আহিলে তেওঁ চাবই। সেইদিনা স্থানীয় এটা ছবিঘৰত 'শুক্ৰ কন্যা দেৱযানী' বুলি এখন

হিন্দী কথাছবি চাবলৈ জীয়েক শকুন্তলা আৰু প্ৰতিভাক লগ ধৰিলে। প্ৰতিভা-শকুন্তলা দুয়ো প্ৰকাশৰ লগত গৈ সেইখনৰ ''ম্যোটিনী-শ্ব' দুদিন আগেতেই চাই আহিছে। নেযাওঁ বুলি কোৱাত, মিচেছ চাওলা অকলৈয়ে 'ফাষ্ট-শ্ব' চাবলৈ গ'ল। আবেলি ৬ বজাৰ পৰা মিচেছ চাওলা ছবি চাই ঘূৰি নহালৈকে এই কালছোৱা শকুন্তলা আৰু প্ৰতিভাই ঘৰৰ মালিক হ'ল। আগে-পিছে সদায় অহাৰ দৰে গধূলি ছয় বজাৰ লগে লগে প্ৰকাশ আহি উপস্থিত হ'লহি। মিচেছ চাওলা চিনেমাৰ পৰা ৰাতি ন-চাৰে ন বজাৰ আগতে ঘূৰি অহাৰ সম্ভাৱনা নাই দেখি, আৰু প্ৰসেঞ্জিতো অন্ততঃ ৰাতি চাৰে আঠ বজাৰ আগতে ঘৰলৈ নাহে বুলি জানি, তিনিও দ্ৰইং ৰুমত বহিয়েই মুকলিমূৰীয়াভাৱে কথা-বতৰা হ'বলৈ ধৰিলে।

দহ মিনিটমান কথা-বতৰাৰ পিছত শকুন্তলাই কিবা এটা কাম উলিয়াই নিজৰ কোঠালৈ গ'ল। প্ৰকাশ আৰু প্ৰতিভা কথাত ব্যস্ত হৈ পৰিল। কিমান সময় পাৰ হৈ গ'ল কোনেও কব নোৱাৰে। কোন টলকত যে মিচেছ ৰৰকাকতি, আৰু প্ৰজ্ঞান আহি কোঠাটোৰ মাজেৰে সোমাই ভিতৰলৈ গ'ল, সেই বিৰাট কোঠাটোৰ একাষে বহি মছ্গুল হৈ থকা প্ৰকাশ বা প্ৰতিভা কোনেও ক'ব নোৱাৰিলে। মিচেছ ৰৰকাকতিয়ে মাতিম বুলি ভাবিছিল, কিন্তু প্ৰজ্ঞানে চকুৰ ঠাঁৰেৰে হাক দিয়াত দুয়ো নেদেখা ভাও জুৰি ভিতৰ সোমাই শকুন্তলাক লগ ধৰিলেগৈ।

ভিতৰত কিছু সময় শকুন্তলাৰ লগত কথা-বতৰা হোৱাৰ পিছত দুয়ো যেতিয়া যাবলৈ ওলাই আহি আকৌ দ্ৰইং-ৰুম পালেহি, তেতিয়াহে প্ৰকাশ-প্ৰতিভাই বুজিব পাৰিলে যে, তেওঁলোকে নিশ্চয় সিহঁতক যাওঁতেও দেখিছিল। লাজতে প্ৰতিভাজনী ৰঙা পৰি গ'ল; প্ৰকাশো। প্ৰকাশ বা প্ৰতিভা কোনেও বাঞ্ছা কৰা নাছিল যে শকুন্তলাৰ বাহিৰে আন কোনোবাই জানক যে প্ৰকাশ আৰু প্ৰতিভা দুয়ো দুয়োৰে ইমান ওচৰ চাপিছে। সিহতৰ মাজত এক প্ৰকাৰ বুজা-বুজিয়েই হৈছে যে অলপতে উভয়েই বিবাহ পাশত আবদ্ধ হ'ব। সি যিয়েই নহওক, প্ৰতিভাক দেখা মাত্ৰেই মিচেছ ৰৰকাকতিয়ে হাঁহি মাৰি ক'লে যে প্ৰতিভাক ইমান সোনকালে আৰোগ্য হৈ আকৌ আগৰ দৰে স্বাস্থ্যৱতী ধুনীয়া ছোৱালীজনী হৈ পৰা দেখি তেওঁ ৰৰ সন্তোষ পাইছে।

মিচেছ ৰৰকাকতি আৰু প্ৰজ্ঞানে বিদায় লৈ যাবলৈ ওলাই আগফালৰ বাৰাণ্ডাত ভৰি দিছে মাথোন, এনেতে হাতত টেনিছ ৰেকেট লৈ, টেনিছ খেলা পোছাকত, কান্ধতে টাকিছ টাৱেল এখন পেলাই, প্ৰসেঞ্জিত চাওলা

ঠিক আহি ঘৰৰ বাৰাণ্ডা পাইছেহি। শকুন্তলাই ''সেয়া মোৰ দাদা; এয়া প্ৰজ্ঞানদা'' বুলি কোৱাৰ লগে লগে প্ৰজ্ঞানে প্ৰসেঞ্জিতলৈ সোঁহাতখন আগবঢ়াই দিলে। তজ্বজীয়া সুঠাম ডেকা প্ৰসেঞ্জিতে এই বলীষ্ঠ মানুহজনৰ লগত 'হেণ্ড্শ্বেক' কৰা দৃশ্যটো চাবলগীয়া হৈছিল। দুয়ো যেন অতি পুৰণি বন্ধু। বহুত দিনৰ মূৰত লগ পাইছে। দুয়ো বহুতপৰ হাত জোকাবিলে। এজন মিলিটেৰী জেনেৰেলে তেওঁৰ এজন অতি প্ৰিয় ডেকা মিলিটেৰী বিষয়াৰ বিশেষ কামত সন্তুষ্ট হৈহে যেন কৰমৰ্দ্দন কৰি ধন্যবাদ জ্ঞাপন কৰিছিল!

''তোমাক নেদেখিলেও তোমাৰ ফটো দেখিছোঁ। তদুপৰি শকুন্তলাৰ মুখে তোমাৰ বিষয়ে ইমান কথা শুনিছো, যে নেদেখিলেও তোমাক যেন মই আগৰে পৰাই ভালকৈ চিনি পাওঁ।'' প্ৰজ্ঞানে তেনেকৈ কওঁতে প্ৰসেঞ্জিতে এটা তজবজীয়া ঘোঁৰা একে ঠাইতে থিয় হৈ চট্ফটাই থকাৰ দৰে প্ৰজ্ঞানৰ মুখলৈ চাই হাঁহি আছিল।

''মোক চিনি পাইছা নহয়?'' প্ৰজ্ঞানে জানিও এনেয়ে সোধে।

''চিনি?'' প্ৰসেঞ্জিতে হাঁহি কয়, ''শকুন্তলাই 'ইণ্ট্ৰডিউছ্' কৰি নিদিয়া হলেও, মই এনেয়েই চিনি পালোহেঁতেন। আপোনাৰ কথা মা-দেউতা আৰু শকুন্তলাৰ প্ৰত্যেক চিঠিতে মই বিলাতত থাহোঁতে পঢ়িবলৈ পাইছিলো। তদুপৰি আপোনাৰ সেই 'ৰাষ্ট্' ছবিখন, সেই যে জপৰা চুলিৰে আপুনি এজন শিল্পীৰ দৰে কিবা ভাবি আছে! সেই ছবিৰ এটা কপিও শকুন্তলাই মোলৈ পঠিয়াই দিছিল।''

প্ৰসেঞ্জিতে প্ৰজ্ঞানৰ ফটোৰ কথা কওতে, প্ৰজ্ঞান-শকুন্তলা দুয়োৰে বুকুৰ মাজত কোনোবাই খুণ্ডিয়াই দিয়া যেন অনুভৱ কৰিলে। প্ৰজ্ঞান-শকুন্তলা দুয়ো ভাবিছিল—'সেইদিন আৰু এতিয়া আছে জানো?' শকুন্তলা, প্ৰতিভা, প্ৰকাশ, প্ৰজ্ঞান, মিছেছ ৰৰকাকতি এই এটাই কেউজনে এতিয়া শকুন্তলাহঁতৰ আগফালৰ বাৰাণ্ডাত উজ্জ্বল বিজুলী চাকিৰ পোহৰত থিয় হৈ ইজনে সিজনৰ মুখলৈ চোৱা চুই কৰি পৰিস্থিতিটো উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল। ঠিক এনেতেই মিছেছ চাওলাৰ গাড়ী আহি ষ্টেণ্ডত বলহি। গাড়ীৰ পৰা নমাৰ লগে লগে মিছেছ চাওলাই তেওঁৰ টেংটেঙিয়া হলেও শ্ৰুতি মধুৰ মাতটোৰে চিঞৰি কৈ আহিল ''ই কি কাণ্ড! ইমান বিলাক ডেকা-ডেকেৰী লগ লাগি মোৰ অনুপস্থিতিত এনেকৈ চিঞৰ বাখৰ কৰি কি কৰিছাহঁক?''

মিছেছ চাওলাৰ কথা কোৱাৰ সুৰ শুনি এটাইৰে ইমান হাঁহি উঠিল যে সকলোৱে হোঁ হোঁ কৰে হাঁহি দিলে। হঠাৎ পৰিস্থিতিটো অতি পাতল হৈ গ'ল।

"মই, বুজিছো নহয়, কেলেই আজি মোক এটায়ে লগলাগি অকলৈ চিনেমা চাবলৈ পঠিয়াইছিল! অ', এই কাৰণেহে! ঘৰত বুঢ়ী মানুহ এজনী থাকিলে ডেকা-ডেকেৰীৰ কথা নজমে—সেইদেখিহে মোৰ বিপক্ষে এটাই কেউটাই এইটো ষড়যন্ত্ৰ কৰিলাহঁক।" মিচেছ চাওলাই জোৰকৈ ওলাই আহিব খোজা ধেমেলিয়া হাঁহিটো ওঠ দুটাৰে চেপা মাৰি ধৰি, এটাইবে মুখলৈ এনেকৈ মুখখন ঘুৰাই চাই পঠিয়ালে যে সকলোৰে আকৌ হাঁহি উঠি গ'ল। টেপা মাৰি ধৰি থকা মিচেছ চাওলাৰ হাঁহিটোও ওলাই আহি, হাঁহিৰ সেই ঐক্যতানত যোগ দিলে।

এই বয়সতো মিচেছ চাওলাই বগৰৰ বহঘৰাটো ক'তো অলপো হানি নোহোৱাকৈ এনেকৈ ৰাখিব পৰাতো বাস্তৱিকতে এটা মন কৰিব লগীয়া কথা। বগৰৰ বস কণ হেৰাই নোযোৱালৈকে, মানুহ জীৱনৰ সাৰ্থকতা। বস শুকাই গলেই, মানুহৰ জীয়াতে মৰণ। পৃথিবীৰ প্ৰকৃত মনীষী সকলে সেইদেখি জীৱনৰ শেহ মুহূৰ্ত্তলৈকে এই বসত মজি থাকিবলৈ প্ৰেৰণা পায়। 'চেন্‌স অব্‌ হিউমাৰ্‌' নথকা মানুহেহে নিষ্ঠুৰ কাৰ্য্যকলাপৰ গুৰি চিৰদিনে ধৰি আহিব পাৰিছে। যি জাতিৰ 'চেন্‌স অব্‌ হিউমাৰ্‌' যিমান বেচি, সেই জাতি সিমানেই জীৱন্ত, সিমানেই আশাবাদী। নৈৰাশ্যৰ মহামাৰীত আশাৰ সঞ্চাৰ কৰি জনগণক ন্যায্য পথেৰে চালিত কৰিব পাৰে সেই সকল নেতাইহে, যি সকলৰ জীৱন দৰ্শনত বগৰৰ বহঘৰাই প্ৰথম স্থান অধিকাৰ কৰে। ভাৰতত আজি তেনে নেতাৰেই এটাইতকৈ বেচি আৱশ্যক।

গান্ধী আৰু ঠাকুৰৰ আদৰ্শই ভাৰতৰ বিভিন্ন ভাষা আৰু বিভিন্ন ধৰ্ম্মৰ মাজত ঐক্য স্থাপন নকৰিলে, ভাৰতৰ ভবিষ্যত অন্ধকাৰ। গান্ধী বা ঠাকুৰ কোনো গৰাকীয়েই আজি নাই, কিন্তু তেওঁলোকৰ আত্মাৰ জ্যোতিয়ে প্ৰত্যেক ভাৰতবাসীৰ প্ৰাণত যি আশাৰ সঞ্চাৰ কৰিছে, তাকো জানো ভাৰতে আজি সাধাৰণ কিছুমান কথাতে খোৱা-কামোৰা কৰি জলাঞ্জলি দিব লাগিব? ভাৰতত অনৈক্য ঘটিলেই বুজিব লাগিব, এই দুজন মহাত্মাক যি সন্মান দেখুৱা বুলি ভাৰতে গৌৰৱ কৰে, সেই সন্মান প্ৰকৃততে তেওঁলোকক দেখুৱা হোৱা নাই।

চিন্তাশীল প্ৰজ্ঞানৰ মনত ইমান কম সময়ৰ ভিতৰতে ইমানবোৰ ভাৰ খেলাই গ'ল। প্ৰজ্ঞান ভাবুক হৈ পৰিল।

"কিহে প্ৰজ্ঞান, তোমাক দেখোন বৰ গহীন যেন দেখিছো? মই ধেমালি কৰাত বেয়া পালা নেকি? মিচেছ চাওলাই আগ্ৰহেৰে সুধিলে।

"ইস্‌ ইস্‌ আপুনিযে কি কথাবোৰ কয়? মই কিবা আপোনাক

নেজানো নেকি?" প্ৰজ্ঞানে হাঁহিবলৈ চেষ্টা কৰিলে।

"আজিকালিতো তুমি আহিবলৈ বাদেই দিছা। প্ৰসেঞ্জিত অহা তিনি সপ্তাহই হ'ল, এই তিনি সপ্তাহৰ ভিতৰত আজিহে প্ৰথম আহিবলৈ সময় পালা। কিয় অহা নাছিলা বাৰু?"

"নাই! সদায় আহো আহো বুলি ভাবোঁ".....

"বুজিছোঁ, বুজিছোঁ।" মিচেছ চাওলাই হাঁহি ক'লে, ভালেই হৈছে আহিছা। আজি ৰাতিৰ সাঁজ মিচেছ বৰকাকতি আৰু তুমি দুয়ো আমাৰ সকলোৰে লগতে".....

"ইস্‌ বহুত ৰাতি হ'ল। ন বাজি গ'লেই।" প্ৰজ্ঞানে ক'লে, "আন এদিন আহিয়েই বাৰু খামহি। নেমাতিলেও হ'ব, নিজেই আহিম।"

"অ' এটা কথা নহয়!" মিচেছ বৰকাকতিয়ে কলে, "আজি এজন আলহীক আমাৰ তালৈ খাবলৈ মাতিছোঁ। পলমেই হ'ল। অৱশ্যে তেওঁ কোৱা মতে ৯।। বজাতহে আহিব। আমাৰ সময় হলেই। এতিয়া তেনে-হলে যাওঁ।"

"আলহীক খাবলৈ মাতিছে যেতিয়া যাওঁক। পিছে আকৌ এদিন আহিব। আপুনিও নহা হ'ল।" মিচেছ চাওলাই আপত্তি নকৰিলে।

মিচেছ বৰকাকতি আৰু প্ৰজ্ঞান যোৱাৰ পিছতহে শকুন্তলাই কথা ক'লে। "মোৰ বিশ্বাস হোৱা নাই মা।" শকুন্তলাই কয়, "কাৰবাক যদি খাবলৈ নিমন্ত্ৰণেই কৰিছে, ৰাতি ন বজাৰ পিছলৈকে আমাৰ ঘৰতেই দেখোন কটালে!" তাৰ পিছত ঠাট্টাৰ সুৰত ক'লে, "ক'লে আৰু, কিবা এটা কৰ লাগিব নহয়!"

মাকে হাঁহিলে। একো নকলে। মনে মনে প্ৰজ্ঞানৰ ওপৰত খং উঠিল। 'কি যে এই ডেকা ল'ৰাটো!' পিছত আকৌ ভাবিলে, 'নাই নাই, এই মানুহজনীয়েই এই নিৰীহ ল'ৰাটোক লটি-ঘটি কৰি মাৰিছে। নহলে, আগেয়েতো প্ৰজ্ঞান কেতিয়াও এনেকুৱা নাছিল।'

"ৰ'ল ৰ'ল ভিতৰলৈ ৰ'ল। আমিয়েই খাওঁগৈ। ভোক লাগি আহিছে পাই!" মাকে কৈ ভিতৰ সোমাল। লগে লগে বাকী বিলাকো। প্ৰকাশেও আজি শকুন্তলাহঁতৰ তাতে খাৰৰ কথা।

তিনি

প্রজ্ঞান আৰু মিচেছ ৰৰকাকতি গৈ যেতিয়া ৰৰকাকতি ভৱনৰ পদুলি মুখ পালেগৈ, তেতিয়া ৰাতি দহ বাজিবলৈ প্ৰায় পোন্ধৰ মিনিটমান বাকী। সেইদিনা এনেয়ে বাহিৰত পূৰ্ণিমাৰ ফৰিংফুটা জোনাক। তাতে পৰ্টিকৰ সমুখত মটৰ ষ্টেণ্ডৰ ওপৰত এহেজাৰ মমবাতি-শক্তিৰ প্ৰকাণ্ড ইলেক্‌ট্ৰিক আৰ্ক-লেম্পটো জ্বলি, আগফালৰ মুকলি ঘাঁহনি দৰা, আৰু ফুলৰ বাগিছাখন, দিন যেন কৰি পোহৰাই পেলাইছে।

আগফালে কুকুৰ নেচীয়া বাঘৰ দৰে শুই থকা আল্‌চেচিয়ান (Alsatian) কুকুৰটো দেখিলে সহজে তাৰ পিতা-প্ৰপিতামহৰ কথা মনত পৰি যায়। উনৈশ শতিকাৰ শেহভাগত জাৰ্ম্মানিৰ ব্লেক্‌ফৰেষ্টত (Black Forest) ঘৰুৱা বৃহদাকায় কুকুৰৰ লগত বনৰীয়া কুকুৰ নেচীয়া বাঘৰ বৈবাহিক সম্বন্ধ স্থাপনৰ ফলত, পোনতে সৃষ্টি হোৱা এই জাত কুকুৰ আজি গোটেই জগততে বিয়পি পৰিছে। বনৰ কুকুৰ নেচীয়া বাঘৰ বল, আকাৰ, আকৃতি আৰু সাহৰ লগত, ঘৰচীয়া কুকুৰৰ প্ৰভু ভক্তিৰ ওতঃপ্ৰোততাত উৎপন্ন হোৱা আল্‌চেচিয়ানৰ আঁতি-গুৰি বিচাৰি কোনেও মূৰ নঘমুৰায়। দেখাত ধুনীয়া, কামত সাহসী, আকৃতিত নুহৎ—এই তিনিটি বিশেষ গুণৰ অধিকাৰী হোৱাৰ কাৰণেই এই জাত কুকুৰ পুহিৰ পৰাতো ভাৰতবৰ্ষতো আজি এটা আভিজাত্যৰ চিন হৈ পৰিছে।

মৰমতে মিষ্টাৰ ৰৰকাকতিয়ে তাৰ নাম ৰাখিছে 'সোণ।' সোণ বুলি মাতিলেই সি নেজ জোকাৰি প্ৰভুৰ চৰণ চুমি ধন্য হয়হি। মিচেছ ৰৰকাকতিৰো সি অতি আদৰৰ। সিংহৰ দৰে সাহ আৰু বুকুখন বহল বুলি ৰৰকাকতিনীয়ে তাৰ নাম থৈছে কেঁশৰী। এফালে 'সোণ', আনফালে 'কেশৰী'—এই দুটি নামৰ অধিকাৰী এই চতুষ্পদী জীৰটোৰ ওপৰত কাৰ কিমান অধিকাৰ বা সিয়েইনো কাক কিমান ভাল পায়, এই কথাটো প্ৰমাণ কৰিবৰ কাৰণেই যেন বিধাতাই কেঁশৰীক এই পুত্ৰীবহুল পুত্ৰহীন পৰিয়ালটোত পুত্ৰ ৰূপে পালিত হবলৈ টানি আনিছিল। ৰৰকাকতি দম্পতীৰ পুত্ৰ সন্তান কোনোৰা থকা হলেও বোধকৰো কেঁশৰীতকৈ বেচি মৰম নেপালে হেঁতেন!

সি যিয়েই নহওক, প্ৰজ্ঞান আৰু মিচেছ ৰৰকাকতি আহি, পদুলি মুখৰ ৰাৰ পোৱাৰ লগে লগে কেঁশৰীয়ে হেলেপনি দৌৰেৰে একে কোৰে গৈ

দুয়োকো তাতেই আদৰি আগুৱাই লৈ আহিল। মিচেছ ৰৰকাকতিয়ে বাওঁ হাতেৰে মূৰত থপৰিয়াই দিয়াত সি নেজ জোকাৰি তাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে।

তিনিও আহি সমুখৰ বাৰাণ্ডা পাওঁ পাওঁ হৈছেহি, ঠিক এনেতে ৰৰকাকতি ভৱন নিমিষতে কঁপাই ভিতৰত এটা বন্দুকৰ আৱাজ হ'ল। মিষ্টাৰ ৰৰকাকতিৰ পঢ়া কোঠাৰ পৰা শব্দটো অহা যেন অনুমান কৰি উন্মাদৰ দৰে প্ৰজ্ঞান লৰি গৈ যি দেখিলে, প্ৰজ্ঞানৰ মূৰ ঘূৰাই গ'ল। তেজেৰে তুমুৰলি হই মিষ্টাৰ ৰৰকাকতি মজিয়াত পৰি আছে। হাত-ভৰি তেতিয়াও নাচি থকা অৱস্থাত প্ৰজ্ঞানে দেখিলে। কাষতে ওখ মূঢ়াটো বাগৰ খাই পৰি থকাৰ চাই, দেখিলে অনুমান হয়, থুতৰিৰ তলেদি কণ্ঠ-নলীৰ কাষত বন্দুকৰ নলীটো দি বন্দুকটো থিয়কৈ মাটিত থৈ, ওখ মূঢ়াটোৰ ওপৰত বহি বাওঁ ভৰিৰ বুঢ়া আঙুলীৰে বন্দুকৰ ট্ৰিগাৰ টিপি ৰৰকাকতিয়ে এই নিদাৰুণ কাণ্ডটি কৰিলে।

প্ৰজ্ঞানে মাটিত আঠু কাঢ়ি বন্দুকটো আঁতৰাই আনি বাওঁ হাতত লৈছে মাথোন, এনেতে কেউফালৰ পৰা চিয়ঁৰ বাখৰ কৰি ঠাকুৰ, চাকৰ, অময়া আৰু অময়াৰ সাতজনী ভনীয়েক আৰু মাক, সকলো সেই কোঠাত উপস্থিত হলগৈ। ৰৰকাকতিৰ মুখখন বিকৃত হৈ চিনিব নোৱাৰা হৈ গৈছে। ঘৰৰ চিলিঙত থোপাকৈ লাগি থকা তেজৰ পৰা অনুমান হয়, মূৰৰ লাওখোলা ভেদ কৰি গুলিয়ে ওপৰৰ চিলিঙতো খুন্দিয়াইছিলগৈ। কোঠাটোত কেউফালে মগজ আৰু তেজ ছিটিকি পৰিছে। ৰৰকাকতিয়ে ব্যৱহাৰ কৰিছিল, সাধাৰণতে পহু চিকাৰত ব্যৱহাৰ কৰা এল্‌-জি গুলি। কোনে ভাবিছিল, যে খ্যাতনামা চিকাৰী ৰৰকাকতীয়ে চিকাৰত বধ কৰা অসংখ্য পহু আৰু বাঘৰ আত্মাবোৰে লগলাগি সেই পাপৰ প্ৰায়শ্চিত্তৰ কাৰণে নিজৰ ওপৰত নিজে প্ৰতিশোধ লবলৈ ৰৰকাকতিক যে এনেকৈ উদ্‌গাব?

প্ৰজ্ঞানে আঠু কাঢ়ি যি মুহূৰ্ত্তত বন্দুকটো আঁতৰাই হাতত লৈছিল, ঠিক সেই মুহূৰ্ত্ততে অময়া ৰান্ধনী ঘৰৰ পৰা আহি কোঁঠাৰ দুৱাৰ মুখ পাইছিলহি। তাই তৎক্ষণাত সিদ্ধান্ত কৰি পেলালে যে মাক আৰু প্ৰজ্ঞান দুয়ো ষড়যন্ত্ৰ কৰিহে এই কামটো কৰিলে। তাইৰ ভাবি মূৰ ঘূৰাই গ'ল যে প্ৰজ্ঞানৰ দৰে এজন মানুহে কোন সতেৰে নিজ হাতে এনেকৈ এজন নিৰীহ মানুহক ঈৰ্ষাৰ বশবৰ্ত্তী হৈ গুলিয়াই মাৰিব পাৰে! কণ্ডতে লগাতকৈ বহুতো কম সময়ৰ ভিতৰতে ইমানবোৰ কথা হৈ গ'ল। পাগলীৰ দৰে আছি অময়াই তেজেৰে বাঙলি হৈ মাটিত পৰি থকা দেউতাকৰ গাত ধৰি জোকাৰি জোকাৰি মাতিলে:

'দেউতা, দেউতা, তুমি কলৈ গ'লা দেউতা ?' তাৰ পিছত দেউতাকৰ বুকুত মুৱ থৈ কেঁচুৱাৰ দৰে কান্দিবলৈ ধৰিলে। হঠাৎ গাত গছক পৰিলে খঙতে ফেট তুলি, পিছ মুহূর্ত্ততে দংশন কৰিবলৈ উদ্যত হোৱা ফেঁটী সাপৰ দৰে তাই প্রজ্ঞানৰ জপৰা চুলিকোছা দুই হাতে খামুচি, জোকাৰি জোকাৰি বলিয়াৰ দৰে মুখত যিহকে আহিল তাকে বকিবলৈ ধৰিলে। এবাৰ প্রজ্ঞানৰ হাতৰ পৰা আজোৰ মাৰি বন্দুকটো লৈ, তাৰ কুন্দাৰে প্রজ্ঞানৰ পিঠিত খঙতে খুন্দিয়াবলৈ ধৰিলে।

প্রজ্ঞানে ইমান পৰে একো প্রতিবাদ নকৰাকৈ অমৰাৰ চিয়ঁৰ-বাখৰ সকলো নির্ব্বিবাদে সহি আছিল। এতিয়া অমৰাই যেতিয়া বন্দুকটো লৈ এনেকৈ বলিয়াৰ দৰে প্রজ্ঞানক খুন্দিয়াবলৈ ধৰিলে, প্রজ্ঞানৰ অসহ্য হ'ল। বহাৰ পৰা খপ কৰে উঠি, অমৰাক দাবী দি বন্দুকটো কাঢ়ি নিলে।

এনেকৈ প্রায় পাঁচ মিনিট মান যোৱাৰ পিছত ৰৰকাকতি ভৱনৰ আগ ফাল, লোকে লোকাৰণ্য হৈ পৰিল। ওচৰ চুবুৰীয়াৰ কোনোবাই পুলিচলৈ ফোন কৰি জনোৱাত, প্রায় দহ মিনিট মানৰ ভিতৰতে মটৰ চাইকেলেৰে আগে আগে ইন্‌স্পেক্টৰ আৰু এছ-আই, আৰু পিছে পিছে এখন পুলিচ ভানত ছজন হিলৈ ধাৰী কনিষ্টৰল আহি ৰৰকাকতি ভৱনত উপস্থিত হলহি। ৰৰকাকতিৰ ৰৈণীয়েক, জীয়েক ৮ জনী, ঠাকুৰ, চাকৰ আৰু চতুষ্পাৰ্শী আল্‌চেচিয়ানটোৰ বাহিৰে সেই কোঁঠাত আন কোনো তেতিয়ালৈকে সোমোৱা নাছিল। পোকে কামোৰাৰ দৰে আল্‌চেচিয়ান কেঁশৰীয়ে ইফাল সিফাল কৰি বাৰে বাৰে আহি মজিয়াত ডোঙা বন্ধা তাৰ মৰমৰ প্রভুৰ তেজৰোৰ শুঙিলেহি। এবাৰ আহি মৰটোও শুঙি গলহি। তাৰ পিছত জিৰাখন উলিয়াই একাষে হাঁতোৱা পাতি বহি একেথৰে ৰৰকাকতিৰ চিনিৰ নোৱাৰা হৈ যোৱা মুখখনলৈ চাই থাকিল। তাৰ অন্তৰৰ ভাষা বুজোতা যদি কোনোবা থাকিলহেঁতেন—তেনেহলে নিশ্চয় জানিলেহেঁতেন সি এতিয়া কি ভাবিছে! সি হয়তো ভাবিছিল তাৰ প্রাণতকৈও প্রিয়তম প্রভুক তাতকৈ কোনে বেচিকৈ চিনি পায় ? কোনে তাতকৈ বেচি বুজে—ৰৰকাকতিৰ তেজৰ গোন্ধ কেনেকুৱা ? কিন্তু কিন্তু ! ক'লৈ গ'ল ৰৰকাকতিৰ সেই প্রশান্ত মুখ খনিৰ চাৱনি ? কোনে ? কোনে এনে নিষ্ঠুৰ ভাবে তাৰ প্রভুৰ মুখখন চিনিৰ নোৱাৰা কৰি দিলে ? এবাৰ আহি সি প্রজ্ঞানৰ কাষত ৰেৰাত আওজাই থোৱা বন্দুকটোও শুঙিলেহি।

ঠিক এনেতে পুলিচ ইনস্পেক্টৰ কোঠাটোলৈ এছ-আইৰে সৈতে সোমাই আহিল। ইনস্পেক্টৰ সোমোৱা মাত্রকে প্রজ্ঞানে বন্দকটো ইনস্পেক্টৰক গটাই

দিলে। তেতিয়ালৈকে কিন্তু প্রজ্ঞান বা ঘৰৰ কাৰোৰেই চকুত পৰা নাছিল যে ৰৰকাকতিয়ে পঢ়া দ্রৱাৰ থকা ডাঙৰ মেজখনৰ ওপৰত কার্ট্রিজৰ বেল্ট ডাল পৰি আছিল। ইনস্পেক্টৰৰ পোনতে তাতেই চকু পৰিল। খপ কৰে গৈ কার্ট্রিজৰ বেল্ট্‌ ডাল হাতত লৈ এছ-আইক দিলে। বেল্টত তেতিয়াও আৰু এষাৰটা গুলি আছিল। বেল্ট ডালেৰে হেঁচা মাৰি থোৱা শকত দীঘলীয়া লেফেফা এটা ইন্‌স্পেক্টৰে হাতত তুলি লৈ চায় যে ওপৰত মিচেছ ৰৰকাকতিৰ নাম। অলপ আগতে আঠা লগাই বন্ধ কৰা। আৰু এটা চাপো। ৰৰকাকতিৰ সোঁ হাতৰ আঙঠিটোৰ চাপ। ততাতৈয়াকৈ ইন্‌স্পেক্টৰে সেইখন হাতত লৈ ফালি দীঘলীয়া চিঠি এখন উলিয়ালে।

ইতিমধ্যে কনিষ্টৰল চাৰিজনৰ বাহিৰে অন্যান্য বহুতো মানুহ কোঠাটোৰ দুৱাৰ দলিত উপস্থিত হৈছিল গৈ। হেঁচা মাৰি ধৰা মানুহ বিলাকক তাৰ পৰা আঁতৰিবলৈ ইন্‌স্পেক্টৰে নির্দ্দেশ দিলে। সকলো গ'লত, দুৱাৰ মুখত দুজন পুলিচ থৈ হুকুম দিলে যে ইন্‌স্পেক্টৰৰ অনুমতি নহলে যেন কাকো ভিতৰলৈ আহিবলৈ দিয়া নহয়। সকলোৰে পিনে গম্ভীৰ ভাবে এবাৰ চাই, ইন্‌স্পেক্টৰে চিঠিখন মেলি ক'লে, "এই চিঠিখনেই মোৰ তদন্তৰ প্রথম চাপ। সেইদেখি মই এইখন হস্তগত কৰিবই লাগিব। যদিও এইখন মিচেছ ৰৰকাকতিলৈ লিখা, মই এতিয়া এইখন 'হাতহাড়া' কৰিব নোৱাৰো। ক্ষমা কৰিব মিচেছ ৰৰকাকতি, ইয়াৰ হুবহু এটা নকল কাইলৈকে আপো-নালৈ পঠোৱা হব। এই দুর্ঘটনাৰ বিচাৰ সম্পূর্ণ নোহোৱালৈকে এইখন পুলিচৰ জিম্মাত ৰাখিবই লাগিব।" তাৰ পিছত দীঘলকৈ হুমুনিয়াহ কঢ়াৰ দৰে কৰি ইন্‌স্পেক্টৰে কলে, "কি কৰিব ? আমাৰ কর্ত্তব্যই আমাক অনেক সময়ত ইচ্ছাৰ বিৰুদ্ধেও নিষ্ঠুৰ হবলৈ বাধ্য কৰে।" ইন্‌স্পেক্টৰে প্রজ্ঞান, মিচেছ ৰৰকাকতি আৰু জীয়েক ৮ জনীৰ বাহিৰে সকলোকে কোঠাৰ পৰা আঁতৰাই ডাঙৰ ডাঙৰকৈ চিঠিখন সকলোৱে শুনাকৈ পঢ়িলে :

স্বপ্না, প্রাণাধিকা মোৰ,

মোতকৈ আজি বাৰু কোন বেচি সুখী ? কিমান সুখত আজি মই তোমাৰ পৰা বিদায় লৈছোঁ। আমাৰ বৈবাহিক জীৱনৰ সুদীর্ঘ পচিশ বছৰৰ ভিতৰত, সিদিনা তুমি কেঁচুৱা ছোৱালীৰ দৰে উচুপি উচুপি যেতিয়া মোক জনাইছিলা যে জীৱনত পোন প্রথম বাৰৰ কাৰণে 'প্রেম' বোলা বস্তুটোৰ সন্ধান তুমি পাইছা, জানানে কিমান সুখী হৈছিলোঁ মই ? তাতোকৈও সুখী হৈছিলোঁ, যেতিয়া তুমি একো কথা গোপন নকৰাকৈ, সৰল অন্তঃ

কৰণেৰে জনাইছিলা যে তোমাৰ সেই প্ৰেমে সঁহাৰি দিছিল—সেইজনৰ সংস্পৰ্শলৈ আহি, যিজন ডেকাক ময়ো প্ৰথম দৰ্শনতে ভালপাই পেলাইছিলোঁ। পৃথিবীত ই একো নতুন কথা নহয়। সকলো যুগতে সকলো সময়তে সকলো দেশৰ মানুহৰ মাজতে বিবাহিতা পতি বা বিবাহিতা পত্নীৰ বাহিৰে আনৰ প্ৰতি প্ৰণয়ানুৰক্ত বা প্ৰণয়াৰক্তা হোৱাৰ পটন্তৰ মানৱ জাতিৰ সামাজিক বুৰঞ্জীত অলেখ আছে। তেনে প্ৰেমক গৰিহণা দিব পাৰি তেতিয়া, যেতিয়া সেই প্ৰেমত প্ৰকৃত আন্তৰিকতাৰ পৰিবৰ্ত্তে থাকে কেবল যৌনলিপ্সা বা পতি বা পত্নীৰ ওপৰত প্ৰতিশোধ লোৱাৰ মনোভাব। কিন্তু সেই প্ৰেম যেতিয়া স্বতঃস্ফূৰ্ত্ত হৈ মানৱৰ মন অস্থিৰ কৰি তোলে, আৰু সেই অস্থিৰতাৰ অত্যাচাৰ আৰু সামাজিক বাধা নিষেধৰ মাজত সংঘৰ্ষ উপস্থিত হয়, তেনে অৱস্থাত সমাজৰ একনায়কত্বক ওফৰাই পেলাবৰ কাৰণে যদি কাৰোবাৰ সাহ হয়, সেই সাহসক মই সৎসাহস বুলিয়েই কব খোজো। সেই বিষয়ত তুমি সচাঁকৈয়ে ভাগ্যৱতী। যি পৰিস্থিতিত তোমাৰ আজি এই মানসিক পৰিবৰ্ত্তন ঘটিছে, কোনে জানে যে তেনে পৰিস্থিতিত পৰা হলে মোৰো যে তেনে নহলহেঁতেন? কিন্তু সেইকণ সৌভাগ্য বা দুৰ্ভাগ্যৰ পৰা ঈশ্বৰে মোক বঞ্চিত কৰিলে! মই এতিয়াও ভাবি আছোঁ, মই তোমাকেই ভাল পাওঁ; কিন্তু ভাল পোৱাৰ মোল, সচাঁ কথা ক'বলৈ গলে, মই নেজানো। জনাৰ সৌভাগ্য বোধকৰো মোৰ হোৱা নাই; নহল! প্ৰজ্ঞানক লগ পোৱাৰ আগতে তোমাৰো সেই সৌভাগ্য হোৱা নাছিল। এয়ে প্ৰমাণ কৰে—প্ৰেম এটি আকস্মিক বস্তু! বিবাহেই প্ৰেমৰ স্বাক্ষৰ নহয়; হোৱা হলে, কোনো দেশতে কোনো কালেই বিবাহ-বিচ্ছেদ বা বিচ্ছেদ-নিসিদ্ধ সমাজত দাম্পত্য বৈশম্যই দেখা নিদিলেহেঁতেন।

"মোৰ বোধেৰে ঈশ্বৰৰ তুমি এটি অপূৰ্ব্ব সৃষ্টি। আমাৰ বৈবাহিক জীৱনত কেতিয়াও তুমি অশান্তি সৃষ্টি কৰা নাছিলা। আজি যি কৰিছা সিও তোমাৰ ইচ্ছাকৃত নহয়। তোমাতকৈও শক্তিশালী কিবা এটাৰ প্ৰভাৱত তুমি মোৰ পৰা আঁতৰি যাবলৈ ওলাইছা। আমাৰ বৈবাহিক জীৱনত, ইমান দিনে পুখুৰীৰ পানীয়ে পদুমক আশ্ৰয় দিয়াৰ দৰে মোৰ বুকুত তোমাক মই আশ্ৰয় দিছিলোঁ। আমাৰ ওপৰত কেতিয়াও প্ৰেমৰূপী সূৰুযৰ কিৰণ পৰা নাছিল। মোৰ বুকুত আশ্ৰিতা পদুম তুমি! তোমাৰ প্ৰাণে ইমান দিনে সেই পোহৰৰ কাৰণে অতৰ্কিতে হাবিয়াহ কৰি আহিছিল। এতিয়া সেই সৰুযৰ সন্ধান তুমি পাইছা। পুখুৰীয়ে জানো পদুমক সূৰুযলৈ নেচাৰি বলি বাধা দিব পাৰে? এতিয়া তোমালোক দুয়োৰে প্ৰতিবিম্বকহে মই

মোৰ বুকুত আশ্ৰয় দিছোঁ। মোৰ মাজত তোমালোক থাকিলেও, তোমালোকৰ মাজত অনধিকাৰ প্ৰবেশ কৰাৰ অধিকাৰ মোৰ ক'ত?

"তুমি মোৰ পৰা শাস্তি বিচাৰিছিলা। শাস্তি দিলে শাস্তি পালাহেতেন বুলি কৈছিলা। কিন্তু মই যদি তোমাৰ কাৰ্য্যত একো দোষ নেদেখো, বিনা দোষত কোন সতে বাৰু মই তোমাক শাস্তি দিব পাৰো? যোৱা ছমাহে দিনে নিশাই মই এই কথাটোকেই মনতে গুণি-গাঁঠি আজিলৈকে একো নিৰ্দিষ্ট সিদ্ধান্তলৈ আহিব নোৱাৰিলোঁ। কিন্তু কৰ্ত্তব্য মই কৰিবই লাগিব। মোৰ বিবেচনা মতে কাম কৰিবই লাগিব। সেই কাম অপ্ৰিয় হলেও যে উপায় নাই। ময়ো জানো মানুহ নহওঁ।

"এইখন মোৰ চিঠি নহয়। ই মোৰ অন্তৰৰ জবানবন্দী। সেই হিচাপে দীঘলীয়া হলেও, ইয়াৰ প্ৰতিটো কথাই তুমি মনযোগেৰে পঢ়ি বুজিবলৈ চেষ্টা কৰিবা বুলি আশা কৰিলো। জীৱনত যি নেপালোঁ বা দিব নোৱাৰিলোঁ—মৰাৰ পিছত হয়তো মোৰ আত্মাই তাৰ কাৰণে চেষ্টা কৰিবও পাৰে। কি হ'ব—এতিয়াই যদি ক'ব পাৰিলোহেতেন ইমান দীঘলীয়া চিঠি লিখাৰো আৱশ্যক নিশ্চয় নহলহেতেন।

"কাৰো প্ৰতি মোৰ অন্তৰত কোনো খেদ নাই, আক্ৰোহ নাই। মোৰ পৰা কোনেও তোমাক কাঢ়ি নিব নোৱাৰে। প্ৰজ্ঞানক যদি তুমি ভাল পাইছা,—সেই ভাললোৱা মোৰ প্ৰতি বুলিয়েই ধৰিবা। প্ৰজ্ঞানৰ লগত দৈহিক পাৰ্থক্যৰ বাহিৰে মোৰ কোনো পাৰ্থক্য নাই। সেই দেখি প্ৰজ্ঞানক ভাল পাই তোমাৰ মনত তুমি তৃপ্তি লাভ কৰা বুলি জানিলে, মোতকৈ বোধকৰো কোনো বেচি সুখী হ'ব নোৱাৰিব।

"আকৌ কওঁ, আমনি লাগিলেও এই চিঠিখন, শেহলৈকে পঢ়িবা। নপঢ়িবা জানো? মোৰ ভাবিও ভাল লাগিছে যে তুমি এইখন পঢ়িবা, পঢ়ি সেইমতে কাম কৰিবা, নিশ্চয় কৰিবা। কেঁশৰীৰ কাৰণে কিন্তু মোৰ সচাঁকৈয়ে দুখ লাগিছে। বেচেৰাক কোনে বুজাব বাৰু? সি যদি মোৰ ভাষা বুজিলেহেঁতেন!

"বুজিছা স্বপ্না, সাধাৰণ স্বামীবোৰে ভৰাৰ দৰে, মই কেতিয়াও তোমাক সম্পত্তি জ্ঞান কৰা নাছিলোঁ। সেই কাৰণেই বোধকৰো মোৰ আজি তোমাৰ ওপৰত আক্ৰোহ ওপজা নাই। কিন্তু ময়োতো মানুহ। মই যদি কওঁ মোৰ দুখ লগা নাই, মিছা কোৱা হ'ব। দুখ লাগিছে। কিন্তু সেই দুখ তোমাৰ কাৰ্য্যৰ কাৰণে নহয়, মোৰ অক্ষমতাৰ কাৰণে—মোৰ অযোগ্যতাৰ কাৰণেহে। তোমাতকৈ মই এঘাৰ বছৰৰ ডাঙৰ হলেও, তোমাৰে মোৰে

বয়সৰ ব্যৱধান কুৰি বছৰৰ কম বুলি কোনেও নকৰ। প্ৰকৃতিয়ে তোমাৰ ওচৰত পৰাজয় স্বীকাৰ কৰি, মোৰ ওপৰত আৱশ্যকতকৈও বেচি কঠোৰ হোৱাৰ কাৰণেহে মোৰ দুখ লাগিছে। তোমাৰ স্বাস্থ্য, তোমাৰ সৌন্দৰ্য্য, তোমাৰ লাৱণ্য আৰু? আৰু এটাইকে চেৰ পেলাই তোমাৰ চকুৰে-মুখে ফুটি উঠা নৱ-যৌবনাৰ জ্যোতিলৈ লক্ষ্য কৰিলে—এফালে যেনেকৈ আপোন পাহৰা হৈ যাওঁ, আনফালে আচিত নিজৰ মুখখনলৈ চাই বাৰ্দ্ধক্যই ইতিকিং কৰা দেখিলে সিমানেই সচেতন হৈ পৰো যে—আজি নহলেও কাইলৈ নাইবা পৰহিলৈ হয়তো তোমাক মই হেৰুৱাম। মই ভৱা মতেই কাম হৈছে। এতেকে, ইয়াত খেদ কৰিব লগীয়া কি আছে?"

"তুমি হয়তো ভাবিছা, মই নমৰা হলেও চলিল হেতেন! এই বিষয়ে ময়ো কম চিন্তা কৰা নাই। নেভাবিবা, মই যি কৰিছোঁ, সি মোৰ সাময়িক উন্মাদনা বা ক্ৰোধত অন্ধ হৈ কৰা কাম। এদিন নহয়—দুদিন নহয়—, যোৱা ছমাহে মই এই একেটা চিন্তাকে কৰি, তোমাৰ, মোৰ সকলোৰে মঙ্গলৰ কাৰণে, এনেকৈ মই নাইকিয়া হৈ যোৱাটোকেই উচিত বুলি সিদ্ধান্ত কৰিছে, আজি মোৰ মৰমৰ বন্দুকটোৰে সৈতে মিতিৰালি পাতি মৃত্যু বৰণ কৰিলোঁ। মই আকৌ কওঁ—তোমাৰ ওপৰত মোৰ কোনো আক্ষেপ নাই। ই মোৰ প্ৰকৃত ইচ্ছা মৃত্যু। যোগী বা সাধক হোৱা হলে, হয়তো বন্দুকৰ আৱশ্যক নহলহেঁতেন। সেইদেখি বাৰে বাৰে কওঁ—মোৰ কাৰণে বেজাৰ নকৰিবা। ছমাহৰ আগতে যিদিনা বাতি তুমি তোমাৰ হিয়া উবুৰিয়াই মোক সকলো কথা ভাঙি পাতি কৈ শান্তি বিচাৰিছিলা, সেই বাতিয়েই হয়তো মই এই কামটো কৰিব পাৰিলোহেঁতেন। কিন্তু মোৰ এটা বিশেষ কাম আধৰুৱা হৈ থকাৰ কাৰণে, সেই কামটো শেষ নকৰালৈকে মৰিবৰ মোৰ কোনো অধিকাৰ নাই বুলিহে এই ছমাহ বাট চালো। এই ছমাহৰ ভিতৰত অকল সেই কামটো সম্পূৰ্ণ কৰিয়েই মই এৰা নাই। মোৰ সা-সম্পত্তি য'ত যি আছে সকলো গত লগাই, লিখা-পঢ়া আদি যি য'ত কৰিব লগীয়া আছে সকলো কৰি, তোমাৰ কাৰণে সকলো কথা তেনেই উজু কৰি থৈছোঁ। প্ৰজ্ঞানক উপহাৰ দিম বুলি আমি দুয়ো অলপতে যি ডাঙৰ চুটছেকটো আনি থৈছিলোঁ—তাৰ ভিতৰতে সকলো কাগজ-পত্ৰ বিধে বিধে সুন্দৰকৈ মই জুকিয়াই থৈছোঁ। কিছুমান কাগজ 'গদ্‌ৰেজ' লোহাৰ বাকছটোত পাবা। ছাবিজোটা পঢ়া মেজৰ ড্ৰৱাৰৰ ভিতৰতে আছে। সা-সম্পত্তিৰ বিষয়ে মই চিঠিত লিলিখিলেও সেই কাগজবোৰৰ পৰাই ফট্-ফটিয়াকৈ বুজিব পাৰিবা। তথাপি কেইটিমান কথা লিখাৰ দৰ্কাৰ বুলি ইয়াত উনুকিয়ালোঁ।

"বাকছত হাতে লিখা অৱস্থাত মোৰ ষোল খন কিতাপ পাবা। চপাই প্ৰকাশ কৰাৰ ভাৰ তোমাৰ ওপৰত। খৰছ পাতিৰ সকলো দিহা বাকছ খুলিলেই গম পাবা। যিখন আধৰুৱা পুথি সম্পূৰ্ণ কৰাৰ কাৰণে এই ছমাহ ৰ'বলগায়া হ'ল, সেইখন হৈছে—'কলাময়ী কামৰূপা'। বাৰ খণ্ডত সমাপ্ত। খণ্ড কেইটি হৈছে এই :

প্ৰথম খণ্ড	:	সুৰময়ী অসম
দ্বিতীয় খণ্ড	:	ছন্দময়ী অসম
তৃতীয় খণ্ড	:	ভাৱময়ী অসম
চতুৰ্থ খণ্ড	:	কাব্যময়ী অসম
পঞ্চম খণ্ড	:	কথাময়ী অসম
৬ষ্ঠ খণ্ড	:	নাট্যময়ী অসম
৭ম খণ্ড	:	লাস্যময়ী অসম
৮ম খণ্ড	:	সৌন্দৰ্য্যময়ী অসম
৯ম খণ্ড	:	ধ্যানময়ী অসম
১০ম খণ্ড	:	তীৰ্থময়ী অসম
১১শ খণ্ড	:	ৰত্নময়ী অসম
১২শ খণ্ড	:	বৈচিত্ৰ্যময়ী অসম

"বাৰটা খণ্ডত সমাপ্ত দুহেজাৰ পিঠিৰ এই পথিখন প্ৰকাশ কৰিবা মোৰ প্ৰথম মৃত্যু বাৰ্ষিকী তিথিৰ দিনা। সেয়ে হলে মোৰ আত্মাই সদ্‌গতি লাভ কৰিব। শ্ৰাদ্ধাদি নকৰিলেও মোৰ আত্মাই মুক্তি পাব বুলি মোৰ বিশ্বাস নহলে অন্ততঃ এটি পুত্ৰ সন্তানৰ মুখ দেখাৰ সৌভাগ্য ঈশ্বৰে নিদিয়াকৈ নেথাকিলেহেঁতেন।

"এই পুথিৰ বাহিৰেও আৰু পোন্ধৰখন হাতে লিখা পুথি ছপাবৰ কাৰণে সাজু কৰি ৰখা হৈছে। বাৰখন উপন্যাস, এখন কবিতা পুথি, এখন গীতৰ পুথি আৰু এখন নাটক। মোৰ প্ৰত্যেক মৃত্যু বাৰ্ষিকীতে একোখনকৈ ছপাই প্ৰকাশ কৰিলেই হ'ব। অ', আৰু এটা কথা,—ছখন একাঙ্কিকা নাটকো একেলগে এটা ফাইলত বন্ধি থোৱা আছে। পাৰিলে এটাই কেউখন একেলগ কৰি কিতাপৰ আকাৰেৰে প্ৰকাশ কৰিবা। সেইখন জুকিয়াবলৈ সময় কৰিব নোৱাৰিলোঁ। ইয়াৰ বাহিৰেও অসমীয়া আৰু ইংৰাজীতে লিখা কিছুমান প্ৰৱন্ধ পাতিৰ এটা ডাঙৰ টোপোলা এৰি গ'লো। চাই-

চিতি মন গ'লে প্রকাশ কবিবা। প্রজ্ঞানে তোমাক কামত সহায় কবিব পাবিব।

"দোহাবাব দোষত পবিলেও, তোমাক আকৌ সোঁৱবাই দিওঁ যে, এই কামখিনি যদি নকবা, তেনেহলে যিমান ধুমধামেবেই মোব শ্রাদ্ধ পাতি পিও নিদিয়া লাগে, একো কামত নাহিব।

"এতিয়া জীয়াবীহঁতব বিষয়ে এআষাব কথা কৈ যাওঁ। প্রথম চাবি জনী বিয়া দি উলিয়াই দিয়া হৈছে যেতিয়া, তাইহঁতব তত্ত্বাবধান জোৱাই-হঁতেই ল'ব পাবিব। এতিয়াও বিয়া দিবলৈ বাকী থকা অমেয়া আৰু তাইব আন সাতজনী ভনীয়েকব কাবণে মুঠ চাবিলাখ টকা মই আছুতীয়াকৈ থৈছোঁ। প্রত্যেক জনীব ভাগত পঞ্চাশ হাজাবকৈ পবিব। প্রত্যেক জনীকে বিয়া নিদিয়ালৈকে সেই টকাই যথেষ্ট নহব জানো? তুমি নিজে ভাবি-চিন্তি যি কবা কবিবা।

"মই তোমাক কোৱাই নাছিলোঁ। যোৱা মাহত মই আৰু দুখন বাগিছা কিনিছোঁ। দুয়োখনবে মুঠ আয় বছবী প্রায় চাবে তিনি লাখ টকা। বাগিছা সম্পর্কে যি যি লিখা-পঢ়া কবিব লাগে—মই সকলো ঠিক-ঠাক কবি থৈছোঁ। লাগতীয়াল কাগজ-পত্র চুটকৈচতে পাবা। বাগিছা তোমাব নামত। চলোৱাব কাবণে ভাবিব নেলাগে। মই উচিত দর্ম্মহাত মেনেজাব নিযুক্ত কবি ইতিমধ্যে বাগিছা চলাইছোঁ। তুমি কেবল মাজে সময়ে গৈ পবিদর্শণ কবিবাগৈ। তোমাব নিজব নামত বেঙ্কত যি একলাখ টকা মই সম্পূর্ণ আছুতীয়াকৈ থৈছোঁ, সেই টকা তোমাব বাহিবে কোনেও উলিয়াব নোৱাবে। তুমি নিজেও একে মাহতে পাঁচ শ টকাতকৈ বেচি উলিয়াব নোৱাবিবা। টকা-কড়ি বিষয়ে লাগতিয়াব কাগজ-পত্রবোব গদ্‌বেজব তীখাব পেৰাটোত থৈছোঁ। তাব ছাবিও মোব দ্ৰৱাবতে আছে।

"কামব কথা ইমানতে এবি, আমনি লাগিলেও মোব ব্যক্তিগত দুটা কথা নিতান্ত দর্কাব বুলি কৈ গ'লো।

"মবিবব সময়ত এয়ে মোব একমাত্র দুখ যে জীৱন কালত মই তোমাব কোনো কামত নাহিলোঁ। যোৱা বছব যি ডোখব ঠাইত দেউতাব দেহা সৎকাব কবা হৈছিল, তাব কাষতে মোব দেহাবো ব্যৱস্থা কবিবা বুলি আশা কবিলো। আজিব এই পূর্ণিমাব বাতিটো মই মোব মৃত্যুব কাবণে উপযুক্ত বুলি বাচি লোৱাব মূলতেই হৈছে যে তোমাব ভবিষ্যত জীৱন যাতে আজিব এই ফবিং-ফুটা বাতিটোব দবেই মাদকতা পূর্ণ হৈ উঠে। মই জানো, এনেকুৱা এটা মধুব ৰাতি কোনো প্রণয়ী-প্রণয়িনীয়েই অবাঞ্ছনীয় বুলি ভাবিব নোৱাবে।

"মই দুখীত যে মোব কেঁশবীব কাবণে মই বেলেগে একো থৈ যাব নোৱাবিলোঁ। তাক তোমাকে গটালোঁ। তোমাব নামে থোৱা একলাখ টকাব দহ ভাগব এভাগ অর্থাৎ তুমি মাহে উলিওৱা পাঁচ শ টকাব পবা মাহে পঞ্চাশ টকা মানকৈ তাব কাবণে আছুতীয়াকৈ খবছ কবিলেই চলিব বুলি মই মই ভাবো। পুত্র সন্তানহীন পিতাব সিয়েই আছিল একমাত্র পুত্র! তাক অৱহেলা নকবিবা। মই তাব কাবণে ইমান ভাবিছোঁ; সিও জানো মোব কাবণে মোব মৃত্যুব পিছত ভাবিব পাবিব?

"এতিয়া আইনজ্ঞ আৰু মনস্তত্ত্বজ্ঞ সকলোলৈকো এআষাব কোৱাটো যুগুত হব। নহলে নানা জনব নানা প্রশ্নব উত্তব দিওঁতে, তোমাব অৱস্থাও হয়তো জীৱন্ত-মৃত্যুব দবে হৈ পবিব পাবে! ইমান দীঘলীয়া চিঠি নিজে নিজে মবিব খোজো কোনো অসুস্থ মগজুব মানুহে লিখিব নোৱাবে। তাব পবা বুজিবা, মই যি কবিছোঁ সম্পূর্ণ সুস্থ মগজুবে কবিছোঁ। মই যি কবিছোঁ—সি মোব নিজব শান্তিব কাবণে—মোব মনব তৃপ্তিব কাবণে কবিছোঁ। মোব কার্য্যই তোমাক বা আন কাবোবাক তৃপ্তি দিব পাবিবনে নোৱাবে মই নেজানো। কিন্তু যদি দিয়ে—মই জানিম মোব উদ্দেশ্য সফল হৈছে। জীৱন পথব যাত্রী হিচাপে মই আজি মোব যাত্রা আৰম্ভহে কবিলোঁ। প্রজ্ঞানব 'মোব তীর্থ' কবিতাটো তোমাক পঢ়ি শুনাইছিলোঁ নহয়। শেহব দুশাৰী নিশ্চয় তোমাব মনত আছে:

যাত্রী মই, তীর্থ মোব—মোব হৃদয়ব
ৰাজ্যখনি পাওঁ য'ত সুধা আলোকব।:

"সেই আলোক সুধাব সন্ধানব যাত্রী হিচাপে আজি মই ওলালোঁ। বেদনাবিহীন বিদায়বে নিশ্চয় মোব যাত্রাপথ সুগম কবি তুলিবা। ইতি—

তোমাব শুভাকাংক্ষী—
প্রদীপ বৰকাকতি"

ইনস্পেক্টবে চিঠিখন পঢ়োতে তাত থকা সকলোবে অন্তবত শোকে খুন্দা মাবি ধবিছিল। অমেয়াব ভনীয়েক কেইজনীয়ে চকু পানীবে একো নেদেখা অৱস্থা হ'ল। অমেয়াব বেজাব লাগিলেও, লগতে প্রজ্ঞান আৰু মাকব ওপবত তাইব ইমান খং উঠিছিল যে সেই খণ্ডব তীব্রতাত তাইব চকব

পানী শুকাই গ'ল। ইনস্পেক্টৰে চিঠিখন পঢ়া শেষ হোৱাৰ লগে লগে তাই চিঞৰি উঠিল :

"মিছা কথা, মিছা কথা ইনস্পেক্টৰ ডাঙৰীয়া, এইখন চিঠি নশ্চয় জাল।" তাই প্ৰজ্ঞানৰ পিনে আঙুলি টোৱাই এইবাৰ আৰু জোৰেৰে কলে, "তই, তয়েই মাৰ লগত ষড়যন্ত্ৰ কৰি মোৰ দেউতাক হত্যা কৰিলি। তোৰ হাততেই মই কোঠাত সোমোৱাৰ লগে লগেই বন্দুকটো দেখিছিলোঁ।" ইনস্পেক্টৰ, চাৰ্ ইনস্পেক্টৰ সকলোৱে প্ৰশ্নসূচক দৃষ্টিৰে প্ৰজ্ঞানৰ পিনে চালে। একমাত্ৰ মিচেছ ৰৰকাকতিৰ বাহিৰে সকলোৱেই ভাবিলে, হয়তো কথাটো সঁচা। অমায়াই এইবাৰ মাকৰ পিনে আঙুলিয়াই ক'লে,—ইনস্পেক্টৰ! সেইজনী—সেইজনী মোৰ মা'.....অমায়াই ফোঁপাবলৈ ধৰিলে। এবাৰ দীঘলকৈ উশাহ টানি অতি কষ্টেৰে ক'লে, "কিন্তু মা' বুলি পৰিচয় দিবলৈ মোৰ লাজ লাগে ইনস্পেক্টৰ। তাই....তাই এই পাষণ্ডটোৰ লগত লগ হৈ, মোৰ দেউতাক মন্ত্ৰনা কৰি হত্যা কৰিলে। তেহে তাই এই পাপীষ্ঠটোক বিয়া কৰোৱাত কোনো বাধা নেথাকিব।"

মাকৰ বিৰুদ্ধে অমায়াই কৰা অভিযোগত, অমায়াই নিশ্চয় সেই মুহূৰ্ত্তত কোনো সঙ্কোচ বোধ কৰা নাছিল। কিন্তু অমায়াৰ বাহিৰে সকলোৱেই ইনস্পেক্টৰ, চৰ ইনস্পেক্টৰ আৰু অমায়াৰ ভনীয়েক এটাই কেউজনীয়ে, লাজ আৰু বিৰক্তিত তলমূৰ কৰিবলৈ বাধ্য হৈছিল। তালৈ কিন্তু অমায়াৰ ভ্ৰূক্ষেপ নাই। তাইৰ খং কমক চাৰি দুগুণে বাঢ়িলেহে। তাই বিচাৰিছে যে প্ৰজ্ঞান বা মাকে প্ৰতিবাদ কৰক। তেনে কৰিলেই তাই সকলো কথা আৰু স্পষ্টকৈ জাৰি দিব। তাই আৰু কিবা কৰ খুজিছিল। কিন্তু খঙত তাই চকুৰ আগত একো নেদেখা হ'ল। মূৰ ঘূৰাই তাই পৰি গ'ল। ভাগ্যে ইন্স্পেক্টৰ ওচৰতে আছিল। মাটিত ঢাঁচ কৰে পৰাৰ আগতে খপ কৰে ধৰি পেলালে। চাৰ্ ইন্স্পেক্টৰে গৈ ইন্স্পেক্টৰক সহায় কৰিলে। অমায়া মূৰ্চা গ'ল। কোঠাটোৰ একাষে থকা ডাঙৰ চোফা এখনত তাইক নি ইন্স্পেক্টৰে শুৱাই দিলে। ভনীয়েক কেইজনী আৰু চৰ্ ইন্স্পেক্টৰে অমায়াৰ মূৰত পানী ঢালি বিচি চেতনা আনিবলৈ যত্ন কৰিলে। ইন্স্পেক্টৰে অন্যান্য তদন্ত কৰাত ব্যস্ত হ'ল।

ৰৰকাকতিৰ লাচটো 'পষ্ট-পৰ্টেম'ৰ কাৰণে যেতিয়া হস্পিতেললৈ নিয়া হ'ল, তেতিয়া ৰাতি এঘাৰ বাজিছিল। ইতিমধ্যে মিচেছ চাওলাই খবৰ পাই, পুতেক প্ৰসেঞ্জিৎ আৰু প্ৰকাশক লৈ গাড়ীৰে ৰৰকাকতি ভৱনত উপস্থিত হ'লগৈ। সেই ৰাতি তেওঁ অমায়া আৰু তাইৰ ভনীয়েক কেইজনী,

আৰু বিশেষকৈ মিচেছ ৰৰকাকতিক শান্ত্বনা দিবৰ কাৰণে তাতে থাকিল। প্ৰকাশ আৰু প্ৰসেঞ্জিতক পঠিয়াই দিলে। মিচেছ চাওলাৰ লগত শকুন্তলা আৰু প্ৰতিভাও আহিবলৈ ৰৰকৈ লগ ধৰিছিল। কিন্তু সেই ৰাতিখন, বিশেষকৈ এনে এটি ঘটনা গাভৰু ছোৱালীয়ে দেখা ভাল নহয় বুলি, মিচেছ চাওলাই তাইহঁত এজনীকো আহিবলৈ নিদিলে। শকুন্তলাৰ মাকে ভালকৈ জানে যে জীয়েক বা প্ৰতিভাই আহি একো কৰিবহি নোৱাৰে। মিছাতে ৰৰকাকতিৰ এই বীভৎস ৰূপটো দেখি শিয়ঁৰি উঠিবহি। এনে ধৰণৰ কাণ্ডত, বিশেষকৈ আত্মহত্যা আদিৰ মূলতে প্ৰায় বেচি ভাগ ক্ষেত্ৰতে কোনোবা নহয় কোনোবা তিৰোতা থাকেই। সেই দেখি এনে ধৰণৰ কথাৰ আঁতি-গুৰি লবলৈ আহি তাইহঁতৰ সেউজ মনত কেৰোণ ধৰিবলৈ দিয়াটো মিচেছ চাওলাই পছন্দ নকৰিলে।

প্ৰজ্ঞানৰ লগত পুলিচ ইন্স্পেক্টৰৰ যি কথা বতৰা হ'ল বা ইন্স্পেক্টৰৰ প্ৰশ্নৰ উত্তৰত প্ৰজ্ঞানে যি যি ক'লে, সেয়েই তদন্তৰ প্ৰধান চাপ বুলি ইন্-স্পেক্টৰে ঠাৱঁৰ কৰিলে। ৰৰকাকতিৰ বন্দুকৰ লাইচেন্স আৰু বন্দুকটো পুলিচে 'চিজ' কৰি লৈ গ'ল। কৰ্ত্তব্যৰ অনুৰোধত ইন্পেক্টৰে অনিচ্ছা স্বত্ত্বেও প্ৰজ্ঞানকো থানালৈ নি আকৌ তেতিয়াই তেতিয়াই জামীনত মুকলি কৰি দিলে। বিধিৰ কি বিধান! মিচেছ ৰৰকাকতিয়ে নিজে জামীন হৈ প্ৰজ্ঞানক খালাচ কৰি আনিব লগীয়া হ'ল।

ৰাতিৰ ভিতৰতে এই দুৰ্ঘটনাৰ কথা গোটেই চহৰতে ৰাষ্ট্ৰ হ'ল। পিছ দিনা পুৰা খৰৰৰ কাগজত ৰৰ ৰৰ আখৰৰ শিতানেৰে ওলাল : 'গুৱাহাটী চহৰৰ বিখ্যাত ব্যৱসায়ী আৰু চাহ বাগিছাৰ মালিকৰ চাঞ্চল্যকৰ মৃত্যু।'

সি যিয়েই নহওঁক, ৰাতিপুৱাৰ লগে লগে ৰৰকাকতিৰ শৱ দেহা যথা-বিহিত নিয়মে সৎকাৰৰ অৰ্থে শ্মশানলৈ নিয়া হ'ল। সেই ৰাতিটো মিঃ ৰৰকাকতি বিহীন 'ৰৰকাকতি' পৰিয়ালটোৱে কেনেকৈ কটাইছিল একমাত্ৰ ভুক্তভোগীয়েহে উপলব্ধি কৰিব পাৰিব। কুকুৰৰো যে মানুহৰ দৰে অন্তঃকৰণ থাকিব পাৰে, ৰৰকাকতিৰ অতি মৰমৰ আল্চেচিয়ান কেঁশৰীয়ে সেইদিনা সকলোকে বুজিবলৈ দিলে। পুলিচে যেতিয়া 'ভানত' তুলি ৰৰকাকতিৰ দেহ 'পষ্ট-মৰ্টেমৰ' কাৰণে নিব খুজিলে, কেঁশৰীয়ে বাৰে বাৰে বাধা দিলে। অৱশেষত জোৰ কৰি যেতিয়া 'ভান'ত দেহাটো তোলা হ'ল, সিও জাপ মাৰি 'ভান'ত উঠিল। কুকুৰৰ ৰখীয়া দুটাই শিকলি লগাই

জোৰকৈ নমাই আনিলে। কিন্তু সি আকৌ বাৰে বাৰে ভানৰ ওচৰলৈ সিহঁতক প্ৰায় চোঁচোঁৱাই নিলে। ভানখন যেতিয়া গুচি গ'ল সি য'তে আছিল ত'তে শুই পৰিল। তাৰ স্বচ্ছ চকু যুৰিৰ কাতৰ দৃষ্টিৰে লগুৱা কেইটাৰ পিনে চালে। চকু দুটা তাৰ চল্‌চলীয়া হ'ল। সেই কাতৰ চাৱনি দেখি সেই দেচুৱালী লগুৱা দুটাৰো চকু পানী ওলাল। সিহঁতে তাৰ গাত হাত বুলাই মৰম কৰি তাক আশ্বাস দিবলৈ চেষ্টা কৰিলে। কিন্তু সি মাজে মাজে জিকাৰ খাই উঠা সিহঁতে অনুভৱ কৰিলে। নিশ্চয় তাৰ বুকুত শোকে খুন্দা মাৰি ধৰিছিল। সি উচুপিছিল। প্ৰায় দুয়ো তাক দাঙি নিয়াৰ দৰে বাৰান্দালৈ নিলে। এবাৰ হঠাৎ কিবা মন কৰি শিকলি একৰাই সি ৰৰকাকতিয়ে সদায় লিখা-পঢ়া কৰা দুয়োকাষে দ্ৰৱাৰ থকা ডাঙৰ মেজখনৰ তলত সোমাই শুই পৰিল। কোনেও তাক তাৰ পৰা উলিয়াব নোৱাৰিলে। মিচেছ ৰৰকাকতি নিজেও কেইবা বাৰো গৈ তাক আনিব নোৱাৰিলে। প্ৰজ্ঞানেও চেষ্টা কৰি বিফল হ'ল। প্ৰজ্ঞানৰ মনত পৰি গ'ল—তেওঁৰ মৰমৰ সেই ভূটীয়া কুকুৰ পোৱালী প্ৰাণলৈ। কিমান প্ৰভুভক্ত আছিল সি। কেঁশৰীৰ প্ৰভুভক্তিয়ে প্ৰজ্ঞানক বাৰে বাৰে সেই কথাকেই সোঁৱাৰাই দিলে। কোনে জানে, কেঁশৰীয়ে কি ভাবিছিল; হয়তো সি ভাবিছিল: 'মোৰ নিজৰ প্ৰাণতকৈও যাক মই বেচি ভাল পাইছিলোঁ, মোৰ সেই প্ৰভুকেই যেতিয়া মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিব নোৱাৰিলোঁ, তেনেহলে মই জীয়াই থাকিয়েইবা বা এতিয়া কি কৰিম?'

চাৰি

মোৰা দুই সপ্তাহে মিচেছ ৰৰকাকতিৰ ঘৰত যেতিয়া নানা ধৰণৰ পুলিচ তদন্ত চলি আছিল, সেই সময়ত প্ৰকাশ আৰু প্ৰসেঞ্জিৎ দুয়ো নিতৌ আহি এই পৰিয়ালটোৰ সকলোকে নানান আশ্বাস বাণীৰে শান্ত্বনা দিবলৈ চেষ্টা কৰিছিল। মিচেছ ৰৰকাকতিৰ লগত দিনে-নিশাই লাগি থকা স্বত্ত্বেও, প্ৰজ্ঞানে তেওঁৰ মুখত এই চৈধ্য দিনে এবাৰো হাঁহি বিৰিঙাৰ নোৱাৰিলে। হঠাৎ কি অদ্ভুত পৰিবৰ্ত্তন ঘটি গ'ল এই মানুহ গৰাকীৰ। চকুত চমক লগোৱা বাসন্তিকা জ্যোতিৰ অধিকাৰিণী মিচেছ ৰৰকাকতিৰ মুখত এই চৈধ্য দিনতে দেখা দিলে নিষ্ঠুৰ বাৰ্দ্ধক্যৰ দীপ্তিহীন ৰেখাই! আনফালে অময়াকে আদি কৰি ৰৰকাকতিৰ এটাইকেইজনী জীয়েকৰ অৱস্থাও শোঁচনীয় হ'ল। এতিয়া তাইহঁত য'তে ত'তে জোপোকা মাৰি বহি থাকে। তৃণ-শয্যাত শায়িতা অৰ্দ্ধাহাৰিণী সন্ন্যাসিনীৰ দৰে তেল নিদিয়া আৰু নফণিওৱা আউলি-বাউলি চুলিৰে তাইহঁতৰ মুখ কেইখন শুকাই টেমি যেন হ'ল। মিচেছ চাওলা আৰু জীয়েক শকুন্তলা নিতৌ পুৱা গধুলি আহি, ঠাকুৰ-চাকৰক দিহা দি এই পৰিয়ালটোৰ খোৱা-বোৱাৰ যদি তদাৰক নকৰিলেহেঁতেন, বোধকৰো অনাহৰতেই এটি এটিকৈ সকলোৱে প্ৰাণ যোৱা অৱস্থা হ'লহেঁতেন!

এনেকৈ অপঘাট মৃত্যুত মানুহ কেৱল তেওঁলোকৰ ঘৰতেই মৰা নাই। কিন্তু যি অৱস্থাত, যেনেকুৱা কাৰণত, যেনে পৰিস্থিতিত ৰৰকাকতিৰ মৃত্যু ঘটিছিল সেই মৃত্যুৰ প্ৰত্যক্ষদৰ্শী, এটিও ল'ৰা নথকা, এনে এটি পৰিয়ালৰ অৱস্থা কেনে হব পাৰে, সেইটো হয়তো এনে কোনো ভুক্তভোগী থাকিলেহে হৃদয়ঙ্গম কৰিব পাৰিব। আনৰ এনে বিপদত যুক্তি দৰ্শাই শান্ত্বনা দিয়া যিমান সহজ, নিজৰ বেলিকা আনৰ যুক্তিত পতিয়ন যোৱাটো সিমানেই টান। এনে অৱস্থাত ভুক্তভোগীক কথা কৈ শান্ত্বনা দিয়াতকৈ, যিমানে কম কথাৰে ভুক্তভোগীক প্ৰাণৰ কথা হিয়া উবুৰিয়াই কবলৈ উদ্‌গাই সেই কথা মন-যোগেৰে শুনি মৌন সহানুভূতি বা সমবেদনা জ্ঞাপন কৰিব পাৰি, সিমানেই ভুক্তভোগীৰ কাৰণে মঙ্গল। ওচৰ-চুবুৰীয়াৰ কৰ্ত্তব্য ইয়াতকৈ আৰু কি নেচি হব পাৰে?

মানুহক হয়তো বুজাই বঢ়াই শান্ত্বনা দিব পাৰি, কিন্তু মানুহৰ ভাষা যি মুবুজে, মানুহৰ যুক্তি যাৰ বোধগম্য নহয়, সেই অমাত জন্তুক মানুহে বাৰু কেনেকৈ বুজাব? ৰৰকাকতিৰ আকস্মিক মৃত্যুৰ শোকত জৰ্জৰিত এই

পৰিয়ালটোৰ এটাইৰে সামূহিক শোকক তল পেলাই, ৰৰকাকতিৰ অতি মৰমৰ আল্‌চেচিয়ান কেঁশৰীয়ে মৌন বেদনাৰ যি জলন্ত আদৰ্শ দাঙি ধৰিলে সেয়েই, সকলোকে এফালে অভিভূত আনফালে মৰ্ম্মাহত কৰি তুলিলে। নেখাই-নৰৈ কুকুৰটো ৰৰকাকতিৰ পঢ়া মেজৰ তলতে লেকেট খাই পৰি থাকিল। পৰিয়ালৰ প্ৰত্যেকেই এতিয়া তাৰ দুখত দুখী। প্ৰত্যেকেই ভাল ভাল খোৱা বস্তু নি তাক খুৱাবলৈ ইমান যত্ন কৰিলে, কিন্তু এটাইৰে চেষ্টা বিফল হ'ল। পোহনীয়া কুকুৰে মাজে মাজে একাদশী কৰি উপবাসে থকা কথা কুকুৰ পোহা সকলে ভালকৈ জানে। কিন্তু এনেকৈ দিনে নিশাই একো নোখোৱাকৈ পৰি থকা কথাটোৱে ঘৰখনৰ সকলোকে চিন্তান্বিত কৰি তুলিলে। ৰৰকাকতিয়ে লিখি থৈ যোৱা চিঠিত কেঁশৰীক অৱহেলা নকৰিবলৈ ৰৰ-কাকতিনীক দঢ়াই দঢ়াই কৈছে। সেই কথা আখৰে আখৰে পালন কৰিও পতি-শোকাকুলা ৰৰকাকতিনীয়ে এই অমাত প্ৰাণীটোৰ ওচৰত হাৰ মানিব লগীয়া হ'ল। মাজে মাজে কোঁ-কোঁকৈ সামান্য শব্দ কৰি সি হয়তো জানাইছিল : 'তোমালোকে মোৰ কাৰণে ইমানকৈ ভাবিছা কিয়? প্ৰভুৰ দৰে ময়ো ইচ্ছামৃত্যু ৰৰণ কৰিছোঁ। 'জীৱন পথৰ যাত্ৰী' প্ৰভুৱে তেওঁৰ যাত্ৰা আৰম্ভ কৰিলে। ময়ো জানো তেওঁক অনুসৰণ কৰা উচিত নহব।'

প্ৰায় দহ দিন মানলৈকে কেঁশৰীয়ে দিনটোৰ ভিতৰত এবাৰ বা দুবাৰ ক্ষন্তেকৰ কাৰণে অতি কষ্টেৰে বাহিৰলৈ গৈছিল, প্ৰকৃতিৰ দৈনন্দিন আজ্ঞা পালন কৰিবলৈহে! কিন্তু এঘাৰ দিনাখনৰ পৰা সি আৰু উঠিব নোৱাৰা হ'ল। মেজখনৰ তলতে চেপেটা হৈ পৰি থাকিল। এতিয়া কেঁশৰীক দেখিলে অনুমান হয়, যেন এটা জকাঁহে! হাৰে চালে এনেকৈ আৰু পাঁচ দিন লেকেট খাই পৰি থকাৰ পিছত, ৰৰকাকতিৰ মৃত্যুৰ পোন্ধৰ দিনাখনৰ দিনা পুৱা শুই উঠি কেঁশৰীক মাতিবলৈ গৈ সকলোৱে দেখিলে—কেঁশৰী আৰু নাই! ৰাতিয়েই কেঁশৰীৰ মৃত্যু ঘটিছে। প্ৰভুভক্তি আৰু প্ৰভুৰ প্ৰতি থকা অকপট মৰমৰ চানেকি থৈ কেঁশৰীয়ে তাৰ প্ৰভুক সঁচাকৈয়ে অনুসৰণ কৰিলে! এনে পটন্তৰ জগতত দ্বিতীয় এটা আছে নে নাই কোনেও ক'ব নোৱাৰে, কিন্তু কেঁশৰীয়ে দেখুৱাই গ'ল কুকুৰেও মানুহৰ দৰে স্বইচ্ছাৰে অনশন কৰি নিজক এনেকৈ দুখৰ সাগৰৰ পৰা মুক্তি দিব পাৰে!

ৰৰকাকতিক দাহ কৰা ঠাইৰ কাষতে কেঁশৰীকো পুতি থোৱা হ'ল। সেই ঠাই ডোখৰৰ ওপৰত ইটাৰে সৰু স্তূপ এটি মিচেছ ৰৰকাকতিয়ে সজাই দিয়ালে। স্তূপৰ গাত লিখা থকা এই কেই আষাৰি কথা (এপিতাফ্) সক-লোৰে চকুত পৰিল : 'প্ৰেমৰ প্ৰতিমূৰ্ত্তি—প্ৰভুভক্তিৰ জলন্ত নিদৰ্শন—কেঁশৰী

ইয়াতেই শুই আছে।'

আধ্যাত্মিক আৰু নৈতিক স্তৰৰ পৰা নামি আহি বস্তু জগতৰ ওলাৰ নোৱাৰা মেৰপাকত সোমাই পৰা এখন জগতত, মানুহৰ প্ৰতি মানুহৰ প্ৰেমৰ মূল্যই বা কিমান? এনে স্থলত মানুহৰ প্ৰতি এটা অমাত জন্তুৰ প্ৰেমানুভূতি থকা বুলি কোনেৱে ক'লে, হাঁহিয়াতৰ পাত্ৰ হোৱাৰ বাহিৰে আৰু কি উপায় আছে? সেইহেন এখন জগততো যদি এনে ঘটনা ঘটে, প্ৰকৃতিয়েই বিৰূপ হৈ গৈছে বুলি প্ৰকৃতিক শোধন কৰাত মানুহ লাগি গলে, আচৰিত হব-লগীয়া কি আছে? মানুহ যেন আজি স্বয়ম্ভু কিবা এটাহে! প্ৰকৃতিৰে খাপ খুৱাই চলিবলৈ য'তে য'তে অপৰাগ, ত'তে ত'তে প্ৰকৃতিৰ লগত মানুহৰ সংগ্ৰাম! সেই সংগ্ৰামৰ শেষ ক'ত? কোনে কব? প্ৰকৃতিৰ লগত আপোচ নোহোৱালৈকে হয়তো সেই সংগ্ৰাম চলিয়েই থাকিব। পৃথিবীৰ আধা ভাগ মানুহৰ মনোভাব মানবীয়, আৰু বাকী আধা ভাগৰ মনোভাব কেঁশৰীৰ দৰে হ'লে, হয়তো 'ধৰ্ম্ম' আৰু 'ধৰ্ম্মাৰতাৰ'ৰ মহা মিলন ক্ষেত্ৰ ৰূপে পৃথিবী একে দিনাই স্বৰ্গৰ দুৱাৰ দলিত ঠিয় হ'বগৈ। কেঁশৰীৰ মৃত্যুৰ পিছত এনে ধৰণৰ ভাব বোৰেই প্ৰজ্ঞানক জুমুৰি দি ধৰিলেহি। প্ৰজ্ঞানৰ জীৱনত এক বিৰাট পৰিবৰ্ত্তন আহিল। ৰাতিৰ ভিতৰতেই প্ৰজ্ঞান এজন সৰ্ব্বদৰ্শী দাৰ্শনিকলৈ ৰূপান্তৰিত হৈ যোৱা যেন প্ৰজ্ঞানে নিজে নিজে অনুভৱ কৰিলে।

অময়াইঁতৰ ঘৰখনৰ কোনেও প্ৰজ্ঞানক এতিয়া উভতি নেচায়। প্ৰজ্ঞানৰ উপস্থিতি অময়া আৰু তাইৰ বাকী সাতজনী ভনীয়েকে সহ্য কৰিব নোৱাৰা হ'ল। মিচেছ ৰৰকাকতিও হৈ গ'ল নিৰ্ব্বিকাৰ। অথচ কৰ্ত্তব্যৰ খাতিৰত প্ৰজ্ঞান তাতে থাকিবলৈ বাধ্য হ'ল। প্ৰকাশ্যে প্ৰজ্ঞানক কোনেও একো নকলেও, প্ৰজ্ঞানে অন্তৰেৰে সৈতে এই পৰিস্থিতিটো হৃদয়ঙ্গম কৰিব পাৰিছিল। ডাগী বা খুনী এটাৰ চাই পঠিয়ালে মানুহৰ চকুৰে মুখে যেনেকৈ ঘৃণাৰ ভাব এটা স্পষ্ট হৈ উঠে, প্ৰজ্ঞানৰ চকুৱে চকুৱে পৰিলেও, অময়া আৰু তাইৰ ভনীয়েক কেইজনীয়ে তেনেকৈ তাইহঁতৰ মুখ ঘুৰাই আনে। সেই একেটা দৃষ্টিৰ সম্ভাষণ মাকেও জীয়েকহঁতৰ পৰা দিনে নিশাই পাৰৰৈ ধৰিলে! প্ৰজ্ঞান আৰু মিচেছ ৰৰকাকতিৰ মাজতো কথা-বাৰ্ত্তা একপ্ৰকাৰ বন্ধ হৈ গ'ল। কি বেদনা দায়ক সেই পৰিস্থিতি! তেনে পৰিস্থিতিত নপৰা কোনে বাৰু সেইটো অনুভৱ কৰিব পাৰিব?

শকুন্তলাৰ মাক আৰু শকুন্তলা সদায় পুৱা-গধুলি আহি নথকা হ'লে যে কি হলহেঁতেন! প্ৰজ্ঞানৰ অৱস্থা দেখি শকুন্তলাৰ অন্তৰখন পমি গ'ল।

তাই হয়তো আজি প্রজ্ঞানৰ ভালপোৱাৰ পৰা বঞ্চিত হব লগীয়া হৈছে। মিচেছ বৰকাকতিয়েই হয়তো তাৰ কাৰণ। হয়তো প্রজ্ঞানৰ দুৰ্ব্বলতা। কিন্তু সেই বুলিয়েইনো এতিয়া তাই প্রজ্ঞানক 'কটা ঘাত চেঙা তেল' দিব লাগিব নে? নাই, নাই, তাই কেতিয়াও তেনে কৰিব নোৱাৰে। ইমান হৃদয়হীনা কৰি ঈশ্বৰে তাইক জন্ম দিয়া নাই। তাই জানো নাৰী নহয়? নাৰী অন্তঃকৰণৰ কল্পনাতীত হলাহলৰ লগতে কল্পনাতীত অমৃতৰ ভাণ্ডাৰো জানো ভগবানে নাৰীক দান কৰা নাই? সেই অমৃত ভাণ্ডাৰৰ এখুদ মানো জানো প্রজ্ঞানে তাইৰ পৰা আশা কৰিব নোৱাৰে?

প্রজ্ঞানক দেখিলেই তাইৰ চকুৰ পানী ওলোৱা হ'ল। নিজৰ কষ্টৰ কথা গোপন কৰি, হাঁহি মুখে তাই প্রজ্ঞানক প্রবোধ দিয়েগৈ। ডাঁৰৰে আৰৰা আঁউসীৰ ঘোৰ অন্ধকাৰৰ মাজতো প্রজ্ঞানে যেন দেখা পায়—এটি মাথোন তৰা, এটি....মাত্র এটি....। প্রজ্ঞান অভিভূত হৈ যায়। প্রজ্ঞানে বিচাৰি পায় আশাৰ এটি ক্ষীণ ৰেখা। প্রজ্ঞানৰ অন্তৰখন নাচি উঠে। প্রজ্ঞানৰ ঢাক খাই যাব খোজা আত্মাই যেন সঁহাৰি দিয়েহি। বিনা প্রতিবাদে প্রজ্ঞানে শকুন্তলাৰ সকলো নির্দ্দেশ পালন কৰে। মনৰ গধুৰ বোজা এটাই খিনিৰ ভাৰ প্রজ্ঞানে শকুন্তলাৰ ওচৰত মনে মনে নিবেদন কৰি ধন্য হয়। প্রজ্ঞানৰ দুখৰ সাগৰত শকুন্তলাইযে এতিয়া একমাত্র তৃণাশ্রয়।

স্থূলতম আৰু সূক্ষ্মতম স্তৰত কাম কৰা মানৱ মনৰ স্থিতিস্থাপকতাৰ পৰিসৰ যাৰ যিমান বেচি সি সিমানেই ভাগ্যবান। সূক্ষ্মস্তৰাৰোহী মনে সকলে সংঘাত সকলো বিপর্য্যয় হেলাৰে নেওচি, অকণমানি গুটি এটাই বট বৃক্ষৰ সম্পূর্ণ শক্তি নিজৰ মাজত লুকাই ৰাখি আত্মগোপন কৰাৰ দৰে, চিৰ দিনেই আত্মগোপন কৰাৰ ক্ষমতা অর্জন কৰি আহিছে। পৃথিবীৰ এনে কোনো আঘাত নাই—যি আঘাত এনে মনে সহ্য কৰিব নোৱাৰে। অন্তৰত দাৰুণ আঘাত লৈ কেনেকৈ মানুহে জীয়াই থাকে ভাবিলে আচৰিত হ'ব লাগে। আনহাতে আচৰিত হ'ব লাগে, সামান্য আঘাতকে সহ্য কৰিব নোৱাৰি মানুহেই কেনেকৈ অকালতে আত্মঘাতী হয়; বা ভঙা মন লৈ বলিয়া বা চেৰা-বলিয়াৰ দৰে জীৱন যাপন কৰে।

প্রত্যক্ষভাৱে প্রত্যাখ্যান নকৰিলেও পৰোক্ষভাৱে পৰিত্যাগৰ মনোভাৱ লৈ, প্রজ্ঞান যেতিয়া শকুন্তলাৰ পৰা ফালৰি কাটি গৈছিল, প্রজ্ঞানৰ লগত পুনৰ অন্তৰৰ বিনিময় হোৱাৰ কথা শকুন্তলাই কল্পনাও কৰা নাছিল। কিন্তু কল্পনাৰো অতীত অৱচেতন মনৰ ওপৰততো মানুহৰ দখল নাই। থাকিলেই

হেঁতেন যদি, প্রজ্ঞানৰ স্মৃতিৰ ভূতটোৱে শকুন্তলাৰ পিছ তেতিয়াও এৰা নাছিল কিয়? আনহাতে প্রজ্ঞানেও শকুন্তলাক সম্পূর্ণ ৰূপে পাহৰি যোৱা নাছিল কিয়?

সি যিয়েই নহওঁক, শকুন্তলাৰ মানত প্রজ্ঞান এতিয়া কেৱল প্রজ্ঞানেই নহয়; প্রজ্ঞান তাইৰ অন্তৰৰ অৰূপ-দেৱতাৰ স্তুতিৰ ধ্যান। অৰূপৰ মাজ-তেই প্রজ্ঞানক আজি তাই বিচাৰিছে, ৰূপত নহয়। প্রণয়ৰ ৰূপান্তৰৰ সূক্ষ্মতম ৰূপ ইয়াতকৈ আৰু কি হব পাৰে? প্রজ্ঞানে হয়তো সেই কথা নেজানে। কিন্তু শকুন্তলাইয়ো জানো জানিছিল—তাইৰ বর্ত্তমানৰ এই মনোভাৱৰ মূলতেই যে আছিল শূণ্য এখন হৃদয়, যি শূণ্যতা তাইৰ অৰূপ দেৱতাই স্বৰূপ ধৰি যি কোনো মুহূর্ত্ততে পূর্ণ কৰাটোকেইযে তাইৰ অৱচেতন মনে দিনে নিশাই কামনা কৰি আহিছিল?

পাঁচ

"মই আৰু নেবাচোঁ প্ৰজ্ঞান, মোৰ স্বামীৰ মৃত্যুৰেই মোৰো মৃত্যুৰ কাৰণ হ'ল।" দীঘল হুমুনিয়াহ এটা কাঢ়ি মিচেছ বৰকাকতিয়ে প্ৰজ্ঞানলৈ চালে।

"সৰ্ব্বশ্ৰেষ্ঠ-নিৰাময়ী ঔষধ, সময়—সেই সময়েই সকলো সামৰি লব।" শান্ত্বনাৰ সুৰত প্ৰজ্ঞানে কয়।

"সামৰি লব? এৰা, সামৰি লৈছেই!" ম্লান হাঁহিৰে মিচেছ বৰকাকতিয়ে প্ৰজ্ঞানৰ কথাৰ প্ৰত্যুত্তৰত কয়, "বুজিছা প্ৰজ্ঞান, সময়েই জানো বাৰ্দ্ধক্যৰ চাপো মোৰ মুখত আজি আঁকি দিয়া নাই? কিয়? কিয় আজি এমাহ হওঁতেই নো, মোৰ শাৰিৰীক-মানসিক উভয় ক্ষেত্ৰতেই ইমান পৰিবৰ্ত্তন? এই পৰিবৰ্ত্তন বাঞ্ছনীয় হয়নে নহয় মই ক'ব নোৱাৰো, কিন্তু মই বেচকৈ জানো যে ময়েই মোৰ স্বামীৰ মৃত্যুৰ একমাত্ৰ কাৰণ।"

"কাৰ মৃত্যু কেনেকৈ আহে—কোনেও ক'ব নোৱাৰে।" প্ৰজ্ঞানে দাৰ্শনিকৰ দৰে কয়, "বৰকাকতিয়ে নিজ ইচ্ছাৰেই মৃত্যু বৰণ কৰিছে। তেওঁৰ মৃত্যু হয়তো তেনেকৈয়েই হ'ব লগীয়া আছিল".....

"যেনেকৈয়ে হ'ব লগীয়া নেথাকক, মোৰ স্বামীৰ জীৱন নাটকৰ সামৰণিত ময়েইযে মূখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব, সেই কথা মোৰ সপোনৰো অগোচৰ আছিল। সময় হলে, কাল-যবনিকাৰ বুকুত সকলোৱেই এদিন লয় হ'ব; কিন্তু কাৰোবাৰ জীৱনৰ অকাল-যৱনিকাত কোনোৱে যদি পৰোক্ষভাবে হলেও ঘাতকৰ অংশ ল'ব লগীয়া হয়, তেনেহলে ইয়াক দুৰ্ভাগ্য নুবুলি আৰু কি বুলিব পাৰি?" মিচেছ বৰকাকতিক শোকে খুন্দা মাৰি ধৰিলে। কেঁচুৱা ছোৱালীৰ দৰে তেওঁ ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে। গাৰ কাপোৰৰ লোচটোৰে চকুপানী ম'চি লই আকৌ কৈ গ'ল, "শুনা প্ৰজ্ঞান, মইতো তোমাক ভাল পাওঁ বুলি ভালপোৱা নাছিলোঁ। মোৰ স্বামীৰ প্ৰতি অবজ্ঞা বা তেওঁৰ প্ৰতি অসন্তুষ্ট বা তেওঁৰ লগত জীৱন যাপন কৰি তেওঁৰ ব্যৱহাৰ বা আন কোনো কাৰণত তেওঁৰ প্ৰতি মোৰ ঘৃণা ভাব ওপজাৰ কাৰণেতো মই তোমাক ভালপোৱা নাছিলোঁ। কোনো কালেই তেওঁক মই বেয়া পাব পৰা নাছিলোঁ। তেনে বেয়া পোৱাৰ কোনো সুযোগ তেওঁ মোক দিয়া নাছিল। অথচ,, অথচ, মই তেওঁক তোমাক ভালপোৱাৰ দৰে ভাল পাব পৰা নাছিলোঁ। তোমাক লগ পোৱাৰ আগতে 'ভালপোৱা' কাক বোলে মই জানিলেও উপলব্ধি কৰিব পৰা নাছিলোঁ।

মোৰ অন্তৰত সেই ভালপোৱা নিশ্চয় সুপ্ত হৈ আছিল; নহলে তোমাৰ প্ৰথম দৰ্শনতে মোৰ অন্তৰৰ সেই ভালপোৱাই কেনেকৈ আপোনা আপুনি সহাঁৰি দি, মোৰ অস্তিত্বকেই তোমাত অৰ্পণ কৰি দিবলৈ মোক প্ৰেৰণা যোগাইছিল? ই জানো মানৱ জীৱনৰ এটা বহস্য নহয়?....কোৱা, কোৱা কোৱা প্ৰজ্ঞান, মই এতিয়া কি কৰো?" বৰকাকতিনীয়ে আকৌ উচুপিবলৈ ধৰিলে।

প্ৰজ্ঞানে কি ক'ব নক'ব একো উৱাদিহ নেপাই মনে মনে থাকিল। তেওঁ উপলব্ধি কৰিলে যে মিচেছ বৰকাকতিয়ে যি কৈছে সি সম্পূৰ্ণ সঁচা। ইমান দিনে পৰাজয় স্বীকাৰ কৰি অহা বাৰ্দ্ধক্যৰ লক্ষণবোৰ পৰিস্ফুট হৈ উঠাটোৰেই যদি মৃত্যুৰ অগ্ৰদূত হয়, তেনেহলে তেওঁ সঁচাকৈয়ে মৃত্যুৰ মুখলৈ ক্ষিপ্ৰতাৰে আগবাঢ়ি গৈছে। প্ৰজ্ঞানৰ ভাবি ভয় লাগে, মাত্ৰ এমাহ আগতে বয়সতকৈ পোন্ধৰ বছৰ সৰু যেন দেখা বৰকাকতিনীৰ বয়স আজি এই কম সময়ৰ ভিতৰতে কেনেকৈ দহ বছৰ বাঢ়ি যোৱা যেন হ'ল! এই ধৰণেই যদি বাৰ্দ্ধক্যই গতি কৰে, তেনেহলে বৰ বেচি আৰু এমাহৰ পিছতেই দুকুৰি এক বছৰীয়া বৰকাকতিনীক দুকুৰী এবছৰীয়া আদহীয়া মহিলা যেনেই বোধকৰো লাগিবগৈ! সময় মহৌষধি মিচেছ বৰকাকতিৰ কাৰণে হৈ পৰিছে এতিয়া সময় হলাহল! প্ৰজ্ঞানৰ আগত বাৰে বাৰে তাকে কৈ, বৰকাকতিনীয়ে আত্মশুদ্ধিৰ কাৰণে চেষ্টা কৰিছে। নৱযৌৱন-ৰূপ-সম্পন্না নাৰী বৰকাকতিনীৰ মনত আত্মশ্লাঘী কিবা মনোভাব আছিল যদিও, সেই ভাব ৰূপান্তৰিত হৈ আত্মনিন্দা মনোভাবত পৰিণত হ'ল! হয়তো এই আত্মনিন্দাও পুনৰ ৰূপান্তৰিত হৈ আন কিবা এটা হ'বগৈ। কিন্তু বিয়েই নহওঁক, তেওঁৰ স্বামী বিয়োগৰ কাৰণে তেৱেই যে পৰোক্ষভাবে জগৰীয়া, এই ভাবটো ভবিষ্যতলৈকো তেওঁৰ মনৰ পৰা কোনেও আঁতৰাব নোৱাৰিব। তাৰ পূৰ্ব্বাভাস প্ৰজ্ঞানে আজি ফট্‌ফটিয়াকৈ বুজিব পাৰিলে।

চাওঁতেই ছমাহ কাটি গ'ল। দুখৰ বাতি হেজাৰে নুপুৰায় বুলি দুখীজনে অনুভৱ নকৰক, সময়ে কালৈকো ৰৈ নেথাকে। সময়ৰ সোঁততে ৰৈ যোৱা দুখৰ ডকা-চাকনৈয়াবোৰো সময়ৰ গৰ্ভত লীন হৈ যায়।

ভাৰতীয় হিন্দুনাৰী বৰকাকতিনী আজি বিধবা। বৈধব্য যন্ত্ৰনাৰ প্ৰথম ছাটি-ফুটিত বৰকাকতিনী আজি মৰ্ম্মাহত। কোনে জানে, অদূৰ ভবিষ্যততে বৰকাকতিনীৰ ভাগ্যত আৰু কি লিখা আছে?

বৰকাকতিৰ মৃত্যুৰ আগৰ ছমাহত বৰকাকতিনীৰ ক্ৰমবৰ্দ্ধমান দৈহিক আৰু মানসিক উজ্জ্বলতাত আকৃষ্ট হোৱাৰ লগতে যি সকলে নানা ধৰণৰ

কুৎসা-বটনাত ব্যস্ত হৈ এই গৰাকী অসাধাৰণ ব্যক্তিত্ব সম্পন্না নাৰীক সমাজত হেয় প্ৰতিপন্ন কৰিবলৈ উঠিপৰি লাগিছিল, সেই সকলেই এতিয়া তেওঁৰ স্বামীৰ অকাল মৃত্যুৰ এই ছমাহৰ পিছত তেওঁৰ পুতৌ লগা অৱস্থা-টোলৈ চাই সহানুভূতিত উপচি পৰা যেন দেখা গ'ল। বহুতেই আজি তেওঁক শান্ত্বনা দিলেহি। জীৱন বহস্যৰ আৰু এটা ফাল ৰৰকাকতিনীয়ে উপলব্ধি কৰিবলৈ আজি সুযোগ পালে। এফালে মৃত স্বামীৰ প্ৰতি তেওঁৰ কৰ্ত্তব্য-বোধ আৰু আনফালে প্ৰজ্ঞানৰ প্ৰতি অনুৰক্ততা—এই দুয়োৰে টনা-আজোৰাৰ মাজত জৰ্জৰিতা ৰৰকাকতিনীৰ মনৰ মাজত উৎপন্ন হোৱা ঘূৰ্ণী-বায়ুৰে তেওঁৰ মানসিক দিগ্বলয়ৰ আকাশ ধূম্ৰাচ্ছন্ন কৰি পেলালে। কেউফালে তেওঁ অন্ধকাৰ দেখিলে। খোৱা-শোৱা একোৰেই তেওঁৰ থান্থিত নোহোৱা হ'ল। তেওঁৰ স্বাস্থ্য ভাঙি পৰিল। বিতৃষ্ণাৰে উপচি পৰিল তেওঁৰ অন্তৰ। সকলোৰে পৰা পৰিত্ৰাণ পাবৰ কাৰণে চঞ্চল হৈ উঠিল তেওঁৰ মন। ইচ্ছা হ'ল স্বামীৰ দৰেই জীৱন পাত কৰি, নিজৰ ওপৰত প্ৰতিশোধ ল'ব। হয়তো সেয়েই হ'লহেঁতেন, কিন্তু অময়া আৰু তাইৰ সাতোজনী ভনীয়েকৰ বাহিৰেও, ঘৰখনৰ চাকৰ-বাকৰ আৰু অন্যান্য লগা-ভগা সকলোৰে দৃষ্টি এৰুৱাই সেইটো কৰা সম্ভৱ হৈ নুঠিল। তেনে কিবা এটা আশংকা কৰিয়েই মিচেছ চাওলাই ৰৰকাকতিনীয়ে নজনাকৈ সকলোকে ভালকৈ বুজাই দিছিল যে মিচেছ ৰৰকাকতিক যেন কেতিয়াও দৃষ্টিৰ সম্পূৰ্ণ আঁতৰ হবলৈ কোনো প্ৰকাৰৰ সুযোগ দিয়া নহয়। যি জনী জীয়েক অময়াই দেউতাকৰ মৃত্যুৰ সময়লৈকে মাকক দুই চকুৰে দেখিব নোৱাৰা হৈ পৰিছিল, সেই জনী অময়াই এতিয়া ছাঁৰ দৰে মাকৰ লগে লগে থাকি, মাকৰ মনত সন্তোষ দিবলৈ অশেষ চেষ্টা কৰিলে। অময়াই ভাবিছিল যে এনেকৈ মাক আৰু সৰহ দিন জীয়াই থাকিব নোৱাৰিব। দেউতাকৰ মৃত্যুৰ আগৰ মাক আৰু মৃত্যুৰ পিছৰ মাক যেন দুগৰাকী সম্পূৰ্ণ বেলেগ তিৰোতা। মাকৰ বৰ্ত্তমানৰ আচৰণ অময়াৰ মনত সপোন যেন লাগিল। অময়াৰ মনত আশাৰ সঞ্চাৰ হ'ল। ভাবিলে, যি প্ৰজ্ঞানক তাইৰ পৰা মাকে কাঢ়ি নিব খুজিছিল, সেই প্ৰজ্ঞানক হয়তো তাই লাভ কৰিব পাৰিব! এনে এটা ভাব মনত পোষণ কৰিয়েই, তাই দুগুণ উৎসাহেৰে মাকৰ শুশ্ৰূষাত নিজকে ব্যস্ত ৰাখিলে। প্ৰতিদ্বন্দ্বিনী অময়া মাকৰ অনুগামিনী হোৱাৰ দৰে হৈ পৰিল!

মিচেছ ৰৰকাকতিৰ মনৰ আৱস্থা কেনে তেওঁ নিজেই অনুমান কৰিব নোৱাৰিলে। প্ৰতি মুহূৰ্ত্ততে তেওঁ যেন এতিয়া মৃত্যুকেহে কামনা কৰি থৈ আছে। তেওঁৰ মনৰ আনন্দ ফিৰাই আনিবলৈ, শকুন্তলাৰ মাক মিচেছ

চাওলাই যৎপৰোনাস্তি চেষ্টা কৰিছে, কিন্তু একোৰেই তেওঁক শান্ত্বনা দিব পৰা নাই।

এদিন ৰাতিপুৱা ৰৰকাকতিনীৰ মুখৰ পিনে চাই প্ৰজ্ঞান শিয়ঁৰি উঠিল। এয়া সঁচাকৈয়ে মিচেছ ৰৰকাকতি নে? ইমান ক্ষীণাই গৈছে মানুহ গৰাকী! পৃথিবীত একমাত্ৰ তেৱেঁইতো নিজৰ স্বামীক হেৰুৱাই বৈধব্য গ্ৰহণ কৰিব লগীয়া হোৱা নাই। তেওঁৰ দৰে একে অৱস্থাত হয়তো কতৰ স্বামী বিয়োগ ঘটিছে। এটায়েই জানো মিচেছ ৰৰকাকতিৰ দৰে নিজকে ইমান দুৰ্ভগীয়া বুলি ভাবিছে? কেবল বৈধব্যই নিশ্চয় ৰৰকাকতিনীক ইমান কাহিল কৰিব নোৱাৰিলেহেঁতেন। এগৰাকী ভদ্ৰ মহিলাৰ জীৱনত হঠাৎ এনে এটা দুৰ্ঘটনা উপস্থিত হ'লে হয়তো বেচি ভাগৰেই ৰৰকাকতিনীৰ দৰে অৱস্থা শোচনীয় হ'ব। কিন্তু ৰৰকাকতিনীয়েইতো একমাত্ৰ তেনে দুৰ্ভাগীয়া নাৰী নহয়! প্ৰজ্ঞানে ভাবে।

প্ৰজ্ঞানক দেখা পাই ওচৰলৈ মাতি নি তেওঁ লাহেকৈ সুধিলে: "প্ৰজ্ঞান কোৱাচোন বাৰু, এজনী মৰিবলৈ ওলোৱা মানুহক তুমি জানো এতিয়াও ভাল পোৱা উচিত?" কথাষাৰ সোধাৰ লগে লগে ৰৰকাকতিনীৰ দুই চকুৰেদি সৰ্ সৰ্ কৰে চকুলো ওলাই দুই গালেদি বাগৰি গ'ল। চকুপানী মোহাৰি চাৰিউকাষে কজলা ডাগ পৰা প্ৰায় কোট-বাগত অথচ উজ্জ্বল চকুযুৰি মেলি প্ৰজ্ঞানলৈ তেওঁ অপলকে চাই ৰ'ল। শুৱনগা পৰিধানেৰে আবৃত সম্পূৰ্ণ অলঙ্কাৰহীন আৰু সেঁন্দুৰহীন কপালেৰে শীৰ্ণ দেহৰ অধিকাৰিণী ৰৰকাকতিনীক দেখিলে নিষ্ঠুৰৰ প্ৰাণতো এতিয়া স্বাভাৱিকতে পুতৌ নজন্মি নোৱাৰে।

বিধবাৰ পাপনো ইমানেই বেচি নে যে হিন্দু সমাজৰ পুৰুষ-বচিত বিধিত এনে ধৰণৰ উকা পোচাক পিন্ধাইহে হিন্দু বিধবা নাৰীসকলক ক্ষুদ্ৰ সাধন কৰিবলৈ পুৰুষসকলে বাধ্য কৰিছিল? যি বয়সৰে নহওক, উচ্চ বৰ্ণ হিন্দু বিধবা একৰাকীক দেখিলে চকুৰ আগত ভাঁহি উঠে: দুখ আৰু নিৰ্য্যাতনৰ প্ৰতিমূৰ্ত্তি স্বৰূপিনী—জীৱন্ত মৃত্যুৰ এটি ভাস্কৰ্য্য! উদ্দেশ্য যিয়েই নহওঁক পুৰুষৰ স্বাৰ্থপৰতাক যুগে যুগে নিৰ্য্যাতিতা আৰু অৱহেলিতা হৈ অহা বাল-বিধবাসকলৰ সমবেত আত্মাই কিন্তু কেতিয়াও ক্ষমা নকৰে! এফালে জ্ঞানৰ চৰম আৰু আনফালে অজ্ঞতাৰ অন্ধকূপত সোমাই উদাৰতা আৰু নিষ্ঠুৰতাৰ মাজত চিৰ দিনে সংঘৰ্ষ স্থাপন কৰি এই জাতিটো আজিও কেনেকৈ জীয়াই আছে, ভাবিলে আচৰিত হ'ব লাগে! আচৰিত হ'ব

লাগে—বাল-বিধবা জীয়াৰীক বৈধব্য আচৰণ কৰিবলৈ দি, এক দুই-তিনিকৈ যিমান বাৰ ইচ্ছা—বৃদ্ধ পিতাকে যেতিয়া ইজনীৰ পিছত সিজনীকৈ জী বা নাতিনী-যুৱীয়া ছোৱালী বিয়া কৰাই আনি ঘৰ-সংসাৰ কৰেহি! পুৰুষৰ নিষ্ঠুৰতাৰ চানেকি ইয়াতকৈ বেচি আৰু কিবা হ'ব পাৰেনে? হ'ব পাৰেনে নাৰী জাতিৰ ওপৰত ইয়াতকৈ দাৰুণ কিবা নিৰ্য্যাতন? কিন্তু তেনে সমাজ ব্যৱস্থাও নিৰ্ব্বিবাদে মানি, এতিয়াও এনে বৈবাহিক প্ৰথা ভাৰতীয় হিন্দু সমাজত চলি আছে। আজি স্বাধীন ভাৰততে তাৰ মাত্ৰা হয়তো কিছু কমিছে। হয়তো চৰকাৰী চাকৰীয়াল সকলে চাকৰি যোৱাৰ ভয়ত এজনী-তকৈ দুজনী তিৰোতাৰ পাণি গ্ৰহণৰ বৈধ সুযোগৰ পৰা বঞ্চিত হৈছে। সমাজৰ মাজত চিৰদিনে চলি অহা এই নিয়ম এতিয়াও সম্পূৰ্ণৰূপে নিৰ্ম্মূল হোৱা নাই! কিন্তু তিৰোতাই দ্বিতীয় বাৰ বিবাহ কৰোৱাতো সেই সমাজতেই মহাপাপ! হ'ব নোৱাৰিছে বাল-বিধবা!

নিৰক্ষৰ নিৰ্বাচনাঞ্চলৰ পৰা একেজন অলগৰ্দ্ধ প্ৰতিনিধি বাৰে বাৰে বিধান সভা, লোকসভা বা ৰাজ্য সভালৈ নিৰ্ব্বাচিত হলেও মাতিবৰ কাৰণে কাৰো একো অধিকাৰ নথকাৰ দৰে, অশিক্ষিত, অৰ্দ্ধশিক্ষিত আৰু কু-শিক্ষিত সমাজতো একেজন পুৰুষে বাৰে বাৰে 'বালিকা বধূ' আনি ঘৰত সুমুৱাই নিজৰ বাল বিধবা জীয়েকক তাইহঁতৰ বান্দী বাৰলৈ লগাই দিলেও তেনে সমাজত কোনেও প্ৰকাশ্যে একো প্ৰতিবাদ নকৰাকৈয়ে ইমান দিন চলি আহিছে। শিক্ষিত সমাজে হয়তো লাজ পাই, বুঢ়া বয়সত বিয়া কৰাবলৈ সঙ্কোচ কৰা হৈছে, বা ইচ্ছা কৰিলেও হয়তো সমাজৰ ডেকা মহলে তেনে হৰলৈ নিদিয়াকৈ ৰাখিছে, কিন্তু বাল-বিধবাৰ বিবাহৰ ব্যৱস্থা আজিও কোনেও উপযুক্ত ভাবে কৰিব পৰা নাই। যি দুই এক হৈছে—তাতো সমাজৰ স্বীকৃতি নাই বুলিলেই হয়। বলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰাৰ দৰে এনে দুই এখন বিবাহত মৌখিক সহানুভূতি দেখুৱাই দুই এক সমাজৰ ৰৰ-মূৰিয়াই হয়তো প্ৰগতিশীল লোকসকলৰ প্ৰশংসাৰ পাত্ৰ হ'ব পাৰিছে। কিন্তু ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ বা ডঃ কাৰ্ভেৰ নিচিনা মানুহ হিন্দু সমাজত এতিয়াও বিৰল।

স্বইচ্ছাই কোনো পুৰুষে দ্বিতীয় বাৰ বিবাহ নকৰোৱাৰ দৰে, কোনো বাল-বিধবাই স্বইচ্ছাৰে যদি বিবাহ নকৰায় সেইটো সম্পূৰ্ণ সুকীয়া কথা। কিন্তু বাধ্য-বাধকতাৰে বাল-বিধবাৰ সংখ্যা বঢ়াই, গুপ্ত প্ৰণয় বা অবৈধ প্ৰণয়ৰ বিষাক্ত বায়ুৰে সমাজ কলুষিত কৰিবৰ অধিকাৰ কাৰোবাৰ আছে জানো? প্ৰকাশ্যে প্ৰণয়ত হেতা-ওপৰা কৰি গুপ্ত প্ৰণয়ত নিজে লিপ্ত

হৰলৈ কুণ্ঠিত নোহোৱা; ভ্ৰূণ হত্যা বা অস্বাভাৱিক অকাল-প্ৰসৱেৰে সন্তান হানি কৰাৰ ক্ষেত্ৰত বাল-বৈধব্য আৰু কাল-অবিবাহে যি মাৰাত্মক ৰৱঙনিৰে সমাজ কলুষিত কৰিছে,—সেই কথা সমাজে স্বীকাৰ কৰিও যেন কৰিব নোখোজে! জন্ম নিৰোধৰ বৈজ্ঞানিক ব্যৱস্থা থকা স্বত্ত্বেও জানো এই দুই সামাজিক ব্যাধি সমাজে নিৰ্ম্মুল কৰিব পাৰিছে? এই কথালৈ লক্ষ্য ৰাখিয়েই বোধকৰো জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল যে—সংযমতকৈ জন্ম-নিৰোধৰ উত্তম ব্যৱস্থা আৰু একো নাই। আন ব্যৱস্থাই সমাজক অধঃপতনৰ মুখলৈহে ঠেলি দিয়ে।

সি যিয়েই নহওঁক, নিচেছ ৰৱকাকতিৰ বেলিকা কিন্তু ইয়াৰ এটাও নাখাটে। ৰৱকাকতিনীৰ দৰে দুকুৰী এবছৰ বয়সত বিধবা হোৱা তিৰোতাৰ পিয়ল হলে ভাৰতত যে এটা ভয়াবহ অঙ্ক ওলাই পৰিব, ই নিশ্চয়। কিন্তু সেই অঙ্ক লৈ মূৰ ঘমুৰাবলৈ যোৱাটো নাই বলিয়ালি, নহলে মূর্খামি। বলি-য়ালি, কাৰণ, কোনেও এইটো একো কথাই নহয় বুলি বিশ্বাস কৰে। মূর্খামি,—কাৰণ, এইটো গুচাও বুলি কোনেও গুচাবলৈ আগবাঢ়ি নাহে। 'জন্ম-মৃত্যু-বিবাহ'ক বিধিৰ বিধান বুলি হয়তো এটায়েই তলকা মাৰিব। সেইদেখি কাৰোবাৰ মূৰত ইয়াৰ প্ৰতিবিধান কিবা খেলালেও, অপ্ৰিয়-ভাজন হোৱাতকৈ মনে মনে থকাই বুদ্ধিমানৰ কাম! (বুদ্ধিজীৱি সমাজত বুদ্ধিমান নহৈ—কাৰোবাৰ কিবা উপায় আছে জানো?)

প্ৰজ্ঞানেও ভাবে, বুদ্ধিমান হ'বলৈ যত্ন কৰাটোৱেই বুদ্ধিমানৰ কাম। ক'লাক ক'লা বা বগাক বগা বোলাটো মূর্খামি। আগেয়ে চাৰ লাগিব—সমাজে কি বুলিছে, দহে কি বুলিছে, শক্তিমন্ত সকলে কি বুলিছে! যি বুলিছে, তাকে ক'ব পৰাটোৱেই বুদ্ধিমানৰ লক্ষণ! নল-খাগৰীৰ দৰে সমাজ জাঁজিৰ চিন্তাধাৰাত উমৈহতীয়াকৈ উঠিব নোৱাৰিলে সমাজৰ পৰা সুলকি পৰিব লাগিব। পৰিলেই বিপদ। সমাজে হেঁচা মাৰি ধৰিব। জাঁজি! জাঁজি! জাঁজি-মনোবৃত্তিৰেই সমাজ চিৰদিন চলি আহিছে।

প্ৰজ্ঞানৰ মতে, এটিতকৈ বেচি সন্তানৰ মাক বা বাপেক হোৱা কোনো তিৰোতা বা পুৰুষে, নিজৰ সন্তানৰ কল্যাণ কামনা কৰিলে পুনৰ বিবাহলৈ মন মেলা উচিত নহয়। সতিনীৰ ভূমিকাত তিৰোতাৰ হলাহলেহে মাথোন কাম কৰে। অমৃত উজায় যায়! আগৰ পত্নীৰ সন্তানৰ কাৰণে হলাহল কামনা নকৰিলে—পুৰুষে দ্বিতীয় বা তৃতীয় বিবাহ সুস্থ মগজুৰে সম্পন্ন কৰিব নোৱাৰে। বিমাতাৰ অকপট মাতৃ-স্নেহ লাভ কৰা ভাগ্যবান সন্তান

পৃথিবীতেইনো বাকু কিমান ওলাব ? আনহাতে পূর্ব স্বামীৰ সন্তানৰ প্ৰতি মাকৰ মৰমো স্বাভাৱিকতে কমি যোৱা সম্ভব। ন স্বামীৰ পৰা পূর্ব স্বামীৰ সন্তানে পোৱা মৰমো সতিনীৰ পৰা পোৱা মৰম বা যত্নতকৈ বৰ বেচি উন্নত হোৱা সাধাৰণতে দেখা নেযায়।

গাভৰু জীয়ৰীৰ ওপৰত নজৰ নেথাকিলে, সাধাৰণতে এগৰাকী বয়স্কা বিধবাৰ পাণি-গ্ৰহণ কৰি কোনো ডেকাই আপদ চপাই নলয়, ল'ব নোৱাৰে। উচিত অনুচিতৰ প্ৰশ্ন ইয়াত নেখাটে। প্ৰজ্ঞানৰ কথা অৱশ্যে সম্পূৰ্ণ সুকীয়া। এনে পটন্তৰ সচৰাচৰ দেখা নেযায়। স্বামীৰ মৃত্যুৰ পিছত যুক্তি-যুক্ততাৰ ফালটো ভালকৈ বিবেচনা কৰিয়েই ৰৰকাকতিনীয়ে স্পষ্টকৈ সুধিছিল— এতিয়াও প্ৰজ্ঞানে আগৰ দৰেই জানো তেওঁক ভাল পায় ? এনে আকস্মিক প্ৰশ্নৰ উত্তৰ দিয়াত প্ৰজ্ঞানৰ সময় লাগিছিল। আনহাতে প্ৰসেঞ্জিৎ, প্ৰকাশ, শকুন্তলা, মিচেছ চাওলা, প্ৰতিভা, আনকি মিচেছ ৰৰকাকতিক আগেয়ে সন্দেহৰ চকুৰে চোৱা আন সকলোৱেই নিজ নিজ মনক এইবুলি প্ৰবোধ দিলে যে—যি গৰাকী তিৰোতাৰ স্বামী বিয়োগৰ ছমাহৰ ভিতৰতে শুকাই-ক্ষীণাই এনে অৱস্থা হ'বগৈ পাৰে, সেই গৰাকীৰ বিষয়ে মানুহে আগেয়ে উলিওৱা কথাৰ কোনো ভিত্তি নাই। সহানুভূতিত সকলোৰে হিয়া পমি গ'ল। ৰৰকাকতিনীৰ ওচৰলৈ আহি হাঁহি মাতি তেওঁৰ মনত শান্ত্বনা দিবলৈ সকলোৱে চেষ্টা কৰিলেহি। সকলোৰে ইচ্ছা—তেওঁৰ যেন আগৰ স্বাস্থ্য ঘূৰি আহে—আগৰ সেই আনন্দৰ জ্যোতি আকৌ যেন তেওঁৰ মুখত ফুটি উঠে।

"তোমাক এই অৱস্থাত মই আৰু চাই থাকিব নোৱাৰোঁ।" প্ৰজ্ঞানে দুখেৰে ক'লে—"এতিয়া জানো সকলো পাহৰি, আগৰ দৰে তুমি আকৌ হাঁহি মাতি জীয়াই থাকিবলৈ চেষ্টা কৰা উচিত নহব ?"

"জীয়াই ? মই ?" ম্লান হাঁহিৰে ৰৰকাকতিনীয়ে ক'লে,—"মই জীয়াই থাকিব লাগে ? এজনী বিধবা....."

প্ৰজ্ঞানে আচৰিত ধৰণে মিচেছ ৰৰকাকতিলৈ চাই ক'লে—"জীৱিত অৱস্থাত নিজৰ স্বামীক ভাল নোপোৱা প্ৰত্যেক বিবাহিতা নাৰীকেই এক প্ৰকাৰে জানো বিধবা বুলি ক'ব নোৱাৰি ? স্বামীক ভাল নেপাই স্বামীৰ লগত জীৱন যাপন কৰা, আৰু স্বামীহীন হৈ অকলে কটোৱা একে কথা।"

"জীৱিত অৱস্থাত মই যে মোৰ স্বামীক ভাল পোৱা নাছিলো, আৰু এতিয়া মৃত্যুৰ পিছতো যে ভাল নেপাওঁ—এই কথা তোমাক কোনে ক'লে ?"

"মৃত স্বামীক ন-কৈ ভালপোৱাত কিবা সাৰ্থকতা আছে জানো ?" প্ৰজ্ঞানে সৰু ল'বাৰ দৰে সোধে।

"মৃত ? কোন মৃত ?" মিচেছ ৰৰকাকতিৰ মুখত বিৰক্তিৰ ভাব এটা স্পষ্ট হৈ উঠে।

"কোন আৰু হ'ব ? মিষ্টাৰ ৰৰকাকতি ?" প্ৰজ্ঞানে গহীনাই ক'লে।

"ভুল প্ৰজ্ঞান, ভুল।" মিচেছ ৰৰকাকতিয়ে অতি গহীন হৈ কৈ যায়, "আজি মোৰ, জ্ঞান-চকু-মুকলি হৈছে। আজি মই আধ্যাত্মিকতাৰ মৰ্ম্ম বুজিব পাৰিছোঁ। আজি মই স্পষ্টকৈ দেখা পাইছোঁ যে—তোমাৰে মোৰে মাজত, অথবা ৰৰকাকতি আৰু মোৰ মাজত কোনো পাৰ্থক্য নাই। আমি সকলোৰেই আধ্যাত্মিক উদ্দেশ্য এক। নহয় জানো বাকু ?"

প্ৰজ্ঞানে কিছু সময় মনে মনে থাকি হঠাৎ উচাপ খাই উঠা মানুহটোৰ দৰে মিচেছ ৰৰকাকতিলৈ চালে। একেথৰে কিছু সময় চাই থাকি, তাৰ পিছত দোধোৰ-মোধোৰ অৱস্থাত পৰা মানুহটোৰ দৰে ভয়ে ভয়ে ক'লে— "তেনেহলে আমি দুয়োৰে সম্বন্ধ ভাই-ভনীৰ দৰে হওঁক।"

ম্লান হাঁহি মাৰি মিচেছ ৰৰকাকতিয়ে প্ৰজ্ঞানৰ প্ৰায় কথাৰ ওপৰতে ক'লে, ভণ্ডামিৰ মুখাই জানো আমি দুয়োকে বক্ষা কৰিব পাৰিব ? তুমি কেনেকৈ ধৰি ল'লা যে মই এতিয়াও তোমাক ভাল নেপাওঁ ?" একেটা ম্লান হাঁহিৰে মিচেছ ৰৰকাকতিয়ে প্ৰজ্ঞানলৈ চাই ৰ'ল।

"কিন্তু কেনেকৈ ?" প্ৰজ্ঞানে ক'লে, "তোমাৰ স্বামীৰ মৃত্যুত ইমানকৈ মৰ্ম্মাহত হোৱাৰ পিছত, ই কেনেকৈ সম্ভব ?"

অতি নম্ৰ অথচ দৃঢ়তাৰে ৰৰকাকতিনীয়ে কৈ গ'ল, "শুনা প্ৰজ্ঞান, মই যেন পাৰলৈহে হেৰুৱালো ! অৱশ্যে মই যি পাইছোঁ, তাৰ বিনিময়ত মোৰ দিয়াৰ পৰিমাণ হয়তো বহুতো বেচি। মই বাঞ্ছা কৰো, মোৰ দৰে লাভ-ৰতী হবলৈ আনে যেন মোতকৈ কম ক্ষতি স্বীকাৰ কৰিব লগীয়া হয়।"

প্ৰজ্ঞানে ভাবিলে, জীৱনৰ সকলো আশা জলাঞ্জলি দিয়া এগৰাকী তিৰোতাৰ লগত বাক-বিতণ্ডা কৰি একো লাভ নাই। নিজৰ মনৰ ভাব প্ৰকাশ নকৰি প্ৰজ্ঞান মনে মনে থাকিল।

"তুমি হয়তো ভাবিছা" মিচেছ ৰৰকাকতিয়ে ক'লে, "মই জীৱনৰ সকলো আশা পৰিত্যাগ কৰিছে তোমাক এনেকৈ কৈছো, নহয়নে ?"

প্ৰজ্ঞান থতমত খালে। তেওঁ কি ভাবিছে—এই তিৰোতা গৰাকীয়ে কেনেকৈ গম পালে বাকু ? প্ৰজ্ঞানৰ বিশ্বাস হ'ল যে স্বামীৰ আকস্মিক মৃত্যুত ৰৰকাকতিনীৰ সাঁচাকৈয়ে প্ৰজ্ঞা-চকু মুকলি হৈছে। ৰৰকাকতিনীয়ে

পোহৰ দেখিছে—আধ্যাত্মিক পোহৰ—যি পোহৰ সৰ্ব্ব-ভেদি, সৰ্ব্বব্যাপি—যি পোহৰৰ গতি নিৰ্ণয় মানুহৰ পঞ্চেন্দ্রিয়-গ্রাহ্য-জ্ঞানৰ-ভেঁটিত-প্রতিষ্ঠিত মগজুৰ চিন্তাই ঢুকি নেপায়। প্রজ্ঞানে পাহৰি গ'ল কাৰ লগত কথা পাতিছে! অনুমান হ'ল এগৰাকী সাধিকা যেন তেওঁৰ সমুখত উপস্থিত। তেওঁৰ সমুখত প্রজ্ঞানৰ নিজকে এটি কেঁচুৰা যেন লাগিল। বাৎসল্য প্রেমেৰে প্রণোদিতা এগৰাকী মাতৃমূৰ্ত্তিৰ আকস্মিক স্পর্শত নিঃসহায় শিশুৰ মনে মাকক আকোৱালি ধৰি নিজকে বিলীন কৰি দিবলৈ অনুপ্রাণিত হৈ উঠাৰ দৰে, প্রজ্ঞানেও সেই মুহূৰ্ত্তত ৰৰকাকতিনীৰ মাজত দেখা পালে জন্মদাতৃ নিজ মাতৃক!

"তুমি ইমান উদাসীন হৈছা কিয় মা?"

"মা!" আনন্দত আত্মহাৰা হৈ ৰৰকাকতিনীয়ে ক'লে,—"তুমি মোক মা' বুলি মাতিছা?"

"মা!" প্রজ্ঞানে ভেৰা লাগি ৰৰকাকতিনীৰ মুখলৈ চালে।

"আহ্! মোৰ ইমান ভাল লাগিছে। মাতা, আকৌ মোক 'মা' বুলি মাতা।"

"মা!" প্রজ্ঞানে দুই বাহু মেলি ওচৰ চাপি গ'ল। ৰৰকাকতিনীয়ে আনন্দতে আপোন পাহৰা হৈ প্রজ্ঞানক দুই বাহুৰে সাৰটি ধৰি গালে-মুখে অজস্র চুম্বন আঁকি দিলে।

ঠিক এনেতে অময়া, শকুন্তলা আৰু প্রতিভাই মিচেছ ৰৰকাকতিৰ খৰৰ লবলৈ তেওঁৰ কোঠাৰ দুৱাৰ দলিত থিয় হৈছিলহি। প্রজ্ঞান-ৰৰকাকতিনী ইমান আপোন পাহৰা হৈ গৈছিল যে তাইহঁত আহি দুৱাৰ দলিত থিয় দিয়া কথা কোনেও ক'ব নোৱাৰে। বিতৃষ্ণাত নাক কোচাই তিনিউজনী তাৰ সৰা সাউৎ কৰে আঁতৰ হ'ল।

"ছিঃ ছিঃ" অময়াই ক'লে, "মোৰ মা' জনী সচাকৈয়ে বেয়া! দেউতাৰ মৃত্যুৰেও মাৰ চৰিত্রদোষ একৰাৰ নোৱাৰিলে!"

তিনিওজনী ছোৱালীয়ে সাধাৰণতে বুজিব নোৱাৰা এই দুগৰাকী পৰুষ আৰু মহিলাৰ ওপৰত এনে ধৰণৰ নিজ নিজ মন্তব্য প্রকাশ কৰি ইমান দূৰলৈ ভাবিলে যে, সময়ত যদি প্রজ্ঞানে কোনো গাভৰু ছোৱালীৰ পাণি-গ্রহণ কৰেও, মিচেছ ৰৰকাকতি বোধকৰো প্রজ্ঞানৰ ৰক্ষিতা হিচাপেই গোটেই জীৱন কটাই দিব! প্রাচীন ভাৰত বা চীন দেশ হোৱা হ'লে সেইটো পুৰণি সামাজিক প্রথাৰ ভিতৰতে পৰিলহেঁতেন, কিন্তু আজিৰ ভাৰতৰ দৰে এখন ৰাষ্ট্রত সমাজ বহির্ভুত এনে কথা সমাজ বিৰোধীৰ বাহিৰে আন কোনে বাৰু সমর্থন কৰিব পাৰে?

বৰ্ত্তমানে ডিউক্ অব্ উইণ্ড্চ'ৰ, ভূতপূৰ্ব্ব ইংলণ্ডৰ ৰজা অষ্টম এডোৱার্ডে, প্রিন্স্-অব্-ওৱেল্ছ হৈ থাকোঁতেই কোৱা এআষাৰ অতি তাৎপর্য্য পূর্ণ কথা প্রজ্ঞানে ক'ৰবাত পঢ়া যেন মনত পৰিল: "জ্ঞানৰ গতি ক্ষীপ্র, কিন্তু প্রজ্ঞা পিছে পিছেহে যায়! জ্ঞানৰ খকা-মকাত ততাতৈয়াকৈ দিয়া মন্তব্যত সেই দেখি সদায়েই কেঁৰোণ দেখা যায়; ....মাৰাত্মক!" (Knowledge flies ever faster, but wisdom lags behind. so, judgment is apt to be hasty; dangerous!)

পৰিৱেশ আৰু পৰিস্থিতিৰ উমান নোলোৱাকৈ, মানুহৰ আচৰণত ক্ষুন্ন বা উৎফুল্ল হোৱাৰ পৰা বিৰত থাকি, সুস্থ মগজুৰে সকলো কথা ফঁহিয়াই চাব পৰা শক্তি, সকলোৰে যদি থাকিলহেঁতেন, পৃথিবীখনেই হৈ পৰিলহেঁতেন এখন স্বর্গপুৰী। স্বর্গপুৰীত বাস কৰি বৈচিত্র্যময় জীৱন নাটকৰ অভাৱত মানুহ হয়তো দুদিনতেই অতিষ্ঠ হৈ পৰিলহেঁতেন।.....কোনে ক'ব, মানুহক নাটক লাগে নে স্বর্গ লাগে? ('মুক্তিত নিস্পৃহ' হোৱাৰ কাৰণ এইটোৱেই নহয়তো?)

সি যিয়েই নহওঁক, মিচেছ ৰৰকাকতিৰ অপূর্ব্ব বাহু-বেষ্টনিত প্রজ্ঞান হৈ পৰিল এটি যেন দুগ্ধ-পোষ্য বালক, যি বালকক ইয়াৰ পিছত মিচেছ ৰৰকাকতিয়ে কেঁচুৰা ল'ৰাক সাধু কথা কোৱাৰ দৰে নানান কথা কবলৈ ধৰিলে। প্রজ্ঞানেও বিনা প্রতিবাদেই সেই কথাবোৰ মৌ পিয়াদি শুনি গ'ল! কোনে জানে—ৰৰকাকতিৰ এনে আকস্মিক প্রভাবে প্রজ্ঞানক কিমান দিন আধ্যাত্ম্য সাগৰত বুৱাই ৰাখিব পাৰিব?

অসম্ভব যেন লাগিলেও আধ্যাত্ম্য পোহৰৰ অন্বেষণত ৰৰকাকতিনী সঁচাকৈয়ে আজি সন্ন্যাসিনী।

ছয়

চাঞ্চল্য প্রিয় পৃথিবীত চাঞ্চল্য সৃষ্টি কবিব পবা সকলক সকলোরে ভাগ্যবান বুলিয়েই ভাবে। নিজব জীবন পাত কবিও চাঞ্চল্যব সৃষ্টি কবিবলৈ সেইদেখি মানুহব ইমান হেঁপাহ। কিন্তু হেঁপাহ নকবাকৈয়ে, যি সকলব জীবনেই চাঞ্চল্যময়, সেই সকলক ইতৰ-পৃথিবীয়ে যদি ঈর্ষাব চকুৰে চায়, তাত আচবিত হ'ব লগীয়া কি আছে ?

প্রজ্ঞানকো আজি সকলোৱে, ঈর্ষাব চকুৰে চোৱা হ'ল। প্রজ্ঞানব অসুবিধাত পবিবলৈ হয়তো কাৰো ইচ্ছা নাই, কিন্তু দূবৈব পবা পর্ব্বত শুৱনী দেখাব দৰে, প্রজ্ঞানব জীবনটোও এটায়েই শুৱনী যেন দেখিছে। কোনেও এবাৰো ভাবি চোৱা নাই যে, প্রজ্ঞানে আজি কিমান ক্ষতি স্বীকাব কবিব লগীয়া হৈছে। এসময়ত প্রজ্ঞান বুলিলে বলিয়া হৈ উঠা কলেজ-বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে আগব দৰে এতিয়া প্রজ্ঞানক ভাল নোপোৱা হ'ল। ভাল নোপোৱাৰ প্রধান কাৰণ যদিও কোনো কোনোৱে প্রজ্ঞানৰ স্পষ্টবাদিতাই বুলি ক'ব খোজে, ছাত্র-ছাত্রীসকলৰ কাৰণে কিন্তু কাৰণ আন এটাহে। শকুন্তলা আৰু প্রতিভাক কেন্দ্র কবি গঢ়ি উঠা প্রজ্ঞানৰ ক্রম-পবিবর্ত্তনশীল মনোভাব লক্ষ্য কবি, দুই এক ছাত্র-ছাত্রীয়ে প্রজ্ঞানক দুই এটা কটু কথা শুনাবলৈকো সঙ্কোচ নকবা দেখি, এদিন প্রজ্ঞানৰ খং উঠি যিহকে পাই তাকে কৈ দিলে। প্রজ্ঞানৰ অন্তৰত শুই থকা বংশ মর্য্যদাৰ ভাবটোৱে সেইদিনা উজাল মাৰি উঠাত, বংশ মর্য্যদা সম্পর্কে এটা বিৰাট 'লেক্‌চাৰ' দি দিয়াত, বহুতো ছাত্র-ছাত্রীয়ে বেয়া পাই প্রজ্ঞানৰ তালৈ নহা হ'ল। প্রজ্ঞানে তেনে কিবা এটা হ'ব পাৰে বুলি যে ভাবিবকৈ পবা নাছিল, এনে নহয় ; কিন্তু প্রজ্ঞানক আত্ম-মর্য্যদাবোধে সেইদিনা ইমানকৈ পিড়িছিল যে প্রজ্ঞানে পাহৰি গ'ল যে ছাত্র-ছাত্রীসকলৰ মাজতো প্রজ্ঞানৰ দৰে আত্মাভিমানী বহুতো থাকিব পাৰে। দুই এজন ছাত্রই সেইদিনা প্রজ্ঞানৰ ঘৰৰ পবা নাটকীয় ধৰণেই প্রস্থান কবিছিল। ছাত্রসকলৰ তেনে আচৰণত প্রজ্ঞানে বিচলিত হওক চাবি, তাচ্ছিল্যৰ সুৰত হাঁহিছিলহে। ভাবিছিল : সৰু ল'ৰা, ডাঙৰ হলেই সকলো বুজা হৈ উঠিব। দেখাত বা বয়স যথেষ্ট হলেইতো আৰু নহয় ; শাওঁবৰণীয়া মেধাৰ মাত্রা—আৰু মাত্রা অনুপাতে উৎকর্ষতা এই দুয়োটাই থাকিব লাগিব ; প্রজ্ঞানে ভাবে।

বায়ুৰ বিকাৰতো মূৰৰ চুলি সোনকালে পকিব পাৰে, সেই বুলিয়েইনো আৰু জ্ঞানী হ'ল নে ? সেই বুলিয়েইনো ৰূপালী চুলিৰ অধিকাৰীক সন্মান কবিব লাগিবনে ? সেই ধৰণে, কলেজ-বিশ্ববিদ্যালয়ত পঢ়িলেইনো এটাই বিলাকেই মেধাবী আৰু জ্ঞানী হৈ পবিবনে ?

অকাট্য যুক্তিবে প্রজ্ঞানৰ তর্ক কবাৰ ক্ষমতা আৰু আত্মাভিমানী মনোভাব, এই দুয়োটাৰ লগত যেতিয়া শকুন্তলা-প্রতিভাৰ দৰে সর্ব্ব-দৃষ্টি-আকর্ষিতা দুজনী ছোৱালী প্রজ্ঞানৰ কাৰণে বলিয়া হোৱাদি হ'ল, ছাত্র সমাজে সহে বাৰু কেনেকৈ ?

চাৰিউপিনে এতিয়া প্রজ্ঞানৰ বদনাম। হকতে নহকতে প্রজ্ঞানৰ বিষয়ে আলোচনা-বিলোচনা, আৰু শেহত যাৰে মুখত যি আহে তাৰে ধুমা-ধুম গালি। কোনোবাই আহি প্রজ্ঞানক তাৰ গোচৰ দিলে প্রজ্ঞানে হাঁহি কয়,—পিছৰ পবা বজাকো চর্চে। পৰচর্চাৰ বিষয় বস্তু হ'ব পৰাতো সেইমতে বাজ-সন্মান বুলিয়েই ধৰিব পাৰি।"

প্রজ্ঞানৰ প্রিয়, আঘোনায়ো এদিন আহি ক'লেহি, "বোপা, বহুতো কথা শুনিছোঁ, সঁচানে ?"

"সঁচা হলে তুমি বেয়া পাবা নেকি ?" প্রজ্ঞানে হাঁহি কয়।

"বেয়া ভালনো আমাৰ কি আছে ? পিছে বোপা তোমাক ভাল পাওঁ দেখিহে কৈছোঁ....."

"বুজিছোঁ আঘোনাকাই, তোমাৰ দৰে এটায়েই যদি মোক ভালপোৱা হ'লহেঁতেন, তুমি যিবোৰ শুনিছা, একো নুশুনিলাহেঁতেন।"

"তেনেহলে মিছা ?" আঘোনাই আগ্রহেৰে সোধে।

"কৈছোঁ নহয়, মানুহৰ ইচ্ছা অনুযায়ীয়েই মানুহে খৰৰ তৈয়াৰ কৰি, তাৰ যোগান ধৰে। আনে শুনে, বিনা বিচাৰে সঁচা বুলি মানি লয়।" প্রজ্ঞানে এইবাৰ পাতলকৈ হাঁহি ক'লে, "বুজিছা আঘোনাকাই, তাকেই ইংৰাজীতে বোলে ফল্‌ছ প্রপোগেণ্ডা....."

"বাৰু, তেনেহলে বোপা, মই উঠোঁ।" আঘোনা যাবলৈ উঠি দুৱাৰ দলিৰ পবা আকৌ উভতি আহি ক'লে, "বুজিছা বোপা, বস্তুটো এৰিলো"....

"হয়নে ? প্রজ্ঞানে উৎসাহেৰে সোধে।

"হয় বোপা, সেইবোৰত আৰু দুনাই মুখ নিদিও। মৰিলে যমৰ আগত তেওঁ ক'ব পাৰিম, যে প্রজ্ঞান বোপাৰ খেচুখেচনিতে মহাদেবক পৰিত্যাগ কৰি বিষ্ণুত শৰণ ললোঁ !" অলপতে ভাং খাবলৈ এৰা আঘোনাই গর্ব্বেৰে বিদায় ললে।

আঘোনাৰ সৰলতাত প্ৰজ্ঞান মুগ্ধ হ'ল। 'আঘোনাৰ দৰে সৰল যদি ময়ো হ'ব পাৰিলোহেঁতেন!' প্ৰজ্ঞানে ভাবে।

ৰৰকাকতিয়ে আত্মহত্যা কৰা দিন ধৰি, প্ৰজ্ঞানৰ জীৱন সঁচাকৈয়ে বিষময় হৈ উঠিছে। ছমাহৰ পিছতো সকলোৱে ভাবি আছে যে ৰৰকাকতিনীৰ লগত ষড়যন্ত্ৰ কৰিহে প্ৰজ্ঞানে ৰৰকাকতিক গুলিয়াই মাৰিছিল। অমৱা আৰু তাইৰ ভনীয়েক কেউজনীয়ে মনে মনে ঈশ্বৰক খাটি আছিল যে দেউতাকক হত্যা কৰাৰ অপৰাধত অপৰাধী সাব্যস্ত হৈ প্ৰজ্ঞানৰ যেন আজীৱন কাৰাবাস হয়। নিজৰ মাকৰো সমানেই শাস্তি হোৱাটো, আনে নহলেও, অমৱাই অন্তৰেৰে কামনা কৰিছিল। অমৱাই ভাবিব পৰা নাছিল যে ঈশ্বৰে যদি সঁচাকৈয়ে তাইৰ প্ৰাৰ্থনা শুনে, তেনেহলে ঈশ্বৰে সৰ্বজ্ঞ হিচাপে প্ৰজ্ঞান বা তাইৰ মাকক শাস্তি দিয়াৰ পৰিবৰ্ত্তে শাস্তি দিয়াৰ ব্যৱস্থাহে যে কৰিব পাৰে!

সি যিয়েই নহওঁক, ঘৰৰ আৰু বাহিৰৰ সকলোৰে পোন্দোৱা চকুলৈ চাই চাই, ৰৰকাকতিনী-প্ৰজ্ঞান দুয়ো অধৈর্য্য হৈ উঠিবলৈ বাধ্য হৈছিল।

"কাৰাবাসে মোক, বিষাদৰ পৰিবৰ্ত্তে আনন্দহে দান কৰিব প্ৰজ্ঞান, যদিহে মোৰ লগত একেলগে তুমিও কাৰাবৰণ কৰিব লগীয়া হয়।" ৰৰকাকতিনীয়ে হাঁহি ক'লে।

"কাৰায়ত্ব দেহতেই মানুহৰ মনে বোধকৰো মুক্তিৰ সন্ধান পায়, নহয়নে?"

"ঠিক ধৰিছা প্ৰজ্ঞান; আমাৰ দেহটোৱেই জানো এটা কাৰাগাৰ নহয়?"

"কাৰাগাৰ! কাৰাগাৰ! হয়তো হয়। কিন্তু পৃথিবীৰ কেইজনে সেইটো উপলব্ধি কৰিজে?" প্ৰজ্ঞানে বিষাদেৰে সোধে।

"বেজাৰ নকৰিবা প্ৰজ্ঞান।" ৰৰকাকতিনীয়ে দৃঢ়ভাবে কয়, "সত্যক সত্য বুলি স্বীকাৰ নকৰিলেই, সি অসত্য হৈ নেযায়। সত্যৰ জ্যোতিৰ সন্ধান নোপোৱা পৃথিবীৰ লোকে অন্ধকাৰকেই পোহৰ বুলি ভ্ৰম কৰি, জীৱনৰ পাশা খেল পাতি, সত্যক পাহৰি থাকে। সেই বুলি সত্যই সঁহাৰি দিলেও তাক অন্বেষণ নকৰি মানুহ থিৰেৰে থাকিব পাৰেনে?"

প্ৰজ্ঞানে আধা বুজা আধা নুবুজাৰ দৰে "হু" বুলি শলাগি মিচেছ ৰৰকাকতিলৈ চাই ৰয়।

"চোঁৱা, মোৰ পিনে চোঁৱা প্ৰজ্ঞান!" নিজৰ বুকুলৈ তৰ্জ্জনি টোৱাঁই মিচেছ ৰৰকাকতিয়ে প্ৰজ্ঞানলৈ চালে। তাৰ পিছত ক'লে,—"কি দেখিছা?

নিশ্চয় স্বামীৰ মৃত্যুৰ আগৰ মিচেছ ৰৰকাকতিক তুমি দেখা নাই?" ক্ষন্তেক ৰৈ তেওঁ আকৌ কৈ গ'ল, "তেতিয়া, তেতিয়া মই ইয়াতকৈ ডাঙৰ আৰু দুৰ্ভেদ্য কাৰাগাৰত সোমাই কেউফালে অন্ধকাৰ মাথো দেখা পাইছিলোঁ, যদিও ভাবিছিলোঁ সেয়েই পোহৰ। আৰু আজি? আজি মোৰ স্বামীৰ মৃত্যুত সেই কাৰাগাৰৰ দেৱাল ক্ৰমে স্বচ্ছ হৈ আহিছে, আৰু মই কাৰাগাৰৰ বাহিৰৰ পোহৰৰ বেঙনি দেখা পাইছোঁ। সময়ত হয়তো সেই দেৱালৰ ব্যৱধানে পোহৰক আৰু অকণো বাধা দিব নোৱাৰিব। দেৱাল সম্পূৰ্ণ স্বচ্ছ হৈ যাব; আৰু মই? ময়ো মুক্তি পাম।" কথাষাৰ কৈ এনে এটি অপূৰ্ব্ব হাঁহিৰে মিচেছ ৰৰকাকতিয়ে প্ৰজ্ঞানলৈ চালে যে প্ৰজ্ঞান মন্ত্ৰ-মুগ্ধ হোৱাৰ দৰে হৈ গ'ল। প্ৰজ্ঞানৰ বাক শক্তি ৰহিত হৈ গ'ল। প্ৰজ্ঞানৰ অসুবিধা বুজিব পাৰি, ৰৰকাকতিনীয়ে পাতলকৈ হাঁহি মাৰি ক'লে, শুনা প্ৰজ্ঞান, স্বামী হত্যাৰ অপৰাধত মই দোষী বা নিৰ্দোষী—যি বুলিয়েই সাব্যস্ত নহওঁ, মোক সেইবোৰ একোৱে নোচোঁৱৰে। মোৰ মন, সংসাৰৰ মোহৰ পৰা আজি সম্পূৰ্ণ মুক্ত! মানুহৰ ধোৱা-বচাই মোক আৰু বিচলিত কৰিব নোৱাৰে, প্ৰজ্ঞান।" ঢোক গিলি এইবাৰ অতি গহীন হৈ তেওঁ ক'লে, "প্ৰজ্ঞান, মই বিচাৰো তুমিও মোৰ দৰে".....

"কেনেকৈ? কেনেকৈ?" প্ৰজ্ঞানে কন্দনা-মুৰা হৈ কয়, "কেনেকৈ মই নিজকে ইমান ওপৰলৈ নিবলৈ সক্ষম হম? পৃথিবীৰ মানুহ মই আধ্যাত্ম্য সাধনাহীন বুদ্ধিৰ জখলাৰে হয়তো কিছু ওপৰলৈ যাব পাৰিম, কিন্তু সেই উচ্চতাই যে পৃথিবীক অতিক্ৰম কৰিব নোৱাৰে। যদি পাৰিলেহেঁতেন, পৃথিৱীৰ সকলো বুদ্ধিমান ব্যক্তিয়েই হৈ পৰিলেহেঁতেন একো একোজন মহাত্মা—ঋষি!" প্ৰজ্ঞানে ক্ষন্তেক ৰৈ আকৌ ক'লে, "তেনে ঋষিময় পৃথিৱী এখনত থাকি আমনি নেলাগিবনে?"

"আমনি?" ৰৰকাকতিনীয়ে ঈষৎ বিদ্ৰূপৰ সুৰত কয়, "ঋষিময় পৃথিৱী তেনেহলে আমনি লগা?....আৰু প্ৰত্যেক ঋষিয়েই একো একোজন দেখিলেই এঙোৱা ব্যক্তি, নহয়নে?"

"মই সেই বুলিয়েই ভাবো।" প্ৰজ্ঞানে দৃঢ়ভাৱে কয় "মানুহৰ বুৰঞ্জীয়ে তাৰেই সাক্ষী দিয়ে। পৃথিৱীৰ পৰা তেওঁলোকক অকালতে আঁতৰাবলৈ যুগে যুগে মানুহে আপ্ৰাণ চেষ্টা কৰা দেখা যায়। সাধাৰণ মানুহে তেওঁলোকৰ কথা নুবুজে। তেওঁলোকৰ বাণী অৰ্থহীন বুলি ভাবে।"

"যিয়েই নহওক, তুমিও এজন ঋষিতুল্য ব্যক্তি হৈ যোৱাটোকেই মই কামনা কৰোঁ।"

"কিন্তু মই যে পৃথিৱীৰ মানুহ?" প্ৰজ্ঞানে প্ৰতিবাদ কৰে, "নেখাই-নৱৈ কৃচ্ছ্ৰ সাধনা কৰা মোৰ পক্ষে যে অসম্ভৱ!" কাতৰ দৃষ্টিৰে প্ৰজ্ঞানে ৰৱকাকতিনীলৈ চালে।

"মানসিক শক্তি অৰ্জনত দেহাৰ অৱনতি ঘটিলেও, সিয়েই মানুহৰ কাম্য হোৱা উচিত।" ৰৱকাকতিনীয়ে দৃঢ়ভাৱে কয়।

"মই তোমাৰ লগত এই বিষয়ত একমত হব নোৱাৰি দুঃখিত।" প্ৰজ্ঞানে স্পষ্টভাৱে ক'লে, "সুস্থ শৰীৰতহে সুস্থ মনৰ বাস।" (Mens sana in corpor sano)

"শাৰীৰিক সৌন্দৰ্য্য সাধনত শিৰ্ষতম স্থান অধিকাৰ কৰা প্ৰাচীন গ্ৰীক সভ্যতাৰ দৈহিক সাধনৰ আদৰ্শ অনুসৰণ কৰি মানুহে হয়তো জিউজ (Zeus) বা জুপিটাৰ (Jupiter)ৰ দৰে মানুহৰ ওপৰত প্ৰভুত্ব বা প্ৰাধান্য বিস্তাৰ কৰি অলিম্পিয়া শৈল শিখৰৰ পৰা নামি আহি, পৃথিৱীৰ ভোগ-বিলাসত মত্ত হৈয়ো আকৌ নিজ স্বৰ্গ পুৰিলৈ উভতি যোৱাৰ উপায় নিজে ঠিক কৰি লব পাৰে; কিন্তু তেনে সাধনৰ জৰীয়তে কোনো দৰে শোক-তাপ-জৰা-মৃত্যু ৰহিত স্তৰলৈ নিজকে উন্নীত কৰি সচ্চিদানন্দ মাহাত্ম্যৰ ধ্যানত আপোন পাহৰা হ'ব নোৱাৰে।.... মই সেই আনন্দৰ কথাকে তোমাক ক'ব খুজিছোঁ, প্ৰজ্ঞান!"

"তোমাৰ কোনো কথাই আজি মোৰ মন স্পৰ্শ কৰিব পৰা নাই। যিখন মুখ, যিযুৰি চকুলৈ চাই, মাত্ৰ সিদিনা, মই নিজৰ অস্তিত্বকে পাহৰি পেলাইছিলোঁ, ক'লৈ গ'ল তোমাৰ সেই মুখ? ক'ত সেই চকু?" প্ৰজ্ঞান থমকি ৰয়। তাৰ পিছত আকৌ কৈ যায়, "তোমাৰ মুখলৈ চালে আজি মই শিয়ঁৰি উঠোঁ। মাখনৰ দৰে কোমল আৰু নিমজ সেই মুখখনিত ইমান কম সময়ৰ ভিতৰতে ক'ৰ পৰা আহি দেখা দিলে বাৰ্দ্ধক্যৰ সেই ৰেখা-ৰোৱে?" প্ৰজ্ঞানে ঢোক গিলি আকৌ ক'লে, "কিন্তু, সি আজি সত্য। হলাহল সত্য। হয়তো...."

"হয়তো কি?" ৰৱকাকতিনীয়ে আগ্ৰহেৰে সোধে।

"হয়তো তাৰ বিনিময়ত তুমি পাইছা এনে এটি জ্যোতিৰ সন্ধান—যি জ্যোতি অনুসৰণৰ মোৰ সময় নৌ হয় এথোন!" প্ৰজ্ঞানে এইবাৰ বেজাৰ মনেৰে ক'লে—, "তোমাৰ বাৰ্দ্ধ কি হ'ল কোৱা? কেনেকৈ ইমান শীৰ্ণ হ'ল তোমাৰ দেহ?....কেনেকৈ?"

ৰৱকাকতিনীয়ে হাঁহি ক'লে, 'ভয় নেখাবা, প্ৰজ্ঞান। মই তোমাৰ মোৰ দৰে শীৰ্ণ হৈ যাবলৈ কোৱা নাই। ভুল নুবুজিবা। শীৰ্ণ হ'ক

পৰাটোৱেই আধ্যাত্ম্য বিকাশৰ পৰিচয় নহয়। তেনে হোৱা হ'লে, ব্ৰুটাছ (Brutus) ৰোমতকৈ ক্যেচিয়াচ্ৰোমহে বেচি মহৎ ব্যক্তি হ'লহেঁতেন!" মৰমৰ মিচিকিয়া হাঁহি মাৰি, খীণোৱা হাতখনেৰে প্ৰজ্ঞানৰ পিঠিখন মোহাৰি মোহাৰি, মিচেছ ৰৱকাকতিয়ে লাহে লাহে কৈ গ'ল, "মই বেচকৈ বুজো প্ৰজ্ঞান, আত্মজ্ঞান লাভ কৰাৰ সময় তোমাৰ এতিয়াও হোৱা নাই; হয়তো এদিন আহিব।" তাৰ পিছত প্ৰজ্ঞানৰ মুখলৈ জুমি চাই কলে, "মোৰ চকুলৈ চোৱাচোঁন প্ৰজ্ঞান।"

যন্ত্ৰৰ পুতলাৰ দৰে প্ৰজ্ঞানে মিচেছ ৰৱকাকতিৰ চকুলৈ চাই ৰ'ল। এই বাৰ অতি লাহেকৈ, প্ৰায় ফুচ্ফুচাই কোৱাৰ দৰে মিচেছ ৰৱকাকতিয়ে ক'লে, "শুনা প্ৰজ্ঞান, তুমি বিয়া কৰোৱা।"

"বিয়া?" আচৰিত হৈ প্ৰজ্ঞান জাপ মাৰি উঠিল, "বিয়া মই কৰাম? কাক?"

"তুমি ভাল পোৱা ছোৱালীজনীক।"

"মই ভাল পোৱা ছোৱালী?" প্ৰজ্ঞানে নিঃসহায় হৈ ৰৱকাকতিনীৰ চকুলৈ চাই ক'লে,—"এতিয়া আৰু মই ভাল পোৱা ছোৱালী ক'ত আছে?"

"নিজৰ মনকে সুধি চোৱা প্ৰজ্ঞান।" ৰৱকাকতিনীৰ কথা প্ৰজ্ঞানৰ কাণত ৰোসোমাল। প্ৰজ্ঞান অন্যমনস্ক হৈ ৰ'ল। ৰৱকাকতিনীয়ে আকৌ ক'লে, "বিনা দ্বিধাই নিজৰ মনকে সুধি চোৱা প্ৰজ্ঞান। নিজক ফাঁকি দিবলৈ চেষ্টা নকৰিবা।"

"তুমি কি কৈছা—মই একো বুজা নাই।" প্ৰজ্ঞানে অভিমানৰ সুৰত ক'লে।

"অতি সোনকালেই বুজিবা। মোৰ বিশ্বাস, ভণ্ডামিক তুমি কেতিয়াও প্ৰশ্ৰয় দিয়া নাই। সঁচা কথা কোৱা প্ৰজ্ঞান, মোৰ বৰ্ত্তমানৰ ৰূপত তুমি বিচলিত হোৱা নাই?"

"সঁচাকৈয়ে কৈছোঁ, তুমি কি কৈছা—মই একো বুজা নাই।"

"বুজিবা, বুজিবা, মাথোঁ নিজকে ফাঁকি দিবলৈ চেষ্টা নকৰিবা। মোৰ চকুলৈ চালে তোমাৰ সেই আগৰ ভাব আহেনে?"

এইবাৰ প্ৰজ্ঞানে অস্বস্তি অনুভৱ কৰিলে। মিচেছ ৰৱকাকতিৰ চকুৰে চকুৰে চাই থাকিবলৈ প্ৰজ্ঞানৰ সাহ নহল। চকুহাল নমাই প্ৰজ্ঞান তলমুৱা হৈ ৰ'ল।

"শুনা প্ৰজ্ঞান, প্ৰবঞ্চক দুবিধ। এবিধে নিজক ঠগে—আনবিধে ঠগে আনক। মোৰ বোধেৰে তুমি প্ৰথম বিধত পৰা।"

"কেনেকৈ ?" তলমুরা হৈয়েই প্রজ্ঞানে সোধে।

"তোমাৰ দৰে এই জানিও-নজনা আৰু বুজিও-নুবুজা ধৰণৰ মানুহবিলাককে আত্ম-প্রবঞ্চক বুলিব পাৰি ?" মিচেছ ৰৰকাকতিয়ে কয়, "প্রত্যেকৰে জীৱনত এদিন হয়তো এনে এটা সময় আহে, যি সময়ত কি পুৰুষ কি নাৰী—সকলোৱেই মঙহৰ প্রতি আকৃষ্ট হবলগীয়া হয়। তেহেলে সি সাময়িকেই হওক, বা স্বভাৱলৈকে পৰিবর্ত্তিত নহওক। তুমি ক'ব পাৰানে যে তোমাৰ তেনে হোৱা নাছিল বা হোৱা নাই ? লাজ নকৰিবা। মঙহৰ আকর্ষণক প্রেম, আৰু তেনে প্রেমক আত্মাৰ প্রতিৰেদন বুলি আত্মপ্রবঞ্চনা কৰা মানুহেই সংসাৰত সৰহ। প্রকৃত বন্ধুত্ব আৰু প্রকৃত্ব প্রেম, তেনে মানুহৰ মানত যেনিবা বজাৰৰ বস্তু বা খনিকৰ বা ভাস্কৰৰ মূর্ত্তি গঢ়া আলতীয়া মাটিহে! তাক যেন ইচ্ছামতে নিজৰ সাঁচত ঢালি গঢ় দি লব পাৰি; বা মূল্য দিলেই যিমান ইচ্ছা—কিনিব পাৰি!"

প্রজ্ঞান মনে মনে থকা দেখি, মিচেছ ৰৰকাকতিয়ে আকৌ কয়, "বিনা স্নেহে বন্ধুত্ব আৰু বিনা আত্মাই প্রেম, কল্পনাতীত। মনক আত্মা বুলি ভ্রম কৰাৰ কাৰণেই, মানুহে কথাই কথাই 'হৃদয়' 'আত্মা'—এই দুটা শব্দৰ অপ-প্রয়োগেৰে সাহিত্য সৃষ্টি কৰি, মানুহৰ চিন্তা ধাৰাতেই কেৰোণ সুমুৱাই দিছে। চিনাকি হ'লেই 'বন্ধু' আৰু ৰূপত আকৃষ্ট হলেই 'প্রেম' আখ্যা দি সন্তুষ্ট থকা লোকৰ মানসিক স্তৰ যে নিম্ন, বহলাই কৰৰ সকাম নাই। মই তেনে প্রেমৰ কথা কোৱা নাই প্রজ্ঞান, মই কৈছো আত্মাৰ প্রেমৰ কথাহে।"

প্রজ্ঞানে দীঘলকৈ হুমুনিয়াহ কাঢ়ি মনে মনে থাকিল। ৰৰকাকতিনীৰ কথা আধা বুজিলে, আধা নুবুজিলে। এয়া জানো সঁচাকৈয়ে মিচেছ ৰৰকাকতি ? প্রজ্ঞানে যি গৰাকী মিচেছ ৰৰকাকতিক ভাল পাইছিল, সেই গৰাকীয়েতো এনে ধৰণে কথা কব নেজানিছিল বা কোৱা নাছিল। তেনেহলে আজি কোনে তেওঁক এইবোৰ কথা কবলৈ প্রেৰণা দিলে ? মিচেছ ৰৰকাকতিৰ মানসিক চিন্তা ধাৰাৰ আজি আমূল পৰিবর্ত্তন ঘটিছে। মাটিত খোজ দিলেও তেওঁৰ মানসিক দিগ্বলয়ৰ পৰিধি আত্মালোকলৈকে প্রসাৰিত হৈ, আজি তেওঁক সাংসাৰিক সুখ-দুখৰ ধুমুহাৰ বহুতো ওপৰত বিচৰণ কৰি, আত্মাৰবিৰ বাধাহীন জ্যোতিত স্নান কৰিবলৈ কোনোবাই যেন লৈ গ'ল। ইতৰ মনোভাবাপন্ন কোনেও আজি তেওঁৰ লগত কথা পাতি আৰাম নোপোৱা হ'ল। প্রকাৰান্তৰে সকলোৱে তেওঁক ভয় কৰিবলৈকে আৰম্ভ কৰিলে।

প্রজ্ঞানেও তেওঁৰ কথা ৰতৰাত অস্বস্তি অনুভৱ কৰিলে। প্রজ্ঞানৰ মূৰটো আঁচন্দ্রায় লগা যেন লাগিল। চকুৰ আগত তেওঁ ধোঁৱা ধোঁৱা

দেখিলে। কথা কোৱাৰ লগে লগে মিচেছ ৰৰকাকতিৰ ক্রমে উজ্জ্বলতকৈও উজ্জ্বলতৰ হৈ যোৱা চকু যুৰিলৈ চাবলৈ প্রজ্ঞানৰ দুনাই সাহস নহল। তল-মুরা হৈয়েই প্রজ্ঞানে কলে,—

"তোমাৰ মৰমৰ পৰা মোক ৰেহায় দিয়া। তোমাৰ এই মৰমৰ অত্যা-চাৰেই মোক ধ্বংস কৰিব। মই....মই যে একো ভাবিব নোৱাৰা হৈ গৈছো।" প্রজ্ঞানৰ কান্দো কান্দো যেন লাগিল।

প্রজ্ঞানৰ মানসিক অৱস্থা অনুমান কৰিব পাৰি, মিচেছ ৰৰকাকতিয়ে প্রজ্ঞানৰ পিঠিত মাকে মৰমতে পুতেকক লাহে লাহে থপৰিওৱাৰ দৰে থপৰিয়াই থপৰিয়াই ক'লে,—

"সঁচাকৈয়ে প্রজ্ঞান, মই তোমাৰ ভালৰ কাৰণে কৈছোঁ। তুমি এই দুজনী ছোৱালীৰ যেই সেই এজনীক বিয়া কৰোৱা।"

"সেই দুজনী কোন ?" শান্ত হৈ প্রজ্ঞানে সোধে।

"মোৰ ছোৱালী অময়াক মই ইয়াৰ ভিতৰত ধৰা নাই।" অর্থপূর্ণ দৃষ্টিৰে ৰৰকাকতিনীয়ে প্রজ্ঞানৰ চকুলৈ চালে। হুমুনিয়াহ কাঢ়ি প্রজ্ঞানে ক'লে—,"এই দুজনী ছোৱালীৰ কোনেও যে মোক এতিয়া আৰু ভাল নেপায়। তাৰ কাৰণে দায়ী অৱশ্যে মই নিজেই!"

"বোধকৰো দায়ী।" ৰৰকাকতিনীয়ে কৈ যায়, "কিন্তু এতিয়া অৱস্থাৰ পৰিবর্ত্তন ঘটিছে। সাময়িকভাৱে লেৰেলি যোৱা শকুন্তলাৰ অন্তৰৰ প্রণয়ৰ পদুম পাহি তোমাৰ উপস্থিতিৰ অনুকুল ৰাতাৰৰণত আকৌ ঠন ধৰি উঠিব। অকালতে লেৰেলি শুকাই যাব খোজা আধাফুলা সেই পদুম পাহি যেতিয়া ঠন ধৰি ফুলি উঠিব, তাৰ সৌৰভত তুমি সকলো পাহৰি যাবা। তোমাৰ কাৰণেই শকুন্তলাৰ, বা শকুন্তলাৰ কাৰণেই তোমাৰ সৃষ্টি প্রজ্ঞান।" মিচিকিয়া হাঁহিৰে মিচেছ ৰৰকাকতিয়ে প্রজ্ঞানৰ মুখলৈ চাই অন্তৰৰ ভাব বুজিবলৈ চেষ্টা কৰিলে।

"ইজনী ছোৱালীৰ কথা যে নকৈলা ?" প্রজ্ঞানে সৰু লৰাৰ দৰে সোধে।

"ইচ্ছা কৰিয়েই কোৱা নাই।" ৰৰকাকতিনীয়ে ভালকৈ বহি লৈ ডিঙিটো পৰিস্কাৰ কৰি আকৌ কৈ গ'ল, "যিমানে চালাক নহওক, মোৰ বোধেৰে প্রতিভা এতিয়াও নিচেই সৰু হৈ আছে। ইমান সৰু ছোৱালীৰ নিজৰ মনৰ উমান পাব পৰা অৱস্থা নৌ হয় এখোন। যাকেই ভাল লাগে, তাকেই এই বয়সৰ ছোৱালীয়ে ভাল পাওঁ বুলি ভাবে। মনৰ স্থিৰতা আহিবলৈ প্রতিভাৰ এতিয়াও বাকী আছে।"

"তেনেহলে শকুন্তলাই মোক সঁচাকৈয়ে ভাল পায়?" প্রজ্ঞানে উৎসাহেৰে সুধিলে।

"ও, পায়। কিন্তু এতিয়া হয়তো আত্মাভিমানী শকুন্তলাই সেইটো প্রকাশ নকৰিব পাৰে। তাই তোমাক অৱজ্ঞা কৰিবলৈ চেষ্টা কৰিব। তোমাক কটু কথা শুনাব। নিশ্চয়, নিশ্চয় শুনাব।" ৰৰকাকতিনীয়ে কিবা ভাবি আকৌ কয়,—"বুজিছা প্রজ্ঞান, শকুন্তলাৰ ধাতু তাইৰ মাকতকৈও মই ভালকৈ জানো। মই তাইক ভৰিৰ পৰা মূৰলৈকে, তাই বুজিব নোৱাৰা-কৈয়ে, তন্ন তন্নকৈ পৰীক্ষা কৰি চাইছোঁ। তাই কেৱল ৰূপৱতীয়েই নহয়, গুণৱতীও। তাইৰ দৰে ছোৱালী দ্বিতীয় এজনী মোৰ জীৱনত এতিয়ালৈকে দেখা নাই। তাইৰ সেই নীলাপদুমৰ দৰে চকুহালিলৈ চায়েই মই সকলো বুজিব পাৰিছোঁ। এনেকুৱা চকুৰ অধিকাৰিনী তিৰোতাৰ কথা—কিতাপতহে পঢ়িছিলো, দেখা নাছিলোঁ। পদুম কলি গঢ়ৰ চকুৰে তাই 'পদ্মিনী'। হাতভৰি-আঙুলি-নাক-মুখ-কপাল-চুলি-মূৰ-গা-কঁকাল-বুকু-নিতম্ব-কলাফুল—সকলোৰে লক্ষণ সাক্ষাৎ লক্ষ্মীৰ ৰূপ-বৰ্ণনাত উনুকিওৱাৰ দৰে। চেনেহৰ পো'লৈ ছোৱালী বিচাৰি যোৱা তিৰোতাৰ লক্ষণ বুজা চাঁন্দ সদাগৰৰ দৰে পিতৃ আজিও যদি কোনোবা আছে, মোৰ কথাত নিশ্চয় হয়ভৰ নিদি নোৱাৰিব!" ৰৰকাকতিনী ক্ষন্তেক ৰৈ এইবাৰ গহীন হৈ ক'লে, "এতিয়া, মই কি কৈছো—নিশ্চয় ভালকৈ বুজিব পাৰিছা?"

"মোৰ বোধেৰে শুদ্ধ পদ্মিনীৰ জন্ম আজিৰ দৰে বেমেজালিয়া পৃথিবীত সম্ভৱ নহয়!" প্রজ্ঞানে অকৰাৰ দৰে সোধে।

"মানে?"

"মানে—শকুন্তলা বোধকৰো আধা পদ্মিনী আৰু আধা শঙ্খিনী...."

মিচেছ ৰৰকাকতিৰ হাঁহি উঠি গ'ল। ক'লে—"তেনেহলে আৰু ভাল হ'ব। তুমি আধা 'শশক' আৰু আধা 'মৃগ' লক্ষণৰ পুৰুষ। 'শশক' অংশৰ লগত 'পদ্মিনী' আৰু 'মৃগ' অংশৰ লগত 'শঙ্খিনী'—সোণত সুৱগা হোৱাদি হ'ব, নহৰ জানো?"

প্রজ্ঞানেও এইবাৰ হাঁহিলে। ক'লে, "তুমি আজি মোৰ ওচৰত সাক্ষাৎ নিয়তী ৰূপে থিয় দিছাহি। তোমাৰ ইচ্ছাই পূৰ্ণ হওক!"

হঠাৎ আচৰিত ধৰণে পৰিবৰ্ত্তন হৈ সন্যাসিনীৰ দৰে হৈ পৰা এই গৰাকী মহিলাই, আকৌ সংসাৰী মানুহৰ দৰে কথা কোৱা দেখি প্রজ্ঞানৰ ভাল লাগিল। ইয়াৰ মল কাৰণ অনুসন্ধান কৰি প্রজ্ঞানে বুজিব পাৰিলে,

যে বিচাৰত মিচেছ ৰৰকাকতি আৰু প্রজ্ঞান দুয়ো ৰৰকাকতিৰ মৃত্যুৰ কাৰণে জগৰীয়া নহয় বুলি বিচাৰকে দিয়া ৰায়ৰ কথা শুনি আহিহে মিচেছ ৰৰ-কাকতিয়ে সেইদিনা প্রজ্ঞানৰ সমুখত বিয়াৰ প্রস্তাৱ উত্থাপন কৰিছিল। যিয়েই নহওক,—মানুহৰ ৰু-বু-বা-বা বোৰৰ সাময়িক ভাবে হলেও অৱসান হ'ল।

আশাৰ ৰেঙনি

এক

অলপতে হৈ যোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আই-এ, পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগে লগে গোটেই অসমতে প্ৰতিভাৰ নাম ফুটি ফাটি গ'ল। 'বুলেট্' দুৰ্ঘটনাৰ কাৰণে কৰা অপাৰেশ্যনৰ কাৰণে হস্পিতেলত পৰি থাকি প্ৰতিভা যেতিয়া সম্পূৰ্ণ ভাল হৈ ওলাই আহিছিল, তেতিয়া ফাইনেল পৰীক্ষালৈ বাকী আছিল মাত্ৰ তিনি মাহ সময়। সেইবাৰ যে পৰীক্ষা দিব পাৰিব, প্ৰতিভাই আশাকে কৰিব পৰা নাছিল। তথাপি এই কম সময়ৰ ভিতৰতে যিকণ পঢ়া-শুনা কৰিব পাৰিলে—তাৰেই পৰীক্ষা দি প্ৰথম বিভাগত আই-এ পাছ কৰাৰ উপৰিও, ইংৰাজী সাহিত্যত সমুদায় পৰীক্ষাৰ্থীৰ মাজত প্ৰথম হৈ প্ৰতিভাই যেতিয়া শতকৰা আশীতকৈও বেচি নম্বৰ ধৰি সেই বিষয়ত 'ডিষ্টিংশ্যন' পালে. শকুন্তলা, প্ৰকাশ, প্ৰজ্ঞান আৰু প্ৰতিভাৰ চিনা-জনা সকলোৱেই এফালে যেনেকৈ আচৰিত হ'ল—আনহালে সুখীও হ'ল তেনেকৈ। এটাইতকৈ বেচি ভাল লাগিল প্ৰকাশৰ। প্ৰকাশে মনে মনে এক প্ৰকাৰ ঠিৰাং কৰিয়েই পেলালে যে প্ৰতিভাক সি বিয়া কৰাবই। প্ৰতিভাৰ দুৰ্ঘটনাৰ সময়ত মাকে দ'াই দ'াই কৈ যোৱা কথা প্ৰকাশৰ ভালকৈ মনত থাকিলেও, এতিয়া সি ভাবিলে যে আকৌ এবাৰ মাক-বাপেকক এই বিষয়ে কৈ চোৱা ভাল হ'ব। কিজানিবা মেধাবী ছোৱালী বুলি মাক-বাপেকৰ মন ঘূৰেই। প্ৰেমত অন্ধ হোৱা মানুহৰ বিচাৰ বুদ্ধি বোধকৰো সদায়েই এনেকুৱা হয়। প্ৰকাশে জানো নেজানে যে ৰূপ, গুণ, বয়স, বুদ্ধি, শিক্ষা-দীক্ষাত কিবা ত্ৰুটি আছে বুলিতো আৰু প্ৰকাশৰ মাক-বাপেকে তেওঁলোকৰ একমাত্ৰ লৰা প্ৰকাশে প্ৰতিভাক বিয়া কৰোৱা প্ৰস্তাৱত আপত্তি কৰা নাছিল। ভাৰতৰ হিন্দু সমাজত প্ৰাচীন কালৰে পৰা চলি অহা জাতিভেদ প্ৰথাৰ দাসত্ব কম-বেচি পৰিমাণে সকলো হিন্দুৱেই মানি আহিছে। আজি মুখেৰে ইয়াক গৰিহণা দি বহুত সমাজ সংস্কাৰকে উঠাবলৈ চেষ্টা কৰা যেন দেখিলেও, কাৰ্য্যক্ষেত্ৰত কিন্তু সি এতিয়াও প্ৰায় আগৰ দৰেই আছে। 'আনৰ পৰিয়ালত কিবা হয় যদি হওক, কিন্তু মোৰ পৰিয়াল ঠিকে থাকক'—এয়েই কম-বেচি পৰিমাণে প্ৰত্যেক উচ্চ বৰ্ণ হিন্দুৰ মনৰ ভাব। প্ৰকাশৰ মনোভাবো হয়তো তেনেকুৱাই হ'লহেঁতেন—

যদিহে এনে ধৰণৰ পৰিস্থিতিত প্ৰকাশ নিজে পৰিবলগীয়া নহ'লহেঁতেন! সেইদেখি ই এটা বিশেষ কথা ; সাধাৰণ নহয়। কোনে জানে—এনে 'বিশেষ'বোৰেই যে পাঁচশ বা হাজাৰ বছৰৰ পিছত 'সাধাৰণ' হৈ নপৰিবৰ্গে?

ভুক্তভোগী নোহোৱাকৈ আনৰ অসুবিধা বা আৱশ্যক উপলব্ধি কৰিব পৰা মানুহ বৰ কম। তাতোকৈ কম কৌটি-কলীয়া প্ৰথা উলায় কৰি, সমাজ, লগাভগা, অঙহী-বঙহী, আই-বোপাই, ভাই-ভনী সকলোকে জলাঞ্জলি দি নিজ ৰুচি মতে কাম কৰিবলৈ সাহ কৰা মানুহ। কিন্তু 'প্ৰেম' এটা অদ্ভুত আকৰ্ষণী শক্তি। ই অসম্ভবকো সম্ভব কৰিব পাৰে। ইয়াৰ আকৰ্ষণত ৰজা, প্ৰজা, ধনী, দুখীয়া, উচ্চ, নীচ, সাধু, দস্যু, শত্ৰু, মিত্ৰ, সকলোৰে মাজত সৌহাৰ্দ্দ স্থাপন হৈ, এফালে যেনেকৈ মিলনৰ সেঁতু নিৰ্ম্মাণ হোৱা সম্ভব, আনফালে তেনে মিলনত বাধা পৰিলে—এক বা উভয় পক্ষই অকালতে অস্বাভাৱিক উপায়ে জীৱন পাত কৰি মিলনৰ আক্ৰোহ পূৰণ বা বিৰহৰ বেদনাৰ অৱসান ঘটাবলৈ চেষ্টা কৰাও দেখা যায়। পৃথিবীত অনুষ্ঠিত আত্মহত্যা বা ব্যক্তিগত হত্যা-কাণ্ডবোৰৰ ভিতৰত কেৱল প্ৰেম সংক্ৰান্ত আক্ৰোহ পূৰণ বা হতাশৰ হেৰ্ হুৰ্ তোলাৰ কাৰণে অনুষ্ঠিত হোৱা হত্যাই শতকৰা প্ৰায় ষাঠিতকৈও বেচি। সেই পিনৰ পৰা চাবলৈ গ'লে, প্ৰেমেই জীৱন বুলি কোৱা কথাষাৰৰ তাৎপৰ্য্য কিছু নহয় কিছু উপলব্ধি কৰিব পাৰি। য'তেই নাৰী—ত'তেই প্ৰেমৰ প্ৰতিদ্বন্দ্বীতা ; য'তেই প্ৰেমৰ প্ৰতিদ্বন্দ্বীতা ত'তেই শত্ৰুতা ; আৰু য'তেই শত্ৰুতাৰ চৰম ত'তেই হত্যাকাণ্ড। প্ৰণয়জনিত ঈৰ্ষা-অনলৰ উত্তাপ সহ্য কৰা বৰ টান। সি যিয়েই নহওক, প্ৰকাশৰ ৰঙীন মনে নিৰাশাৰ মাজত আশাৰ ৰেঙনি দেখা পালে। প্ৰতিভাৰ প্ৰশংসাৰে শতমুখ হৈ প্ৰকাশে মাক-দেউতাক উভয়লৈকে বেলেগে বেলেগে একোখনিকৈ চিঠি লিখিলে। মাকলৈ লিখা চিঠিত প্ৰকাশে স্পষ্টকৈ লিখিলে যে প্ৰকাশৰ প্ৰস্তাৱত মাক-বাপেক যদি মান্তি নহয়, তেনেহলে তেওঁলোকে প্ৰকাশক ত্যজ্য-পুত্ৰ বুলি ধৰি লৈ, যি ইচ্ছা কৰিব পাৰে। প্ৰকাশে নিজৰ পথ নিজে বাচি ল'ব।.... যদিহে মাক-বাপেকে প্ৰকাশৰ কথাত ৰাজি হয়, তেনেহলে প্ৰকাশ চিৰদিনেই মাক-বাপেকৰ একান্ত বাধ্য পুত্ৰ হিচাপে যি কৰ্ত্তব্য পালন কৰিব লাগে, সকলো পালন কৰি যাব।

ইংৰাজী সাহিত্যত শতকৰা ৮০ তকৈও বেচি নম্বৰ পাই প্ৰতিভাই সেই বিষয়ত বিশেষ পাৰ্গতালি দেখুৱাত প্ৰকাশে ভাবিলে যে প্ৰতিভাক যদি ইংৰাজীত বিশেষ ব্যুৎপত্তি অৰ্জ্জনৰ কাৰণে এতিয়াই বিলাতলৈ পঠিয়াই কেম্ব্ৰিজ বা অক্স্ফোৰ্ডৰ পৰা ইংৰাজী সাহিত্যত এম-এ পাছ কৰাই অনাৰ

পাৰি, তেনেহলে বিদ্যা আৰু গুণৰ কাৰণেই প্ৰতিভাৰ জাত বিচাৰ কৰিবলৈ হয়তো কোনো নেযাব। গ'লেও প্ৰতিভাৰ বিশেষ গুণেই সেইটো ঢাক খুৱাবলৈ সক্ষম হ'ব। তদুপৰি বিশেষ শিক্ষিত সমাজত প্ৰতিভাই ঠাই পালে, সেই সমাজৰ স্বাভাৱিক উদাৰতাৰ সুযোগে প্ৰতিভাই হয়তো লাভ কৰিবলৈ সক্ষম হব। তেতিয়া হলে, ক্ষত্ৰিয় সন্তান প্ৰকাশে প্ৰতিভাক বিয়া কৰালেও, উচ্চ শিক্ষিত সমাজত প্ৰতিভাক হেয় চকুৰে কোনেও নেচাব। সমাজৰ গোড়া সকলে যি ভাবে ভাবিব; সেই কথা লৈ প্ৰকাশৰ মূৰ ঘমুৱাবৰ সময় নাই। এতিয়া প্ৰকাশৰ পিতৃ-মাতৃ মিষ্টাৰ আৰু মিচেছ কাৰ্পুৰ সন্মতি পালেই প্ৰকাশ বক্ষা পবে।

পুতেকৰ আঁকোৱ-গঁজালি মনোভাৰ আৰু মানসিক অৱস্থালৈ লক্ষ্য বাখি, ৰাপুৰ দম্পতীয়ে ধীৰ-সুস্থিৰ ভাবে সকলো কথা চালিজাৰি ফঁহিয়াই চাই কি উত্তৰ দিব এই কথাটোকে দুয়ো তিনি দিন তিনি বাতি চিন্তা কৰি সিদ্ধান্ত কৰিলে যে, এনে অৱস্থাত প্ৰকাশৰ ইচ্ছাত হকা-বধা কৰা মানে একমাত্ৰ পুতেকক চিৰদিনলৈ হেৰুওৱা। আৰু হকা-বধা নকৰা মানে, অনুসূচীত সম্প্ৰদায়ৰ ছোৱালী এজনী নিজৰ একমাত্ৰ পুতেকলৈ বিয়া কৰাই আনি, নিজৰ মিটিৰ-কুটুমৰ পৰা ভবিষ্যতে চিৰদিনলৈ আঁতৰ হোৱা। এই উভয়-সংকটত পৰি প্ৰকাশৰ মাক-দেউতাকৰ চকুৰ টোপনি নোহোৱা হ'ল। ইতিমধ্যে প্ৰকাশৰ পৰা টেলিগ্ৰাম আহিল যে চিঠিৰ জবাব সোনকালে দিব লাগে। পিছ দিনাই আৰু এখন দীঘলীয়া চিঠি! প্ৰকাশে ইচ্ছা কৰা হ'লে নিজেই ডিগবইলৈ গৈ মাকৰ লগত সকলো কথা আলোচনা কৰি আহিব পাৰিলেহেঁতেন, কিন্তু নগ'ল। ভাবিলে, চিঠিত যি লিখা সম্ভৱ, মাক-বাপেকৰ সমুখত হয়তো সি একোকেই ক'ব নোৱাৰিব। এইখন চিঠিত প্ৰকাশে আৰু এটা প্ৰস্তাৱ দাঙি ধৰিলে।

"....মা, আগৰ চিঠিত মই সকলো কথা স্পষ্টকৈ লিখিছোঁ। সেই-দেখি ইয়াত নোদোঁহাবিলো। উত্তৰ নোপোৱা দেখি আকৌ লিখিলোঁ। ডিগবইৰ পৰা গুৱাহাটীলৈ 'এয়াৰ মেইলত' অহা চিঠি একে দিনাই পাব লাগে; তথাপি বৰ বেচি পলম হলে দুদিন।—কিন্তু মই চিঠি লিখা আজি পাঁচ দিন হ'ল। আজি অন্ততঃ চিঠিৰ উত্তৰ পাব লাগিছিল। সি যিয়েই নহওক, মই আকৌ অনুবোধ জনাও যেন—সকলো কথা দকৈ চিন্তা কৰি, মোৰ মনৰ দুঃচিন্তা দূৰ কৰিবা। দেউতাৰ চিঠিত মই সেইবোৰ কথা নাই লিখা যদিও, তোমাৰ চিঠিৰ পৰাই নিশ্চয় বুজিব পাৰিব। এইখিনিতে আৰু এটা অনুবোধ কৰিলো। দুয়োটা কথা একেলগ কৰি, এক মাত্ৰ লৰাৰ

একমাত্ৰ অনুবোধ বুলি ভাবি, তাৰ মৰ্য্যাদা বাখিবলৈ চেষ্টা কৰিবা বুলি আশা বাখিলোঁ।

"প্ৰতিভাৰ দৰে মেধাবী ছোৱালী সচৰাচৰ দেখা নেযায়। তদুপৰি দেখাই-শুনাই, কথাই-বতৰাই ছোৱালীজনী কেনে, তোমালোক দুয়ো নিজে দেখি গৈছা। ইয়াকো বজি গৈছা যে প্ৰতিভাৰ মাক-দেউতাক কেনে অমায়িক আৰু সবল চিতিয়া মানুহ। ইচ্ছা কৰা হ'লে তেওঁলোকে প্ৰতিভাৰ দুৰ্ঘটনাৰ পিছত, অইন নহলেও ক্ষতি পূৰণৰ দাবী কৰি মকৰ্দ্দমা কৰিব পাৰিলেহেঁতেন। তেনে কৰা হ'লে অৰ্থ ব্যয়ৰ লগতে কিযে এটা কেলেঙ্কাৰী হ'লহেঁতেন—সেই কথা তোমালোকে জানা। কিন্তু তাৰ এটিও নহ'ল। আমাৰ অসুবিধাৰ সুযোগ মিষ্টাৰ আৰু মিচেছ বৰাই নললে। এনেকুৱা উদাৰ মনৰ 'কাল্‌চার্ড্' মানুহৰ সংখ্যা বৰ সবহ নহয়। ইমানবোৰ গুণৰ অধিকাৰী এটা পৰিয়ালৰ একমাত্ৰ ছোৱালীৰ পাণি গ্ৰহণ কৰিব পৰাতো মই সৌভাগ্যৰ কথা বুলিয়েই ভাবোঁ। ভাবি চোৱাচোঁন, আমি যদি একে জাতৰ হ'লোহেঁতেন, এনে এটি প্ৰস্তাৱত তোমালোকে গৌৰৱ অনুভৱ নকৰিলাহেঁতেন নে? মই জানো, মোৰ পিতৃ-মাতৃ যথেষ্ট উদাৰ; কিন্তু মই ইয়াকো জানো যে—সেই উদাৰতা এনে ধৰণৰ অসবৰ্ণ বিবাহ সমৰ্থন কৰাৰ পক্ষে যথেষ্ট নহয়।

...."বাৰু, সেইবোৰ বাদ দিলোঁ। দেউতাৰ টকা অজস্ৰ। ইমানবোৰ টকা দেউতা বা তুমি অকলে কি কৰিবা?....নিশ্চয় একমাত্ৰ পুতেক বুলি মোকেই দিবা, নহয়নে? যদি দিয়া, এতিয়াই মই সেই টকাৰ এটা নগণ্য অংশ বিচাবিছোঁ। দাবী কৰা নাই। ভুল নুবুজিবা। খুজিছোঁ। মাত্ৰ পঁচিশ হাজাৰ টকা! সেই কেই হাজাৰ টকা প্ৰতিভাক বিলাতত চাৰি বছৰ পঢ়োৱাৰ খৰচ হিচাপে, প্ৰতিভাৰ নামে মই বেঙ্কত জমা থব খোজো। প্ৰতিভাক যদি মই বিয়াই কৰাওঁ, তেনেহলে, প্ৰতিভাৰ যোগ্যতা আছে যেতিয়াই, তাইক পঢ়ুৱাই-শুনাই যিমান দূৰ সম্ভৱ উপযুক্ত কৈ গঢ়ি তোলাটো মোৰ জানো কৰ্ত্তব্য নহয়? তোমালোকৰ পৰা 'হয়' সমিধান পালেই, প্ৰতিভাক মই আদালতৰ আইন মতে বিয়া কৰাম। তাৰ পিছত পো-ৰোৱাৰী দুয়ো গৈ তোমালোক পিতৃ-মাতৃৰ আশীৰ্ব্বাদ ল'মগৈ।

"বিশেষ আৰু একো নাই। ততালিকে উত্তৰ দি মোৰ মনৰ খু-দুৱনি মৰাব লগতে, ভবিষ্যত কৰ্ত্তব্য নির্ণয়ত মোক সহায় কৰিবা বুলি আশা কৰিলোঁ। ইতি—

'আশীৰ্ব্বাদাকাংক্ষী'
—প্ৰকাশ—"

চিঠিখন পাই মাক-বাপেকৰ মূৰ ঘূৰি গ'ল। বহুত ভবা-চিন্তা কৰি শেহত ইয়াকে ঠিক কৰিলে যে—প্ৰকাশে খোজামতে পঁচিশ হাজাৰ টকা এতিয়াই দিব; কিন্তু এটা সৰ্ত্তঃ 'বিলাতত চাৰি বছৰ পঢ়া-শুনা কৰি প্ৰতিভা পাছ্-তাছ্ কৰি ভাৰতলৈ উভতি নহালৈকে, প্ৰকাশে প্ৰতিভাক বিয়া কৰাব নোৱাৰিব। এই প্ৰস্তাৱত যদি প্ৰকাশ মান্তি হয়, তেনেহলে প্ৰকাশৰ দুয়োটা প্ৰস্তাৱতে মাক-বাপেক মান্তি।'

এই মতকে ব্যক্ত কৰি সেইদিনাই মাকে প্ৰকাশলৈ চিঠি লিখিলে। লগে লগে এখন টেলিগ্ৰাম দি জনাই দিলেঃ 'প্ৰস্তাৱ মঞ্জুৰ, চিঠি অনুসৰণত—মা।'

টেলিগ্ৰাম পাই প্ৰকাশৰ কি কৰোঁ কি নকৰো লাগিল। সেইদিনা আবেলি বাৰৰ বেৰিষ্টাৰ আৰু উকীল বন্ধু কেইবাজনকো নিমন্ত্ৰণ কৰি ঘৰত বেচ এটা গাৰ্ডেন পাৰ্টি দি দিলে। বিলাতত বেৰিষ্টাৰী পঢ়ি থাকোঁতেই হোৱা এই অভ্যাস মতে, মাজে মাজে প্ৰকাশে পাৰ্টি-টাৰ্টি দি থাকে দেখি, প্ৰকাশৰ বন্ধুসকলে একো সন্দেহ নকৰিলে। শকুন্তলা, প্ৰসেঞ্জিত বা অময়া-হঁতৰ পৰা পাৰ্টি দিয়া কথা প্ৰকাশে ইচ্ছা কৰিয়েই গোপনে ৰাখিলে।

....সিফালে ডিগৰইত প্ৰকাশৰ মাক-দেউতাকে ভাবিলে যে বুজন বৌমাহ ৰৰশীৰে ধৰিবলৈ হ'লে এৰাডোল দিবই লাগিব। তাকে নকৰি গাৰ বলেৰে টানিলে ৰৰশীও চিঙিব, মাছো ঘাইল হ'ব, উদ্দেশ্যও সিদ্ধি নহব।

মিচেছ কাপুৰে গিৰীয়েকক ক'লে যে প্ৰকাশৰ দৰে সাতাইশ বছৰীয়া এনেকুৱা এটা দেখনীয়াৰ স্বাস্থ্যবান ডেকা সাতাইশৰ পৰা ৩১ বছৰলৈকে এই চাৰি বছৰ কাল একেজনী ছোৱালীলৈকে খাপ পাতি বৈ থকাতো টান। তদুপৰি সকলৰে পৰাই প্ৰকাশৰ চঞ্চল মন আৰু খাম-খেয়ালি স্বভাৱৰ বিষয়েও মাকে ভালকৈ জানে। মাকে ভাবিলে, এই চাৰি বছৰতে প্ৰকাশৰ মনৰ পৰিবৰ্ত্তন আনিবলৈ পাৰিবাৰিক কূটনীতি, যিমান প্ৰয়োগ কৰা সম্ভৱ, কৰিব লাগিব। তথাপিও যদি নহয়গৈ, লাগে নহ'ব। কিন্তু—পুতেকৰ মনৰ বৰ্ত্তমান অৱস্থাৰ প্ৰতি উদাসীন হৈ গাৰ বলেৰে কিবা কৰিবলৈ গ'লে, বিপদ আছে। হিতেই হয়তো বিপৰীত হবগৈ পাৰে। লাভলৈ চাওঁতে মূলো হেৰুৱাব লাগিব।

ঘৈণীয়েকৰ যুক্তিত পতিয়ন গৈ মিষ্টাৰ কাপুৰে তেওঁৰ মততে হয়ভৰ দিলে। তেওঁ কলে, 'পচিশ হাজাৰ টকানো কি? তাতোকৈ বেচি দিয়ো যদি পুতেকক তেওঁলোকৰ মতলৈ ঘৰাই আনিব পৰা যায়—তাকো কৰিবলৈ তেওঁ ৰাজি।'

দুয়ো উৰাই ঘূৰাই হাঁহিলে। দুয়োৰে মন ৰৰ পাতল পাতল যেন লাগিল।

"ঋণাৰ ফৰ্ম্মুটি ক'ত লাগে, দেখা যাওঁক।" মিষ্টাৰ কাপুৰে কলে।

"বহুতো সময়ত 'হৰমূৰ্ চিন্তা, যি কৰে বিধাতা' বুলি কাম নকৰিলে নচলে। ব্যৱসায়ী হিচাপে এই অভিজ্ঞতা মোৰ যথেষ্ট আছে। কিন্তু বৈবাহিক ব্যৱসায়ত দেখিছোঁ বাপেকতকৈ মাক কাজী, মাতকৈ কাজী জী! —তোমাৰ জীয়েই নাই—সেই দেখি তুমিয়েই দুগুণে কাজী হৈ দেখুৱাব লাগিব!"

ধেমালিৰে ঢাকিবলৈ চেষ্টা কৰিলেও জীৱৰী-হীন কাপুৰ দম্পতীক ক্ষন্তেকৰ কাৰণে হলেও বেদনাৰ বানে বিন্ধি গ'লহি। দুয়ো দুয়োৰে চকুলৈ চাই, আকৌ চকু নমালে। দীঘল হুমুনিয়াহ এটি কাঢ়ি, মিচেছ কাপুৰে ক'লে—,"যি নাই, তাৰ কাৰণে হুমুনিয়াহ কাঢ়ি মনত কষ্ট দিয়া-তকৈ যি আছে তাকেই যথেষ্ট বুলি ভাবিবলৈ যত্ন কৰিলেই ঈশ্বৰকো বোধকৰো অসন্তুষ্ট কৰা নহব।" ঈশ্বৰৰ কথা মনত পৰোতেই, প্ৰতিভাৰ মাক-দেউতাকৰ কথা দুয়োৰে মনত পৰি গ'ল। প্ৰকাশ্যে একো নকলেও, প্ৰতিভাৰ প্ৰতি সহানুভতিত দুয়োৰে অন্তৰ উপচি পৰিল।

দুই

অগদিনা টেলিগ্রাম পাই প্রকাশৰ যিমান আনন্দ লাগিছিল—পিছদিনা মাকৰ চিঠিৰ পৰা সিমানেই ক্ষুন্ন হল। তথাপিও যথালাভ বুলি নিজৰ মনক প্ৰবোধ দিবলৈ চেষ্টা কৰিলে। প্ৰকাশে ভাবি আছিল যে মাক-বাপেকে নিশ্চয় খাটাং না' বুলিয়েই লিখিব। তেনেস্থলত যেতিয়া ইমান দূৰলৈকে মান্তি হৈছে, এই চাৰি বছৰ ধৈর্য্য ধৰাই বুদ্ধিমানৰ কাম হ'ব। মাক বাপেকৰ মনত অনৰ্থক কষ্ট দিতো একো লাভ নাই! তদুপৰি প্ৰকাশে ভাবিলে যে এতিয়া প্ৰতিভাৰ বয়স পোন্ধৰ বছৰ। চাৰি বছৰৰ পিছত তাই উনৈশ বছৰীয়া গাভৰু হ'ব। প্ৰকাশেও ভাবে যে উনৈশ-কুৰি বছৰেই ছোৱালীৰ বিবাহৰ উপযুক্ত বয়স। কুৰিৰ পিছতো বিয়া নিদিয়া ছোৱালীক বুঢ়ী আৰু ত্ৰিশৰ পিছতো বিয়া নকৰোৱা লৰাকহে বুঢ়া বুলিব পাৰি! 'কুৰিতে বুঢ়ী' বোলা কথাষাৰ যে বৈবাহিক সংক্ৰান্ততহে ব্যৱহাৰ কৰা হৈছিল, এই বিষয়ে প্ৰকাশ নিঃসন্দেহে। আজিৰ ব্যস্ত জগতত সেই মাত্ৰাৰ ম্যাদ আৰু পাঁচ বছৰকৈ ল'ৰা-ছোৱালী উভয়কে বঢ়াই দিলেও বেয়া নহয় বুলি প্ৰকাশে ভাবে। অৱশ্যে এই কুৰি বছৰটো পঢ়া-শুনা আদিত ব্যস্ত থকা ছোৱালীৰ কাৰণেহে বিবাহ উপযোগী বয়স। পঢ়া-শুনা নকৰি এনেয়ে ঘৰত খাই-বহি থকা ছোৱালীক সেই বয়সলৈকে বিয়া নিদিয়াকৈ ঘৰ-বুঢ়ী কৰাত কোনো যুক্তি নাই। কাম-কাজ বা পঢ়া-শুনাত ব্যস্ত নথকা এলেহুৱা ছোৱালীৰ মূৰত ষোলৰ দুৱাৰ দলিত ভৰি দিয়াৰ লগেলগেই—'দানৱৰ কাৰখানাই' সাধাৰণতে বাঁহ লৰলৈ কাৰবাৰ কৰেহি। এনে অৱস্থাত এবাল দিলে, দিৰ মূৰ-পোলোকা; এৰি দিলে চৰিব বাৰীৰ পিছফালে; নজৰ-বন্দীকৈ ৰাখিলে হ'ব খিটখিটীয়া স্বভাৱৰ! কোনো ফালে ৰক্ষা নাই! অতিপাত কড়া শাসন হ'লে, লাগে যদি ছিটিৰিয়া ৰোগেই দেখা দিব; নহলে ছোৱালীকেই ভাল পাবলৈ আৰম্ভ কৰি দিব! প্ৰতিভাৰ কথা নিশ্চয় সুকীয়া। ভালকৈ নাম কৰি পাছ কৰিবলৈ হ'লে, প্ৰতিভা পঢ়া-শুনাত ইমান ব্যস্ত থাকিব লাগিব যে—অন্যান্য বিষয়ে ভাবিবলৈ প্ৰতিভাৰ সময়েই নেথাকিব।

এনে ধৰণেই প্ৰকাশে নিজৰ মনক প্ৰবোধ দি, সাময়িক শান্ত্বনা লভিলে। কিন্তু কি হব? ডেকা-ডেকৰীৰ ব্যস্ততাৰ সুৰঙাই-সুৰুঙাইযে প্ৰেমৰ বীজানু

সোমাই থাকে, এই কথা প্ৰকাশে নিজৰ জীৱনতেই উপলব্ধি কৰিব পাৰিছে। সেয়েহে কৃত্ৰিম শান্ত্বনাক তল পেলাই মাজে মাজে সন্দেহৰ খোঁচনি মাৰিয়ে তাক অস্থিৰ কৰি তোলেহি। কিন্তু উপায় নাই। এফালে মাক-বাপেক, আন ফালে নিজৰ ভবিষ্যত—এই উভয় কুল ৰক্ষা কৰিবলৈ হ'লে আৰু চাৰি বছৰ সি বাট চাবই লাগিব। এতিয়া উভতি যোৱাৰো সময় নাই। বিলাতলৈ প্ৰতিভাক পঢ়িবলৈ পঠাবই লাগিব। এবাৰ ভাবিলে, সিও আকৌ বিলাতলৈকে যাবগৈ নেকি? কিন্তু উপযুক্ত হেতু সদ্যহতে একো বিচাৰি উলিয়াব নোৱাৰিলে। মাক বাপেকে তাৰ এই দুটা প্ৰস্তাৱত মান্তি হোৱাটোকেই এটা ডাঙৰ কথা বুলি সি ভাবিলে। সি যদি এতিয়া—প্ৰস্তাৱৰ পিছত ন ন প্ৰস্তাৱ উৎথাপন কৰি থাকে, লাভলৈ চাওতে মূলো হেৰুৱাব দৰে, প্ৰতিভাক বিয়া কৰাবলৈ অনুমতি দিয়া কথাটোকেই হয়তো মাক-বাপেকে অসন্তুষ্ট হৈ উঠাই ল'ব। তেতিয়া....তেতিয়া সি কি কৰিব?.... নাই, ধৈর্য্য সি ধৰিবই লাগিব।....মাত্ৰ চাৰিটা বছৰ! চাওঁতেই কাটি যাব, সি ভাবে।

প্ৰতিভাক বিলাতলৈ যোৱাৰ কাৰণে লগা আৱশ্যকীয় পাছপাঁ আদিৰ কাৰণে প্ৰকাশে লেখা-লেখি কৰিলে। অতি সোনকালেই সকলো যোগাৰ হৈ গ'ল। অইনকি—অকলৈ ইমান সৰু ছোৱালী এজনী বিলাতলৈ কেনেকৈ যাব—এই চিন্তাৰ পৰাও প্ৰকাশ ৰক্ষা পৰিল। শকুন্তলাৰ ককায়েক প্ৰেসেঞ্জিতে ব্যৰিষ্টাৰী পঢ়িবলৈ প্ৰতিভাৰ সৈতে একেখন জাহাজতে বিলাতলৈ যোৱা ঠিক হৈ গ'ল। প্ৰতিভাৰ বিলাত-যাত্ৰাৰ সঙ্গী হিচাপে প্ৰসেঞ্জিত এনেকৈ জুটি যোৱাত প্ৰকাশে এফালে যেনেকৈ একপ্ৰকাৰে ভালেই পালে আনফালে অলপ চিন্তান্বিত নোহোৱাকেও অৱশ্যে নেথাকিল।

*

শকুন্তলা, শকুন্তলাৰ মাক মিচেছ চাওলা আৰু প্ৰকাশ, তিনিও প্ৰতিভা আৰু প্ৰসেঞ্জিতক বোম্বেলৈকে আগবঢ়াই সাগৰৰ যাত্ৰীবাহী জাহাজত তুলি দিলেগৈ।

উকি মাৰি জাহাজ এৰি দিয়ালৈকে শকুন্তলাৰ মাক জীয়েক আৰু প্ৰকাশ ড'কৰ ফ্লেটত উঠি ৰুমাল জোকাৰি জোকাৰি সিহঁতক ৰিদায় দিলে। জাহাজ ক্ৰমে সাগৰৰ ঢৌ ঠেলি ঠেলি আগবাঢ়ি গ'ল। চাওঁতে চাওঁতে ৰিণি ৰিণি দূৰণিত জাহাজখন সাগৰৰ বুকুত যেন ক্ৰমে লীন হৈ যাবলৈ ধৰিলে।

আনন্দ আৰু বিষাদৰ অন্তৰ লৈ সেই দিনাই তিনিও অসমলৈ বুলি প্লেনেৰে ৰাওনা হ'ল।

*

ইজিপ্তৰ নাছেৰ চৰ্কাৰে হাতত লোৱা অশ্বান বান্ধটো সম্পূৰ্ণ কৰাৰ কাৰণে আমেৰিকাই সাহায্য নিদিও বুলি কোৱাৰ পিছত চুৰেজ কেনেলৰ উনসত্তৰ বছৰীয়া ইওৰোপীয় কৰ্ত্তৃত্বাধীনক ওফৰাই ইজিপ্ত চৰকাৰে চুৰেজ খাল নিজৰ হাতলৈ আনি ইংলণ্ড, ফ্ৰান্স বা আমেৰিকাৰ কোনো জাহাজ তাৰ মাজেদি অহা-যোৱা কৰিবলৈ নিদিয়াত কিযে এটা চাঞ্চল্যকৰ আন্তর্জ্জাতিক পৰিস্থিতিৰ উদ্‌ভৱ হৈছিল—সেই কথা জগতৰ বুৰঞ্জীত বৰ বৰ আখৰেৰে লিখা থাকিব। নাছেৰ চৰকাৰৰ লগত আপোচ মিমাংসা হোৱাৰ পিছত আকৌ যেতিয়া ইজিপ্ত চৰকাৰৰ কৰ্ত্তৃতাধীনত চুৰেজ খাল ইওৰোপ আমেৰিকাৰ জাহাজ অহা-যোৱা কৰিবলৈ মুকলি কৰি দিয়া হ'ল—ব্যৱসায়ী মহলৰ মুখলৈ পানী আহিল। আকৌ আগৰ দৰে জাহাজৰ যাতায়ত হবলৈ ধৰিলে।

চুৰেজখাল পুনৰ মুকলি কৰি দিয়াৰ পিছত ভাৰতৰ পৰা ইংলণ্ডলৈ যোৱা প্ৰথম বৃটিছ জাহাজ খনতেই প্ৰতিভা আৰু প্ৰসেঞ্জিত বিলাতলৈ গৈছিল সেইদেখি প্ৰতিভাৰ পোন প্ৰথম ইংলণ্ড যাত্ৰা ঘটিছিল বিশ্ব বুৰঞ্জীৰ এটি অতি চাঞ্চল্যকৰ মুহূৰ্ত্তত। সেই জাহাজত থকা প্ৰতিজন আৰোহীৰ নাম যদি বুৰঞ্জীত লিখা হ'লহেঁতেন, তেনেহলে প্ৰতিভা প্ৰসেঞ্জিতৰ নামেও তাত নিশ্চয় ঠাই পালেহেঁতেন!

তাৰ কিছু দিনৰ পিছতেই ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীজৱহৰলাল নেহেৰু কমনওৱেল্‌থ প্ৰধান মন্ত্ৰী-সম্মিলনত যোগ দিবলৈ ইংলণ্ডলৈ যাওতে, প্ৰধান মন্ত্ৰীক তাত সম্বৰ্দ্ধনা জনাবলৈ অহা ইংলণ্ডত থকা ভাৰতীয় ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰসেঞ্জিত-প্ৰতিভাও আছিল। ইংৰাজ ছাত্ৰ-ছাত্ৰী সকলৰ মুখত পণ্ডিত নেহেৰুৰ প্ৰশংসা শুনি প্ৰতিভা-প্ৰসেঞ্জিতৰ বুকু গৰ্বত ওফন্দি পৰিছিল। ভাৰতৰ কথা ওলালেই ইংৰাজ ছাত্ৰ-ছাত্ৰীসকলে সদায়েই কৈছিল: ভাৰতৰ দেহ আৰু আত্মা একত্ৰিত কৰিলেই আমাৰ চকুত ভাহি উঠে এটি যুগল মূৰ্ত্তি: গান্ধী আৰু নেহেৰু। এনে মন্তব্যৰ বিৰোধিতা কৰি তৰ্ক-বিতৰ্ক কৰা ইংৰাজ ছাত্ৰ-ছাত্ৰীওযে নাছিল এনে নহয়, কিন্তু তেওঁলোকৰ সংখ্যা শতকৰা দুজনতকৈ বেচি নহয়।

সমুদ্ৰ ভ্ৰমণ আৰু এই সকলো কথা বৰ্ণাই প্ৰতিভা-প্ৰসেঞ্জিতে শকুন্তলা আৰু প্ৰকাশলৈ চিঠি দিলে। আনন্দৰ পৰিবৰ্ত্তে বিষাদৰ ডাঁৰেহে যে প্ৰকাশৰ মুখখন নিমিষতে আমোলাই সেলালেহি। জোৰকৈ হাঁহিবলৈ চেষ্টা কৰিলেও, শকুন্তলাৰ চকুত প্ৰকাশ ধৰা পৰি গ'ল। একো মন্তব্য নকৰিলে শকুন্তলাৰ অন্তৰত সমবেদনাৰ এটি ক্ষীণ স্পন্দন তাই অনুভব কৰিলে।

তিনি

প্রকাশক মন মাৰি থকা দেখি সেইদিনা গধুলি শকুন্তলাই প্রকাশক ফুৰিবলৈ যাবলৈ লগ ধৰিলে। ইয়াৰ আগেয়ে শকুন্তলাই প্রকাশক তেনে অনুৰোধ কৰাটো দূৰৰে কথা, প্রকাশে কেতিয়াবা ক'ৰবালৈ যাবলৈ লগ ধৰিলেও, স্পষ্টকৈ নেযাওঁ বুলি কৈ দিয়ে। প্রকাশে এসময়ত শকুন্তলাৰ এই জেদ ভাঙিবলৈ নানান ফন্দী কৰিও বিফল মনোৰথ হ'ব লগীয়া হৈছিল। সেইদেখি আজি শকুন্তলাই নিজে এনেকৈ লগ ধৰাত আচৰিত হ'ল। জেদী শকুন্তলাই নিজৰ জেদ এৰি এতিয়া সেই জেদ যেন প্রকাশৰ ওপৰতহে জাপি দিলে। প্রকাশে স্পষ্টকৈ নেযাওঁ বুলি কলে।

শকুন্তলাই একো নকৈ কেৱল হাঁহিলে। কিছু সময় তলকা মাৰি থকাৰ পিছত হঠাৎ প্রকাশে কৈ উঠিল : "বলা, কলৈ যাবা।"

"নৈৰ পাৰলৈ।"

"কোনখিনিৰ নৈৰ পাৰলৈ ?"

"কাছাৰী ঘাটলৈ। সেই যে খেজুৰি জোপা আছে, তাৰ তলতে সেই ডাঙৰ শিল ছটাৰ ওপৰত বহি কথা পাতিম ব'লা।"

"কৰ্ম্মনাশালৈ মুখ কৰি ?" প্রকাশে ধেমালিৰ সুৰত সুধিলে।

"ও, একে সুৰতে শকুন্তলাই শলাগি ক'লে," কৰ্ম্মনাশ হ'ব বুলি ভয় কৰিছা নেকি ?

"এৱা, ব'লা, কৰ্ম্মতো নাশ হৈছেই, ন কৈ আৰু কি হ'ব ? তাতেই বহোগৈ।"

শকুন্তলাই গাড়ী উলিয়ালে। দুয়ো গৈ কেছাৰী ঘাট পালেগৈ। পকা খট্‌খটি আৰম্ভ হোৱা ঠাইৰ ওপৰৰ মুকলি ঠাই ডোখৰতে গাড়ী ৰখাই দুয়ো নামি নৈৰ গড়াৰ কাষৰ সেই খেজুৰি জোপাৰ তলৰ ডাঙৰ শিল ছটাৰ ওপৰত ব্রহ্মপুত্রৰ পিনে মুখ কৰি বহিলগৈ।

শাওন মাহ। ব্রহ্মপুত্রৰ পানী বাঢ়ি দুয়ো পাৰ ওপচাই পেলাইছে। পানীৰ কোঁবাল সোঁতে শকুন্তলা-প্রকাশ বহা প্রকাণ্ড শিল ছটাৰ গাত খুণ্ডা খাই ফালৰি কাটি যাওঁতে, অনৰৰত চলি থকা এটা কল্‌কলনি শব্দ শুনা গৈছে। কাছাৰী ঘাটত বান্ধি থোৱা দুই এখন সিপৰীয়া নাৱঁৰ বাহিকে

বিহাৰী মাছ মৰীয়াৰ নাও এখনো তাত দেখা গ'ল। মাৰ নাৱৰ দৰে দেখা সিপৰীয়া যাত্রী লৈ যোৱা মটৰ ইঞ্জিন লগোৱা লাঞ্চখন শেহ বাৰলৈ এৰি দি, উজান বজাৰৰ পৰা খেৱা দিবলৈ উজুৱাই গৈ থাকিল। চাওঁতে চাওঁতে নৈৰ পাৰত মানুহ প্রায় নোহোৱা হ'ল। সন্ধিয়াৰ এন্ধাৰ ঘনাই আহিল। দূৰৈৰ পৰা বহি থকা এহাল ডেকা ডেকেৰীৰ ক'লা ছাঁৰ দৰে দেখা প্রকাশ আৰু শকুন্তলাৰ চিল্‌ওৱেটটো : Silhouette : চাওঁতে চাওঁতেই এন্ধাৰৰ মাজত নাইকিয়া হৈ গ'ল। সিপাৰত টিমিক-টামাক্‌কৈ জ্বলি থকা চাকি-বোৰে নৈৰ বুকুৰ এন্ধাৰৰ ৰূপটো আৰু গহীন কৈ তুলিলে। সমুখত কল্পনাশা আৰু সোঁহাতে নৈৰ বুকুত থকা উমানন্দ দ্বীপটো বিৰাট ক'লা হাতী এটাৰ দৰে পানীৰ ওপৰত বৰশীৰ পুঙা ওপঙাদি ওপঙি থকা যেন দেখা গ'ল। সোঁপিনে পাৰত থৈ অহা আকাশী ৰঙৰ গাড়ীখনো শকুন্তলাই এন্ধাৰত মনিৰ নোৱাৰা হ'ল।

ইমান পৰে প্রকাশ আৰু শকুন্তলাই ব্রহ্মপুত্র নৈখনৰ বিশাল বুকুত হোৱা ঘটনা-দুর্ঘটনা আদিৰ বিষয়েই আলোচনা কৰি আছিল। বেচি ভাগ সময় শকুন্তলায়েই কথা কৈছিল। প্রকাশে কেৱল হুঁ! হুঁ!! কৈ শলাগি গৈছিল। প্রকাশৰ গধুৰ মনৰ উমান বুজি, শকুন্তলাই এবাৰ লাহেকৈ সুধিলে—

"প্রতিভা আৰু প্রসেঞ্জিত দাদা সুকলমে গৈ ইংলণ্ড পালেগৈ। সেই খবৰকে দুয়ো চিঠিত লিখি জনাইছে। ই জানো শুভ খবৰ নহয় ?"

"নিশ্চয় শুভ। কিন্তু এজনৰ শুভ খবৰ আন এজনৰ কাৰণে হয়তো অশুভও হ'ব পাৰে!" প্রকাশে গহীনাই ক'লে।

"মানে ?" শকুন্তলাই আচৰিত হৈ প্রকাশৰ উত্তৰলৈ বাট চালে।

"মানে সেয়ে। তোমাৰ ককাইদেৱৰাৰ তত্ত্বাৱধানত প্রতিভা নিশ্চয় খু-উ-ব সুখী, আৰু নিৰাপদ ?"

"মানে ?"

"মানে প্রতিভাৰ সম্পূর্ণ দায়িত্ব এতিয়া নিশ্চয় প্রসেঞ্জিতেই গ্রহণ কৰিব পাৰিব ? ....সুদূৰ ইংলণ্ডত...."

মুখৰ পৰা কথাষাৰ কাঢ়ি আনি শকুন্তলাই কলে, "সুদূৰ ইংলণ্ডত সকলোৰে পৰা আঁতৰত থাকি মোৰ দাদা প্রসেঞ্জিত চাওলাই প্রতিভাৰ দায়িত্ব কেনেকৈ গ্রহণ কৰিছে, এই কথাকেই জানো তুমি ক'ব খোজা নাই প্রকাশ ?

"তাকেই কৈছোঁ। তাকেই....তাকেই....তাকেই...." প্রকাশে তললৈ মৰটো গোঁজা মাৰি বহিল।

ককায়েক প্রসেঞ্জিতৰ দায়িত্ববোধ আৰু চৰিত্ৰৰ ওপৰত সামান্য ধৰণে হলেও প্ৰকাশে কটাক্ষ পাত কৰা দেখি শকুন্তলাৰ খণ্ডে মুৰৰ চুলি পালেগৈ। শকুন্তলাই ভাবে, তাইৰ ককায়েক প্রসেঞ্জিতৰ দৰে খোলা, উদাৰ, অমায়িক আৰু মৰ্য্যদাবোধ থকা ডেকা লৰা অতি কমেই তাই দেখিছে। নিজৰ পৰিয়াল বা দুই-এক বন্ধু-বান্ধৱৰ মাজতে সীমাবদ্ধ হৈ জীৱন যাপন কৰা আভিজাত্যাভিমানী পৰিয়ালৰ লৰা-ছোৱালীবিলাকে তথাকথিত মধ্যবিত্ত বা সাধাৰণ তৰপৰ মানুহৰ লৰা-ছোৱালীৰ মাজতো যে আদৰ্শ মনোভাবাপন্ন ডেকা-ডেকেৰী বহুতো আছে, এইটো স্বীকাৰ কৰিবলৈ সাধাৰণতে যেন টান পায়! ইয়াৰ মূলতেই যে সেই সকলৰ পৰা নিজক সদায় আঁতৰত ৰখাটোৱেই এইটো শকুন্তলায়ো বোধকৰো আজিও ভালকৈ নেজানে। সি যিয়েই নহওক, প্রসেঞ্জিতৰ ওপৰত থকা ভনীয়েকৰ ধাৰণা অৱশ্যে সঁচা॥ একেধাৰে খেলুৰৈ আৰু ভদ্রলোক—এই দুয়ো মনোবৃত্তিৰ সমন্বয়ত গঢ়ি উঠা প্রসেঞ্জিতৰ লগত যেয়ে এবাৰ কথা পাতিছে—,জীৱনলৈ কেতিয়াও পাহৰিব নোৱাৰে।

ছোৱালী হিচাপে শকুন্তলা যেনে জাকত জিলিকা, ল'ৰা হিচাপে প্রসেঞ্জিতো ঠিক তেনেকুৱাই। এনে এহাল ককাই-ভনী একেলগে ৰাটত ফুৰিলে, কাৰো সাধ্য নাই যে সেইফালে ঘূৰি নেচাব। ভেৰা লাগি চোৱা মানুহৰ চকুৰোৰ সহ্য নহয় দেখিয়েই, সাধাৰণতে গধূলিৰ আগতে এইহাল ককাই-ভনী একেলগে খোজকাঢ়ি কেতিয়াও ফুৰিবলৈ নগৈছিল। গাড়ীত অৱশ্যে সকলো সময়তেই ফুৰাত একো অশান্তিবোধ কৰা নাছিল।

"শুনা প্রকাশ", শকুন্তলাই খং দমাই ক'লে, "প্রতিভা বাৰু কিমানজনী ছোৱালী? সুদূৰ বিদেশত মোৰ দাদাই যদি তাইৰ খা-খবৰ লৈ নেথাকে, তাইৰ অকলশৰীয়া অকলশৰীয়া নেলাগিবনে? এতিয়া যে তুমি ইমানকৈ ভাবিছা, আগেয়েই নেভাবিলা কিয়? তুমিও দেখোন যাব পাৰিলাহেঁতেন বিলাতলৈ? নে নোৱাৰিলাহেঁতেন?"

"হুঁ" বুলি প্রকাশ মনে মনে থাকিল।

প্রকাশৰ মনৰ ভাব বুজাৰ উপায় নাছিল। তেতিয়া বেচ এন্ধাৰ হৈছে। কিছু সময় দুয়ো মনে মনে বহি থকাৰ পিছত শকুন্তলাই ক'লে,

"বলা প্রকাশ, ঘৰলৈ যাওঁ।"

"মই নেযাওঁ।" প্রকাশে ঘপকৰে ক'লে।

"কেলেই?"

"ক'ৰ নোৱাৰো।" শেহৰ এই কথাখিনি কওঁতে প্রকাশৰ মাতটো

ইমান কঁপিছিল যে শকুন্তলা ভয়তে শিয়ঁৰি উঠিল। তাই কি কৰিব নকৰিব ভাবিবলৈ নৌ পাওঁতেই প্রকাশ হঠাৎ বহাৰ পৰা খিয় দি চিয়ঁৰি ক'লে,

"শকুন্তলা মই যাওঁ।" কোৱাৰ লগে লগে বহা শিলছটাৰ পৰা ধাৰিষাৰ খণ্ডাল ব্রহ্মপুত্রৰ কোঁৱাল সোঁতৰ কল্‌বলনিত প্রকাশ জাপ মাৰি পৰিল। শকুন্তলাৰ চুলিৰ আগে জীৰ উৰি গ'ল! অজানিতে তাই "আই ঔ" বুলি চিয়ঁৰি উঠিল। ব্রহ্মপুত্রৰ কোৱাল সোঁতে প্রকাশক কলৈ লৈ গ'ল সেই ঘিটমিটিয়া এন্ধাৰত শকুন্তলাই একো বুজিব নোৱাৰিলে।

খন্তেকতে কেউফালৰ পৰা চিয়ঁৰ-বাখৰ কৰি কেইটামান নাৱৰীয়া সেই ফালে লৰি আহিল। সিপাৰলৈ যাবলৈ দুই এজন যাত্রী তুলি বৈ থকা এহাল নাৱৰীয়াই ডাঁৰ-ব'ঠা মাৰি কোবেৰে ভটিয়াই গ'ল। পাৰৰ পৰা এন্ধাৰ ভেদ কৰি প্রায় চাৰি-পাঁচটা টৰ্চ লৈ কেইবাজনো মানুহ শিলছটাৰ ওপৰত উঠিলহি। শকুন্তলাই সেঁহাই সেঁহাই প্রকাশ পানীত পৰি যোৱা কথাটো ক'লে। প্রকাশ যদি কেনেবাকৈ বাচে, তেনেহলে নিজে জাপমাৰি আত্মহত্যা কৰিবলৈ চেষ্টা কৰা বুলি হয়তো অপৰাধী সাব্যস্ত হৈ দণ্ডনীয় হ'ব এই ভয় কৰি, শকুন্তলাই আচল কথা গোপন কৰিলে।

নিস্তব্ধতাত মৰা যেন হৈ থকা কাছাৰী ঘাট আকৌ জী উঠিল। কাছাৰী ঘাটৰ পৰা শুক্লেশ্বৰ ঘাটলৈকে এইছোৱাত ব্রহ্মপুত্রৰ পানীৰ যুৰলিয়ে যুৰলিয়ে জাল মাৰি, কেইবাজনো নাৱৰীয়া আৰু মাছমৰীয়া প্রকাশক বিচাৰি ব্যস্ত হৈ পৰিল।

চাবি

এমাহ পিছত। সেইদিনা স্বর্গীয় ৺বৰকাকতীৰ বছেৰেকীয়া শ্ৰাদ্ধৰ দিন। মৃতকৰ ইচ্ছা অনুসৰি মিচেছ ৺বৰকাকতিয়ে পিণ্ডাদি দিয়াৰ ব্যৱস্থা নকৰি, কেৱল বন্ধু-বান্ধৱক মাতি সেই দিনা আবেলি চাহ-জলপান খুৱাৰ দিহা কৰিলে। বাৰটা খণ্ডত সমাপ্ত ৺বৰকাকতি ৰচিত প্ৰায় দুহেজাৰ পিঠিয়া পুথি 'কলাময়ী কামৰূপা'খনৰ বাহিৰেও তেওঁৰ 'বিবাহিতা বিধবা' নামৰ উপন্যাস এখনিও মিচেছ ৺বৰকাকতিয়ে সেই শ্ৰাদ্ধৰ দিনা প্ৰকাশ কৰিলে। ডাঙৰ কিতাপ বুলি প্ৰথমখনৰ এঘাৰ শ আৰু দ্বিতীয়খনৰ বাইশ শ খন ছপাইছিল। বাচি বাচি নিচেই এবাৰ নোৱাৰা বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ ভিতৰৰ পৰা প্ৰায় দুশমান লোকক হে তেওঁ নিমন্ত্ৰণ কৰিছিল। খোৱা-বোৱাৰ পিছত প্ৰত্যেকজন সাবালক আলহীক এই দুয়োখন কিতাপৰ একোখনকৈ উপহাৰ দিহে বিদায় দিছিল। সেইমতে স্বামীৰ বছৰেকীয়াত স্বামীৰ ইচ্ছানুযায়ী কাম কৰি মিচেছ ৺বৰকাকতিৰ মনটো বেচ পাতল পাতল লাগিল। বিশিষ্ট নিমন্ত্ৰিতসকলৰ সকলোৱেই ৺বৰকাকতিৰ প্ৰশংসাত শতমুখ হৈ আনন্দ মনেৰে বিদায় ল'লে। পিণ্ডাদিহীন স্বামীৰ শ্ৰাদ্ধ মৃতকৰ ইচ্ছানুযায়ীয়েই সম্পাদিত হ'ল।

আহিব লগীয়া বিশিষ্ট আলহী সকলো আহিল, গ'ল। তেতিয়াও কিন্তু প্ৰকাশৰ দেখা দেখি নাই। শকুন্তলা আৰু মাকক মিচেছ ৺বৰকাকতিয়ে আৰু অলপ সময় থাকিবলৈ কোৱাত আপত্তি নকৰিলে। প্ৰজ্ঞানতো লাগিয়েই আছে।

"প্ৰকাশ এতিয়াও নাহিল কিয়?" মিচেছ ৺বৰকাকতিয়ে ব্যগ্ৰ হৈ সোধে।

"তেওঁ যে বিশিষ্টতকৈও বিশিষ্ট আলহী!" ঠাট্টাৰ সুৰত শকুন্তলাই ক'লে। অমিয়া আৰু তাইৰ সাতোজনী ভনীয়েকে হিঃ হিঃ কৰে হাঁহি দিলে। অমিয়াৰ চাৰিজনী বিয়া দিয়া বায়েকৰ এজনীও এই বছৰেকীয়ালৈ আহিব পৰা নাছিল। ভাৰতৰ ভিন ভিন ঠাইত গিৰিয়েকহঁতৰ চাকৰি হোৱাত, মাহেকীয়া শ্ৰাদ্ধলৈ আহোঁতেই কৈ গৈছিল—যে বছৰেকীয়ালৈ আহিব নোৱাৰিলে মাকে যেন বেয়া নেপায়। সেইমতে মাকেও সেই চাৰিজনী জীয়েকলৈ আশা ৰখা নাছিল। প্ৰত্যেকজনী জীয়ে অৱশ্যে দেউতাকৰ

শ্ৰাদ্ধত খৰচ কৰিবলৈ যি পাৰে—পঠাবলৈ পাহৰা নাছিল।

সি যিয়েই নহওক, প্ৰকাশৰ কাৰণে সকলোৱে উদ্‌গ্ৰীৱ হৈ বাট চাই থাকিল।

তেতিয়া প্ৰায় সন্ধিয়া সাৱে সাত বাজিছে। শকুন্তলাই ৰেডিও পকাই দিলে। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা সেইদিনা প্ৰচাৰ হবলগীয়া নাটক চেক্স্‌পিয়ৰৰ 'জুলিয়াচ চিজাৰৰ' অসমীয়া অনাতাঁৰ অভিযোজনা শুনো বুলি। মাৰ্কাছ এণ্টনিয়াছে জনতাৰ তেজ উতলোৱা ওজস্বিনী ভাষাৰে বক্তৃতা দি থকাৰ সময়তে উপস্থিত হ'লহি প্ৰকাশ। ৰেডিওটো কেউফালে ৰৰি ধৰি নাটক শুনি থকা ন জনী ছোৱালীয়ে একেলগে গিৰ্জনি মাৰি খিক্‌খিকাই হাঁহি দিলে। সিটো কোঠাত বহি কথা পাতি থকা মিচেছ চাওলা আৰু মিচেছ ৺বৰকাকতিয়ে "কি হ'ল?" বুলি ভুমুকি মাৰি চাই দেখিলেহি যে প্ৰকাশ আহিছে।

ক'ৰ ৰেডিঅ', কলৈ গ'ল! এটাই কেউজনী ছোৱালীয়ে প্ৰকাশক ৰেচি ধৰি কৈফিয়ৎ সোধাত লাগিল। দুই এজনীয়ে ঠাট্টাৰ সুৰত ক'লে, "আজিও কাছাৰী ঘাটলৈ গৈছিল হ'বলা?"

প্ৰকাশে এতিয়া কিন্তু বেচকৈ বুজিছে—কি অন্যায় কৰিছিল সি আজি এমাহৰ আগতে! দীঘলী পুখুৰীত দীঘলে দীঘলে একেৰাহে ছবাৰ অহা-যোৱা কৰিব পৰা প্ৰকাশ যে ব্ৰহ্মপুত্ৰৰ পানীত জাপ দি ডুব গৈ তল সুঁতিত নপৰিলে সহজে নমৰে—, এই কথা সকলোৱে জানে। মৰিম বুলি ভাবি জপিয়াইছিল যদিও, পানীত পৰাৰ লগে লগে বচাৰ হেঁপাহে প্ৰকাশক গাঁতুৰিবলৈ উদগাইছিল। সেই দেখি নাৱৰীয়াই গৈ সহায় কৰাৰ আগতেই, ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতত ভটিয়াই গৈ শুক্লেশ্বৰ ঘাটৰ নৰ্থ-ব্ৰুক্ গেটৰ খুটিখটিৰ ওচৰতে প্ৰকাশ গৈ পাৰত উঠিছিলগৈ। জলৌ-জপৌ তিতা পোছাকত কোনোবাই দেখে বুলি একেকোৱে এখন বিক্সাত জপিয়াই উঠি, ঘৰলৈ গৈ কাপোৰ কানি সলাই গা-পা ধুই সেই ৰাতি একো নোখোৱা-নোবোৱাকৈ শুই পৰিছিল। ৰাতিৰ ভিতৰতে অৱশ্যে বিক্সাৱালাৰ মুখৰ পৰা পানীত পৰা মানুহৰ কথাটো ওলাই পৰি, আৰ মুখে তাৰ মুখে গৈ নাৱৰীয়াৰ মুখৰ পৰা শকুন্তলাৰ কানত পৰাত, প্ৰকাশৰ ঘৰলৈ গৈ মিচেছ চাওলা আৰু শকুন্তলাই প্ৰকাশক বাৰুকৈয়ে কথা শুনাই আহিছিল।.... এই সঁচা ঘটনাৰ গল্পটো লৈ প্ৰকাশক এই এটাই জাক ছোৱালীয়ে প্ৰায়ে জোকাই নঙৰ নাগতি কৰে। সেইদিনাও কৰিলে। উপায় নেপাই বেচেৰাই ৰকৰাব দৰে হাঁহি থিয় হৈ থাকিল। 'কটাঘাত খাৰনিৰ ছাট' দিয়াৰ দৰে

ইয়াৰ মাজতে যেতিয়া মিচেছ বৰকাকতি আহি অতি গম্ভীৰ ভাবে ক'লেহি যে—নিমন্ত্রত সকলৰ সকলোৱেই প্ৰকাশলৈ বাট চাই চাই হতাশ হৈ ঘৰলৈ গ'ল, প্ৰকাশে বৰ লাজ পালে। সি গহীন হৈ বহি পৰিল। প্ৰকাশক এনেকৈ গহীন হোৱা দেখি এটায়ে ভাবিলে যে—যথেষ্ট হৈছে। এতিয়া মাতি নি ভালকৈ খুৱাই দিয়া যাওঁক।

ইজনী সিজনীকৈ অময়াৰ এটাই কেউজনী ভনীয়েকে আহি প্ৰকাশক খাবলৈ মাতিলে। প্ৰকাশ কিন্তু একে ঠাইতে লৰচৰ নকৰাকৈয়ে বহি থাকিল। নিজকে তাৰ বৰ অপৰাধী অপৰাধী যেন লাগিল। বিশেষকৈ তেওঁৰ স্বামীৰ প্ৰথম বছেৰেকীয়া শ্ৰাদ্ধৰ দিনা মিচেছ বৰকাকতিৰ অসন্তোষৰ কাৰণ প্ৰকাশ নিজেই হৈ পৰা দেখি, সি বৰ অনুতপ্ত হ'ল।

"ক্ষমা কৰিব মিচেছ বৰকাকতি। মই আহোঁ বুলিও সময় মতে আহিব নোৱাৰি আপোনাসকলক অসুবিধাত পেলোৱাৰ কাৰণে সঁচাকৈয়ে দুঃখিত।"

মিচেছ বৰকাকতিয়ে কৃত্ৰিম খং দেখুৱাই ক'লে, "বাৰু হৈছে। এতিয়া যোৱা, ছোৱালীহঁতে বি যোগাৰ কৰিছে—হাত মুখ ধুই খোৱাঁগৈ।"

প্ৰকাশে যেন উশাহ পালে। খপ কৰে উঠি মানুহক খুউৰা-মুউৰা কৰা কোঠাটোলৈ গৈ মেজৰ কাষত এখন চকীত বহি পৰিল। অময়াকে আদি কৰি আঠজনী বাই-ভনীয়ে ইজনীয়ে এটা সিজনীয়ে এটাকৈ মিঠাই দি, কেইবাখনো প্লেট প্ৰকাশৰ সমুখত মেজত থৈ তাৰ মেজৰ চাৰিউফালে বেঢ়ি ধৰিলে।

"গোটেইখিনি খাব লাগিব, আমি নহলে নেৰো, পলম কৰিছিলা কেলেই?" অময়াই ক'লে।

শকুন্তলাই ক'লে, "হয়তো, নেখালে পেলনি নেযাব নেকি? খা-আ-বই লাগিব। কিবা হলে ইনোজ্ ফ্ৰুট্ চল্ট আছে, খুৱাই দিম!"

এটাই জাক ছোৱালীয়ে হিঃ হিঃ কৈ হাঁহি দিলে। অময়াৰ ১৩ বছৰীয়া নুমলীয়া ভনীয়েকজনীয়ে কোনোবা তলকত গৈ খপকৰে আলমাৰিৰ পৰা ফ্ৰুট্ চল্টৰ বটলটো আনি প্ৰকাশৰ সমুখত মেজৰ ওপৰতে থ'লেহি। এইবাৰ প্ৰকাশে আৰু হাঁহি ৰাখিব নোৱাৰিলে।

প্ৰজ্ঞান অকলে অকলে আগফালৰ আৰামী চকী এখনত বহি ঠেং ঠুং মেলি ওপৰলৈ চাই কিবা গুণা-গঁথা কৰি আছিল। এটাই জাকৰে হাঁহি-খিকিন্দালি শুনি ভুমুকি মাৰি চাই, প্ৰজ্ঞানেও হাঁহিৰ বোলটো আৰু দীঘলীয়া কৰি দিলে।

"ধুইছা প্ৰকাশ," প্ৰজ্ঞানে ক'লে,—"পলমকৈ আহি ভালেই কৰিলা। তুমি অহাৰ আগলৈকে দহ-বাৰজনক একেলগে খুৱাই-বুৱাই সোধপোচ কৰাৰ ভাৰ পৰিছিল একে। একোজনীৰ। এতিয়া ঠিক তাৰ বিপৰীতটো। এজনকে আঠজনীয়ে খুৱাইছে; আৰু তাৰ তদাৰক কৰিছে স্বয়ং শকুন্তলাই। এনে ভাগ্য বাৰু কেইজনৰ?"

এইবাৰো এটায়ে হাঁহিলে। মিচেছ বৰকাকতিৰ ঘৰৰ চালৰ তলত এনে ধৰণৰ মুকলিমৰীয়া হাঁহি-খিকিন্দালিৰ বোল বৰকাকতি ঢুকুৰাৰ পিছত সেইদিনাই প্ৰথম।

প্ৰকাশে চাহ-জলপান খাই উঠাৰ পিছত এটায়ে দৈ বৰকাকতিৰ দ্ৰইং ৰুমত বহিলগৈ। মিচেছ চাওলা আৰু মিচেছ বৰকাকতিও আহি কথাত যোগ দিলেহি। প্ৰজ্ঞানেও আহি এখন চকীত প্ৰকাশৰ মুখামুখীকৈ বহিল। এনেতে বাহিৰৰ বাৰান্দাত কলিং বেলৰ ইলেক্ট্ৰিক চুইচ্টো কোনোবাই দুই তিনি বাৰ টিপাত কোন আহিছে—চাবলৈ অময়া ওলাই গ'ল। ইতি-মধ্যে ভিতৰত কথা-বতৰা বেচ জমি উঠিছিল।

অলপ পিছতে হাতত এখন টেলিগ্ৰাম লৈ 'খবৰ! খবৰ! বুলি চিঞৰি অময়া উধাতু খাই লৰি সোমাই আহিল।

"কি হ'ল অময়া? ইমান ফূৰ্ত্তি কিহৰ?" মাকে সুধিলে।

"ফূৰ্ত্তি নহ'ব?....এইখন কি চোৱা!" অময়াই বাহিৰতে খুলি চাই অহা টেলিগ্ৰামখন মাকৰ হাতত দিলেহি। এক্সপ্ৰেছ টেলিগ্ৰাম। মাকৰ নামে। এটাই কেউজনী ছোৱালীয়ে 'চাওঁ, চাওঁ', বুলি মিচেছ বৰকাকতি বহি থকা চকীখনৰ চাৰিও পিনে কোধাৰি পাতি থিয় দিলেগৈ।

"হেৰা, ছোৱালীহঁত, তেনেকৈ হেঁচা মাৰি ধৰিছাহঁক কেলেই? চাওঁ ওচা, তোমালোকৰ মাৰক নেদেখা হ'লোঁ নহয়!" মিচেছ চাওলাই তেনেকৈ কোৱাত সমুখৰ দুজনীমানে অলপ আঁতৰি দিয়াত মিচেছ বৰকাকতিক আকৌ দেখা গ'ল। সকলোৱে শুনাকৈ মিচেছ বৰকাকতিয়ে ডাঙৰ ডাঙৰকৈ টেলিগ্ৰামখন পঢ়িলে।

"প্ৰতিভা আৰু মোৰ আজি আদালতত বিয়া হৈ গ'ল। আশীৰ্ব্বাদ তাঁৰ কৰিব। সবিশেষ মালৈ গৈছে। —প্ৰসেঞ্জিৎ।"

(Protiva and I got married in Court to-day. Wire blessings. Details despatched mother. Prasenjit.)

টেলিগ্রামখন পঢ়াৰ লগে লগে অময়া আৰু শকুন্তলাৰ বাহিৰে বাকী আটাই কেউজনী ছোৱালীয়ে "আই ঐ দেহি, কি মজা!' বুলি একেলগে চিঞৰি উঠিল। সৰু কেইজনীয়ে প্ৰায় জপিয়াই অহাদি আহি আকৌ নিজ নিজ ঠাইত বহিলহি। মিচেছ ৰৰকাকতি, মিচেছ চাওলা, আৰু প্ৰজ্ঞান গহীন হৈয়ে থাকিল। মিচেছ চাওলাৰ দুই চেলাউৰিৰ মাজডোখৰ খোপ খালে। বিশ্বাস নহ'ল সেইখন সঁচাকৈয়ে পুতেক প্ৰসেঞ্জিতৰ টেলিগ্ৰাম!

"চাওঁ চাওঁ টেলিগ্ৰামখন দিয়কচোন; মই নিজে চাওঁ।" অময়াই মাকৰ হাতৰ পৰা টেলিগ্ৰামখন আনি তেওঁক দিলেহি। দীঘলকৈ উশাহ টানি শকত দেহাটোৰ সম্পূৰ্ণ ভৰ থৈ, মিচেছ চাওলা চকীখনত আওজি বহি গভীৰ চিন্তাত মগ্ন হ'ল।

"আপোনাৰ ঘৰতো নিশ্চয় টেলিগ্ৰাম দি গৈছে। ৰ'ব, মই কোনোবা এটাক পঠাই খবৰ কৰাওঁ।" ৰৰকাকতিনীয়ে কলে।

"নেলাগে—নেলাগে, মই এতিয়াই ঘৰলৈ যাম।" মিচেছ চাওলা যাবলৈ উঠোতেই, জগদ্বীশ ফোপাই জোপাই আহি সেইখিনি পাইছিলহি।

"মাইজী, এখন এক্সপ্রেছ টেলিগ্ৰাম...। চাহাব ঘৰত নাই। ময়ে চহী কৰি ৰাখিলো। থিয়ৈ থিয়ৈ ইয়ালৈ লৈ আহিছোঁ! ছোটা চাহাবৰ টেলিগ্ৰাম নহয়তো মাইজী?...."

জগদ্বীশৰ হাতৰ পৰা টেলিগ্ৰামখন লৈ খামটো ফালি মিচেছ চাওলাই তাত চকু ফুৰালে। হয়, প্ৰসেঞ্জিতৰেই। সেইখন শকুন্তলাৰ হাতত দি মাক আকৌ চকীখনত বহি পৰিল।

"প্ৰতিভা আৰু মোৰ আদালতত আজি বিয়া হ'ল। আশীৰ্ব্বাদ তাঁৰ কৰিব। সবিশেষ চিঠিত লিখিছোঁ। —প্ৰসেঞ্জিৎ।"

টেলিগ্ৰামখন লৈ এটাইবিলাক ইমান ব্যস্ত হৈ পৰিছিল যে প্ৰকাশ বা প্ৰজ্ঞানে কি কৰিছিল কাৰো মন কৰিবৰ সময় নাছিল। অময়া আৰু শকুন্তলাই ইজনীয়ে সিজনীৰ চকুলৈ চোৱা-চুই কৰিলে। হঠাৎ দুয়োৰে চকু প্ৰকাশৰ পিনে পৰাত শিয়ঁৰি উঠিল। প্ৰকাশৰ মুখখন অতিপাত ৰঙা হৈ পৰিছে। বহা চকীখনৰ বাহুত হাত দুখন ঘহাৰ দৰে কৰি সি প্ৰায় পোন হৈ বহি চিপাহীয়ে লেফ্‌ট বাইট্‌ কৰাৰ দৰে ভৰিৰ জোতাৰে জোৰে জোৰে মজিয়াত খুন্দিয়াবলৈ ধৰিছে।

তাৰ তেনে মূৰ্ত্তি দেখি প্ৰকাশলৈ আঙুলিয়াই আঙুলিয়াই অময়াৰ সৰু

ভনীয়েক কইজনীয়ে খিক্‌খিকাই হাঁহি দিলে। মুখেৰে একো নেমাতিলেও ছোৱালীহঁতৰ তেনে ফিচিঙা ফিচিঙি হাঁহিত প্ৰকাশৰ খং চাৰিগুণ চৰিল। হঠাৎ সি থিয় দি সকলোৰে সমুখত পিঞ্জৰাবদ্ধ বাঘৰ দৰে ইফাল সিফাল কৰিবলৈ ধৰিলে। অৰ্থপূৰ্ণ দৃষ্টিৰে শকুন্তলাৰ পিনে সি বাৰে বাৰে চাই, দাঁত মুখ কৰচিবলৈ ধৰিলে।

গোটেই কোঠাটোৰ ভিতৰত সম্পূৰ্ণ নিৰিকাৰ হৈ আছিল একমাত্ৰ প্ৰজ্ঞান। কম বেচি পৰিমাণে তেতিয়াই তেনে এটি আকস্মিক খবৰ পট্‌ কৰে হজম কৰাটো দুৰৰে কথা, বিশ্বাস কৰিবলৈকে টান পাইছিল।

"বোধকৰো টেলিগ্ৰাম কেইখন জাল।" মনৰ অস্থিৰতা আৰু খঙৰ মাত্ৰা দমাই প্ৰকাশে ক'লে।

"মই সেই বুলি নাভাবো।" প্ৰজ্ঞানে গহীনাই ক'লে, "আজিৰ পৰা ঠিক এবছৰৰ আগেয়ে, ৰাতি প্ৰায় ইমান সময়তেই এদিন মিচেছ ৰৰকাকতি আৰু মই শকুন্তলাহঁতৰ ঘৰলৈ যাওঁতে প্ৰসেঞ্জিতক দেখিয়েই মোৰ মনলৈ এনে এটা ভাব আহিছিল।" কথাষাৰ প্ৰজ্ঞানে মাজতে এনেয়ে ক'লে। কিন্তু সেয়ে মিচেছ ৰৰকাকতিৰ মনটো হঠাৎ আমোলাই পেলালে। সেই অদৃষ্টপূৰ্ণ ৰাতিতেই আজিৰ পৰা ঠিক এবছৰৰ আগেয়ে প্ৰজ্ঞানৰ সৈতে ঘৰলৈ উভতি আহি পিৰালিত ভৰি দিয়াৰ লগে লগে ৰৰকাকতিনীৰ বৈধব্য ঘোষণা কৰি গুৰুম কৰে ধ্বনিত হোৱা বন্দুকৰ শব্দই তেওঁৰ স্বামীক তেওঁৰ পৰা চিৰদিনৰ কাৰণে আতৰাই নিছিল। আৰু আজি তেওঁৰ স্বামীৰেই বছৰেকীয়া শ্ৰাদ্ধৰ দিন। গাত লোৱা উকা চাদৰখনৰ লোচটোৰে মুখখন ঢাকি ৰৰকাকতিনীয়ে বিমৰ্ষ মনেৰে তললৈ মুখ কৰি বহিল। আন ফালে গৰ্জি উঠিল প্ৰকাশ।

"তেনেহলে ইমান দিনে মোক কোৱা নাছিলা কিয়?" প্ৰকাশে প্ৰজ্ঞানৰ পিনে চোঁচা লৈ, সমুখলৈ আহি আঙুলি টোঁৱাই টোৱাই কলে, "....তুমি....তুমি....তুমিয়েই সকলো অনৰ্থৰ মূল। তুমিয়েই মোক শকুন্তলাক পাহৰি প্ৰতিভাক ভাল পাবলৈ উদগাইছিলা আৰু এতিয়া সেই একে জন তুমিয়েই প্ৰতিভাৰ লগত প্ৰসেঞ্জিতৰ বিবাহৰ খবৰ শুনি মোক উপ্‌লুঙা কৰিছা? মই, মই তোমাৰ এনে ধাপ্পাবাজী-জুৰাচুৰি আৰু সহ্য নকৰো।" প্ৰজ্ঞানক খোঁচা মাৰিবলৈ প্ৰকাশে মুঠি মৰা যেন দেখি—'সৰ্বনাশ হ'ল' বুলি সেই হেন শকত গাটোৰে কেনেকৈ যে কোন তলকত খপ কৰে উঠি গৈ মিচেছ চাওলাই প্ৰকাশৰ কঁকালত দুই হাতে গৰা মাৰি ধৰি টানিবলৈ ধৰিলে

কোনেও ততকে ধবিব নোৱাবিলে। বাধা পাই প্রকাশে দাঁত-মুখ কবচি—যিমান জোৰে পাৰে সিমানকৈ চিঞৰি চিঞৰি 'বাচকেল', 'স্কাউন্দ্রেল' আদি ধৰণৰ বেয়া কথাবে প্রজ্ঞানক গালি পাৰিবলৈ ধবিলে। প্রজ্ঞানে এবাৰ প্রকাশৰ ভৰিৰ পৰা মুবলৈকে লাহেকৈ চকু ফুৰাই, অলৰ অচৰ হৈ নিৰিকাৰ ভাবে একে ঠাইতে বহি থাকিল। আনফালে এটাই জাক ছোৱালী ভয়তে পেঁপুৰা লাগিল। প্রজ্ঞানৰ নিৰিকাৰ অৱস্থা দেখি শকুন্তলা আচৰিত হলেও বাহিৰত সেইটো প্রকাশ নকৰি প্রজ্ঞানৰ ওচৰলৈ উঠি আহি লাহেকৈ কলেঃ

"এনে হোৱাটো অনিবার্য্য বুলি তুমি সঁচাকৈয়ে ভাবিছিলা নেকি প্রজ্ঞানদা ?"

"মই এইমাত্র মোৰ মন্তব্য দিছোঁৱেই।" প্রজ্ঞানে সোঁহাতে থিয় হৈ থকা শকুন্তলালৈ চাই ক'লে, "মই একো হকা-বধা এই কাৰণেই কৰা নাছিলোঁ যে—তেনে কৰা হলে—সকলোৱে মোক ভুল বুজিলেহেঁতেন! হয়তো তুমিও...."

এৰাঃ!" শকুন্তলাই হুমুনিয়াহ কাঢ়ি ক'লে—, "মই কিবা ভৰা-নভবাৰ পৰা কি-ই-বা হ'লহেঁতেন তোমাৰ....?"

"বহুত কিবা কিবি হ'ল হেঁতেন!" প্রজ্ঞানে সাধাৰণ ভাবে কৈ তাৰ পিছত স্পষ্টকৈ ক'লে—, "কিন্তু মই আচৰিত হৈছোঁ; প্রকাশৰ মোৰ ওপৰত ইমান খং উঠিছে কিয়?"

"খং উঠিছে কিয়?" প্রকাশে বিদ্রূপৰ সুৰত ক'লে, "একমাত্র ঈশ্বৰে জানে—তোমাৰ মগজত আৰু কি সাংঘাতিক কথা এতিয়া ঘূৰিব লাগিছে।" প্রকাশ বহাৰ পৰা খপকৰে উঠি—"তোক শেষ কৰি দিম" বুলি গজি প্রজ্ঞানৰ পিনে আকৌ চোঁচা ল'লে। এইবাৰ শকুন্তলাই প্রকাশক আগভেটা দি ধৰি, বেচ টানকৈয়ে ক'লে,

"লাজ নেলাগেনে প্রকাশ তোমাৰ? তুমি বলিয়া হৈছা নেকি? তোমাৰ এইকণ ভাবিব পৰা শক্তি নাই? প্রজ্ঞানদাই তোমাক কৰিলে কি? অনর্থক প্রজ্ঞানদাৰ লগত কাজিয়া কৰি তোমাৰ কিবা লাভ আছে জানো?"

শকুন্তলাৰ পৰা এনে এটি পৰিস্থিতিত ইমান টান কথা শুনিব বুলি প্রকাশে আশা কৰা নাছিল। ৰৱঞ্চ ভাবিছিল যে প্রকাশৰ কার্য্যত শকুন্তলাই সহায়হে কৰিব। শকুন্তলাৰ সহানুভূতিকেই একমাত্র আশ্রয় বুলি প্রকাশে ইমান পৰে ভাবি আছিল। এতিয়া যেন সেই আশ্রয় কণো প্রকাশে হেৰু-ৱালে। হতাশ হৈ প্রকাশ ঘপকৰে ওচৰেৰে চকী এখনত বহি পৰিল। অলপ আগতে সিংহ মূর্ত্তি ধৰা প্রকাশ চকীখনত লেউসেউ হৈ ভাগৰত

ফোঁপাবলৈ ধবিলে। অলপ পিছতে মুৰ ঘুৰাই চকীখনত সি ঢলি পৰিল।

ধুমুহাৰ পিছত শান্ত হোৱাৰ দৰে কোঠাটো নিজম পৰিল। কিন্তু প্রকাশ ফিট্ হোৱাত সকলোৰে মনত আকৌ উদ্বিগ্নতাই দেখা দিলে। কোনোৱেৰা চকুত পানী মাৰি, কোনোৱে বিচনী, কোনোৱেৰা ফেন খুলি দি প্রকাশক শুশ্রূষা কৰিবলৈ ধবিলে। ঘৰখনত এক প্রকাৰ হুৱাদুৱা লাগিল। ডাক্তৰক মাতিবলৈ পঠিওৱা হ'ল। ডাক্তৰ আহে মানে প্রকাশে চকু মেলিলে।

শকুন্তলা, মাক আৰু প্রকাশ যেতিয়া 'চাওলা লজলৈ' ওলটে, বাতি চাৰে বাৰ বাজিছিল। বাতি হোৱা দেখি, আগে পিছে মাজে মাজে কেতিয়াবা থকাৰ দৰে, প্রকাশকো তাতে থাকিবলৈ কৈ মিচেছ চাওলাই ভাগৰ লাগিছে বুলি শুবলৈ গ'ল। জগদ্বীশে প্রকাশৰ শোৱাৰ বিছনা ঠিকঠাক কৰি দিলে।

প্রকাশ আৰু শকুন্তলা কিছু সময় দ্রইং ৰুমতে বহিল। ভাবিছিল, প্রতিভা-প্রসেঞ্জিতৰ কথাকে আলোচনা কৰিব। কিন্তু গোটেই দিনটো মিচেছ ৰৰকাকতিৰ ঘৰত খটাৰ কাৰণে টোপনিয়ে চকু জাপ খুৱাই আনিলে।

"বাৰু প্রকাশ, এতিয়া শোৱাঁগৈ। কাইলৈ বাতিপুৱাই এই বিষয়ে কথা বতৰা হ'ম। ৰৱ টোপনি ধবিছে।" শকুন্তলা উঠি শুবলৈ গ'ল। অনিচ্ছা স্বত্বেও প্রকাশে নিজৰ কোঠাত শুলেগৈ। বাতি কিন্তু তাৰ টোপনি নাহিল।

SARBANANDA MEMORIAL LIBRARY
No. .....
Date .....
P.O. JHANJI, SIBSAGAR

পাঁচ

পিছদিনা বাতিপুৱা শকুন্তলা যথেষ্ট সোনকালে উঠিল। ৰাতি এডোখৰ থাকোঁতেই তাইৰ হঠাৎ টোপনি ভঙাত চেষ্টা কৰিও পুনৰ টোপনি অনাৰ নোৱাৰিলে। আনহাতে পুৱতি নিশাৰ সময়লৈকে প্ৰকাশৰ টোপনি নহাত, শেহ নিশা তাৰ দুৰ্ঘোৰ টোপনি আহিল।

ৰাতিপুৱা চাহ খোৱা মেজত বহি মিচেছ চাওলাই প্ৰকাশৰ খবৰ ললে। জগদ্বীশে খবৰ দিলেহি। প্ৰকাশ তেতিয়াও দুৰ্ঘোৰ টোপনিত।

"আও, ইমান টোপনিনে? ৰাতি শোৱা নাছিল নেকি?"

"হব পাৰে।" শকুন্তলাই ক'লে, "কালি ৰাতি অমৰাইঁতৰ ঘৰত যিখন কাণ্ড হৈ গ'ল, বেচেৰাৰ চাগৈ সেইবোৰ ভাবোঁতে ভাবোঁতে টোপনিয়েই অহা নাছিল। এতিয়া শুইছে"——

"শোৱক তেনেহলে, এতিয়া জগাব নেলাগে। যেতিয়া উঠে উঠিব।" মিচেছ চাওলাই ক'লে।

মাক-জীয়েকে প্ৰকাশ নোহোৱাকৈয়ে চাহ-টাহ খাই আজৰি হ'ল।

শকুন্তলা নিজৰ পঢ়া কোঠালৈ গ'ল। মিষ্টাৰ চাওলা, ডিগৰইত, তেওঁৰ বন্ধু প্ৰকাশৰ দেউতাকক কিবা কামত লগ ধৰিবলৈ গৈছিল। সেই-দিনা আহি পালেহি। আহিয়েই প্ৰকাশৰ খবৰ ল'লেহি।

"আহিল পাপা?" শকুন্তলাই লৰি আহি দেউতাকক ভিতৰলৈ লৈ গ'ল।

"আহিলোঁ, পিছে প্ৰকাশ আমাৰ তালৈ আহি আছেনে নাই?" দেউ-তাকে সোধে।

"কালি ৰাতি আমাৰ তাতে আছিল।"

"পুৱাই গ'লগৈ হবলা?" দেউতাকে সোধে।

"নাই যোৱা। এতিয়াও শুই উঠা নাই।"

"কি? এই পৰলৈকে শুই উঠা নাই? ন বাজিল দেখোন"....

"নহয় পাপা, কালি শোৱঁতে পলম হৈছে। আমি মিচেছ ৰৰকাকতিৰ তালৈ গৈছিলোঁ।"

"অ' শ্ৰাদ্ধ সুকলমে হৈ গ'ল নে?"

"গৈছে।" শকুন্তলাই ককায়েক প্ৰসেঞ্জিতৰ পৰা অহা টেলিগ্ৰামৰ বিষয়ে একো নকলে। জানিছেই, মাকে ক'বই।

দেউতাক ভিতৰলৈ গ'ল। কাপোৰ-কানি সলাই হাত-মুখ ধুবলৈ বাথ-কমত সোমাল। ইতিমধ্যে প্ৰকাশ শুই উঠি হাত-মুখ ধুই শকুন্তলাৰ পঢ়া কোঠালৈ গ'ল। দুয়ো কালি ৰাতিৰ ঘটনাৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে।

"বুজিছা প্ৰকাশ", শকুন্তলাই ক'লে, "তোমাৰ বুদ্ধি চুটি বুলি মই জানো। কিন্তু মই জনা নাছিলোঁ, মেজাজ বোলা বস্তুটোৰ ওপৰতো যে তোমাৰ দখল ইমান কম!"

"কি কম দেখিলা?" প্ৰকাশে সোধে।

"মই অকলে দেখিব নালাগে, সকলোৱে দেখিছে।"

"কি দেখিছে?"

"তুমি যে নিজৰ খং অলপো দমাব নোৱাৰা!"

"এনে অৱস্থাত কাৰ বাৰু খং নুঠিব?"

"কেনে অৱস্থাত?" শকুন্তলাই নজনা ভাও ধৰি সোধে।

"তুমি নাজানা, কেনে অৱস্থাত? তোমাৰ! তোমাৰ নিজৰ কেনে লাগিছিল?"

"একো লগা নাছিল।"

"একো লগা নাছিল? মিচেছ ৰৰকাকতিয়ে যেতিয়া তোমাৰ প্ৰজ্ঞানক....."

"অ', সেই পুৰণি কথাটো?" শকুন্তলাই কথাটো পাতলাই দিবলৈ চেষ্টা কৰিলেও, প্ৰজ্ঞানৰ কথা কোৱা মাত্ৰকে তাইৰ বুকুখন চিৰিং কৰে গৈছিল। প্ৰকাশে ঠিক কথাই কৈছে, তাই ভাবে। প্ৰজ্ঞানক ৰৰ-কাকতিনীয়ে কাঢ়ি নিয়াত তাই যেনেকৈ সহ্য কৰিবলৈ টান পাইছিল; যেনেকৈ তাই টান পাইছিল—এসময়ত প্ৰজ্ঞানে প্ৰতিভাক বিশেষ মৰমৰ চকুৰে চোৱা দেখি, ঠিক তেনেকৈ প্ৰকাশৰ আশা-ভৰষা সকলোৰে মূৰত চেঁচা পানী ঢালি, এতিয়া প্ৰসেঞ্জিতে তাৰ প্ৰাণৰ প্ৰতিভাক চিৰদিনৰ কাৰণে তাৰ পৰা হৰণ কৰি নিয়া বাতৰি পাই, সি বাৰু কেনেকৈ থিৰেৰে ৰ'ব পাৰে? হয়তো, তেনে অৱস্থাত কোনো ডেকাই নোৱাৰিলেহেঁতেন!' শকুন্তলাৰ চকু দুটা সহানুভূতিত সেমেকি গ'ল।

"তুমি বিয়া কৰোৱা প্ৰকাশ!" শকুন্তলাই অতি গহীন হৈ ক'লে।

"বিয়া?" প্ৰকাশে উচৈচস্বৰে হাঃ হাঃ কৈ হাঁহি দিলে।

"হাঁহিলা দেখোঁন?" শকুন্তলাই বেজাৰেৰে সোধে।

"হাঁহিলো, কাৰণ তুমি মোক বিয়া কৰাবলৈ কৈছা!" প্ৰকাশে আকৌ হাঁহিলে।

"এয়া তোমাৰ কিহৰ হাঁহি প্ৰকাশ ?"

"বেজাৰৰ।" প্ৰকাশে গহীনাই ক'লে।

"প্ৰসেঞ্জিত দাদাই প্ৰতিভাক বিয়া কৰোৱাত বেয়া পাইছা ?" শকুন্তলাই গধুৰ ভাবে সোধে।

"বেয়া পাব নোৱাৰো নেকি ?" একে ধৰণৰ গধুৰ ভাবেই প্ৰকাশে সোধে।

"তুমি কি ভাবিছা ?"

"ভাবিবলৈ কিবা বাকী ৰাখিলেহে ভাবিম ?" প্ৰকাশৰ দুই চকুৰেদি হঠাৎ দুটোপাল চকুপানী ওলাই দুই গালেদি বাগৰি গ'ল। সেই চকুলো দেখি শকুন্তলাৰ অতি দুখ লাগিল।

"প্ৰকাশ, তোমাৰ জীৱনটোৰ প্ৰতি তোমাৰ আস্থা আছে যদি—মই আকৌ কওঁ—বিয়া কৰোৱা।"

"বিয়া! বিয়া! বিয়া! বাৰে বাৰে কেৱল বিয়া!" প্ৰকাশ অধৈর্য্য হৈ উঠে, "বিয়াৰ বাহিৰে আন কথা তুমি ক'ব নোৱাৰা নেকি ?"

"বিয়া নকৰালে যে তুমি".....

"মই কি ?"

"তুমি যদি আকৌ"....

"মানে, মই চুইচাইড্ কৰিম ?" প্ৰকাশে আকৌ জোৰকৈ হাঁহে।

"তুমি হাঁহিব পাৰা প্ৰকাশ। কিন্তু তোমাৰ এই হাঁহি আচল নহয়। তোমাৰ মনত এতিয়া সেই কথাটোকে ঘূৰিব লাগিছে।" শকুন্তলাই দৃঢ় ভাবে ক'লে।

"নাই ঘূৰা।" প্ৰকাশেও সেই একে দৃঢ়তাবেই জবাব দিলে।

"ঘূৰিছে।"

"নাই ঘূৰা.....নাই ঘূৰা.....নাই ঘূৰা".....

"বিয়েই নহওঁক, তোমাৰ নিজৰ, তোমাৰ আই-বোপাই, বন্ধু-বান্ধৱ—সকলোৰে মঙ্গল কামনা কৰা যদি তুমি বিয়া কৰাবই লাগিব প্ৰকাশ, তেহেলে তোমাৰ বিবাহৰ পাত্ৰী যেয়েই নহওক।"

"তাৰ মানে মই ইমানেই সস্তা যে—বাটৰ পৰা যেই সেই এজনী ছোৱালী ধৰি আনি বিয়া কৰাই পেলাব লাগিব ?" প্ৰকাশে আধা বিৰক্তি, আধা খণ্ডৰ সুৰত কয়, "তুমি মোক কি বুলি ভাবিছা শকুন্তলা ?"

"একো বুলি ভবা নাই।" শকুন্তলাই ক'লে, "যিজন ডেকাই প্ৰতিভাই দাদাৰ লগত বিলাতলৈ গৈ তাত এতিয়া বেচ ভাল পাইছে বুলি লিখো-

তেই বাৰিষাৰ ভৰা ব্ৰহ্মপুত্ৰৰ গড়াৰ পৰা পানীত জাপ মাৰি মৰিবলৈ চেষ্টা কৰিব পাৰে—সেই একেজন ডেকাই এতিয়া, সেই প্ৰতিভাৰ সঁচাসচিকৈয়ে দাদাৰ লগত বিয়া হোৱা খবৰ পাই যে আকৌ তেনেকুৱা বা তাতোকৈ ভীষণ কিবা এটা কৰি নেপেলাব, তাৰ কি নিশ্চয়তা আছে ?"

শকুন্তলাই প্ৰকাশক ডাঙৰ ডাঙৰকৈ বক্তৃতা দিয়া শুনি মাকে ভাবিলে—ইহঁতৰ আকৌ কিবা লাগিল হবলা! মাক প্ৰায় উধাতু খাই লৰি আহি ক'লে, "তহঁত দুটাই ইমান চিঞৰ-বাখৰকৈ কি তৰ্কখন লগাইছহঁক ? ইমানকৈ চিঞৰিব লাগেনে ?"

"একো হোৱা নাই, মা।" শকুন্তলাই হাঁহি ক'লে, "প্ৰকাশক সোনকালে বিয়া কৰাবলৈ কৈছোঁ।"

"অ', সেই কথা!" মাকে হাঁহি ক'লে, "পিছে বিয়া কৰাবলৈ তাৰ পচন্দৰ তপশিলভুক্ত ছোৱালী এজনী এতিয়া ক'ত পায় ?" মিচেছ চাওলাৰ কথাত এনে এটি চোকা বিদ্ৰূপৰ সুৰ ফুটি উঠিছিল যে, প্ৰকাশ বা শকুন্তলা কাৰো বুজিবলৈ বাকী নেথাকিল যে,—একমাত্ৰ পুতেক প্ৰসেঞ্জিতে বিলাতলৈ গৈ প্ৰতিভাক তাত বিয়া কৰোৱা খবৰটো শুনি মৰ্ম্মহত নহলেও মিচেছ চাওলাই মনত ৰৱ দুখ পাইছে। মাকে আকৌ ক'লে, "বুজিছা প্ৰকাশ, প্ৰসেঞ্জিতে আমাক এই বুঢ়া বয়সত এনেকৈ মনত কষ্ট দিব বুলি আশা কৰা নাছিলোঁ। একমাত্ৰ লৰা সি, তাৰ ওপৰত আমাৰ কিমান আশা আছিল!" মিচেছ চাওলাই চকুপানী টুকিলে। মাকৰ অৱস্থা দেখি প্ৰকাশৰ মনতো দুখ লাগিল। ভাবিলে, সি নিজেও মাক দেউতাকৰ একমাত্ৰ ল'ৰা। প্ৰতিভাক প্ৰকাশে বিয়া কৰালেও, মিচেছ চাওলাৰ দৰেই তাৰ মাকেও নিশ্চয় চকুপানী টুকিলেহেঁতেন! মিচেছ চাওলাই শকুন্তলালৈ চাই ক'লে,—দেউতাৰ এই মাত্ৰ ডিগৰইৰ পৰা আহি পাইছে। টেলিগ্ৰামখন দেখুৱাত দেউতাৰে কি ক'লে জান ?"

"কি মা ?" সহানুভূতিৰ সুৰত শকুন্তলাই সুধিলে।

"কৈছে যে কোনো ডেকা ল'ৰাক অবিবাহিত অৱস্থাত বিলাতলৈ পঢ়াশুনা কৰিবলৈ পঠাব নালাগে।"

"প্ৰসেঞ্জিতদা দেখোন—এইবাৰে সৈতে দুবাৰো বিলাতলৈ গৈছে। প্ৰথম বাৰতহে বেচি ভয়ৰ কাৰণ আছিল ?' দুখৰ মাজতো শকুন্তলাই হাঁহি-বলৈ চেষ্টা কৰিলে।

"ভাগ্য! ভাগ্য! দুৰ্কপাল! সকলো আমাৰেই দুৰ্কপাল!"

"ইমানকৈ বেজাৰ কৰিছা কিয় মা ?" শকুন্তলাই অধৈর্য্য হৈ কয়.

"মোৰ দাদাই অন্ততঃ এজনী ভাৰতীয় ছোৱালী বিয়া কৰাইছে। বিলাতৰ বাটৰ পৰা বুটলি অনা বাটলু এজনীতকৈও প্ৰতিভা বেয়া হ'ল নে?"

মাকে জৱদ হোৱা যেন অনুভৱ কৰিলে; আনহাতে প্ৰকাশে অলপ আগতে পাহৰিবলৈ চেষ্টা কৰা আক্ৰোহটোৱে আকৌ উক দি উঠিল। প্ৰকাশ অধৈর্য্য হৈ যাবলৈ উঠিল। শকুন্তলাই হাতত ধৰি জোৰকৈ আকৌ বহুৱাই দিলে। শকুন্তলাৰ মাকে মুখতে ভোৱভোৱাই কোৱাৰ দৰে ক'লে, "আমাৰেই ভুল। প্ৰসেঞ্জিতক এইবাৰ বিয়া কৰাই দিহে পঠাব লাগিছিল।" মাকৰ মুখৰ ওপৰতে শকুন্তলাই খপ কৰে ধৰি ক'লে,—

"ভুল? তোমাৰ লগত মই একমত নহওঁ মা'। মই তোমাক বহুতো উদাহৰণ দিব পাৰোঁ। আমাৰ বহুতো ভাৰতীয়ই বিয়া বাৰু কৰাই নিজৰ গাভৰু ঘৈণীয়েকহঁতক ভাৰততে এৰি থৈ, বিলাতত মেম বিয়া কৰাই তাতে ঘৰ-সংসাৰ পাতি বৈ গৈছে। আৰু ইফালে গিৰিয়েক উভতিৰ বুলি বাট চাই চাই তেনে কত গাভৰু শাহু-শহুৰ বা মাক-বাপেকৰ ঘৰতে থাকি ঘৰবুৰী হৈছে; বা শেহত উপায় নেপাই যাকে তাকে বিয়া কৰাই নিজৰ আই-বোপাই-শহুৰ-শাহু-মিটিৰ-কুটুম সকলোকে জলাঞ্জলি দি আন ঠাইলৈ গুচি যাবলগীয়া হৈছে!" শকুন্তলাই এইবাৰ আৰু স্পষ্টকৈ কয়—,

"বিবাহেই একমাত্ৰ ৰক্ষাকৰচ নহয় মা'!"

"ৰক্ষাকৰচ তেনেহলে কি?" মাকে বিদ্ৰূপৰ সুৰত কয়।

"একমাত্ৰ ৰক্ষা কৰচ প্ৰেম....প্ৰেম....প্ৰেম....প্ৰকৃত প্ৰেম...."

"তহঁতেই সেইবোৰ আলোচনা কৰি থাক, মই যাওঁ।" মিচেছ চাওলা তাৰ পৰা আঁতৰ হ'ল।

হঠাৎ এটা অস্বস্তিকৰ নিস্তব্ধতা বিৰাজ কৰিলে। যাবলৈ উচ্-পিচায়ো প্ৰকাশ যাব নোৱাৰিলে; আৰু শকুন্তলায়ো কি বুলি যে নিস্তব্ধতা ভঙ্গ কৰিব— ভাবি নেপালে। দুয়ো নিজৰ নিজৰ ঠাইত জোপোকা মাৰি বহি থাকিল। এনেকৈ প্ৰায় দহ মিনিটমান পাৰ হ'ল। তথাপিও কাৰো মুখত মাত বোল নাই। শব্দবিহীন ভাৰৰ সংঘাতত এই দুয়োটা প্ৰাণীৰ অৱস্থা পুতো লগা ধৰণৰ হ'ল।

সহানুভূতি....সহানুভূতি....সহানুভূতি। মৌনতালৈ ৰূপান্তৰিত হোৱা সহানুভূতিতকৈ বোধকৰো ডাঙৰ সহানুভূতি আৰু একো নাই।

ভাষাই য'ত হাৰ মানে, ত'তেই অন্তৰৰ গভীৰতম অনুভূতিয়ে সঁহাৰি দিয়েহি।

নিস্তব্ধতা ভঙ্গ কৰি শকুন্তলাই হঠাৎ এনেকুৱা এটা কথা কৈ দিলে যে প্ৰকাশৰ নিজৰ কাণৰ বিশ্বস্ততাৰ ওপৰতে সন্দেহ জন্মিল। হতভম্ব হোৱাৰ দৰে প্ৰকাশে সুধিলে সি যি শুনিছে—সেইটো জানো সঁচা?

"সঁচা প্ৰকাশ!" শকুন্তলাই হুক্ হুক্ কৰে কান্দি পেলালে। তাৰ পিছত অলপ সুস্থ হৈ আকৌ ক'লে, "কোৱা প্ৰকাশ, মই তোমাক ভাল নেপালেও তুমি জানো মোক বিয়া কৰাবা?"

প্ৰকাশে মুখেৰে একো নামাতি সন্দেহৰ চকুৰে শকুন্তলাৰ ভৰিৰ পৰা মূৰলৈকে এবাৰ চাই, বহাৰ পৰা খপ কৰে উঠি, কিবা ক'ব খুজিও ক'ব নোৱাৰি, ভোঁ ভোঁ কৰে গুচি গ'লগৈ।

শকুন্তলাৰ মনত তেতিয়া কি খেলাইছিল—বুজা টান। কিন্তু যেনে এটি পৰিস্থিতিত অপৰূপ দেহ-লাবণ্যৰ অধিকাৰিনী, তাইৰ দৰে এজনী পূৰ্ণ-যৌৱনাই হঠাৎ এনেকৈ তন্ময় হৈ পৰিছিল, তাৰ পৰা স্বাভাৱিকতেই যি কোনো ৰুচি সম্পন্ন দৰ্শকৰ মনত মহাকবি কালিদাসৰ নাট্য-কাব্যৰ দুষ্মন্ত-বিৰহ-কাতৰা শকুন্তলাৰ কথাকেই নিশ্চয় মনত পৰিব। কঠোৰ মনা কোনোবা দুৰ্ব্বাশাৰ আগমনত তাইৰ মনৰ আশা মনতে চূৰ্ণ হৈ যাব বুলি ভাবিও হয়তো অধৈর্য্য হৈ উঠিব সহানুভূতিশীল দৰ্শক। কিন্তু তাকে নহৈ যদি স্বয়ং দুষ্মন্ত আবিৰ্ভাব হৈ পৰিস্থিতিৰেই আমূল পৰিবৰ্ত্তন ঘটাই দিয়েহি, এনে কোন থাকিব পাৰে যি অসন্তুষ্ট হব? শকুন্তলাৰ সাময়িক তন্ময়তা ভঙ্গ কৰি সঁচাকৈয়ে সেই মুহূৰ্ত্ততে আকস্মিকভাৱে উপস্থিত হ'লহি প্ৰজ্ঞান! ওপৰলৈ চকু তুলি চাই প্ৰজ্ঞানক দেখি তাই নিৰ্নিমেষে চাই ৰ'ল। প্ৰজ্ঞানেও তাইক যেন আজি সম্পূৰ্ণ নতুন ৰূপতহে দেখা পালে। কালিদাসৰ শকুন্তলাৰ অনুপম ৰূপ বৰ্ণনাত মুগ্ধ হৈ জাৰ্ম্মান কবি সূক্ষ্মদৰ্শী গেটেই (Goethe) শকুন্তলাৰ সৌন্দৰ্য্যক স্বৰ্গ আৰু মৰ্ত্ত্যৰ দুপাহি সৰ্ব্ব শ্ৰেষ্ঠ পুষ্পৰ সমন্বয়ত গঢ়ি উঠা পাৰ্থিব-পাৰিজাত বুলি মন্তব্য কৰাৰ দৰে, কল্পনা-বিলাসী প্ৰজ্ঞানৰ মনতো তেনে এটি ৰূপতেই শকুন্তলাই আজি দেখা দিলে।

"শকুন্তলা।" প্ৰজ্ঞানে কোঠাত সোমোৱাৰ লগে লগে ক'লে, "কি হ'ল? ইমান বেজাৰ মনেৰে আছা কিয়?" চকী এখন টানি প্ৰজ্ঞান বহিল। "অ', বুজিছোঁ, কালিৰ কথাটো তুমি অনুমোদন কৰিব পৰা নাই, নহয়নে?"

"কেনেকৈ জানিলা যে মই বেয়া পাইছোঁ?" শকুন্তলাই সাধাৰণভাৱে সোধে।

"বেয়া পাইছা বুলি মই কোৱা নাই, কৈছোঁ প্রতিভাক তোমাৰ ককায়েকৰে বিয়া কৰাৰাটো তুমি নিশ্চয় সিমান ভাল পোৱা নাই?"

"বং ঘঁহি এন্ধাৰত ডেকেৰী হৈ থকা, বাটত বুটলি পোৱা এজনীৰ লগত সাঙোৰ খাই শেহত ইচ্ছাৰ বিৰুদ্ধে বাধ্য হৈ বিয়া কৰাই চিৰদিনে অনুতাপ অগ্নিত জ্বলি পুৰি কষ্ট খোৱাতকৈ, মোৰ দাদাই নিজৰ পচন্দ মতে এজনী ভাৰতীয় ধুনীয়া গাভৰু ছোৱালী বিয়া কৰাই বেচ দূৰদৰ্শিতাৰ পৰিচয় দিছে বুলিয়েই মই ভাবোঁ।....চেমনীয়া হ'লেও, প্রতিভা গাভৰু!"

"বেয়া নেপাবা শকুন্তলা। মই তোমাৰ মনত দুখ দিবলৈ তেনেকৈ কোৱা নাই। সুধিছোঁহে।" প্রজ্ঞানে সুৰ বদলাই আকৌ ক'লে, "কালি বাতি দেখা নাছিলা? এজনে মোক চুইহে নিকিলালে!" প্রজ্ঞানে মিচিকিয়াই অলপ হাঁহিলে।

"মইতো প্রকাশ নহওঁ।" শকুন্তলাই এচাৰ মাৰি কোৱাৰ দৰে ক'লে।

"সেই কথা ময়ো জানো। কিন্তু আমাৰ ভাৰতীয় যিবিলাক ডেকাই বিলাতলৈ গৈ বুটী মেমকে ডেকেৰী বুলি বিয়া কৰোৱাৰ কাৰণে প্রকাৰান্তৰে তুমি দুখ প্রকাশ কৰিছা, কিজানিবা সেই ডেকাবিলাকে তেনেকৈ নেভাবেই। অর্থাৎ, তেওঁলোকে কিজানি আগেয়ে প্রেমত পৰিয়েই তেনে কৰে?" প্রজ্ঞানে সৰু লৰাৰ দৰে শকুন্তলালৈ চালে।

শকুন্তলাই অনিচ্ছা স্বত্বেও ডাঙৰকৈ হাঁহি তাৰ পিছত ক'লে, "সেই বুলি প্রজ্ঞানদা, মই কোৱা নাই যে মিচেছ ৰৰকাকতিক তুমি ভাল নোপোৱা-কৈহে...."

"হৈছে শকুন্তলা, সেই কথা নুলিয়াবা।" প্রজ্ঞান অলপ অন্য মনস্ক হৈ পৰে।

শকুন্তলা অলপ অপ্রস্তুত হ'ল। সাহ কৰি তথাপি তাই ক'লে, "মই জানো প্রজ্ঞানদা, মিচেছ ৰৰকাকতিক তুমি ভাল পোৱা। সকলোৱে জানে, সেই গৰাকী মানুহ কিমান ধুনীয়া। কিমান কম বয়সীয়া যেন দেখি তেওঁক। সঁচাকৈয়ে কৈছোঁ প্রজ্ঞানদা, মিচেছ ৰৰকাকতিক তুমি বিয়া কৰালে মই নিশ্চয় খু-উ-ব সুখী হ'ম....নিশ্চয়....নিশ্চয়...."

এই নিশ্চয়! নিশ্চয়! টোত এনে এটা সুৰ মিহলি থকা যেন প্রজ্ঞানে অনুভৱ কৰিলে যে প্রজ্ঞানৰ চকু দুটা হঠাৎ সেমেকি গ'ল।

"ইমান ঘূৰাই পকাই কথাবোৰ কৈছা কিয় শকুন্তলা?" প্রজ্ঞানে অভিমানৰ সুৰত ক'লে, "তুমি জানা, মই তেওঁক ভাল পাওঁ, মই ভাল নেপাই নোৱাৰো....অথচ...." কিবা এটা কওঁ বুলি প্রজ্ঞানে ক'ব নোৱাৰিলে।

এটি বুকু ভগা হুমুনিয়াহ কাঢ়ি প্রজ্ঞানে হাঁহিবলৈ চেষ্টা কৰি ক'লে, "সঁচা শকুন্তলা, মই ৰৰকাকতিনীক ভাল পাওঁ।"

"মই জানো প্রজ্ঞানদা। ভাল পোৱা কি? মই জীৱনত এবাৰ শিকিছোঁ।" আচলেৰে মুখখন ঢাকি সিফালৈ মুখ কৰাত প্রজ্ঞানে ভালকৈ নেদেখিলে; কিন্তু তাইৰ বুকুখনত কান্দোনে ইমান বেচিকৈ হেঁচা মাৰি ধৰিলে যে হঠাৎ ডাঙৰ কৈ তাই কান্দি পেলালে।

কাঠৰ পুতলাৰ দৰে চকীখনতে জঠৰ হৈ প্রজ্ঞান বহি ৰ'ল।

শকুন্তলাই কিবা ক'ব খুজিও ক'ব নোৱাৰিলে। এইবাৰ তাই হুক্‌হুক্ কৰে কান্দি দিলে।

প্রজ্ঞানে উছপিচাবলৈ ধৰিলে। ভাবিলে, এতিয়া যদি ইয়াত মিচেছ চাওলা উপস্থিত হয়হি—কি ভাবিব বাৰু?

"শকুন্তলা! শকুন্তলা!" প্রজ্ঞানে ডাঙৰকৈ কলে, "আ....হ! নেকান্দিবা শকুন্তলা। কেঁচুৰাৰ দৰে এনেকৈ...."

"কেঁচুৰা?" কান্দি কান্দিয়েই শকুন্তলাই মুখ পাতি ধৰে, "কেচুৰা মই? নে তুমি?" খপকৰে বহাৰ পৰা উঠি গৈ প্রজ্ঞান বহি থকা চকীখনৰ বাউসীত দুই হাতৰ ভৰ দি, প্রজ্ঞানৰ মুখৰ নিচেই কাষলৈ নিজৰ মুখখন নি থৰ হৈ প্রজ্ঞানৰ চকুলৈ চাই ৰ'ল। তাৰ পিছত চকীৰ পৰা হাত এৰুৱাই প্রজ্ঞানৰ দুই কান্ধত দুখন হাতেৰে ধৰি জোৰেৰে জোকাৰি দি ক'লে,

"শুনা প্রজ্ঞানদা, তুমি নেভাবিবা মই ঈর্ষাতে তেনেকৈ কৈছোঁ। কাৰো প্রতি মোৰ ঈর্ষা নাই, কিন্তু মোৰ বিতৃষ্ণা....বিতৃষ্ণা....নহয়....নহয়....বিতৃষ্ণা নহয়....মোৰ মনটো কেনে লাগিছে—মই নিজেই ক'ব নোৱাৰোঁ।"

"অধৈর্য্য নহবা শকুন্তলা।" প্রজ্ঞানে থিয় দি শকুন্তলাক হাতত ধৰি নি বেৰাৰ কাষত থকা চোফা এখনত বহুৱাই দি, নিজেও তাত বহিল।

"ধৈর্য্য ধৰা শকুন্তলা।" প্রজ্ঞানে শকুন্তলাৰ মনৰ ভাব বুজিবলৈ চেষ্টা কৰি আকৌ কয়, "চোৱা শকুন্তলা, মোৰ চকুলৈ চোৱা।" শকুন্তলাই একো উত্তৰ নিদি তললৈ মুৰ কৰি থাকিল। প্রজ্ঞানে কৈ গলঃ "শকুন্তলা, মোৰ আজি আছে কি? মই....মই সকলোকে হেৰুৱালোঁ! ভাই-ভনী—অইনকি এসময়ত মোক ভাল পোৱা কলেজীয়া ছাত্র-ছাত্রীবিলাকেও, শুনিছোঁ, এতিয়া মোৰ কথা কৈ ইতিকিং কৰা হ'ল! গুৱাহাটীতেই উপজি, ইয়াতেই ল'ৰালি কালছোৱা কটাই, মাজডোখৰত অনাই বনাই ফুৰি, গুৱাহাটীৰ পুৰণি চিনাকিবিলাককো আজি মই যেন হেৰুৱাই পেলালোঁ। ভাবি আচৰিত হওঁ, মানুহবিলাকৰ হ'ল কি? যুদ্ধৰ আগত যি এটা পাৰস্পৰিক

আপোন-আপোন ভাব আছিল, সেইটো আজি ক'লৈ গ'ল? নিজৰ জন্মভূমিত বিদেশীৰ দৰে থাকি বাৰু কেনে লাগে?" প্ৰজ্ঞান বৈ গ'ল। শকুন্তলাই মুখেৰে নেমাতি তেতিয়াও তলমূৰ কৰি থকা দেখি আকৌ ক'লে "মোৰ দুখৰ কথা কৈ তোমাৰ মনৰ দুখবিলাকক উক দিয়াবলৈ যত্ন কৰা বুলি নেভাবিবা। কৈছোঁ নিজৰ মনটো পাতল লগাবলৈহে। গোটেই পৃথিবীয়েই আজি মোক ভুল বুজিছে....তুমিও...."

"ৰৰকাকতিনীয়েতো আৰু তোমাক প্ৰত্যাখ্যান কৰা নাই!" শকুন্তলাই খপ কৰে কৈ প্ৰজ্ঞানলৈ চাই আকৌ ক'লে, "নিশ্চয় তেওঁ তোমাক এতিয়াও ভাল পায়!"

"তাতেই মোৰ জীৱনৰ ট্ৰেজেদী শকুন্তলা! তেওঁ যদি মোক ভাল নেপালেহেঁতেন!" প্ৰজ্ঞানৰ বুকুৰ মাজৰ পৰা জোৰেৰে এটি হুমুনিয়াহ ওলাই আহিল। শকুন্তলাই প্ৰজ্ঞানৰ মুখলৈ এবাৰ চাই আকৌ তলমূৰ কৰিলে। প্ৰজ্ঞান ওচৰ চাপি আহি শকুন্তলাৰ প্ৰায় কাণৰ ওচৰত মুখখন থৈ লাহে লাহে গুণ গুণাই কোৱাৰ দৰে গড়্-গড়িয়া মাতটোৰে কৈ গ'ল: "মই কিমান সুখী হলোঁহেঁতেন! কিমান!—তেওঁৰ লগত যদি মোৰ চিনাকি নহ'লহেঁতেন! কিন্তু এতিয়া? এতিয়া তেৰেঁই যেন মোৰ সকলো। পাহৰিবলৈ ইমান চেষ্টা কৰিছোঁ; কেতিয়াবা নিজৰ ওপৰতে খং উঠি নিজকেই চৰিয়াও চৰিয়াও যেন লাগি যায়। তথাপি মই তেওঁক পাহৰিব পৰা নাই; নোৱাৰোঁ। তুমি হয়তো ভাবিছা....সেই বুঢ়ীজনীৰ কাৰণে...."

"মই জানো কেতিয়াবা বুঢ়ী বুলি কৈছোঁ?" যৎ সামান্য হলেও শকুন্তলাৰ কথাৰ সুৰত বিদ্ৰূপ মিহলি থকা যেন প্ৰজ্ঞানে অনুভৱ কৰিলে।

"দেখাত তেওঁ যেনেকুৰাই নহওক, তেওঁ যে বাৰজনী ছোৱালীৰ মাক, এই কথাটোতো কোনেও নজনা নহয়?"

"মাক বা বাপেক হোৱাটোৰেইতো বুঢ়া হোৱাৰ একমাত্ৰ চিন নহয়!" শকুন্তলা পোন হৈ বহিল, "মাতৃত্বৰ পৰা বঞ্চিতা এগৰাকী পয়ত্ৰিশ বছৰীয়া তিৰোতাই নিজকে গাভৰু ছোৱালী বুলি হয়তো ভাবিব পাৰে, কিন্তু জগতে নেভাবে...."

"নেভাবিলেও তেনে ছোৱালীৰ সংখ্যা আজি সৰহ।"

"মাতৃত্বৰ বোজা একওৱা সহজ কাৰণেই বোধকৰো বুঢ়ী ছোৱালীৰ সংখ্যা পৃথিবীত আজি সৰহ!"

"কাৰণ যিয়েই নহওক, তেনে ছোৱালীক দেখিলে মোৰ দুখ লাগে"।

"মাক হোৱা দুকুৰী বছৰীয়া এজনী বুঢ়ীৰ কাৰণে যাৰ অন্তৰত দুখ

লাগিব পাৰে—তেওঁৰ দুখনো কাক দেখিলে নেলাগিব?" শকুন্তলাই অভিমানৰ সুৰত ক'লে।

"মিচেছ ৰৰকাকতিক বাৰে বাৰে বুঢ়ী বুলি সোঁৱৰাই নিদিলেও, মই সেই কথা নজনা নহয় শকুন্তলা! কিন্তু বৰ্ত্তমানে মোৰ লগত তেওঁৰ সম্বন্ধ কেনে, জনা হলে হয়তো শিয়ঁৰি উঠিলাহেঁতেন!"

"নতুনকৈ শিয়ঁৰিবৰ কোনো আৱশ্যক নাই।"

"তুমি নেজানা শকুন্তলা। ৰৰকাকতিনী আজি পৃথিবীৰ নহয়!"

"মানে?" শকুন্তলাই আচৰিত হৈ প্ৰজ্ঞানৰ চকুলৈ চায়।

"তেওঁ আজি যিখন পৃথিবীত নিজকে ব্যস্ত ৰাখে—সেইখনত সংসাৰৰ মানুহ থাকিব নোৱাৰে। তেওঁ প্ৰেৰণাসিক্তা...."

"মই একো বুজা নাই।" শকুন্তলাই অভিমানৰ সুৰত কয়,

"তেনেহলে এতিয়া তেওঁ তোমাক ভাল নেপায়? কোৱা প্ৰজ্ঞানদা!"

"পায়, ভাল নেপাব কিয়? কিন্তু নিজৰ ল'ৰাৰ দৰে...."

"কি? নিজৰ ল'ৰাৰ দৰে?" শকুন্তলাই হাঁহিবলৈ চেষ্টা কৰে।

"ওঁ, ল'ৰাৰ দৰে।" প্ৰজ্ঞানে ক্ষোভতে যেন কয়, "এতিয়া মই তেওঁৰ ওচৰত কেচুৱা ল'ৰাৰ দৰে থাকিব লাগে। তেওঁ যি কয়—তাকে শুনিব লাগে। ঘণ্টাৰ পিছত ঘণ্টা ধৰি তেওঁ বকি যাব, আৰু মই সাধুকথাৰ দৰে সেইবোৰ শুনি যাব লাগে! কিন্তু সেইবোৰ পৃথিবীৰ কথা নহয় শকুন্তলা!" প্ৰজ্ঞানৰ চকু দুটা ডাঙৰ হৈ উঠিল। বিৰক্তিৰ বেঙনিয়ে চকু হালত এটা অস্বাভাৱিক উজ্জ্বলতা আনি দিয়া যেন শকুন্তলাই অনুভৱ কৰিলে। প্ৰায় কন্দনা মুৰা হৈ প্ৰজ্ঞানে ক'লে, "শকুন্তলা, মই বাৰু এই অত্যাচাৰ আৰু কিমান সহিম?"

"অত্যাচাৰ?" শকুন্তলাই নিজকে কোৱাৰ দৰে কৈ খপ কৰে প্ৰজ্ঞানলৈ চাই ক'লে "তেনেহলে মিচেছ ৰৰকাকতিয়ে তোমাৰ ওপৰত তেওঁৰ তথাকথিত আধ্যাত্মিক অত্যাচাৰ আৰম্ভ কৰিছে?" মিচেছ ৰৰকাকতিলৈ এফালে যেনেকৈ শকুন্তলাৰ খং উঠে, আন ফালে প্ৰজ্ঞানলৈ তাইৰ পুতৌ জন্মে।

"তথাকথিত বুলি নকৰা শকুন্তলা!" প্ৰজ্ঞানে প্ৰতিবাদ কৰে, "তেওঁ আজি সঁচাকৈয়ে আগৰ ৰৰকাকতিনী নহয়। স্বামীৰ মৃত্যুৱে তেওঁৰ জীৱনলৈ এক আচৰিত পৰিবৰ্ত্তন আনি দিছে। মৃত স্বামীৰ আত্মাৰ লগত তেওঁৰ আত্মাৰ যোগাযোগ স্থাপন কৰাটোৱেই যেন মিচেছ ৰৰকাকতিৰ আজি একমাত্ৰ ধ্যান!"

"তোমাৰ ওচৰত তেনেহলে কিহৰ বিক্তৃতা দিয়ে?" কৌতুহলেৰে

শকুন্তলাই প্রজ্ঞানৰ চকুলৈ চালে।

"বক্তৃতা, বক্তৃতা....আধ্যাত্মিক শিক্ষাৰ বক্তৃতা। মই বিনা প্রতিবাদে সেই বক্তৃতা শুনি যাব লাগে। লাগিবই।"

"নুশুনো বুলি ওচি আহিলেই হ'ল, তেওঁ কিবা বাধ্য কৰিব পাৰে নেকি?"

"তুমি তেওঁৰ বিষয়ে একোকে নেজানা, শকুন্তলা।" প্রজ্ঞানে লাহে লাহে অথচ স্পষ্টকৈ কৈ শকুন্তলাক বুজাবলৈ চেষ্টা কৰিলে। তেওঁ মোক বিয়া কৰাবলৈ পৰামর্শ দি এহাতে সংসাৰী হবলৈ কৈছে, আৰু আন হাতে নিতৌ সোঁৱৰাই আছে যে—সংসাৰত থাকি সংসাৰ পৰিত্যাগ কৰিব পৰা-টোৱেই মানুহৰ ধর্ম্ম!"

"এইবোৰ কথা মই বুজি নেপাওঁ।" শকুন্তলাই বিৰক্তিৰ সুৰত কয়—"তাৰ মানে তোমাক তেওঁ সন্ন্যাসী হবলৈ কৈছে?"

"সন্ন্যাসী, সন্ন্যাসী শকন্তলা....।"

"নাই, নাই প্রজ্ঞানদা। তোমাক সন্ন্যাসী হ'বলৈ মই দিব নোৱাৰোঁ।" শকুন্তলাই প্রজ্ঞানৰ সমুখত মজিয়াত আঠু কাঢ়ি বহি প্রজ্ঞানৰ দয়োখন হাতত ধৰি চকুলৈ একেথৰে চাই কৈ যায়, "কোৱা, প্রজ্ঞানদা, মোক কথা দিয়া: তুমি সন্ন্যাসী নোহোৱা।....সন্ন্যাসীৰ কাৰণে উপযুক্ত বয়স এতিয়াও তোমাৰ হোৱা নাই, প্রজ্ঞানদা। তমি এতিয়াও বুঢ়া হোৱা নাই। নাই—নাই.... তোমাৰ দৰে এনে এজন ডেকাক কোন সতে তেওঁ সন্ন্যাসী হবলৈ কৈছে?.... তেওঁৰ অন্তৰ বোলা এটা বস্তু নাই নেকি?" শকুন্তলাই প্রজ্ঞানলৈ ক্ষন্তেক দৃঢ়ভাৱে চাই ৰ'ল। তাৰ পিছত অনুনয়ৰ সুৰত ক'লে, "কোৱা প্রজ্ঞানদা, মোক কথা দিয়া, তুমি সন্ন্যাসী নোহোৱা?" শকন্তলাই এইবাৰ থিয় দি প্রজ্ঞানৰ হাত দুখনত ধৰি টানি বহাৰ পৰা তুলি দিলে। তাৰ পিছত প্রজ্ঞানৰ ডিঙিত দুই হাতেৰে ওলোমাৰ দৰে ওপৰলৈ মুখ কৰি, প্রজ্ঞানৰ চকুলৈ হাঁহো নেহাঁহো কৰা মুখেৰে চাই ৰ'ল। নীলা নীলা যেন দেখা তাইৰ বিশাল চকযুৰিয়ে প্রজ্ঞানৰ চকু দুটাৰ গোটেইখিনি চাৰনি যেন গ্রাস কৰি পেলালে! যন্ত্রৰ পুতলাৰ দৰে প্রজ্ঞান জঠৰ হৈ থিয় দি থাকিল। হঠাৎ মুখৰ পৰা ভৰিৰ গেৰোৱালৈকে প্রজ্ঞানৰ গাটো সিৰ্‌সিৰাই গ'ল। মুখটো ঘুৰাইছে, নে কেনে লাগিছে—প্রজ্ঞানে ক'ৰ নোৱাৰিলে। প্রজ্ঞানৰ ডিঙিত সাৰতি ধৰি প্রায় ওলমি পৰা যেন হোৱা শকুন্তলাৰ দীঘল দেহটো প্রজ্ঞানে নিজৰ পিনে আলফুলকৈ টানি আনি জোৰেৰে সাৰতি ধৰিলে। প্রজ্ঞানৰ ডিঙিৰ পৰা নিজৰ হাত এৰুৱাই শকুন্তলাই নিজৰ দেহৰ সম্পূর্ণ

ভৰ প্রজ্ঞানৰ হাতৰ ওপৰত এৰি দি, মুখটো পিছ ফালে কিঞ্চিৎ হলুৱাই প্রজ্ঞানৰ চকুলৈ একেথৰে চাই ৰ'ল। কোমল হাত দুখনেৰে প্রজ্ঞানৰ খুড়াবলগীয়া হোৱা দাঢ়িৰে খহটা হোৱা গাল দুখন লাহে লাহে মোহাৰি মোহাৰি ঘন ঘনকৈ উশাহ লবলৈ ধৰিলে। তাৰ পিছতেই ডাঙৰে কোলাত লোৱা কেচুৱাই টোপনি আহিলে ডাঙৰৰ বুকুত যেনেকৈ মুখ দি শোৱে সেইদৰে শকুন্তলাই নিজৰ মুখটো প্রজ্ঞানৰ বুকুত থৈ সোঁহাতেৰে প্রজ্ঞানৰ বাওঁ বাহুত পিহি পিহি কলে, "কোৱা প্রজ্ঞানদা, তুমি মোক ভাল পোৱা?" প্রজ্ঞানে একো নোকোৱা দেখি অধৈর্য্য হৈ শকুন্তলাই আকৌ ওপৰ মুৱা হৈ প্রজ্ঞানৰ চকুলৈ চাই নিজৰ মুখখন যিমান ওচৰলৈ নিব পাৰে—সিমান ওচৰলৈ নি, প্রজ্ঞানৰ ডিঙিত দুই বাহুৰে ধৰি চকুহাল আধা জাপ খুৱাই প্রায় মুখৰ ভিতৰতে কোৱাৰ দৰে ক'লে, "মাত্র এবাৰ—প্রজ্ঞানদা, মাত্র এবাৰ...."

প্রজ্ঞানে শকুন্তলাক আলফুলকৈ তেতিয়াও সাবটি ধৰি আছিল। প্রজ্ঞানে নিজৰ মুখখন ক্রমে শকুন্তলাৰ মুখৰ ওচৰলৈ আনি প্রায় একেগেত ব্যৱধানৰ পৰা শকুন্তলাৰ জাপ খাওঁ খাওঁ হোৱা চকুযুৰিৰ মাজেৰে অকণি অকণি দেখা যোৱা মণি কেইটালৈ চাই ৰ'ল। শকুন্তলাই প্রায় সোঁহাই কোৱাৰ দৰে ক'লে, "এবাৰ মাথোন প্রজ্ঞানদা, মোৰ ওঁঠ দুটিত তোমাৰ ওঁঠ দুটি...." এইবাৰ অধৈর্য্য হৈ শকুন্তলাই দৃঢ়ভাৱে প্রজ্ঞানক সাৱটি ধৰি কয়,

"প্রজ্ঞানদা, খোৱা, খোৱা, এবাৰ মোক চুমা খোৱা....। আহ্! এবাৰ মাথো মোক বুজিবলৈ দিয়া তোমাৰ ওঁঠ দুটিৰে মোৰ ওঁঠক স্পর্শ কৰি.... সেই স্পর্শ কেনে! এবাৰ...., মাত্র এবাৰ....!"

"কোনোবা যদি ওলায়হি....?" প্রজ্ঞানে ভয়ে ভয়ে ক'লে।

"ওলাওক, ওলাওক।" শকুন্তলাই অধৈর্য্য হৈ প্রায় চিঞৰি উঠে, "গোটেই পৃথিবীখনেই জানক প্রজ্ঞানদা, যে মই তোমাক ভাল পাওঁ, ভাল পাওঁ প্রজ্ঞানদা। চুমা....চুমা....উস্....চুমা....মাত্র এবাৰ.... এবাৰ....এবাৰ!"

এইবাৰ প্রজ্ঞানে সকলো পাহৰি গ'ল। আগতকৈ জোৰেৰে শকুন্তলাক সাৱতি ধৰি, স্বাগতম জনাই ৰৈ থকা শকুন্তলাৰ কিঞ্চিৎ ব্যৱধানি ওঁঠ দুটিত, প্রজ্ঞানে নিজৰ ওঁঠ দুটি আলফুলকৈ অথচ দৃঢ়ভাৱে চেপি ধৰিলে। প্রজ্ঞানৰ চুমাৰ পৰশত শকুন্তলাই চকু মুদি গোটেই পৃথিবীখন পাহৰি গ'ল। প্রজ্ঞানৰ তলৰ ওঁঠটি নিজৰ ধুনীয়া ওঁঠ দুটিৰ মাজত লৈ নকৈ দাঁত গঁজা কেচুৱাৰ দৰে চুপি চুপি তাই যেন এতিয়া কামুৰিহে দিব! প্রণয়ৰ প্রথম চুমাৰ মাদকতা উপলব্ধি কৰাৰ সুযোগ এগৰাকী অক্ষতা কুমাৰী প্রণয়িনীৰ জীৱনত

মাত্র এবাৰহে আহে। অক্ষতা, কুমাৰী, প্ৰণয়িনী, প্ৰণয়—এই এটাই কেউটিৰে অধিকাৰিনী হোৱাৰ সাৰ্থকতা শকুন্তলাই আজি এই মুহূৰ্ত্তটিতে যেন ভালকৈ অনুভৱ কৰিব পাৰিলে!

প্ৰজ্ঞান আৰু শকুন্তলাই দুয়ো দুয়োকো সাৱতি ধৰি মুখত ঠিক মুখ লগাইছে এনেতে প্ৰকাশ আহি দুয়োকো তেনেকৈ দেখি এক মুহূৰ্ত্তৰ কাৰণে হতভম্ব হোৱাৰ দৰে হৈ, থমকি ৰ'ল। পিছ মুহূৰ্ত্ততে বুজিলে যে, সি যি দেখিছে—ভ্ৰম নহয়, সঁচা! এই ভাব অহাৰ লগে লগে নিচেই কাষতে হাত বুলাই পোৱা শকুন্তলাৰ পঢ়া মেজৰ কাষৰ কাঠৰ চকী এখন দাঙি লৈ উন্মাদৰ দৰে প্ৰজ্ঞান আৰু শকুন্তলা দুয়োৰে মূৰত সেইখন পূৰ্ণ হতিয়াকৈ সোধাই দিবলৈ চোঁচা ল'লে। প্ৰজ্ঞান বা শকুন্তলা কাৰো সেইফালে ভ্ৰূক্ষেপ কৰাৰ অৱসৰ নাছিল। ভাগ্য ভাল, ঠিক প্ৰকাশ আহি শকুন্তলাৰ পঢ়া কোঠাৰ সমুখৰ বাৰান্দাৰ পিনে থকা দুৱাৰখন পোৱাৰ প্ৰায় সমানে সমানে মিচেছ চাওলাও দ্ৰইং ৰুমৰ ফালে থকা দুৱাৰ মুখখনত থিয় হৈছিলহি। প্ৰকাশক তেনে মূৰ্ত্তিত দেখিয়েই সেইহেন শকত মানুহ গৰাকীও চকুৰ পঁচাৰতে কেতিয়া গৈ যে প্ৰকাশক সমুখৰ পৰা জপতিয়াই ধৰি বাধা দিলেগৈ—প্ৰকাশে বুজিব নোৱাৰিলে। বিজুলীৰ চিক্‌মিকনিৰ ক্ষন্তেকীয়া মাদকতাত মত্ত হওঁতেই নৌ, পিছে পিছে বাগৰি অহা ডাৱৰৰ ঢেৰেকনি ঢোৰে সেই মত্ততা মুহূৰ্ত্ততে ভাঙি দি, মনত আতঙ্কৰ সৃষ্টি কৰাৰ দৰে, মিচেছ চাওলা আৰু প্ৰকাশৰ চিঞৰ বাখৰত শকুন্তলা-প্ৰজ্ঞানৰ মুহূৰ্ত্ততে চমক ভাগিল। নাহৰ ফুটুকী বাঘৰ ক্ষিপ্ৰতাৰে শকুন্তলাক এৰি দি প্ৰজ্ঞানে প্ৰকাশৰ হাতৰ পৰা চকীখন কাঢ়ি নি সেইখন চকীতে তাক জোৰকৈ বহুৱাই দি, প্ৰকাশৰ চকুত বিৰিঙি উঠা হত্যাকাৰীৰ মনোভাবটো লক্ষ্য কৰি প্ৰজ্ঞানে টানকৈয়ে দাবী দি ক'লে,

"তোমাৰ বলিয়ালিৰ মাত্ৰা কিন্তু চৰি গৈছে—প্ৰকাশ!"

"চুপ থাক বাস্কেল!" বহাৰ পৰা উঠি প্ৰকাশে মুঠি মৰা দেখি মিচেছ চাওলাই ভয়তে চিঞৰি ক'লে,

"কি কৰা? কি কৰা প্ৰকাশ?"

"একো ভয় নকৰিব মাহীদেউ।" আগবাঢ়ি গৈ প্ৰজ্ঞানে বজ্ৰ মুঠিৰে প্ৰকাশৰ হাত দুখনিত ধৰি তাৰ পৰা তাক উলিয়াই নি একেবাৰে দ্ৰইং ৰুমৰ চোফা এখনত বহুৱাই দিলেগৈ। তাৰ পিছত টানকৈ মুঠি মাৰি হাত দুখনত ধৰি থাকিল—যাতে সি উঠি আহিব নোৱাৰে। শকুন্তলা আৰু মাকো লগে লগে আহি দ্ৰইং ৰুম পালেহি। মাক জীয়েকৰ ভয়, জানোচা এতিয়া

এই ডেকা লৰা হালে মূৰ ফলাফলিকৈ মৰে! প্ৰজ্ঞানে দৃঢ়তাৰে কোৱা দুয়ো শুনিলে,—

"প্ৰকাশ! তোমাৰ মনৰ অৱস্থা যে বৰ ভাল নহয়, মই নজনা নহয়। ইয়াকো মই জানো, তুমি যে পেটে পেটে মোক ভীষণ হিংসা কৰা। কিন্তু যি উপায়েৰে তুমি আজি শকুন্তলা আৰু মই—দুয়োৰো মূৰ ভাঙিবলৈ কাৰবাৰ কৰিছিলা, তাৰ পৰা মই বেচ বুজিব পাৰিছোঁ যে তোমাৰ মূৰৰ সঁচাকৈয়ে বিকাৰ ঘটিছে।" প্ৰকাশে প্ৰজ্ঞানৰ মুঠিৰ পৰা নিজক এৰুৱাবলৈ চেষ্টা কৰাত, প্ৰজ্ঞানে অতি জোৰকৈ চেপা মাৰি ধৰিলে।

"উহ্! এৰি দিয়া।" প্ৰকাশে ক'লে, "তেনেকৈ ধৰিলে দুখ নেপায় নেকি?"

শকুন্তলাৰ হাঁহি উঠি গ'ল। পেটে পেটে ভাল লাগিল যে বিশেষ কষ্ট নকৰাকৈয়ে যে প্ৰকাশক এনেকৈ কাবু কৰিব পৰা ক্ষমতা প্ৰজ্ঞানৰ আছে। মানসিক সামৰ্থ্য দূৰৰে কথা, শাৰীৰিক সামৰ্থ্যতো সেই হেন ছচঙা আৰু স্বাস্থ্যবান ডেকা প্ৰকাশো যে প্ৰজ্ঞানৰ ওচৰত একো নহয়, এই কথাটোত শকুন্তলাই পেটে পেটে গৰ্ব্ব অনুভৱ কৰিলে। মুঠি এৰি দি প্ৰজ্ঞানে প্ৰকাশৰ সমুখত বীৰৰ দৰে ইফালে সিফালে টহলি ক'বলৈ ধৰিলে:

"যি কাৰণে মোৰ ওপৰত তোমাৰ খং উঠিছে, তাৰ কাৰণে মই দায়ী হওঁ নে নহওঁ শকুন্তলাক সুধিলেই গম পাবা। সেয়া, শকুন্তলা ওচৰতে আছে, সোধা...."

(প্ৰথমতে 'আপুনি' বুলিলেও, পিছলৈ প্ৰকাশৰ ইচ্ছামতেই প্ৰজ্ঞানে তাক তুমি বুলিছিল।)

প্ৰজ্ঞানে কথা কবলৈ আৰম্ভ কৰোঁতেই মিচেছ চাওলাই সিহঁতক তাতে এৰি থৈ ভিতৰলৈ গ'ল। প্ৰজ্ঞানে প্ৰকাশক কোৱা কথাখিনিয়ে শকুন্তলাক যেন আওপকীয়াকৈ হ'লেও অলপ অসুবিধাত পেলালে! তাই লাজতে বঙা পৰিল। প্ৰকাশকো এই ক্ষেত্ৰত তাই দোষ দিব নোৱাৰে, আৰু প্ৰজ্ঞানকো। তাই এবাৰ প্ৰকাশ আৰু এবাৰ প্ৰজ্ঞানলৈ বাৰে বাৰে চাবলৈ ধৰিলে। ইতিমধ্যেই প্ৰকাশ বহা পিনেই বেৰাৰ কাষত চকী এখনত প্ৰজ্ঞান বহি পৰিল। ধুনীয়া মেহগেনী কাঠৰ মজলীয়া টাপয় এখনত প্ৰকাশে ভৰিৰ জোতাৰে লাহে লাহে গুৰিয়াই গুৰিয়াই চকুৰে একেথৰে শকুন্তলালৈ চাই আছিল। হঠাৎ টিকিচ্ কৰে শকুন্তলাৰ ওপৰত তাৰ ইমান খং উঠি গ'ল যে ভৰিৰে গুৰিয়াই থকা টাপয়খনৰ খুৰা দুটাত ধৰি সেইখন ঘূৰৰ ওপৰলৈ দাঙি আকৌ আগৰ দৰে এইবাৰ অকলে বহি থকা শকুন্তলাৰ মূৰটোকে

ভাঙিবলৈ চোঁচা ল'লে। চকুৰ পচাৰতে বহাৰ পৰা উঠি প্ৰজ্ঞানে বাওঁ হাতেৰে টীপয়খন আৰু সোঁহাতেৰে প্ৰকাশৰ হাতৰ গাঠিৰ ওচৰত ইমান টানকৈ চেপি ধৰিলে যে চেপা সহিব নোৱাৰি প্ৰকাশ মাটিত বহি পৰিল। টীপয়খন আগৰ ঠাইত থৈ প্ৰকাশৰ হাতখন এৰা নিদিয়াকৈয়ে এইবাৰ প্ৰকাশৰ লগতে প্ৰজ্ঞান একেখন চোফাতে বহিল। তাৰ পিছত দৃঢ় স্বৰে কলে, "বুজিছা কাপুৰ! সকলোৰে এটা সীমা থকা উচিত। খং উঠিল বুলিয়েইনো শিক্ষিত মানুহে সাধাৰণ অশিক্ষিত মানুহৰ দৰে নভৱা নিচিন্তাকৈ যিহকে পায় তাকে কৰিব লাগিল নে? শিক্ষিত-অশিক্ষিতৰ পাৰ্থক্য তেনে-হলে থাকিল ক'ত?"

"শিক্ষিত হৈয়ো যদি কোনোৱে আনৰ দুৰ্ব্বলতাৰ সুযোগ লৈ অন্যায় কৰিবলৈ বিচাৰে, তেতিয়াও প্ৰতিবাদ কৰিব নেলাগিব নেকি?" প্ৰকাশে ঠাট্টাৰ সুৰত কলে।

"দুৰ্ব্বলতা আৰু অন্যায়—এই দুয়োটা আছে বা হৈছে বুলি, নভৱা নিচিন্তাকৈ উন্মাদৰ দৰে যাকে তাকে মাৰিবলৈ খেদি যোৱাত কি যুক্তি থাকিব পাৰে, মই নেজানো।" প্ৰজ্ঞানে শকুন্তলা আৰু প্ৰকাশ দুয়োলৈকে এবাৰ চাই আকৌ ক'লে, "আজি যদি ভাগ্যক্ৰমে শকুন্তলাৰ মাকে আহি ঠিক সময়ত বাধা নিদিলেহিহেঁতেন, বা বাধা দিলেও ভাগ্যক্ৰমে প্ৰকাশৰ তুলনাত মোৰ শাৰীৰিক শক্তি যদি কম হ'লহেঁতেন, তেনেহলে কি এখন বক্তাবক্তি কাণ্ডই ঘটি নগ'লহেঁতেন! যি মৰিলহেঁতেনতো মৰিলেইহেঁতেন, আৰু যি বাচি থাকিলহেঁতেন তেওঁলোকো কি এটা অশান্তিত পৰিবলগীয়া নহ'লহেঁতেন?" প্ৰকাশ আৰু শকুন্তলা দুয়ো মনে মনে থকা দেখি, প্ৰজ্ঞানে পুনৰ ক'লে, "যি হৈ গ'ল তাৰ কাৰণে আক্ষেপ নকৰি, এতিয়া আমি যাতে সকলো কথা শান্তিপূৰ্ণভাৱে মিমাংসা কৰিব পাৰোঁহঁক, তাৰ কাৰণে জানো চেষ্টা কৰা উচিত নহয়?"

"ইয়াত আৰু শান্তিপূৰ্ণ বুলি কি এটা কথা আছে?" প্ৰকাশে বিদ্ৰূপৰ সুৰত ক'লে।

"শুনা কাপুৰ, মই সকলো তোমালোকৰ ওপৰতে এৰিলোঁ। শকুন্তলা আৰু তুমি দুয়ো আলোচনা কৰি যি কৰা কৰা। মই ইয়াৰ মাজত সোমাব নোখোজোঁ। কিন্তু কিবা সিদ্ধান্তত উপনিত হলে সেই বিষয়ে জনালেই মই বাধিত হম।"

এনেতে মিচেছ চাওলা সোমাই আহিল। শকুন্তলাৰ ওচৰতে চকী এখনত বহি প্ৰজ্ঞানলৈ চাই ক'লে, "প্ৰজ্ঞান, তোমালোকৰ মাজত এইবোৰ

কি হৈছে মই হ'লে একো বুজিব পৰা নাই। নিজৰ বন্ধু-বান্ধৱৰ মাজত ইমান খিয়লা-খিয়লি হোৱাতো জানো ভাল? তোমালোক দুয়োকে সুধিছোঁ; প্ৰকাশ তুমিয়েই কোৱাচোন?"

"মই কি কম?" প্ৰকাশে অভিমানৰ সুৰত ক'লে, "মোক মানুহ বুলি আপোনালোকে গণ্য কৰে জানো?"

"ভুল নুবুজিবা কাপুৰ।" প্ৰজ্ঞানে ক'লে, মই অন্ততঃ তোমাক যথেষ্ট শ্ৰদ্ধাৰ চকুৰে চাওঁ। তোমাৰ বিপক্ষে কেতিয়াও কাৰো আগত কিবা কৈছোঁ বুলি কোনেও ক'ব নোৱাৰে।"

"ভাল কথা, কোৱা নাছিল। এতিয়া ক'ব।" প্ৰকাশৰ কথাৰ সুৰত আকৌ ঠাট্টা শুনা গ'ল।

প্ৰজ্ঞানে নুশুনা ভাও ধৰি, মিচেছ চাওলাৰ পিনে চাই ক'লে, "বেচ কথা মাহীদেও, শকুন্তলাকো মই কৈছোঁ, আপোনাকো কওঁ, প্ৰকাশ কাপুৰ আৰু আপোনাৰ জীয়েকৰ মাজত থকা কিবা কথাৰ মাজত নজনাতে যদি মই সোমাইছোঁ, আশাকৰোঁ আপোলোক এটায়ে মোক ক্ষমা কৰিব। মই নেভাবো যে এনে ধৰণৰ জীৱন-মৰণৰ কথাবোৰৰ মাজত ভাবপ্ৰৱণতাক প্ৰাধান্য দিয়া উচিত। সুস্থ মগজুৰে যুক্তিযুক্ততা বিচাৰ কৰি নিজৰ ভৱিষ্যত নিজে নিৰ্ণয় কৰি লোৱাৰ সুযোগ পায়ো, কোনোৱে যদি কেৱল ভাৱ-প্ৰৱণতাক প্ৰাধান্য দি নিজৰ লগতে আনৰো ভৱিষ্যত ধ্বংস কৰিবলৈ কাৰবাৰ কৰে, সেইটো জানো হবলৈ দিয়া উচিত?" প্ৰজ্ঞানৰ কথা শুনাৰ ধৈর্য্য প্ৰকাশৰ নাছিল যদিও নিজৰ শাৰীৰিক শক্তিৰ আপেক্ষিক দুৰ্ব্বলতালৈ চাই মনে মনে থাকিবলৈ বাধ্য হ'ল। প্ৰজ্ঞানৰ ওচৰত সকলোপিনে হাৰ মানিবলগীয়া হোৱাত সি মনে মনে অপমান বোধ কৰিলে।

হাবিৰ পৰা ধৰি অনা ফেঁটী সাপৰ বিহদাঁত কেইটা উভালি পেলালে খণ্ডতে যেনেকৈ ফোঁচ ফোঁচাবলৈ ধৰে, সেইদৰে ফোঁচ নোফোঁচালেও খণ্ডতে প্ৰকাশ একো নাইকিয়া হ'ল। সেই খং বাহিৰত প্ৰকাশ কৰিলে একো লাভ নহব বুলি বুজিব পাৰি, অন্তৰতেই গুজৰি-গুমৰি সি মনে মনে থাকিল। কিন্তু অন্তৰত গিলিপ মাৰি ধৰা খণ্ডৰ হেঁচাই ভৰিৰ পৰা মূৰলৈকে তাক জোকাৰি দিয়া যেন সি অনুভৱ কৰিলে। প্ৰকাশৰ মূৰটো ঘূৰাবলৈ ধৰিলে। সি অনুমান কৰেলে যে প্ৰজ্ঞান, শকুন্তলা, মিচেছ চাওলা অইনকি সি নিজেও যেন গোটেই কোঠাটোৰে সৈতে শূন্যত ঘূৰিবলৈ ধৰিছে। প্ৰজ্ঞানে মিচেছ চাওলাক কি কৈছিল সি একো শুনা নাছিল। সি মনে মনে কেৱল ভাবি

আছিল প্রজ্ঞানৰ ওপৰত কেনেকৈ প্ৰতিশোধ ল'ব। বাহিৰত খং প্ৰকাশ কৰি এনে ধৰণৰ মূৰ্খামী আৰু সি ভৱিষ্যতলৈ কেতিয়াও নকৰে। প্ৰজ্ঞানক সি হত্যা কৰিব, কৰিবই। কিন্তু কোনেও নেজানিব কোনে প্ৰজ্ঞানক হত্যা কৰিলে! প্ৰকাশৰ মনটো হঠাৎ বৰ পাতল পাতল যেন লাগিল। ভাবতেই ভৱিষ্যতৰ কথাটো সি ঘটা যেন অনুভৱ কৰিলে। হঠাৎ প্ৰশান্ত মস্তি ধৰি, অলপ আগতে খণ্ডত বঙাকলা পৰি উন্মাদৰ দৰে প্ৰজ্ঞান আৰু শকুন্তলাক শেষ কৰিবলৈ উদ্যত হোৱা প্ৰকাশৰ মুখত হাঁহিৰ বেঙনি বিৰিঙি উঠিল। অতি নম্ৰ ভাৱে প্ৰকাশে নিজৰ দোষ স্বীকাৰ কৰি প্ৰজ্ঞান আৰু শকুন্তলাৰ ওচৰত ক্ষমা খুজিলে। অশান্তিৰ পৰিবৰ্ত্তে আকৌ শান্তিৰ বাতাবৰণ এটি বিৰাজ কৰিলে। হাঁহি মুখেৰে প্ৰকাশে এটাইৰে পৰা বিদায় ল'লে।

প্ৰকাশ যেতিয়া খোজ কাঢ়ি কোঠাটোৰ পৰা ওলাই যায়, পিছ পিনৰ পৰা প্ৰকাশৰ খোজলৈ লক্ষ্য কৰি শকুন্তলা শিয়ঁৰি উঠিল। প্ৰজ্ঞানৰ নিচেই কাষলৈ আহি কাণৰ কাষত ফুচ্-ফুচাই ক'লে:

"প্ৰকাশৰ ঠিক নাই। চুই-চাইদ্ কৰিব পাৰে।"

"তেনেকৰা ঢলং-পলং খোজত হত্যাই মূৰত পাকমূৰনি খায় বুলি ময়ো জানো। কিন্তু সেইটো মই কেতিয়াও হ'বলৈ নিদিওঁ।" প্ৰজ্ঞানে দৃঢ়তাৰে ক'লে।

"কিন্তু চব্বিশ ঘণ্টাই প্ৰকাশক কোনে পহৰা দি থাকিব?" শকুন্তলাই সন্দেহ প্ৰকাশ কৰিলে।

"উপযুক্ত ঔষধ প্ৰয়োগ কৰিম।" প্ৰজ্ঞানে অৰ্থপূৰ্ণ দৃষ্টিৰে শকুন্তলালৈ চাই মনে মনে থাকিল। মিচেছ চাওলা তেতিয়াও তাত বহি থকাত প্ৰজ্ঞানে যি ক'ব খুজিছিল, ক'ব নোৱাৰিলে। প্ৰজ্ঞানৰ মনৰ ভাব বুজিব পাৰি শকুন্তলাই ক'লে:

"ব'লা প্ৰজ্ঞানদা, মোৰ কোঠাতে বহোঁগৈ।" দুয়ো যাবলৈ উঠিল। মিচেছ চাওলা নিজৰ কোঠালৈ গ'ল। যাওঁতে হাঁহি কৈ গ'ল: "আকৌ যেন কাজিয়া ভাঙিবলৈ মই আহিব নেলাগে, বুজিছা প্ৰজ্ঞান!"

তিনিও হাঁহিলে....।

"কি উপযুক্ত ঔষধ প্ৰজ্ঞানদা?" শকুন্তলাই কৌতুহলেৰে সুধিলে।

"এনে গধুৰ সমস্যা সমাধানৰ উৎকৃষ্ট উপায় হৈছে প্ৰকাশক সোনকালে উপযুক্ত এজনী ছোৱালী বিয়া কৰাই দিয়া।"

"ময়ো সেই বুলি ভাবো।" শকুন্তলাই প্ৰজ্ঞানৰ কথাতে হয়ভৰ দিলে।

"আৰু সেই উপযুক্ত ছোৱালীজনী হব লাগিব, তুমি।"

"মই?" শকুন্তলাই অধৈর্য্য হৈ কয়, "অসম্ভৱ! অসম্ভৱ! প্ৰজ্ঞানদা!"

"অসম্ভৱ হ'লেও প্ৰকাশক বচাবলৈ হ'লে, তুমি তাক বিয়া কৰাবই লাগিব।"

"অকৰাৰ দৰে কি কৈছা প্ৰজ্ঞানদা? ভাল নোপোৱা এজনক মই কেনেকৈ বিয়া কৰিম?" শকুন্তলা কান্দো কান্দো হয়।

"কিন্তু প্ৰকাশৰ জীৱন যে মূল্যবান। সেই হেন ধনী কাপুৰ দম্পতীৰ একমাত্ৰ ল'ৰা সি। তাৰ জীৱনৰ মূল্য, তোমাৰ মোৰ জীৱনৰ মূল্যতকৈ কোনো গুণে কম নহয়!"

"স্বীকাৰ কৰো প্ৰজ্ঞানদা!" শকুন্তলাই কঁপি কঁপি কৈ যায়: "কিন্তু প্ৰকাশৰ মাক দেউতাকৰ একমাত্ৰ ল'ৰাক বচাবলৈ মই মোৰ নিজৰ জীৱনটো তেনেহলে উছৰ্গা কৰিব লাগিব? ভৱিষ্যতে মোৰ সতি-সন্ততিৰ ভৰণপোষণৰ কাৰণে, প্ৰকাশৰ দেউতাকৰ সম্পত্তি প্ৰকাশৰ মাৰফতে, তেওঁলোকৰ বোৱাৰী হিচাপে যাতে মই লাভ কৰিব পাৰোঁ, তেনে ব্যৱস্থাৰেই এতিয়া প্ৰকাশৰ জীৱন বচাবলৈ মই চেষ্টা কৰিব লাগিব?" শকুন্তলা ধপ্ কৰে প্ৰজ্ঞান বহা চকীখনৰ মুখে মুখে থকা চোফাখনত বহি থব হৈ প্ৰজ্ঞানলৈ চাই ৰ'ল।

প্ৰজ্ঞানে লাহেকৈ উঠি শকুন্তলাৰ কাষতে চোফাখনত বহিলহি। তাৰ পিছত অতি মৰমেৰে কৈ গ'ল, "শুনা শকুন্তলা, মই এটা উপায় উলিয়াইছোঁ। এৰা, বৰ ভাল উপায়। কোৱাচোন, তুমি মোক সহায় কৰিবা?"

"তোমাৰ উপায়টো কি? কাৰ কাৰণে? আৰু কিহৰ কাৰণে? নজনাকৈ মই বাৰু কেনেকৈ কওঁ?"

"সেই হেন এজন ডেকাৰ জীৱন, লগতে তোমাৰ, মোৰ সকলোৰে জীৱন ৰক্ষাৰ উপায়।"

"শুনোচোন তোমাৰ উপায়টোনো কি?" শকুন্তলাই কথাটোত একো গুৰুত্ব নিদিয়াকৈ ক'লে।

"মিচেছ ৰৰকাকতিৰ বাঞ্ছানুযায়ী মই সন্ন্যাসী হৈ গ'লেই...."

"আকৌ সেই পুৰণি কথাটোকে?" বিৰক্তিৰ সুৰত শকুন্তলাই ক'লে, "মই তোমাক ভাল পাওঁ কাৰণেই তেনে অমঙ্গলীয়া কথাবোৰ বাৰে বাৰে শুনাই মোৰ মনত কষ্ট দিব খুজিছা নেকি, প্ৰজ্ঞানদা?"

"মই তো আৰু 'চেদিষ্ট' নহওঁ, শকন্তলা!" প্ৰজ্ঞানে মিচিকিয়াই হাঁহি ক'লে, "তোমাৰ সেই ভালপোৱাই মোক ধন্য কৰিলেও, প্ৰকাশৰ জীৱনটোতো আৰু ৰক্ষা কৰিব নোৱাৰিব!"

হঠাৎ শকুন্তলা অধৈর্য্য হৈ উঠিল।

"প্রজ্ঞানদা। প্রজ্ঞানদা। বলা, সোনকালে।"

"কলৈ?"

"আমাৰ হয়তো বহুতো পলম হৈ গ'ল!"

"নোকোৱা কেলেই, কলৈ?"

"প্রকাশ হয়তো এতিয়া মানে...."

প্রজ্ঞানে শকুন্তলাৰ ইংগিত বুজিব পাৰি ক'লে, "তেনেহলে সোনকালে গাড়ী উলিওৱা। এতিয়াও হয়তো প্রকাশ ঘৰ পোৱাগৈ নাই।"

"শকুন্তলা, ইমান লৰালৰিকৈ কলৈ ওলাইছ?" মাকে দেখা পাই সুধিলে।

"সকলো ক'ম মা'। এতিয়া প্রজ্ঞানদাৰ লগত মোক যাবলৈ দিয়া, দিবানে?"

"যা বাৰু। কিন্তু সোনকালে আহিবি।"

"আহিম। আহিম মা'।"

নিজেই গেৰেজৰ পৰা গাড়ী উলিয়াই, বাওঁপিনে সমুখৰ ছিটত প্রজ্ঞানক বহুৱাই, ঘণ্টাত ৩০ মাইল বেগেৰে শকুন্তলাই গাড়ী চলাই দিলে। তিনি-চাৰি মিনিটতে প্রকাশৰ ঘৰ পালেগৈ।

প্রকাশ খোজকাঢ়ি গৈ ঘৰো পাইছেগৈ, এনেতে প্রজ্ঞান আৰু শকুন্তলা গাড়ীৰে গৈ প্রকাশৰ ঘৰৰ সমুখত উপস্থিত হ'লগৈ।

প্রকাশে পিছলৈ নোচোৱাকৈ দুৱাৰ খুলি ঘৰত সোমোৱাৰ লগে লগে, শকুন্তলা-প্রজ্ঞান দুয়ো গাড়ীৰ পৰা নামি লৰি গৈ ভিতৰৰ পৰা প্রকাশে দুৱাৰ বন্ধ কৰাৰ আগতে ঘৰৰ ভিতৰত সোমাল। এনেকৈ অপ্রত্যাশিতভাৱে যে শকুন্তলা আৰু প্রজ্ঞানে প্রকাশৰ পিছ ল'ব, প্রকাশে কল্পনাও কৰা নাছিল। প্রকাশে, মুখেৰে একো নেমাতি এবাৰ শকুন্তলাহঁতলৈ চাই খপ্ কৰে নিজৰ লিখা-পঢ়া কৰা কোঠাত সোমাই মেজৰ দ্রয়াৰ খুলি তাৰ ভিতৰত থোৱা পিষ্টলটো হাতত লৈ তাত গুলী ভৰাবলৈ কাৰবাৰ কৰিলে। গতি বিষম দেখি প্রজ্ঞানে ক্ষিপ্রতাৰে একে জাপে গৈ প্রকাশৰ হাত দুখন পিছপিনৰ পৰা জপতিয়াই ধৰিলে। তাৰ পিছত গাৰ বলেৰে প্রকাশৰ সোঁ হাতৰ পৰা পিষ্টলটো কাঢ়ি ল'লে। ইমান কম সময়ৰ ভিতৰতে ঘটনাটো ঘটি গ'ল যে প্রকাশে কি হ'ল টং কৰিবকে নোৱাৰিলে। শাসনৰ সুৰত প্রকাশক সম্বোধন কৰি প্রজ্ঞানে বেচ টানকৈয়ে কলে:

"তুমি বলিয়া হোৱা নাইতো কাপুৰ? আমি আহি নোপোৱা হ'লে তুমি যে কি কৰিলাহেঁতেন একমাত্র ভগবানে জানে!"

কঁকালত কোৰ পৰা সাপৰ দৰে লৰচৰ কৰিব নোৱাৰা হৈ, প্রকাশে প্রজ্ঞানলৈ এনে ধৰণে চালে যে মহাদেৱৰ দৰে প্রকাশ সিদ্ধ যোগী হোৱা হ'লে সেই দৃষ্টিতে প্রজ্ঞান নিশ্চয় কামদেৱ ভস্ম হোৱাৰ দৰে ভস্ম হৈ গ'ল-হেঁতেন। ৰতি-দেৱীৰ সৌন্দর্য্যৰে বিভূষিতা হলেও স্বভাৱ গম্ভীৰা শকুন্তলাই নির্ব্বাক নিষ্পন্দ হৈ এইহাল ডেকাৰ দৃষ্টি-যুদ্ধখন চাই এফালে যেনেকৈ শিয়ঁৰি উঠিল, আনফালে ভৰামতে এজন ডেকাৰ জীৱন এনেকৈ ৰক্ষা কৰিবলৈ ঈশ্বৰে সহায় কৰাত মনে মনে সর্ব্বশক্তিমান সেই সর্ব্বজ্ঞজনৰ প্রতি কৃতজ্ঞতা জ্ঞাপন কৰি ধন্য হ'ল।

আত্মহত্যাৰ আক্রোহ চাওঁতেই ৰূপান্তৰিত হৈ প্রকাশৰ মুৰত এতিয়া প্রজ্ঞানক হত্যা কৰাৰ ফন্দিলৈ পৰিণত হ'ল। কিন্তু তাৰ পিষ্টল এতিয়া যে প্রজ্ঞানৰ হাতত! কি কৰা যায়? সি ভাবিবলৈ ধৰিলে।

"শুনক মিষ্টাৰ বৰুৱা, আপোনালোকে কি উদ্দেশ্যৰে মোৰ পিছ লৈছিল, মই ক'ব নোৱাৰো। কিন্তু এনেকৈ মাতবোল নিদিয়াকৈ হঠাৎ কোঠালৈ সোমাই আহি মোৰ নিজৰ ঘৰতে মোক কেলেই অপমান কৰিছেহি, মই বুজিব পৰা নাই। মোৰ পিষ্টল দি দিয়ক...."

"পিষ্টল দিয়াৰ আগতে মই নিশ্চয় হ'ব লাগিব যে পিষ্টলৰ ভিতৰত গুলী নাই।" খপকৰে প্রজ্ঞান গৈ দ্রয়াৰৰ ভিতৰত থকা পিষ্টলৰ গুলীৰ বাকছটো থাপ মাৰি লৈ আহিল। পিষ্টলৰ মাজত সুমৰাই থোৱা গুলী উলিয়াই বাকছটোৰ ভিতৰত থৈ, উকা পিষ্টলটো দি দিব বুলি ভাবিও হঠাৎ কিবা ভাবি নিজৰ জেপত ভৰাই থ'লে।

প্রকাশে খঙতে গর্জ্জি ক'লে যে, প্রজ্ঞানৰ ওপৰত সি তাৰ ঘৰত অনধিকাৰ প্রবেশৰ অভিযোগত মোকর্দ্দমা কৰিব!

"বিচাৰত দোষী সব্যস্ত হ'লে, জেললৈ যোৱাত মোৰ কোনো আপত্তি নাই।" প্রজ্ঞানে ডাঙৰকৈ হাঁহি আকৌ ক'লে, "কিন্তু তুমি? তুমি জানো নিজকে বচাব পাৰিবা? আত্মহত্যাৰ কাৰণে কৰা চেষ্টা আইন মতে দোষণীয় নহয় নেকি?"

শকুন্তলাৰ পিনে পোন্দোৱাকৈ এবাৰ চাই প্রকাশে ক'লে "মই জানিছো নহয় তোমালোকৰ মতলব! সাক্ষী হৈ লগতে আহিছা?" ঠাট্টাৰ সুৰত কথাখিনি কৈ ঘৃণাৰ চকুৰে প্রকাশে শকুন্তলালৈ চালে।

"মই কি কৰিলোঁ? মোক টানিছা কেলেই? এইবোৰ খং-ৰাগ

গওগোলৰ মাজত সোমাবলৈ মই অলপো ভাল নেপাওঁ।" অভিমানৰ সুৰত কৈ শকুন্তলা ওচৰৰে চকী এখনত বহি পৰিল।

ডেকা বেৰিষ্টাৰ প্ৰকাশক আইনৰ কথা সোঁৱৰাই নিদিলেও সি বুজে। কথাই কথাই আত্মহত্যাৰ কাৰণে বলিয়া হৈ উঠা, প্ৰকাশৰ স্বভাৱ শকুন্তলাই এতিয়া বেচ বুজি উঠিছে। প্ৰকাশেও সেই কথা জানে। এইবাৰৰে সৈতে এনে দুটা ঘটনাৰ সাক্ষী শকুন্তলা। এই সকলো কথা ভাবি চিন্তি প্ৰকাশৰ সুৰ সলনি হ'ল। প্ৰজ্ঞান তেতিয়াও থিয় হৈ থকা দেখি বহিবলৈ কৈ, নিজেও চকী এখনত বহি পৰিল।

"সেইবোৰ বাদ দিয়ক, এতিয়া কওঁক মিষ্টাৰ বৰুৱা, আপোনালোকৰ কাৰণে মই কি কৰিব পাৰোঁ?" প্ৰকাশৰ কথাত বিদ্ৰূপ মিহলি থাকিলেও, প্ৰজ্ঞানে আওকাণ কৰিলে।

"শুনা কাপুৰ, সঁচাকৈয়ে কোৱাচোন বাৰু তুমি ইমান উত্তেজিত হোৱাৰ কাৰণ কি?"

প্ৰকাশে কিবা ক'ব খুজি, নকৈ মনে মনে থাকিল। প্ৰজ্ঞানে আকৌ কৈ গ'ল, "এসময়ত শকুন্তলাক ভাল পাওঁ বুলি ভাবি মোৰ লগত সেই বিষয়ে দীঘলীয়া আলোচনা কৰাৰ কথা মনত আছে নহয়?"

"আছে।" প্ৰকাশে গহীনাই ক'লে।

"আলোচনাৰ পিছত তুমি কৈছিলা যে শকুন্তলাক তুমি পাহৰি যাবা। কৈছিলা নে নাই?"

"কৈছিলোঁ।"

"তাৰ পিছত, তুমি প্ৰতিভাক ভাল পাবলৈ ধৰিলা, আৰু হয়তো প্ৰতিভাৰ লগত কেতিয়াবাই তোমাৰ বিয়াও হৈ গ'লহেঁতেন, যদিহে তোমাৰ মাৰ-দেউতাৰাৰ আপত্তি নেথাকিলহেঁতেন!"

"সেই কথা কৈ ইয়াত লাভ?" বিৰক্তিৰ সুৰত প্ৰকাশে ক'লে।

"কোৱাৰ উদ্দেশ্য আছে। এতিয়া সেই প্ৰতিভাক শকুন্তলাৰ ককায়েক প্ৰসেঞ্জিতে বিলাতত বিয়া কৰালে...."

প্ৰকাশ অধৈর্য্য হৈ উঠিল। ইচ্ছা হ'ল প্ৰজ্ঞানৰ মুৰটো কিহবাৰে ভাঙি দিবগৈ। প্ৰকাশৰ স্বভাৱৰ লগত ইতিমধ্যে সুপৰিচিত প্ৰজ্ঞানে জানে, প্ৰকাশক দমোৱাৰ ঔষধ কি? সকলো পৰিস্থিতিৰ সন্মুখীন হবলৈ প্ৰজ্ঞান সাজু হৈ আছিল। প্ৰজ্ঞানে আকৌ কৈ গ'ল, "যি হ'ব লাগে হৈ গ'ল, কিন্তু তাৰ পিছত আকৌ শকুন্তলাৰ ওচৰলৈ উভতি আহি, তেওঁক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিয়াত কি যুক্তি থাকিব পাৰে, মই বজি নেপাওঁ!"

শেহৰ কথাখিনি কোৱাত শকুন্তলাকো বিচলিত হোৱা যেন প্ৰজ্ঞানে অনুভৱ কৰিলে।

"হয়নে নহয় শকুন্তলা?" প্ৰজ্ঞানে এইবাৰ শকুন্তলালৈ চাই কলে, "প্ৰকাশে তেনেকৈ কোৱা নাছিল? কোৱা নাছিল নে, এতিয়া তেওঁ তোমাকেই বিয়া কৰাব? তুমি ভাবি চিন্তি জনাবা বুলি কোৱাতো তেওঁ তোমাক বিয়াৰ কাৰণে জো�ৰ কৰা নাছিল নে?"

"মিছা কথা, মিছা কথা, মই কেতিয়াও জো�ৰ কৰা নাই। কোৱা শকুন্তলা, তুমিয়েই কোৱা, মই জো�ৰ কৰিছিলোঁ।" প্ৰকাশে শকুন্তলাক একপ্ৰকাৰ জো�ৰ কৈয়ে ক'বলৈ অনুৰোধ কৰিলে।

শকুন্তলা মনে মনে থকা দেখি প্ৰকাশৰ বৰ খং উঠিল। ভাবিলে, কি সাংঘাতিক এই তিৰোতা জাতিটো!

পৰিস্থিতিটো মুহূৰ্ত্ততে আয়ত্বাধীনলৈ আনি প্ৰজ্ঞানে আকৌ ক'লে, "শুনা কাপুৰ! মই বন্ধু হিচাপে, প্ৰকৃত বন্ধু হিচাপে, তোমাক অনুৰোধ কৰিছোঁ। এই কথাটো সুচিন্তিতভাৱে বিশেষ দকৈ ভাবি চাই, শকুন্তলা বা তুমি বা মই—সকলোৰে কাৰণেই যাতে ভৱিষ্যতটো সুখৰ কৰি তুলিব পাৰি তাৰ কাৰণে নিশ্চয় যত্নৰ ত্ৰুটি নকৰা?"

প্ৰকাশ মনে মনে থকা দেখি প্ৰজ্ঞানে আকৌ ক'লে, "মই এই কথাটো শকুন্তলা আৰু তোমাৰ কাৰণে এৰিলোঁ। দুয়ো আলোচনা কৰি যি সিদ্ধান্তত উপনিত হোৱা, মই তাতেই সন্তুষ্ট থাকিম।" প্ৰজ্ঞানে এইবাৰ আগতকৈও অলপ বেচি গহীন হৈ ক'লে, "এটা কথা কিন্তু মই দুয়োকে আকৌ সোঁৱৰাই দিব খোজোঁ। প্ৰেম-কেলি আৰু বিবাহক একে বুলি নেভাবি, বিবাহৰ স্থায়িত্ব আৰু গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখিহে যেন সকলো কথা আলোচনা কৰা হয়। উপদেশ দিয়াৰ যোগ্যতা মোৰ আছে নে নাই, মই ক'ব নোৱাৰোঁ; কিন্তু সাৱধানৰ যে মৰণ নাই সেই কথা সোঁৱৰাই দিয়াটো বোধকৰোঁ একো দোষণীয় নহয়?"

প্ৰজ্ঞানৰ কথা ইমান পৰে বিশেষ মনযোগেৰে শুনি প্ৰকাশে অনুমান কৰিলে যে প্ৰজ্ঞানৰ বিশ্বস্ততাত বিশ্বাস কৰিলে বোধকৰো একো ভুল কৰা নহ'ব। মগজুৰ সুস্থতা ঘূৰি অহাত, প্ৰজ্ঞানৰ কথাৰ যুক্তিযুক্ততাত প্ৰকাশ পতিয়ন গ'ল। খণ্ডত অন্ধ হৈ, সি কৰিব খোজা কামবিলাকৰ কথা মনত পৰি লাজতে তলমুৰ কৰিলে। তাৰ পিছত স্কুলীয়া লৰাই শিক্ষকৰ মুখলৈ পাঠ বুজোৱাৰ সময়ত ভেবা লাগি চাই থকাৰ দৰে, প্ৰকাশেও প্ৰজ্ঞানৰ মুখলৈ ভেবা লাগি চাই ৰ'ল।

"আপুনি ঠিক কথাই কৈছে মিষ্টাৰ বৰুৱা। মই মোৰ ভুল স্বীকাৰ কৰিছোঁ। এতিয়া যি ইচ্ছা আপুনি কৰিব পাৰে, মই একো হেতা-ওপৰা নকৰো বুলি প্ৰতিশ্ৰুতি দিলোঁ।"

প্ৰকাশৰ কথা শুনি শকুন্তলাৰ চকুদুটি উজ্জ্বল হৈ উঠিল। তাই ভৰা নাছিল যে প্ৰকাশৰ দৰে, বেচি দূৰলৈ ভাবিব নোৱাৰা, এজন ডেকাই যে ইমান সোনকালে নিজৰ ভুল স্বীকাৰ কৰিব পাৰে। মনৰ চঞ্চলতা গোপন কৰি, অতি গহীন হৈ তাই ক'লে,

"তোমাৰ কথা বিশ্বাস কৰিলোঁ, প্ৰকাশ। কিন্তু সেই বিশ্বাস বদ্ধমূল হব যদিহে, মোৰ কথা মতে, মই দেখুৱাই দিয়া এজনী উপযুক্ত ছোৱালীক বিয়া কৰাম বুলি তুমি কথা দিয়া?"

"কোন ছোৱালী? কি কথা? কি বতৰা? একো নজনাকৈ মই কেনেকৈ প্ৰতিশ্ৰুতি দিব পাৰোঁ?" ওন্দোলোৱা বতৰৰ ডাৱৰৰ ফাঁকেদি হঠাৎ ভুমুকি মৰা সূৰুযৰ বশ্মি পৰি, পৃথিবীখনে খন্তেকৰ কাৰণে হলেও মিচিকিয়া হাঁহিৰে সম্ভাষণ জনোৱাৰ দৰে, প্ৰকাশৰ আন্তৰিকতাপূৰ্ণ উক্তিৰ মাজত শকুন্তলাই আশাৰ ক্ষীণ বেঙনি অকণ যেন দেখা পালে! সাহসত ভৰ দি শকুন্তলাই আকৌ ক'লে, "তুমি, মই, প্ৰজ্ঞানদা,—এই তিনিউৰে জীৱনৰ প্ৰতি যদি আমি প্ৰত্যেকেই অলপো আস্থা ৰাখো, তেনেহলে এনে পৰিস্থিতিত আমি এনে এটি উপায় অৱলম্বন কৰিব লাগিব, যি উপায়ে আমাৰ প্ৰত্যেকৰে জীৱন আনন্দ-মুখৰ কৰি তোলে! ব্যক্তিগত হিচাপে তুমি আৰু প্ৰজ্ঞানদা—এই দুজনৰ এজনকো মই পৰিত্যাগ কৰিব নোৱাৰোঁ। দুয়োজনকেই মই সমান শ্ৰদ্ধাৰ চকুৰে চাওঁ।"

প্ৰজ্ঞানৰ লগত প্ৰকাশৰ কথা এনেকৈ বিজাই, শকুন্তলাই দুয়োকে সমান মৰ্য্যদা দিয়াত প্ৰকাশৰ বুকুখন গৰ্ব্বতে ওফন্দি পৰিল। তাৰ নীচাত্মিক মনোভাৱৰ আকলুৱা জন্তুটোৱে আত্ম-প্ৰসাদৰ আহাৰ বিচাৰি পাই, তৃপ্তিৰ আনন্দত নেজ জোকাৰি শান্ত হৈ পৰিল।

"বাৰু, মই এই বিষয়ে ভাবি চাম।" এই বুলি শকুন্তলাৰ কথাৰ সমিধান দি, এইবাৰ প্ৰজ্ঞানৰ পিনে চাই প্ৰকাশে ক'লে, "এতিয়া মোৰ বিভলভাৰটো দি দিয়াত বোধকৰো কোনো আপত্তি নাই?"

প্ৰজ্ঞানে হাঁহি ক'লে, "বিয়া নকৰোৱালৈকে বিভলভাৰৰ দায়িত্ব মোৰ ওপৰত!"

"কি বলিয়ালিখন কৰিছে হেৰি মিষ্টাৰ বৰুৱা? আপুনি ভাবিছে নেকি, আপুনি আৰু শকুন্তলাই লগ লাগি মোক আপোনালোকৰ হাতৰ

পুতলা কৰিব পাৰিব?" বিৰক্তিত প্ৰকাশৰ চেলাউৰীযোৰ থোপ খালে। ঘোপাকৈ সি প্ৰজ্ঞানলৈ চাই আকৌ ক'লে, "মই, বা মোৰ আই-বোপাইৰ মান-মৰ্য্যদা একো নাই বুলি ভাবিছে নেকি? কথা নাই বতৰা নাই...."

মুখৰ পৰা প্ৰকাশৰ কথাষাৰ কাঢ়ি নি প্ৰজ্ঞানে ক'লে, "শুনা কাপুৰ! মান মৰ্য্যদাৰ কথা তুমি মোক শিকাব নেলাগে। তুমিনো কেলেই ভাবি লৈছা যে, যাকে তাকে বিয়া কৰাবলৈ কৈ আমি ইয়াত তোমাৰ লগত ধেমালি কৰিবলৈ আহিছোঁ?" প্ৰজ্ঞানৰ গম্ভীৰ মাতটো আৰু গম্ভীৰ কৰি, লাহেকৈ, অথচ অতি স্পষ্টভাৱে, প্ৰজ্ঞানে কলে, "তুমি জানানে?"

"কি?" প্ৰকাশে ব্যগ্ৰ হৈ সোধে।

"অময়াই যে তোমাক ভাল পায়?"

"অময়া?" প্ৰকাশে জাপ মাৰি উঠাৰ দৰে উৎসাহেৰে সোধে,

"কোন অময়া? মিচেছ ৰৰকাকতিৰ জীয়েক অময়াৰ কথা কোৱা নাইতো?"

"আৰু কোন অময়া হ'ব?" শকুন্তলালৈ চাই প্ৰজ্ঞানে এইবাৰ ক'লে, "শকুন্তলা তুমিয়েই কোৱাচোন—কালি ৰাতিৰ কথাটো...."

প্ৰকাশে ভাবিলে ইহঁতে আকৌ প্ৰসেঞ্জিতৰ টেলিগ্ৰামৰ কথা কৈ প্ৰকাশক ঠাট্টা কৰিব খুজিছে।

"কালি ৰাতি কি হৈছিল মোক নকলেও হ'ব। মোক অপমান কৰিবৰ আপোনালোকৰ কোনো অধিকাৰ নাই। আপোনালোক যাব পাৰে। অ', মোৰ বিভল্‌ভাৰটো দিয়ক।"

প্ৰকাশে প্ৰজ্ঞানৰ পিনে হাত মেলিলে।

"কি কথা নৌ কওঁতেই, হঠাৎ কিবা ভাবি লৈ এনেকৈ মূৰ গৰম কৰা স্বভাৱটো কিন্তু মই বৰ বেয়া পাওঁ—প্ৰকাশ।" শকুন্তলাৰ সঁচাকৈয়ে খং উঠিল। শকুন্তলাৰ খং উঠা দেখি প্ৰকাশ অলপ দমি গ'ল। ক'লে, "বাৰু কোৱা, কি হৈছিল?"

"প্ৰথমতে মই কওঁ বাৰু।" প্ৰজ্ঞানে আৰম্ভ কৰিলে, "কালি ৰাতি অময়াৰ দেউতাকৰ বছেৰেকীয়া শ্ৰাদ্ধত মানুহক খুউৰা-বুউৰাৰ প্ৰধান ভাৰ আছিল অময়াৰ ওপৰত। তুমি কেৱল মানুহক সোধপোচহে কৰিছিলা, নহয় জানো শকুন্তলা?"

"ওঁ, অময়ায়েই ভনীয়েকহঁতৰ লগত খুউৰা কাম গোটেইখিনি কৰিছিল।" শকুন্তলাই প্ৰজ্ঞানৰ কথাত হয় দিলে।

"কিন্তু প্রকাশ কাপুৰ সকলোতকৈ শেষত গৈছিল?" প্রজ্ঞানে কৈ প্রকাশলৈ চায়।

"গৈছিলোঁ, পিছে কি হ'ল?" প্রকাশে খপকৰে সোধে।

"তুমি নেযাবা বুলি ভাবি অময়াজনী প্রায় বলিয়া হোৱাদি হৈ ইফালৰ পৰা সিফাল, সিফালৰ পৰা ইফালকৈ উচ্পিচাই থকা সকলোৱে দেখিছিল!" অতি গহীন হৈ প্রজ্ঞানে ক'লে।

"আন কাৰণেও হ'ব পাৰে।" প্রকাশে সাধাৰণভাৱে ক'লে, "কোনোবাই অনুসন্ধান কৰিছিল জানো কি কাৰণে?"

"মই জানো।" শকুন্তলাই দৃঢ়ভাৱে ক'লে।

"।ক জানা?" প্রকাশে একে সুৰতে সোধে।

"অময়াই মোক কৈছিল যে, কিয় জানো তাই ক'ব নোৱাৰে, তুমি নোযোৱাৰ কাৰণে তাইৰ মনটো খুব বেয়া লাগিছিল। মই সুধিলোঁ কিয়? তাই কোনো মতেই নকয়। সোধোতে সোধোতে অৱশেষত কৈছিল...."

"কি?" প্রকাশে ব্যগ্র হৈ সোধে।

"কৈছিল যে, তাই তোমাক ভাল পায়!"

"মোক?" আগতকৈও বেচি উৎসাহেৰে প্রকাশে সোধে।

"ওঁ, তোমাক।" শকুন্তলাই প্রকাশৰ মুখখন ভালকৈ পৰীক্ষা কৰি আকৌ কয়, "কিয়? তোমাক ভাল পাব নোৱাৰে নেকি?"

"মই সেই কথা কোৱা নাই, কৈছোঁ যে অময়াই হঠাৎ...."

"হঠাৎ নহয়।" শকুন্তলাই দৃঢ়ভাৱে ক'লে, "হঠাৎ নহয় প্রকাশ; মই বহুত আগৰে পৰা অময়াৰ মনৰ ভাব লক্ষ্য কৰি আহিছোঁ। কেইবা দিনো চাব মাৰি সুধিছিলোঁও, কিন্তু নকয়।" প্রকাশৰ মুখখন আকৌ পৰীক্ষা কৰি শকুন্তলাই ক'লে, "ইমান লাজুকী ছোৱালীও বাৰু থাকিব পাৰে নে?"

"কালি তেনেহলে কেনেকৈ লাজ ভাঙিল?" প্রকাশে ৰগৰ কৰি ক'লে।

"লাজ ক'ত ভাঙিছে? মই হে বুধি কৰি উলিয়ালোঁ।" শকুন্তলাই এইবাৰ প্রকাশক সুধিলে, "মইনো ক'ব লাগিছে কেলেই। কালি চাহ-মিঠাই খুৱাৰৰ সময়ত অময়াক জানো তুমি মন কৰা নাছিলা?"

তাইৰ এটাইজাক ভনীয়েকেহে দেখোন খোৱা মেজৰ চাৰিউপিনে হেঁচা মাৰি ধৰিছিলহি। কেলেইনো মন কৰিছোঁ অময়াই যে...."

"তাতেইতো মজা! প্রত্যেকজনী ভনীয়েককে 'এইটো লৈ যা'

'সেইটো লৈ যা' বুলি এবাৰ সন্দেশ এবাৰ ৰসগোল্লা, এবাৰ ৰসমলায়-হৰিভোগ—এনেকৈ বাৰে বাৰে দি তোমাৰ লগত ভনীয়েকহঁতৰ হতুৱাইষে ধেমালি কৰি, নিজৰ অন্তৰখন অলক্ষিতেই তোমাত অর্পণ কৰাৰ সিও এটা সুযোগ বুলি অময়াই নিজৰ মনকে সান্ত্বনা দিছিল।" অতি গহীন হৈ শকুন্তলাই প্রকাশলৈ চালে।

শকুন্তলাৰ কথাত প্রকাশ পতিয়ন গ'ল। অময়াৰ লাজকুৰীয়া ৰূপটো তাৰ মানস পটত ভাহি উঠিল। সি আগ্রহেৰে সুধিলে, "আৰু কিবা কৈছিল নেকি?"

"কৈছিল, কিন্তু মই ক'ব নোৱাৰোঁ।" শকুন্তলা গহীন হৈ গ'ল।

"নাই নাই, ক'বই লাগিব। আৰু কি কৈছিল।" প্রকাশে দাবী কৰিলে।

"মই জানো, তুমি বিশ্বাস নকৰিবা।"

"কেনেকৈ জানিলা শকুন্তলা, মই বিশ্বাস নকৰিম?" প্রকাশে দুখ মনেৰে ক'লে।

"মই জনা নাছিলোঁ যে ঈশ্বৰে তোমাৰ লগত অময়াৰ স্বভাৱৰ ইমান মিল কৰি তাইক সৃষ্টি কৰিছিল!"

"মোৰ স্বভাৱৰ লগত মিল?" নিজকে কোৱাৰ দৰে কৈ প্রকাশে ডাঙৰকৈ ক'লে, "নাই, ক'বই লাগিব, শকুন্তলা, আৰু কি কৈছিল?"

"নিতান্তই নেৰা যদি, ক'বলৈ মই বাধ্য। কিন্তু এটা সর্ত্তত—"

"যি সর্ত্ততে নহওক, কোৱা, কোৱা, ক'বই লাগিব।" প্রকাশে জোৰকৈ ধৰা দেখি, শকুন্তলাই ক'লে যে ভৱিষ্যতে কেতিয়াও যেন অময়াক প্রকাশে সেই কথা নকয়।

"নকওঁ, নকওঁ, নিশ্চয় নকওঁ। কোৱা আৰু কি কৈছিল?"

"কৈছিল যে তুমি যদি অময়াক বিয়া নকৰোৱা তেনেহলে তাই আপোনঘাটি হৈ মৰিব!"

"ইছ্, ইছ্, অসম্ভৱ। মই সেইটো কেতিয়াও হবলৈ নিদিওঁ। এনে এজনী ছোৱালী...."

প্রজ্ঞানৰ হাঁহি উঠি গ'ল।

"আপুনি হাঁহিছে মিষ্টাৰ বৰুৱা? আপুনি হার্টলেছ্! আপোনাৰ দৰে হার্টলেছতো আৰু মই হ'ব নোৱাৰোঁ।"

প্রকাশে বেয়া পাইছে বুলি ভাবি, প্রজ্ঞান গহীন হৈ গ'ল। আনহাতে প্রকাশে পিছ মুহূর্ত্ততে ভাবিলে যে এনে এটি শান্ত পৰিবেশত প্রজ্ঞানক

তেনেকৈ কোৱাটো ঠিক হোৱা নাই।

প্রকাশ উঠি আহি প্রজ্ঞানৰ গাত ধৰি ক'লে ঃ

"মিষ্টাৰ বৰুৱা, মাফ্ কৰিব। মই আপোনাক তেনেকৈ কোৱাটো উচিত হোৱা নাই।" শকুন্তলালৈ চাই আকৌ ক'লে, "শকুন্তলা, তুমিও বেয়া নেপাবা দেই। অনৰ্থক ইমানবোৰ বাক-বিতণ্ডা হৈ গ'ল। ইন্‌ফৰ-মেশ্যনটোৰ কাৰণে তোমালোক দুয়োকে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।"

বাহিৰত গহীন হৈ থাকিলেও, প্রজ্ঞানে কেতিয়া তাৰ পৰা ওলাই আহি ভিতৰত খুন্দা মাৰি ধৰা হাঁহিৰ হেঁচাটো পাতলাব, তাৰ কাৰণে উচ্-পিচাবলৈ ধৰিলে। চকুৰে টিপ দিয়াত শকুন্তলাও যাবলৈ উঠিল।

দুয়ো প্রকাশৰ পৰা বিদায় লৈ গাড়ীত বহিলহি। প্রকাশে গাড়ীৰ কাষলৈকে আহি, দুয়োকে আগবঢ়াই থলেহি। শকুন্তলাই গাড়ী চলাই দি দহ গজমান যাওঁতেই ঘপ কৰে গাড়ী ৰখাই, গাড়ীখন প্রকাশ ৰৈ থকাৰ ওচৰলৈ বেক্ কৰি লৈ আহিল। প্রজ্ঞানে জেপৰ পৰা খপকৰে বিভলভাৰটো উলিয়াই গুলীৰ বাকছটোৰে সৈতে গোটেইখিনি প্রকাশৰ হাতত দি, দুয়ো গাড়ী চলাই পোনেপোনেই মিচেছ ৰৰকাকতিৰ ঘৰ পালেগৈ।

শকুন্তলা-প্রজ্ঞানৰ যুটীয়া ঘটকালি আৰু কথাৰ-আহুদিয়ে ইমান সোনকালে এনে ফল দিব বুলি এজনেও আশা কৰা নাছিল। বাটত আহোঁতে হাঁহি হাঁহি প্রজ্ঞান বাগৰি গ'ল। শকুন্তলাৰ হাঁহি উঠিলেও যিমান পাৰে দমাই ৰাখি গাড়ী চলাই আহিল। যেনে অৱস্থাত এই দুজন ডেকা-ডেকেৰী মিচেছ ৰৰকাকতিৰ ঘৰলৈকে এই বাটছোৱা মটৰেৰে গৈছিল, দয়োৰে গ্রহ ভাল আছিল বুলিহে সেইদিনা বাটত একো দুর্ঘটনা নহ'ল। হাঁহিৰ কোৱত কেইবাবাৰো ষ্টিয়াৰিং পাহৰি যোৱাত গাড়ীখন এনেধৰণে চলিছিল যে বাটৰ মানুহ বহুতেই হয়তো ভাবিছিল যে, আজি নিশ্চয় ইহঁতে ক'ৰবাত এক্সিডেণ্ট্ কৰিহে এৰিব!

নতুন দিগন্ত

এক

মিচেছ ৰৰকাকতিৰ জীয়েক অময়াৰ কথা কোনেও ইমান দিনে বিশেষকৈ ভাবৰ আৱশ্যক বোধ কৰা নাছিল। সাধাৰণতে লাজুকীয়া, এই ছোৱালী-জনী দেখাই-শুনাই যথেষ্ট ধুনীয়া হলেও, মানুহৰ চকুৰ পৰা সদায়েই আঁতৰত থাকিবলৈ কৰা তাইৰ চেষ্টাই, মানুহৰ আলোচনা-সমালোচনা ধোঁৱা-বচাৰ পৰা তাইক সদায়েই ৰক্ষা কৰি আহিছিল। এনে ধৰণৰ লাজুকীয়া ছোৱালীৰ বিয়া বেচি ভাগ ক্ষেত্রতে মাক-বাপেক বা অভিভাৱকেই পাতিবলগীয়া হয়। কেৱল 'হা' বা 'না', কোৱাৰ বাহিৰে এনে ছোৱালীয়ে সাধাৰণতে আন একো বিপর্য্যয়ৰ সৃষ্টি প্রায়েই নকৰে। সেইমতে অময়াৰ বিয়াও মাকে ইচ্ছা কৰা হ'লেই যি কোনো এটা উপযুক্ত ল'ৰাৰ লগত পাতিব পাৰিলে-হেঁতেন। প্রজ্ঞানৰ সংস্পর্শলৈ অহাৰ পিছত তেনে এটি আশা পোষণ কৰিয়েই প্রথমতে মাকৰ হেঁচুকনিতেই তাই সেই বিষয়ত কিছুদূৰ আগ-বাঢ়িবলৈ চেষ্টা কৰোঁতেই, মাকেই আহি মাজতে বিধি-পথালি দিয়াতহে তাইৰ মনৰ আশা মনতেই মাৰ নিয়াবলৈ বাধ্য হৈছিল। প্রজ্ঞানে অৱশ্যে তাইক প্রথম দেখাৰে পৰা প্রণয়ৰ পর্য্যায়ত স্নেহ কৰাৰ পৰিবর্ত্তে ভনী ভাবতেই মৰমৰ চকুৰে চাবলৈ চেষ্টা কৰিছিল। প্রজ্ঞানৰ এনে মনোভাৱে তাইৰ মনত যে যথেষ্ট কষ্ট দিছিল সেই কথা মাক বা প্রজ্ঞান প্রত্যেকেই ভালকৈ জানিছিল। শেহত এনেকুৱাও হৈছিল গৈ যে মাক জীয়েকৰ মাজত এই বিষয়ে প্রজ্ঞানৰ অজ্ঞাতে একপ্রকাৰ প্রতিদ্বন্দ্বিতাও চলিছিল গৈ।

এনেতেই ঘটি গ'ল বাপেকৰ দুর্ঘটনাটো। এই দুর্ঘটনাটোৱেই সকলো তল-ওপৰ কৰি পেলালে। বাপেকৰ বছেৰেকীয়া হৈ নোযোৱালৈকে বৰকাকতি পৰিয়ালত পূৰা এবছৰ কাল সন্তপ্ততা পালন কৰা হৈছিল বুলিয়েই ক'ব পাৰি। এই এবছৰে বিয়া-বাৰু বিষয়ে কোনো কথা কোনেও ভাবিবলৈকে অৱকাশ পোৱা নাছিল। বাপেকৰ বছেৰেকীয়া শ্ৰাদ্ধ হৈ যোৱাৰ পিছত এতিয়া সকলোৰে মন কিছু পাতল পাতল লগাত, ইমান দিনে অন্তৰত চেপি থোৱা ভাবৰোৱে স্বাভাৱিকতেই জুমুৰি দি ধৰি এটাইকে আমনি কৰিলেহি।

প্ৰজ্ঞানৰ আশা পৰিত্যাগ কৰিবলৈ বাধ্য হোৱাত অমায়াৰ মন কিছুদিনৰ কাৰণে ভাঙি পৰা যেন দেখা গৈছিল। এনেতেই ঘটিল সেই পৰিয়ালৰ লগত ডেকা বেৰিষ্টাৰ প্ৰকাশৰ ঘনিষ্টতা। প্ৰকাশ প্ৰায়েই তাইহঁতৰ ঘৰলৈ যোৱাটো এটা অভ্যাসত পৰিণত হৈছিলগৈ। সেই সময়তে তাইৰ মনটোও যে প্ৰকাশৰ পিনে কিছু ঢাল খাইছিল, এইটো ঠিক। প্ৰতিভাৰ কাৰণে পগলা নোহোৱা হ'লে, প্ৰকাশে হয়তো প্ৰথমৰ পৰাই অমায়াৰ পিনে বিশেষ মনযোগ দিলেহেঁতেন। আৰু তেনে হোৱা হ'লে হয়তো ইমান দিনে প্ৰকাশৰ লগতেই অমায়াৰ বিয়াও হৈ গ'লহেঁতেন। প্ৰকাশৰ মনত যে অমায়াৰ প্ৰতি তেতিয়াও কিছু দুৰ্ব্বলতা নাছিল, এনে নহয়। কথাই কথাই কেতিয়াবা অমায়াক অৰ্থপূৰ্ণ ভাবে জোকাই জুখি চাবলৈ কৰা প্ৰকাশৰ চেষ্টাই তাকেই প্ৰমাণ কৰিছিল। কিন্তু অমায়া সেই হিচাপে চালাক! তেনেকৈ থাপমাৰি কৰা প্ৰেমৰ ভোঁজবাজীত অমায়াৰ দৰে গহীন আৰু নিজৰ ভৱিষ্যত সম্পৰ্কে সচেতন ছাৱালীক হাত কৰা টান। সেইদেখি পিছলৈ প্ৰকাশে ঢিলাই দিবলৈ বাধ্য হৈছিল।

বহুপত্নীকতাই পুৰুষৰ স্বাভাৱিক প্ৰকৃতি বুলি বিশ্বাস কৰোঁতাসকলে, এফালে প্ৰতিভা আৰু আনহালে অমায়াক লৈ প্ৰকাশে খেলিব খোজা প্ৰণয়ৰ খেলখনক হয়তো সমৰ্থন কৰিব; কিন্তু আধুনিক ভাৰতত ভাৰতৰ সেই ঐতিহ্য অন্ততঃ সামাজিক ক্ষেত্ৰত মোলান পৰি যোৱা যেন দেখা যায়। দ্বিচাৰিনীক সহ্য নকৰিলে তাৰ পুংলিঙ্গক সহ্য কৰাত কোনো যুক্তি নাই! শ্ৰাদ্ধৰ পিছদিনা অমায়াই ঘৰত বহি এইবোৰ কথাকেই ধোৱা-পখলা কৰি আছিল।

ঠিক এনে সময়তে শকুন্তলা আৰু প্ৰজ্ঞান দুয়ো গৈ উপস্থিত হৈছিল গৈ মিছেছ বৰকাকতিৰ ঘৰত। প্ৰকাশৰ আগত এতিয়াই কৈ অহা কথাটো

যাতে সঁচা বুলি প্ৰমাণ হয়, তাৰ কাৰণে শকুন্তলাই পোনেই অমায়াক লৈ তাইৰ কোঁঠালৈ গ'ল। প্ৰজ্ঞানে মিচেছ বৰকাকতিৰ লগত আন কথা-বতৰাত ব্যস্ত হ'ল।

প্ৰায় দেড় ঘণ্টামান পিছত অমায়াৰ কোঁঠাৰ পৰা হাঁহিমুখে শকুন্তলা ওলাই আহিল। লাজুকী অমায়াজনী কোঁঠাৰ পৰা তেতিয়াও নোলাল।

"বৰকৈ হাঁহি আহিছা দেখোঁন!" বৰকাকতিনীয়ে হাঁহি সুধিলে।

"সোনকালে যোগাৰ কৰক মাহীদেউ," এই বুলি কৈ শকুন্তলাই অৰ্থপূৰ্ণ চাৱনিৰে প্ৰজ্ঞানৰ পিনে চাই, চকু টিপিয়াই হাঁহিলে। বৰকাকতিনীয়েও হাঁহিত যোগ দিলে, নুবুজাকৈয়ে!

"কওঁক মাহীদেউ। অমায়াৰ বিয়াখন কেতিয়াকৈ পাতিব?" শকুন্তলাই হাঁহি সুধিলে।

"কাৰ বিয়া?" মিচেছ বৰকাকতিয়ে আচৰিত হৈ সোধে।

"অমায়াৰ।" শকুন্তলাই গহীনাই কয়।

"অমায়াৰ? কাৰ লগত?"

"কাৰ লগত আৰু? প্ৰকাশ কাপুৰৰ লগত.....।"

"ধেমালি কৰিছা কেলেই শকুন্তলা?"

"ধেমালি নহয়, প্ৰজ্ঞানদাক সোধক।" শকুন্তলাই প্ৰজ্ঞানৰ পিনে চাই ক'লে, "নহয়নে প্ৰজ্ঞানদা?"

"শকুন্তলাই ঠিক কথাই কৈছে।" প্ৰজ্ঞানেও শকুন্তলাৰ কথাত হয় দিয়া দেখি আচৰিত হৈ বৰকাকতিনীয়ে এবাৰ প্ৰজ্ঞান, এবাৰ শকুন্তলাৰ চকুলৈ চাই ভাবিলে, ইহঁতে নিশ্চয় ধেমালি কৰিছে।

"সঁচাকৈয়ে কোৱা প্ৰজ্ঞান। প্ৰকাশেতো কেতিয়াও এই কথা মোক কোৱা নাই।"

"আপোনাক ক'ব কেলেই?" শকুন্তলাই ক'লে, "আজি ইয়ালৈ অহাৰ আগতে, প্ৰকাশৰ তালৈ গৈ আমি সকলো ঠিক কৰি আহিছোঁ।"

"অ', তোমালোকেহে ঠিক কৰিলা?" ঠাট্টাৰ সুৰত কৈ বৰকাকতিনীয়ে পাতলকৈ হাঁহিলে।

"অমায়াই ঠিক কৰিবলৈ কোৱা দেখি।"

"কি? অমায়াই কোৱা দেখি?" আচৰিত হৈ বৰকাকতিনীয়ে শকুন্তলাৰ চকুলৈ চালে।

"মিছা যদি বলক, অমায়াক সোধোগৈ।" শকুন্তলাই বৰকাকতিনীক হাতত ধৰি টানি অমায়াৰ কোঁঠালৈ লৈ গ'ল।

অময়াই তাইৰ বিছনাত শুই ওপৰলৈ চাই ভাৱত তন্ময় হৈ আছিল।

"অময়া।" মাকৰ মাত শুনি অময়া খপ কৰে বহিল।

"হয়নে?"

"কি মা?"

"শকুন্তলাই কোৱা কথা হয়নে?"

"কি কথা?"

"সে—ই—যে!" শকুন্তলাই কেৰাহীকৈ অময়ালৈ চাই চকুৰ টিপ দিলে।

"অ', সেই কথা? হয় মা'?" অময়াই কোৱাৰ লগে লগে শকুন্তলাই ক'লে, "সেয়া দেখিলে? আমি বোলে ধেমালি কৰিছিলোঁ?"

মিছেছ ৰৰকাকতিৰ চকু দুটি আনন্দত উজ্জ্বল হৈ উঠিল। তেওঁৰ বুজিবলৈ বাকী নেথাকিল যে অময়াৰ ইয়াত সম্পূৰ্ণ মত আছে।

দুই

তিনি সপ্তাহৰ ভিতৰতে বিয়াৰ সকলো বন্দোৱস্ত হৈ গ'ল। মিচেছ ৰৰকাকতিয়ে বিয়াৰ চিঠি ছপাই গোটেই অসমতে বিয়পি থকা অঙহি-বঙহি, লগা-ভগা, বন্ধু-বান্ধৱ সকলোকে জীয়েকৰ বিয়ালৈ নিমন্ত্রণ কৰিলে। গোটেই ৰাজ্যতে, বিশেষকৈ গুৱাহাটী চহৰত বেচ এটি হৈ চৈ পৰি গ'ল। এনে ধৰণৰ আন্তঃৰাজ্যিক বিয়া মাজে মাজে দুই এখন যে ইতিপূৰ্ব্বে হৈ যোৱা নাই, এনে নহয়। কিন্তু অসমৰ মাটিত ইমান জাকজমক ধুমধাম আৰু সৰ্ব্বসম্মতিক্ৰমে পতা আন্তঃৰাজ্যিক বিবাহ বোধকৰো এইখনেই এটাইতকৈ লেখত লৰ লগীয়া। এফালে পঞ্জাৰ আৰু আনফালে অসম, এই দুয়ো ৰাজ্যৰ উপযুক্ত পাত্ৰপাত্ৰীৰ মাজত ৰৈবাহিক যোগসূত্ৰ স্থাপনৰ জৰীয়তে উভয় ৰাজ্যৰ মাজত ইতিপূৰ্ব্বে থকা বন্ধুত্বৰ বান্ধ যে আৰু কপ্-কপীয়া হোৱাত সহায় কৰিব পাৰি, সেইটো প্ৰমাণ হ'ল সকলো প্ৰকাৰৰ মানুহৰ পৰা অহা অসংখ্য শুভইচ্ছা জ্ঞাপক চিঠি আৰু টেলিগ্ৰামৰ পৰা। সকলোৰে শুভেচ্ছা বাণীৰ মৰ্ম্ম প্ৰায় একেই: এই মিলনে আন্তঃৰাজ্য, তথা সৰ্ব্বভাৰতীয় ঐক্যত ৰৰঙণি যোগাওঁক।

অসমৰ খ্যাতনামা চাহ খেতিয়ক বিখ্যাত ব্যৱসায়ী স্বৰ্গীয় প্ৰদীপ ৰৰ-কাকতিৰ নাম নজনা মানুহ অসমত নাই। তেওঁৰেই সুযোগ্যা পঞ্চমা কন্যা, কুমাৰী অময়া ৰৰকাকতিৰ শুভ বিবাহ সম্পণ্ন হৈ গ'ল উজনী অসমত থকা বিখ্যাত পাঞ্জাবী ব্যৱসায়ী শ্ৰীঅশোক কাপুৰৰ একমাত্ৰ ল'ৰা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ডেকা বেৰিষ্টাৰ শ্ৰীপ্ৰকাশ কাপুৰৰ লগত। অসমৰ সকলো-ৰেই সৰ্ব্বান্তঃকৰণে এই বিয়া সমৰ্থন কৰিলে। বয়সস্থ মহলৰ দুই একে পেটে পেটে সিমান ভাল নেপালেও, উঠি অহা ডেকা মহলৰ আগততেওঁলোকৰ মন্তব্য প্ৰকাশ কৰি লাজত নপৰাই ভাল বুলি মনে মনে থাকিল। অসমৰ ডেকা চামে ভাবে যে আন্তঃৰাজ্যিক সকলো প্ৰকাৰ আদান-প্ৰদান আৰু বুজা-বুজিৰ জৰীয়তে সৰ্ব্বভাৰতীয় শকত ভেঁটিটো নিকপ্‌কপীয়া নকৰিলে ভাৰতৰ ভবিষ্যত অন্ধকাৰ। আজিয়েই যদি সৰ্ব্বভাৰতীয় ঐক্যৰ বুনিয়াদ ডেকা মহলে তৈয়াৰ কৰাত উঠি পৰি নেলাগে, তেনেহলে ভৰিষ্যত বংশধৰ সকলৰ গৰিহনাই হ'ব তেওঁলোকৰ একমাত্ৰ প্ৰাপ্য। এনে জল্‌জল্-পট্‌পট্‌কৈ ওলাই থকা কথা এটা জানি শুনিও যি সকলে ৰাজ্যিকতাই ৰাষ্ট্ৰীয়তা বুলি

ভাবি, নিজৰ ভিতৰতে খোৱা-কামোৰা কৰি, সৰ্ব্বভাৰতীয় ঐক্যৰ ভেঁটি শিথিল কৰিবলৈকো কুণ্ঠিত হোৱা নাই, আজি নহলেও কাইলৈ তেওঁলোকে তাৰ কাৰণে অনুতাপ কৰিবই লাগিব।

অময়াৰ বিয়ালৈ ইমান মানুহ মতা হৈছিল যে বিয়াৰ দিনা ৰৰকাকতি ভবনৰ আগফালৰ প্ৰকাণ্ড খাঁহনিৰ ওপৰত পতা বিৰাট ৰঙাখন অসমৰ আন ঠাইৰ পৰা অহা, আৰু গুৱাহাটী চহৰৰ গন্যমান্যৰ পৰা সকলো প্ৰকাৰৰ মানুহেৰে ভৰি পৰিল। সৰ্ব্বভাৰতীয় মিলন ক্ষেত্ৰ, প্ৰকৃতি জীয়াৰী অসমৰ বুকুৰ মাজেৰে বৈ যোৱা বিশাল ব্ৰহ্মপুত্ৰ নদৰ উৰ্ব্বৰা উপত্যকাৰ উদাৰ ভূমিত, প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰ তথা আধুনিক গুৱাহাটী চহৰত, সৰ্ব্বসম্মতি-ক্ৰমে পতা ইমান ডাঙৰ আন্তঃৰাজ্যিক বিয়া এখনত যোগ দিবলৈ পাই সকলোৱে অতকিতেই অনুভৱ কৰিছিল যে ঐক্যৰ পথত ভাৰত আগবঢ়াৰ ইও এটা পটন্তৰ। এই কথাটোৱেই সেইদিনা ৰঙাৰ তলত সমবেত হোৱা গুৱাহাটীত থকা ভাৰতৰ সকলো ৰাজ্যৰে নিমন্ত্ৰিত ভদ্ৰলোক-ভদ্ৰমহিলা সকলৰ মাজত আলোচনাৰ বিষয় হৈ পৰিছিল। দৰা-কইনা উভয়েই ইমান মিলিছিল যে সকলোৱেই এক মুখে স্বীকাৰ কৰিলে যে এনে ধৰণৰ মিলনকেই বোধকৰো 'হৰগৌৰী' মিলন বোলে; আৰু এই কাৰণেই বোধকৰো, দৰা-কইনাৰ শিৰত ধৰি সকলোৱে 'হৰ-গৌৰী' বসতি হওঁক' বুলি আশীৰ্ব্বাদ দিয়ে।

সি যিয়েই নহওঁক, প্ৰকাশ, অময়া আৰু দুয়ো ঘৰৰে পৰিয়াল অভিভাৱক সকলোৱেই সুখী হোৱা যেন লাগিল। সাধাৰণতে উভয় পক্ষৰ এটাইৰে সম্পূৰ্ণ মতত বিয়া বোলা অনুষ্ঠানটো খুব কমেই সম্পাদিত হোৱা দেখা যায়। এইখন বিয়া কিন্তু সেই মতে সম্পূৰ্ণ সাফল্য মণ্ডিত হোৱা বুলিয়েই ক'ব লাগিব।

প্ৰকাশৰ মাক-বাপেক বিশেষকৈ সুখী যে একমাত্ৰ পুতেক প্ৰকাশে প্ৰতিভাক বিয়া কৰোৱাৰ পৰা ৰক্ষা পৰাৰ উপৰিও ভৱিষ্যতলৈকো তেনে ধৰণৰ বিপদত পৰাৰ পৰা হাত সাৰিল। শকুন্তলা বিশেষকৈ সুখী যে প্ৰকাশৰ অকৰামিৰ পৰা তাই নিজেও ৰক্ষা পৰিল, আৰু প্ৰকাশেও বাৰে বাৰে কথাই কথাই আপোন-ধাতী হ'বলৈ যোৱা বেমাৰটোৰ পৰা ৰক্ষা পৰিল। প্ৰজ্ঞান বিশেষকৈ সুখী হ'ল এই বুলি যে ভৱিষ্যতলৈ আৰু প্ৰজ্ঞানে প্ৰকাশৰ লগত তৰ্কবিতৰ্ক বা হাতাহাতি হোৱা অৱস্থালৈ যাবলগীয়া নহ'ব। এটাইতকৈ সুখী হ'ল শকুন্তলাৰ মাক মিচেছ চাওলা। ভৱিষ্য-তলৈ প্ৰকাশৰ অভিভাৱিকাৰ দায়িত্ব বহন কৰিবলৈ প্ৰকাশৰ মাক-দেউতাকে আৰু তেওঁক দঢ়াই দঢ়াই কৈ নেযায়। অময়াৰ মাক মিচেছ ৰৰকাকতিয়ে

আনন্দতে কান্দিয়েই পেলালে। কান্দিবলগীয়া আনন্দৰ অভিজ্ঞতা বোধকৰো মিচেছ ৰৰকাকতিৰ এয়েই প্ৰথম। তেওঁ আজি অকলশৰীয়া। তেওঁৰ আনন্দৰ ভাগ লবলৈ আজি যদি স্বৰ্গীয় ৰৰকাকতি থাকিলহেঁতেন! ৺ৰৰ-কাকতিৰ হাঁহিভৰা মুখখন তেওঁৰ আজি বাৰে বাৰে মনত পৰিবলৈ ধৰিলে।

তিনি

অময়া-প্রকাশৰ শুভবিবাহ ৰৈদিক নিয়মেৰে সম্পাদিত হৈ যোৱাৰ তৃতীয় দিনা গধূলি কইনা ঘৰতেই খোৱা-খুৱী সৰাহ আৰু ভোজৰ আয়োজন কৰা হ'ল। সাধাৰণতে এই খোৱা-খুৱী সৰাহ দৰাঘৰত পতা হয়। কিন্তু শকুন্তলাহঁতৰ ঘৰত আহি বাহৰ পতা দৰাঘৰতকৈ কইনা ঘৰত বেচি সুবিধা থকাত, তাতেই পতা হ'ল।

বিয়াৰ তৃতীয় দিনা নিৰ্দ্দিষ্ট কেইজনমান আত্মীয় কুটুম্ব আৰু দৰা-কইনা উভয় ঘৰৰে মানুহ একে লগ হৈ বিয়াৰ ৰভাতলতে দৰা-কইনাক বহুৱাই পুৰোহিতে দৰা-কইনাক খোৱা-খুৱী আখ্যান এখন পুথিৰ পৰা পঢ়ি ব্যাখ্যা কৰি শুনায়। উপস্থিত আনেও সেই উপাখ্যান শুনে। সদাশিৱৰ ঘৰত বিয়াৰ সময়ত নৱ-দম্পতীৰ গাত লক্তি খোৱা-খুৱী নামে এহাল যখ-যখিনীয়ে পূজা খাইহে দৰা-কইনাক এৰা দিয়ে বুলি থকা বিশ্বাসৰ কাৰণেই, অসমত এই সৰাহ পতা নিয়ম। এই খোৱা-খুৱী উপাখ্যান দৰা-কইনাক এনেকৈ শুনোৱা প্ৰথাটো বোধকৰো অসমৰ এটা বৈশিষ্ট্য। সেই মতে ইয়াক এক প্ৰকাৰে অসমত চলি অহা লোকাচাৰ বুলিও ক'ব পাৰি।

বিয়াৰ দিনা হুলস্থূলৰ মাজত দৰা আৰু কইনাঘৰীয়া আপোন মানুহৰ মাজত দেখা-শুনা বা সুস্থ হৈ কথা-বতৰা পাতি ভাবৰ আদান-প্ৰদান কৰাৰ সুযোগ সমূলি নেথাকে। কিন্তু এই খোৱা-খুৱী সৰাহৰ দিনা হাঁহি-মাতি ধেমালি-ধুমুলা কৰি সকলোৱেই কথা-বতৰা পাতি, ভোজভাত খাই, ৰাতি এঘাৰ-বাৰমান বজাতহে ঘৰাঘৰি যায়গৈ। ফুট্-গধূলিৰ পৰাই দৰা-কইনাক পুৰোহিত বা পুৰোহিতৰ সমানেই শ্ৰদ্ধাভাজন আন কোনোৱে সেই আখ্যান শুনাবলৈ আৰম্ভ কৰে। প্ৰায় এঘণ্টামানৰ ভিতৰতে আখ্যান শুনোৱা হৈ যায়। তাৰ পিছত ভোজলৈকে এই বাকীছোৱা কাল কথা-বতৰা পতা বা ধেমালি-ধুমুলা কৰাৰ উপযুক্ত সময়।

এই কালছোৱাতে মিচেছ ৰৰকাকতিৰ কোঠাত তিনি গৰাকী সম্ভ্ৰান্ত আদ্-বয়সীয়া তিৰোতা একেলগে বহি কথা-বতৰা পাতি থকা দেখা গ'ল। তেওঁলোক হৈছে: প্ৰকাশৰ মাক মিচেছ কাপুৰ, শকুন্তলাৰ মাক মিচেছ চাওলা আৰু অময়াৰ মাক মিচেছ ৰৰকাকতি।

তিনিও গৰাকী তিৰোতাৰে উজ্জ্বল গাৰ ৰৱণ আৰু মুখশ্ৰীত এনে এটি

আচৰিত সামঞ্জস্য আছিল যে দূৰৰ পৰা দেখিলে তিনিওকে বাই-ভনী যেন দেখি। অৱশ্যে নিচেই কম বয়সীয়া যেন দেখা গ'লেও, মিচেছ ৰৰকাকতিক এতিয়াও তিনিওৰে মাজত তেওঁৰ নিচেই সাধাৰণ শুধ্-বগা উকা পোচাকত দেখিলে, স্বাভাৱিকতেই মানুহৰ মনত সহানুভূতি উপজিৰ। ন সাত্ত্বিক হিন্দু বিধৱাৰ জীৱন্ত প্ৰতিমূৰ্ত্তি মিচেছ ৰৰকাকতিৰ কেউকাষে যেন এতিয়া ফুটি উঠিছে তুষাৰ-ধৱল-শুভ্ৰ-কান্তিৰ এটি স্নিগ্ধ পৰিত্ৰতা। ৰৰকাকতিনী সঁচা-কৈয়ে যেন আজি সন্ন্যাসিনী!

"দৰা-কইনা এতিয়া ক'ত বহিছে?" প্ৰকাশৰ মাকে সুধিলে।

"দৰা ৰভাতলত বন্ধু-বান্ধৱৰ মাজত, আৰু কইনাক মাজত লৈ ঘৰৰ ভিতৰত সেইয়া, শুনা নাইনে ছোৱালীহঁতৰ হাঁহি খিকিন্দালি?" শকুন্তলাৰ মাকে কৈ এনেয়ে হাঁহি বাগৰি গ'ল।

"লোকৰ ছোৱালীৰ বিয়াত ইমানকৈ হাঁহিলে কি হ'ব?" মিচেছ কাপুৰে ক'লে, "ইয়াৰ পিছৰ বিয়াখনত দৰা-কইনাক আশীৰ্ব্বাদ দিবলৈ দেখিছোঁ অতি সোনকালে এই গুৱাহাটীলৈকে আকৌ আহিব লাগিব।" অৰ্থপূৰ্ণ চাৱনিৰে তেওঁ মিচেছ চাওলালৈ চালে।

"কাৰ কথা কৈছে?" নুবুজা ভাও জুৰি মিচেছ চাওলাই সুধিলে।

"এতিয়া আঁকৰী হ'লে নহ'ব, সোনকালে শকুন্তলাৰ বিয়াখন পাতক।" মিচেছ কাপুৰে কৈ মিচেছ ৰৰকাকতিলৈ চালে।

"এৰা, শকুন্তলাৰ বিয়াখন সোনকালেই পাতি পেলোৱা ভাল।" ৰৰ-কাকতিনীয়েও মিচেছ কাপুৰৰ কথাতে হয় দিলে।

"ভাল বুলি ময়ো জানো; পিছে দৰা? দৰা ক'ত পাওঁ? যিহে দিনকাল পৰিছে! এতিয়া তাই যদি কয় যে 'মই হৰিজন এটাতহে বিয়া সোমাম', তেতিয়া?" মিচেছ চাওলাই মিচিকিয়া হাঁহিৰে প্ৰকাশৰ মাকলৈ চালে।

"মই নেভাবোঁ", মিচেছ কাপুৰে কয়, "আপোনাৰ লৰা প্ৰসেঞ্জিতৰ দৰে শকুন্তলাও যে ইমান অবুজ হ'ব!"

আচৰিত হৈ মিচেছ চাওলাই প্ৰকাশৰ মাকলৈ চাই ক'লে,

"মোৰ লৰা অবুজ মানে আপুনি কি অৰ্থ কৰিছে?"

"অবুজ মানে সেয়ে", মিচেছ কাপুৰে তাচ্ছিল্যৰ সু�ৰত ক'লে, "বাচি-বিচাৰি আপোনাৰ ল'ৰাই অৱশেহত সেই তপশিলভুক্ত সম্প্ৰদায়ৰ ছোৱালী প্ৰতিভাকহে বিয়া কৰাবলৈ পালে?"

"অ', সেই কথা ?" শকুন্তলাৰ মাক পোনকৈ বহিল। তাৰ পিছত সেই একে সুৰতে চুঙা চাই সোপা দিয়াৰ উদ্দেশ্যে কলে, "আপুনিয়েই জানো প্ৰতিভাক বোৱাৰী হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য নহলেহেঁতেন ? প্ৰকাশেনো বাৰু কাক বিয়া কৰালেহেঁতেন বুলি আপুনি ভাবিছে ?" তাৰ পিছত এইবাৰ বেচ ঠাট্টাৰ সুৰত ক'লে, "বুজিছে, ইয়াকে কয় 'শালকে শিঙিয়ে নিন্দে'!"

কথা আনফালে ঢাল খোৱা দেখি, মিচেছ ৰৰকাকতিয়ে মাজতে মাত দিলে, "শুনক মিচেছ চাওলা, মিচেছ কাপুৰ আপুনিও শুনক, প্ৰকাশক মই জোঁৱাই হিচাপে নোপোৱা হ'লেও, প্ৰকাশ মোৰ মানত সদায়েই প্ৰকাশ। এনে উদাৰ মনৰ ডেকা আমাৰ সমাজত ৰৰ বেচি নোলাৰ। ডেকা বা গাভৰুৰ চকুৰে চাৰ পৰা দিন আমাৰ গ'ল। আমাৰ দিনতকৈ এতিয়া যুগো সলনি হৈছে। সময়ৰ লগত খাপ খুৱাই চলিবলৈ আমাতকৈ ডেকা-ডেকেৰীহঁত স্বাভাৱিকতেই অলপ বেচি আগৰণুৱা হ'বই!"

"ময়োতো তাকে কওঁ।" মিচেছ চাওলাই মাজতে মাত দিলে, "প্ৰসেঞ্জিতে ঠিকেই কৰিছে। প্ৰতিভাৰ দৰে এজনী বোৱাৰী পাই মই সঁচাকৈয়ে সুখী হৈছোঁ।"

"মিছা কথা কয় কিয় হেৰি মিচেছ চাওলা ?" মিচেছ কাপুৰে তপ্‌কৰে মাত দিয়ে, "প্ৰসেঞ্জিতে বিলাতত প্ৰতিভাক বিয়া কৰোৱা খৰৰ পাই আপুনি কি কৈছিল ? মোলৈকে দেখোন দীঘলীয়া চিঠি লিখি দুখ কৰিছিল যে আপোনাৰ ল'ৰাই মাক-বাপেকক এনেকৈ ঠগিব বুলি আপুনি সপোনতো ভৰা নাছিল। কওঁক, লিখা নাছিল বুলি ?" মিচেছ কাপুৰে জোৰকৈয়ে সোধে।

তপতে তপতে বেয়া পাইছিলোঁ যদিও, এতিয়া সকলো কথা ভাবি-চিন্তি চাই, দেশকালৰ অৱস্থা বুজি, যি হৈ গ'ল তাৰ কাৰণে খেদ নকৰা-টোকেই সমিচীন বুলি ভাবিছোঁ। অকল সেয়ে নহয়, এতিয়া আৰু ভাবিছোঁ যে বিধাতাই প্ৰতিভাৰ লগত প্ৰসেঞ্জিতৰ যোৰা মিলায়েই থৈছিল। ভাবি চাওকচোঁন সেইহালক একেলগে কেনে দেখা যাব ?" মিচেছ চাওলাই মিচিকিয়া হাঁহিৰে মিচেছ কাপুৰ আৰু মিচেছ ৰৰকাকতিৰ পিনে চাই অনুমোদনলৈ বাট চালে।

"সেইটো হয়। লৰা-ছোৱালী যে মিলিছে তাত কোনো সন্দেহ নাই। কিন্তু...." মিচেছ কাপুৰে অৰ্থপূৰ্ণ চাৱনিৰে উত্তৰলৈ বাট চালে।

"সেয়েই যথেষ্ট, এতিয়া মাক-বাপেক হিচাপে আমি সিহঁতৰ ভৱিষ্যতৰ

মঙ্গল কামনা কৰাই আমাৰ কৰ্ত্তব্য।" মিচেছ চাওলাই বিজ্ঞৰ দৰে কয়, "বুজিছে, ৰূপ-গুণৰ উৎকৃষ্টতাৰ লগত ৰূপ-গুণৰ উৎকৃষ্টতাহে খাপ খায়। ৰূপ-গুণ-বৈশম্য-যুক্ত সৱৰ্ণ বিবাহো মোৰ বোধেৰে অসিদ্ধ!"

"এতিয়া সেইবোৰ বাদ দিয়ক।" মিচেছ ৰৰকাকতিয়ে ক'লে, "ভোজভাতৰ সময় হ'বই। সোনকালে আজৰি-পিজৰি হৈ, পুৱাই দৰা-কইনাক বিদায় দিয়াৰ চিন্তাই মোক এতিয়া জুমুৰি দি ধৰিছে।"

কামৰ কথালৈ অহাৰ লগে লগে তিনিউজনীয়ে ইজনীয়ে সিজনীৰ মুখলৈ চাই হিঃ হিঃ কৈ হাঁহি বাগৰি গ'ল।

"মই আপোনাক জুখিহে চাইছিলোঁ!" প্ৰকাশৰ মাকে ক'লে।

"ম-অ-য়ো-ৰু-উ-জিছোঁ; পিছে চালোঁ, চুঙা চাই সোঁপা দিব পাৰিনে নোৱাৰি!" মিচেছ চাওলাই হাঁহিৰ গুৰি ধৰাত তিনিও আকৌ হাঁহিলে।

* * *

পিছদিনা পুৱা কইনাৰ লগত খাট্-পালেং, বিছনা-পত্ৰ, চকী-মেজ, গহনা-গাঠৰি, কাঁহি-বাটি ইত্যাদি ছোৱালীয়ে গৈয়েই শাহু-শহুৰৰ ওচৰত একোৰে কাৰণে হাত নপতাকৈ চলিব পৰাকৈ দিয়া বন্দোবস্তৰে সৈতে, দৰা-কইনাক গুৱাহাটী ৰেলষ্টেচ্যনত আগবঢ়াই থ'বলৈ ওলাল শকুন্তলাৰ মাক-জীয়েক, প্ৰজ্ঞান, আৰু অময়াৰ সাতোজনী ভনীয়েক। দৰাঘৰীয়া প্ৰায় সকলোবিলাক মানুহ বিয়াৰ পিছতেই গৈছিল গৈ। কেৱল দৰাৰ মাক-বাপেক আৰু দুই-এজন এবাৰ নোৱাৰা লগা-ভগাহে খোৱা-খুৰীলৈকে আছিল।

এইখন বিয়াত এটা বিশেষকৈ মন কৰিবলগীয়া কথা হৈছে যে, দৰাঘৰৰ পৰা 'দাওৰি' হিচাপে কূটা এগছিও দাবী কৰা হোৱা নাছিল। অসমীয়াৰ মাজত অৱশ্যে এই দাওৰি-প্ৰথা নাই যদিও, আজি কালি সুবিধা পালে দৰাঘৰে, ল'ৰাই বিলাতত পঢ়া খৰচ বা বিয়াৰ খৰচ এনে ধৰণে, ছেগ বুজি আদায় কৰাৰ লোভ কোনো কোনোৱে সামৰিব নোৱাৰি বেমেজালিৰ সৃষ্টি কৰা দেখা যায়। পিছে তেনে ঘটনা ৰৰ বেচি নহয়। প্ৰশান্ত মহা-সাগৰত এচলু পানীৰ দৰে। এই বিষয়ত অসমৰ পৰা আন বহুতো ৰাজ্যই শিকিবলগীয়া আছে।

সি যিয়েই নহওক, ছোৱালী বিয়া দি দৰা ঘৰলৈ উলিয়াই দিয়াৰ সময়ত ছোৱালীৰ লগত সাধ্য অনুপাতে মাক-বাপেক বা ছোৱালীৰ অভিভাৱকহঁতে

যথেষ্ট বয়বস্তু যৌতুক হিচাপে দিয়া নিয়ম অসমতো আছে। এই যৌতুকৰ ওপৰতে শাহু-শহুৰৰ ঘৰত গৈ ছোৱালীয়ে নিজক প্ৰতিষ্ঠা কৰাত যথেষ্ট সুযোগ পায়। যৌতুকত একো নিব নোৱাৰা ছোৱালীয়ে শাহু-শহুৰৰ ঘৰত পোনতে গৈ 'কিবা কৰ! কিবা কৰ!' বুলি ভয়ে ভয়ে থাকিবলগীয়া হয়। পিছত অৱশ্যে নিজকে নিশ্চয় খাপ খুৱায় লয়গৈ। এই সকলো নিৰ্ভৰ কৰে দৰা-কইনা দুয়ো ঘৰৰ মাজত থকা সম্ভাৱ বা মিলাপ্ৰীতিৰ ওপৰত। অৱিয়া-অৰি কৰি ভাল পোৱা স্বভাৱৰ মানুহে, যৌতুক দিলেও কাজিয়া কৰিব, নিদিলেও কৰিব। বিয়া-বাৰুৰ লগত কাজিয়া-পেচাল, মিতিৰৰ মাজত মুখ ওফোন্দোৱা-ওফোন্দি আৰু ইঘৰে সিঘৰৰ দোষ-খোছবাটো মানুহৰ মজ্জাগত এটা কৌটিকলিয়া স্বভাৱ। শিক্ষিত, জ্ঞানী আৰু বিবেচক মানুহৰ মাজত নাই, বা কম। বিদ্যাৱন্তই হওক বা যিয়েই নহওঁক, অজ্ঞানী আৰু অবিবেচক মানুহৰ কাৰণে এনে সামাজিক অনুষ্ঠানবোৰেই আক্ৰোহ পূৰণাৰ্থে কৰা বিবাদৰ কাৰণে যেন একোটা বিশেষ সুযোগহে।

এইখন বিয়া সেইমতে অতি উচ্চ পৰ্য্যায়ৰ হৈছিল। সম্ভ্ৰান্ত আৰু ভদ্ৰলোকৰ বিয়া এনেকুৱাই হোৱা যুগুত।

দৰা-কইনা উভয়ে একেলগে মিচেছ ৰৰকাকতিৰ চৰণ চুই সেৱা কৰি আশীৰ্ব্বাদ ল'লে। শংখ-উকলীৰ ধ্বনিৰে সৃষ্টি হোৱা মাঙ্গলিক পৰিৱেশত দৰা-কইনা গৈ বাহিৰত থকা গাড়ীত উঠিল গৈ। এখন দুখনকৈ তখন 'কাৰ' আৰু দুখন ট্ৰাকৰ লানি এটা গৈ ৰেল ষ্টেশ্যন পালেগৈ। নিজে নিজে গাড়ী চলাই প্ৰকাশৰ পাঁচজন ডেকা উকীল বন্ধুও প্ৰকাশক শুভইচ্ছা জনাই বিদায় দিবলৈ ষ্টেশ্যন পাইছিলগৈ।

উজনী অসম অভিমুখে পাওঁৰ পৰা অহা ৰেলখন গুৱাহাটী ৰেল ষ্টেশ্যনৰ প্লেটফৰ্ম্মত ৰোৱাৰ লগে লগে, প্ৰকাশে ৰিজাৰ্ভ কৰি থোৱা প্ৰথম শ্ৰেণীৰ কম্পাৰ্টমেণ্ট্‌টোত ৰৱযাত্ৰী লোকসকল দৰা-কইনাৰে সৈতে বহিলগৈ। প্ৰকাশক আজি এটাইতকৈ প্ৰসন্ন যেন দেখা গৈছিল। ন-কইনা অময়াই মূৰত ওৱণি লৈ গ'লেও, মাজে মাজে ওৱণি অকস্মাতে পৰি পৰি যোৱাত নৱ-বিবাহিতাৰ বিশেষ সৌন্দৰ্য্য দৰ্শনৰ পৰা আগবঢ়াবলৈ যোৱাসকল বঞ্চিত হোৱা নাছিল।

ৰেল ষ্টেশ্যন এৰিবলৈ আৰু প্ৰায় দুই মিনিটমান বাকী থাকোঁতে, ইতিমধ্যে এনেয়ে ৰেলত উঠি কথা-বতৰা কৈ থকা প্ৰজ্ঞান, শকুন্তলা, মিচেছ

চাওলা আৰু অময়াৰ ভনীয়েক কেইজনী ৰেলৰ পৰা নামি আহি প্লেটফৰ্ম্মত থিয় দিলেহি। ৰেলে উকী দিছে ঠিক এনেতে, খিৰিকীৰ কাষতে মুখখন থৈ বাহিৰৰ পিনে মুখ কৰি থকা অময়াৰ নিচেই কাষলৈ গৈ শকুন্তলাই ফুচুফুচাই কিবা ক'লে। অময়াই মিচিকিয়া হাঁহিৰে উত্তৰ দিলে, "এতিয়া তোমাৰ পাল। তোমাৰ বিয়াখন খাৰলৈ পালে মই যে ইমান সুখী হ'ম!" তাৰ পিছত ঘোপাকৈ চাই ক'লে, "আশাকৰোঁ। আমাৰ মাই প্ৰজ্ঞানক এইবাৰ আৰু ধৰি ৰাখিব নোৱাৰিব!"

অময়াৰ গালত শকুন্তলাই লাহেকৈ মৰমৰ-চৰ এটা মাৰি ক'লে: "যা-হ্!" তাৰ পিছত দুয়ো ধিক্ ধিক্ কৰে হাঁহি দিলে। এনেতে গার্ডে হুইছেল দিয়াত ৰেল চলিবলৈ আৰম্ভ কৰিলে। ভোছ, ভোছ কৈ ইঞ্জিনটোৱে প্ৰায় এক ফার্লং দীঘল ৰেলখন চিড়িৰ ওপৰেদি বগৰাই লৈ গ'ল। ক্ৰমে প্লেটফৰ্ম এৰি ৰেল কোৰেৰে চলিবলৈ আৰম্ভ কৰিলে। চকুৰে মনালৈকে খিৰিকীয়েদি মূৰ উলিয়াই পিছলৈ চাই থোৱা অময়া আৰু প্ৰকাশক শকুন্তলাইঁতে প্লেটফৰ্ম্মৰ পৰা ৰুমাল জোকাৰি জোকাৰি বিদায়ৰ শুভইচ্ছা জ্ঞাপন কৰিলে। ৰেলখন একেবাৰে নেদেখা হোৱাৰ পিছতহে প্ৰজ্ঞান, শকুন্তলা আৰু মিচেছ চাওলা ঘৰলৈ উভতিবলৈ গাড়ীত বহিলহি।

অময়াৰ ভনীয়েক সাতজনীও তাইইঁতৰ গাড়ীৰে ইতিমধ্যেই ঘৰলৈ উভতিবলৈ সাজু হৈছিল। প্ৰকাশৰ উকীল বন্ধু কেইজন ৰেল এবাৰ লগে লগেই দৰা-কইনাক শুভেচ্ছা জনাই উভতি আহিছিল।

চাৰি

তেতিয়া পুৱা প্ৰায় ন বাজিছে। মিচেছ চাওলা, শকুন্তলা আৰু প্ৰজ্ঞান গাড়ীৰে ঘৰমুৱা হ'ল। আগে পিছে চলোৱাৰ দৰে সেইদিনাও শকুন্তলায়েই গাড়ী চলাই আহিছে। বাটত মানুহৰ ইমান ভিৰ যে অলপ অসাৱধান হলেই দুৰ্ঘটনা হ'ব পাৰে। তথাপি শকুন্তলাই গাড়ীৰ বেগ কমোৱা নাই। ইলেক্‌ট্ৰিক্ হৰ্ণটো একেবাহে টিপি মানুহৰ মাজে মাজে ঘণ্টাত কুৰি মাইল বেগত গাড়ী এৰি দিছে। আগত অকলৈ শকুন্তলা আৰু পিছৰ ছিটত মিচেছ চাওলা আৰু প্ৰজ্ঞান।

"শকুন্তলা, ইমান জোৰে চলাইছ কেলেই? ক'ৰবাত মানুহৰ ওপৰতে গাড়ী তুলি দিবি যেন দেখিছোঁ!" মাকে উচ্-পিচাই ক'লে। পিছৰ ছিটত মিচেছ চাওলাৰ কাষতে প্ৰজ্ঞানে মনে মনে বহি আহিছিল।

মাকৰ কথালৈ কাণ নিদি শকুন্তলাই নিজ ইচ্ছা মতে এইবাৰ ঘণ্টাত ত্ৰিশ মাইল বেগেৰে গাড়ী চলাই দিলে। ষ্টেশ্যনৰ পৰা উত্তৰমুৱা হৈ অহা আলিটোৰেদি গাড়ী আহি প্ৰথম পাঁচ আলিটোৰ মূৰ পাওঁতেই, জজ পথাৰত অনুষ্ঠিত হোৱা স্বাধীনতা দিবসৰ পতাকা উত্তোলন চাই উভতি অহা মানুহ-বিলাকৰ প্ৰথম ভিৰটোৰ লগত ভেঁটাভেঁটি হ'ল। ইলেক্‌ট্ৰিক্ হৰ্ণটো ক্ৰমান্বয়ে টিপি বাটৰ দুয়োকাষে ফালৰি কাটি এফলিয়া হোৱা মানুহৰ মাজে মাজে শকুন্তলাই গাড়ী চলাই গ'ল।

"ইস্, আজি এইটো ৰৰ 'মিছ্' কৰিলোঁ।" শকুন্তলাই নিজকে কোৱাৰ দৰে ক'লে, "দ্বিতীয় পাঁচ-আলিটোৰ মূৰ পাই মানুহৰ অতিপাত ভিৰ দেখি শকুন্তলাই ক্ষন্তেকৰ কাৰণে গাড়ী ৰখাবলৈ বাধ্য হ'ল। জজ পথাৰৰ পৰা ভাঙি অহা লোকেৰে আলিত বিৰ্-দি সন্ধি নোপোৱা অৱস্থা হৈছে। শকুন্তলাই আক্ষেপৰ সুৰত আকৌ ক'লে,

"ইহ্, ইহ্। আজি এই হেন এটা দিনত পতাকা উত্তোলন চাবলৈ আহিব নোৱাৰিলোঁ! আজিহে আকৌ অময়াক আগবঢ়াই থ'বলগীয়া হ'ল!"

গাড়ী এৰি দি শকুন্তলাই পিছ পিনে মূৰ ঘুৰাই মাকলৈ চালে। মাকে ভাবিলে—সৰ্ব্বনাশ; গাড়ী মানুহৰ গাত উঠিব! "শকুন্তলা!....শকুন্তলা" মাকে চিঞৰাৰ লগে লগে শকুন্তলা সাৱধান হ'ল। স্বস্তিৰ নিশ্বাস এৰি মাকে ক'লে, "স্বাধীনতা দিবসৰ কথা কৈছ? আগেয়ে দেখা নাই নেকি? এইবাৰহে আৰু পালন কৰা হৈছে নে?"

"এইবাৰৰ স্বাধীনতা দিবসৰ তাৎপর্য্য বেলেগ। ১৮৫৭ চনত ভাৰতৰ সৰ্ব্বপ্ৰথম স্বাধীনতা আন্দোলনৰ পৰা আজিলৈকে এশ বছৰ পূৰ হ'ল। স্বাধীনতা সংগ্ৰামৰ আজি শত বাৰ্ষিকী তিথি! এই হেন এটি তিথিত জাতীয় পতাকা উত্তোলন চাবলৈ নোপোৱাতো দুৰ্ভাগ্য নহয়—আৰু কি?" এনেকৈ কৈয়েই ভিৰ অলপ কমা দেখি, দুই তিনিবাৰ হৰ্ণ বজাই, শকুন্তলাই গাড়ীৰ বেগ বঢ়াই দিলে।

"আকৌ ইমান জোৰে চলাইছ?" মাকে শকুন্তলাক বাধা দি ক'লে, "পতাকা উত্তোলন শেষ হ'ল। চাবলৈ নেপালি বুলি এতিয়া গাড়ীৰে খেদি গৈ ধৰিব খুজিছ নেকি? নে তিনিওকে স্বাধীনতা দিবসৰ শ্বহীদ কৰিব খুজিছ? কেনেবাকৈ যদি এক্সিডেণ্ট্...."

"এক্সিডেণ্ট্?" তাচ্ছিল্যৰ সুৰত কৈ শকুন্তলাই গাড়ীৰ গতিবেগ ত্ৰিশ মাইললৈ তুলি, অনবৰত হৰ্ণ বজাই বজাই মানুহক দুয়োকাষে এফলিয়া হৈ বাট এৰি দিবলৈ বাধ্য কৰিলে। শকুন্তলাৰ গাড়ীৰ ইঞ্জিনৰ আগত অকণমাণি জাতীয় পতাকা এখন সেইদিনা উৰি থকা দেখা গৈছিল।

মানুহৰ মাজেৰে ইমান বেগেৰে গাড়ী চলোৱা দেখি, গাড়ী গৈ ষ্ট্ৰেণ্ড্ ৰোডৰ ওপৰত উঠোঁ উঠোঁ হওঁতেই কেঁকুৰিটোত থিয় হৈ থকা পুলিচে হুইচেল দি গাড়ী ৰখালে। ওচৰলৈ আহি নম্ৰভাৱে ক'লে যে এনে ভিৰত ঘণ্টাত ছমাইলতকৈ বেচি বেগেৰে গাড়ী চলোৱা মানা।

"এতিয়া কেনে পালি?" মাকে ঠাট্টাৰ সুৰত ক'লে, "মাকৰ পুলিচ-গিৰিলৈ দেখিছোঁ, জীয়েকহঁতে কেৰেপকে কৰিব নোখোজে!" চকুটিপ মাৰি তেওঁ প্ৰজ্ঞানলৈ চালে।

"নোখোজেতো।" শকুন্তলাই গাড়ী চলায়েই কৈ যায়, "বয়স হৈ আহিলে মানুহৰ মৰিবলৈকো দেখিছোঁ ভয় বেচি হৈ আহে!"

"কৈ থাক, কৈ থাক, আৰু কিমান দিন? তোক শাসন কৰিব পৰা পুলিচ মই লগতে লৈ আহিছোঁ। সেই পুলিচেই তোৰ ভৱিষ্যতৰ সকলো গতি বিধি নিয়ন্ত্ৰণ কৰিব। তেতিয়া পাৰি নহয় মজাটো!" নিজৰ বগৰৰ ৰাগীত নিজেই মতলীয়া হৈ মিচেছ চাওলাই প্ৰজ্ঞানৰ বাহুত চিকুট মাৰি দিলে।

"নাৰী পুলিচ বাহিনীৰ কড়া নজৰত থাকি নজৰ-বন্দী হোৱাতকৈ, নিজেই পুলিচ হ'ব পৰা হ'লেতো ভালেই আছিল।" প্ৰজ্ঞানে মিচিকিয়া হাঁহিৰে শকুন্তলাৰ মাকলৈ চাই অতি গহীনভাবে ক'লে, "বুজিছে মাহীদেউ! চৰকাৰী ক্ষেত্ৰত নহলেও, সামাজিক ক্ষেত্ৰত অসমতো কিন্তু নাৰী চোৱাং-

চোৱা পুলিচৰ অভাৱ নাই।....অ'ৰ কথা ত'ত, ত'ৰ কথা অ'ত কোনেনো লগায় বুলি আপুনি ভাবে ?"

প্ৰজ্ঞানৰ কথাখিনিৰ লগে লগেই গাড়ী গৈ চাওলা ভৱন পাইছিল গৈ। গাড়ী বখাই শকুন্তলা গাড়ীৰ পৰা নামিল। কাকো মাতবোল নিদিয়াকৈ ভোঁ ভোঁ কৰে গৈ ভিতৰ সোমাল। মিচেছ চাওলা আৰু প্ৰজ্ঞান গাড়ীৰ পৰা নামি দ্ৰইং ৰুমতে বহিলগৈ। ডিউটিলৈ আহি বৈ থকা দ্ৰাইভাৰে গাড়ী নি গেৰেজত থ'লে।

মাকে ভাবিছিল শকুন্তলা ভিতৰলৈ কাপোৰ সলাবলৈ গৈছে। কিন্তু পোন্ধৰ মিনিটৰ পিছতো যেতিয়া শকুন্তলা ওলাই নাহিল, জগদ্বীশক খবৰ কৰিবলৈ ক'লে। অলপ সময়ৰ পিছত জগদ্বীশ আহি ক'লেহি যে শকুন্তলা ঘৰত নাই। জজ পথাৰত তামাচা চাবলৈ গ'ল।

"জজ্ পথাৰৰ 'তামাচা' ন বজাতে ভাঙিল। এতিয়া চাবে ন বাজে!" মিচেছ চাওলাই ঠাট্টাৰ সুৰত ক'লে, "যোৱা, তাই নিশ্চয় তাইৰ কোঠাতে আছে। এতিয়াই মতা বুলি ক'বা। প্ৰজ্ঞানে মতা বুলি...."

"আচ্ছা, ৰবা মাইজী।" জগদ্বীশ শকুন্তলাৰ সন্ধানত আকৌ ভিতৰলৈ গ'ল। দুই মিনিটৰ পিছত উভতি আহি ক'লেহি যে শকুন্তলাৰ কোঠাৰ দুৱাৰ ভিতৰৰ পৰা খিলি মৰা!

জগদ্বীশৰ কথাত শকুন্তলালৈ মাকৰ খং উঠিল। "ৰাৰু, ময়ে যাওঁ" এই বুলি গৈ শকুন্তলাৰ কোঠাৰ দুৱাৰত বাহিৰৰ পৰা মাকে জোৰে জোৰে ঢকিয়াই শকুন্তলাক ওলাই আহিবলৈ ক'লে। শকুন্তলাই একো নমতা দেখি আকৌ ক'লে, "শুন শকুন্তলা, তই যদি সোনকালে দুৱাৰ খুলি ওলাই নাহ, তেনেহলে মই আজি একো নেখাওঁ।"

মাকৰ ঢেৰেকনি শুনি শকুন্তলাৰ পেটে পেটে ভয় লাগিল। মাকৰ যে লঘোণে থাকিলে অসুখ হয়, এই কথা শকুন্তলাৰ ভালকৈ জনা আছে। কেনেবাকৈ যদি একো নোখোৱাকৈ থাকিব লাগিল (আৰু যিহে জেদি মাক, হয়তো নেখাবই) তেতিয়া হ'লে বিপদ। পিত্ত চাৰ হৈ গোটেই দিনটো মাকে বতিয়াই বা ওকালি পাৰি থাকোঁতেই যাব। সেই ৰোগ নিৰাময় কৰাৰ একমাত্ৰ ঔষধ দুখন আধা ইঞ্চি ডাঠ পৰঠা! আন একোৰেই তাৰ উপশম কৰিব নোৱাৰে! সেই কথা, শকুন্তলা কিয়? ঘৰৰ সকলোৱেই জানে।

খৰ-ধৰকৈ দুৱাৰ খুলি দি শকুন্তলাই মাকৰ লগত তৰ্ক জুৰি দিলেহি।
"মই শুইছোঁ, তোমালোকৰ কি হ'ল ?"

"কি নাই হোৱা ?" মাকে পেংলাই কৰি ক'লে, "প্ৰজ্ঞানক বাহিৰত বহুৱাই থৈছ, কাৰ লগত কথা পাতিবলৈ? সি ভুতটোৰ দৰে অকলে অকলে বহি থাকিব নেকি ?"

"তুমি নুবুজা মা!" শকুন্তলাই অভিমানৰ সুৰত ক'লে, "যাচি দিলে সোণৰো মূল্য নেথাকে।"

"অ'—অ'!" মাকে ঠাট্টাৰ সুৰত কয়, "সেই দেখিছে মূল্যবান আৰু সোণ—এই দুয়োটাকে একেলগে হ'ব খুজিছ ?" জীয়েকৰ মুখ ওফন্দা দেখি মাকে সুৰ বদলাই ধেমালিৰ সুৰত ক'লে, "শুন শকুন্তলা, এটা কাম কৰা যাওঁক।"

"কি ?"

আজি এই স্বাধীনতা দিবসটো পালন কৰা যাওঁক। গধূলি এটা ডাঙৰ 'টীপাৰ্টি' দিলে কেনে হয় ?"

"আলহী কোন কোন হ'ব ?"

"মিচেছ ৰৰকাকতি, তেওঁৰ সাতজনী জীয়েক আৰু প্ৰজ্ঞান। এই কেইজন হ'লেই, নহ'ব জানো ?" মাকে আগ্ৰহেৰে শকুন্তলালৈ চালে।

"টী-পাৰ্টি এটা নহয় দহটা দিয়া মোৰ আপত্তি নাই কিন্তু...."

"কিন্তু আকৌ কি ?" মাকে আচৰিত হৈ সোধে।

"মিচেছ ৰৰকাকতিক মাতিব নোৱাৰা।"

"হাঁ ?" মাকে অতি আচৰিত হৈ সোধে, "মিচেছ ৰৰকাকতিক মাতিব নোৱাৰোঁ ? কিয় ? সেই হেন এগৰাকী সাদৰী মানুহক...."

"হ'ব পাৰে সাদৰী বহুতৰ কাৰণে, কিন্তু মোৰ কাৰণে নহয়।"

"তোৰ কাৰণে নো কি ?"

"মোৰ কাৰণে কি জানিব খুজিছা ?....মোৰ কাৰণে....মোৰ কাৰণে কূলটা!"

"কি ?" মাকে আচৰিত হৈ জীয়েকলৈ পোন্দোৱা চকুৰে চাই ৰ'ল। এনে ভূমি-চুই-কৰ্ণত-হাত-দিৱ-লগীয়া-অৱস্থাত পেলোৱা দেখি শকুন্তলালৈ মাকৰ খং উঠিল। খঙতে ইফাল সিফাল কৰি শকুন্তলাৰ ওচৰলৈ আহি বাওঁহাতৰ তৰ্জ্জনি আঙুলিটো টোৱাই টোৱাই ক'লে, "মোৰ আগতেই যি কলি! দুনাই যেন তেনে কথা উচ্চাৰণ নকৰ।" তাৰ পিছত নিজকে কোৱাৰ দৰে ক'লে, "এনে এগৰাকী অমায়িক তীক্ষ্ণবুদ্ধি সম্পন্না সম্ভ্ৰান্ত মহিলাক ওঁঠ টিপিলে গাখীৰ ওলোৱা এজনী ছোৱালীয়ে এনেকৈ কবলৈ সাহ কৰে।"

"তীক্ষ্ণ বুদ্ধি হ'লেই যে মানুহ সন্ত্রান্ত হ'ব তাৰ কোনো মানে নাই!" শকুন্তলাই একে সুৰতে কৈ কান্দো কান্দো হ'ল।

"তোৰ কথাৰ অৰ্থ?" বিৰক্তিৰ সুৰত মাকে সোধে।

"যিগৰাকী মহিলাই ইমানবিলাক ছোৱালীৰ মাক হৈয়ো মোৰ পৰা প্ৰজ্ঞানদাক আজুৰি নিবলৈকো কুণ্ঠিত হোৱা নাই...." শোকে খুন্দা মাৰি ধৰাত তাই উচুপিবলৈ ধৰিলে। জীয়েকৰ চকুৰ পানী দেখি মাকৰো চকু পানী ওলাল। নিজকে সংযত কৰি মাকে এইবাৰ জীয়েকৰ মূৰটো পিহি পিহি মৰমেৰে ক'লে, "তই একো ভয় নকৰিবি; মই থাকোঁতে প্ৰজ্ঞানক তোৰ পৰা কোনেও কাঢ়ি নিব নোৱাৰে।"

শকুন্তলাক হাতত ধৰি প্ৰায় টানি নিয়াৰ দৰে নি প্ৰজ্ঞানৰ ওচৰতে এখন চোফাত মাকে জোৰকৈ বহুৱাই দিলেগৈ।

"এয়া প্ৰজ্ঞান! এইজনী! এতিয়া যিমান ইচ্ছা কথা পাতা।" প্ৰজ্ঞানৰ উত্তৰলৈ বাট নেচাই মিচেছ চাওলা ভিতৰলৈ গ'ল।

"শকুন্তলা, তোমাক আজি ইমান মৌলিক ভাবাপন্ন যেন লাগিছে! কেলেই বাৰু?" প্ৰজ্ঞানে ভয়ে ভয়ে সোধে।

"সন্ন্যাসীৰ সান্নিধ্যলৈ আহিলে মানুহ উদাসীন হয়; কিন্তু সন্ন্যাসী পতিত হলে, মৌলিকতাৰ আশ্ৰয় লোৱাৰ বাহিৰে শিষ্যবৰ্গৰতো আন একো উপায় নেথাকে।" প্ৰজ্ঞানৰ মুখখন আমোলাই গ'ল। প্ৰজ্ঞান মনে মনে থাকিল। শকুন্তলাই ভাবিলে ঔষধৰ মাত্ৰা অলপ গধুৰ হ'ল। কি কৰা যায়? তাই উপায় ভাবিবলৈ ধৰিলে।

"মিচেছ বৰকাকতিৰ লগত তুমি সুখী হব পাৰা নাই নেকি?" শকুন্তলাই সাহ কৰি ক'লে যদিও পেটে পেটে ভয়ো লাগিল।

"সুখী?" প্ৰজ্ঞানে সাধাৰণভাৱে ক'লে, "নিশ্চয়; কিন্তু তেনে ধৰণে সুখী হবলৈ মই নিবিচাৰোঁ, শকুন্তলা।" প্ৰজ্ঞানৰ প্ৰশান্ত মুখখনিত বিষাদৰ ৰেখা এটি বিৰিঙি উঠা শকুন্তলাই স্পষ্টকৈ দেখা যেন অনুভৱ কৰিলে।

"এয়া, এনে ধৰণৰ দুমুখীয়া উক্তিত তোমাৰহে মৌলিকতা ফুটি উঠিছে, প্ৰজ্ঞানদা। মৌলিকতা তোমাৰেই জানো একচেতীয়া সম্পত্তি নহয়?" শকুন্তলাৰ কথাত অভিমানৰ এটা স্পষ্ট সুৰ প্ৰজ্ঞানৰ কাণত ধৰা পৰিল।

"মৌলিকতা একমাত্ৰ মোৰেই একচেতীয়া সম্পত্তি বুলি দাবী নকৰিলেও, কোনোবাই যদি মোৰ ওপৰত জোৰকৈ জাপি দিয়ে, মই কি কৰিম বাৰু?" প্ৰজ্ঞান গহীন হৈ থাকিল।

"কৰিবলৈ একো নাই, কিন্তু ভাবিবলৈ যথেষ্ট আছে।"

"মানে?" অলপ আচৰিত হৈ প্ৰজ্ঞানে সোধে।

"মানে এইটোৱেই। অসমীয়া, তথা ভাৰতীয় সমাজ ব্যৱস্থাৰ কেৰোণ আঁতৰাবলৈ গৈ, সেই কেৰোণত নিজেই কামোৰ খাই ধৰাত যুক্তি আছে বুলি যিসকলে ভাবে, তেনে লোকক একপ্ৰকাৰে মৌলিক চিন্তাধাৰাৰ মানুহ বুলিয়েই ক'ব পাৰি।" শকুন্তলাৰ কথাত বিদ্ৰূপ আৰু অভিমান দুয়োটাই স্পষ্টকৈ ফুটি উঠিল।

"মই কৈছোঁ নহয়, মিচেছ বৰকাকতিৰ সান্নিধ্যত লাভ কৰা সুখ মই বাঞ্ছা নকৰোঁ। তেনে সুখে নাই মোক উন্মাদ কৰিব, নহলে দান কৰিব ঈশ্বৰত্ব, যি ঈশ্বৰত্ব মই নিবিচাৰোঁ! জাপি দিয়া ঈশ্বৰত্বত কিবা মূল্য আছে জানো, শকুন্তলা?" প্ৰজ্ঞানৰ চকুহাল অস্বাভাৱিকভাৱে ডাঙৰ হৈ উঠিল। তাৰ পিছতেই চল্‌চলীয়া হৈ দুটোপাল চকুলো দুই গালেদি বাগৰি গ'ল!

"তুমিও কান্দিব পাৰা, প্ৰজ্ঞানদা? শকুন্তলা হঠাৎ ভাব-প্ৰৱণ হৈ উঠিল। উঠি গৈ প্ৰজ্ঞান বহা চোফাখনৰ পিছপিনে থিয় হৈ, লাহে লাহে প্ৰজ্ঞানৰ মূৰৰ জপৰা চুলিৰ মাজে মাজে আঙুলি বুলাই চাৰিশলীয়া কাঁকেৰে মূৰ ফনিওৱাৰ দৰে লাহে লাহে মূৰটো পিহি দিবলৈ ধৰিলে। সমুখৰ পিনে থৰ লাগি চাই, জঠৰ হৈ প্ৰজ্ঞান বহি থাকিল।

অতি মৰমৰ মাতেৰে শকুন্তলাই লাহেকৈ সুধিলে, "তেওঁ তোমাক কি কৰিবলৈ কৈছে, প্ৰজ্ঞানদা?"

"বিয়া কৰিবলৈ?"

"কাক?"

"তোমাক।"

শকুন্তলাই খপকৰে প্ৰজ্ঞানৰ মূৰৰ পৰা হাত আঁতৰাই ঠৰঙা হৈ থিয় দিলে। হঠাৎ কি হ'ল বুলি চোফাখনত পতকৰে একটিয়া হৈ প্ৰজ্ঞানে মূৰ ঘূৰাই শকুন্তলালৈ চালে। চৰগ পৰা মানুহৰ দৰে সমুখলৈ চাই শকুন্তলা তেতিয়াও থৰ লাগি থিয় হৈ আছিল।

"কি হ'ল শকুন্তলা?"

শকুন্তলা নিমাত।

"কি হ'ল নোকোৱা কিয়?"

তেতিয়াও তাই নিমাত।

প্ৰজ্ঞান খপ কৰে উঠি গৈ শকুন্তলাক ধৰি আনি নিজে বহা চোফাখনত বহুৱাই দিলে। তাতো তাই ঠৰঙা হৈয়ে বহি থাকিল।

"শকুন্তলা! শকুন্তলা! তোমাৰ কি হ'ল বাৰু?"

অনুনয়ৰ সুৰত প্ৰজ্ঞানে সুধিলে।

সমুখলৈ চাই চায়েই তাই ক'লে, "কাক বিশ্বাস কৰিম? তোমাক? মোক? নে মিচেছ ৰৰকাকতিক?"

"কৰিলে এটাইকে কৰিব লাগিব, নহলে কাকো নহয়!" প্ৰজ্ঞানে ক'লে। খপকৰে প্ৰজ্ঞানৰ পিনে মুখ ঘুৰাই তাই ক'লে, "গোটেই পৃথিবীকে বিশ্বাস কৰিলেও, মিচেছ ৰৰকাকতিক মই বিশ্বাস কৰিব নোৱাৰোঁ।"

"নেলাগে শকুন্তলা, মোক বিশ্বাস কৰিব নেলাগে।" প্ৰজ্ঞান-শকুন্তলা দুয়ো বাহিৰৰ দুৱাৰৰ পিনে মুখ ঘুৰাই চায়েই দেখিলে যে মিচেছ ৰৰ-কাকতিয়ে কথাষাৰ কৈ কৈ কোঠাটোলৈ সোমাই আহিছে! বহাৰ পৰা খপ কৰে উঠি শকুন্তলাই গৈ মিচেছ ৰৰকাকতিক হাতত ধৰি আনি এখন চকীত বহুৱাই দি ক'লে, "ক্ষমা কৰিব মাহীদেও! অময়াহঁতক ষ্টেশ্যনত বিদায় দি অহাৰ পিছত মোৰ মনটো ৰৰ ভাল নহয়। মুখত যি আহিছে তাকেই মই বকি আছোঁ।" দীঘলকৈ উশাহ এটা টানি মিচেছ ৰৰকাকতিয়ে ক'লে, "তুমি মোক অবিশ্বাস কৰিয়েই এৰা নাই শকুন্তলা! মোৰ জী অময়া আৰু তোমাৰ মতে, মোতকৈ দুশ্চৰিত্ৰা নাৰী বোধকৰো আৰু এই পৃথিবীত নাই!"

"মই কেতিয়া তেনেকৈ কৈছোঁ?" অভিযোগৰ সুৰত কৈ শকুন্তলাই ৰৰকাকতিনীৰ মুখলৈ চালে।

"তুমি ক'ব নেলাগে, মই জানো; মই বুজিছোঁ। মই দেখা পাইছোঁ তোমাৰ চকুত, তোমাৰ ভাব-ভঙ্গীত, তোমাৰ কথা-বতৰাত। ইয়াতকৈ কি আৰু বেচি প্ৰমাণ লাগে?" শকুন্তলা অপ্ৰস্তুত হ'ল।

শকুন্তলাৰ অসুবিধাটো বুজিব পাৰি, কথাৰ সুৰ বদলাই ৰৰকাকতিনীয়ে ক'লে, "বহা শকুন্তলা, তোমালোকৰ লগত মোৰ কথা আছে।" বাকহীন যন্ত্ৰৰ পুতলা এটাৰ দৰে শকুন্তলাই পিছুৰাই আহি প্ৰজ্ঞান বহি থকা ডাঙৰ চোফাখনতে এমূৰে বহি পৰিল।

ডাৰৰীয়া পৰিস্থিতিটো ফৰকাল কৰাৰ উদ্দেশ্যে অকণমান সময় মনে মনে থাকি, মিচেছ ৰৰকাকতিয়ে শকুন্তলাৰ মুখলৈ, মাকে সুপ্ত সন্তানৰ মুখলৈ মিচিকিয়া হাঁহিৰে চাই থকাৰ দৰে, কিছু সময় চাই ৰ'ল। সেই হাঁহি আৰু সেই চাৰনিয়ে শকুন্তলাৰ অন্তৰত তাই বুজিব নোৱাৰাকৈয়ে এটা অদ্ভুত পৰিবৰ্ত্তন আনি দিলে। তাই কিছু সময় থৰ হৈ চাই থাকি, হঠাৎ উঠি আহি মিচেছ ৰৰকাকতিৰ আগত মাটিত আঁঠুকাঢ়ি তেওঁৰ আঁঠুহাল

জপতিয়াই ধৰি, সৰু ছোৱালীৰ দৰে হুক্ হুক্ কৰে কান্দি দিলে। দুই হাতে তাইৰ মূৰটোত আলফুলকৈ ধৰি মিচেছ ৰৰকাকতিয়ে তাইক থিয় কৰাই দি নিজেও থিয় হৈ শকুন্তলাৰ দুই গালে দুটি চুমা খালে। তাৰ পিছত অতি অন্তৰঙ্গ দুই বান্ধৱীয়ে বহুত দিনৰ মূৰত দেখা দেখি হ'লে ইজনীয়ে সিজনিক সান্ত্বনা ধৰাৰ দৰে সান্ত্বনা ধৰি, সোঁহাতখনেৰে শকুন্তলাৰ পিঠিখন লাহে লাহে পিহি দিবলৈ ধৰিলে।

ঠিক এনেতে শকুন্তলাৰ মাক মিচেছ চাওলা সোমাই আহি মিচেছ ৰৰকাকতি আৰু জীয়েকক তেনেকৈ থকা দেখি ভাবিলে: এইখন আকৌ কিহৰ আখৰা?

"আপুনি কেতিয়া আহিল মিচেছ ৰৰকাকতি?"

মিচেছ চাওলাৰ মাত শুনি দুয়ো দুয়োকে এৰি দি একাষৰীয়া হল। যেন একোৱেই হোৱা নাই, এনেকৈ হাঁহি মিচেছ ৰৰকাকতিয়ে আকৌ নিজৰ ঠাইত বহি মিচেছ চাওলাকো বহিবলৈ ক'লে।

"বুজিছে মিচেছ চাওলা?" মিচেছ ৰৰকাকতিয়ে হাঁহি ক'লে,

"ঠিক সময়তেই আজি মই উপস্থিত হৈছোঁহি!"

"ঠিক সময়তে মানে?" আচৰিত হৈ শকুন্তলাৰ মাকে ৰৰকাকতিনীলৈ চালে।

"এতিয়াই গম পাব।" এই বুলি মিচেছ ৰৰকাকতি খপকৰে বহাৰ পৰা উঠি তেতিয়াও ওচৰতে থিয় হৈ থকা শকুন্তলাক হাতত ধৰি নি, প্ৰজ্ঞান বহা চোফাখনতে দুয়ো বহি পৰিলগৈ। মাজত মিচেছ ৰৰকাকতি, সোঁহাতে প্ৰজ্ঞান আৰু বাওঁহাতে শকুন্তলা।

অতি সহজভাৱে মিচেছ ৰৰকাকতিয়ে প্ৰজ্ঞানৰ সোঁহাতখন নিজৰ সোঁহাতে, আৰু শকুন্তলাৰ সোঁহাতখন নিজৰ বাওঁহাতেৰে টানি আনি দুয়োখন হাত একেলগে জপতিয়াই তেওঁৰ কোলাৰ ওপৰত নিজৰ হাত দুখনৰ মাজত লৈ, চকুহাল জপাই প্ৰাৰ্থনা কৰাৰ দৰে দুই মিনিটমান মৌন হৈ ৰ'ল। তাৰ পিছত চকু মেলি ধীৰ, অথচ স্পষ্ট স্বৰে কলে:

"মই তোমালোকক কি বুলি সম্বোধন কৰিম ক'ব নোৱাৰোঁ। কিন্তু আজিৰ এই স্বাধীনতা দিবসৰ পবিত্ৰ ক্ষণত, কক্ষচ্যুত দুটি অতৃপ্ত আত্মাই তৃপ্তিৰ সন্ধানত তোমালোকৰ মাজেদি ৰূপায়িত হবলৈ প্ৰয়াস কৰিছে। সেই প্ৰয়াস সাফল্যমণ্ডিত হওঁক। দুটি আত্মাৰ মিলন হওঁক। ওঁম্ শান্তি! শান্তি! শান্তি!"

হঠাৎ কি হ'ল? বুজি উঠোঁতে প্রজ্ঞান, শকুন্তলা আৰু মিচেছ চাওলাৰ কিছু সময় লাগিল। কিন্তু সেই সময়লৈকে মিচেছ ৰৰকাকতি আৰু তাত ৰৈ নেথাকিল। একো মাত-বোল নিদিয়াকৈ এই অদ্ভুত মানুহ গৰাকী কেতিয়া যে তাৰ পৰা নাইকিয়া হ'ল, কোনেও ততকে ধৰিব নোৱাৰিলে। মুহূর্ত্ততে এটা আকস্মিক ৰঙীন পৰিবেশে গোটেই 'চাওলা-লজ'টো মুখৰিত কৰি তুলিলে।

তেতিয়াও এই তিনিটি প্ৰাণীয়ে একো মাত-বোল নকৰাকৈ, ইটিয়ে সিটিৰ মুখলৈ চাই পৰিস্থিতিটো উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল!

সেইদিনা আছিল ১৯৫৭ চনৰ ১৫ আগষ্ট।

পৰিসমাপ্তি

কমল আৰু তেওঁৰ বন্ধুজন একেবাহে চাৰিদিন প্ৰকাশৰ ঘৰলৈ আহি, নিতৌ প্ৰায় পাঁচ ছয় ঘণ্টাকৈ প্ৰজ্ঞানক কেন্দ্ৰ কৰি গঢ়ি উঠা এই বৃহৎ জীৱন-নাটখনিৰ সকলো কথা শুনি এফালে যেনেকৈ আচৰিত হ'ল, আনফালে ৰৰকাকতিনীৰ প্ৰতি সহানুভূতিত দুয়োৰে অন্তৰ উপচি পৰিল।

কিন্তু আজি চাৰিদিনৰ আগতে গুৱাহাটীৰ ভাদমহীয়া ভৰ-দুপৰীয়াৰ বেলি মূৰত লৈ, অকলে অকলে খোজকাঢ়ি প্ৰজ্ঞান কলৈ গৈছিল, সেই বিষয়ে জানিবলৈ সিহঁত দুয়োৰে ৰৰ কৌতুহল জন্মিল।

"ৰাৰু প্ৰকাশ, তাৰ পিছত তেওঁক আৰু তুমি লগ পাইছানে?"

"লগ?" প্ৰকাশে কয়, "লগ সদায়েই পাওঁ। মোৰ পৰিবাৰ অমায়াৰ লগত তেওঁৰ সহধৰ্ম্মিনী নলে-গলে লগা বন্ধু।

"কাৰ সহধৰ্ম্মিনী বুলি ক'লা?" কমলে আচৰিত হৈ সোধে।

"প্ৰজ্ঞানৰ।"

"কি? প্ৰজ্ঞানে তেনেহলে বিয়া কৰালে?"

"বিয়া কৰাব নোৱাৰে নেকি?" প্ৰকাশে কৌতুকেৰে সোধে।

"নোৱাৰিব কিয়? পিছে, হাত মিলাই দিয়াকেইতো আৰু বিয়া নোবোলে। বিয়ানো কৰালে কেতিয়া?" কমলে আচৰিত হৈ প্ৰকাশলৈ চালে।

"বিয়াৰ ক্ৰম আৰু পৰ্য্যায়ত বিশেষ কিবা ধৰা-বন্ধা গত আছে বুলি তুমি ভাবা নেকি?" ভাবুকৰ দৰে প্ৰকাশে সোধে।

"আচৰিত ধৰণৰ প্ৰশ্ন কৰিলা প্ৰকাশ।" কমলে অপদস্ত হোৱাৰ দৰে কয়, "বিয়াৰ ক্ৰম আৰু পৰ্য্যায় বোলোতে তুমি কি অৰ্থ কৰিছা, মই হ'লে বুজিব নোৱাৰিলোঁ।"

"কামাখ্যাত নিতৌ কিমান ডেকা-ডেকেৰী বিবাহ পাশত আৱদ্ধ হৈছে, তাৰ ভু ৰখা হ'লে নিশ্চয় বুজিব পাৰিলাহেঁতেন।"

"সেইটো ৰাৰু বুজিলোঁ।" কমলে ক'লে, "পিছে এটা কথাতহে মই অলপ আচৰিত হৈছোঁ। কথাটো হৈছে-প্ৰজ্ঞানৰ দৰে ইমান সৰল মনৰ ডেকা এজনে, এনে ধৰণৰ আওঁহতীয়া প্ৰস্তাৱত ৰাৰু কেনেকৈ মান্তি হ'ব পাৰিছিল?"

"শুনা, শুনা", প্ৰকাশে ডিঙিটো পৰিষ্কাৰ কৰি কৈ যায়, "পৱিত্ৰ

অন্তঃকৰণেৰে প্ৰেমৰ বেদীত ডেকা-গাভৰুৱে ইজনে সিজনৰ ওচৰত আত্ম-সমৰ্পণ কৰাৰ পিছত, আনুষ্ঠানিকতাৰ মূল্যইবা কিমান? তথাপি লোকাচাৰ অমান্য কৰাতো জানো বিধেয়?''

''জানো, তুমি কি ক'ব খুজিছা!'' কমলে কয়।

অতি গহীন হৈ প্ৰকাশে কৈ যায়, ''সমাজত থাকিবলৈ হ'লে, সামাজিক নিয়ম-কানুন মানি চলিবই লাগিব। সেইদেখি ৰাইজক নিমন্ত্ৰণ কৰি আনুষ্ঠানিকভাবে প্ৰজ্ঞান-শকুন্তলাৰ শুভবিবাহ সম্পন্ন কৰা হ'ব। কৰিবই লাগিব। হকতে-নহকতে, সকলো কথাতে সমাজৰ বিৰুদ্ধে যোৱাটোকে-ইতো আৰু প্ৰগতিবাদ নোবোলে!....বোলে জানো?''

ঠিক এনে সময়তে মিচেছ্ ৰৰকাকতি, প্ৰজ্ঞান আৰু শকুন্তলা গাড়ীৰে আহি প্ৰকাশৰ ঘৰ পালেহি।

কমল আৰু ইজন বন্ধুৱে অলপ অস্বস্তি অনুভৱ কৰি উচ্‌পিচাবলৈ ধৰিলে। লৰালৰিকৈ প্ৰকাশৰ পৰা বিদায় লৈ, দুয়ো বন্ধু ঘৰমুৱা হ'ল। যাওঁতে বাটত দুয়োৰে মানস চকুত প্ৰজ্ঞান-শকুন্তলাৰ যুগল-মূৰ্ত্তিটো ভাহি উঠিল। দুয়ো দুয়োৰে মুখলৈ চাই চকুৰেই প্ৰশ্ন কৰিলে: 'সন্ন্যাসীৰ অৰ্থ জানো এয়ে?'

কিছু সময়ৰ পিছত দুয়ো একেটা সিদ্ধান্ততে উপনিত হ'ল: 'সংসাৰত থাকিও যি সন্ন্যাস অৱলম্বন কৰিব পাৰে, তেওঁহে আচল সন্ন্যাসী।'

প্ৰজ্ঞানৰ প্ৰতি শ্ৰদ্ধাত দুয়োৰে মূৰ দোঁ খাই আহিল। ভাবিলে—কোন বেচি ভাগ্যবান? প্ৰজ্ঞান নে শকুন্তলা?

আকস্মিকভাৱে দুয়ো একে লগে কৈ উঠিল: ''বিয়া ইয়াকেই বোলে।''....ভাহি উঠিল দুয়োৰে মানস পটত অন্তহীন এখন নতুন দিগন্ত। নতুন....নতুন....সম্পূৰ্ণ নতুন!

অন্ত

SANSANANDA MEMORIAL LIBRARY
No .....
Date .....